অব্যক্ত প্ৰাণৰ সুৰ

মুনীন্দ্ৰ চন্দ্ৰ বৰুৱা
হাতীগড় চাৰিআলি,
জু-নাৰেঙ্গী ৰোড,
গুৱাহাটী—২৪

ABYAKTA PRANAR SUR: A noval in Assamese, Written and published by Sri Munindra Chandra Baruah, Guwahati-781024 and printed at Sudarshan Press, Bamunimaidam, Guwahati—781021

স্থায়ী বাসিন্দা

পদ্ম নাথ ৰোড, তেজপুৰ

মূল্য: ৩৫.০০ (পয়ত্রিশ টকা) মাথোন।

মুদ্ৰণ: সুদৰ্শন প্ৰেছ

বামুনীমৈদাম,

গুৱাহাটী-৭৮১০২১

১৫ আগষ্ট ১৯৯১

উছৰ্গা

শিক্ষা আৰু জ্ঞান বিস্তাৰেই যাৰ ধৰ্ম, সমবায় আন্দোলন যাৰ প্ৰাণ, দাৰিদ্ৰতাৰ বিৰুদ্ধে অক্লান্ত যুদ্ধই যাৰ জীৱন-সঙ্গী, সেইজন মানৱ প্ৰেমী নিৰ্ভিক উদাৰ খেলুৱৈ সুলভ, প্ৰাণৱন্ত পুৰুষ ˚ দুলাল চন্দ্ৰ ভট্টাচাৰ্য দেৱৰ সান্নিধ্যৰ মধুৰ স্মৃতিত উৎছৰ্গা কৰিলো ।

মুনীন্দ্ৰ চন্দ্ৰ বৰুৱা ।

কৃতজ্ঞতা

যি সকল আত্মীয় কুটুম্ব, বন্ধু-বান্ধৱে কিতাপখন লিখি থকাৰ সময়ত উৎসাহ দিছিল, সেই সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ ভিতৰত মোৰ স্নেহাস্পদ শ্ৰী নিৰঞ্জন গোস্বামী, প্ৰাক্তন মুখ্য বন-সংৰক্ষণ বিষয়া দেৱৰ নাম উল্লেখনীয়।

মোৰ সহধৰ্ম্মিনী শ্ৰীমতী মঞ্জুৱে পাণ্ডুলিপিখনত হাত ফুৰাই দিয়াৰ উপৰিও মাজে-সময়ে আগবঢ়োৱা পৰামৰ্শৰ কাৰণে তেওঁ মোৰ বিশেষ ধন্যবাদৰ পাত্ৰী।

স্নেহত মোৰ ভাতৃ প্ৰতিম আৰু সুদৰ্শন প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীনাৰায়ণ চন্দ্ৰ বৰকটকীয়ে কিতাপখন চপা কৰি উলিয়াবলৈ গাত লোৱাত কি বুলি ধন্যবাদ দিম ভাবি নেপাওঁ।

কিতাপখন প্ৰেছত চপা কৰি থকা অৱস্থাত কেতিয়াবা প্ৰেছলৈ যাওঁতে কৰ্মীবৃন্দই দেখুৱা সহায় আৰু সহানুভূতিয়ে মোক অভিভূত কৰিছিল। সেই সকল কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিলো।

লেখক

মুনীন্দ্ৰ চন্দ্ৰ বৰুৱা।

মোৰ মন কুলনিত ফুলা প্ৰথম ফুলপাহিৰ সুৰভি সহৃদয় পঢ়ুৱৈ সমাজে সাদৰেৰে গ্ৰহণ কৰিলে নিজকে কৃতাৰ্থ মানিম ।

লেখক

মুনীন্দ্ৰ চন্দ্ৰ বৰুৱা ।

এই উপন্যাসখনৰ সকলোবোৰ চৰিত্ৰই কাল্পনিক । কিবা আকস্মিক ঘটনাক্ৰমেহে কোনোবা জীৱিত বা মৃত ব্যক্তিৰ লগত চৰিত্ৰ সমূহৰ সাদৃশ্য থাকিব পাৰে ।-তাত লেখকৰ হাত নাই ।

লেখক ।

'ইস্ক্ পৰ্ জোৰ নেহী
ইয়ে ৱহ আতিছে্ গালীব ।
কে লাগায়ে ন-লাগে,
অউৰ বুঝায়ে ন-বনে ।'

মীৰ্জা গালীব

(আপোনা আপুনি জাগি উঠা প্ৰেমৰ বনজুই কুৰা কোনেও জলাও বুলি জলাবও নোৱাৰে, নুমাবও নোৱাৰে)

ক্ষমা প্ৰাৰ্থনা

তাহানি স্কুলত পঢ়োতে শিক্ষকে গৰুৰ বিষয়ে এখন ৰচনা লিখিবলৈ দিছিল। কিছুপৰ মূৰ খজুৱাই ভাবিচিন্তি আৰম্ভ কৰিছিলো। "গৰু এবিধ চাৰি ঠেঙীয়া ঘৰচীয়া জন্তু । ইয়াৰ দুটা চকু, দুখন কাণ, আৰু এডাল নেজ আছে। মৰা গৰুৰ ছালোথাকে...... ....।" এনেতে পিঠিত কোব এটা পৰাত ঘূৰি চাই দেখো যে শিক্ষক পিছপিনে থিয় দি আছে। তেখেতে খঙেৰে ক'লে "ৰচনা লিখিবলৈ আহিছ, বানানেই চাবা নে আখৰেই চাবা। জীয়া গৰুৰ চাল নেথাকেনেকি ?"

সেইজন মানুহেই উপন্যাস এখন লিখি প্ৰকাশ কৰিবলৈ ওলোৱা প্ৰয়াসক মৰসাহ বুলিয়েই ভাবো। এতিয়াও কিবা এটা লিখিবলৈ বহিলে মনলৈ ভয়, সঙ্কোচ আহি পৰে। চিঠি এখন লিখিবলৈ ল'লেও, ভাব, ভাষা আৰু বিশেষকৈ বানানবোৰৰ কাৰণে দ্বিধা আহি পৰে। তথাপিও পাণ্ডুলিপি প্ৰেছত দিলোৱাই যেতিয়া, সহৃদয় পাঠক সমাজে ভুল ভ্ৰান্তিবোৰ নিজ গুণে মৰিসন কৰি এধানমান মৰমৰ চকুৰে চালে নিজকে কৃতাৰ্থ মানিম।

ইতি
লেখক

ASSAM, GUWAHATI

"পৰম কল্যাণীয়া

মানসী,

দুৰ্ভাগ্যৰ চাকনৈয়াত পৰি তোমাৰ যি মানসিক দুৰ্যোগ হ'ল আৰু ভৱিষ্যতে হব পাৰে তাৰ কাৰণে তোমাৰ মা, দেউতা আৰু লগতে আমি সকলো শুভাকাংক্ষীয়েই চিন্তান্বিত হৈ পৰিছো। আশাকৰো সকলো গ্লানি বুকুপাতি লৈ সংসাৰ সাগৰত নিৰ্ভীকভাৱে আগবাঢ়ি যাবলৈ ভগৱানে তোমাক শক্তি দিব আৰু নিজকে জীৱনত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'বা।

ইতি—

তোমাৰ মৰমৰ মা, দেউতা আৰু
আন শুভাকাংক্ষীসকল।"

অধ্যায়– ১

পিছদিনা বাতৰি কাকতত চাঞ্চল্যকৰ ঘটনাটো প্ৰকাশ পালে। মানসীয়ে দেখুৱা সৎ সাহসৰ কাৰণে কটন কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰে গৌৰৱ অনুভৱ কৰাৰ যথেষ্ট কাৰণো আছিল। এজনী প্ৰথম বাৰ্ষিকৰ ছাত্ৰীয়ে অসৎ আচৰণ কৰা এজন ভদ্ৰলোকক প্ৰহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰিলে। ঘটনাটো ঘটিছিল অসম পৰিবহণ নিগমৰ পল্টন বজাৰ আস্থানত। পাছত মানুহজনক কৰায়ত্ত কৰি পুলিচৰ হাতত গতাই দিয়া হয়। মানুহজন এতিয়া হাজোতত। বাতৰিৰ মতে মানুহজনৰ নাম অবিনাশ বৰুৱা, আৰু বহুত বছৰ বিদেশত থাকি উচ্চ শিক্ষা লৈ অলপতে অসমলৈ ঘূৰি আহিছে।

সেইদিনা কলেজত তাইৰ লগৰ ছোৱালীবোৰে মানসীক বেৰি ধৰি সুধিছিল– 'কছোন ক মানসী কি ঘটনাটোনো কি ?'

'যোৱা কালিৰে পৰা হোষ্টেলৰ ছোৱালীবোৰক ঘটনাটো কৈ কৈ মোৰ মুখ বিষাল বুজিছ, আৰু কিমান ক'ম।'

'নহয় নহয় মানসী, আমি তোৰ নিজৰ মুখৰ পৰা শুনিব খোজো। চব কথা কবি কিন্তু।'

'শুন তেনেহ'লে। ডিব্ৰুগড়ৰ পৰা মানুহজনৰ সহযাত্ৰী হৈ আমি একেখন বাছতে আহিছিলো। জোঙা নাক, ধুনীয়া উজ্জ্বল চকুযোৰ আৰু দীঘল বৈ পৰা চেলাউৰীৰে সৈতে মানুহজন দেখাত বৰ শুৱনি। গাৰ বৰণ বগা বুলিয়েই ক'ব পাৰি। চালখন মসৃন আৰু চুলিবোৰ কেঁকোৰা কেঁকুৰি। মানুহজন সবল সুঠাম আৰু খেলুৱৈসুলভ গঠনৰ। বয়স প্ৰায় বত্ৰিশ-তেত্ৰিশ মান হ'ব যেন লাগে। বগা ৰঙৰ চাৰ্টৰ ওপৰত এডাল মেৰুন ৰঙৰ টাই। গ্ৰে ৰঙৰ পেণ্ট আৰু টুইডৰ কোটটোৰে মানুহজনক বৰ ধুনীয়া দেখা গৈছিল। অ' আৰু এটা বৰ্ণনা দিবলৈ পাহৰিছিলোৱেই– মানুহজনৰ ওঠ দুখন সুন্দৰ, ডাঠ আৰু স্পষ্ট।

ওখ হোৱাৰ কাৰণে বাছখনত উঠাৰ সময়ত তেওঁ দুৱাৰৰ ওপৰত খুন্দা খাই অলপ দুখ পোৱা যেন দেখিছিলো। তেখেতে মূৰত খুন্দা খাই দুখ

পোৱাত মোৰ বেয়াও লাগিছিল। কপালত সামান্য তেজো বিৰিঙি উঠা দেখিছিলো। মূৰত দুখ পোৱাটো কিন্তু তেওঁ সাধাৰণ ভাৱেই লৈছিল আৰু বিশেষ অস্বস্তিবোধ কৰাও দেখা পোৱা নাছিলো। মোৰ সোঁফালে থকা খিড়িকীৰ কাষৰ দহ নম্বৰ আসনখনতে আহি তেখেতে বহিলেহি।

ধুনীয়া, উদ্দীপ্ত চেহেৰাৰ এজন গহীন গম্ভীৰ মানুহ মোৰ ওচৰতে বহাত মোৰ বেচ্ ভাল লাগিছিল। ওচৰৰ যাত্ৰীজন ভাল বেয়াৰ ওপৰতেই যাত্ৰাৰ মধুৰতা বহুখিনি নিৰ্ভৰ কৰে। মই যাত্ৰাটো শুভ হ'ব বুলিয়েই ভাবিছিলো। তেওঁৰ চুটকেচটো মোৰ ওচৰতে থ'লে। বাছখন সময় মতে পুৱা চাৰে সাত বজাত এৰিছিল। চহৰখন পাৰ হোৱাৰ পাছত বাছখন পূৰ্ণগতিত চলিবলৈ ধৰিলে। আলিবাটৰ দুয়োকাষে ধাননি পথাৰবোৰ। ধানৰ পাতত লাগি থকা নিয়ৰৰ কণিকাবোৰৰ ওপৰত ৰ'দৰ জিলিঙনি পৰি মুকুতাৰ দৰে জিলিকি উঠিছিল। মাজে মাজে আকৌ আলিবাটৰ দুয়োকাষে চাহ গছৰ বাগানবোৰ। গোটেই পৰিবেশটোৱে মনলৈ এটা উৎফুল্লতা আনি দিছিল। পুৱাৰ কুঁৱলী ঠেলি বেলিটো ওলাই অহাত জাৰটো কমা যেন পাইছিলো। মোৰ ওচৰৰ যাত্ৰীজনে মগ্নহৈ খিড়িকীৰে বাহিৰৰ দৃশ্যবোৰ চাই আছিছিল। মোলৈ সমুলি লক্ষই কৰা নাছিল। নিজৰ ভাৱত নিজেই বিভোৰ। মোৰ গাত বেছিকৈ বতাহ লগাত তেখেতক খিড়িকীখন বন্ধ কৰি দিবলৈ অনুৰোধ কৰিলো। কৈ মোৰ বেয়াও লাগিছিল। বাছৰ খিড়িকীৰ কাষৰ আসনখনত বহি বাহিৰৰ দৃশ্যাৱলী চাই আহি মই নিজেও ভাল পাও, কিন্তু মোৰ টনচিলৰ অসুখ থকাৰ কাৰণে মায়ে দঢ়াই দঢ়াই কৈছিল– "মানসী বাছত কিন্তু খিড়িকী বন্ধ কৰি ল'বা।" বাটত আমাৰ মাজত বিশেষ একো কথা-বাৰ্তা হোৱা নাছিল। কণ্ডাক্টৰে বোকাখাটত বাছ পোন্ধৰ মিনিট সময় ৰ'ব বুলি কোৱাত তেখেতক বাছৰ পৰা নমা দেখিছিলো। মই বাছৰ পৰা নামি সচৰাচৰ ভাত খোৱা হোটেলখনলৈ গৈ চিকেন্‌কাৰী আৰু ভাত খালো। তেখেত কোনফালে গ'ল মন কৰিবলৈ নহ'ল। বোকাখাট এৰি বাছ পূৰ্ণগতিত আকৌ চলিবলৈ ধৰিলে। অসম পৰিবহণ নিগমৰ বাছত ভ্ৰমণ কৰি মোৰ সদায় ভাল লাগে। কেতিয়াবা বাছৰ যান্ত্ৰিক বিজুটিৰ বাহিৰে আন একো অসুবিধা পোৱা মোৰ মনত নপৰে। ড্ৰাইভাৰ আৰু কণ্ডাক্টৰ সকলৰ ব্যৱহাৰ সদায় মাৰ্জিত। যাত্ৰী সকলৰ প্ৰতি সদায় এটা সহানুভূতিশীল মনোভাব দেখা পাওঁ।

বাছখন নগাওঁ পাৰ হোৱাৰ পিছত তেখেতে মোক সুধিছিল। "তুমি কি পঢ়িছা ?" মই কটন কলেজৰ প্ৰথম বাৰ্ষিকৰ বিজ্ঞানৰ ছাত্ৰী বুলি ক'লো। কিছুদূৰ পাৰ হোৱাৰ পিছত তেখেতে ক'লে– "আমাৰ দিনত বিজ্ঞান বিভাগৰ ছাত্ৰী বৰ কম আছিল।" মোৰ অনুমান হ'ল– তেওঁ যেন বিজ্ঞান ভাল পাই

আৰু মই বিজ্ঞান পঢ়া বুলি জানি সুখী হৈছিল। তেখেতৰ মাতটো কোমল আৰু মৰমসনা। কিছু সময়ৰ পাছত তেখেতে আকৌ সুধিলে– "তুমি কি কি বিষয় লৈছা ?" পদাৰ্থ বিজ্ঞান, ৰসায়ণ বিজ্ঞান আৰু অঙ্ক– "বুলি ক'লো।" তাৰ পাছত আমাৰ কিছুদূৰ একো কথা-বাৰ্তা হোৱা নাছিল। তেখেতৰ বিষয়ে জানিবৰ মোৰ বৰ কৌতুহল হৈছিল। তেখেতে কি কৰে, ক'ত থাকে, পৰিয়াল কি ? কিন্তু তেখেতক প্ৰশ্ন কৰিবলৈ মই সাহস গোটাব নোৱাৰিলো। সোণাপুৰ পাৰ হোৱাৰ পাছত তেখেতে সুধিলে "তোমাৰ মা-দেউতা ক'ত থাকে ?" দেউতাই তিনিচুকীয়াৰ ওচৰৰ বৰহাপজান চাহ বাগানত মেনেজাৰ কাম কৰে বুলি ক'লো। নাম অঞ্জন শৰ্মা। তেখেতৰ সেই নাম পৰিচিত যেন লগাত মই সুধিলো– আপুনি আমাৰ দেউতাক চিনি পাই নেকি ? তেখেতে ক'লে– "নেপাও।"

আমি প্ৰায় যোৰাবাট পাও পাও হৈছোহি, তেনেতে তেখেতে সুধিলে "তোমাৰ মা ক'ৰ জীয়ৰী ?"

"আমাৰ মা যোৰহাটৰ। ককাদেউতাৰ নাম যোগেন শৰ্মা– উকিল। আপুনি চিনি পাই নেকি ?"

কিছুপৰ চিন্তা কৰি তেখেতে ক'লে– "বহুতদিন বিদেশত থকাৰ কাৰণে বহুতো চিনাকি মানুহক পাহৰি গৈছো। তেখেতৰ নামটো শুনা যেন লাগিছে।"

তেখেতে আকৌ সুধিলে– "তুমি ডাঙৰ নেকি ?" "মই ডাঙৰ আৰু মোৰ পাছত এজন ভাই আৰু এজনী ভনী আছে।" মোৰ নামটো সোধাত ক'লো– "মানসী শৰ্মা।"

বাছখন আহি দিছপুৰ পাৰ হ'ল। মই পল্টন বজাৰৰ বাছ ষ্টেণ্ডত নামি ৰিক্সা এখনেৰে কটন কলেজৰ ছোৱালী হোষ্টেললৈ যাম বুলি মনতে ভাবিলো। ভালেৰে যাত্ৰাটো শেষ হও হও হোৱাত মোৰ মনটো ভাল লাগি আহিছিল। ওচৰৰ যাত্ৰীজনো ভাল পালো। এনেতে বাছখন পল্টনবজাৰৰ বাছ আস্থানত সোমালেহি। মোৰ ওচৰতে বহি অহা মানুহজনৰ পৰা বিদায় লওঁ বুলি ভাবি এবাৰ তেওঁৰ ফালে চালো। কিন্তু তেওঁ ইমান মগ্ন হৈ কিবা ভাবি আছিল যে আমাৰ যাত্ৰা শেষ হোৱা তেখেতে গমকে পোৱা নাছিল। ওচৰৰ যাত্ৰীবোৰ নামিবলৈ ধৰাতহে তেখেত ঠিক মোৰ পিছুতে থিয় দিলেহি। মই আগে আগে আৰু তেখেত মোৰ ঠিক পিছে পিছে চুটকেছটো লৈ আহি আছিল। মই বাছৰ পৰা নামি তেখেতৰ পৰা বিদায় লৈ যাবলৈ ওলাওতেই তেখেতে চুটকেচটো মাটিতে থৈ মোক সাৱত মাৰি ধৰি বুকুৰ মাজলৈ টানি নিবলৈ যত্ন কৰিলে। মই মানুহজনৰ কাণ্ড দেখি আচৰিত হ'লো। মোৰ ইমান খং উঠিল যে জোৰ

কৰি এৰাই আহি তেখেতৰ গালত ঠাচ্ ঠাচ্ কৰে দুটা চৰ লগাই দিলো। বহুত গালিও পাৰিলো। "অসভ্য জানোৱাৰ, অশালীন ব্যৱহাৰ কৰিবলৈ স্থান-কাল-পাত্র বিচাৰি নেপালি।" লগে লগেই বাছ্ আস্থানত থকা কিছুমান মানুহে জুম বান্ধিলে। কেইজনমান ডেকা ল'ৰাই তেওঁক ঘোচা দুটামান মৰাত তেওঁ মাটিত বাগৰি পৰা মই দেখা পাইছিলো। তেনেতে বাছ্ আস্থানৰ অধীক্ষকে আহি অৱস্থাটো চম্ভালি ল'লেহি আৰু মানুহজনক ডাণ্ডি তেওঁৰ কোঠাৰ পিনে লৈ যোৱা দেখিলো।

মই হোষ্টেল পাওতে গধূলি প্ৰায় সাত বাজিল। ৰাতি চুপাৰিনটেণ্ডেণ্টৰ পৰা অনুমতি লৈ পুলিচে ঘটনাৰ বিষয়ে মোৰ পৰা জবান বন্দী ল'লে। আজি পুৱা বাতৰি কাকতত দেখা পালো যে মানুহজন জেল হাজোতত। মই কিন্তু এটা কথাত আচৰিত হৈছিলো যে ইমান মাৰধৰ আৰু অপমান পোৱাৰ পাছতো মানুহজন অবিচলিত হৈ আছিল। বাধা বা প্ৰতিবাদ কৰিবলৈ চেষ্টাই নকৰিলে। সকলো নীৰৱে সহ্য কৰি গ'ল।

মানসীয়ে ইমান উত্তেজিত হৈ কথাবোৰ কৈছিল যে তাই ভাগৰি পৰিল। কথাখিনি শেষ হোৱাৰ লগে লগেই মানসীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে। লগৰ বান্ধৱী কেইজনীয়ে সান্ত্বনা দি ক'লে– "ইমান বেজাৰ নকৰিবি মানসী, কেইদিনমানৰ ভিতৰতে তোৰ মনৰ পৰা এই ঘটনাটো নাইকিয়া হৈ যাব। ব'ল ব'ল, এতিয়া আমি গৈ কেণ্টিনত চাহ খাওঁগৈ, উঠ।

* * * * *

অধ্যায়- ২

এঘাৰ নৱেম্বৰ অৰ্থাৎ ঘটনাৰ পিছদিনা ড° অবিনাশ বৰুৱাক পুলিচে আদালতত হাজিৰ কৰালে। বিচাৰকে সোধাত আচামী অবিনাশ বৰুৱাই কোনো উকিল নেলাগে বুলি ক'লে। আচামীৰ নাম, ঠিকনা আৰু শিক্ষাগত অৰ্হতাৰ ওপৰত নিৰ্ভৰ কৰি ব্যক্তিগত চুক্তিৰ জামিন লৈ মুকলি কৰি দিলে। ড° অবিনাশ বৰুৱা আমেৰিকাৰ গ্ৰীণ কাৰ্ড থকা এন আৰ আই শ্ৰেণীৰ লোক হোৱাত বিচাৰ শেষ নোহোৱা পৰ্য্যন্ত তেওঁ দেশ এৰি যাব নোৱাৰিব বুলি বিচাৰকে নিৰ্দেশ দিলে। দহ দিনৰ পিছত, অৰ্থাৎ একৈশ নৱেম্বৰ তাৰিখে তেওঁক পুনৰ আদালতত হাজিৰ হোৱাৰ দিন দিয়া হ'ল। ড° অবিনাশ বৰুৱাই বিচাৰকক জনালে যে তেওঁ লগত অনা চুটকেছটো পৰিবহণ নিগমৰ আস্থানৰ পৰা হেৰাইছে আৰু পুলিচে বিচাৰি পোৱা নাই। বিচাৰকে অবিনাশ বৰুৱাক উক্ত ঘটনাটো উল্লেখ কৰি এখন এজাহাৰ দিবলৈ পৰামৰ্শ দিলে।

আদালতৰ পৰা ওলাই অহাৰ সময়ত ড° অবিনাশ বৰুৱাক বৰ ক্লান্ত আৰু চিন্তিত হৈ পৰা যেন দেখা গ'ল। তেওঁ ভোক আৰু পিয়াহত আতুৰ। তেওঁৰ মন ভাগি পৰাৰ প্ৰকৃত কাৰণটো আছিল তেওঁৰ হেৰাই যোৱা চুটকেছটো। সেই চুটকেছটোতেই আছিল তেওঁ বহুত বছৰ ধৰি কৰি অহা গৱেষণাৰ ফলস্বৰূপ, সৌৰ শক্তিৰ পৰা সহজতে বিদ্যুৎ উৎপন্ন কৰিব পৰা এটা নতুন কৌশলৰ তথ্য-পাতিবোৰ আৰু আমেৰিকালৈ অহা যোৱা কৰিব পৰা গ্ৰীণ কাৰ্ডখন। যদি তেওঁ সেই তথ্য-পাতিবোৰ নেপাই তেন্তে তেওঁ উদ্ভাৱন কৰা নতুন পদ্ধতিৰে সৌৰ শক্তি প্ৰয়োগ কৰি সহজতে আৰু কম খৰছতে বিদ্যুৎ উৎপাদন কৰিব পৰা যন্ত্ৰটোৰ পেটেণ্ট তেওঁ কৰিব নোৱাৰিব। বহুত দিন বিদেশত থাকি উচ্চ শিক্ষা লৈ আৰু সৌৰ শক্তিৰ ওপৰত গৱেষণা কৰি অসমলৈ ঘূৰি অহাৰ উদ্দেশ্যই আছিল পৃথিবীত আলোড়ণৰ সৃষ্টি কৰিব পৰা যন্ত্ৰটোৰ প্ৰযুক্তি বিদ্যা নিজ মাতৃভূমি অসমৰ পৰাই প্ৰকাশ কৰাৰ। তেওঁৰ সেই সাফল্যই অসমলৈ কঢ়িয়াই আনিব এক বৈজ্ঞানিক বিপ্লৱৰ বাতাবৰণ। এইবোৰ চিন্তা

কৰিয়েই তেওঁ আদালতৰ পৰা খোজকাঢ়ি আহি হোটেল ব্ৰহ্মপুত্ৰ অশোকৰ লাউঞ্জৰ চোফা এখনত বহি পৰিলহি। ব্ৰহ্মপুত্ৰ নদীখন দেখি থকাকৈ তেওঁ হোটেলত এটা কোঠা বিচাৰিলে। তেওঁ বিচৰা মতেই কোঠা এটা পোৱাত নিৰ্দ্ধাৰিত কোঠাৰ যাত্ৰীৰ আলপৈচান ধৰা ল'ৰামতীয়া লগুৱাজন আহি অবিনাশ বৰুৱাক কোঠাটোৰ পিনে আগবঢ়াই লৈ গ'ল। কোঠাটো দেখুৱাই দি ল'ৰাজনে সুধিলে– "চাব কিবা লাগিব নেকি ?"

অবিনাশ বৰুৱাই "এতিয়া একো নেলাগে" বুলি কৈ গা-ধোৱা কোঠাত সোমাই গাটো ভালদৰে ধুই ল'লে। টাৱেলখন পিন্ধিয়েই লগুৱা ল'ৰাটো অহাৰ কাৰণে বেলটো বজাই দিলে। ল'ৰাজন আহি পোৱাত অবিনাশ বৰুৱাই সুধিলে– "তোমাৰ নাম কি ?"

"মোৰ নাম ৰামু।"

ড° বৰুৱাই সুধিলে– "হোটেলৰ ধোবা আছেনে ?"

"হয় আছে"

ধোবাটো মাতি দিবা আৰু দুপৰীয়াৰ আহাৰ মোৰ কোঠাতে দিবাহি।"

ৰামুৱে সুধিলে– "লাঞ্চত কি কি দিম চাব ?"

"ভাত, দাইল, মিহলি তৰকাৰী, কাঠফুলাৰ আঞ্জা আৰু অলপ ফ্ৰুট চালাদ। আৰু শুনা– মোৰ কাৰণে সোনকালে অলপ বিয়েৰ লৈ আহা।"

অলপ পাছতে ধোবাটো আহি পোৱাত তেওঁৰ খুলি থোৱা কাপোৰবোৰ সোনকালে ধুই দিবলৈ ক'লে। পিছদিনাই পালে তেওঁৰ বৰ সুবিধা হয়।

ধোবাটো ওলাই যোৱাৰ খন্তেক পিছতে লগুৱাজনে ট্ৰেখনত বিয়েৰৰ বটল আৰু গ্লাচ এটাৰে সৈতে আনি তেওঁৰ টেবুলৰ ওপৰত থ'লেহি।

'ৰামু, তুমি মোৰ এটা কাম কৰি দিব পাৰিবানে ?'

'নিশ্চয় পাৰিম চাব্, কিয় নোৱাৰিম ? আপোনাৰ নিচিনা মানুহ পালে আমি কিমান ভাল পাও।'

ল'ৰাটোৰ মাত-কথাৰ পৰা অবিনাশ বৰুৱাই বুজিলে যে– ৰামু অসমীয়া ল'ৰা নহয়।

'তুমি দুখন ভাল দহহাতী ধুতি, দুটা পাইজামা, দুটা কপাহী পাঞ্জাবী দুটামান গেঞ্জী আৰু এযোৰ চেণ্ডেল কিনি আনি দিব লাগে। লগতে ৰেজৰ চেট্ এটা, ব্লেড এক পেকেট, টুথব্ৰাছ আৰু টুথপেষ্ট এটাও আনিবা। যোৱাকালি বাছ ষ্টেণ্ডৰ পৰা মোৰ চুটকেছটো হেৰাল।'

অবিনাশ বৰুৱাই ৱালেটটো খুলি চাই দেখে যে– আমেৰিকান ডলাৰত কিছু ট্ৰেভেলাৰ্চ চেক থকাৰ উপৰিও ভালেখিনি ভাৰতীয় মুদ্ৰাও আছে। কেইদিন মানৰ কাৰণে বেঙ্কলৈ নগ'লেও হ'ব বুলি মনতে ভাবিলে। ৰামুক

বন্ধুকেইটা কিনিবৰ কাৰণে টকা ছুশ দিলে।

লাহে লাহে বিয়েৰ বটল খাই শেষ কৰাৰ কিছু পৰৰ পিছত ৰামুৱে তেওঁৰ দিনৰ আহাৰ আনি টেবুলত সজাই দিলেহি। তেওঁ জেল হাজোতত একো খোৱা নাছিল। অ'চিজনে অৱশ্যে চাহ একাপ, নিমকি এখন আৰু ৰসগোল্লা এটা আগ্ৰহেৰে তেওঁক যাচিছিল। অবিনাশ বৰুৱাই অ'চিজনৰ প্ৰতি তেওঁৰ কৃতজ্ঞতা জ্ঞাপন কৰি কৈছিল– "আজি মোক সম্পূৰ্ণ লঘোনে থাকিবলৈ দিয়ক। পুলিচ বিষয়াজনে অবিনাশ বৰুৱাৰ মনৰ অৱস্থা বুজি বেছি জোৰ নকৰিলে।

ভোকত থকাৰ কাৰণে ড° বৰুৱাই বৰ তৃপ্তিৰেই আহাৰ খাই উঠি বিচনাখনত বাগৰ দিয়াৰ লগে লগেই গভীৰ নিদ্ৰাত চকুকেইটা মুজ খাই আহিল।

সাৰ পাই উঠি গৈ দেখে যে চাৰি বাজি গ'ল। তেওঁ গা-ধোৱা কোঠালৈ মুখ-হাত ধুই ল'লে। ভালকৈ টোপনি যোৱাত গা আৰু মন পাতল যেন পালে। মুৰটো আঁচুৰি আহি ব্ৰহ্মপুত্ৰ নদীলৈ মুখ কৰা বেলকনিটোলৈ আগবাঢ়ি আহি বেতৰ চকী এখনত বহিলেহি। এনেতে ৰামু আহি চাহ একাপ দি গ'লহি। ড° বৰুৱাই আগৰে পৰাই বেতৰ চকীত বহি ভাল পায়। গতিকে চকীখনত আৰাম লগাকৈ বহাৰ পিছত মনলৈ উৎসাহ আহিল। অবিনাশ বৰুৱাই কলেজত পঢ়ি থকাৰ অৱস্থাত গুৱাহাটীত ব্ৰহ্মপুত্ৰ অশোকৰ দৰে এখন থ্ৰী-ষ্টাৰ হোটেল হ'ব এই কথা কল্পনা কৰিব পৰা নাছিল। গুৱাহাটী সম্পূৰ্ণ বেলেগ হৈ গ'ল। এতিয়া আৰু সেই আগৰ গুৱাহাটী হৈ থকা নাই। দোকান-পোহাৰ আৰু মানুহেৰে গুৱাহাটী ভৰপূৰ। নদীখনলৈ চাই পঠিয়াই দেখে যে পাৰত প্ৰায় এশগজ মান বালি পৰিছে। কাতি মাহ গৈ আঘোণ মাহত সোমাও সোমাও, গতিকেই ব্ৰহ্মপুত্ৰত বালি পৰি অহাটো স্বাভাৱিক। দূৰৈত উমানন্দ, অশ্বক্লান্ত আৰু উৰ্বশী দেখি তাহানিৰ কলেজত পঢ়া দিনবোৰলৈ মনত পৰিল। চকুৰ পলকতে যেন ইতিহাস ৰচনা হ'ল। ইমানবোৰ বছৰ পাৰ হৈ গ'ল। কলেজত পঢ়ি থকাৰ দিনত কেইবাজনো বন্ধু গোট খাই সিহঁত মাজে মাজে উমানন্দলৈ আহিছিল। সেইদিনবোৰ ইমান ৰঙীন আছিল। পিতৃ শ্ৰাদ্ধৰ কাৰণে অবিনাশে বছৰেকত এবাৰ অশ্বক্লান্তলৈ আহিব লগীয়া হৈছিল। প্ৰায় ওচৰা-ওচৰিকৈ মাক আৰু দেউতাক ঢুকুৱাৰ কাৰণে মোমায়েক ৰজনী ফুকনে পাঁচ বছৰীয়া অবিনাশক ডিব্ৰুগড়ৰ পৰা যোৰহাটৰ নিজৰ ঘৰলৈ লৈ আহিছিল। ৰজনী মামা আৰু ফুল মামীৰ নিজৰ ল'ৰা-ছোৱালী নাছিল ; গতিকেই তেখেত সকলৰ পৰা অকৃত্ৰিম মৰম-চেনেহ পাইছিল। অবিনাশ পিতৃ-মাতৃহীন এইভাৱ তাৰ মনলৈ কেতিয়াও অহা নাছিল। মোমায়েক উপাযুক্ত অফিচৰ কেৰাণী আছিল। পিছলৈ মুখ্য সহায়কৰ পৰা পদোন্নতি পাই ৰেভিনিউ চিৰস্তদাৰ

হিচাবে অৱসৰ নয়। অবিনাশক নিজৰ লগৰীলে অনাৰ দিন ধৰি মোমায়েকেই তাৰ পঢ়া-শুনাৰ সকলো খৰছ বহন কৰিছিল। কটন কলেজত পঢ়ি থাকোতে মামীয়েকে চিঠি লিখি পিতৃ-শ্ৰাদ্ধৰ দিনটো অবিনাশক আগতীয়াকৈ সোঁৱৰাই দিছিল। প্ৰতি বছৰে অশ্বক্লান্তলৈ আহি বিষ্ণুপদত অবিনাশে পিতৃ-শ্ৰাদ্ধ কৰিছিল। অশ্বক্লান্ত দেখি অবিনাশক মামীয়েকৰ সেই একা-বেকা আখৰেৰে লিখা চিঠিবোৰ মানসপটত ভাঁহি উঠিল। পিতৃ-শ্ৰাদ্ধৰ দিনটো অবিনাশ বৰুৱাৰ এতিয়াও ভালদৰে মনত আছে। ফাকুৱাৰ পূৰ্ণিমাৰ আগৰ দশমীৰ তিথিটো। অশ্বক্লান্তত শ্ৰাদ্ধ কৰি আহি অবিনাশে মামীয়েকলৈ শ্ৰাদ্ধৰ সবিশেষ জনাই এখন চিঠি দিব লাগিছিল। সেই চিঠিখন সময়মতে নাপালে মামীয়েকে শান্তি নেপাইছিল। মামীয়েকে লিখিছিল 'পঢ়াত ক্ষতি হয় বুলি যদি ভাৱা তেন্তে পিতৃ-মাতৃৰ শ্ৰাদ্ধ একেটা তিথিতে কৰিলেও ফল পাবা।' মামীয়েকৰ ইচ্ছা অনুসৰি অবিনাশে পিতৃ-মাতৃৰ শ্ৰাদ্ধ একেলগে সেই দশমীৰ তিথিতেই কৰিছিল। মাক-দেউতাকৰ কথা অবিনাশৰ মনত নপৰে। এবাৰ সৰুতে, আইসকল ওলাওতে, তাৰ মাকে সি শুই থকা বিচনাখনৰ কাষতে বহি আইৰ নাম গাই থকা তাৰ ৰিণিকি ৰিণিকি মনত পৰে। ইয়াৰ বাহিৰে তাৰ একো কথা মনত নপৰে। মামীয়েকে শ্ৰাদ্ধ কৰিবলৈ কোৱাৰ কাৰণেই তেতিয়া সি শ্ৰাদ্ধ কৰিছিল। ইয়াৰ বাহিৰে মামীয়েকৰ অন্য অভিপ্ৰায় কিবা থাকিব পাৰে বুলি সি ভাবিব পৰা নাছিল। আজি কিন্তু সি এটা নতুন অৰ্থ বিচাৰি পাইছে। মামীয়েকৰ লগত অত দিনৰ ঘনিষ্ঠতাৰ পৰা সি বুজিব পাৰিছিল যে মানুহ গৰাকী নিস্বাৰ্থ আৰু সৎ-প্ৰকৃতিৰ। তেখেতে হয়তো বিচৰা নাছিল যে তোলনীয়া ভাগিনীয়েকে নিজৰ পিতৃ-মাতৃৰ চিনাকি সম্পূৰ্ণ পাহৰি পেলাওক। মামাক-মামীয়েককে নিজৰ পিতৃ-মাতৃ বুলি ভাবিবলৈ চেষ্টা কৰি, সি জীৱনত এটা ডাঙৰ ভুল কৰাৰ পৰা তাক বিৰত ৰাখিবলৈকে, তেখেতৰ যেন এটা সৎ প্ৰচেষ্টা আছিল। বছৰেকীয়া শ্ৰাদ্ধ ভাগৰ দ্বাৰাই তেখেতে তাক সকিয়াই দিছিল– অবিনাশ পিতৃ-মাতৃৰ আত্মাৰ লগত তুমি সংযোগ স্থাপন কৰা; সেয়াহে তোমাৰ প্ৰকৃত পৰিচয়।

এনেতে ৰামু আহি মাত দিলেহি 'চাব এতিয়া ইয়াত থাকিলে মহে খাব; ভিতৰলৈ আহক। মই মহ মৰা স্প্ৰে-পাম্পটো মাৰি দিমহি।' কাখাষাৰ কৈয়েই ৰামুৱে সগৌৰৱেৰে হাতৰ পৰা টোপোলাটো বিচনাখনৰ ওপৰতে নমাই থ'লে। 'একদম ভাল বস্তু দিব কৈছো, আৰু পছন্দ নহ'লে ফিৰত দিম কৈছো।' অবিনাশ বৰুৱাই একো নেমাতি ধুতি আৰু পাঞ্জাবী কেইটালৈ চালে। ওপৰে ওপৰে চাই জোখত হ'ব যেন পালে। চেণ্ডেলযোৰো ভালেই আনিছে। বুজৱাই দিয়া ছশ টকাৰ হিচাবটো দি ৰামুৱে তেখেতক ত্ৰিশটা টকা ওলোটাই

দিলে। মৰমতে তেওঁ ৰামুৰ ফালে টকা দহটা আগবঢ়াই দিলে। ৰামুৱে আপত্তি কৰিছিল যদিও ড° বৰুৱাই জোৰ কৰাত ল'বলৈ বাধ্য হ'ল।

'চাব্ ডিনাৰ কিমান টাইমত দিম ?'

অবিনাশ বৰুৱাই ক'লে, "চাৰে ন বজাত।" কথাষাৰ কৈ তেওঁ ভাবিলে যে ধুতি-পাঞ্জাবী আছিল যেতিয়া তেওঁ ডাইনিং হলতে গৈ ভাত খাবগৈ। অকলশৰীয়াকৈ কোঠাৰ ভিতৰত খাই তেওঁ ভাল নেপাই ; গতিকেই ৰামুক ক'লে যে তেওঁৰ কোঠালৈ ভাত আনিব নেলাগে। ৰামুৱে পৰামৰ্শ দিলে যে-বজাৰৰ মাৰ থকা কাপোৰ নোধোৱাকৈ পিন্ধা ভাল নহয় ; সি ভাত কোঠাতে আনি দিবহি। ৰামু যোৱাৰ পিছত অবিনাশ বৰুৱাৰ মুখত সামান্য হাঁহি এটা বিৰিঙি উঠিল।

কিছু সময়ৰ পাছত ৰামু আহি দৈনিক বাতৰি কাকত কেইখনমান দি গ'লহি আৰু সুধিলে- 'চাব ডিনাৰত কি কি দিম ?'

অবিনাশে দিনত দিয়া ধৰণে দিলেই হ'ব বুলি ক'লে।

অবিনাশ বৰুৱাই বাতৰি কাকতবোৰ মেলিলৈ পঢ়ি থাকোতেই প্ৰায় চাৰে ন-মান বাজিল। ক্ষন্তেক পাছতে ৰামুৱে ডিনাৰৰ ট্ৰেখন লৈ মাত দিলেহি- 'চাব খানা আনিছো, গৰমে গৰমে খাওঁক।'

অবিনাশ বৰুৱাই ডিনাৰ খোৱাৰ কিছুপৰৰ পাছত ৰামু আহি বাচন-বৰ্তনবোৰ লৈ যাবলৈ আহিল। যোৱাৰ আগতে সি সুধিলে 'বেড্‌টি ছয় বজাত দিলে হ'ব নেকি ?' বৰুৱাই ঠিক আছে বুলি কোৱাত সি 'গুদ নাইট্ বুলি কৈ গুচি গ'ল।

ৰামুৰ ব্যৱহাৰত ড° অবিনাশ বৰুৱা মুগ্ধ হ'ল। তেওঁ বিচনাখনতে পৰি ভাবিলে আমাৰ দেশৰ মানুহবোৰ পশ্চিমীয়া দেশৰ দৰে ধনী নহ'ব পাৰে, কিন্তু সেই দুখীয়া মানুহবোৰৰ মাজতো যে একোখন অন্তৰস্পৰ্শী হৃদয় আছে তাত তেওঁৰ সন্দেহ নাই। আগদিনাৰ ঘটনাটো ঘটা সত্ত্বেও তেওঁ স্বদেশলৈ ঘূৰি অহাৰ সিদ্ধান্তটো ঠিকেই হৈছি বুলি মনতে দোহাৰিলে। জীৱনৰ বাকী দিনবিলাক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ ওপৰতে নিৰ্ভৰ কৰি এখন আদৰ্শ সমাজ গঢ়াৰ ক্ষেত্ৰত আত্মনিয়োগ কৰিব বুলি আকৌ এবাৰ সঙ্কল্প ল'লে। এক বৈজ্ঞানিক বিপ্লৱ আনিবৰ কাৰণে চেষ্টা কৰিব লাগিব ; তেতিয়াহে বহুতো পুৰণি কলিয়া কু-সংস্কাৰ নোহোৱা হৈ ভাৰতীয় কলা-সংস্কৃতিৰ ওপৰত ভিত্তি কৰি এখন আদৰ্শ সমাজৰ সৃষ্টি হোৱাৰ আশা আছে। আমাৰ দেশখন হ'ব লাগিব পশ্চিমীয়া বস্তুবাদী মনোভাৱ আৰু ঐতিহ্যপূৰ্ণ ভাৰতবৰ্ষৰ জীৱন দৰ্শনৰ মিলন ক্ষেত্ৰ।

পিছদিনা ৰাতিপুৱা চাহ খাই উঠি ড° অবিনাশ বৰুৱাই হেৰোৱা চুটকেছটোৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। তেওঁ বহুত দিন ধৰি গবেষণা

কৰি আহৰণ কৰা তথ্য-পাতিবোৰ তাতেই থাকি গ'ল। চুটকেছটো যদি পোৱা নাযায় তেন্তে তেওঁ আকৌ এবাৰ বিদেশলৈ যাব লাগিব আৰু পুনৰ লেবৰেটৰীত বহি ভালেমান দিন কটাব লাগিব। আনহাতেদি তেওঁ যদি হেৰোৱা তথ্য-পাতিবোৰ পাই তেন্তে সৌৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰি সহজতে আৰু কম খৰছতে বিজুলী শক্তি উৎপাদন কৰিব পৰা যন্ত্ৰটোৰ পেটেন্ট অতি শীঘ্ৰেই পাব পাৰিব : তেওঁ উদ্ভাৱন কৰা সেই নতুন প্ৰযুক্তি বিদ্যাই যে অকল ভাৰতবৰ্ষৰ মানুহৰে উপকাৰ সাধন কৰিব এনে নহয় আনকি পশ্চিমীয়া দেশবোৰেও জৈবিক ইন্ধনৰ পৰিবৰ্তে কেতিয়াও নিঃশেষ নোহোৱা সৌৰ শক্তিৰ প্ৰয়োগ কৰি সহজতে বিজুলী শক্তি উৎপাদন কৰিব পাৰিব। পৃথিবীৰ আন আন দেশতো সৌৰ শক্তিৰ ওপৰত গভীৰ গবেষণা চলি আছে। কিন্তু ড° অবিনাশ বৰুৱাই নিজে প্ৰস্তুত কৰা প্ৰযুক্তি বিদ্যাৰ কৌশলটো উদ্ভাৱন কৰিব পাৰিয়েই তেওঁ স্বদেশলৈ ঘূৰি আহিছে।

অবিনাশ বৰুৱাই ভাবিছিল যে যদি তেওঁৰ সাফল্য আমেৰিকাতেই প্ৰকাশ হয় তেন্তে ভাৰতবৰ্ষ সেই গৌৰৱৰ পৰা বঞ্চিত হ'ব ; যদিও গোটেই পৃথিবীত তেওঁৰ নাম জনাজাত হ'ব। আমেৰিকা আদি বহুতো পাশ্চাত্য দেশৰ প্ৰলোভন নেওঁচি অবিনাশ বৰুৱা নিজ দেশলৈ উভতি আহিছে। সম্ভাব্য বিপদ অতিক্ৰম কৰিবৰ কাৰণে তেওঁ ভাৰতবৰ্ষলৈ কিছুদিনৰ ছুটীতহে আহিছিল। তেওঁৰ চুটকেছটো যদি স্মাগল হৈ বিদেশলৈ গুচি যায় তেন্তে তেওঁ যি নতুন তথ্য আবিষ্কাৰ কৰিছিল তাৰ গৌৰৱ তেওঁ ল'ব নোৱাৰিব। তেওঁ মাজে মাজে ভাবে তেওঁক কোনোবা বিদেশী চোৰাংচোৱাই পিছ লৈছিল নেকি ? এইবোৰ ভাবি ভাবি তেওঁ গা-ধোৱা কোঠাত সোমাল। গা-পা ধুই উঠাৰ পিছত ৰামু আহি ব্ৰেকফাষ্ট দি গ'লহি। ৰামুৱে ক'লে যে এঘাৰমান বজাৰ ভিতৰতে সি ধোবা ঘৰৰ পৰা ধুতি পাঞ্জাবী আনি দিবহি। ধোবা ঘৰৰ পৰা কাপোৰ আহিলেই তেওঁ নিজে পুলিচ অধীক্ষকৰ ওচৰলৈ যোৱাটো উচিত হ'ব বুলি বিবেচনা কৰিলে। সেইবোৰ কথা ফোনত পতা সমীচীন নহয়।

বাৰমান বজাত ধুতি পাঞ্জাবী পিন্ধি তেওঁ পুলিচ অধীক্ষকৰ অফিচ ওলালেগৈ। অধীক্ষকৰ কোঠাৰ ওচৰত বৈ থকা অৰ্ডালিৰটোক তেওঁৰ নাম লিখা কাগজ এখন অধীক্ষকক দিবলৈ অনুৰোধ কৰিলে। অৰ্ডালিৰটো ওলাই আহি জনালে যে চাহাব লাঞ্চত যাবৰ সময় হ'ল, গতিকে দুই বজাৰ পাছতহে চেষ্টা কৰি চাব পাৰে। কামটো গুৰুত্বপূৰ্ণ হোৱাৰ কাৰণে অবিনাশ বৰুৱাই আকৌ ক'লে যে তেওঁৰ কামটো বৰ জৰুৰী। অৰ্ডালিৰজনে কিন্তু ভেকাহী মাৰিহে ক'লে—"ক'লো নহয় চাহাব লাঞ্চত যাব। এতিয়া কাকো দেখা নকৰে। উত্তৰটো শুনি ড° অবিনাশ বৰুৱা ধীৰে ধীৰে হোটেললৈ বুলি খোজ দিলে।

একমান বজাত ভাত-পানী খাই অবিনাশ বৰুৱাই বিচনাত বাগৰ দি দুই বাজিবলৈ বাট চালে। দুই বাজিবলৈ কেইমিনিটমান থাকোতেই অবিনাশ বৰুৱা খোজকাঢ়ি আৰক্ষী অধীক্ষকৰ অফিচৰ পিনে ৰাওণা হ'ল।

অবিনাশ বৰুৱাই এঘণ্টামান খাপ দিয়াৰ পাছত আৰক্ষী অধীক্ষক লাক্কৰ পৰা আহিল। অৰ্ডালিৰজনে কাৰ্ডখন দিয়াৰ কিছু সময়ৰ পিছত অধীক্ষকক দেখা কৰিবলৈ অনুমতি পালে। অধীক্ষক চাহাবে অবিনাশ বৰুৱাক মূৰৰ পৰা ভৰিলৈকে এবাৰ চকু ফুৰাই তাচ্ছিল্যৰ সুৰত ক'লে 'ব্ল ইউ আৰ ডেট্ ৰমিঅ হু হেড কৃয়েটেড্ এ চিন ইন দি ষ্টেট ট্ৰেন্সপৰ্ট য়াৰ্ড দি দে বিফৰ ইয়েষ্টাৰ দে।' অবিনাশ বৰুৱাই কথাষাৰ শুনি ৰঙা-চঙা পৰি গ'ল। অধীক্ষকে আকৌ সুধিলে "হোৱাট ইজ ইয়ৰ নেক্সট্ এডভেন্সাৰ ?" অবিনাশ বৰুৱাই নিজ স্বাৰ্থৰ খাতিৰতে অপমানখিনি হজম কৰিব লগীয়া হ'ল। আৰক্ষী অধীক্ষকৰ সহায় নহ'লে তেওঁ হেৰোৱা চুটকেছটো পোৱাৰ কোনো সম্ভাৱনাই নেথাকে আৰু তেওঁৰ জীৱনৰ সাধনা বিফলে যাব পাৰে। অবিনাশ বৰুৱাই এইবাৰ ইংৰাজীতে আৰম্ভ কৰিলে- "মাই চুটকেছ্ ওৱাজ ষ্টলেন ফ্ৰম দি য়াৰ্ড ; কুড ইউ হেলপ মি ইন ৰিকভাৰী অব মাই ষ্টোলেন প্ৰপাৰ্টী। ইট হেজ চম ইম্পৰটেণ্ট ডকুমেণ্টচ্ হুইচ ইচ লাইফ্ এণ্ড ডেথ ফৰ মি।" অধীক্ষকে ক'লে- "আপুনি এখন এজাহাৰ দিছে নহয়। উই উইল লুক ইনটুদি মেটাৰ। বাট উই হেভ আদাৰ ৱৰ্কচ টু।"

অপমানিত আৰু নিৰুৎসাহ হৈ অবিনাশ বৰুৱাই অধীক্ষক চাহাবক নমস্কাৰ জনাই কোঠাটোৰ পৰা ওলাই আহিল। তেওঁ লাহে লাহে হোটেলৰ পিনে খোজ ল'লে। হোটেল ব্ৰহ্মপুত্ৰ অশোকলৈ আহি কিছুপৰ চিন্তা কৰি অসমৰ গৃহমন্ত্ৰী আৰু আই জি পিলৈ দুখন চিঠি লিখি পষ্ট কৰি দিলে। তথ্য-পাতিবোৰ পুনৰ ঘূৰাই নেপাব বুলি হতাশ হৈ পৰিল। তেওঁৰ চুট্‌কেছ হেৰোৱা খবৰটো বতৰি কাকতত দিবলৈ ভয় কৰিলে জানোচা সেই বাতৰিটো ক'লা বজাৰত প্ৰকাশ হৈ যায় ; আৰু সেইটো হ'লেই তেওঁৰ চুটকেছটো পোৱাৰ কোনো আশাই নেথাকিব পাৰে।

* * * * *

অধ্যায়- ৩

এঘাৰ নবেম্বৰ তাৰিখে প্ৰায়বোৰ বাতৰি কাকতে অবিনাশ বৰুৱাই মানসীক অসৎ ব্যৱহাৰ কৰাৰ কথাটো প্ৰকাশ হোৱাৰ পাছৰে পৰা অসমৰ চুকে-কোণে ই এটা আলোচনাৰ বিষয় হৈ পৰিল। মানসীৰ দেউতাক অঞ্জন শৰ্মাই দহ তাৰিখে ৰাতিয়েই টেলিফোন যোগে ঘটনাটো জানিব পাৰে তেওঁৰ গুৱাহাটীত থকা ভায়েক ৰঞ্জন শৰ্মাৰ পৰা। অঞ্জন শৰ্মাৰ ভায়েকে ঘটনাটোৰ সবিশেষ দিব পৰা নাছিল। কাৰণ মানসীক অশালীন ব্যৱহাৰ কৰা লোকজন তেতিয়া জেল-হাজোতত। পুলিচে হাজোতত আন কোনো মানুহৰ সৈতে আচামীক দেখা কৰিবলৈ দিয়া নাছিল। গুৱাহাটীৰ পৰা দেওৰেকে টেলিফোন কৰাৰ সময়ত মাক মীনাক্ষীও টেলিফোনৰ কাষতে কাণপাতি থিয় দিলেহি।

'কি হ'ল, মানসীৰ কি হ'ল ? বাটত কিবা এক্সিডেণ্ট হ'ল নেকি ?' মীনাক্ষীয়ে উধাতু খাই গিৰিয়েকক সুধিলে।

অঞ্জন শৰ্মাই ক'লে 'ৰ'বাচোন কথাখিনি ভালকৈ শুনি ল'বলৈ দিয়া।' ফোনত কথাখিনি শুনাৰ পিছত পুনৰ নিশ্চিত হ'বৰ কাৰণে আকৌ এবাৰ ডাঙৰ ডাঙৰ কৈ সুধিলে- 'আমাৰ মানসীৰ একো হোৱা নাইতো ? তাই ভালে আছেতো ?'

ভায়েক ৰঞ্জন শৰ্মাই জনালে যে মানসীয়ে হোষ্টেলত ফুৰ্তি কৰিয়েই আছে ; বহুতো ল'ৰা-ছোৱালী আহি তাইৰ সৎ-সাহসৰ কাৰণে অভিনন্দন জনাইছে। চিন্তাৰ কোনো কাৰণ নাই। জাক জাক ল'ৰা-ছোৱালীক তাই কথাবোৰ কৈ থাকিব লগীয়া হৈছে। প্ৰেছ ৰিপ'ৰ্টাৰো আহি ঘটনাৰ সবিশেষ লৈছেহি। ছাত্ৰ সকলে বোলে কটন কলেজ ইউনিয়ন হলত মিটিং পাতি তাইক সম্বৰ্দ্ধনাও জনাব।

টেলিফোনত কথাখিনি শেষ হোৱাৰ পিছত অঞ্জন শৰ্মা আৰু মীনাক্ষী আহি ড্ৰইং ৰুমৰ চফাত বহিলেহি। শৰ্মাই বেহেৰাক মাতি দুকাপ চাহ আনিবলৈ কৈ বৰ উৎসাহেৰে গোটেই ঘটনাটো মীনাক্ষীক বিৱৰি ক'লে। অসৎ আচৰণ কৰা মানুহজনক এৰেষ্ট কৰি এতিয়া হাজোতত ৰাখিছে। ঘৈণীয়েক মীনাক্ষীয়ে কিন্তু ঘটনাটো শুনি বৰ বেজাৰহে পালে। তেওঁ হুক হুক কৰে কান্দি উঠিল।

"কি হ'ল মীনাক্ষী, এজন অভদ্ৰ মানুহক এটা ভাল শিক্ষা দিয়াত সকলো মানুহেই ভাল পাইছে। কিন্তু তেনে স্থলতো তুমি মাকজনী হৈয়ো তাইৰ প্ৰাপ্য গৌৰৱখিনিও দিব খোজা নাই। তোমাৰ মাতৃ হৃদয় ইমানেই কঠোৰ নে ?"

মীনাক্ষীয়ে ক'লে– "তাইক আমি কটন কলেজত উচ্চ শিক্ষা ল'বৰ কাৰণেহে গুৱাহাটীলৈ পঠিয়াইছিলো। বয়সস্থ মানুহৰ ওপৰত হাত তুলিবলৈটো কেতিয়াও শিক্ষা দিয়া নাছিলো। আজি তাইৰ নাম সমগ্ৰ অসমতে ৰজন-জনাই গ'ল। নাৰী সুলভ গুণবোৰ তাইৰ মানত গৌণ হৈ যাব পাৰে বুলি মোৰ মনত ভয় হৈছে। মোৰ ছোৱালীয়ে এনে নিন্দনীয় কাম কৰাত মই অলপো সুখী হোৱা নাই। মই মানসীৰ পৰা বহুতো আশা কৰিছিলো।"

পিছদিনা আবেলি বাতৰি কাকতখন পাই মানসীৰ ঘটনাটোক লৈ লিখা কথাখিনি পঢ়িয়েই মীনাক্ষীয়ে কাগজখন সামৰি থ'লে। কাগজখনে যেন মানসীৰ মৃত্যুৰ বাতৰিহে কঢ়িয়াই আনিছে। তেওঁ বেজাৰ মনেৰে আহি বিচনাখনত বাগৰি পৰিল। সৰু ছোৱালী বাসৱী আৰু ল'ৰা দিলীপে মাকক ইমান বিহ্বল হোৱা কেতিয়াও দেখা পোৱা নাছিল। বহুত বুজনি দিও সিহঁতে মাকক ভাত খাবলৈ আনিব নোৱাৰিলে। গিৰিয়েকে ভাবিলে যে মীনাক্ষীয়ে মিছাকৈয়ে সৰু ঘটনাটোকে ইমান ডাঙৰ কৰি তুলিছে। অঞ্জন শৰ্মাই ক'লে "হ'ব পাৰে আমাৰ বংশৰ কোনো ছোৱালীয়ে আজিলৈকে মতা মানুহৰ গাত হাত দিয়া নাই; কিন্তু মানসীৰোটো খং উঠাৰ যথেষ্ট কাৰণ নোহোৱা নহয়। মোৰ ছোৱালী হৈ তাই জানো এনে অশালীন ব্যৱহাৰ সহ্য কৰিব পাৰে ? ওহো তাই কেতিয়াও নোৱাৰে। মীনাক্ষী তুমি ভুল কৰিছা– পৰিস্থিতিটো সম্পূৰ্ণকৈ বিশ্লেষণ কৰিব পৰা নাই।'

দেউতাক অঞ্জন শৰ্মা, দিলীপ আৰু বাসৱীয়ে বিশেষ একো মাতবোল নকৰাকৈয়ে নীৰৱে ভাত খাই আছিল। মাকে খং বা বেজাৰত ভাত নোখোৱাকৈ থকা সিহঁতে জীৱনত কেতিয়াও দেখা নাছিল। কিবা কথাত ঘৰখনত হাই-কাজিয়া হ'লেও মাকে উপস্থিত বুদ্ধিৰে সেই পৰিবেশ নিমিষতে সলনি কৰি দিব পাৰিছিল।

পিছদিনা ৰাতিপুৱা শুই উঠিয়েই মাক মীনাক্ষীয়ে মানসীলৈ এখন চিঠি লিখিলে।

বৰহাপজান
তিনিচুকীয়া
১২ নবেম্বৰ।

মৰমৰ

মানসী,

খবৰটো অবিশ্বাস্য যদিও সঁচা বুলি নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা জানিব পাৰিলো। এজন বয়সস্থ লোকক অসৎ আচৰণ কৰাৰ বাবে তুমি নিজ

হাতেৰে চৰ মাৰি দি ভাৰতীয় নাৰীৰ মৰ্য্যদা ৰক্ষা কৰিলা বুলি গৌৰৱ অনুভৱ কৰিব পাৰা, কিন্তু এই ঘটনাটোত মই হ'লে মৰ্মান্তিক বেজাৰ পাইছো। মোৰ ছোৱালী হৈ তুমি এজন বয়সস্থ লোকৰ গাত হাত উঠাব পাৰিবা তেনে কল্পনা মই কেতিয়াও কৰিব পৰা নাছিলো।

যাহওঁক তুমি মোৰ এই চিঠি পোৱা মাত্ৰেই তেখেতৰ ঠিকনা বিচাৰি উলিয়াই ক্ষমা প্ৰাৰ্থনা খুজি তোমাৰ ভুলৰ প্ৰায়শ্চিত্ত কৰিবা বুলি আশা কৰিলো।

তোমাৰ প্ৰতি আন্তৰিক স্নেহেৰে সামৰিলো।

ইতি
তোমাৰ মৰমৰ মা।

অধ্যায়- ৪

মীনাক্ষীৰ দেউতাকৰ ঘৰ যোৰহাটত। দেউতাক যোগেন শৰ্মা এক পুৰণি ৰীতি-নীতি মানি চলা সম্ভ্ৰান্ত পৰিয়ালৰ লোক। যোগেন শৰ্মা বুলিলে যোৰহাট নেলাগে, টিয়ক, তিতাবৰৰ মানুহেও চিনি পায়। তেখেতক ভাল উকিল বুলি জনাতকৈ এজন চৰিত্ৰবাণ, দয়ালু ভাৰতীয় জীৱন দৰ্শনত বিশ্বাসী লোক বুলিহে জনাজাত। সহজতে মিছা কথা সাজিব নোৱাৰাৰ কাৰণেই উকিল হিচাবে তেখেতৰ বৰ সুখ্যাতি নাছিল। দুখীয়া, নিচলা মানুহক আইনৰ সাহায্য দিয়াই তেখেতৰ ওকালতি কৰাৰ মুখ্য উদ্দেশ্য আছিল। তেখেতৰ ল'ৰা-ছোৱালী তিনিটা। মীনাক্ষী ডাঙৰ আৰু তাৰ পাছত সত্যব্ৰত আৰু দেৱব্ৰত। ঘৈণীয়েক অসুখীয়া হোৱাৰ কাৰণে মীনাক্ষীয়েই গোটেই ঘৰখন চম্ভালিব লাগিছিল। বয়স ভালেখিনি হৈছিল যদিও আইতাকে ঘৰুৱা ইখন সিখন কাম-বনত সহায় কৰি দিব পাৰিছিল। ঘৰখনৰ সকলো জঞ্জাল মাৰিও মীনাক্ষীয়ে পঢ়া-শুনালৈ আওকাণ কৰা নাছিল। বছৰেকীয়া পৰীক্ষাবোৰত মীনাক্ষীৰ সচৰাচৰ প্ৰথম স্থানেই থাকে। কোনো বছৰ মীনাক্ষী বছৰেকীয়া পৰীক্ষাত প্ৰথম হ'ব নোৱাৰাত যদি মাকে অসন্তোষ কৰে, তাই আইতাকৰ ওচৰলৈ গৈ আৰ্জী দিছিল- 'আইতা, আইতা, ময়েই সদায় প্ৰথম হৈ থাকিলে মোৰ লগৰ বান্ধৱী কেইজনী দেখোন কেতিয়াও প্ৰথম হ'বই নোৱাৰিব। আইতাকে চুমা এটা খাই কৈছিল- 'হ'ব মাজনী, ঈশ্বৰে যি দিছে তাতেই সন্তোষে থাকা।'

জাৰৰ দিনত আইতাক, মাক, দেউতাক আৰু ভায়েক দুটা বাৰান্দাত বহি জুই পুৱায়। সেই সময়ত আইতাকে মহাভাৰত-ৰামায়ণৰ আখ্যান ক'ব লাগে। এদিন মীনাক্ষীয়ে সুধিছিল- 'আইতা আপুনি মহাভাৰতখন কিমানবাৰ পঢ়িলে ?'

'জানো লেখ নাই, এশবাৰৰ ওপৰ হ'ব যেন পাওঁ।'

মীনাক্ষী, দেৱব্ৰত আৰু সত্যব্ৰতে একেলগেই মাত লগাইছিল- "একেখন কিতাপকে বাৰে বাৰে পঢ়ি আমনি নেলাগেনে ?'

আইতাকে কয়, 'মোৰ দেউতাই মোক সোধা প্ৰশ্ন এটা তইতক সোধো-

কচোন বাৰু কি বস্তুৱে মানুহক কেতিয়াও আমনি নলগায় ?'

তিনিওটাই একেলগে উত্তৰ দিলে– 'মহাভাৰত আইতা, মহাভাৰত ।'

'মইচোন দেউতাক তহঁতৰ দৰে বয়সত উত্তৰটো দিব নোৱাৰিলো ; তহঁতেনো কেনেকৈ পাৰিলি ?'

কেউটাই মাত লগালে 'আইতা আপুনি ভোদা, আপুনি ভোদা ।'

আইতাকে সোলা মুখেৰে খিল-খিলাই হাঁহিবলৈ ধৰিলে ।

কেতিয়াবা সিহঁতে আইতাকক সোধে, "আইতা, আপুনি যে মাজে মাজে দেউতাক কয় যে আপোনাৰ শ্ৰাদ্ধত এশ গীতা দান কৰিব লাগিব, কিয় বাৰু ? এশ গীতা দান দিলে কি হয় ?"

এশ গীতা দান কৰিলে পুনৰ জন্ম নহয় অ' ।'

আইতাকৰ উত্তৰ শুনি মীনাক্ষী, দেবব্ৰত আৰু সত্যব্ৰতে ফেকুঁৰী ফেকুঁৰী কয়– "আইতাই আমাক বেয়া পায় ; সেই কাৰণেই পুনৰ জন্ম ল'বলৈ ইচ্ছা নকৰে ।" আইতাকে তেতিয়া তিনিওকো সাৱতি ধৰি চুমা খাই আশীৰ্বাদ দিয়ে 'তহঁত শতায়ু হ, ঈশ্বৰে তহঁতক কুশলে ৰাখক ।'

মাকৰ মৃত্যুৰ পাছতো মীনাক্ষীয়েই ঘৰৰ সকলো দায়িত্ব মূৰ পাতি লোৱাত ঘৰখনত বিশেষ বেমেজালি লাগিবলৈ নেপালে । অসুবিধা হ'ল যেতিয়া মীনাক্ষীয়ে মেট্ৰিক পৰীক্ষাত চাৰিটা বিষয়ত লেটাৰ পাই গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ গুচি গ'ল । আইতাকে ইটো সিটো কৰি থাকিব পৰাৰ কাৰণে সত্যব্ৰত আৰু দেৱব্ৰতৰ পঢ়াৰ বিশেষ ক্ষতি নহ'ল । সত্যব্ৰতে সময়মতে অসম মেডিকেল কলেজত পঢ়িবলৈ গুচি গ'ল আৰু দেবব্ৰতে কাণপুৰৰ আই আই টিত চিট পালে ।

* * * * *

অধ্যায়- ৫

এৰৈকেশ নবেম্বৰ তাৰিখে দহ-বজাত ড° অবিনাশ বৰুৱা আহি আদালতত হাজিৰ হ'লহি। সাক্ষীবাদী আৰু চৰকাৰী উকিলো আহি পালেহি। হাকিম আহি পোৱাৰ লগে লগেই সকলো থিয় হৈ সন্মান জনালে। মানসী শৰ্মা সাক্ষী দিবলৈ আহি এজলাচত থিয় দিলেহি। আদালতৰ বাহিৰত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী ভৰি পৰিল। পুলিচ বন্দবস্তও কট্‌কটীয়া কৰা হৈছিল।

হাকিমে "অৰ্ডাৰ অৰ্ডাৰ" বুলি কোৱাৰ লগে লগেই সকলো শান্ত হ'ল। প্ৰথমে মানসী শৰ্মা সাক্ষীৰ গৰালত সোমাই শপত গ্ৰহণ কৰিলে। চৰকাৰী উকিলে মানসীক প্ৰশ্ন কৰিলে।

'আপুনি আচামী অবিনাশ বৰুৱাক চিনাক্ত কৰিব পাৰিছেনে ? দহ নবেম্বৰ তাৰিখে আবেলি অসম পৰিবহণ নিগমৰ আস্থানত কি হৈছিল কওঁক।'

মানসীয়ে সেইদিনা পৰিবহণ নিগমৰ আস্থানত হোৱা ঘটনাটো বিৱৰি ক'লে আৰু আচামী অবিনাশ বৰুৱাক চিনাক্ত কৰি দিলে।

হাকিমে অবিনাশ বৰুৱাৰ কোনো উকিল আছে নেকি সুধিলে। আচামী অবিনাশ বৰুৱাই কোনো উকিল নাই আৰু উকিলৰ সহায় নেলাগে বুলি ক'লে। তেওঁ আৰু ক'লে যে গোচৰীয়া মানসী শৰ্মাই যিবোৰ কথা কৈছে সেই সকলোবোৰ সত্য। 'আই প্লীড গিলটি।'

হাকিমে ৰাই এটা লিখি পঢ়ি শুনালে। সেই ৰায় মতে আচামী অবিনাশ বৰুৱাৰ সাতদিন কাৰাবাস আৰু পাঁচশ টকা জৰিমণা বিহা হ'ল। জৰিমণাৰ টকা মানসী শৰ্মাই পাব। আচামীয়ে জেলত 'বি' শ্ৰেণীৰ সুবিধা পাব।

এনেতে কোনোবা এজন ছাত্ৰই বাহিৰৰ পৰা চিঞৰিলে 'হি চুদ্ হেড্ বিন্ চেন্‌টেন্সড্ টু ডেঠ।'

ড° অবিনাশ বৰুৱাই বালেটটো খুলি টকা পাঁচশ উলিয়াই দিয়াত পেস্কাৰে ৰচিদ এখন দিলে।

এটা কথাত অবিনাশ বৰুৱাই হাকিমৰ পৰা পৰামৰ্শ বিচাৰিলে। তেওঁ এঘাৰ নবেম্বৰ তাৰিখৰ পৰা হোটেল ব্ৰহ্মপুত্ৰ অশোকৰ সাতত্ৰিশ নম্বৰ কোঠাত আছিল। তেওঁৰ কাপোৰ কানিবোৰো তাতে থাকিল। এঘাৰ তাৰিখৰ পৰা হোটেলৰ পইচাখিনি দিয়াৰ এটা সুবিধা কৰি দিব লাগে। হাকিমে পুলিচ বিষয়া এজনক মাতি আনি নিৰ্দেশ দিলে যে হোটেল ব্ৰহ্মপুত্ৰ অশোকৰ পৰা বিল আনি তেওঁক জেললৈ নিয়াৰ আগতেই টকাখিনি লৈ হোটেলত জমা দিব লাগে। হাকিমৰ নিৰ্দেশ মতেই কাম হ'ল জেইলৰ নিয়ম অনুসৰি অবিনাশ বৰুৱাই তেওঁ জেললৈ সোমোৱাৰ আগতেই জেইলাৰৰ ওচৰত টকা-পইচাবোৰ জমা দিব লগীয়া হৈছিল

* * * * *

অধ্যায়- ৬

ড° অবিনাশ বৰুৱাক সাতদিনৰ কাৰাবাসৰ হুকুম দিয়াৰ দিনাই আবেলি সদৌ গুৱাহাটী ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা মানসী শৰ্মাক অভিনন্দন জনাবৰ উদ্দেশ্যে কটন কলেজ ইউনিয়ন হলত এখন সভাৰ আয়োজন কৰা হ'ল। সভাৰ উদ্দেশ্য জনাত কটন কলেজৰ প্ৰিন্সিপালে সভা পাতিবলৈ অনুমতি দিলে। কেবাজনো বিশিষ্ট অধ্যাপকে সেইদিনাৰ সভাত উপস্থিত আছিল। ছাত্ৰ-ছাত্ৰীৰে ইউনিয়ন কক্ষ ভৰি পৰিল। আৰম্ভণি গীত শেষ হোৱাৰ পাছত বক্তা কেবাজনেও তেজস্বী বক্তৃতা দিলে। সকলোৱে একে বাক্যে স্বীকাৰ কৰিলে যে এসময়ত মূলা-গাভৰু, সতী জয়মতী আৰু ৰমনী গাভৰুৰ দৰে কুঁৱৰীয়ে দেখুৱা ত্যাগ আৰু সাহসৰ কাৰণে অসমীয়া জাতিয়ে গৌৰব কৰিব পাৰিছিল। কিন্তু আজিৰ দিনতো মানসী শৰ্মাৰ দৰে সৎসাহসৰ অসমীয়া গাভৰু ওলালে নিশ্চয় এখন সবল সুষ্ঠ অসমীয়া তথা ভাৰতীয় নাৰী সমাজ গঢ় লৈ উঠিব। মাতৃ স্বৰূপা নাৰী সকলেই হ'ল দেশৰ ধৰণী। ছাত্ৰ-ছাত্ৰীবোৰে বক্তৃতা দিয়া শেষ হোৱাৰ পাছত দুই এজন অধ্যাপকেও দুআষাৰমান ক'লে। কওঁ-নকওঁ বুলি চিন্তা কৰি কটন কলেজৰ খ্যাতি সম্পন্ন ব্যক্তি, ফিজিক্সৰ প্ৰফেচৰ নৃপেন কলিতাই আৰম্ভ কৰিলে–

"মাননীয় সভাপতি মহোদয় আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী সকল। মানুহ সৎসাহসী আৰু নিৰ্ভীক হোৱা উচিত। কিন্তু যিকোনো পৰিস্থিতিতে নিজৰ খং সংযম কৰিব পৰাটোহে ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটা ডাঙৰ পৰীক্ষা। আইন কেতিয়াও নিজৰ হাতত তুলি লোৱাটো উচিত বুলি মই নাভাবো। আজিৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভিনন্দনে মানসী শৰ্মাৰ মনলৈ গৌৰৱ কঢ়িয়াই আনিব সঁচা; কিন্তু সেই গৌৰৱে যদি তেওঁক এগৰাকী নায়িকালৈ ৰূপান্তৰিত কৰে তেন্তে তেওঁৰ আগৰ ব্যক্তিত্ব সলনি হৈ যাব পাৰে আৰু ভৱিষ্যত জীৱন গঢ়াত বহুতো বাধাৰ সৃষ্টি হোৱাৰ আশঙ্কা থাকে। ইয়াৰ উপৰিও ইয়াৰ সৰহভাগ ছাত্ৰ-ছাত্ৰীয়েই নজনা কথা এটাও কওঁ। ড° অবিনাশ বৰুৱা এজন সাধাৰণ

ব্যক্তি নহয়। তেওঁ আমাৰ এই কটন কলেজৰ পৰাই বি এচ্ চি পাছ কৰি যোৱা এজন প্ৰাক্তন ছাত্ৰ। কলেজত পঢ়া দিনৰে পৰা তেখেত মোৰ এজন নলে-গলে লগা বন্ধু আছিল। মই জনাত তেওঁ এজন অতি চৰিত্ৰবান লোক। মই কিন্তু আচৰিত হৈছো যে তেখেতৰ দৰে এজন জ্ঞানী-মানী চৰিত্ৰবান ব্যক্তিয়ে কিয় এনেহেন ঘটনাত লিপ্ত হ'ল। কিজানি ঘটনাটো এটা অশালীন ব্যৱহাৰৰ পৰিবৰ্তে সাধাৰণ মানৱ স্নেহৰ প্ৰতীকহে আছিল। তেখেতে বহুতদিন বিদেশত আছিল। আমেৰিকাৰ দৰে দেশত তেনেকুৱা মানৱ স্নেহৰ আদান-প্ৰদান এটা অতি সাধাৰণ কথা। আমি বহুতো কথা বিবেচনা কৰি চোৱাৰ বৰ প্ৰয়োজন আছে। মই আজি বৰ দুখিত যে তেখেতৰ দৰে এজন বিখ্যাত বিজ্ঞানী জেলৰ ভিতৰত কয়দী হৈ থাকিব লগীয়া হৈছে।

সভাপতিৰ ভাষণৰ পাছত সভা ভঙ্গ হ'ল। এনেতে লাইটবোৰ নুমাই যোৱাত ছাত্ৰ-ছাত্ৰীবোৰ ওলাই অহাত অসুবিধা হ'ল। আন্ধাৰে-মুন্ধাৰে আহোতে মানসী উজুটি খাই পৰি আঠু আৰু কিলাকুটিত দুখ পালে।

হোষ্টেললৈ আহি মানসীয়ে গাধোৱা ঘৰত সোমাই গাটো ধুই ল'লে আৰু দুখ পাই ছাল এৰোৱা ঠাইবোৰ ডেটল পানীৰে ধুই বৰলীন অলপ সানি কাপোৰেৰে বান্ধি থ'লে। ভাগৰ লগাত বিছনাখনতে শুই পৰিল। অলপ পাছতে চকিদাৰনীজনী আহি ৰেজিষ্টাৰ্ড পষ্টত অহা মানসীৰ চিঠিখন দি গ'লহি। ঠিকনাটোৰ আখৰ কেইটাৰ পৰাই বুজিব পাৰিলে যে সেইখন মাকৰ চিঠি। খামটোৰ পৰা উলিয়াই মানসীয়ে চিঠিখন পঢ়িবলৈ আৰম্ভ কৰিলে। চিঠিখন পঢ়ি তাই আচৰিত হ'ল। যিজন মানুহক তাই নিজ হাতেৰেই দুই চৰ লগাই দিছিল, সেইজন মানুহক তাই কেনেকৈ ক্ষমা খোজে। মানসী মহা সমস্যাত পৰিল। আনপিনে মানুহজনকো লগ পোৱা অসম্ভৱ। কাৰণ তেওঁ তেতিয়া জেলৰ ভিতৰত। জেলৰ ভিতৰলৈ গৈ ক্ষমা খুজিবলৈ তাইৰ সাহস নাই। ৰাতি তাইৰ ভাত-পানী খাবলৈ মন নগ'ল। পিছদিনা ৰাতিপুৱা গা-পা ধুই প্ৰফেচাৰ নৃপেন কলিতাৰ ঘৰ ওলালগৈ আৰু মাকৰ চিঠিখন দেখুৱালে। কলিতাই মানসীৰ মাকৰ চিঠিখন পঢ়ি ক'লে 'তোমাৰ মাৰাৰ লগত মই একমত।' তুমি ড° অবিনাশ বৰুৱাক ক্ষমা খোজাই উচিত হ'ব। মানসী কেতিয়াও মাকৰ অবাধ্য হৈ পোৱা নাই, গতিকেই মাকৰ নিৰ্দেশমতে ক্ষমা খোজাৰ বাহিৰে অন্য উপায় নেদেখিলে। প্ৰফেচাৰ কলিতাই ক'লে আবেলি মই জেইলাৰলৈ ফোন কৰিম। জেইলাৰে হয়তো অবিনাশ বৰুৱাক জেলৰ ভিতৰতে দেখা কৰাৰ কিবা এটা সুবিধা কৰি দিব পাৰে। প্ৰফেচাৰ কলিতাই মানসীক পিছদিনা তেওঁক দেখা কৰিবলৈ উপদেশ দিলে।

সেইদিনা আবেলি প্ৰফেচাৰ কলিতাই জেইলৰ কমলা বৰালৈ ফোন কৰিলে।

কমলা তেওঁৰ প্ৰাক্তন ছাত্ৰ। বাটে-পথে তেখেতক লগ পালে এতিয়াও চাৰ বুলি সম্বোধন কৰি নমস্কাৰ কৰে।

কমলা বৰাৰ টেলিফোনটো বাজি উঠাত বিচিভাৰটো হাতলৈ তুলি ল'লে। কলিতাই নিজৰ চিনাকি দিলে আৰু অবিনাশ বৰুৱা কেনে আছে সুধিলে। জেইলাৰ বৰাই ক'লে যে তেখেত ভালেই আছে আৰু জেইলৰ ভিতৰত থকা সৌৰ শক্তিৰ যন্ত্ৰটোৰ ওচৰতেই বেছিভাগ সময় কটায়। প্ৰফেচাৰ কলিতাই ফোন কৰাৰ উদ্দেশ্য কোৱাত জেইলাৰ বৰাই জনালে যে যিহেতু আৰু পাঁচদিনৰ পিছতেই অবিনাশ বৰুৱাই মুক্তি পাব, তেখেতক জেইলৰ ভিতৰত লগ নধৰাই উচিত হ'ব। তেখেতে কাকো দেখা কৰিবলৈ ইচ্ছা নকৰিবও পাৰে।

পিছদিনা ৰাতিপুৱা মানসী অহাত প্ৰফেচাৰ কলিতাই জেইলাৰৰ লগত হোৱা সকলো কথা মানসীক জানিবলৈ দিলে। মানসীয়ে ড° অবিনাশ বৰুৱাক লগ পাই ক্ষমা খুজিবলৈ আৰু পাঁচদিন ৰ'ব লগা হ'ল।

* * * * *

অধ্যায়- ৭

অবিনাশ বকৰা জেলৰ পৰা ওলাই আহি আকৌ হোটেল ব্ৰহ্মপুত্ৰ অশোকত এটা কোঠা ল'লেহি। হোটেল সোমোৱাৰ ক্ষন্তেক পিছতেই ৰামুৱে আহি তেওঁক আগবঢ়াই তেখেতৰ কোঠালৈ লৈ গ'লহি। কোঠাটোৰ ভিতৰত বস্তুখিনি ঠিক-ঠাক কৰি দি থাকোতে ৰামুৱে কৈ আছিল। চাব আপুনি যোৱা দিন ধৰি মোৰ মন একদম খাৰাপ। আজি চাব্‌ৰ কি হ'ল ? লাকুভী নেখালে। ৰাতি দূৰদৰ্শনত খবৰ পালো যে চাবৰ সাতদিন জেল হৈছে। মইতো বিশ্বাস কৰিব পৰা নাছিলো। আমাৰ চাব্ ইমান ভাল মানুহ তেওঁৰ জেল কেনেকা হ'ব পাৰে। চাব আমি মানুহ দেখিলেই ক'ব পাৰো- ভাল কি খাৰাব। মই চবক কৈছো কিবা ভুল হৈছে। কিন্তু আমাৰ হোটেলৰ গুল্লু কৈছে, "আজিকালি ভাল-বেয়া মানুহ চিনা টান। কিজানি তোৰ চাব কিবা বেয়া কাম কৰিছে।" মইতো তাক এক থোচা মাৰি দিলো। গুল্লুৱে গৈ মেনেজাৰ চাবক নালিশ দিলে। মেনেজাৰ চাব কিন্তু গুল্লুকহে ধমকি দিলে। মেনেজাৰ চাব ক'লে- "আমাৰ হোটেলৰ বৰ্ডাৰ আমাৰ ভগবান আছে। তেওঁলোক নাথাকিলে আমাৰ হোটেল বন্ধ হৈ যাব। হোটেলৰ বৰ্ডাৰক খাৰাব বাত ক'লে শাস্তি হ'ব" মোৰ কেচ্ দিচমিচ্ হৈ গ'ল। মোক মেনেজাৰ চাব ভালহে ক'লে। মই গুল্লুক ইয়াকভী ক'লো চাবি গুল্লু আজি চাব আমাৰ হোটেলত আহিব। 'চাব্ আপনি গা-ধোৱক মই ব্ৰেকফাষ্ট আনি আছো।'

অবিনাশ বকৰাই গা-পা ধুই ব্ৰেকফাষ্ট খোৱাৰ পিছত টেক্সি এখন লৈ অসম ট্ৰিবিউনৰ অফিচলৈকে ওলাই যোৱাৰ সিদ্ধান্ত কৰিলে। অলপ জাৰ পৰাৰ কাৰণে গৰম পেন্টটো আৰু হাত দীঘল চাৰ্টটো পিন্ধি ল'লে। বকৰাই টেক্সিখনত উঠি ড্ৰাইভাৰক ক'লে "অসম ট্ৰিবিউন অফিচ।" অসম ট্ৰিবিউন অফিচ আহি পোৱাত বকৰাই টকা বিশটা দি টেক্সিখন বিদায় দিলে।

অবিনাশ বকৰাই অনুমতি লৈ অসম ট্ৰিবিউনৰ সম্পাদকৰ কোঠাত সোমাল। বকৰাই তেওঁৰ উদ্দেশ্যৰ বিষয়ে ক'লে যে তেওঁ এখন বিজ্ঞাপন দিব খোজে।

বিষয় বস্তু হ'ল যে তেওঁৰ যোৱা দহ নৱেম্বৰ তাৰিখে অসম পৰিবহণ নিগমৰ আস্থানৰ পৰা মূল্যবান তথ্য-পাতিৰে এটা চুট্‌কেছ্‌ হেৰাইছে। তাতে তেওঁৰ গ্ৰীণ কাৰ্ডখনো আছিল। পুলিচত এজাহাৰ দিয়া স্বত্বেও চুটকেছ্‌টোৰ কোনো সন্ধান ওলোৱা নাই। পোন্ধৰ দিন পাৰ হৈ গ'ল, গতিকে তেওঁ অসম ট্ৰিবিউনৰ যোগেদি এখন বিজ্ঞাপন দিব খোজে। কি ধৰণে বিজ্ঞাপনখন দিলে ভাল হয় সেই বিষয়ে তেওঁ উপদেশ বিচাৰিলে। সম্পাদকে মেনেজাৰজনক মতাই আনি বিজ্ঞাপনৰ এটা খছৰা তৈয়াৰ কৰিবলৈ ক'লে। মেনেজাৰে ড° অবিনাশ বৰুৱাক সুধিলে 'চুটকেছ্‌টো উলিয়াই দিব পৰাজনক আপুনি কিমান টকা পুৰস্কাৰ দিবলৈ ৰাজি আছে? অবিনাশ বৰুৱাই একলাখ টকালৈকে পুৰস্কাৰ দিবলৈ প্ৰস্তুত আছে বুলি ক'লে। মেনেজাৰে উপদেশৰ সুৰত ক'লে 'পশিচ হাজাৰ হ'লেই বৰ্তমান হ'ব নেকি? দৰকাৰ হ'লে পিছত বঢ়াব পৰা যাব। ক্ষন্তেক চিন্তা কৰি অবিনাশ বৰুৱাই সিমানেই হ'ব বুলি ক'লে। বিজ্ঞাপনৰ খছৰাখন অনুমোদন কৰি, বিলৰ বাবদ টকা এহেজাৰ দি অবিনাশ বৰুৱাই ৰচিদখন লৈ ওলাই আহিল।

* * * * *

অধ্যায়- ৮

ড° অবিনাশ বৰুৱা আহি হোটেলৰ কোঠাত সোমাওতে প্ৰায় এঘাৰ মান বাজিল। বেতৰ চকীখনতে বহি কি কৰিম কি নকৰিম বুলি চিন্তা কৰি থাকোতেই ৰামু আহি খবৰ দিলেহি যে তেখেতক লগ পাবৰ কাৰণে এজনী ছোৱালী আহি তলৰ লাউঞ্জতে অপেক্ষা কৰি আছে। তেখেত কি কাৰণে আহিছে সেই কথা নক'লে। মাত্ৰ ক'লে যে আপোনাক লগ পাব খোজে, কিবা দৰকাৰী কথা আছে। অবিনাশ বৰুৱাই ৰামুৰ দ্বাৰা ছোৱালীজনী তেওঁৰ কোঠাৰ লগতে লগা বেলকনীলৈ আগবঢ়াই অনালে। অবিনাশ বৰুৱাই মানসীক চিনি পাই হাঁহি এটা মাৰি ক'লে- 'বহা মানসী।' আগতে বাছত দেখাতকৈ ছোৱালীজনীৰ বহুতো পৰিবৰ্তন হৈছে। চুলিকোছা আগৰ দৰে পৰিপাটিকৈ আচোৰা নাই। শাৰীখন দেখাত ধুনীয়া যদিও পিন্ধনত বৰ লাগ-বান্ধ নাছিল। আগৰ আত্মবিশ্বাস আজি ছোৱালীজনীৰ গাত নাই। অবিনাশ বৰুৱা ওচৰতে থকা চকী এখনতে বহিল। 'কিয় আহিলা মানসী ; বিশেষ কিবা কাম আছে নেকি ?' মানসীয়ে ড° বৰুৱাক নমস্কাৰ কৰি ইতস্তত কৰি আৰম্ভ কৰিলে।

'মই আপোনাৰ ওচৰত ক্ষমা ভিক্ষা কৰিবলৈ আহিছো। সেইদিনা উত্তেজনাৰ বশবৰ্তী হৈ এটা বেয়া কাম কৰি পেলালো। আপুনি ক্ষমা নকৰিলে মোৰ প্ৰায়শ্চিত্ত নহয়। সেইদিনা বাছত আপোনাৰ ওচৰত বহি আহোতে মই বৰ সুৰক্ষিত আৰু সুখী বুলি অনুভৱ কৰি আহিছিলো। পিছত জানো মই কিয় ইমান অবিবেচকৰ কাম কৰি পেলালো।'

'নহয় মানসী সেইদিনা তোমাৰ অকনো দোষ নাছিল। মইহে দোষ কৰিছিলো আৰু শাস্তিও পালো।'

এনেতে মাকে মানসীলৈ দিয়া চিঠিখন ড° অবিনাশ বৰুৱাক পঢ়িবলৈ দি ক'লে 'মায়ে এই ঘটনাত অত্যন্ত দুখ পাইছে।'

অবিনাশ বৰুৱাই চিঠিখন পঢ়ি কিছুপৰ চিন্তা কৰি মানসীক ওলোটাই দিলে।

'তোমাৰ মায়ে বৰ গভীৰ ভাৱে চিন্তা কৰিয়েই চিঠিখন লিখিছে। তোমাৰ কাৰণে অৱশ্যে চিঠিখনৰ যথেষ্ট মূল্যও আছে। সকলো মাতৃয়েই নিজৰ ছোৱালীক এটা আদৰ্শত চলাটো বিচাৰে।'

এনেতে ৰামুৱে এখন ট্ৰেত দুকাপ চাহ আৰু কেইডোখৰ মান কেক্ আৰু বিস্কুট দি গ'লহি।

চাহ খোৱা শেষ হোৱাত মানসীয়ে অবিনাশ বৰুৱাৰ ভৰি দুটা চুই ক্ষমা বিচাৰিলে। বৰুৱাই ভৰি দুটা আঁতৰাই আনিব খুজি ইচ্ ইচ্ কৰি উঠিল। মানসীৰ ব্যৱহাৰত অবিনাশ বৰুৱা অভিভূত হ'ল। কিছুপৰ নীৰৱে থাকি দুয়ো ধীৰে ধীৰে হোটেলৰ লাউঞ্জলৈ নামি আহিল।

'মানসী তোমাক টেক্সি এখনেৰেই থৈ আহিবগৈ নেকি ?'

'নেলাগে, নেলাগে ; আমাৰ হোষ্টেল মাত্ৰ দুই মিনিটৰ বাট।'

অবিনাশ বৰুৱাই ৰামুকে মানসীক হোষ্টেললৈকে আগবঢ়াই দিবলৈ ক'লে। বৰুৱাও আলিবাটলৈকে ওলাই আহি, দেখা নোপোৱা হোৱা পৰ্যন্ত সিহঁতলৈ চাই থাকিল।

ৰামুৱে কথা ক'বলৈ সুবিধা পালে নেৰে। সি ড° অবিনাশ বৰুৱাৰ বিষয়ে জনাখিনি ক'বলৈ আৰম্ভ কৰিলে। 'আমাৰ চাব্ একদম ভাল মানুহ। মোকভী খুব মৰম কৰে। দেখাতভী কিমান ভাল। আমাৰ হোটেলততো তেনেকা ধুনীয়া মানুহ মই কভী দেখাই নাছিলো। বাইদেউ, আপনিও কিন্তু আমাৰ চাহাবৰ নিচিনাই ধুনীয়া। আমাৰ চাব আপনাৰ কিবা লাগে নেকি ?'

মোৰ একো নহয় বুলি কৈ মানসী হোষ্টেলৰ গেটৰ ভিতৰ সোমাল।

* * * * *

অধ্যায়- ৯

মানসী, দিলীপ আৰু বাসবীক মাক দেউতাকে অতি মৰম-চেনেহ আৰু যত্ন সহকাৰে তুলি-তালি ডাঙৰ কৰিছে। অঞ্জন শৰ্মা প্ৰথমে সৰু চাহ বাগান এখনত এচিচটেণ্ট মেনেজাৰ হৈ সোমাই নিজৰ গুণৰ বলত দোপত দোপে উন্নতি কৰি গৈ পিছত মেনেজাৰ হ'লহি। এখন চাহ বাগান সুচাৰুৰূপে পৰিচালনা কৰাতো বৰ সহজ কাম নহয়! অফিচৰ কাম, ফেক্টৰীৰ কাম, পুলি ৰোৱা, পাততোলা, সাৰ দিয়া, কলম দিয়া আদি এশ এবুৰি কামৰ উপৰিও আটাইতকৈ ডাঙৰ কামটো হ'ল, অতবোৰ বনুৱাক অনুশাসনৰ ভিতৰত ৰাখি কাম আদায় কৰা। কেতিয়াবা মজদুৰৰ মাজত লগা দুই এখন কাজিয়াৰো মীমাংসা কৰিব লাগে। অঞ্জন শৰ্মা সৰুৰে পৰাই বৰ ন্যায় পৰায়ণ লোক। পৰাপক্ষত তেওঁ ন্যায়ৰ পক্ষে মাত মাতে; আৰু কেতিয়াবা একান্ত নোৱাৰাতহে 'অশ্বত্থমা হত, ইতি গজ' বুলি ক'ব লগা হয়।

পঢ়া-শুনাত অঞ্জন শৰ্মা মজলীয়া ধৰণৰ আছিল। দেউতাক দেবেন শৰ্মাই অঞ্জনক বি এ পাছ কৰাৰ পিছত আৰু পঢ়াবৰ ইচ্ছা নকৰিলে। তেখেতে ডিব্ৰুগড়ত সহকাৰী উপায়ুক্ত থাকোঁতেই মাৰোৱাৰীৰ বাগান এখনৰ মালিকক কৈ এচিচটেণ্ট মেনেজাৰ কাম এটাত সুমুৱাই দিলে। বাগানখন সৰু প্ৰায় ত্ৰিশ একৰ মানৰহে। অঞ্জন শৰ্মা সাহসী, আত্মবিশ্বাসী আৰু অত্যন্ত পৰিশ্ৰমী লোক হোৱাৰ কাৰণে অতি কম দিনৰ ভিতৰতে বাগানৰ সকলো কাম কাজ শিকি বুজি সুন্দৰকৈ পৰিচালনা কৰিব পৰা হ'ল। চাহ বাগানৰ কাৰণে এজন ভাল মেনেজাৰ পোৱা সহজ কথা নহয়। যিকোনো চাহ বাগানৰ মালিকেই অঞ্জন শৰ্মাৰ দৰে এজন মেনেজাৰ পালে ভাল পোৱাৰে কথা। গতিকেই অঞ্জন শৰ্মাই কেইবাখনো বাগানত সুখ্যাতিৰে কাম কৰাৰ সুবিধা পাইছিল। তিনিচুকীয়াৰ ওচৰৰ বৰহাপজান বাগানত কেইবছৰমান এচিচটেণ্ট মেনেজাৰ কাম কৰাৰ পাছত সেই বাগানতে প্ৰথমে একটিং মেনেজাৰ কৰি নিগাজী মেনেজাৰ হিচাপে নিযুক্তি পায়। বৰহাপজানত কাম কৰি ভাল পোৱাত অৱসৰ

নোলোৱা পৰ্যন্ত তাতেই থাকিবলৈ মনস্থ কৰে। ঘৈণীয়েক মীনাক্ষী শৰ্মাৰো সেই একেটাই ইচ্ছা। মীনাক্ষীৰ ওপৰত সাংসাৰিক সকলো কথাতে নিৰ্ভৰ কৰিব পৰাৰ কাৰণে অঞ্জন শৰ্মাৰ এখন সুন্দৰ সংসাৰ গঢ়ি উঠিছে। আত্মীয়-স্বজনৰ উপৰিও বাগানৰ সমাজতো অঞ্জন শৰ্মা আৰু মীনাক্ষী আদৰণীয় ব্যক্তি। ভগবানে সকলো ফালে সুখ নিদিয়ে। অঞ্জন শৰ্মা আৰু মীনাক্ষীৰ ডাঙৰ দুখ হ'ল তেওঁলোকৰ সৰু ছোৱালী বাসবীৰ সৰুতে পলিঅ' হোৱাৰ কাৰণে এটা ভৰি দুৰ্বল আৰু খোজটো ভালকৈ নপৰে। বাসবীৰ সৰু কালছোৱাত বায়েক মানসীৰ একমাত্ৰ লক্ষ্য আছিল যে তাই বাসবীৰ খোজটো কেনেকৈ ভালকৈ কঢ়া কৰিব পাৰে। তাইৰ পলিঅ' হোৱা ভৰিটোত অপাৰেচন হৈ যোৱাৰ পাচত ডাঃ বন্দোপাধ্যায়ে কৈছিল যে তেওঁ ডাক্তৰ হিচাবে কৰিব লগাখিনি কৰিলে ; বাকীখিনি ঘৰৰ মানুহৰ ওপৰতহে নিৰ্ভৰ কৰিব। অসীম ধৈৰ্য্যৰ সৈতে তাইক ফিজিঅথিৰাপি কৰাব পাৰিলে, সাধাৰণ চকুত তাইৰ ভৰিৰ দোষ ধৰা নপৰিব। তাইৰ ভৰিৰ জোখাৰে বিশেষ ধৰণৰ জোতা তৈয়াৰ কৰি ল'ব লাগিব। ডাঃ বন্দোপাধ্যায়ৰ উপদেশ মানসীয়ে আখৰে আখৰে পালন কৰিবলৈ যত্ন কৰিছিল। তাই ভনীয়েক বাসবীৰ কাৰণে কি কৰা নাই। তাইৰ নিজৰ ৰং-ধেমালি খেলা-ধূলা সকলো বাদ দিলে। বাসবীয়ে ভাল পোৱা আৰু তাইৰ ভৰিৰ শক্তি বঢ়া ৰং-ধেমালিয়েই মানসীয়ে ভাল পোৱা কৰি ল'লে। মাক-দেউতাকৰ এনেহে লাগিল যে মানসী বোলা বেলেগ এজনী ছোৱালী নাই, বাসবীয়েই মানসী। ভনীয়েকৰ প্ৰতি মানসীৰ আদৰ আৰু স্নেহ দেখি মাক-দেউতাকৰ কেতিয়াবা আনন্দত চকুলো ওলায়। বাসবীৰ পলিঅ' হৈ এটা ভৰি দুৰ্বল হোৱাৰ কাৰণে মানসীয়ে কিমান চিন্তা কৰে। মানসী আৰু বাসবীৰ যোগেদি মাক-দেউতাকে ভগ্নীস্নেহৰ এক অপূৰ্ব নিদৰ্শন দেখিবলৈ পায়। মানসীৰ অক্লান্ত যত্নত বাসবীৰ ভৰিটো বহুখিনি ভাল হৈ আহিল। জোতা পিন্ধি ফুৰিলে তাইৰ খোজৰ অমিল সাধাৰণ চকুত ধৰা নপৰা হ'ল।

বাসবীৰ অন্তৰখন মানসীতকৈয়ো কোমল। দেউতাক চিকাৰলৈ যোৱাতো বাসবীয়ে ভাল পোৱা নাছিল। তাই বুজিব নোৱাৰে মানুহে চিকাৰ কিয় কৰে। এই জীৱ-জন্তুবোৰোতো ঈশ্বৰেই সৃষ্টি কৰিছে। তেন্তে মানুহে নিৰ্দয় ভাৱে সিহঁতক কিয় বধ কৰে। এদিন দেউতাক চিকাৰলৈ গৈ দুটা শহাপহু মাৰি আনিছিল। তাইৰ নিজৰো কেইবাটাও পোহনীয়া শহা পহু আছিল। গতিকে তাই দেউতাকে চিকাৰ কৰি অনা শহা পহু দুটা দেখি বৰ বেজাৰ পালে। তাই সেইদিনা ভাত-পানী নেখাই মনৰ বেজাৰতে শুই থাকিলগৈ। মাকে বহুত বুজনি দিহে তাইক ভাত খুৱাব পাৰিছিল। সেইদিনাৰ পৰা অঞ্জন শৰ্মাই চিকাৰ কৰা বাদ দিলে। আন এদিনৰ কথা– অঞ্জন শৰ্মাই সন্ধ্যাতে পাই

ভালেখিনি ডাঙৰ ডাঙৰ মিছা মাছ কিনি আনিছিল। বাসবীয়ে কেতিয়াও মিছা মাছ দেখা নাছিল। তাই তন্ময় হৈ মিছা মাছবোৰ চাবলৈ ধৰিলে। তাই মাকক সুধিলে– "মা, মা এইবোৰ কি ?"

মাকে ক'লে– "এইবোৰক মিছা মাছ বোলে। খাবলৈ বৰ ভাল, কাইট একেবাৰেই নাই।"

বাসবীয়ে ক'লে– "চোৱাচোন চোৱা মা, মাছবোৰ মোৰ দৰেই ফ্রিল থকা ফ্রক পিন্ধা।" বাসবীৰ কথাষাৰ মাক মীনাক্ষী আৰু দেউতাক অঞ্জন শৰ্মাই মন নকৰাকৈ থকা নাছিল।

অঞ্জন শৰ্মাৰ বিয়াৰ সময়ত এটা খেলি-মেলি লাগিছিল। মীনাক্ষীৰ দেউতাকে দেবেন শৰ্মাক সোঁৱৰণী নকল সহ মীনাক্ষীৰ বিয়াৰ এটা প্ৰস্তাৱ দিছিল। প্ৰস্তাৱটো দিওঁতে মীনাক্ষী কটন কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰী। জোৰা, সম্প্ৰদায় আৰু ছোৱালী ভাল বুলি শুনাত দেবেন শৰ্মাই বিয়াখন সোনকালেই পতাৰ ঠিৰাং কৰিলে। তেওঁ ইচ্ছা প্ৰকাশ কৰিলে যে বিয়াখন দুমাহ মানৰ ভিতৰতে হৈ যাব লাগে। শুভস্য শীঘ্ৰম। মীনাক্ষীয়ে বিয়াত মতামত দিবলৈ নৌপাওতেই বিয়াৰ দিন-তাৰিখ ঠিক হৈ গ'ল। যোগেন শৰ্মাৰ মাকো বুঢ়া হৈ আহিছিল। কেতিয়া কি হয় তাৰ ঠিক নাই; গতিকে নাতিনীয়েকৰ বিয়াখন সোনকালেই হোৱাৰ হেঁপাহ কৰিছিল। সাতে-পাছে বিয়াৰ সকলো কথা-বাৰ্তা দিন-বাৰ ঠিক হৈ গ'ল। মীনাক্ষীৰ মতামত নোলোৱাকৈয়ে তাইৰ বিয়া ঠিক হৈ যোৱাত তাই বিচুৰ্তি খালে আৰু চিন্তাত পৰিল। মই একো গমকে নেপালো অথচ মোৰ বিয়াৰ ক্ষণ তাৰিখ পৰ্য্যন্ত ঠিক হৈ গ'ল। মোৰ মতামতৰ ওপৰত কোনেও একো গুৰুত্ব নিদিলে। মই যেন বজাৰত বিক্ৰী কৰিবলৈ অনা গৰু-ছাগলীহে– মতামতৰ কোনো প্ৰয়োজন নাই।

মীনাক্ষীয়ে তাইৰ বিয়া ঠিক হোৱা খবৰটো পায়েই দেউতাকলৈ এখন ৰেজিষ্টাৰ্ড চিঠি দিলে। তাইৰ প্ৰধান আপত্তি হ'ল যে তাইৰ বি এচ্ চি পৰীক্ষালৈ আৰু বেছিদিন নাই। প্ৰায়বোৰ অধ্যাপকেই তাইক উৎসাহ দি কৈছিল যে তাই ৰসায়ন বিষয়ত অনাৰ্চত এটা ভাল স্থান পোৱাটো খাটাং। কিন্তু ঠিক পৰীক্ষাৰ আগে আগে বিয়া এখনৰ প্ৰস্তাৱ আহিলে তাইৰ পঢ়াত ব্যাঘাত হোৱাটো স্বাভাৱিক। বিয়াৰ কাৰণে এটা মানসিক প্ৰস্তুতিৰো প্ৰয়োজন। ইয়াৰ উপৰিও তাইৰ এম্ এচ্ চি পঢ়াৰ প্ৰবল ইচ্ছা আছিল।

দেউতাকে মীনাক্ষীৰ চিঠিৰ উত্তৰত জনালে যে তেওঁ দিয়া প্ৰস্তাৱটো দৰা ঘৰৰ পৰা ইতিমধ্যে গ্ৰহণ কৰিলে। তেনেস্থলত তেওঁৰ ফালৰ পৰা বিয়া নহ'ব বুলি ক'বলগীয়া হ'লে তেওঁৰ মান-সন্মান সকলো ধূলিষ্যাৎ হৈ যাব। দৰা ঘৰ ইতিমধ্যে বিয়াৰ আয়োজনত বহুখিনি আগবাঢ়ি গ'ল। তাইৰ মতামত পোৱাৰ

আগতেই বিয়াৰ আয়োজন অতদূৰ আগবাঢ়ি যোৱাৰ কাৰণে তেওঁ দুখিত কিন্তু তেওঁ উপায়হীন ।

দেউতাকৰ প্ৰতি থকা পৰম শ্ৰদ্ধা আৰু ভক্তিয়ে মীনাক্ষীক বিয়াত সন্মতি জনাবলৈ বাধ্য কৰিলে । মীনাক্ষীৰ দেউতাকৰ সবলতাৰ সুবিধা লৈ দৰাঘৰৰ পৰা খৰখৰকৈ নিমন্ত্ৰণী চিঠি পৰ্য্যন্ত ছপা কৰি উলিয়াই দিলে, যদিও যোগেন শৰ্মাই বিয়াৰ সঠিক দিন ধাৰ্য্য কৰা নাছিল ; পঞ্জিকাত ভাল দিন এটা থকাৰ কথাহে মাথোন উল্লেখ কৰিছিল । মীনাক্ষীয়ে বিয়াত সন্মতি নিদিলে যোগেন শৰ্মাৰ দৰে এজন আত্ম মৰ্য্যদা থকা মানুহৰ কাৰণে আত্মহত্যা কৰাৰ বাহিৰে আন একো উপায় নেথাকিব । এই সকলোবোৰ কথা চিন্তা কৰি মীনাক্ষীৰ ঘোৰ আপত্তি থকা স্বত্ত্বেও বিয়াত মত দিব লগা হ'ল । তাইৰ বি এচ্ চি পাছ কৰি এম্ এচ্ চি পঢ়াৰ সোণৰ সপোন চুৰমাৰ হৈ গ'ল ।

বিয়াৰ আগতে মীনাক্ষীয়ে অঞ্জন শৰ্মাক দেখা নাছিল । অঞ্জন শৰ্মাই কিন্তু গুৱাহাটীলৈ আহি মীনাক্ষী কলেজলৈ অহা-যোৱা কৰা সময়ত চিনাকি মানুহৰ সহায়ত আলেঙে আলেঙে কেবাদিনো চোৱাৰ সুবিধা পাইছিল । মীনাক্ষীৰ দৰে এজনী সুশিক্ষিতা, ধুনীয়া আৰু নম্ৰ ছোৱালী জীৱন সঙ্গীনীৰূপে পাব পাৰিব বুলি অঞ্জন শৰ্মাই আশা কৰা নাছিল । শিক্ষিতা ছোৱালীয়ে বাগানৰ মেনেজাৰৰ লগত বিয়া সোমাবৰ ইচ্ছা নকৰে । বাগানৰ অকলশৰীয়া জীৱন আৰু ক্লাব লাইফ বহুতো ছোৱালীয়েই ভাল নেপায় । আৰু তাক খবৰ লৈ অঞ্জন শৰ্মাই গম পাইছিল যে তেওঁৰ মনে বিচৰাৰ দৰে মীনাক্ষীৰ অন্তৰখন বৰ কোমল আৰু স্পৰ্শকাতৰ । অঞ্জন শৰ্মাই সংকল্প ল'লে যে তেওঁ মীনাক্ষীৰ বাহিৰে আন ছোৱালী বিয়া নকৰায় । দেউতাকৰ সন্মান ৰাখিবলৈ হ'লে মীনাক্ষীৰ বিয়াত বহাত বাহিৰে অন্য একো উপায় নেথাকিল । তাই দেউতাকৰ দোষ উলিয়াই তেখেতৰ জীৱনলৈ অশান্তি চপাই আনিবলৈ ইচ্ছা নকৰিলে । মীনাক্ষীয়ে মানি ল'লে যে পুৰুষ প্ৰধান দেশত নাৰীৰ স্বাধীনতাই প্ৰকৃত স্বীকৃতি নোপোৱালৈকে নাৰীয়ে নিজৰ মৰ্যদা বিচাৰিলে সমাজত অশান্তি আৰু বিশৃঙ্খলতাহে বাঢ়িব ।

অঞ্জন শৰ্মা আৰু মীনাক্ষীৰ বিয়া বৰ ধুম-ধামেৰে হৈ গ'ল । মীনাক্ষীৰ কিন্তু বি এচ্ চি পাছ কৰা আৰু নহ'ল । বিয়া ঠিক হ'ল বুলি জনাৰে পৰা মীনাক্ষীয়ে পঢ়া-শুনাত মন বহুৱাব নোৱাৰিলে । এম্ এচ্ চি যদি পঢ়াই নহয়, তেন্তে বি এচ্ চি পাছ কৰি কি লাভ আছে । আনক দেখুৱাই তাই বি এচ্ চি পৰীক্ষাটো দিলে ; কিন্তু পৰীক্ষা পাছ কৰিবৰ কাৰণে নহয় ; কিছুদিন বেছিকৈ গুৱাহাটীত থকাৰ উদ্দেশ্যেৰেহে ।

সময়ৰ গতিত অঞ্জন শৰ্মা, মানসী, দিলীপ আৰু বাসবীৰ সৈতে তেওঁলোকৰ এখন সুখৰ সংসাৰ গঢ় লৈ উঠিল । . . . . .

অধ্যায়- ১০

ড° অবিনাশ বৰুৱাই অসম ট্ৰিবিউন কাকতত দিয়া বিজ্ঞাপনটো প্ৰকাশ পোৱাৰ কেইদিনমান পিছত মানসীৰ বান্ধৱী অনু আহি মানসীক জনালেহি 'দেখিছ মানসী, কথাবোৰ কেনেদৰে আগবাঢ়ি গৈছে। সেই অবিনাশ বৰুৱা বোলা মানুহজনে বাতৰি কাকতত এটা বিজ্ঞাপন দিছে।'

'কি বিজ্ঞাপন অনু ?' মানসীয়ে সুধিলে। অনুৱে কেইদিনমানৰ পুৰণি বাতৰি কাকতখন আগবঢ়াই দি মানসীক নিজেই পঢ়ি চাবলৈ ক'লে। মানসীয়ে বিজ্ঞাপনটো পঢ়ি চাই ক'লে- 'চুটকেছটোত ইমান মূল্যবান বস্তু আছিলনে যে পঁচিশ হেজাৰ টকা পুৰস্কাৰ হিচাবে আগবঢ়াব লগা হৈছে। বাছ ষ্টেণ্ডত বস্তু হেৰাল, তাৰ সন্ধান আৰু ক'ত পাব। বেয়াহে লাগিছে, মানুহজনলৈ। মোৰ কাৰণেহে সকলো অঘটন ঘটিল।'

সেইদিনাই কলেজৰ পৰা আহি মানসীয়ে গম পালে যে তাই কলেজত থকা সময়ত হোষ্টেললৈ পুলিচ আহিছিল। তাই চিন্তা কৰিবলৈ ধৰিলে, পুলিচ বাৰু হোষ্টেললৈ কিয় আহিছিল। তাইক কেনেবাকৈ সন্দেহ কৰিছে নেকি ? যদি তাইক সন্দেহ কৰিছিলেই তেন্তে পুলিচে নিশ্চয় তাইক জেৰা কৰিলেহেঁতেন। পুলিচৰ ৰেকৰ্ডত আছে যে তাই সেইদিনা অবিনাশ বৰুৱাৰ লগত সহযাত্ৰী আছিল। অবিনাশ বৰুৱাই কেনেবাকৈ, তাইক সন্দেহ কৰে বুলি পুলিচক কিবা জনাইছে নেকি ? পুলিচনো কিয় আহিল বাৰু ? পুলিচ আহিল, কিন্তু তাইক জেৰা নকৰিলে সেই কথাটো তাই বুজিব নোৱাৰিলে। নানা ধৰণৰ চিন্তাই তাইক জুমুৰি দি ধৰিলেহি। কি আপদীয়া মানুহজনৰ লগত তাই সেইদিনা একেখন বাছতে আহিছিল বাৰু ?

মানসীয়ে পুলিচ অহাৰ বিষয়ে সবিশেষ জানিবৰ কাৰণে হোষ্টেল চুপাৰিণ্টেন্‌ডেন্টৰ ওচৰলৈ যাব নেকি বুলি চিন্তা কৰিলে। নাই, তেখেতক সুধিলে আকৌ তেখেতেবা কি ভাবে ? তেখেতৰ মনলৈ নানা তৰহৰ সন্দেহ আহিব পাৰে। তাইতো সেইদিনা ড° অবিনাশ বৰুৱাৰ সহযাত্ৰী আছিল সেই

কথা সকলোৱে জানে ৷ তেন্তে তাই যে চুট্‌কেছ্‌টো বাছ্‌ ষ্টেণ্ডৰ পৰা চুৰ কৰা নাই তাৰ কি প্ৰমাণ আছে ? কিন্তু তাইক পুলিচে সন্দেহ কৰা হ'লে পুলিচে তাইক নিশ্চয় জেৰা নকৰাকৈ নেথাকিলহেঁতেন ৷ বহুত পৰ চিন্তা কৰাৰ পিছত মানসীয়ে ড° অবিনাশ বৰুৱাক এবাৰ লগ পোৱা উচিত হ'ব বুলি ভাবিলে ৷ তেখেতৰ লগত কথা পাতিলে বুজিব পাৰিব যে তাইক তেখেতে কিবা সন্দেহ কৰিছে নেকি ? আৰু যদি সন্দেহ কৰা নাই, তাইৰ ওপৰত প্ৰতিশোধ ল'বৰ কাৰণে তেখেতে কিবা ষড়যন্ত্ৰ কৰিছে নেকি ? সেইদিনা তেওঁতো কম অপমানিত হোৱা নাছিল ৷ কিন্তু তাইতো তেখেতৰ ভৰিত ধৰি ক্ষমা খুজিলে আৰু তেখেতে তাইক ক্ষমাও কৰিলে ৷ নাই, তেখেত ইমান তললৈ নামিবনে ? মোক পুলিচে হাৰাশাস্তি কৰিলে তেখেতে ভাল পাব বুলি মোৰ মনে নধৰে ৷

এইবোৰ ভাবি-গুণি মানসী আহি হোটেল ব্ৰহ্মপুত্ৰ আশোক পালেহি ৷ হোটেলৰ অভ্যৰ্থনাকাৰীজনে 'ইণ্টাৰকম্'ৰ যোগে অবিনাশ বৰুৱাৰ সৈতে কথা পাতি মানসীক তেখেতৰ ওচৰলৈ যোৱাৰ অনুমতি দিলে ৷ অবিনাশ বৰুৱাই তেখেতৰ কোঠাৰ সমুখতে থকা বেলকনিত আহি বহিলহি ৷ মানসীয়ে তেখেতক দেখা পাই নমস্কাৰ জনালে ৷ তেখেতে মৰমসনা মাতেৰে ক'লে– 'বহা মানসী ৷' তাই তেখেতৰ ওচৰতে চকী এখনত বহিল ৷

ক্ষন্তেক পাছতেই মানসীয়ে আৰম্ভ কৰিলে ৷ 'অসম ট্ৰিবিউন কাকতত আপুনি দিয়া বিজ্ঞাপনটো পঢ়িলোঁ ৷ সেই সংক্ৰান্তত আপুনি মোক কিবা সন্দেহ কৰে নেকি ?'

"নাই নাই মানসী, মই তোমাক কেতিয়াও সন্দেহ নকৰো ৷ তুমি কিবা জানিলে মোক নোকোৱাকৈ থাকিব পাৰিবা বুলি মোৰ বিশ্বাস নহয় ৷"

"পুলিচ আজি আমাৰ হোষ্টেললৈ গৈছিল , সেই কাৰণেহে ভাবিলো আপুনি কিজানি মোক কিবা সন্দেহ কৰে বুলি পুলিচক জনাইছে ৷"

"তোমাক পুলিচে হাৰাশাস্তি কৰাটো মই কেতিয়াও নিবিচাৰো মানসী ৷ ই মোৰ কাৰণে অসম্ভৱ ৷ আৰু মই তোমাক সন্দেহ কৰা হ'লে পুলিচে তোমাক কেতিয়াবাই জেৰা কৰি ব্যতিব্যস্ত কৰি তুলিলেহেঁতেন ৷ ইমান দিন পুলিচ বৈ থাকিলেহেঁতেন জানো ?"

'তেন্তে আজি আমাৰ হোষ্টেললৈ যোৱাবোৰ কোন ?'

'মই বহুবছৰ ধৰি বিদেশত গৱেষণা কৰি সাফল্য অৰ্জন কৰি অনা তথ্য-পাতিবোৰ মোৰ চুট্‌কেছ্‌টোৰ ভিতৰতেই আছিল ৷ সেই তথ্য-পাতিবোৰৰ মূল্য বিদেশৰ বজাৰত কিমান হ'ব পাৰে মই ভালদৰে জানো ; গতিকেই মোৰ চিন্তা হৈছে যে যদি কোনো ক'লা বজাৰৰ লগত লিপ্ত থকা চোৰাংচোৱাই মোৰ চুটকেছটো হস্তগত কৰিছে তেন্তে ইমান বছৰ ধৰি মই কৰা গৱেষণা

অথলে যাব। মোৰ গোটেই জীৱনটো শূন্যলৈ ৰূপান্তৰিত হ'ব। সেই গুপ্তচোৰাংচোৱাবোৰে হয়তো তোমাকো সন্দেহ কৰিব পাৰে। আৰু পুলিচৰ বেশ ধৰি তুমি থকা কোঠাটো চাই আহিব পাৰে। সিহঁতে সকলোবোৰ সম্ভাব্য ঠাইত অনুসন্ধান চলাই চাব। এইবোৰ মোৰ মনৰ অলিক কল্পনাও হ'ব পাৰে।'

মানসী উত্তেজিত হৈ ক'লে– "আপুনি ঠিকেই চিন্তা কৰিছে, সিহঁত পুলিচ হোৱা হ'লে মোক নিশ্চয় জেৰা কৰিলেহেঁতেন। মই আপোনাৰ সহযাত্ৰী আছিলো বুলি পুলিচে জানে।"

অবিনাশ বৰুৱাই কথাটো পাতল কৰিবৰ কাৰণে ক'লে– "ইমান চিন্তা কৰিব নালাগে মানসী, তোমালোকৰ হোষ্টেলত নিশাৰ ভাগত চকিদাৰ থাকে নহয়। কেইদিনমানৰ কাৰণে ৰাতি সাৱধানে থাকিবা। তোমালোকৰ চুপাৰিণ্টেন্ডেণ্টকো কথাটো জনাই থ'বা।"

মানসীক ইমান চিন্তাক্লিষ্ট দেখি বৰুৱাৰ বৰ বেয়া লাগিল। "কি খাবা মানসী, চাহ নে কফি ?"

মানসীয়ে একো নমতাত তেওঁ বেলটো বজাই বিয়েৰাৰ এজনক মাতি কফি দুকাপ বিস্কুটেৰে সৈতে আনিবলৈ ক'লে।

কফি খাই থাকোতে মানসীয়ে মাজে মাজে অবিনাশ বৰুৱাৰ মুখখনলৈ চাই কিবা ক'ম বুলি ভাবিও কিন্তু একো বিশেষ কথা ক'ব নোৱাৰিলে। ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ বুকুত বেলি মাৰ যাও যাও। আন্ধাৰ হ'বলৈ আৰু বেছিপৰ নাছিল। মানসী যাবৰ কাৰণে সাজু হৈ চকীখনৰ পৰা উঠিল। অবিনাশ বৰুৱাই মানসীক গেটৰ কাষলৈকে আগবঢ়াই দি গ'লহি। বিদায়ৰ সময়ত মানসীয়ে মাত্ৰ কৈ গ'ল– "মই কালিলৈ আকৌ আপোনাক লগ পাবলৈ আহিম।"

বৰুৱাই মৰমৰ মাতেৰে ক'লে– "আহিবা মানসী।"

মানসীয়ে বাটে বাটে চিন্তা কৰি আহিল– তাই নিজৰ সুৰক্ষাৰ কাৰণে কি ব্যৱস্থা ল'ব। তাই যিহেতু ড° অবিনাশ বৰুৱাৰ সহযাত্ৰী আছিল, সেই গুপ্তচৰবোৰে তাইৰ কোঠাত তালাচী চলাবলৈ যত্ন কৰিব পাৰে।

মানসী হোষ্টেল পোৱাৰ কিছুপৰৰ পিছতেই সন্ধ্যা লাগিল। সন্ধ্যাৰ এন্ধাৰ নামি অহাৰ লগে লগেই মানসীৰ বুকুখন কঁপিবলৈ ধৰিলে। যিবোৰ মানুহে পুলিচৰ বেশ ধৰি দিনতে আহি তাইৰ কোঠাটো চাই যাব পাৰে, সেইবোৰ মানুহে বাৰু কি কৰিব নোৱাৰিব। সিহঁতে দুৱাৰ খুলি এবাৰ সোমাব পাৰিলেতো গাভৰু ছোৱালীৰ প্ৰতি কত অন্য ধৰণৰ অপকাৰ কৰিব পাৰে। তাইৰ কোঠাটোৰ সঙ্গী অনুক কথাবোৰ ক'ব নেকি। নাই, অনু বৰ ভয়াতুৰ ; তাই কন্দা-কটা কৰি এটা হুলস্থূল লগাব। তাই নিজেই সুৰক্ষাৰ কিবা এটা ব্যৱস্থা ল'ব লাগিব।

মানসীৰ দেউতাক অঞ্জন শৰ্মাই বাগানৰ ফেক্টৰী চলাৰ সময়ত বহু ৰাতিলৈকে বঙলালৈ আহিব নোৱাৰিছিল। মীনাক্ষী, মানসী, দিলীপ আৰু বাসবী অকলে থাকিবলগীয়া হয়। সিহঁতৰ প্ৰতিৰক্ষাৰ কাৰণে অঞ্জন শৰ্মাই চেষ্টা কৰি মীনাক্ষীৰ নামত পিস্তলৰ লাইচেঞ্চ এখন কৰি দিছিল। মানসী ডাঙৰ হোৱাত পিস্তল কেনেকৈ চলাব লাগে দেউতাক অঞ্জন শৰ্মাই নিজেই শিকাই দিছিল। মানসীৰ হাতখন ভাল হোৱাৰ কাৰণে কেতিয়াবা দেউতাক আৰু তাইৰ মাজত লক্ষ্যভেদৰ প্ৰতিযোগিতা হ'লে তাই দেউতাকতকৈ বেছি লক্ষ্যভেদ কৰাৰ গৌৰৱৰ অধিকাৰী হৈছিল। আগৰ বছৰ ডিব্ৰুগড় জিলা ভিত্তিত পিস্তলেৰে লক্ষ্যভেদ প্ৰতিযোগিতাত মানসীয়ে প্ৰথম স্থান অধিকাৰ কৰি এটি পুৰস্কাৰো পাইছিল। তাই কটন কলেজত নাম লগোৱাৰ পাছত মাজে মাজে ৰাতিৰ বাছত অহা-যোৱা কৰিবলগীয়া হোৱাত অঞ্জন শৰ্মাৰ চিন্তা নোহোৱাকৈ থকা নাছিল। মাজে মাজে ৰাতিৰ বাছবোৰত ডকাইতি হোৱাৰ খবৰ বাতৰি কাকতত নোলোৱাকৈ থকা নাছিল। ইয়াৰ উপৰিও মানসীৰ নামত পিস্তলৰ লাইচেঞ্চ এখন থাকিলে কেতিয়াবা তাই গুৱাহাটীত হোৱা পিস্তল প্ৰতিযোগিতাতো যোগ দিব পাৰিব। সেইবোৰ ভাবি-চিন্তি মানসীৰ নামলৈ পিস্তলটোৰ লাইচেঞ্চখন সলনি কৰিবলৈ উপায়ুক্তৰ ওচৰত আবেদন কৰিলে। উপায়ুক্তই প্ৰথমে আবেদনখন মঞ্জুৰ কৰা নাছিল। অঞ্জন শৰ্মা নিজেই আহি উপায়ুক্তক লগ ধৰি লাইচেঞ্চখন মানসীৰ নামলৈ সলনি কৰাৰ যুক্তিবোৰ ফঁহিয়াই দেখুৱালেহি।

"মানসীয়ে স্পৰ্টচ্‌মেন হিচাবেই পিষ্টলৰ লাইচেঞ্চ এখন পাব লাগে। আপুনিয়েইতো যোৱা বছৰ পিষ্টল চুটিং প্ৰতিযোগিতাত প্ৰথম হোৱাৰ কাৰণে এটা ৰূপৰ পদক তাইৰ হাতত তুলি দিছিল। কোনে জানে, সুবিধা পালে তাই কিজানি সৰ্বভাৰতীয় প্ৰতিযোগিতাতো সুখ্যাতি অৰ্জন কৰিব পাৰে। আৰু তাৰোপৰি দিন-কাল যেনে হৈছে আমাৰ ছোৱালীবোৰে নিজৰ সুৰক্ষাৰ ব্যৱস্থা নিজেই কৰি ল'ব লাগিব।"

আৰু কিছুদিন বিবেচনা কৰি উপায়ুক্তই মীনাক্ষীৰ নামৰ লাইচেঞ্চখন মানসীৰ নামলৈ বদলি কৰিবলৈ অনুমতি দিলে।

পিষ্টলটো মানসীয়ে সৰু বাকচ এটাৰ ভিতৰত ভৰাই ট্ৰাঙ্কৰ ভিতৰত তলা মাৰি থয়, যাতে যেয়ে সেয়ে সহজতে দেখা নাপায়। মানসীয়ে ঠিক কৰিলে যে সেইদিনা তাই পিষ্টলটো গাৰুৰ তলতে ৰাখিব। আত্মৰক্ষাৰ দৰকাৰ হ'লে ব্যৱহাৰ কৰিব। ৰাতি মানসীৰ গা ভাল নহয় বুলি বেমাৰীৰ আহাৰ দিবলৈ মেচৰ মেনেজাৰলৈ খবৰ দিলে। তাইৰ নিজৰ কোঠাতে লোফ আৰু চাহ দিবলৈ ক'লে। কোঠাটোৰ সমভাগী বান্ধৱী অনুৱে ভাত খাবলৈ যাওঁতেই

মানসীয়ে কোঠাটোৰ দুৱাৰখনৰ খিলিটো ভিতৰৰ পৰা বন্ধ কৰি দিলে। পিষ্টলটো বাকচৰ পৰা উলিয়াই আনি ছটা গুলি ভৰাই গাৰুৰ তলত থৈ দিলে। অনুৱে নিজেই তাইৰ কাৰণে চাহ আৰু লোফ আনি দুৱাৰত টোকৰ দিয়াত মানসীয়ে দুৱাৰখন খুলি দিলে।

'মানসী, দুৱাৰখন বন্ধ কৰি থৈছিলি কেলেই ?'

'এনেয়ে, অকলে কোঠাটোত থাকিবলৈ ভয়ো লাগে ; তাতে আকৌ গাটোও ভাল নহয়।'

অনুৱে মানসীক সুধিলে– "আজি ৰাতিপুৱাৰ পৰা তোৰ মনটো মই বৰ বিচলিত যেন দেখিছো। তাতে আকৌ ভাতো নেখালি ! কচোন বাৰু তোৰ কি হৈছে ? কথাবোৰ ক'লেহে মনতো পাতল হয়।"

মানসীয়ে ক'লে– 'ৰাতিটো পাৰ হ'বলৈ দে ; কালিলৈ মই তোক সকলো কথা ক'ম। এতিয়া তই শোচোন। মই অলপ পাছত শুম।'

অনুৱে আঠুৱাখন তৰি বিচনাত বাগৰ দিলে।

কিছুসময়ৰ পাছত দুৱাৰ-খিৰিকিবোৰৰ খিলিবোৰ ভালকৈ পৰীক্ষা কৰি মানসীও বিচনাত বাগৰ দিলে। তাই ৰাতিটো সাৰে থাকিবলৈ ঠিৰাং কৰিলে। সাৰে থাকিলে বহুত বিপদৰ পৰা ৰক্ষা পৰে বুলি তাই জানে। জাগি শুবা, বাচি খাবা। হোষ্টেলৰ কোঠাবোৰৰ দুৱাৰৰ খিলি মৰাৰ শব্দ মানসীয়ে শুনিবলৈ পালে। দহ বাজি গ'ল। আলিবাটৰ গাড়ী-মটৰৰ শব্দও লাহে লাহে নোহোৱা হৈ আহিল। মানসীৰ কাৰণে সময়বোৰ নোযোৱা যেন হৈছে। মানুহে এনেয়ে নকয়, ৰাতিটোৱে হাতীটোৱে সমান। ৰাতি বাৰমান বাজি গ'ল। দূৰৈত দুই এটা কুকুৰৰ মাত শুনিবলৈ পালে। আকৌ নিস্তব্ধতা। মানসীয়ে ভাবিলে ৰাতিটো ভালে ভালে পাৰ হ'লেই তাইৰ সকলো চিন্তাৰ ওৰ পেলোৱাৰ উপায় ওলাব। ৰাতিটো সুকলমে পাৰ হ'বৰ কাৰণে তাই ভগবানৰ ওচৰত প্ৰাৰ্থণা কৰি সকতে মাকে শিকোৱা এটা শ্লোক আওৰালে। বাহিৰত কিবা এটা শব্দ শুনি তাই কাণ থিয় কৰিলে। নাই নিগনিহে। আৰু কিছুপৰ পাৰ হৈ গ'ল। ক'তো একো সাৰ-সুৰ নাই। চাৰিওফালে নিমাত নিস্তব্ধ। হঠাতে বিকট ভয় লগা শব্দ এটা শুনি তাইৰ বুকুখন থপ-থপ কৰি মাৰিবলৈ ধৰিলে। ক্ষন্তেক বৈ বুজিব পাৰিলে দুটা বোন্দা মেকুৰীৰ মাজত যুদ্ধ। মাতটো বৰ ভয় লগা। সেই মাতটো তাই বৰ বেয়া পায়, বৰ অমঙ্গলীয়া যেন লাগে। ৰাতি ডেৰমান বাজিল। নবেম্বৰ মাহৰ শেষ। জাৰ লগাত কম্বলখন গাত ভালকৈ ল'লে। চকুকেইটা টোপনিয়ে টানি নিবলৈ ধৰাতো তাই জোৰ কৰি সাৰে থাকিবলৈ যত্ন কৰিলে। কিছুপৰ পিছত আলিবাটত গাড়ী এখন ৰোৱাৰ শব্দ শুনিবলৈ পালে। তাই নিটাল মাৰি থাকিবলৈ চেষ্টা

কৰিলে। অলপ সময়ৰ পিছত মানুহৰ খোজৰ শব্দ যেন পাই তাইৰ গাটো শিয়ঁৰি উঠিল। কাণ থিয় কৰি তাই কিহৰ শব্দ বুজিবলৈ চেষ্টা কৰিলে। এনেতে দুৱাৰত টোকৰ পৰাত তাই জিকাৰ খাই উঠিল। মানসীৰ গাৰ নোম ডাল ডাল হ'বলৈ ধৰিলে।

ভিতৰৰ পৰা কোনো সাৰ-সুৰ নোহোৱাত সিহঁতে কিবা অস্ত্ৰৰ জৰিয়তে দুৱাৰখন খুলিবলৈ যত্ন কৰা তাই গম পালে। গাৰুৰ তলৰ পৰা তাই পিষ্টলটো হাতলৈ তুলি ল'লে। তাই শঙ্কিত হ'ল। ঢেকীয়ে ধান বনাৰ দৰে তাইৰ বুকুৰ ধপ-ধপনি আৰম্ভ হ'ল। সিহঁতে বাৰু সেই শব্দ শুনিবলৈ পাইছে নেকি? ওহো, আজি তাই হাত-বুকু কঁপবিলৈ দিব নোৱাৰে। পিষ্টল প্ৰতিযোগিতাৰ ফাইনেলৰ দিনা তাইৰ হাত সামান্য কঁপিছিল। কিন্তু আজিতো প্ৰতিযোগিতা নহয়; আজি তাই এক বাস্তৱ পৰিস্থিতিৰ সন্মুখীন হৈছে। ড° অবিনাশ বৰুৱাৰ মূল্যবান তথ্য-পাতি থকা চুটকেছটো তায়েই বাছ আস্থানৰ পৰা খণ্ডৰ ভমকত বুটলি আনি নিজৰ ডাণ্ডৰ ট্ৰাঙ্কটোৰ ভিতৰত ভৰাই থৈছে। তেখেতৰ চুটকেছটো দুৰ্বৃত্তৰ হাতলৈ যোৱাৰ পৰা যেনে-তেনে ৰক্ষা কৰিব লাগিব। নিশ্চয় দুৰ্বৃত্তবোৰে বিস্মাৱালাটোৰ পৰা চুটকেছটো তাই অনাৰ সন্দেদ পাইছে। যদি তাই সেইদিনা বাছ আস্থানত পৰি থকা চুটকেছটো বুটলি নানিলেহেঁতেন তেন্তে ড° অবিনাশ বৰুৱাৰ কি অপূৰণীয় ক্ষতি হ'লহেঁতেন। কাইলে পুৱাই তাই তেখেতৰ চুটকেছটো ওলোটাই দিব আৰু তাই কৰা দোষৰ বাবে ক্ষমা প্ৰাৰ্থণা বিচাৰিব। তেখেতে নিশ্চয় তাইক পুলিচৰ হাতত গতাই নিদি ক্ষমাদান কৰিব। খণ্ডৰ প্ৰকোপত গৰ্হিত কাৰ্য্য এটা কৰাৰ মানসিক দণ্ডৰ পৰা তাইৰ মনটো মুক্ত হ'বলৈ ধৰিলে। সিহঁত ভিতৰ সোমাব পাৰিলে অনু আৰু তাইৰ বা কি অৱস্থা হয় কোনেও ক'ব নোৱাৰে। নিজৰ লগতে তাই অনুকো ৰক্ষা কৰিব লাগিব। তাইৰ মনলৈ সাহস ঘূৰি আহিল। দুটা মানুহ ভিতৰলৈ সোমোৱা তাই বাহিৰৰ লাইটৰ পৰা খিৰিকিৰ মাজেৰে অহা পোহৰত দেখিবলৈ পালে। সিহঁতৰ গাত ক'লা কোট, ক'লা পেন্ট; মূৰ-মুখ ঢকাকৈ এবিধ টুপী।

নাই আৰু পলম কৰিব নোৱাৰি। সিহঁতক কোঠাটোৰ বেছি ভিতৰলৈ সোমাবলৈ দিব নোৱাৰি। দুয়োটাকে একে ঠাইতে গুলি কৰাৰ সুবিধা পিছত নেপাব। সিহঁতলৈ বুলি মানসীয়ে পিষ্টলৰ ট্ৰিগাৰ টিপি দিলে। এটা বাগৰি পৰিল; আৰু আনটো ঘাইলৈহে পলাল। নিশ্চিত হ'বৰ কাৰণে তাই মাটিত পৰি থকাটোৰ গালৈ আৰু দুটা গুলি মাৰি দিলে তাই বিচনাখনৰ পৰা উঠি জোকাৰি জোকাৰি অনুক জগাবলৈ চেষ্টা কৰিলে। অনু চক্ খাই সাৰ পাই উঠিল। 'কি হ'ল মানসী? ভূমিকম্প নেকি?' 'ভূমিকম্প নহয়, তাতোকৈয়ো

ভাণ্ডৰ ঘটনা ; উঠ বেগেতে উঠ ।'

মানসীয়ে কোঠাটোৰ লাইটটো জ্বলাই দিলে । লাইটৰ পোহৰত তেজেৰে লুতুৰি-পুতুৰি হৈ এটা মানুহ মাটিত পৰি থকা দেখিলে ।

'তেজ কিহৰ মানসী ? এই মানুহটো কোন ?'

'পিছত সকলো গম পাবি, এতিয়া আমি বাকীবোৰক জগাই দিও আহ ।'

এনেতে বাহিৰত আৰু দুটা গুলীৰ শব্দ শুনিবলৈ পালে । মানসীয়ে ভাবিলে নিশ্চয় পুলিচ আহি পাইছে আৰু পলাব খোজাটোক গুলী কৰিলে । কিন্তু কিছু সময় যোৱাৰ পিছতো পুলিচ অহাৰ একো উমান নেপালে ।

ইফালে অনুৱে তেজ দেখি মুচ্‌কচ্‌ গ'ল । মানসীয়ে ইখন দুৱাৰৰ পিছত সিখন দুৱাৰত খুন্দিয়াবলৈ ধৰিলে ; কিন্তু কাৰো একো সাৰ-সুৰ নাই । তাই ৰব ডাণ্ডৰ ডাণ্ডৰকৈ 'ডকাইত', 'ডকাইত' বুলি চিঞৰ মৰাত হোষ্টেলৰ চাৰিসীমাৰ ভিতৰতে চৰকাৰী ঘৰত থকা চুপাৰে সাৰ পালে । তেখেতৰ ঘৰত কাম কৰা মানুহটোৰে সৈতে হোষ্টেল পালেহি । তেখেত মানসীৰ কোঠাত সোমাই দেখে যে একালে মানুহ এটা তেজেৰে লুতুৰি-পুতুৰি হৈ পৰি আছে আৰু আনফালে অনু । চুপাৰৰ লগত অহা মানুহটোৱে ঢকিয়াই ঢকিয়াই দুৱাৰ ভাঙো ভাঙো কৰাত দুই-এজনী ছোৱালীয়ে সাৰ পালে ।

মানসীয়ে চুপাৰক ক'লে যে দুৰ্বৃত্তটোৱে দুৱাৰ ভাঙি ভিতৰলৈ সোমাওতেই তাই গুলি কৰি হত্যা কৰিলে । লগত আৰু এটা আহিছিল, সি পলাল । বাকী ছোৱালীবোৰ আৰু কৰ্মীবোৰক জগাবলৈ চুপাৰে নিৰ্দেশ দিলে । অনুৰ চকুৱে-মুখে ঠাণ্ডা পানী মাৰি দিয়াত তাইৰ জ্ঞান আহিল । আন এটা কোঠালৈ তাইক লৈ যোৱা হ'ল । চুপাৰে প্ৰিন্সিপাল আৰু থানালৈ ফোন কৰিলে । কিছু সময়ৰ পিছত পুলিচ আহিল । পুলিচ আহি দেখিলে যে হোষ্টেলৰ গেটৰ মুখত আৰু এটা মানুহ পৰি মৰি আছে । দুৰ্বৃত্তকেইটাই হোষ্টেলৰ চকীদাৰটোক হাত-ভৰি আৰু মুখত কাপোৰেৰে বান্ধি দীঘলী পুখুৰীৰ কাষৰ কুতুকনী দবাত পেলাই থৈছে । কটন কলেজৰ ছাত্ৰাবাসৰ ল'ৰাবোৰেও খবৰ পাই ছোৱালী হোষ্টেলৰ কালে ঢাপলি মেলিলে । অনুৰ জ্ঞান আহিল ; কিন্তু মানসীৰ গাটো কঁপিবলৈ ধৰিলে । তাই ৰব বেছিকৈ কঁপিবলৈ ধৰাত ডাক্তৰ মতাৰ প্ৰয়োজন হৈ পৰিল । ডাক্তৰ আহি পৰীক্ষা কৰি ক'লে যে ছোৱালীজনীৰ শ্বক্‌ হৈছে । তৎক্ষণাত মেডিকেল কলেজলৈ নিব লাগে। ভাল চিকিৎসা ততালিকে নাপালে অৱস্থা গুৰুতৰ হ'ব পাৰে ।

পুলিচ আহি মৰা মানুহকেইটাৰ ফটো ল'লে আৰু সিহঁতৰ গাঁত থকা অস্ত্ৰবোৰ জব্দ কৰিলে । মানসীৰ পিষ্টলটোও পুলিচে জব্দ কৰিলে । মানসী সুস্থ

অৱস্থাতে আহিলেহে পুলিচে তাইৰ পৰা ঘটনাৰ সবিশেষ জানিবৰ কাৰণে জবান বন্দী ল'বলৈ অপেক্ষা কৰিবলগীয়া হ'ল। অনুৰে ঘটনাৰ বিষয়ে একো জনা নাছিল ; আৰু ঘটনাটো ঘটাৰ পাছত মানসীয়ে তাইক কিবা ক'বলৈ পোৱাৰ আগতেই তাই মূচ্‌কচ্‌ গ'ল। মানসীয়ে চুপাৰক কোৱা কথাৰ পৰাহে ঘটনাটোৰ বিষয়ে সামান্য জনা গ'ল। পুলিচৰ সন্দেহ মতে সাক্ষী নোহোৱা কৰিবৰ কাৰণেই দুৰ্বৃত্তৰ দলৰ বাকী মানুহেই আধামৰা অৱস্থাত এৰি থৈ নগৈ যাইল হোৱাটোকো গুলি কৰি শেষ কৰি গাড়ীত উঠি গুচি গ'ল।

হোষ্টেলৰ ছোৱালীবোৰৰ মনলৈ নিৰাপত্তাৰ ভাৱ ঘূৰাই আনিবৰ কাৰণে আৰক্ষী অধীক্ষকে হোষ্টেলত পুলিচ বন্দবস্ত কটকটীয়া কৰিবলৈ নিৰ্দেশ দিলে। অনু বেলেগ কোঠা এটালৈ গ'ল। মানসীৰ বাকচ-পত্ৰবোৰ চুপাৰৰ ঘৰলৈকে লৈ গ'ল।

এটা অস্বাভাৱিক ঘটনা পুলিচৰ চকুত নপৰাকৈ নাথাকিল। তিনি-চাৰিটা গুলিৰ শব্দ শুনাৰ পাছতো অনুৰে কিয় সাৰ নাপালে। বাকীবোৰেও দুৱাৰ ঢকিয়াই থকাতো কিয় সাৰ পোৱা নাছিল। দুৰ্বৃত্তই নিশ্চয় সেইদিনা হোষ্টেলৰ ৰাতিৰ আহাৰৰ লগত কিবা টোপনি ধৰা ঔষধ মিহলাই দিছিল। মানসীয়ে ভাত নেখাই চাহ আৰু লোফ খোৱাৰ কাৰণে তাই টোপনি নোযোৱাকৈ থাকিবলৈ সক্ষম হ'ল। ছাত্ৰীবোৰে ভয় খাই বুলি পুলিচে কথাটো গোপনে ৰাখিলে, যদিও ৰান্ধনী ঘৰত কাম কৰা ঠাকুৰ আদিক জেৰা নকৰাকৈ থকা নাছিল।

* * * * *

অধ্যায়— ১১

পিছদিনা লোমহৰ্ষক ঘটনাটো বাতৰি কাকতত প্ৰকাশ পালে। কিন্তু সবিশেষ একো জনা নগ'ল। পুলিচ সূত্ৰৰ পৰা বাতৰি কাকতে ইমানকে জানিব পাৰিলে যে এটা দুৰ্বৃত্তৰ দলে কটন কলেজৰ ছোৱালীৰ ছাত্ৰীবাসত কিবা কু-অভিপ্ৰায় লৈ সোমাওতেই ছাত্ৰীনিবাসৰ এজনী ছোৱালীয়ে দুৰ্বৃত্তৰ এজনক পিষ্টলেৰে গুলি কৰি হত্যা কৰে আৰু আন এজনক ঘূণীয়া কৰে। ঘূণীয়া হোৱাজনক পিছত দুৰ্বৃত্তৰ দলৰে কোনোবাই সাক্ষী নোহোৱা কৰিবৰ কাৰণে হত্যা কৰি থৈ যায়। পুলিচৰ জোৰ তদন্ত চলি আছে। ছাত্ৰীনিবাসত পুলিচৰ পহৰাৰ ব্যৱস্থা কটকটীয়া কৰা হৈছে। উপাযুক্ত আৰু আৰক্ষী অধীক্ষকৰ উপৰিও আন আন উচ্চ পদস্থ বিষয়াও ঘটনাস্থলী পৰিদৰ্শন কৰে। শিক্ষা মন্ত্ৰীও হোষ্টেললৈ আহি ছোৱালীবোৰ আতঙ্কিত নহ'বলৈ বুজনি দিয়ে।

ইফালে ৰাতিপুৱাই অঞ্জন শৰ্মাৰ ভায়েক ৰঞ্জন শৰ্মাই ককায়েকলৈ বুলি ফোন কৰিলে। কিন্তু ককায়েক কামজাৰীলৈ যোৱাৰ কাৰণে নবৌয়েককে ঘটনাটোৰ বিষয়ে থুলমূলকৈ জনালে। 'ঘটনাটো ঘটি যোৱাৰ পিছত মানসী বৰ নাৰ্ভাচ হৈ পৰিছে। তাইক মেডিকেল কলেজত ভৰ্তি কৰিছে। ডাক্তৰৰ মতে চিন্তাৰ কোনো কাৰণ নাই, কিন্তু মাক-দেউতাক আৰু আপোন মানুহ ওচৰত থকা ভাল বুলি কৈছে। গতিকে ককাইদেউ আৰু আপুনি যিমান সোনকালে পাৰে গুৱাহাটীলৈ গুচি আহক।' মীনাক্ষীয়ে আৰু বেছি সুধিবলৈ সাহস নকৰিলে। ঘৰতে থকা লগুৱা চাম্রাক বেগতে গৈ গিৰিয়েকক মাতি আনিবলৈ ক'লে। "চাম্ৰা বেগতে যা, য'ৰ কাম ত'তে পেলাই তেখেতক বেগেতে বগুলালৈ আহিবলৈ কবি। গুৱাহাটীৰ পৰা ডাঙৰ কিবা খবৰ আহিছে বুলি কবি।"

অঞ্জন শৰ্মাই খবৰটো পায়েই বেগাবেগীকৈ আহি ঘৰ পালেহি।

"ৰঞ্জনক বেছি কথা সুধিবলৈ মোৰ সাহস নহ'ল। মানসীয়ে বোলে হোষ্টেলত কোনোবা দুৰ্বৃত্ত সোমাওতে এটাক পিষ্টলেৰে গুলি কৰি হত্যা কৰিলে। পিছত তাই বৰ নাৰ্ভাচ হৈ পৰাত মেডিকেল কলেজত ভৰ্তি কৰিছে।

আপুনি ৰঞ্জনলৈ ফোন কৰি তালৈকে সুধি-পুছি চাওঁকচোন। মোৰ হ'লে বুকুখন কঁপিবলৈ ধৰিছে। আমাক অতি সোনকালে যাবলৈ ডাক্তৰে পৰামৰ্শ দিছে।"

"ঠিক আছে; তুমি যাবলৈ সাজু হোৱা আৰু মই ৰঞ্জনলৈ আকৌ এবাৰ ফোন কৰি চাওঁ।"

অঞ্জন শৰ্মাই গুৱাহাটীলৈ জৰুৰী ফোন এটা বুক কৰিলে। সাতদিনৰ ছুটীৰ কাৰণে জেনেৰেল মেনেজাৰলৈ ফোন কৰিলে। ছুটী লগে লগেই মঞ্জুৰ হ'ল। তেখেতে এচিচ্‌টেণ্ট মেনেজাৰ ৰাজেশ খান্নাক বঙলালৈ মাতি পঠালে। ড্ৰাইভাৰক মাতি গাড়ীখন চাই-চিতি ল'বলৈ ক'লে। বাটত দৰকাৰ হ'ব পৰা দুই-এটা স্পেয়াৰ পাৰ্টচও ল'বলৈ সোঁৱৰাই দিলে। দিলীপ আৰু বাসবীক মাতি মাকৰ কাপোৰ-কানি বাকচত ভৰাই লোৱাত সহায় কৰিবলৈ ক'লে। খান্না আহি পোৱাত কৰিবলগীয়া দৰকাৰী কামখিনি তালৈকে বুজাই দিলে। তেওঁৰ ছুটীৰ দৰখাস্তখনো খান্নাৰ হাততে দি গ'ল।

দহমান বজাত তেওঁলোক গুৱাহাটীলৈ আহিবলৈ সাজু হ'ল। আহিবৰ পৰলৈকে টেলিফোনটো নোপোৱাত গুৱাহাটীলৈ বুক কৰা কলটো বাতিল কৰি দিলে। আগৰ চিটত বহিল দিলীপ আৰু ড্ৰাইভাৰ। পিচত অঞ্জন শৰ্মা, মীনাক্ষী আৰু বাসবী। বাসবীক দুয়োৰে মাজতে বহুৱাই ল'লে। অঞ্জন শৰ্মাই ড্ৰাইভাৰক নিৰ্দেশ দিলে পেট্ৰল লোৱাৰ পিছত আৰু গাড়ী ক'তো ৰখাব নেলাগে। গুৱাহাটী সোনকালে পাবগৈ লাগে ড্ৰাইভাৰজন নিৰ্ভৰযোগ্য। গতিকে আলিবাটৰ অৱস্থা চাই গাড়ীৰ গতি কম-বেছি কৰিছিল।

গাড়ী আহি বোকাখাটত এজোপা গছৰ তলতে ৰ'লহি। অঞ্জন শৰ্মাই ড্ৰাইভাৰক ভাত খাবলৈ টকা দহটা দিলে। মীনাক্ষীয়ে ফ্লাস্কৰ পৰা ঢালি একাপ কফি আৰু দুখন চেণ্ডউইচ্ গিৰিয়েকক দিলে। দিলীপ আৰু বাসবীক গাখীৰ, কেক, বিস্কুট আৰু ফল খাবলৈ দিলে। মীনাক্ষীয়ে নিজে একো খাবলৈ ইচ্ছা নকৰিলে। গিৰিয়েকে জোৰ কৰাত কল এটা আৰু কমলা দুফুটামান মুখত দিলে। গোটেই বাটটো মীনাক্ষীয়ে একো মাতবোল নকৰাকৈ মন মাৰি আহি আছিল। সোনকালে গুৱাহাটী পোৱাটোৱেই একমাত্ৰ চিন্তা। দেওৰেক ৰঞ্জন শৰ্মাৰ কথাৰ পৰাটো সবিশেষ একো বুজিব নোৱাৰিলে। কিজানি মানসীয়ে কিবা আঘাটেই পাইছে; কিন্তু বিহ্বল হৈ পৰো বুলি ৰঞ্জনে আমাক জনোৱা নাই। ডাক্তৰে মাক-দেউতাকক মাতি পঠিয়াইছে যেতিয়া কিবা এটা নিশ্চয় গুৰুতৰ ঘটনাই ঘটিছে। দুৰ্বৃত্তবোৰে কেনেবাকৈ জীয়ৰীৰ সতীত্বৰ ওপৰত হাত দিলে নেকি? নহয়, সেইটো হ'ব নোৱাৰে। তেনে ঘটনা হোৱাহেঁতেন মানসীয়ে গুলি কৰিবলৈ সুবিধা নেপালেহেঁতেন। ৰঞ্জনে ঠিকেই কৈছে— ঘটনাটো হৈ যোৱাৰ পাছতহে তাই ভয় খাইছে। গাভৰু ছোৱালী পোৱা

কোঠাত দুটাকৈ দুৰ্বৃত্ত- কোনে ভয় নেখাব। তাৰ পাছত সেই তেজেৰে লুতুৰি-পুতুৰি হৈ থকা মৃতদেহ। এজনী ছোৱালীয়ে নৰহত্যা কৰিছে ; তাইৰ কাৰণে কিমান ডাঙৰ এটা মানসিক পীড়া হৈছে ছাগে।

ড্ৰাইভাৰ ভাত খাই অহাত গাড়ী আকৌ চলিবলৈ ধৰিলে। দিলীপ আৰু বাসবীয়ে দুয়োফালৰ দৃশ্যবোৰ উপভোগ কৰি গৈছে। বায়েকৰ কি হৈছে সিহঁতে ভালকৈ ধৰিব পৰা নাই। বাটত হাতী দেখি সিহঁতে চিঞৰি উঠিল- "হাতী, হাতী মা তিনিটা একেলগে।" মাক মীনাক্ষীয়ে ক'লে "যাত্ৰাত হাতী দেখা ভাল।" মীনাক্ষীয়ে হাতী কেইটালৈ উদ্দেশ্য কৰি প্ৰণাম কৰিলে- লগে লগে দিলীপ আৰু বাসবীয়েও। মানসীৰ কাৰণে অঞ্জন শৰ্মাৰো চিন্তা হৈছিল যদিও ৰঞ্জনে মীনাক্ষীক কোৱা কথাখিনি জুকিয়াই চাই বৰ ভয় খাবৰ বিশেষ একো কাৰণ নাই বুলি ভাবিলে। মানসীৰ কথাবোৰ অঞ্জন শৰ্মাৰ মনৰ পৰা তল পৰিলে মাজে মাজে বাগানৰ চিন্তা আহিবলৈ ধৰে। নবেম্বৰ মাহত চাহৰ কলম দিয়া কাম আৰম্ভ হয় ; খাম্লাই কিবা ভুল কৰি পেলালে অহা বছৰলৈ পাত কমি যাব পাৰে। আলিবাটৰ দুয়োকাষে চাহৰ বাগান বিলাকলৈ মেনেজাৰৰ দৃষ্টিৰে চাই অঞ্জন শৰ্মাই সমালোচনা কৰি যায়। কিছুমান বাগানৰ কাম তেওঁ বৰ ভাল দেখিছে। মেনেজাৰ আৰু বনুৱাক বৰ শলাগিছে। কিছুমান বাগান দেখি আকৌ ভাবিছে- এই অপদাৰ্থবোৰক কিয় চাকৰিত ৰাখিছে। মেনেজাৰে নিজে কাম নেচাই নেকি ? হাতীখুলি বাগানৰ পুলি বাগানখন দেখি পুৰণি কথা কিছুমানলৈ মনত পৰিল। এসময়ত চাহ গবেষণা কেন্দ্ৰই কৈছিল- টি, ভি, ন নম্বৰতকৈ আৰু ভাল চাহৰ ক্লোন পৃথিবীত নাই। কিন্তু আজি বিশ-বাইশ বছৰৰ পাছত সেই একেটা গবেষণা কেন্দ্ৰই কৈছে টি, ভি, এঁকেশতকৈ আৰু ভাল চাহৰ ক্লোন নাই আৰু টি, ভি ন নম্বৰতকৈ বেয়া ক্লোন আৰু নাই। মতামতবোৰ ইমান সঘনে সলনি হৈ থাকে যে এটা দীৰ্ঘবৰ্তী সিদ্ধান্ত লোৱাই টান। এবাৰটো তেওঁৰ জেনেৰেল মেনেজাৰৰ লগত মতান্তৰেই হৈছিল। তেখেতে কৈছিল যে ক্লোনৰ বাহিৰে আন পুলি কৰিব নালাগে ; কিন্তু অঞ্জন শৰ্মাই মত দিছিল যে ক্লোন কৰা ভাল, সেই বুলি গুটি একেবাৰে বাদ দিব নেলাগে। হেড অফিচে কিন্তু অঞ্জন শৰ্মাৰ মতামতহে সমৰ্থন কৰিলে। গুটিৰ পৰা গছ হয় জনা কথা, কিন্তু পাতৰ পৰা হোৱা চাহগছ কিমানদিন জীয়াই থাকে কোনে জানে। ক্লোনবোৰৰ জাতো সময়ে সময়ে সলনি হৈ থাকে। আজি ভাল, কালিলৈ বেয়া। হাতীখুলি বাগানে কিন্তু কিছু ক্লোনৰ পৰা আৰু কিছু পলিক্লোনৰ গুটিৰ পৰা পুলি বাগান কৰিছে। অঞ্জন শৰ্মাৰ দেখি ভাল লাগিছে।

ইফালে মীনাক্ষীয়ে ভাবি গৈছে যে- মানসীৰ কিবা দিনেই বেয়া পৰিছে

নেকি ? মাত্র কেইদিনমান আগতে বাছু আস্থানত এটা ডাঙৰ ঘটনা ঘটি গৈছে, আকৌ মাহটো পূৰ নৌহওঁতেই কি সাংঘাটিক আৰু এটা ঘটনা ঘটি গ'ল। মানসিক শ্বক পালেতো মানুহে চিৰজীৱনৰ কাৰণেও বাক্‌শক্তি হেৰুৱাই পেলাব পাৰে। আন ধৰণেও ঘূৰ্ণীয়া হ'ব পাৰে।

অঞ্জন শৰ্মাই ভাবিলে যে মানসীক পিষ্টলৰ লাইচেঞ্চখন কৰাই তেওঁ বৰ জ্ঞানী মানুহৰ কাম কৰিলে। মানসীয়ে গুলি কৰি নমৰা হ'লেতো দুৰ্বৃত্তবোৰে সিহঁতৰ ওপৰত কি পাশবিক অত্যাচাৰ চলালেহেঁতেন সেই কথা কল্পনাও কৰিব নোৱাৰি। আকৌ চাহ বাগানৰ কথা তেওঁৰ মনলৈ অহাত ভাবে প্ৰথমতে তেওঁ কিমান অটব্য হাবিৰ মাজত কাম কৰিবলগীয়া হৈছিল। বাঘ, ভালুক দেখাটো এটা সাধাৰণ কথা। এশবছৰ আগৰ বৃটিছ চাহাববোৰে কেনেকৈ অটব্য হাবি ভাঙি চাহ বাগান খুলিছিল। তেতিয়া মেলেৰিয়া মহামাৰীও কম নাছিল। ইংৰাজ সকলে চাহ বাগান নোখোলাহেঁতেন আৰু কিমান বাঙলাদেশী মানুহেৰে অসমদেশ ভৰি পৰিলেহেঁতেন। চাহ বাগানবোৰে অসমৰ কিছু মাটি অন্ততঃ বিদেশী বেদখলকাৰীৰ পৰা ৰক্ষা কৰিলে। ইয়াৰ উপৰিও চাহ বাগানবোৰে কিমান মানুহক ৰোজগাৰ দিছে। অসমৰ অৰ্থনীতিতো কতখিনি অৰিহণা যোগাইছে। চাহৰ পৰা বিদেশী মুদ্ৰাও যথেষ্ট অৰ্জন হৈছে। প্ৰদূষণৰো একো ভয় নাই, চাহ গছবোৰ আৰু ছাঁ দিয়া গছবোৰে বাতাবৰণ ভালহে কৰে।

মাজে মাজে অঞ্জন শৰ্মাৰ মনলৈ আহে মানসী মোৰ ছোৱালী। তাই মোৰ দৰেই সাহসী। জংঘলত বাঘ-হাতী দেখি মোৰতো কোনোদিনে বুকু কঁপা নাছিল। বন্দুকটো হাতত থাকিলে অঞ্জন শৰ্মাৰ ভয় বোলা বস্তুটো ক'ৰবালৈ পলাই লৰ মাৰে। দুৰ্বৃত্ত দুটা কোঠাৰ ভিতৰতে দেখিও তাইৰ হাত নকঁপিল। আমি গৈ পালেই তাই ভাল হৈ উঠিব। তাইৰ হয়তো মনৰ জোৰৰ দৰকাৰ হৈছে।

মানসীয়ে নৰহত্যা কৰিলে এই ভাৱটো মীনাক্ষীৰ মনলৈ আহিলেই গাটো জিকাৰ খাই উঠে। মোৰ ছোৱালীৰ নৰহত্যা কৰিবগলীয়া এটা অৱস্থা হ'লগে। ইমান নিষ্ঠুৰ কাম এটা কৰা সহজ কথানে বাৰু ? গিৰিয়েকে যেতিয়া মানসীক পিষ্টল মাৰিবলৈ শিকাইছিল তেতিয়াতো মীনাক্ষীয়ে পিষ্টল শ্যুটিং এটা অলিম্পিকৰ খেলা খেল বুলিহে গণ্য কৰিছিল। সেই পিষ্টলটোৱেই যে এদিন নৰহত্যা কৰিব সেই কথাটো সপোনতো ভবা নাছিল।

গাড়ী আহি খানাপাৰা পালেহি। যিমানেই গুৱাহাটীৰ ওচৰ চাপি আহিছে সিমানেই মীনাক্ষীৰ গাটো কঁপিবলৈ ধৰিছে। তাইক দেখা কৰিবলৈ সাহস কৰিব পাৰিবনে ? তাই যদি সম্পূৰ্ণ অচেতন হৈ পৰি আছে! যদি তাইৰ · · ! নাই, নাই, মাকৌহে তাইৰ ইমান বেয়া চিন্তা কৰা

উচিত হোৱা নাই ।

মীনাক্ষীয়ে ভবাটোৱেই ঠিক । মাক-দেউতাক আহি পোৱাৰ কিছু সময় আগতে মানসী সম্পূৰ্ণ ৰূপে অচেতন হৈ পৰিছে । গুৱাহাটী মেডিকেল কলেজৰ মেডিচিন ৱাৰ্ডৰ পাঁচ নম্বৰ কোঠাৰ এখন বিচনাত মানসী অজ্ঞান হৈ পৰি আছে । মীনাক্ষীয়ে মানসীৰ অৱস্থা দেখি উচুপিবলৈ ধৰিলে । কিছুপৰৰ পাছত শান্ত হৈ মানসীৰ মূৰে-কপালে হাত বুলাই মৰম কৰি দিলে । ইফালে ৰাতি বেছি হৈ অহাত ভায়েক ৰঞ্জন শৰ্মাই দিলীপ আৰু বাসবীক নিজৰ ঘৰলৈ লৈ গ'ল । সিহঁতক খুৱাই-বুৱাই শুৱাই থ'লে । হস্পিতাললৈ ঘূৰি আহিবৰ সময়ত ককায়েক আৰু বৌয়েকলৈ কিছু খোৱা বস্তু আৰু কেইকাপমান চাহ ফ্লাস্কত ভৰাই লৈ আহিছিল । দেওৰেক ৰঞ্জনে জোৰ কৰি নবৌয়েকক চাহ একাপ আৰু অলপমান জলপান খুৱালে । অঞ্জন শৰ্মা সদায় আশাবাদী মানুহ ; গতিকেই তেওঁৰ মনটো একেবাৰেই দুৰ্বল হৈ পৰা নাছিল । তেওঁ বুজিছিল, ঘটনাটো এজনী ছোৱালীৰ কাৰণে কম ডাঙৰ নাছিল আৰু তেনেস্থলত তাইৰ এটা মানসিক দুৰ্যোগ হোৱাটো এটা অতি স্বাভাৱিক কথা ।

সেইদৰেই ৰাতিটো পাৰহৈ গ'ল । ৰাতি পুৱালত অঞ্জন শৰ্মাৰ ভাইবোৱাৰী পল্লবী আহি পালেহি । অঞ্জন শৰ্মা আৰু মীনাক্ষী গা-পা ধুবলৈ ভায়েকৰ ঘৰলৈ আহিল ।

* * * * *

অধ্যায়- ১২

ড° অবিনাশ বৰুৱাই গা-পা ধুই ব্ৰেকফাষ্ট খাই পুৱাৰ কোমল ৰ'দটোত চকী এখন পাৰি বহি কিবা চিন্তা কৰি আছিল। এনেতে ৰামু উধাতু খাই আহি জনালেহি যে কটন কলেজৰ ছোৱালী হোষ্টেলত ডাকু সোমাইছিল। এটা ডাকু এজনী ছোৱালীয়ে গুলী কৰি মাৰিলে। মানসী বাইদেউক মেডিকেল কলেজৰ মেডিচিন ওৱাৰ্ডত ভৰ্তি কৰিছে বুলি শুনিলোঁ। ঘটনাটো তেওঁৰ কোঠাতেই ঘটিছিল। অবিনাশ বৰুৱাই ৰামুক টেক্সি এখন মাতিবলৈ ক'লে। ৰামুৱে ততাতৈয়াকৈ গৈ টেক্সি এখন মাতি আনিলে। ইতিমধ্যে বৰুৱা মেডিকেল কলেজলৈ যাবলৈ সাজু হ'ল। মানসী পেয়িং ওৱাৰ্ডৰ পাঁচ নম্বৰ কোঠাত থকা বুলি গম পাই অবিনাশ বৰুৱা বেগাবেগিকৈ আহি মানসী থকা কোঠাটোত সোমালহি। নাৰ্চৰ পৰা গম পালে জ্ঞান ঘূৰি অহা নাই। মানসীৰ একেবাৰে ওচৰলৈ গৈ মুখখন এবাৰ নিৰীক্ষণ কৰি ল'লে। মুখমণ্ডলৰ পৰা মানসীৰ গুৰুতৰ অৱস্থাৰ এটা আভাষ পালে। ড° অবিনাশ বৰুৱাই ভাবিলে যে তেওঁ মেডিচিনৰ মূৰব্বী ডাক্তৰজনক লগ পোৱা ভাল হ'ব। মেডিচিনৰ মূৰব্বী পুলকেশ হাজৰিকা তেতিয়া ৰাউণ্ডত আছিল। বেমাৰীবোৰ চাই আহি নিজৰ কোঠাত সোমোৱাৰ লগে লগেই অবিনাশ বৰুৱা তেখেতৰ কোঠাত সোমাল। ডা° হাজৰিকাৰ পৰা অবিনাশ বৰুৱাই মানসীৰ অৱস্থাৰ বুজ ল'লে। অৱস্থা সঙ্কটপূৰ্ণ বুলি জানিব পাৰি ড° অবিনাশ বৰুৱাই জনালে যে বম্বেৰ যশলোক হস্পিতালৰ মেডিচিনৰ মূৰব্বী ডা° হাৰডিকাৰ তেওঁ আমেৰিকাত থকা দিনৰে পৰা বন্ধু। ডা° হাৰডিকাৰ আমেৰিকাত উচ্চ শিক্ষা লোৱাৰ কালত তেওঁলোক বোষ্টন চহৰত একেলগে আছিল। সেই বন্ধুত্ব এতিয়াও আছে। তেওঁৰ ফোন নম্বৰটোও লগতে আছে। ডা° হাজৰিকাই যদি বেয়া নাপাই তেন্তে ডা° হাৰডিকাৰ লগত মানসীৰ অসুখৰ বিষয়ে আলোচনা কৰি চাব পাৰে। ইয়াৰ বাবে হোৱা খৰছো মেডিকেল কলেজ কৰ্তৃপক্ষই বহন কৰিব নালাগে। ডা° পুলকেশ হাজৰিকাই কোনো ধৰণৰ আপত্তি নকৰি

ডা° হাৰডিকাৰ লগত পৰামৰ্শ কৰিবলৈ ৰাজী হ'ল। ভাগ্যক্ৰমে ফোন কৰাৰ লগে লগেই ডা° হাৰডিকাৰক পোৱা গ'ল। ডা° হাজৰিকাই নিজৰ চিনাকি দিয়াৰ উপৰিও ড° অবিনাশ বৰুৱাৰ উপদেশ ক্ৰমেই ৰোগীৰ বিষয়ে পৰামৰ্শ কৰিব খুজিছে বুলি জনালে। কি ধৰণে চিকিৎসা কৰিছে সেই বিষয়ে ডা° হাজৰিকাই বিৱৰি ক'লে। ডা° হাৰডিকাৰে জনালে যে কেইটামান নতুন দৰব ওলাইছে, গতিকে এজন বিশেষজ্ঞ দৰৱেৰে সৈতে প্লেনেৰে গৈ সেইদিনা ৰাতিয়েই গুৱাহাটী পাবগৈ। যদিও বাহিৰৰ ডাক্তৰ অনাত নানা ধৰণৰ আহুকাল থাকে, তথাপিও ৰোগীৰ গুৰুতৰ অৱস্থা আৰু কটন কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰৰ ইচ্ছালৈ লক্ষ্য ৰাখি ডা° হাজৰিকাই বম্বেৰ পৰা আহিবলগীয়া বিশেষজ্ঞ ৰমেশ যোশীলৈ ব্যগ্ৰ হৈ বাট চাই থাকিল।

ড° অবিনাশ বৰুৱাই মানসীৰ চিকিৎসাৰ বিশেষ ব্যৱস্থা কৰাৰ ক্ষন্তেক পিছতেই অঞ্জন শৰ্মা আৰু মীনাক্ষী আহি মেডিকেল কলেজ পালেহি। ডা° পুলকেশ হাজৰিকাই অঞ্জন শৰ্মা আৰু মীনাক্ষীৰ লগত ড° অবিনাশ বৰুৱাক চিনাকি কৰি দিলে। ইতিমধ্যে তেখেতসকল দুয়ো মিলি ডা° হাৰডিকাৰৰ লগত হোৱা আলোচনা আৰু তেওঁৰ পৰামৰ্শৰ বিষয়ে বিৱৰি ক'লে। ডা° হাজৰিকা আৰু অবিনাশ বৰুৱাই কৰা প্ৰচেষ্টা আৰু সাহায্যৰ কাৰণে অঞ্জন শৰ্মাই ধন্যবাদ জনালে। অঞ্জন শৰ্মাই অবিনাশ বৰুৱাক আগতে কেতিয়াও লগ পোৱা নাছিল।

"ড° বৰুৱা, আপোনাক মই আগতে কেতিয়াবা লগ পোৱা মনত নপৰে।"

মীনাক্ষীয়ে কিবা ক'বলৈ পোৱাৰ আগতেই অবিনাশ বৰুৱাই ক'লে–

'ষোল্ল-সোতৰ বছৰ ধৰি মই বিদেশত আছিলো। তাৰ আগতে আপোনাক লগ পোৱা মোৰো মনত নপৰে। কিন্তু আপোনাৰ পত্নীক মই আগতে দেখা যেন লাগে।'

অঞ্জন শৰ্মাই ক'লে– "পোন্ধৰ-ষোল্ল বছৰৰ আগৰ কথা কেনেকৈ মনত থাকিব।"

মীনাক্ষীৰ মুখমণ্ডলৰ পৰা কিন্তু একো বুজা নগ'ল যে তেওঁ কেতিয়াবা অবিনাশ বৰুৱাক লগ পাইছিল নে নাই। মীনাক্ষীৰ তেতিয়া চিন্তা মাত্ৰ এটাই মানসী কিমান সোনকালে ভাল হৈ উঠে। কেতিয়া বম্বেৰ পৰা বিশেষজ্ঞ সহ দৰব আহি পাইহি।

ৰাতি দহমান বজাত ডা° যোশী আহি মেডিকেল কলেজ পালেহি। অঞ্জন শৰ্মাই নিজে গৈ তেখেতক বিমান বন্দৰৰ পৰা আনিলেগৈ। তেওঁ নিজে গ'লে, সোনকালে আহি পাবহি বুলি। তেওঁৰ এটা বিশ্বাস আছিল। সেইদিনা গোটেই ৰাতি ডা° যোশী আৰু ডা° হাজৰিকা মেডিকেল কলেজৰ ৱাৰ্ডতে

থাকিল। দুয়ো পৰামৰ্শ কৰি কেইবাটাও বেঙ্কি দিলে। জ্ঞান নথকাৰ কাৰণে মানসীক খাবলৈ একো দিব পৰা নাছিল। চেলাইন আৰু তেজ মাজে মাজে দি থাকিব লগা হৈছিল যাতে শিৰবোৰ কোচ খাই নেযায়। কোঠাটোৰ ভিতৰত ডাঃ আৰু নাৰ্চৰ বাহিৰে আন কাকো সোমাবলৈ দিয়া হোৱা নাছিল। আনকি মাক-দেউতাককো। ৰোগীক কোনো ধৰণৰ উত্তেজনা হোৱাৰ পৰা বিৰত ৰখা নিতান্তই উচিত বুলি ডাক্তৰে অভিমত দিছিল।

সেইদিনা দিনটোৰ ভিতৰতো একো উল্লেখনীয় পৰিবৰ্তন দেখা পোৱা নগ'ল। আবেলিৰ ফালে দৰৱে কাম কৰিছে বুলি কোৱাত অঞ্জন শৰ্মা আৰু মীনাক্ষীৰ মুখলৈ পানী আহিল। অঞ্জন শৰ্মা আৰু মীনাক্ষী বেছিভাগ সময় মেডিকেল কলেজতে আছিল লগতে অঞ্জন শৰ্মাৰ ভায়েক ৰঞ্জন আৰু ভাইবোৱাৰী পল্লবী। ড° অবিনাশ বৰুৱা মাজে মাজে হোটেললৈ যায় আৰু তাৰ পৰাও টেলিফোন কৰি খবৰ লয়। পিছদিনা মানসীৰ অৱস্থা উল্লেখনীয় ভাবে ভালৰ ফালে অহাত আবেলি সময়ৰ বিমানত ডাঃ যোশী বম্বেলৈ গুচি যোৱাৰ সিদ্ধান্ত কৰিলে। অঞ্জন শৰ্মা আৰু মীনাক্ষীয়ে ডাঃ যোশীক তেওঁলোকৰ অন্তৰ ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলে।

ডাঃ যোশীয়ে প্ৰত্যুত্তৰত ক'লে যে ইমান দূৰলৈ অহাতো সাৰ্থক হোৱাত তেওঁ নিজেও বৰ সুখী হৈছে। ডাঃ হাৰডিকাৰেও নিশ্চয় মানসী ভাল হোৱা বুলি জানি বৰ সুখী হ'ব।

অঞ্জন শৰ্মাই ঘোৰ আপত্তি কৰা সত্বেও ড° অবিনাশ বৰুৱাইয়ে ডাঃ যোশী অহা-যোৱাৰ খৰছ আৰু ফিজ নিজৰ পৰাই দিলে।

'ডাঃ যোশীক ইয়ালৈ অনা সিদ্ধান্ত মোৰ আছিল। গতিকে খৰছো ময়ে বহন কৰাটো যুক্তি-যুক্ত। টকা-পইচা ডাঙৰ কথা নহয়, মানসী আৰোগ্য হোৱাটোহে আটাইতকৈ ডাঙৰ কথা।'

অঞ্জন শৰ্মাই ভাবিলে যিজন মানুহৰ গাত এদিন মানসীয়ে হাত তুলিছিল সেইজন মানুহেই যদি কোনো ক্ৰোধভাৱ নেৰাখি উপযাচি তাইৰ চিকিৎসাৰ কাৰণে আগবাঢ়ি আহে, তেনে আন্তৰিকতাৰ প্ৰতি নিশ্চয় ভগবানেও চকু মেলি চাব। অঞ্জন শৰ্মাক সেই মুহূৰ্তত সকলোৰে সহায় আৰু সহানুভূতিৰ আৱশ্যক। ড° অবিনাশ বৰুৱাই কৰা সহায়ৰ কাৰণে তেখেতক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলে।

ডাঃ যোশীক অবিনাশ বৰুৱাই নিজেই গৈ বিমান বন্দৰত আগবঢ়াই থৈ আহিলগৈ। তেওঁৰ বন্ধু ডাঃ হাৰডিকাৰলৈকো এখন ধন্যবাদসূচক চিঠি লিখি ডাঃ যোশীৰ হাততে দিলে।

ডাঃ যোশী যোৱাৰ দুদিন পিছত মাক আৰু দেউতাকক মানসীক দেখা

কৰিবলৈ অনুমতি দিলে। মানসীৰ বিছনাখনৰ ওচৰতে বহি তেওঁলোকে ভালেখিনি সময় কটালে। মাক মীনাক্ষীয়ে মাজে মাজে কমলা আৰু মৌচাম্বীৰ ৰস দুই-এচামুচকৈ তাইৰ মুখত দি আছিল। এবাৰ মানসীয়ে দেউতাকক মাতি কাণে কাণে কিবা এটা ক'লে। মানসীৰ কথাষাৰ শুনাৰ পাছত অঞ্জন শৰ্মাই মীনাক্ষীকো কোঠাটোৰ বাহিৰলৈ যাবলৈ ক'লে। অঞ্জন শৰ্মাই কোঠাটোৰ দুৱাৰখন বন্ধ কৰি ভিতৰৰ পৰা খিলিটো লগাই দিলে। তেতিয়া কোঠাটোত থাকিল মাত্ৰ মানসী আৰু দেউতাক। মানসীয়ে ধীৰে ধীৰে ক'লে– "দেউতা,"

অঞ্জন শৰ্মাই মৰমসনা মাতেৰে ক'লে– "কি মা ?"

"মোৰ ট্ৰাঙ্কটোৰ ভিতৰতে ড° অবিনাশ বৰুৱাৰ হেৰোৱা চুটকেছটো আছে। ময়েই সেইদিনা খঙৰ ভমকত হিতাহিত জ্ঞান হেৰুৱাই পৰিবহণ নিগমৰ আস্থানৰ পৰা চুটকেছটো লৈ আহিছিলো। মই চুৰ কৰা নাছিলো দেউতা ; ট্ৰাঙ্কটোৰে সৈতে তেখেতক দিব লাগে। কথাটো আনে গম পাব নালাগে আনকি পুলিচেও।" অঞ্জন শৰ্মাই আৰু একো প্ৰশ্ন নকৰিলে।

"মাজনী মই আজিয়েই চুটকেছটো দিয়াৰ ব্যৱস্থা কৰিম। তুমি অকণো চিন্তা নকৰিবা। অবিনাশ বৰুৱাই তোমাৰ অপকাৰ কেতিয়াও নকৰে. তেখেতেই নিজৰ টকা-পইচা খৰছ কৰি বম্বেৰ পৰা ডাক্তৰ অনাই তোমাৰ আৰোগ্যৰ কাৰণে যতপৰোনাস্তি চেষ্টা কৰিছে। তেখেত তোমাৰ পৰম শুভাকাংক্ষী। তেখেতে নিশ্চয় তোমাক ক্ষমা কৰিব।"

দেউতাকে মানসীৰ লগত কি কথা পাতিলে বাহিৰলৈ ওলাই আহি মীনাক্ষীক ক'লেহি। ড° অবিনাশ বৰুৱাক হোটেলৰ পৰা ফোন কৰি মতাই আনিলে। মানসীৰ আকৌ অসুখ বেছি হৈছে বুলি ভাবি অবিনাশ বৰুৱা খৰখেদাকৈ আহি মেডিকেল কলেজ পালেহি। নিজান ঠাই এডোখৰ বাচি অঞ্জন শৰ্মাই ভাঙি-পাতি সকলো কথা অবিনাশ বৰুৱাক ক'লে। কথাটো অবিনাশ বৰুৱাৰ অবিশ্বাস্য যেন লাগিল। কি ৰহস্যজনকভাৱে তেওঁৰ হেৰোৱা বস্তুটো পোৱাৰ খবৰটো জানিবলৈ পালে। মানসীয়েই চুটকেছটো অসম পৰিবহন নিগমৰ আস্থানৰ পৰা আনিব পাৰে বুলিতো তেওঁ কেতিয়াও ভবা নাছিল। পুলিচৰ ভয়ৰ কাৰণেই সম্ভৱ তাই চুটকেছটো ওভোটাই দিবলৈ সাহস কৰা নাছিল। মানসী পিছদিনা আকৌ আহিম বুলি হোটেল ব্ৰহ্মপুত্ৰ অশোকত কোৱা কথাষাৰলৈ তেওঁৰ মনত পৰিল।

অঞ্জন শৰ্মা আৰু ড° অবিনাশ বৰুৱা আহি মানসীৰ হোষ্টেল পালেহি। হোষ্টেলৰ চুপাৰৰ পৰা অঞ্জন শৰ্মাই মানসীৰ ট্ৰাঙ্কটো চমজি লৈ হোটেল ব্ৰহ্মপুত্ৰ অশোক পালেহি। ট্ৰাঙ্কৰ চাবিটো মানসীৰ হাত বেগটোৰ ভিতৰতে আছিল। ট্ৰাঙ্কটো খোলাত ড° অবিনাশ বৰুৱাৰ চুটকেছটো ওলাই পৰিল। অবিনাশ

বৰুৱাই আনন্দত অঞ্জন শৰ্মাক সাবটি মাৰি ধৰি কিছুপৰ ৰ'ল ।

অবিনাশ বৰুৱাই খেমালি কৰি সুধিলে– "টকা পঁচিশ হেজাৰ পিচে এতিয়া কোনে পাব– আপুনি নে মানসীয়ে ?"

শৰ্মাই হাঁহি মাৰি ক'লে– "পাছত হিচাব-নিকাচ হ'ব বাৰু ।"

অঞ্জন শৰ্মাই বিদায় লোৱাৰ পাছত ড° অবিনাশ বৰুৱাই চুটকেছটো খুলি ভিতৰত থকা তথ্য-পাতিবোৰ আৰু ফ্লপীডিস্ক কেইখন উলিয়াই আনি ষ্টেট বেঙ্ক অৱ ইণ্ডিয়াৰ পানবজাৰ ব্ৰাঞ্চত এটা লকাৰ অনুমোদন কৰাই তাতে বস্তুবোৰ ভৰাই থ'লেহি । নিৰাপদে তথ্য-পাতি থ'ব পাৰি বৰুৱা নিশ্চিত হ'ল । মূৰটো তেওঁৰ বৰ পাতল যেন লাগিল ।

* * * * *

অধ্যায়- ১৩

মানসীক হস্পিতালৰ পৰা অনাৰ পাছত অঞ্জন শৰ্মাই তাইৰ এটা পৰিবৰ্তনৰ দৰকাৰ বুলি ভাবিলে। ডাক্তৰেও পৰিবেশ সলনি হোৱাটো আৱশ্যক বুলি বিবেচনা কৰিলে। সকলো কথা ভাবি-চিন্তি অঞ্জন শৰ্মাই স্বাস্থ্যজনিত কাৰণত মানসীক শ্বিলঙলৈ নিয়াৰ কথাটো ঘৈণীয়েক মীনাক্ষীৰ লগতো আলোচনা কৰিলে। দুদিনমান পিছত টেক্সি এখন লৈ তেওঁলোক আহি শ্বিলঙৰ পাইনউদ্ হোটেলত উঠিলহি। অকোৱা-পকোৱা আলিবাটেৰে আহি শ্বিলঙ পায় মানে সন্ধ্যা লাগিবৰ হ'ল-শ ভাগৰ লগাৰ কাৰণে সেইদিনা হোটেলতে জিৰণি ল'লে। পিছদিনা ৰাতিপুৱা গ'ল্ফলিঙ্ক, বিদন ফলচ্, আপাৰ শ্বিলঙ আদি ঠাইবোৰ ফুৰিলে। ডিচেম্বৰ মাহ, গতিকে তেতিয়া শ্বিলঙত ভাল ঠাণ্ডা পৰিছিল। শ্বিলঙৰ ঠাণ্ডা দিনতো এটা ভাল আমেজ আছে। অঞ্জন শৰ্মা, মীনাক্ষী, দিলীপ আৰু বাসৱীয়ে শ্বিলঙত ফুৰি-চাকি বেচ্ ভাল পাইছিল। কিন্তু তেওঁলোকৰ শ্বিলঙলৈ অহাৰ প্ৰকৃত উদ্দেশ্য সফল হোৱা নাছিল। মানসীৰ মনটো অলপো মুকলি হোৱা নাছিল। একো কথাতে তাই ভাগ নলয়, ফূৰ্তি নকৰে। সেইদিনাৰ বিভিষিকাময় ঘটনাটো তাইৰ মনৰ পৰা আঁতৰি যোৱা নাছিল। তাই মন মাৰি কিবা চিন্তা কৰি থাকিয়েই ভাল পায়। খোৱা-বোৱাতো অলপো ৰাপ নাই। এজনী ছোৱালীয়ে নৰহত্যা কৰিছে ; তাইৰ কাৰণে সেইটো কম ডাঙৰ ঘটনা নে ? অঞ্জন শৰ্মা আৰু মীনাক্ষীয়ে তাইৰ মনটো পৰিষ্কাৰ কৰি বিশ্লেষণ কৰিব পাৰিছিল ; কিন্তু তাৰ সমাধান উলিয়াবলৈ সক্ষম হোৱা নাছিল। ডাক্তৰেও উপদেশ দিছিল যে বেছিদিন মন মাৰি থাকিবলৈ দিলে পিছে তাইৰ মানসিক বিকাৰ হৈ যাব পাৰে।

বাসৱীলৈ মানসীৰ মৰম সকলোতকৈ বেছি। বাসৱীয়ে মনত আঘাট পোৱা কাম মানসীয়ে কেতিয়াও নকৰে। মীনাক্ষীয়ে ভাবিলে বাসৱীৰ যোগেদিয়েই মানসীৰ মনটো ভাল কৰিবৰ কাৰণে কিবা ব্যৱস্থা ল'ব লাগিব। বাসৱীয়ে মাকৰ কথা বুজি পাই, মানসীৰ মন প্ৰফুল্লিত ৰাখিবৰ কাৰণে তাই ভালপোৱা গান কবিতা আৰু হাঁহি উঠা কথা কিছুমান কৈ মানসীৰ মনৰ খোৰাক

যোগাবলৈ ধৰিলে। কেতিয়াবা বাসবীয়ে ভাচপাভৰ মেজিক কৰি দেখুৱাই মানসীক চমক খুৱাই দিছিল। মেজিকবোৰ চাই মানসীয়ে সঁচাকৈয়ে বৰ ফূৰ্তি পাইছিল।

"বাসবী তোক মই বুৰ্বক বুলি ভাবিছিলো, পিছে এতিয়া দেখিছো তই মোতকৈয়ো বেছি বুদ্ধিমতী। এইবোৰ মেজিক তই কেতিয়া শিকিলি ?"

মানসীৰ মুখত প্ৰশংসা শুনি বাসবীয়ে আনন্দত তাইক সাবট মাৰি ধৰি চুমা এটা খাই ক'লে 'মই মেজিকৰ এখন কিতাপ কিনি লৈছো নহয়।'

ভাত খাওতে সদায় বাসবী, মানসীৰ ওচৰতে বহি কৈ থাকে "বা, বা, এইটো খোৱা সেইটো খোৱা।" বাসবীৰ নিজৰ ভাগৰ মাছ-মাংসবো বচা বচা ভাল অংশবোৰ মানসীৰ কাঁহীতেই দিয়ে। মানসীয়ে আপত্তি কৰি কয়, 'বাসবী তই দেখোন নিজে একোৱেই নেখালি। গোটেইবোৰ মোকেই দিলি।'

পাৰিপাৰ্শ্বিকতাৰ পৰিবৰ্তন, মাক-দেউতাক, ভায়েক আৰু ভনীয়েকৰ মৰম ও যত্নত মানসীৰ মনটো আগতকৈ বহুত ফৰকাল হ'ল। অঞ্জন শৰ্মাই জোৱান অৱ আৰ্ক, ঝান্সীৰ ৰাণী, ফ্ল'ৰেন্স নাইটিংগেল আদি বীৰ-বীৰাঙ্গনাবোৰৰ কিতাপ আনি পঢ়িবলৈ দি তাইৰ মনলৈ উৎসাহ আনিবলৈ যত্ন কৰিছিল।

মাক-দেউতাকৰ লগতে মানসী, দিলীপ আৰু বাসবী সদায় ৱাৰ্ডলেকত ফুৰিবলৈ আহিছিল। কেতিয়াবা লেকৰ পাৰে পাৰে খোজ কাঢ়ি ফুৰে আৰু কেতিয়াবা লেকত নাও বাই আনন্দ কৰে। লেকলৈ আহিলেই মানসী, বাসবী আৰু দিলীপে লেকৰ ওপৰত থকা দলংত উঠি পানীত থকা ৰংবিৰঙৰ মাছবোৰলৈ বুট আৰু বাদামৰ গুটি দলিয়াই বৰ ফূৰ্তি পাইছিল। বুট বা বাদামৰ গুটি কেইটামান পানীত পৰিলেই মাছবোৰে পানীত খলক তুলি একে ঠাইতে থুপ খাই নিজৰ আহাৰ বিচাৰি হেতা-ওপৰা লগাইছিল। সিহঁতে ইমানবোৰ ৰং বিৰঙৰ মাছ আগতে কেতিয়াও দেখা পোৱা নাছিল।

মানসীৰ মন ভালৰ ফালে অহাত মাক মীনাক্ষী আৰু মানসীক গুৱাহাটীতে ভায়েক ৰঞ্জন শৰ্মাৰ ঘৰতে থৈ অঞ্জন শৰ্মা দিলীপ আৰু বাসবীক ৰৰহাপজান বাগানলৈ গুচি গ'ল। মীনাক্ষী থকাত, অঞ্জন শৰ্মাই ভায়েকৰ সহায়ত গুৱাহাটীতে সাজি থকা ঘৰটোৰ, কাম-কাজবোৰ চোৱা-চিতাত বহুতো সুবিধা হ'ল। ঘৰটোৰ কাম শেষ হ'লেই অঞ্জন শৰ্মাই বাগানৰ কামৰ পৰা অৱসৰ লৈ গুৱাহাটীলৈকে গুচি অহাৰ কথা চিন্তা কৰিছিল। ৰৰহাপজান বাগানত কাম কৰি মানসী, দিলীপ আৰু বাসবীৰ পঢ়া-শুনাৰ উচিত ব্যৱস্থা ল'ব নোৱাৰিব বুলি তেওঁ ভালকৈ উপলব্ধি কৰিব পাৰিলে। মানসীকো আৰু হোষ্টেললৈ পঠিয়াবলৈ সমূলি ইচ্ছা নগ'ল।

অধ্যায়- ১৪

অবিনাশৰ প্ৰবেশিকা পৰীক্ষাৰ খবৰ ওলোৱা দিনটো মোমায়েক ৰজনী ফুকন আৰু ফুলমামীৰ কাৰণে অবিস্মৰণীয়। তেওঁলোকৰ জীৱনলৈ এনে আনন্দৰ দিন এটা আগতে কেতিয়াও অহা মনত পৰা নাছিল। অবিনাশ পঢ়া-শুনাত ভাল আছিল সঁচা, কিন্তু সি যে প্ৰবেশিকা পৰীক্ষাত গোটেই অসমৰ ভিতৰতে সপ্তম স্থান অধিকাৰ কৰিব পাৰিব সেই কথা ফুলমামী আৰু ৰজনী ফুকনে কল্পনা কৰিব পৰা নাছিল। এজন মানুহে কিন্তু অবিনাশে প্ৰবেশিকা পৰীক্ষাত কিবা এটা কৰিব পাৰিব বুলি ভাবিছিল। সেইজন হ'ল-, অবিনাশৰ সংস্কৃতৰ শিক্ষক নৰেণ শাস্ত্ৰী। শাস্ত্ৰীয়ে সেইখন স্কুলত যোগ দিয়া মাত্ৰ দুবছৰমানহে হৈছিল। নৰেণ শাস্ত্ৰীয়ে অবিনাশৰ পৰীক্ষাৰ সংস্কৃতৰ বহীখন চাই কিবা এটা ইঙ্গিত পাইছিল। অবিনাশে সংস্কৃতৰ উত্তৰ কৰা বহীখনত প্ৰকৃততে নম্বৰ কাটিবলৈ একো উপাই নাছিল। তথাপিও দহ নম্বৰ কাটি নৱৈ কৰি দিলে। এদিন কমন ৰুমত চাহ খোৱা সময়ত নৰেণ শাস্ত্ৰীয়ে কথাৰ মাজতে ক'লে 'এইবাৰ প্ৰবেশিকা পৰীক্ষাত অবিনাশৰ পৰা কিবা এটা আশা কৰিব পাৰি নেকি? সি এটা স্থান পাব যেন লাগে।' সেই সময়ত হেড্ মাষ্টৰ গোলাপ শইকীয়াও কমন ৰুমত উপস্থিত আছিল। শাস্ত্ৰীৰ মন্তব্যটো শুনিয়েই তেওঁ জাপ মাৰি উঠিল।

'কি কোৱাহে নৰেণ তুমি! অবিনাশে টেষ্ট পৰীক্ষাত সংস্কৃতত ভাল কৰিলে বুলিয়েই ফাইনেল পৰীক্ষাত পঞ্চিচন এটা পাব পাৰিবনে? আন আন বিষয়ো আছে নহয়।"

চোকা বুদ্ধিৰ মানুহ নৰেণ শাস্ত্ৰীয়ে হেডমাষ্টৰৰ উক্তিটোৰ গুঢ়াৰ্থটো ভালদৰে বুজিব পাৰিলে। হেডমাষ্টৰৰ ন'বা জীয়েকেও সেইবাৰ প্ৰবেশিকা পৰীক্ষা দিব। আন আন সকলো শিক্ষকে, চোৱা বহীত জীয়েকে অবিনাশতকৈয়ো বেছি নম্বৰ পাইছিল। মাত্ৰ সংস্কৃততহে জীয়েকে পয়সস্তৰ পাইছিল। আন আন কেবাজনো শিক্ষকেও মাত লগালে "কবিলে জীয়েকেহে কিবা এটা কৰিবৰ আশা আছে।" নৰেণ শাস্ত্ৰী মনে মনে থাকিল। শাস্ত্ৰীয়ে

ভাবিছিল যে যি ছাত্ৰই সংস্কৃতত ভাল কৰে সি অংক, ইংৰাজী, অসমীয়া আদি বিষয়তো ভাল কৰাৰ ক্ষমতা থাকে। তেওঁৰ নিজৰ ঘৰৰ আৰ্থিক অৱস্থা ভাল হোৱা হ'লে টোলত সংস্কৃত পঢ়িব লগীয়া নহ'লহেঁতেন। নবেণ শাস্ত্ৰীও এজন ভাল ডাক্তৰ ইঞ্জিনীয়াৰ বা কোনো বিশ্ববিদ্যালয়ৰ অধ্যাপক হৈ থকাতো একো আঁচৰিত কথা নাছিল।

. এইবোৰ কাৰণতে অবিনাশৰ প্ৰবেশিকা পৰীক্ষাৰ সাফল্যৰ বাতৰি পাই ৰজনী ফুকন আৰু ফুলমামীৰ সমানে আনন্দ পাইছিল নবেণ শাস্ত্ৰীয়ে। কিন্তু বেজাৰ পাইছিল দ্বীপেনৰ দেউতাক খ্যাতনামা হেডমাষ্টৰ গোলাপ শইকীয়াই। যি কেইজন শিক্ষকে ইচ্ছা কৰি অবিনাশক টেষ্ট পৰীক্ষাত নম্বৰ কমাই দিছিল তেখেত সকলেও অবিনাশে সপ্তম স্থান অধিকাৰ কৰি স্কুলখনলৈ কঢ়িয়াই অনা যশস্যাৰ আনন্দ মুকলি মুৰীয়া আৰু স্বতঃস্ফূৰ্ত ভাবে ল'ব পৰা নাছিল।

ফুলমামীৰ কাৰণে সেইদিনা এটা অতি মৰ্মস্পৰ্শী উপলব্ধি হৈছিল। ল'ৰি ল'ৰি ফোঁপাই-জোপাই আহি অবিনাশে সপ্তম স্থান পোৱা খবৰটো দিছিলহি তাৰ নলে গলে লগা বন্ধু জীৱন গোঁহায়ে। জীৱনে দূৰৈৰ পৰাই চিঞৰি চিঞৰি কৈছিল "মামী, মামী অবিনাশে সপ্তম স্থান পাইছে; সি আন ল'ৰাবোৰৰ লগত আহি আছে। চাহ মিঠাইৰ যোগাৰ কৰক। মোৰ ৰবৰ সময় নাই। আমাৰ এই অঞ্চলৰ সকলোকে খবৰ দিব লাগে।"

ফুলমামীয়ে চিঞৰ মাৰি সুধিলে– "জীৱন, তোমাৰ পৰীক্ষাৰ ফলাফল কি ?"

"মোৰ নিজৰ কথা ক'বলৈ সময় নাই মামী। আজি দিনটো অবিনাশৰ দিন; আজি অবিনাশৰ হৈ আনন্দ কৰক।. মোৰ বিজাল্ট বিচাৰি আজিৰ দিনটোত অন্ততঃ অকণমানো বেজাৰ গাত সানি নলʼব। এনেকুৱা দিন সদায় নাহে মামী। মই যাও মোৰ সময় নাই– মই পাছ কৰা নাই।" মামীয়েকে মন কৰিলে, কথাবোৰ কওতে জীৱনৰ সৰসৰ কৰে চকুৰ পানী বৈ আহিছিল।

* * * * *

অধ্যায়- ১৫

অবিনাশে ঘৰতে থাকি স্কুলত পঢ়োতে ঘৰখন জোৰা মাৰি চলাই যাওঁতে ৰজনী ফুকনে বিশেষ অসুবিধা পোৱা নাছিল। কিন্তু প্ৰবেশিকা বীক্ষা সুখ্যাতিৰে পাছ কৰাৰ পাছত অবিনাশক গুৱাহাটীৰ কটন কলেজত পঢ়িবলৈ পঠিয়াব লগা হ'লত ৰজনী ফুকনে মাজে-সময়ে আৰ-তাৰ পৰা সহায় ল'ব লগীয়া হৈছিল। অৱশ্যে সেই সহায় সুদূৰ বিনিময়তহে। অভিজ্ঞতাৰ পৰা ৰজনী ফুকনে বুজিব পাৰিলে যে অকল জেঠমল বাবু অৰ্থাৎ জেঠমল বোথৰাৰ ওপৰতে নিৰ্ভৰ কৰি অবিনাশক কটন কলেজত পঢ়োৱাতো সম্ভৱ নহয়। কিন্তু জেঠমল বাবুৰ বাহিৰে আন কাৰো লগত লেনদেন নথকাত টানে আপদে, জেঠমল বাবুৰ ওচৰ চাপে। জেঠমল বাবুৱেও ৰজনী ফুকনক ভাল পায়। কাৰণ ধাৰ পৰিশোধ কৰিম বুলি কোৱা দিনতে ফুকনে পৰিশোধ কৰিছিল তাৰ উপৰিও সুত সময় মতেই আদায় দিছিল।

ৰজনী ফুকনৰ সদায় এটা সন্দেহ-আছিল যে কেতিয়াবা হয়তো জেঠমল বাবুৱে তেওঁক শ'লঠেকত পেলাই কিবা বিপদ ঘটাব। এবাৰ সঁচাকৈয়ে তেনে এটা ঘটনা ঘটিলেই। অবিনাশে শিক্ষামূলক ভ্ৰমণৰ কাৰণে অসমৰ বাহিৰলৈ যাব লগীয়া হোৱাৰ কাৰণে পাঁচশ টকা খুজি টেলিগ্ৰাম পঠালে। টেলিগ্ৰামখন পাই ৰজনী ফুকনে মূৰে-কপালে হাত দিলে। ফুকনে ঘৈণীয়েকক ক'লে- "এইখন অবিনাশৰ টেলিগ্ৰাম ; কাইলৈৰ ভিতৰতে পাঁচশ টকা পঠাব লাগে। ইমান খৰছ বুলি জনা হ'লে তাক কটন কলেজত পঢ়িবলৈকে নপঠালোহেঁতেন। এতিয়া মই আজি বা কালিলৈ আগবেলাৰ ভিতৰতে পাঁচশ টকা ক'ত পাওঁ। এশ দুশ টকা হ'লে জেঠমল বাবুৱেই দি সহায় কৰিলেহেঁতেন।"

ঘৈণীয়েকে ক'লে- "ইমান অধৈৰ্য্য নহ'বচোন, ভগবানে কিজানি কিবা এটা উপায় দিয়েই।"

ঘৈণীয়েকৰ অভয় বাণী পাই চাহকাপ খাই ৰজনী ফুকন জেঠমল বাবুৰ গোলাৰ ফালে ওলাই গ'ল। ৰজনী ফুকনক দেখিয়েই জেঠমল বাবুৱে সম্ভাষণ জনাই ক'লে– 'আহক ফুকন বাবু, আহক ; আপোনাক বহুত দিন দেখা নাই। ভাল আছেতো ?'

ৰজনী ফুকনৰ মনটো ভাল লাগিল। এইবাৰো নিশ্চয় জেঠমল বাবুৱে সহায় কৰিব। ৰজনী ফুকনে পাঁচশ টকা অবিনাশলৈ পঠাবৰ কাৰণে লাগে বুলি কোৱাৰ লগে লগেই বাবজীয়ে গহীন হৈ ক'লে– "বুজিছে বাবু বজাৰ একদম মণ্ডা, মোৰ হাতত পইচা নাই, মাফ কৰিব।"

জেঠমল বাবুৱে জানিছিল যে, তেওঁ পতা জালখনত, এদিন ৰজনী ফুকন আহি পৰিবহি। ৰজনী ফুকনৰ মুখৰ ভাব আৰু বৰণ দেখি জেঠমল বাবু নিশ্চিন্ত হ'ল যে, ফুকনে সেইদিনা যি কোনো চৰ্তত টকা ধাৰে ল'বলৈ প্ৰস্তুত।

জেঠমল বাবুৱে উপায় দিলে যে ৰাষ্ট্ৰীয় ঘাই পথৰ গাতে লাগি থকা তৰাজানৰ মাটিডোখৰ বন্ধকত থ'লে সেই মাটি বন্ধকী কাগজখন দেখুৱাই আনৰ পৰা হ'লেও টকা পাঁচশ আনি ফুকনক সহায় কৰিবলৈ প্ৰস্তুত আছে। "ফুকন বাবু, আপনিটো একদিনৰ মানুষ নাই আছে ; আপনাক সেই সাহায্য না কৰিলে কউন কৰিব।"

ৰজনী ফুকন ইমান কেঁচা মানুহ নহয়। তেওঁ জেঠমল বাবুক জনালে যে সেই মাটিডোখৰ তেওঁৰ পৰিবাৰৰহে। দেউতাকে তেওঁক মৰমত দিয়া, গতিকে সেই মাটি বন্ধক দিয়াৰ অধিকাৰ তেওঁৰ নাই। জেঠমল বাবুক তেওঁ পোনপটিয়াকৈ না বুলি কৈ দিবলৈ টান পালে। অবিনাশক পঢ়াবলৈ হ'লে, জেঠমল বাবুকো হাতত ৰখাৰ দৰকাৰ। ৰজনী ফুকনে জেঠমল বাবুৰ প্ৰস্তাৱটো আওপকীয়াকৈ হ'লেও প্ৰত্যাখ্যান কৰাত তেওঁৰ মুখখনৰ বৰণ সলনি হোৱাতো ৰজনী ফুকনৰ চকুত নপৰাকৈ নেথাকিল। জেঠমল বাবুৰ লগত একেবাৰে লেনদেন চিঙি যাই বুলি আশংকা কৰি ফুকনে ক'লে "জেঠমল বাবু, মই পৰিবাৰৰ লগত পৰামৰ্শ কৰি মাটিডোখৰ বন্ধক দিয়াৰ বিষয়ে আপোনাক পাছত জনাম। আজি টকা এশকে দিয়কচোন বাৰু।

জেঠমল বাবুৰ পৰা টকা এশলৈ ৰচিদ এখন লিখি দি ফুকন আলি বাটলৈ ওলাই আহিল। ফুকনে এবাৰ ভাবিলে ঘৈণীয়েকৰ লগত পৰামৰ্শ কৰিবগৈ নেকি ? নাই, নাই সেই ডোখৰ মাটিৰ বিষয়ে ঘৈণীয়েকৰ লগত তেওঁ আলোচনা নকৰে। তেওঁ মনত বৰ বেজাৰ পাব। সেই ডোখৰ মাটি তেওঁ অবিনাশৰ কাৰণে থৈছে। তেওঁৰ ইচ্ছা, অবিনাশে বি, এচ, চি পাছ কৰি আহিলেই তাৰ বিয়াখন পাতিব আৰু সেইডোখৰ মাটিতেই ঘৰ সাজি সংসাৰ কৰিব। অবিনাশৰ সন্তি-সন্ততি হ'ব আৰু তেওঁ সিহঁতৰ লগত ৰং-ধেমালি কৰি

মুঠ বছৰবোৰ মিলনেৰে সুখ-শান্তিৰে পাৰ কৰিব। মৈনীয়েকৰ এই কল্পনা তেওঁ চুকুৱাব হৈ থাকিলে দিব নোৱাৰে। তেওঁ বাস্তৱ আনিতে কষ্টেৰে যে উপায় এটা পোৱা যেন লাগিল। তেওঁৰ সহকৰ্মী সকল কাকতিৰ ঘৰলৈকে যোৱাৰ সিদ্ধান্ত কৰিলে। যোৰকাঢ়িৰ মন নোযোৱাত কিবা এখনেৰেই সি কাকতিৰ ঘৰ ওলালহি। কাকতিয়ে হাতত মোনাটো লৈ ঠিক বজাৰলৈ যাবলৈ ওলাইছে। কাকতিয়ে ৰজনী ফুকনৰ মুখখন দেখিয়েই আন্দাজ কৰিলে যে ফুকনৰ কিবা ডাঙৰ বিপদ হৈছে। সৎ, ন্যায় পৰায়ণ, জ্ঞানী আৰু বুদ্ধিমান ৰজনী ফুকনক আন আন সহকৰ্মীবোৰৰ দৰে কাকতিয়েও সমীহ কৰি চলে। ৰজনী ফুকনৰ দৰে সৎ হৈ থাকিব নোৱাৰাৰ কাৰণে কাকতিৰ যে কেতিয়াবা দোষী দোষী যেন নেলাগে এনে নহয়। কিন্তু ফুকনৰ দৰে সৎ আৰু ন্যায় পৰায়ণ হৈ থাকিবলৈ হ'লে সংসাৰখন যে বিকল হৈ যাব সেই কথাও ধুৰুপ। তথাপিও কাকতিয়ে দুখীয়া-নিচলা মানুহক যিমানদূৰ পাৰে কাম-কাজত সহায় কৰি নিদিয়াকৈ নেথাকে। তেনেকুৱা মানুহৰ কাম-কাজবোৰ যাতে আগে আগে হয় সেই কথালৈ চকু ৰাখিছিল; আৰু সেই গুণেই তেওঁৰ অফিচত এটা সুনামো আছিল। তাৰে ভিতৰত কোনোবাই কেতিয়াবা দুই এটকা মৰমত দিলে নলও বুলি দৃঢ় ভাবে ক'ব নোৱাৰিছিল।

কেইবাটাও ল'ৰা-ছোৱালীৰে সৈতে অকল দৰমহাৰ পইচাৰে কাকতিৰ ঘৰখন নচলে। তাতে আকৌ বহুত দিন ধৰি কাকতিৰ ঘৈণীয়েক বাত বেমাৰত ভুগী আছিল। দৰৱ-পাতিবো খৰছ বেছিকৈ হয়। বৰ টানত; জোৰা মাৰিবৰ কাৰণে; কাকতিয়ে মাজে মাজে কাবুলীৰ পৰা টকা ধাৰে লয়। কাকতিয়ে যে কাবুলীৰ পৰা টকা ধাৰে লয়, সেই কথা ৰজনী ফুকনে অকস্মাতেহে গম পাইছিল।

কাকতিৰ ঘৰত বহুত অশান্তি আৰু এগ এবুৰি লেঠা, তথাপিও মানুহজন একেবাৰে বে-ৰসিক হৈ যোৱা নাছিল। নিজৰ নিঃকিন অৱস্থাৰ ওপৰতো ৰসিকতা কৰি ভাল পাইছিল। এদিন কিবা এটা কথাত অফিচত হাঁহিৰ ৰোল উঠিছিল। ইমান হাঁহিৰ ৰোল উঠাৰ কাৰণটো ৰজনী ফুকনেও জানিবলৈ বিচৰাত কোনেও কথাটো সহজে ব্যক্ত কৰিবলৈ ইচ্ছা কৰা নাছিল। কিছুপৰ বৈ গণেশ কাকতিৰ পৰম বন্ধু কমলা গগৈয়ে ক'লে কথাটো কাকতিৰ কাৰণে একেবাৰে ব্যক্তিগত। তেখেতে অনুমতি দিয়ে যদি মই ৰজনী ককাইদেউক কথাটো ভাঙি-পাতি কোৱাত আপত্তি নাই। কাকতিয়ে মাত লগালে 'চবেই জানিলে যেতিয়া ৰজনী ককাইদেউকো ক'লে মই একো বেয়া নেপাও। মোৰটো বাহিৰ ভিতৰ একো নাই বুলি সকলোৱে জানে।'

কমলা গগৈয়ে ক'লে 'ককাইদেউ, যোৱাকালি হেনো, কাকতি যমৰ ঘৰলৈ

হৈছিল। মই শুনিলো, কিবা টান নবীয়া-চবীয়াই হৈছিল নেকি ? কাকতিয়ে ক'লে "হেহ তোমালোকে যমকো চিনি নোপোৱা নেওহে নে ?" পিছুৱহে কাকতিয়ে তাণ্ডি-পাতি ক'লে বোলে কাবুলীৰ পৰা টকা ধাৰলৈ লোৱা আৰু যমৰ ঘৰলৈ যোৱা একেই কথা। কাকতিৰ কথা শুনিহে আমাৰ হাঁহিৰ বোল উঠিল।'

সেইদিনা কিন্তু ৰজনী ফুকনে ভবা নাছিল যে তেওঁ নিজেই এদিন কাবুলীৰ পৰা টকা ধাৰে ল'ব লাগিব।

ৰজনী ফুকন কাকতিৰ ঘৰলৈ অহাৰ উদ্দেশ্য সংক্ষেপে ক'লে। কাকতিৰ জীয়েকে আনি দিয়া চাহ কাপে তামোলখনে খাই ফুকন আৰু কাকতি চ'ক বজাৰৰ ফালে আগবাঢ়িল। চ'ক বজাৰৰ দাঁতি কাষৰীয়া ঠাই এডোখৰতে হাফিজখাঁ থাকে। ৰজনী ফুকন আগতে সেই ঠাই ডোখৰলৈ কেতিয়াও আহি পোৱা নাছিল। এটা দীঘল টিনৰ ঘৰৰ ফালে দুয়ো আগবাঢ়িল। ঘৰটোত কোঠালী আঠ-দহোটামান হ'ব। ৰজনী ফুকনে অনুমান কৰিলে যে সেই কোঠালীবোৰতেই সুকীয়া সুকীয়াকৈ কিন্তু থুপতে কাবুলীবোৰ থাকে। সিহঁতে বিদেশত ব্যৱসায় কৰিবলৈ আহিছে। তাতে আকৌ টকা ধাৰে দিয়া ব্যৱসায় গতিকেই থুপতে থকাটো সিহঁতৰ কাৰণে নিতান্তই দৰকাৰী। কত ধৰণৰ মানুহৰ লগত সিহঁতে লেনদেন কৰিবলগীয়া হয়। কাকতিয়ে দেখিলে যে হাফিজ খাঁ আছে; নহ'লে কোঠালিটোৰ দুৱাৰখনত তলা লাগি থাকিলেহেঁতেন। সাধাৰণতে কাবুলীবোৰ সন্ধ্যা সময়ত, নিজৰ ঘৰতে থাকে। সেই কানি-মুনি বেলিকাতে সিহঁতৰ ঘৰলৈ টকা ধাৰে লোৱা মানুহবোৰও আহে। দিনে পোহৰে, আনে দেখাকৈ কাবুলীৰ ঘৰলৈ টকা ধাৰে ল'বলৈ মানুহ আহি ভাল নেপায়। দুৱাৰখন সামান্য ভাবে খুলি কাকতি ভিতৰ সোমাই গ'ল। ৰজনী ফুকনেও উমান পালে যে কাবুলীটো আছে, নহ'লে কাকতি কিয় ভিতৰলৈ সোমাই যাব। ৰজনী ফুকনে কিন্তু, কাকতিৰ পিছে পিছে ভিতৰলৈ সোমাই যাবলৈ সঙ্কোচবোধ কৰিলে। তেওঁৰ বংশ-পৰিয়ালত নঘটা এটা গৰ্হিত কামলৈ তেওঁ আগবাঢ়ি অহা যেন পালে। তেওঁ থিয় হৈ থকা ঠাইডোখৰ আন্ধাৰ, কিন্তু আন্ধাৰতে যেন তেওঁক সকলোৱে দেখিছে আৰু উপলুঙা কৰিছে। ৰজনী ফুকন তুমিও কাবুলীৰ পৰা টকা ধাৰে ল'বলৈ আহিছা। ছিঃ তোমাৰ মান-সন্মান নাই নেকি ? তেওঁৰ গাটো জ্বৰ ঘমাদি ঘামিবলৈ ধৰিলে। তেওঁক কাবুলীৰ ঘৰত দেখা বুলি যদি কালিলৈ অফিচত ওলাই যায়, তেন্তে তেওঁৰ মান-সন্মান ক'ত থাকিব। তেওঁ উভতি ঘৰলৈ লৰ মাৰিবৰ মন গ'ল। তেওঁ ভাবিলে, টেলিগ্ৰাফ অফিচলৈ গৈ, কলেজৰ পৰা নাম কাটি, অবিনাশক ঘৰলৈ ঘূৰি আহিবলৈকে এখন টেলিগ্ৰাম কৰিবগৈ নেকি ? ঠিক সেই মুহূৰ্ত্ততে

কাকতিয়ে মাত লগালে 'ককাইদেউ, ভিতৰলৈ সোমাই আহক, হাফিজখাঁ আছে।' এই যমৰ ঘৰত তেওঁক ককাইদেউ বুলি মতা কাকতিৰ মৰমৰ মাতষাৰে ফুকনৰ মনটো সলনি কৰি দিলে। ৰজনী ফুকন বেগা-বেগীকৈ ভিতৰলৈ সোমাই গ'ল। কোঠাটোত সোমায়েই প্ৰকাণ্ড অৱয়বেৰে আফগানজনক দেখি ৰজনী ফুকনৰ বুকুখন কঁপি উঠিল। হাফিজখাঁই এজন নতুন সম্ভাব্য ধৰুৱাক দেখি হাঁহিমাৰি ফুকনক বহিবলৈ ক'লে। কাকতি ইতিমধ্যে বহিছেই। ৰজনী ফুকনো বহোঁ নবহোঁকৈ বিচনাখনতে বহি পৰিল। কাকতিয়ে সময়ৰ অপব্যয় নকৰি সহকৰ্মী ৰজনী ফুকনক টকা চাৰিশ ধাৰে লাগে বুলি ক'লে। কাবুলীৰ পৰা টকা ধাৰে পোৱা অতি সমজ মাত্ৰ ধৰুৱা মানুহজনৰ পৰিচয় সিহঁতে ভালদৰে পাব লাগিব। কাকতিৰ ঘৰ দুৱাৰ সিহঁতে চিনি পায়, গতিকেই ৰজনী ফুকনে ৰেভিনিউ টিকেট লগোৱা হেণ্ডনোট্ এখনৰ ওপৰত চহী কৰি দিয়াৰ লগে লগেই হাফিজখাঁই টকা চাৰিশ আগবঢ়াই দিলে। হেণ্ডনোটত অৱশ্যে চাৰিশ চন্বিশ টকা লিখা আছিল। মাহেকত চন্বিশ টকাকৈ প্ৰথম মাহৰ সুত আগতীয়াকৈ কাটি ৰাখিছিল। হাফিজখাঁই ক'লে যে মাহে মাহে চন্বিশ টকাকৈ পাই থাকিলে মূলধনৰ কাৰণে তেওঁ তাগিদা নিদিয়ে। অৱশ্যে তিনি বছৰ উকলি যোৱাৰ আগতে হেণ্ডনোটখনত আকৌ এটা চহী কৰি যাবহি লাগিব, নহ'লে তামাদি হ'ব। কিন্তু যদি মাহৰ শেষত সুত নিদিয়ে তেন্তে সি তেওঁৰ ঘৰ ওলাবগৈ। ৰজনী ফুকনৰ দৰমহা তেতিয়া মাত্ৰ তিনিশ টকা। তাৰ বুকুৰে মাহে চন্বিশ টকা সুত দিয়া টান হ'ব বুলি জানিও মূৰ দুপিয়াই শলাগি কাকতিৰ সৈতে বাহিৰলৈ ওলাই আহিল। ৰজনী ফুকন মানুহজন বৰ সৰু হৈ যোৱা যেন পালে। তেওঁৰ মান-সম্মান ব্যক্তিত্ব সকলো মাটিৰ লগত মিহলি হৈ গ'ল। কাকতিয়ে অৱশ্যে মনতে আনন্দ পালে যে তেওঁৰ দৰে নিঃকিন মানুহ এজনেও ৰজনী ফুকনক এটা নতুন বাট দেখুৱাই সহায় কৰিব পাৰিলে। গণেশ কাকতিয়ে, ৰজনী ফুকনক এৰি, বজাৰৰ ফালে সোমাই গ'ল। ৰজনী ফুকনে হাফিজখাঁৰ ঘৰৰ পৰা ওলায়েই কাকতিক ধন্যবাদ এটা দিম বুলি ভাবিছিল; কিন্তু সেই ধন্যবাদ সুচক শব্দটো তেওঁৰ মুখৰ পৰা ওলাই নাহিল।

বিমৰ্ষ মনেৰে আহি ৰজনী ফুকন ঘৰ পালেহি। মনতে ভাব হ'ল, তেওঁ কাবুলীৰ পৰা টকা ধাৰে লৈ, মহা পাপ কাম কৰিলে। মনটো অলপ ফৰকাল লাগিব বুলি ভাবি গাটোকে ধুবলৈ ইচ্ছা কৰিলে। ঘৈণীয়েকক গামোচা চুৰীয়া যতনাই দিবলৈ ক'লে। আহিন মাহ বতৰ সলনি হৈছে; সন্ধ্যা লাগিলে সামান্য শীতৰ ভাৱও হয়। ঘৈণীয়েকে বানবাতি এটাতে চাহ দি গ'লহি আনদিনা হ'লে ফুকনে সৰহীয়া টকা ঘৰলৈ আনিলে ঘৈণীয়েকৰ হাতত দি পেৰাত ভৰাই

থ'বলৈ কয়। কিন্তু কাবুলীৰ ঘৰৰ পৰা অনা টকা কেইটা ঘৈণীয়েকৰ হাতত দিবলৈ ভাল নেপালে। মনি বেগটোৰে সৈতে বিচনাৰ তলতে ভৰাই থ'লে।

বাহিৰৰ চকীখনতে বহী থাকোঁতে ৰজনী ফুকনৰ মনলৈ বহুতো ভাব আহিল। তেওঁৰ স্কুলৰ সহপাঠী বন্ধু বিনন্দ পাঠকলৈ মনত পৰিল। ৰজনী ফুকনে প্ৰবেশিকা পাছ কৰিয়েই উপায়ুক্তৰ অফিচতে কেৰাণী কাম এটাত সোমাল। বিনন্দ গ'ল শ্বিলঙত কাম বিচাৰি। বিনন্দ পঢ়া-শুনাত ভাল আছিল। সিও শ্বিলঙত কেৰাণী কাম এটা যোগাৰ কৰি চেন্ট এন্থনী কলেজত নাম লগাই ল'লে বুলি কাবোবাৰ মুখে গম পাইছিল। ইয়াৰ পাছত আৰু বিনন্দৰ কোনো খা-খবৰ বহুদিনলৈ পোৱা নাছিল। তাৰ তিনিবছৰ মানৰ পাছত বিনন্দ পূজাৰ বন্ধত এবাৰ ঘৰলৈ আহোঁতে ৰজনী ফুকনক লগ পাইছিল। সি তাৰ শ্বিলঙীয়া জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা দিছিল। অসমৰ আন আন চহৰবিলাকৰ তুলনাত বিনন্দই শ্বিলঙৰ বহুতো পাৰ্থক্য দেখা পাইছিল। তাত যথেষ্ট সংখ্যক ভাল ভাল অসমীয়া পৰিয়াল নিগাজীকৈ বসবাস কৰিছিল। ইয়াৰ উপৰিও ভালেমান অসমীয়া যুৱকে চাকৰি আৰু শিক্ষাৰ সুযোগ বিচাৰি শ্বিলঙলৈ গৈছিল। কিছুমানে উচ্চশিক্ষা আৰু চাকৰি দুয়োটাতে সাফল্য লাভ কৰি জীৱন গঢ় দিব পাৰিছিল। কিন্তু এচামে শ্বিলঙৰ মুকলিমূৰীয়া জীৱন পাই অধঃপতনে নোযোৱাকৈও থকা নাছিল। শ্বিলঙত জুৱা-খেল, ঘোৰাদৌৰৰ টিকেট লোৱা, হাউচী খেলা আৰু মদখোৱা মানুহৰ অভাৱ নাছিল। নিজকে ধ্বংসৰ পথলৈ নিয়াৰ অন্য বহুতো আকৰ্ষণীয় পথো আছে বুলি বিনন্দই কৈছিল। শ্বিলঙৰ জলবায়ু আৰু পাইন গছৰ মাজেৰে বৈ অহা ৰিব্‌ৰিব্ বতাহে যিকোনো যুৱকৰ মন চঞ্চল কৰে। সেই চঞ্চলতাৰ পৰা নিজকে মুক্ত ৰখা বৰ কঠিন। বিনন্দই সেইবোৰৰ পৰা যিমানদূৰ পাৰে আঁতৰি থাকিব পাৰি, পঢ়া-শুনা আৰু চাকৰিৰ দায়িত্ব সমানেই বজাই ৰাখিব পাৰিছিল।

প্ৰাসঙ্গিক হোৱাত বিনন্দ আৰু কাবুলীৰ মাজত হোৱা তাহানিৰ ঘটনাটো ৰজনী ফুকনৰ মনলৈ আহিল। বিনন্দই পুলিচ বজাৰত থকা দিল্লী মিষ্টান ভাণ্ডাৰত জেলেপী খাবলৈ বুলি সোমাইছিল। তাত জেলেপী খোৱা মানুহৰ বৰ ভীৰ। টেবুল প্ৰায় খালী নাথাকেই। এখন টেবুলত কেইজনমান কাবুলী বহি জেলেপী খাই আছিল। বিনন্দও গৈ সেইখন টেবুলৰ খালী থকা চকী এখনত বহিলগৈ আৰু তাকো জেলেপী দিবলৈ হোটেলত বন কৰা ল'ৰাটোক ক'লে। এনেতে কাবুলী এজনে সিহঁতৰ জেলেপীৰ প্লেটখনকে আগবঢ়াই দি বিনন্দক খাবলৈ ক'লে, সিহঁতৰ আন্তৰিকতা দেখি বিনন্দ মুগ্ধ হ'ল। ভদ্ৰতাৰ খাতিৰত বিনন্দই সিহঁতৰ ভাগৰ জেলেপী খাবলৈ আৰম্ভ কৰিলে। বিনন্দই কথা পাতি

তাৰ পাছি, ৰজনীকেই অন্তৰতে তাৰ অকৃত্ৰিম সহৃদয়তাৰ যোগেদি আনৰ অন্তৰত সোমাই পৰিব পাৰিছিল। সি কাবুলী কেইজনক উদ্দেশ্য কৰি সুধিলে 'আপোনালোকে ফিলডত কি কৰে ?'

এজনে উত্তৰ দিলে 'মনি লেণ্ডিং।' বিনন্দই জানিবলৈ বিচাৰিলে সিহঁতে কাক টকা ধাৰে দিয়ে। উত্তৰত কলে যে ফিলডত জুৱাখেল, মদখোৱা, ঘোঁৰাদৌৰ খেলা, হাউচী খেলৰ উপৰিও আন বহুতো বেয়া কামৰ কাৰণে মানুহে টকা ধাৰে লয়। কিন্তু ইয়াৰ উপৰিও এচাম চাকৰিয়াল আছে যি কেৱল নিজৰ উপাৰ্জনৰ ওপৰতে নিৰ্ভৰ কৰি তেওঁলোকৰ ঘৰত থকা মাক-দেউতাক আৰু ভাই-ভনীসকলক পোহপাল দিব নোৱাৰে। নিজে চলি ঘূৰিলে টকা পঠোৱা কেতিয়াবা টান হৈ পৰিলে তেওঁলোক সিহঁতৰ ওচৰ চাপে। বিনন্দই সুধিলে, 'আপোনালোকে কাক কিমান উচ্চখাপৰ বিষয়ালৈকে টকাধাৰ দিয়ে?'

কেউজনে একেলগেই মাত লগালে যে গভৰ্ণৰ আৰু চীফ চেক্ৰেটাৰীৰ বাহিৰে আন সকলো পৰ্যায়ৰ বিষয়া, কেৰাণী আৰু পিয়নেই তেওঁলোকৰ পৰা টকা ধাৰে লয়। যিহেতু আটাইকেইজন কাবুলীয়ে প্ৰায় একেলগেই উত্তৰটো দিছিল; বিনন্দই সিহঁতৰ কথাষাৰ মিছা বুলি ভাবিবলৈ থল নেথাকিল। ফুকনে তেতিয়া মনতে ভাবিছিল গভৰ্ণৰ আৰু চীফ চেক্ৰেটেৰীহে মাত্ৰ বাদ তেনেহ'লে।

এইবোৰ ভাবি তন্ময় হৈ থাকোঁতেই ৰজনী ফুকনৰ ঘৈণীয়েক আহি মাত দিলেহি 'গা ধোৱা পানী গৰম হ'ল।'

ফুকনে ঘৈণীয়েকৰ পৰা কোনো দৰকাৰী সাংসাৰিক কথাকে গোপনে নেৰাখে। সেইদিনা পিছে একো মাত-বোল নকৰিয়ে ভাত-পানী খায় আহি বিচনাত দীঘল দিলেহি। ৰজনী ফুকনৰ মনটো বিষন্ন দেখিও, ঘৈণীয়েকে তাৰ কাৰণ সুধি তেখেতক ব্যতিব্যস্ত কৰাৰ পৰা নিজকে বিৰত ৰাখিলে। তেওঁ জানিছিল; তেখেতৰ দৰে আৰ্থিক অৱস্থাৰ মানুহৰ কাৰণে, পাঁচশ টকা যোগাৰ কৰা, কিমান টান।

পিছদিনা ৰজনী ফুকন অফিচলৈ যোৱা পলম হ'ব বুলি উপায়ুক্তলৈ এখন দৰখাস্ত দিলে। নিজে পোষ্ট অফিচলৈ গৈ অবিনাশৰ কাৰণে কটন কলেজৰ প্ৰিন্সিপালৰ মাৰফত পাঁচশ টকা মনি অৰ্ডাৰ কৰি অহাৰ পাছতহে মূৰটো পাতল লাগিল। অবিনাশে কটন কলেজত নাম লগোৱাৰ সময়তেই, প্ৰিন্সিপালৰ লগত যোগাযোগ কৰি, তেখেতৰ নামতেই অবিনাশৰ টকা পঠাব বুলি, এটা ব্যৱস্থা কৰি থৈছিল, পোষ্ট অফিচৰ পিয়নে অন্ততঃ কটন কলেজৰ প্ৰিন্সিপালৰ নামত যোৱা মনি অৰ্ডাৰৰ টকা দিয়াত হেমাহী নকৰিব আৰু অবিনাশেও টকা সময়মতে পাব।

* * * * *

অধ্যায়– ১৬

কটন কলেজত নাম ভৰ্তি কৰাৰ দিনৰে পৰা অবিনাশে কোনোদিন স্বইচ্ছাই ক্লাচ ক্ষতি কৰা নাছিল। কেতিয়াবা অসুখ-বিসুখ হ'লে পঢ়া ক্ষতি অৱশ্যে হৈছিল। পিছে গা ভাল পোৱাৰ পাছতেই আন বন্ধু-বান্ধৱ বা প্ৰফেচাৰৰ পৰা শিকি বুজি লৈ সেই ক্ষতিপূৰণ কৰি লৈছিল। পোছাক পাতিত সাধাৰণ, নিৰহঙ্কাৰী, অমায়িক আৰু সহানুভূতিশীল অবিনাশে অতি কম সময়ৰ ভিতৰতে বন্ধু-বান্ধৱৰ অন্তৰ জয় কৰিব পাৰিছিল। অবিনাশে কম বয়সৰ পৰাই মোমায়েক আৰু মামীয়েকৰ বহুতো গুণ আয়ত্ত কৰিবলৈ সমৰ্থ হৈছিল। সি ভালকৈ বুজিছিল যে পঢ়া-শুনাৰ বাহিৰে আন কামত সময় নিয়ালে মোমায়েকৰ মনত কষ্ট দিয়া হ'ব আৰু তেখেতে অতি কষ্টেৰে পঠোৱা ধনৰ অপব্যয় কৰা হ'ব। সেইবোৰ ভাবি-চিন্তি আৰু নিজৰ উচ্চশিক্ষাৰ প্ৰতি থকা আগ্ৰহৰ কাৰণেই অবিনাশে পঢ়া-শুনালৈ কেতিয়াও পিঠি দিয়া নাছিল। পঢ়া-শুনাৰ অগ্ৰগতি জনাই মোমায়েক মামীয়েকলৈ, অবিনাশে সময়মতে চিঠি-পত্ৰ দি আছিল। তাৰ চিঠিবোৰত কোনো চৰকাৰী কথাই বাদ পৰা নাছিল। হোষ্টেলত থাকি কেনে পাইছে, কিমান সময়ৰ পৰা কি কি ক্লাচ হয়, কোন কোন প্ৰফেচাৰৰ পঢ়োৱা বেছি মনোগ্ৰাহী আৰু নতুন বন্ধু-বান্ধৱবোৰ কোন কেনে ধৰণৰ। সামান্য ঘটনাবোৰেও অবিনাশৰ চিঠিত ঠাই পাইছিল। প্ৰতিখন চিঠিতেই সি লিখিছিল যে নতুন বন্ধু-বান্ধৱ পাইও ঘৰৰ পৰা আঁতৰি থাকি সি বৰ অকলশৰীয়া অনুভৱ কৰিছে। বহুদিন অবিনাশৰ হোষ্টেলত মন বহা নাছিল। ঘৰত থাকোঁতে মামীয়েকে পুৱা পাঁচ বজাতে তাক টোপনিৰ পৰা জগাই দিছিল। সি শুই উঠিলেই মামীয়েকে পানী ঘটি আগবঢ়াই দি কৈছিল 'মুখ ধো অবিনাশ, মোৰ চাহ হ'লেই দ'' কিন্তু হোষ্টেলত পুৱা ছয় বজাত শুই উঠাৰ ঘণ্টাহে দিয়ে, কোনোবাই সাৰ পালে চাহ খাব, নহ'লে চাহ কটি চেঁচা হৈ টেবুলৰ ওপৰতে পৰি থাকিব।

মোমায়েক মামীয়েকেও সদায় সময়মতেই অবিনাশীলে চিঠি-পত্র দি আছিল। তেখেতে সকলো উপদেশ দিছিল যে আচহুৱা পৰিবেশত নিজকে খাপ খুৱাই ল'বলৈহে যত্ন কৰিব লাগে। যিসকলে, আচহুৱা পৰিবেশকো আপোন কৰি খাপ খুৱাই ল'ব পাৰে, সেইসকল লোকেহে জীৱনত কৃতকাৰ্য হ'ব পাৰে। মোমায়েকৰ উৎসাহমূলক চিঠিবোৰ অবিনাশে বৰ মন দি পঢ়ি সযতনে থৈ দিছিল।

কলেজৰ প্ৰায়বোৰ চিনাকি ছাত্ৰৰ লগতেই অবিনাশৰ ভাল ; কিন্তু একেবাৰে অন্তৰঙ্গ বুলিবলৈ দুই এজনহে আছিল। পঢ়া-শুনাৰ উপৰিও সময় পালে অবিনাশে বেড্‌মিণ্টন, টেনিচ আদি খেলি ভাল পাইছিল। ভাল টেনিচ খেলা দুই এজন প্ৰফেচাৰেও অবিনাশক টেনিচ খেলিবলৈ উদগনি দিয়াত অতি কম দিনৰ ভিতৰতে সি যথেষ্ট ভাল খেলিব পৰা হ'ল। পিছলৈ প্ৰফেচাৰ সকলেও তাৰে সৈতে টেনিচ খেলি ভাল পোৱা হ'ল।

ইণ্টাৰমিডিয়েটৰ বিজ্ঞান বিভাগৰ চূড়ান্ত পৰীক্ষাত অবিনাশে বিশেষ ভাল ফল দেখুৱাব নোৱাৰিলে। একাদশ স্থানহে পালে। মোমায়েক মামীয়েকে অৱশ্যে অসন্তোষ কৰা নাছিল। প্ৰবেশিকা পৰীক্ষাত অবিনাশে প্ৰথম বিভাগ এটা পাব বুলিহে ভাবিছিল ; কিন্তু তাৰ ঠাইত সি সপ্তম স্থান অধিকাৰ কৰিলে। প্ৰকৃত শিক্ষা আহৰণ কৰিব পাৰিলে, বিশ্ববিদ্যালয়ত স্থান পোৱা নোপোৱাটো, তেওঁলোকৰ বিচাৰ্য বিষয় নাছিল।

ৰজনী ফুকনে বাঞ্ছা কৰিছিল যে অবিনাশে, কলেজীয়া শিক্ষাৰ উপৰিও, অধিক জ্ঞান আৰু মানবীয় অনুভূতি লাভ কৰি, এদিন ঘৰলৈ উলতি আহি, সমাজ গঢ় দিয়া কামত ব্ৰতী হ'বহি। মামীয়েকৰ ক্ষুদ্ৰ জ্ঞান আৰু বুদ্ধিৰে দেখিবলৈ পাইছিল যে মানুহে যিমানেই উচ্চশিক্ষা পায় সমাজৰ ওপৰ খাপলৈ উঠে মানবীয় গুণবোৰ সিমানেই লোপ পাই আহে। উচ্চশিক্ষা পোৱা মানুহৰ হৃদয়বোৰৰ অন্তঃসাৰ শূণ্যতা দেখি তেওঁ বিস্মিত হৈছিল। চাকৰি-বাকৰিলৈ তেওঁলোকে কেৱল বগিয়াৰ দৰে নিজৰ ঘৰ-দুৱাৰ, টকা-পইচা আৰু গাড়ী-মটৰৰ পিছে পিছে দৌৰিবলৈ ধৰে। কাৰো যেন কাৰোৰ প্ৰতি কোনো উপলব্ধি নাই, সহানুভূতি নাই। সমাজৰ দুৰ্বল শ্ৰেণীৰ প্ৰতি তেওঁলোকৰ কোনো কৰ্তব্যই নাই বুলি ভাবে। অথচ এইচাম লোকেই যেতিয়া চাকৰি-বাকৰি নেপাই টলৌ-টপৌ কৰি ঘূৰি ফুৰিবলগীয়া হৈছিল তেতিয়া চহকীচামক দায়িত্বহীন বুলি কটু সমালোচনা কৰিছিল। অবিনাশৰ মামীয়েক আচৰিত হৈছিল– মানুহ ইমান সুবিধাবাদী আৰু নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে। পাৰ পালেই ইপাৰ ; পাৰ পালেই সিপাৰ মনোভাব। মানুবোৰৰ বিবেকবোলা বস্তুটো লোহেোৱা হৈ গ'ল নেকি ? তেওঁ তেনেকুৱা মানুহেৰে ভৰা এখন পৃথিবী

নিৰ্বিচাৰে। এখন কৃত্ৰিম, হৃদয়হীন পৃথিৱী থকাতকৈ নথকাই ভাল। মামীয়েকে, অবিনাশলৈ দিয়া চিঠিবোৰত, সেইবোৰ কথাই প্ৰাধান্য পাইছিল। মামীয়েকৰ একাবেকা আখৰৰ চিঠিবোৰৰ তাৎপৰ্য উপলব্ধি কৰি সি সযতনে ৰাখি থৈছিল। কেতিয়াবা মোমায়েক মামীয়েকৰ দুই এখন চিঠি বন্ধু-বান্ধৱকো পঢ়ি শুনাইছিল।

* * * * *

অধ্যায়- ১৭

অবিনাশে পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ বি, এচ, চি পঢ়াটো স্থিৰ কৰিলে। যোমায়েকেও সি কটন কলেজৰ পৰাই বি, এচ, চি, ডিগ্ৰীটো লোৱাটো ভাল হ'ব বুলি ধাৰণা কৰিছিল। কাবুলী আৰু জেঠমল বাবুৰ পৰা লোৱা টকাৰ সুত দিবলগীয়া হোৱাত ৰজনী ফুকনৰ আৰ্থিক অৱস্থা দিনে দিনে বেয়াৰ ফালে ঢাল খালে। ঘৈণীয়েকে অৱস্থা বেয়াৰ ফালে যোৱাটো লক্ষ্য কৰি ঘৰতে ব্যৱসায়িক ভিত্তিত এখন তাঁত শাল পাতি ল'বলৈ ঠিৰাং কৰিলে। কঁপাহী সুতাৰ কাপোৰৰ উপৰিও মুগা পাত সকলো ধৰণৰ কাপোৰত সুন্দৰ ফুল বাছিব পাৰিছিল। জীয়ৰী কালৰ পৰাই তেওঁ কাপোৰত ভালকৈ ফুল বাছিব পৰা কাৰণেই মাকে দিয়া আইকণ নামটো সময়ত সলনি হৈ গ'ল। সকলোৱে ফুল বুলিয়েই মাতিবলৈ ল'লে। সেই ফুলেই পিছলৈ ৰজনী ফুকনৰ লগত বিয়া হৈ ফুলৰাণী ফুকন হ'লগৈ। হাতখন মিহি আৰু নক্সাবোৰ ভাল হোৱাৰ কাৰণে ফুকননীয়ে বোৱা কাপোৰৰ সমাদৰ বাঢ়িবলৈ ধৰিলে। তেওঁ তাঁতশালখন লোৱাৰ পৰা আজৰি সময় অলপো নোহোৱা হৈ আহিল। কাপোৰ বিক্ৰী কৰি পোৱা সাঁচতীয়া ধন কেতিয়াবা লাগ বুলিয়েই গিৰিয়েকক দিব পৰা হোৱাত মনৰ প্ৰফুল্লতা আগতকৈ বাঢ়িবলৈ ধৰিলে। ফুলৰাণী ফুকনৰ মনত এটা নতুন মূল্যবোধে ঠাই পালে। অবিনাশৰ পঢ়াৰ খৰচৰ বাবতো তেওঁ সহায় কৰিব পৰা হ'ল।

অবিনাশে বি, এচ, চি পঢ়ি থাকোতেই ৰজনী ফুকনৰ উপাযুক্ত অফিচত মুখ্য সহায়কলৈ পদোন্নতি হয়। আগতকৈ কিছু দৰমহা বঢ়াত অবিনাশৰ পঢ়াৰ খৰচ দিবৰ কাৰণে আগৰদৰে হাবাথুৰি খাবলগীয়া নোহোৱা হ'ল। পুৰণি পাবলগীয়া দৰমহা একেলগে পাই এদিন হাফিজখাঁৰ ধাৰটো মাৰিম বুলি আহি কাবুলীজনৰ বাহৰ পালেহি। চাৰিশ চৱিশ টকা গণি ৰজনী ফুকনে হাফিজখাঁক দিলে। ফুকনে মন কৰিলে যে ধাৰটো পৰিশোধ হোৱাত হাফিজখাঁই বৰ ভাল নাপালে। মাহে মাহে সুত পাই থকাৰ ওৰ পৰিল। ৰজনী ফুকনৰ লগত লেন-

দেন কবি হাফিজখাঁই সম্ভৱ ভাল পাইছিল। টকাখিনি গণি লৈ তাৰে পঞ্চাশ টকা ৰজনী ফুকনক ওলোটাই দিলে আৰু লগতে হেণ্ডনোটখনো। টকা পঞ্চাশটা ওভোটাই দিয়াত ৰজনী ফুকন আচৰিত হ'ল।

"ৰজনী বাবু আপনাৰ পৰা বহুত দিন সুত খালো। আপনি বহুত ইমানদাৰ আদ্‌মি হাঁই। হামলোগ ভি খাৰাৰ আদ্‌মি নাহিঁ হাঁই। লেকিন পেটকে লিয়ে দেশ চোৰ্ কৰ্ এতনা দূৰ আনে পৰা। ইয়া আপকা লেককা কেইচা হাঁই।

ৰজনী ফুকনে অবিনাশ ভালে আছে বুলি ক'লে। তেওঁ বিদায় লৈ যাবলৈ ওলাল। যাবৰ সময়ত হাফিজখাঁই ক'লে, 'জৰুৰত পৰনেছে আপ আইয়ে; আপকে লিয়ে হামাৰ দৰৱাজা ৰোজ খোলা ৰহেগা। খোদা হাফিজ।'

অবিনাশে দেখিলে যে বি. এচ. চি পাঠ্যক্ৰমটো যথেষ্ট কঠিন আৰু জটিল। তাৰ বিষয়বোৰ আছিল পদাৰ্থ বিজ্ঞান, ৰসায়ণ বিজ্ঞান আৰু অঙ্ক। আগৰ পঢ়া অভ্যাসেৰে পৰীক্ষাত ভাল ফল পোৱাতো সম্ভৱ নহ'ব বুলি সি বুজি পালে। গতিকে ৰাতি ভাত খাই উঠি নিৰলে পঢ়াৰ অভ্যাস গঢ়ি তুলিলে। ৰাতি দেৰিলৈকে পঢ়াৰ আৰম্ভ কৰাৰ পাছৰে পৰা অবিনাশে কলেজত পঢ়োৱা বিষয়বোৰ আয়ত্ব কৰিবলৈ সমৰ্থ হ'ল। স্বাস্থ্য আৰু মন ভালে ৰাখিবলৈ মাজে মাজে টেনিচ আৰু বেডমিণ্টন খেলাতো বাদ দিয়া নাছিল। অবিনাশৰ গীটাৰ শিকাৰ বৰ মন আছিল। একেটা ব্লকতে থকা বন্ধু এজনৰ গীটাৰত দুটা-এটা, নিজে ভাল পোৱা. সুৰ তুলিবলৈ যত্ন কৰিছিল। সি ভাবিছিল, কাহানিবা পইচা গোটাব পাৰিলে, সি গীটাৰ এখন কিনিব।

স্কুলীয়া জীৱনত অবিনাশে ৰামায়ণ, মহাভাৰত আৰু কেইখনমান অসমীয়া গল্প, কবিতা, উপন্যাসৰ বাহিৰে বিশেষ আন কিতাপ পঢ়া নাছিল। কলেজলৈ আহি অৱশ্যে শৰৎ চন্দ্ৰ, বঙ্কিম চন্দ্ৰ, ৰবি ঠাকুৰৰ কিতাপৰ উপৰিও দুই এখন ইংৰাজী উপন্যাস পঢ়িছিল। তাৰ ধাৰণা আছিল যে সাহিত্য, কলা বিভাগৰ ছাত্ৰৰ কাৰণেহে। অবিনাশৰ অন্তৰঙ্গ বন্ধু দ্বীজেন গাঙ্গুলীয়ে কিন্তু তাৰ সেই ধাৰণাটো ভুল বুলি মাজে মাজে নোকোৱাকৈ থকা নাছিল। দ্বীজেনে ভাবিছিল যে অবিনাশৰ যদি বিশ্বসাহিত্যৰ ওপৰত অলপো জ্ঞান নেথাকে তেন্তে তাৰ জীৱনৰ পূৰ্ণবিকাশ হোৱাত নিশ্চয় বাধাৰ সৃষ্টি হ'ব। দ্বীজেনে সৰুৰে পৰাই বহুতো ভাল ভাল কিতাপ পঢ়ি সেইবোৰৰ পৰা নিবিড় আনন্দ আৰু জ্ঞান লাভ কৰিব পাৰিছিল। সি যদি অবিনাশৰ প্ৰকৃত বন্ধু হয় তেন্তে তাক বিশ্বসাহিত্যৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। মাজে মাজে দ্বীজেনে অবিনাশক বছা বছা দুই এখন গল্প উপন্যাসৰ কিতাপ দি চাইছিল; কিন্তু সেইবোৰ তাৰ টেবুলৰ ওপৰতে পৰি থকা দেখি দ্বীজেনে নিজেই ওভোতাই লৈ আহিব লগা হৈছিল।

কলেজৰ গৰমৰ বন্ধ আৰম্ভ হ'ল। অবিনাশৰ মনটো ভাল লাগিল। সি

মোমায়েক মামীয়েকৰ উপৰিও আত্মীয়-স্বজন আৰু পুৰণি বন্ধু-বান্ধৱক লগ পাবৰ্গে পাৰিব। সদায় কলেজৰ ক্লাচ কৰাৰ পৰাও আজৰি পাব। দ্বীজেনে মাজে মাজে কৈ আছিল ; তইঁতৰ যোৰহাটৰ ঘৰখন মোৰ বৰ চাবৰ মন আছিল অ' অবিনাশ।' দ্বীজেনৰ আগ্ৰহ দেখি সেইবাৰ গৰমৰ বন্ধতে তাক যোৰহাটত সিহঁতৰ ঘৰত থকাকৈ মাতি থৈ গ'ল। দ্বীজেনৰ হেঁপাহ আছিল অবিনাশৰ মোমায়েক মামীয়েকক চোৱাৰ। সি তাৰ নিজৰ জীৱনতে মোমায়েকৰ মৰমৰ সোৱাদ পাই থৈছিল। তাক সকতে মোমায়েকহঁতে বোকোচাত তুলি অ'লৈ ত'লৈ লৈ যোৱা কথাবোৰ মনত পৰিলে তাৰ কিমান আনন্দ লাগে। আজিও তাক মোমায়েকহঁতে কিমান মৰম কৰে। কিন্তু তাৰ মামীয়েকৰ পৰাতো সি অকৃত্ৰিম মৰম চেনেহ পোৱা বুলি তাৰ মনে নধৰে। গতিকে দ্বীজেনে নিজচকুৰে এবাৰ সেই বৃহৎ অন্তঃকৰণৰ মৰমীয়াল মানুহগৰাকী চাবলৈ কৌতুহল হ'ল। জীৱনটো সম্পূৰ্ণকৈ উপলব্ধি কৰিবলৈ দ্বীজেনক অভিজ্ঞতা লাগে। মানুহৰ লগত অন্তৰঙ্গ সম্বন্ধৰ জৰিয়তে নতুন নতুন অভিজ্ঞতাৰ আনন্দ কঢ়িয়াই আনি সি ভাল পায়। জীৱন উপভোগ কৰে। দেউতাকৰ অনুমতি লৈ দ্বীজেন যোৰহাটলৈ ৰাওণা হ'ল। দ্বীজেনৰ দেউতাক দীনেশ গাঙ্গুলী গুৱাহাটীৰ এজন নাম থকা উকীল। এজন ভাল মানুহ আৰু খ্যাতি থকা উকীল কাৰণে অসমৰ বহুতো লোকেই তেখেতক জানিছিল। দ্বীজেন যোৱাৰ দুদিন মান আগতে, সি যোৰহাট গৈ পোৱাৰ সময় আৰু তাৰিখ, টেলিগ্ৰাম কৰি অবিনাশক জনালে। বাছখন সময় মতেই আহি যোৰহাট পালেহি। অবিনাশ বাছ আস্থানত ৰৈ আছিল। দুয়ো ৰিক্সা এখনত উঠি অবিনাশৰ ঘৰ পালেহি। মোমায়েকে দ্বীজেন অহালৈ বাট চাই আছিল। অবিনাশ আৰু দ্বীজেন আহি ঘৰ পোৱাত মোমায়েকে সুধিলে 'দ্বীজেন বাটত তোমাৰ কিবা অসুবিধা হৈছিল নেকি ?'

'একো অসুবিধা হোৱা নাছিল মামা, বাছত বৰ সুন্দৰকৈ আহিলো।'

দ্বীজেনে মুখ হাত ধোৱাৰ পাছত মামীয়েকে আহি চিনাকি হ'লহি আৰু পাকঘৰত জলপান খাবলৈ আগবঢ়াই নিলে। মজিয়াত পিৰা পাৰি কাঁহৰ চিক্‌চিকিয়াকৈ ধুই থোৱা বাতিত চিৰা, দৈ আৰু জাহাজী কলেৰে জলপান সজাই থোৱা আছিল। কাষতে তিনিটা ঘটিত পানী আৰু তাৰ ওপৰত একোখনকৈ গামোচা। পাকঘৰটোৰ ভেটি কেঁচা কিন্তু সুন্দৰকৈ লেপি-পুচি থোৱা। জলপান খাই থাকোঁতে মোমায়েকে দ্বীজেনক ক'লে, 'তোমাৰ দেউতাৰৰ নাম মই শুনিছো পিছে নিজে লগ পোৱা নাই।'

গহীন, গম্ভীৰ মিঠা মুখৰ মানুহজনলৈ দ্বীজেনৰ শ্ৰদ্ধা উপজিল। জলপান খাই উঠি ভেওঁলোক, আহি বাহিৰৰ কোঁঠাত বহিলহি। মুখ হাত ধোওঁতে

দ্বীজেনে লক্ষ্য কৰিলে যে চোতালখন পৰিষ্কাৰ, ক'তো কুটা এগছো পৰি থকা নাই। ঘৰৰ পিৰালিৰ কাষত কেইজোপামান ফুল জৰ্কমকৈ ফুলি আছিল। পাকঘৰৰ লগতে লগা এখন বাৰান্দা ; তাতে এখন তাঁতশাল পাতি থোৱা আছিল।

মামীয়েকে বটা এটাত তামোল-পান আনি বাহিৰৰ কোঁঠাতে বহি থকা দ্বীজেনলৈ আগবঢ়াই দিলেহি। দ্বীজেনে তামোলখন হাতত লৈ অবিনাশৰ মামীয়েকলৈ মূৰ তুলি চালে। সুন্দৰ স্বাস্থ্যৰ ধুনীয়া, মূৰত ওৰণি লোৱা বিশাল ব্যক্তিত্বৰে এখন মৰমীয়াল মুখ দ্বীজেনে দেখিবলৈ পালে। ক্ষন্তেক থৰ লাগি বৈ দ্বীজেনে ক'লে, 'মামী বহুত দিনৰ মূৰত দৈৰে সৈতে চিৰা জলপানটো খায় বৰ ভাল পালোঁ মামীয়েকে সন্তোষ প্ৰকাশ কৰি হাঁহি এটা মাৰি ক্ষন্তেক বৈ ক'লে, 'তুমি আমাৰ চহৰখন দেখাই নাই নহয়, অবিনাশৰ সৈতে অলপ ফুৰি আহাঁগৈ যোৱা। বেছি ৰাতি নকৰিবা।'

অবিনাশ আৰু দ্বীজেন ফুৰিবলৈ ওলাই গ'ল। চহৰখনত পাক এটা মাৰি চাৰে আঠমান বজাত ঘৰ সোমালেহি।

মামীয়েকে দাইল, ভাত, খুতুৰা শাকৰ ভাজি, মাছৰ আঞ্জা, খৰিছা, কেইবিধমান আছাৰেৰে ভাতসাজ খুৱালে। ৰাতি অবিনাশ আৰু দ্বীজেনক একেটা কোঠালীতে শুবলৈ দিহা কৰি দিলে। কোঁঠাটো পৰিপাতিকৈ সজাই থোৱা। দুফালে দুখন বিচনা। বিচনাখনৰ কাপোৰবোৰ ঢকঢকীয়া বগা। সেইদিনা যথেষ্ট গৰম পৰাত মামীয়েকে আটাইকেইখন খিড়িকী খুলি ল'বলৈ পৰামৰ্শ দিলে।

পিছদিনা ৰাতিপুৱা চাহ-লুচি ভাজি খাই দুয়ো অবিনাশৰ পৰম বন্ধু জীৱনৰ ঘৰ ওলালেগৈ। জীৱনে পিছৰ বছৰ দ্বিতীয় বিভাগত প্ৰবেশিকা পাছ কৰি প্ৰিঞ্চ অৱ ৱেলচ্ পলিটেকনিকত নাম লগাই ল'লে। গৰমৰ বন্ধ কাৰণে সিও ঘৰতে আছিল। বহুত দিনৰ মূৰত অবিনাশক লগ পাই সি সাৱত মাৰি ধৰিলে। প্ৰবেশিকা পৰীক্ষাত সপ্তম স্থান পোৱাৰ কাৰণে, জীৱনে কিমান আনন্দ পাইছিল, সেই কথা অবিনাশে দ্বীজেনক জানিবলৈ দিলে। জীৱনৰ লগত কথা পাতি থাকোঁতে সময়বোৰ কেতিয়া পাৰ হৈ গ'ল সিহঁতে গমকে নেপালে। 'অবিনাশ তোমালোক দুয়ো ইয়াতে ভাত খাই যোৱা' বুলি জীৱনৰ মাকে মাত দিয়াতহে ঘড়ী চাই দেখে যে বাৰ বাজি গ'ল। সিহঁতে জীৱনৰ মাক-দেউতাকক মাত লগাই যাবলৈ সাজু হ'ল। আহিবৰ সময়ত জীৱনে ক'লে 'অবিনাশ, তই পিছে যোৱাতো পৰীক্ষাত মোক বৰ হতাশ কৰিলি। বি, এচ, চিত তোৰ পৰা মই ভাল ৰিজাল্ট আশা কৰি আছো কিন্তু।'

দ্বীজেন আৰু এদিন থাকি ঘৰলৈ উভতিব। যোৱাৰ আগদিনা ৰাতি ভাত খাবৰ সময়ত মামীয়েকে ক'লে, 'দ্বীজেন, তোমালোকৰ ঘৰত তোমাৰ মাৰাই

মাজে মাজে বিবিধ আঞ্জা-পাতি বান্ধি অবিনাশক ভাত খাবলৈ মাতে বুলি সি আমাক জনাই থাকে। তাক বোলে বৰ মৰম কৰে। মই হ'লে সিমান জুতি লগাই আঞ্জা-পাতি ৰান্ধিব নেজানো।

দ্বীজেনে ক'লে, 'মামী মই ইয়াত ভাতৰ জুতি ল'বলৈ অহা নাই নহয়। ভাতৰ জুতি লোৱাৰ উদ্দেশ্য হ'লে গুৱাহাটীৰ ডাঙৰ ডাঙৰ হোটেললৈ গ'লোহেঁতেন; সিইঁতে আমাৰ মাতকৈও বহুত ভাল ৰান্ধে। বুজিছে মামী আমাৰ বঙালী মানুহবোৰে বন্ধা আঞ্জাত জুতি নুঠিব কিয়, যিমানহে তেল ও মছলা দিয়ে; পিছে আপুনি কম তেল আৰু মছলা দিও বৰ ভাল ৰান্ধিছে।'

যাবৰ দিনা পুৱা, এটা টোপোলাত নিজে বোৱা এখন ফুলাম গামোছা আৰু এটা সৰু কাগজৰ খামত অবিনাশৰ পাঁচ বছৰ বয়সতে তোলা-এখন ফটো, মামীয়েকে দ্বীজেনক দি ক'লে, 'বুজিছা দ্বীজেন, মই অবিনাশৰ এই ফটোখন বৰ ভাল পাওঁ। অবিনাশৰ বন্ধু বুলি, তোমাকো কপি এটা দিলো।'

দ্বীজেনে, অবিনাশৰ মোমায়েক-মামীয়েকক প্ৰণাম জনাই, বিদায় ল'লে। দ্বীজেনক বাছত তুলি দিবলৈ অবিনাশো আহিল। বাছত উঠিবৰ সময়ত সি গুৱাহাটীৰ পৰা অনা ব্ৰাদাৰ্ছ কাৰামাজভ্ কিতাপখন অবিনাশৰ হাতত দি ক'লে, 'অবিনাশ মই যোৰহাটলৈ অহাৰ চিন স্বৰূপে তোক এই কিতাপখন দিলো। তোৰ মামা আৰু মামীয়েৰে দেখুৱা মৰম-চেনেহ মোৰ কাৰণে চিৰস্মৰণীয় হৈ থাকিব। তোৰ মামীয়েৰ সঁচাকৈয়ে বৰ সাদৰী মানুহ।

বাছখন লাহে লাহে চলিবলৈ আৰম্ভ কৰিলে। অবিনাশে হাত জোকাৰি জোকাৰি বাছখন নেদেখা হোৱালৈকে সেইফালে চাই থাকিল।

* * * * *

অধ্যায়- ১৮

বজনী ফুকনৰ গাঁৱত পৈতৃক সম্পত্তি বুলিবলৈ খেতিৰ মাটি দহ বিঘামান আছিল। আধিখোৱা পৰিয়ালটোৰ পৰা কিছুখান ফুকনে পায়। ব্ৰহ্মপুত্ৰৰ বানপানীয়ে পাই কাৰণে প্ৰতি বছৰে ধান পাব বুলি আশা কৰিব নোৱাৰে। ফুকনে নিজে গাঁৱলৈ গৈ ধান চপাবলৈ আহৰিও নাছিল, উৎসাহো নাছিল, বানপিড়ীত গাঁৱৰ ৰাইজৰ অৱস্থা দেখিলে মনটো বেয়াহে লাগিছিল। এবাৰ পইচাৰ বৰ টান পৰাত ফুকন নিজেই ধান চপাবলৈ গৈছিল; কিজানিবা এমুঠিমান ধান সৰহকৈ পায়েই। কিন্তু মাটি আধিখোৱা সককণৰ অৱস্থা দেখি ফুকনৰ মনতো কেনেবা লাগিল। ল'ৰা-ছোৱালী কেইটা কেটেং মেটেং খাবলৈ নোহোৱা চেহেৰাৰ। ফুকনে সককণৰ ল'ৰা-ছোৱালী কেইটাৰ কাৰণে কমলাটেঙা কেইটামান লৈ গৈছিল। সিহঁতে কমলা কেইটা পাই থপীয়া থপী লগাবলৈ ধৰিলে। সককণৰ ল'ৰা-ছোৱালী কেইটাৰ মুখৰ ভাতকেইটা ফুকনে কাঢ়ি নিবলৈ ভাল নেপালে। সেই কেইটা ধানৰ ভাত তেওঁৰ হজম নহ'ব। সেইটো ডকাইতৰহে কাম হ'ব। আইনমতে অৱশ্যে ফুকনে নিজৰ মাটিৰ ধানৰ ভাগ এটা পায়। কঠিয়া কিনিবৰ কাৰণেও ফুকনে সককণক কিছু টকা দিছিল। কিন্তু তথাপিও ফুকন পিচহোঁহকি আহিল। ফুকনটো জেঠমল বাবু হ'ব নোৱাৰে। ধান নিবলৈ আহিছো বুলি ফুকনে কথাষাৰ মুখৰ পৰা উলিয়াবই নোৱাৰিলে। সককণৰ ঘৈণীয়েকে আগবঢ়াই দিয়া তামোলখন খাই ফুকন আহিবলৈ ওলাল। সককণেও বজনী ফুকনক আগবঢ়াই দিবলৈ তেখেতৰ লগতে আলি বাটলৈকে ওলাই আহিল। বাজআলি পাই ফুকনে চাইকেলখনত উঠাৰ আগতে সককণক ওচৰ চপাই মাতি ক'লে, "সককণ, বানপানীয়ে খেতি ধ্বংস কৰাৰ কাৰণে তহঁতে ধান যৎসামান্যহে পালি। তহঁতৰ বৰ কষ্ট হ'ব যেন পাওঁ। মোক ধানৰ ভাগ দিব নেলাগে। এইবাৰ যি ধান পাইছ তহঁতেই ৰাখ।"

সককণে ফুকনৰ কথাকেইটা শুনি অভিভূত হ'ল। 'বজনী, তই ৰাক মোৰ

মনৰ কথাটো কেনেকৈ ধৰিব পাৰিলি। ইমান বেলিয়ে মই, সেই কথাটোকে তোক, কওঁ কওঁ বুলিও ক'ব পৰা নাছিলো। তই অন্তৰ্যামী অ' ৰজনী। নিজ চকুৰেই দেখিলি নহয় আমি কেনেকৈ জীয়াই আছো। দেশ স্বাধীন হোৱাও আজি কত বছৰ হ'ল; পিছে আমাৰনো কি হ'ল। এইদৰে আধামৰা হৈ জীয়াই থকাটো বৰ কষ্ট অ'। যমেও চকু মেলি নেচায়।' কথাষাৰ কওঁতে সককণৰ চকুকেইটা ঢুল-ঢুলীয়া পৰা ৰজনী ফুকনে মন কৰিছিল।

সেই দিন ধৰি আৰু ৰজনী ফুকনে নিজে ধান চপাবলৈ যোৱা নাই। সককণে ঘৰতে আনি যি কেইটা ধান দিয়েহি ফুকনে তাতেই সন্তুষ্ট থাকে। কেতিয়াবা জলপান খাবৰ কাৰণে দুই এবস্তা কোমল ধানো পায়। তাৰে ফুকননীয়ে মাজে সময়ে চিৰা, পিঠা আঁখৈ, কোমল চাউল কৰি অবিনাশ হোষ্টেললৈ যাবৰ সময়ত দিয়ে।

অবিনাশে আগৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষাটোত ভাল কৰিব নোৱাৰি মনতে বেজাৰ পাই আছিল। তাক ভাল পোৱা সকলৰ মনত হয়তো ভাব হৈছিল যে অবিনাশ গুৱাহাটীলৈ আহি পঢ়া-শুনাত অৱহেলা কৰিবলৈ ল'লেহি। কিন্তু সি নিজে ভাবিছিল যে যথেষ্ট কষ্ট কৰি অধ্যয়ন কৰিহে পৰীক্ষাটো দিছিল। সকলো বিষয় সম্পূৰ্ণকৈ আয়ত্ব কৰিব পাৰিছিল; কিন্তু তথাপিও তাৰ পৰীক্ষা আশা কৰাৰ দৰে ভাল নহ'ল। সি তাৰ দোষবোৰ বিচাৰি উলিয়াব লাগিব, নহ'লে বি, এচ, চি পৰীক্ষাতো ভাল কৰিব নোৱাৰিব। সেইবোৰ কথাকে চিন্তা কৰি অবিনাশে এদিন সিহঁতৰ ফিজিক্সৰ প্ৰফেচাৰক অকলশৰীয়াকৈ পাই পৰামৰ্শ বিচাৰিলে। প্ৰফেচাৰ আতাউৰ ৰহমানে অবিনাশৰ দুৰ্বলতাবোৰ ভালদৰে জানিছিল। তেওঁ ক'লে 'অবিনাশ তুমি বি, এচ, চি পৰীক্ষাত ভাল ৰিজাল্ট কৰিব পাৰিবা। এতিয়াৰে পৰা ভালকৈ পঢ়া। আৰু এটা কথা শুনা, পৰীক্ষাত ভাল ৰিজাল্ট কৰিবলৈ হ'লে প্ৰয়োজনকৈ বেছিকৈ লিখাৰ দৰকাৰ নাই। প্ৰশ্ন আৰু নম্বৰ চাইহে উত্তৰৰ পৰিসৰ কম বেছি কৰিব লাগে। প্ৰয়োজনতকৈ বেছিকৈ লিখিলে কাৰো পঢ়িবলৈ সময় নেথাকে, আনকি বহীচোৱা পৰীক্ষক সকলৰো।'

অবিনাশে বুজিব পাৰিলে যে প্ৰশ্নবোৰ সি অলপ বেছি বহলাই লিখে। প্ৰফেচাৰ আতাউৰ ৰহমানৰ উপদেশটো তাৰ মনত লাগিল। সি পঢ়া-শুনাত বৰ ব্যস্ত হৈ পৰিল। প্ৰেক্‌টিকেল্ ক্লাচবোৰত কেতিয়াবা সন্ধ্যাও লাগি যায়। লেবৰেটৰীত কোনো এটা পৰীক্ষাৰ সঠিক উত্তৰ নোপোৱালৈকে অবিনাশ ক্ষান্ত থাকিব নোৱাৰিছিল। সঠিক উত্তৰ নেপালে তাৰ যন্ত্ৰটোৰ ওপৰতে সন্দেহ ওপজে। ডেমনষ্ট্ৰেটাৰক যন্ত্ৰবোৰ পৰীক্ষা কৰি দিবলৈ অনুৰোধ কৰে। অবিনাশৰ অনুৰোধত কেতিয়াবা পুৰণিবোৰকে মেৰামতি নাইবা নতুন যন্ত্ৰ

কিনিব লগীয়া হয়। নিষ্ঠা, মনোযোগ আৰু অধ্যৱসায় দেখি ডেমনষ্ট্ৰেটৰ দ্বীজেন শইকীয়াই মনে মনে অবিনাশক প্ৰসংশা নকৰাকৈ থকা নাছিল।

চতুৰ্থ বাৰ্ষিকলৈ উঠিবৰ কাৰণে হোৱা বছৰেকীয়া পৰীক্ষালৈ বেছি দিন নাই। অবিনাশ পঢ়াত বৰ ব্যস্ত। সেই পৰীক্ষাটো ভাল কৰিব পাৰিলে তাৰ মনলৈ আত্মবিশ্বাস ঘূৰি আহিব। আবেলি সময়ত অবিনাশ আৰু দ্বীজেন ব্ৰহ্মপুত্ৰ নদীৰ পাৰত মাজে মাজে ফুৰিবলৈ যায়। নানা ধৰণৰ কথা পাতে সিহঁতে। দ্বীজেনৰ কথাবোৰে অবিনাশৰ মনত নানান ভাৱৰ উদ্ৰেক কৰে। সি কথাবোৰ বহুত দ'লৈকে ভাবি চিন্তিহে কয়। যদিও দ্বীজেন কলা বিভাগৰ ছাত্ৰ; চুম্বকৰ ঋণাত্মক দিশে ধনাত্মক দিশক আকৰ্ষণ কৰাৰ দৰে ইজনে সিজনক আকৰ্ষণ কৰে। এদিন মনলৈ কিবা এটা ভাব অহাত, দ্বীজেনে ক'লে–

"অবিনাশ, তোক কথা এটা ক'ব খোজো বেয়া পাবিনেকি ?"

"তইনো মোক কি বেয়া পোৱা কথা কবি অ', কছোন বাৰু তই কি কব খুজিছ" ?

"তই বাৰু এইবাৰ, বছৰেকীয়া পৰীক্ষাত ভাল ৰিজাল্ট কৰিম বুলি, ভাবি আছ নেকি ?"

"অ, ভাবিছো। যোৱাবাৰ মোৰ পৰীক্ষাটো ভাল নোহোৱাত মনটো বেয়া লাগি আছে; গতিকেই পৰীক্ষা যিমান পাৰো ভাল কৰিবলৈ চেষ্টা কৰি আছো।

"দ্বীজেনে গম্ভীৰ স্বৰেৰে ক'লে– "মই কৈছো, তই এইবাৰ বছৰেকীয়া পৰীক্ষাত ভাল কৰিবলৈ যত্ন কৰিব নেলাগে।"

অবিনাশে উৎকণ্ঠাৰে সুধিলে– "দ্বীজেন, তোৰ কথাৰ কাৰণ কিন্তু মই, একো বিচাৰি পোৱা নাই। তোৰ মগজহে বেয়া হৈছে। দ্বীজেনে আত্মবিশ্বাসেৰে ক'লে– "কাৰণ আছে অবিনাশ। মই ভাবিচিন্তিয়েই তোৰ ভালৰ কাৰণে কথাটো কৈছো। তই মোক ভুল নুবুজিবি। তোৰ ভাল ৰিজাল্ট কৰি শত্ৰুৰ সৃষ্টি কৰি নলবি।

অবিনাশে উদ্বিগ্ন কণ্ঠে ক'লে মোৰ কিয় শত্ৰু বাঢ়িব। তোৰ কিবা মতিভ্ৰম হে হৈছে। তোৰ কথাৰ কোনো যুক্তি নাই বুলি মই ভাবো।

দ্বীজেনে ক'লে 'যুক্তি আছে অবিনাশ, মই ঠিক কথাই কৈছো। মইতো দৰ্শনৰ ছাত্ৰ বুলি তই জান, মই চিন্তা নকৰাকৈ কোনো কথাই নকওঁ।

অবিনাশে সুধিলে "মোৰ কোন শত্ৰু ওলাব পাৰে। তই নাম ক'ব পাৰিবি।

দ্বীজেনে ক'লে 'নাম ক'ব নেলাগে, অবিনাশ তই যোৱাটো পৰীক্ষাত বিশ্ববিদ্যালয়ত স্থান পোৱা নাছিলি। গতিকে তই এতিয়া বছৰেকীয়া পৰীক্ষাত ভাল কৰা দেখিলে, তোৰ যি কেইজন বন্ধুৱে বিশ্ব-বিদ্যালয়ত স্থান পাই এতিয়া তোৰ লগত ফিজিক্সৰ ক্লাচ কৰি আছে সেই আটাইকেইজনেই তোৰ শত্ৰু হৈ যাব।

অবিনাশে সুধিলে যে সিহঁত অবাৰত তাৰ কিয় শত্ৰু হ'ব। 'গগন শৰ্ম্মা, ৰমেন বৰুৱা, চিত্ত ৰঞ্জন দে আৰু লতিফুৰ ৰহমান মোৰ ভাল বন্ধু। সিহঁতে সদায় হাঁহি মুখে মোৰ লগত কথা পাতে, স্ফূৰ্ত্তি কৰে; সিহঁতে কিয় মোৰ শত্ৰু হবলৈ যাব, কি কাৰণ থাকিব পাৰে মই একো বুজা নাই।

দ্বীজেনে ক'লে– ঈৰ্ষা, যাক ইংৰাজীত জেলাচী বুলি কয়'।

অবিনাশে জীৱনত কেতিয়াওঁ ঈৰ্ষা বোলা কথাটো অনুভৱ কৰা নাছিল। মানুহৰ মনৰ এনে এটা কুৎসিত্ দিশ্ আছে বুলি জনা নাছিল।

"দ্বীজেন, মোক ভালকৈ বুজাই ক'চোন, মোৰ মনটো কিবাখন লাগিছে।"

"তই আগৰটো পৰীক্ষাত বিশ্ববিদ্যালয়ত স্থান পোৱা নাছিলি গতিকে এতিয়া বছৰেকীয়া পৰীক্ষাত সিহঁততকৈ বেছি নম্বৰ ললে, সিহঁতৰ ঈৰ্ষা হ'বই। এইটো এটা সাধাৰণ কথা "।

দ্বীজেনৰ কথাখিনি শুনি অবিনাশে ক'লে যে, সি তেনেহলে পঢ়া-শুনা বাদদি কলেজ এৰি গুছি যাব।

"তই পাগল হৈছ্ অবিনাশ। তোক পঢ়া-শুনা এৰি দিবলৈ কোনে কৈছে। তোক মই বাৰ্ষিক পৰীক্ষাটোতহে বেছি নম্বৰ ধৰিব নেলাগে বুলি কৈছো। বি, এচ, চি ফাইনেল পৰীক্ষাত তই যিমান ভাল কৰ কৰি থাক, তোক তেতিয়া সিহঁতৰ ঈৰ্ষাই ঢুকি নেপাব"।

অবিনাশে ক্ষন্তেক বৈ সুধিলে "তেন্তে ঈৰ্ষা ভাৱ সকলোৰে থাকিব পাৰে নেকি ? মোৰও সেই ব্যাধিটো থাকিব পাৰে নেকি ?"

'তোৰও থাকিব পাৰে, কেতিয়া ই উক দিব তই গম নাপাবি'।

অবিনাশে দ্বীজেনৰ কথাটো শুনি চক্খাই গ'ল। সি আকৌ সুধিলে 'তেন্তে ভগবানে মানুহৰ দৰে শ্ৰেষ্ঠ প্ৰাণী এটাক ইমান দোষযুক্ত কৰি সৃজন কৰিলে কিয় ?"

ভগবানক দোষ নিদিবি অবিনাশ। ভগৱানে মানুহক ঠিকেই সৃষ্টি কৰিছে। জন্ম লোৱাৰ সময়ততো মানুহ দোষ মুক্ত হৈয়েই পৃথিবীলৈ আহে। এটা কেচুৱা কিমান নিষ্পাপ আৰু পবিত্ৰ তই মন কৰিছনে বাৰু। কিন্তু শিক্ষা, সমাজ ব্যৱস্থা, সামাজিক মূল্যবোধ, অভিভাৱক আৰু ঘৰুৱা শিক্ষকৰ ছাত্ৰৰ ওপৰত পৰা হেচাৰ পৰাই সেই দোষবোৰৰ উৎপত্তি। মামা আৰু মামীৰ তোৰ ওপৰত কোনো ধৰণৰ হেচা নাই আৰু তই সেই কাৰণেই মুক্ত হৈ থাকিব পাৰিছ। কিছুমান দেশত এইবোৰ হেচাত পৰি ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যা কৰিছে। সেইবোৰ কাৰণেই ইংলণ্ডৰ নিচিনা দেশবোৰত ব্যক্তিগত সাফল্যতকৈও মেধাবী ছাত্ৰ-ছাত্ৰীৰ একোটা গোটৰ উমৈহতীয়া সাফল্যৰ ওপৰতহে বেছি জোৰ দিবলৈ ধৰিছে।'

দ্বীজেনৰ কথাবোৰ শুনি অবিনাশে ক'লে তইঁত বঙালী মানুহবোৰে বহুত কথা জান, মই তোৰ ওচৰত হাৰ মানিলো ।

'তইঁতৰ অসমীয়াবোৰৰ দৰে হোজা হৈ থাকিলেও পিছে আজিৰ সংসাৰত চলিব নোৱাৰিবি । শত্রু তৈয়াৰ কৰি ল'ব নেলাগে, কিন্তু শত্রুৰ ক্রোধৰ পৰা ৰক্ষা পাবৰ কাৰণে, কেতিয়াবা দৰকাৰ হ'লে, কাৰো ক্ষতি নকৰা, মিছা কথা কবলগীয়া হ'ব পাৰে । যুধিষ্ঠিৰেও অশ্বত্থামা হত ইতি গজ বুলি ক'ব লগা হৈছিল ।'

কথা পাতি পাতি সিহঁত কটন কলেজ হোষ্টেলৰ ওচৰ পালেহি । অবিনাশ আহি হোষ্টেললৈ সোমাব আৰু দ্বীজেন পানবজাৰৰ নিজৰ ঘৰলৈ যাব । অবিনাশে হোষ্টেললৈ বুলি খোজ দিছে, এনেতে দ্বীজেনে পিছফালৰ পৰা মাতি ক'লে 'মামীয়েৰে তোৰ পাঁচ বছৰ বয়সৰ ফটোখন মোক উপহাৰ নিদিয়াহ'লে, মোৰ অন্তৰৰ অতবোৰ কুট কথা তোক মই সহজে ক'ব নোৱাৰিলোহেঁতেন । মানুহৰ সেই দিশটো দেখি মই নিজেও ভাল নেপাওঁ ।

দ্বীজেনে বিস্না এখনত উঠিবলৈ ধৰি আকৌ ক'লে"দৰ্শন বাদ দি কেৱল বিজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিলে কিন্তু পৃথিবীৰ ভাৰসাম্য হেৰাব । কথাটো মনত ৰাখিবি অবিনাশ" ।

দ্বীজেনৰ কথাবোৰ ভাবি ভাবি অবিনাশে হোষ্টেললৈ খোজ দিলে– বিজ্ঞান, মনোবিজ্ঞান, দৰ্শন, প্রেম, পৃথিবীৰ ভাৰসাম্য······ ।

* * * * *

অধ্যায়- ১৯

কটন কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ অবিনাশ এটা চফল ডেকা। কলেজত সোমাওঁতে থকা লৰামতীয়া ভাৱতো আৰু নাই। এদিন ডাঢ়ি নুখুৰালেই বেয়া দেখি। তাৰ পোছাক পৰিচ্ছদৰ ওপৰতো সি চকু দিবলৈ আৰম্ভ কৰিলে। আন আন ছাত্ৰৰ দৰে ভাল দৰ্জ্জিৰ দোকানত কাপোৰ চিলোৱা হ'ল। বৰ বেছি কাপোৰ কানি নাই যদিও যিখিনি আছিল তাকে সুন্দৰকৈ ধুই ইস্ত্ৰী কৰি লোৱা। নিজৰ কাপোৰ নিজেই ধুই লয়, কিন্তু ইস্ত্ৰী ধোবাৰ ঘৰতহে কৰাব লাগে। কেকোঁৰা-কেকুৰি চুলি কোছা, ভাল চেলুনত কাটি, মূৰটো ভালকৈ আচুৰিবলৈ ধৰিলে। হোষ্টেলৰ আন আন সৰহভাগ ছাত্ৰৰ দৰে, সিও পৰিপাটিকৈ কাপোৰ কানি পিন্ধাত, তাৰ সুন্দৰ চেহেৰাটোৱে সৈতে বেচ চকুত লগা হৈ পৰিল। প্ৰথম বাৰ্ষিকত নাম লগোৱাতকৈ আৰু এক ইঞ্চিমান ওখ হ'ল। এজাক ছাত্ৰ গোট খালেই, অবিনাশ তাৰ মাজত জিলিকি থাকে। কলেজৰ ছোৱালীবোৰেও অবিনাশৰ নাম দিছিল লিভিং এপলো। ভৰ যৌৱনে অবিনাশকো আমনি নকৰাকৈ থকা নাছিল। সি কিন্তু, কলেজত পঢ়া ছোৱালীবোৰৰ পৰা, সদায় আঁতৰত থাকিবলৈ দৃঢ় সঙ্কল্প লৈছিল। তাৰ স্বভাৱটোও আছিল লাজকুৰীয়া গতিকে-কেতিয়াবা বাধ্যত পৰি একেলগে পঢ়া ছোৱালী এজনীৰ লগত কথা পাতিব লগীয়াত পৰিলে কাণ মূৰ ৰঙা পৰি গৈছিল। লাজত তাৰ মুখৰ পৰা কথাবোৰ স্পষ্ট হৈ নোলোৱা হৈ পৰিছিল। ছোৱালীবোৰ এৰাই চলিছিল যদিও এবাৰ সি ছোৱালীৰ সংস্পৰ্শলৈ আহিবলগীয়া হ'ল।

ডিচেম্বৰ মাহত কটন কলেজৰ বছৰেকীয়া খেল-ধেমালি আৰম্ভ হ'ল। অবিনাশে বেড্‌মিন্টন্‌ আৰু টেনিচৰ ডবলচ্‌ আৰু চিঙ্গলচ দুয়োটাৰ উপৰিও মিক্সড্‌ ডবলচ্‌ প্ৰতিযোগীতাতো নাম ভৰ্ত্তি কৰি ৰাখিছিল। মিক্সড্‌ ডবলচৰ পাৰ্টনাৰ পোৱা টান; গতিকে মনতে ভাবিছিল পাৰ্টনাৰ পালে খেলিব, নহলে ৱাকঅভাৰ দিব। বেড্‌মিন্টন্‌ আৰু টেনিচৰ ডবলচৰ কাৰণে আগতেই পাৰ্টনাৰ ঠিক কৰি থৈছিল। মিক্সড্‌ ডবলচৰ পাৰ্টনাৰৰ কথা, আগতে বৰ চিন্তা কৰিবলৈ

নহ'ল। খেলি ভাল পাই কাৰণেই, প্ৰতিযোগীতাত যোগ দিছিল। পাৰ্টনাৰ বিচাৰি ফুৰি গম পালে যে আন আন প্ৰতিযোগীবোৰে ভাল বেড্‌মিণ্টন্ খেলিব পৰা ছোৱালী আগতেই বাছি ল'লে। অবিনাশ লাজকুৰীয়া কাৰণে পিছ পৰি ৰ'ল। কোনোৱাই অবিনাশক প্ৰথম বাৰ্ষিকৰ ছোৱালী এজনীয়ে ভাল খেলিব পাৰে বুলি, খবৰ দিলেহি। কিন্তু তাই বোলে প্ৰতিযোগীতাত ভাগ নলয়। অবিনাশে লাজ মান কাটি কৰি থৈ ছোৱালীজনীক দুবাৰো লগ ধৰিলে, কিন্তু তাইৰ কথা সেই একেটাই 'লাজ লাগে কাৰণে প্ৰতিযোগীতাত যোগ নিদিয়ে'। অবিনাশে অন্তত ৰাক অভাৱ দিম বুলিয়েই ভাবিছিল; কিন্তু তাৰ আগতে ছোৱালী হোষ্টেলৰ চুপাৰিনটেনডেণ্টৰ যোগেদি অনুৰোধ এটা কৰি চোৱাতো ভাল হ'ব বুলি বিবেচনা কৰিলে। বন্ধু দুজনমানৰ সৈতে কটন কলেজৰ ছোৱালী হোষ্টেল ওলালেগৈ। হোষ্টেল চুপাৰিন্‌টেন্‌ডেণ্টৰ আবাস পাই কলিং বেলটো টিপি দিলে। চুপাৰ ওলাই অহাত সিহঁতৰ অহাৰ উদ্দেশ্যটো ক'লে। সিহঁতে ছোৱালীজনৰ নাম কমা বুলি জানিছিল। চুপাৰে ক্ষন্তেক বৈ ক'লে, অ' তোমালোকে কমা মজুমদাৰৰ কথা কৈছা; তাই কেনে খেলে মই নেজানো কিন্তু হোষ্টেলৰ ছোৱালীৰ সৈতে মাজে মাজে খেলি থকা দেখা পাওঁ। চুপাৰে কমাক মতাই পথালে। তাই আহিলত ক'লে 'তুমি প্ৰতিযোগীতাত যোগ নিদিয়া কিয় ?' তাই একো উত্তৰ নিদিলে। ইমান লাজকুৰীয়া হ'লে কেনেকৈ হ'ব। আজিৰ ছোৱালীয়েটো ওৰণিৰ তলত মুখ ঢাকি চলিব নোৱাৰে। শিক্ষা দিক্ষা পাই, ছোৱালীবোৰেও পুৰুষৰ দৰেই আগবাঢ়ি আহিছে। বয়ৰ ছোৱালীলৈ নোচোৱা কিয় ? সিহঁতে চুটি চুটি হাফপেণ্ট পিন্ধি হকী খেলিবলৈ ওলাই আহিছে। শাৰী বা মেখেলা-চাদৰ পিন্ধি খেলিবলৈ অসুবিধা পালে চেলোৱাৰ কুৰ্টা পিন্ধি খেলিব পাৰা। এওঁ, মিক্সড্ ডবলচৰ পাৰ্টনাৰ বিচাৰি কেনেকৈ হাবাথুৰি খাইছে। কটন কলেজৰ ছোৱালী হোষ্টেলৰ চুপাৰ বৰ কাঢ়া বুলি সকলোৱে জানে ; তেওঁৰ দৰে মানুহ গৰাকীয়েও উৎসাহ দিয়াত তাইৰ মনটো কিছু কোমল যেন দেখা গ'ল।

তাইৰ শেষ উত্তৰ হ'ল 'মই কালিলৈ ক'ম, বাইদেউ।'

উত্তৰটো শুনি অবিনাশ আৰু বন্ধু কেইজনে চুপাৰক ধন্যবাদ দি ওলাই আহিল। সিহঁতে বাটত কথা পাতিলে 'আশা এটা আছে নেকি'। সিহঁতৰ মাজৰে এজনে ক'লে ছোৱালীজনী কিন্তু দেখিবলৈ বৰ ধুনীয়া। গাল দুখনৰ বং যেন গাখীৰত সেন্দুৰ সনা। আন এজনে ক'লে 'মই হ'লে, মুখখন চাব নোৱাৰিলো, কিন্তু গাৰ গঠনটো হ'লে বৰ ধুনীয়া দেখিলো'।

পিছদিনা কমাই, খেলিম বুলি কোৱাত, অবিনাশে ৰাক অভাৱ দিব লগা নহ'ল। কমাই যথেষ্ট ভাল খেলে। মিক্সড্ ডবলচত কমা আৰু অবিনাশৰ

জুবীয়ে আগবাঢ়ি গৈ ফাইনেলত প্ৰবেশ কৰিলেগৈ। টেনিচ আৰু বেড্‌মিন্টনৰ চিঙ্গলচত অবিনাশ কোৱাৰ্টাৰ ফাইনেলত হাৰিল। ডবলচত অৰণ্যে তুমুল প্ৰতিযোগীতাৰ অন্তত চেমি ফাইনেলতহে বিদায় লব লগা হ'ল। তাৰ কাৰণে মাত্ৰ বাকী থাকিল মিক্সড্ ডবলচ্‌খন। অন্ততঃ এখন খেলত চূড়ান্ত বিজয়ী হ'ব পাৰিলেও প্ৰতিযোগীতাত যোগ দিয়াৰ সাৰ্থক হ'ব।

সেইদিনা, মিক্সড্ ডবলচৰ ফাইনেল। সেইখনেই প্ৰতিযোগীতাৰ শেষ খেল আৰু খেলখন শেষ হোৱাৰ লগে লগেই বঁটা বিতৰণী সভা আৰম্ভ হ'ব।। ক্ৰীড়া প্ৰতিযোগীতাৰ সকলো বিভাগৰ বিজয়ী প্ৰতিযোগীবোৰৰ উপৰিও তেওঁলোকৰ বন্ধু-বান্ধৱ, ছাত্ৰ-ছাত্ৰী আৰু নিমন্ত্ৰীত ভদ্ৰলোকেৰে ঠাইখন ভৰি পৰিল। কলেজৰ ভালেখিনি অধ্যাপকো সেইদিনা উপস্থিত আছিল। বঁটা বিতৰণী সভাৰ সভাপতি আছিল কটন কলেজৰ প্ৰিন্সিপাল।

মিক্সড্ ডবলচ্ খেলখন আৰম্ভ হ'ল। খেলখন প্ৰায় সমানে সমানে চলি আছিল আৰু যথেষ্ট উত্তেজনাপূৰ্ণ হোৱাত দৰ্শক মণ্ডলীয়ে বৰ উপভোগ কৰিব পাৰিছিল। প্ৰথম গেম্‌টো কোনে পাই ঠিক নাই। খেল চলি ডিউচ পালেগৈ। হঠাতে এটা ঘটনাই সকলো আনন্দ উত্তেজনাৰ ওৰ পেলালে। ডিউচ্ চলি থকা অৱস্থাতে ঘটনাটো ঘটিল। অবিনাশে আগবাঢ়ি গৈ নেটত' চাটলটো প্লেচ কৰি দিলে, বিপৰীত ফালৰ পৰা থাৰ্ডকৰ্টলৈ মাৰি পঠিয়ালে। অবিনাশে কোনোমতেই আহি নেপাইহি। গতিকে কমাই দৌৰ মাৰি গৈ চাটলটো ফিৰাই মাৰিবলৈ যত্ন কৰোঁতেই অসমান ঠাইত ভৰি পৰি সক গাঁঠিত কচকা খাই বাগৰি পৰিল। অবিনাশে কোবাকুবিকৈ আহি তাইৰ জোতাপাট খুলি ভৰিটো মালিচ কৰি দিলেহি আৰু নিজৰ ভৰিৰ পৰা খুলি ইলাচটিকৰ বেণ্ডেজটো কমাৰ ভৰিত বান্ধি দিলে। কিন্তু কমাই দুপিয়াই দুপিয়াইও মাটিত খোজ পেলাব নোৱাৰিলে। বিষত তাইৰ চকুৰ পানী বৈ আহিল। সি ক্ষন্তেক পিছতে কমাক আলফুলকৈ ডাণ্ডি নি কৰ্টৰ বাহিৰত পাৰি থোৱা চকী এখনতে বহুৱাই দিলে। অবিনাশৰ মনটো বৰ বেয়া লাগিল। প্ৰতিযোগীতাত ভাগ লব নোখোজা ছোৱালী এজনীক জোৰ কৰি আনি খেলত নমাই সি কি দশা কৰিলে।

কমাই দুখ পোৱাত, খেলখন বন্ধ হৈ গ'ল। ইমান উত্তেজনা পূৰ্ণ খেল এখন এইদৰে অন্ত পৰাত সকলোৱে বেজাৰ পালে। কটন কলেজৰ ক্ৰীড়া প্ৰতিযোগীতাৰ বুৰঞ্জীত এনে দুৰ্ঘটনা আগতে কেতিয়াও ঘটা নাছিল। কলেজৰ ইউনিয়ন চেক্ৰেটাৰী আৰু ক্ৰীড়া বিভাগৰ চেক্ৰেটাৰীয়ে খেলৰ দায়িত্বত থকা অধ্যাপকৰ লগত আলোচনা কৰি এটা উপায় উদ্ভাৱন কৰিবলৈ তৎপৰ হ'ল। কমাৰ সলনি আন এজনী ছোৱালী দিব পাৰে নেকি চিন্তা কৰিবলৈ ধৰিলে।

কিন্তু বেডমিন্টন খেলৰ বিধিত তেনে কোনো নিয়ম নাই। খেলখন পুনৰ আৰম্ভ কৰাৰ কোনো উপায় নোপোৱাত পৰিল। ইফালে দৰ্শকৰ এচামে চিঞৰিবলৈ ধৰিলো 'চাবচ্টিটিউত দি হ'লেও খেলাখন পুনৰ আৰম্ভ কৰিব লাগে।' আন এচামে চিঞৰিলে 'বিধি নিষিদ্ধ খেল চলিব নোৱাৰে'। চিঞৰ-বাখৰ হুলস্থুলত পৰিস্থিতি উত্তপ্ত হৈ উঠিল। বাৰ্ষিক খেল প্ৰতিযোগীতাত এনে উশৃঙ্খল পৰিবেশ কাহানিও হোৱা নাছিল। পৰিস্থিতি বেয়াৰ ফালে যোৱা দেখি, কটন কলেজৰ প্ৰিন্সিপালে, মাইকটো আগত লৈ গহগহীয়া মাতেৰে আৰম্ভ কৰিলে, 'ছাত্ৰ-ছাত্ৰী' সকল; মই এনে এটা পৰিবেশৰ সৃষ্টি হোৱাত অন্তৰত বৰ দুখ পাইছো। মানুহে মনৰ আনন্দৰ কাৰণেহে খেল ধেমালী ক্ৰীড়া সমাৰোহ আদি পাতে। আজিৰ পৰিস্থিতিত খেলৰ বিধিখন বেছি তাৎপৰ্য্যপূৰ্ণ নে খেলখন শেষ হোৱাতো। আজিৰ খেলখন চাই, মই নিজেও বৰ উপভোগ কৰিছিলো, গতিকে আন কোনোৱা ছোৱালী ওলাই আহিলে মই খেলখন শেষ হোৱাতোহে বিচাৰো। ইয়াৰ উপৰিও ক্ৰীড়া উৎসৱৰ শেষ খেলখনত বিষাদ থাকি গ'লে কলেজৰেই বা কি অমঙ্গল সূচায়।

প্ৰিন্সিপালে দিয়া যুক্তি সকলোৱে মানি ললে। আনকি বিপৰীত পক্ষইও তেখেতৰ ৰায় ৰংমনে মানি লৈ প্ৰশংসনীয় ক্ৰীড়াসুলভ মনোভাৱৰ পৰিচয় দিলে।

আন এটা সমস্যা আহি পৰিল যে কমাৰ ঠাইত অবিনাশৰ কাৰণে পাৰ্টনাৰ কেনেকৈ পোৱা যায়। কোনোবা খেলিব জনা ছোৱালী আগবাঢ়ি আহিবনে বাৰু! মাইকত কেবাবাৰো ঘোষণা কৰা হ'ল। এইবাৰ কিন্তু এজনী ছোৱালী চকীৰ পৰা ঠিয় হৈ লাহে লাহে আগবাঢ়ি গ'ল; মেখেলা চাদৰ পিন্ধা, ওখ, সুন্দৰ স্বাস্থ্যৰ এজনী ধুনীয়া ছোৱালী। তাই খেল বিভাগৰ অধ্যাপকৰ ওচৰলৈ আহি জনালে যে তাই ভাল খেলিব নোৱাৰে, কিন্তু অতবোৰ ছাত্ৰ-ছাত্ৰীক হতাশ কৰি, খেলখন আধৰুৱাকৈ অন্ত পোৱা, তাই নিবিচাৰে। কোনোবা আগবাঢ়ি নাহিলে প্ৰিন্সিপালকো অৱজ্ঞা কৰা হ'ব।

সকলোৱে হাত চাপৰি বজাই উৎসাহ দিলে। ততালিকে তাইৰ কাৰণে এজোৰ চেলোৱাৰ কুৰ্টা যোগাৰ কৰা হ'ল। কমাৰ টেনিচষু যোৰ তাইৰ ভৰিত খাই পৰিল। ছোৱালীজনী বিজ্ঞান বিভাগৰ দ্বিতীয় বাৰ্ষিকৰ। বিৰাট হৰ্ষধ্বনিৰ মাজত পুনৰ খেল ডিউচৰ পৰা আৰম্ভ হ'ল। সেই গেমটোত অবিনাশৰ দল হাৰিল। দ্বিতীয় গেম আৰম্ভ হ'ল। অবিনাশৰ দল দুই আঠত পিছু পৰি আছিল। কিন্তু নতুন পাৰ্টনাৰৰ লগত লাহে লাহে ভাল বুজা বুজি হৈ আহিবলৈ ধৰাত, দুয়ো পক্ষৰ আঠ আঠ সমান হ'ল, আৰু সেই দ্বিতীয় গেমটো অবিনাশৰ দলে পেন্থৰ বাৰত জিকিল। সেই গেমটোত তেওঁলোক জিকাত

প্ৰায়বোৰ দৰ্শকেই আনন্দ পালে। আৰু এটা উত্তেজনাপূৰ্ণ গেম্ দেখাৰ সুযোগ আহি পৰিল। কিছু সময় জিৰণিৰ পাছত তৃতীয় ও চূড়ান্ত গেমটো আৰম্ভ হ'ল। সেই গেমটো প্ৰায় সমান সমান চলি আছিল। কেতিয়াবা অবিনাশৰ দল দুই বা এক পইন্টত আগবাঢ়ি আছিল। কেতিয়াবা আকৌ পিছ পৰি গৈছিল। বিপৰীত পক্ষৰ তেৰ আৰু অবিনাশৰ পক্ষৰ বাৰত খেলখন বহুসময় চাইদ অ'ভাৰ হৈ লাগি ধৰিল। অবিনাশে জান-প্ৰাণ দি খেলিছে। দুই পক্ষৰ তেৰ হোৱাত ডিউচ আৰম্ভ হ'ল। অবিনাশৰ দলে ডিউচ কৰিবলৈ সক্ষম হোৱাত বিপৰীত পক্ষৰ মনোবল কিছু কমি আহিল। ছাত্ৰ-ছাত্ৰীবোৰৰ কি উত্তেজনা। প্ৰকৃত ক্ৰীড়া উত্তেজনাই মানুহক আনন্দত কিমান উন্মাদ কৰি তুলিব পাৰে তাৰ অভিজ্ঞতা সেই মুহূৰ্তৰ খেল নেদেখাজনে উপলব্ধি কৰিব নোৱাৰে। অৱশেষত সকলো আনন্দ উত্তেজনাৰ পৰিসমাপ্তি ঘটি খেল শেষ হ'ল। অবিনাশৰ দলে চূড়ান্ত বিজয়ীৰ সন্মান পালে। ছাত্ৰবোৰে অবিনাশক আৰু ছাত্ৰীবোৰে সিহঁতৰ লগৰীয়া জনীক কিছু সময়লৈ মাটিত ভৰি পৰিবলৈ নিদিলে। আনন্দৰে উত্ৰাউল হৈ কিছুসময় জাপি লৈ ফুৰালে।

উত্তেজনা সাম কটাৰ পাছত বঁটা বিতৰণী সভা আৰম্ভ হ'ল। মিক্সড্ ডবলচ্ খেলখন প্ৰতিযোগীতাৰ শেষ খেল হোৱাৰ কাৰণে বঁটা বিজয়ীৰ নামও একেবাৰে শেষতহে ঘোষণা কৰা হ'ল। অবিনাশক বঁটা লবলৈ মাতিলত, সি প্ৰিন্সিপালক অনুমতি লৈ, কিবা এটা কবলৈ, মাইকৰ ফালে আগবাঢ়িল।

'মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপক বৃন্দ আৰু ক্ৰীড়ামোদী ছাত্ৰ-ছাত্ৰী বন্ধু সকল; মোৰ সৰল মিনতি এয়ে যে মই এই বঁটাৰ যোগ্য অধিকাৰী নহয় মই ভাবো এই বঁটাৰ যোগ্য অধিকাৰী হ'ল কমা মজুমদাৰ'। উত্তেজনাৰ বশবৰ্ত্তী হৈ সকলোৱে কমাৰ কথা পাহৰিয়েই গৈছিল। অবিনাশৰ এই বদান্যতা দেখি সকলো আচৰিত হ'ল। অবিনাশৰ অন্তৰখন ইমান বিশাল আৰু সংবেদনশীল। সভাপতি প্ৰিন্সিপালে তেতিয়া কমা মজুমদাৰৰ নাম ঘোষণা কৰিলে। আনন্দত দুগালেদি তাইৰ চকুলো বৈ আহিল। বিৰাট হাত চাপৰিৰ মাজত কমা মজুমদাৰ লেঙেৰাই লেঙেৰাই আহি, প্ৰিন্সিপালৰ হাতৰ পৰা কাপটো তুলিলৈ দুটা চুমা খালে– সেই চুমা যেন কপালী বং কৰা নিৰ্জীৱ কাপটোত নহয়, জিলিকি থকা অবিনাশৰ কোমল, নিমজ গাল দুখনতহে।

হোষ্টেললৈ উলটি আহোঁতে অবিনাশে ভাবিছিল সেই খেলখন চাই, তাৰ মামা আৰু মামীয়ে, কিমান আনন্দ পালেহেঁতেন।

* * * * *

অধ্যায়- ২০

বার্ষিক ক্রীড়া প্ৰতিযোগীতাত যোগ দিয়াৰ কাৰণে অবিনাশৰ পঢ়া-শুনাত কিছু ক্ষতি হৈছিল। প্ৰতিযোগীতা শেষ হোৱাৰ পিছদিনাৰ পৰাই অবিনাশে বৰ মনোযোগেৰে পঢ়া-শুনা আৰম্ভ কৰি দিলে। সি ভালকৈ জানিছিল যে সি বি, এচ, চিত ভাল বিজাল্ট কৰিব নোৱাৰিলে এম, এচ, চিত ভৰ্ত্তি হ'ব নোৱাৰিব। ফিজিক্সত এম, এচ, চি পঢ়াৰ এটা আগ্ৰহ মনতে সি পোষণ কৰি থৈছিল।

সময়ে সময়ে অবিনাশে বিজ্ঞানী সকলে মানৱজাতিৰ কাৰণে দি যোৱা অৱদান বোৰৰ কথা সোঁৱৰণ কৰিব বিস্ময় মানিছিল। প'লনিয়াম আৰু ৰেডিয়ামৰ আবিষ্কাৰক মেডাম কিউৰিয়ে নিজে আবিষ্কাৰ কৰা ৰেডিয়ামৰ টুকুৰা কেনেকৈ বুকুত বান্ধি লৈ ফুৰিছিল, যদিও তেখেতে জানিছিল যে ৰেডিয়ামে বিকিৰণ কৰা তেজস্ক্ৰীয়াৰ পৰা মাৰাত্মক বেমাৰ হ'ব পাৰে। আৰ্কিমিডিছে কেনেকৈ গভীৰ চিন্তাত মগ্ন হৈ গা ধুই থকা বাথটাবত সোমাই থকা অৱস্থাতে মগ্ন পদাৰ্থৰ হেৰোৱা ওজন কিমান সেই তথ্য উদ্ভাৱন কৰিবলৈ সক্ষম হৈছিল। ৰঞ্জন ৰশ্মিৰ আবিষ্কাৰক উইলহেল্ম কনৰাড ৰন্টজেন, পৰমাণুৰ তেজস্ক্ৰীয়াৰ আবিষ্কাৰক এন্টইন হেনৰি বেকুৰেল, ইলেকট্ৰনৰ আবিষ্কাৰক জোচেফ্ জন টমচন্, পৰমাণুৰ নিউক্লিয়াচৰ আবিষ্কাৰক লৰ্ড আৰনেষ্ট ৰাডাৰফোৰ্ড আৰু নিউক্লিয়াচৰ চৌপাশে থকা ইলেকট্ৰন বিলাকৰ নিউক্লিয়াচক প্ৰদক্ষিণ কৰাৰ প্ৰকৃতিৰ আবিষ্কাৰক নীলচ্ হেনৰিক চেভিডি বঁৰ আদি বিজ্ঞানী সকলৰ নাম মনলৈ আহিলে শ্ৰদ্ধাত অবিনাশৰ মূৰ নিজে নিজেই দোঁ খাই আহে। সি ভাবে নিউটন, ডাৰউইন আৰু মেৰ্কোনিৰ অৱদানো জানো কম যুগান্তকাৰী। সেই বিজ্ঞানী সকলে কৰা সাধনাৰ ফলতেই মানৱ সভ্যতা ক'ত দূৰ আগবাঢ়ি গ'ল। বিজ্ঞানীসকলৰ অসাধাৰণ সাধনাৰ ফলতেই যুগান্তকাৰী উদ্ভাৱনবোৰ সম্ভৱ হৈছিল। এজন বিজ্ঞানী হ'বলৈ কিমান কষ্ট, ত্যাগ, সহিষ্ণুতা আৰু ধৈৰ্য্যৰ প্ৰয়োজন। কষ্ট আৰু সাধনা নহ'লে লক্ষ্যত উপনীত হ'ব নোৱাৰি সেই কথা

ধূৰূপ। তাৰ মেজৰ ওপৰতে বখা বিশ্ববিশ্রুত আৰু ই=এম্ চি হোৱাৰ প্ৰমাণ কৰা বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ ফটোখনৈলে মাজে মাজে চাই নতুন উদ্যমেৰে পঢ়িবৰ কাৰণে প্ৰেৰণা পাইছিল।

পৰীক্ষাৰ ওচৰ চাপি আহিলে কটন কলেজ হোষ্টেলত এটা সুকীয়া পৰিবেশৰ সৃষ্টি হয়। চাৰিওফালে নিস্তাত নিস্তব্ধ। মজিয়াত আলপিন এটা পৰিলেও যেন তাৰ শব্দত আনৰ পঢ়াত ব্যাঘাত জন্মিব। এই পৰম্পৰা বহুদিনৰ আগৰে পৰাই চলি আহিছে– হয়তো হোষ্টেল প্ৰতিষ্ঠা হোৱাৰ দিনৰে পৰা। অসমৰ কিমান মেধাবী ছাত্ৰ এইখন কলেজেই সৃষ্টি কৰিছে। সেই পৰম্পৰাৰ লগত খাপ-খুৱাই সকলো ছাত্ৰই পঢ়াত নিমগ্ন। অবিনাশে এই পৰিবেশটো ভাল পাইছে তাৰ পঢ়াত অলপো বিঘিনি ঘটা নাই।

বি এচ চি ফাইনেল পৰীক্ষালৈ আৰু এমাহমানহে বাকী আছে। ফৰ্ম ভৰ্ত্তি কৰাৰ সময় আহি পালেহি। পিছত পঢ়াৰ হেঁচাত যোৱা নহ'ব পাৰে বুলি প্ৰায়বোৰ ছাত্ৰই ফাইনেল পৰীক্ষাৰ ফৰ্ম ভৰ্ত্তি কৰাৰ আগদিনাই মন্দিৰ, মজজিদ নাইবা গীৰ্জা ঘৰলৈ গৈ পৰীক্ষা ভাল হবৰ কাৰণে প্ৰাৰ্থনা কৰি আহিলেগৈ। অবিনাশেও আনৰ লগতে শুক্ৰেশ্বৰ মন্দিৰলৈ গৈ বন্তি এগছ আগবঢ়ালে। আন এটা চিন্তা থকাত তাৰ মনটো সেইদিনা মুকলি নাছিল। পিছদিনা তাৰ ফৰ্ম ভৰ্ত্তি কৰাৰ দিন, কিন্তু তাৰ ঘৰৰ পৰা টকা আহি নেপালেহি। মোমায়েকে সদায় সময় মতেই টকা পঠাই থাকে। এইবাৰ জানো কিয় টকা আহি পোৱা নাই।

অবিনাশেতো নাজানে মোমায়েকেনো কি অৱস্থাত পৰি টকা পঠিয়াব পৰা নাছিল। অবিনাশলৈ পৰীক্ষাৰ ফিজেৰে সৈতে সৰহ টকা পঠিয়াব লাগিব বুলি জানি মোমায়েকে সাত দিনমান আগতেই জেঠমল বাবুক টকা তিনিশমান লাগিব বুলি কৈ থৈ আহিছিল। জেঠমল বাবুৱে টকাখিনি পঠিওৱাৰ আগদিনা আহি লৈ যাবলৈ কলে।

জেঠমল বাবুৰ ওপৰতে নিৰ্ভৰ কৰি ৰজনী ফুকন নিশ্চিন্ত হৈ আছিল। তেওঁ কথা দিয়াৰ দৰেই ৰজনী ফুকন টকা আনিবলৈ গ'ল। পিছে ইটো সিটো কাৰণ দেখুৱাই আৰু দুদিনমান পিছুৱালে। টি এম্ অ কৰাৰ সময়ো উকলি যাও যাও হোৱাত জেঠমল বাবুৱে হঠাতে টকা দিব নোৱাৰো বুলি কৈ দিলে। ৰজনী ফুকনে বুজিলে যে জেঠমল বাবুৱে মাটি ডোখৰ হাত কৰিব নোৱাৰিয়েই তেওঁৰ ওপৰত প্ৰতিশোধ ললে। জেঠমল বাবুৱে জানিছিল যে সেইদিনা ৰজনী ফুকন মহা বিপদত পৰিব। সঁচাকৈয়ে সেইদিনা ৰজনী ফুকন মহা বিপদত পৰিল। ঘৈণীয়েকৰ সাঁচতীয়া পইচা কেইটাও তেওঁৰ অসুখত খৰছ কৰিবলগীয়া হ'ল। হঠাতে তেওঁ তিনিশ টকা কত পায়? ইফালে

সময়ো হাতত নাই। ফুকনে হাফিজ খাৰ ঘৰলৈ ঢাপলি মেলিলে। হাফিজখাক লগ পাই টকা তিনিশ লাগে বুলি কোৱাত হেন্দনোট এখন লৈ তেওঁ ৰজনী ফুকনৰ হাতত দুশ সত্তৰ টকা দিলে। নিজৰ হাতৰ পৰা বাকী টকা জোৰা মাৰি টি এম্ অ এখন কৰি আহিলেগৈ। ফুকনৰ সন্দেহ আছিল অৱিনাশে ফৰ্ম ভৰ্ত্তি কৰাৰ আগতে টকা পাবগৈ নে নাপায়। ভাত পানী নোখোৱাকৈ ফুকন বাহিৰে বাহিৰে আহি অফিচ পালেহি। তেতিয়া বাৰ বাজি গ'ল। ফুকনে সেইদিনা আকস্মিক চুটি লৈ যাবগৈ বুলিয়েই ভাবিছিল। সেইদিনাই উপায়ুক্ত চাহাবে জৰুৰী কাম এটা দি থোৱাৰ কাৰণে, ছুটিৰ দৰখাস্ত দি গুচি যোৱাটো দায়িত্বহীনতাৰ পৰিচায়ক হব বুলি ফুকনে বিবেচনা কৰিলে। ফুকন গৈ পোৱাৰ লগে লগেই তেওঁৰ অফিচৰ বাকীবোৰে জনালে যে উপায়ুক্তই ইতিমধ্যে দুবাৰো তেওঁৰ বিচাৰ কৰিছিল। ফুকনে ভাবিলে কামখিনি শেষ কৰি উপায়ুক্ত চাহাবক দেখা কৰিব। গতিকে লৰা লৰিকৈ কামত হাত দিলে।

ৰাতিপুৱাৰে পৰা মানুহজন নহা দেখি ঘৈণীয়েকৰ চিন্তাত তত্ নোহোৱা হ'ল। ভাত খাবলৈও নাহিলে। কিজানি বাহিৰে বাহিৰে অফিচতে সোমাল। জলপান অলপমান কৰি নিজেই অফিচ ওলালেহি। অফিচত আহি দেখে যে তেখেত কামত ব্যস্ত। ফুকননী আগতে কেতিয়াও অফিচলৈ অহা নাছিল। গতিকে লাজ লাজকৈহে অফিচত সোমাইছিল। জলপানখিনি আৰু তামোল দুখনমান দি তেওঁ ঘৰলৈ উভতিল।

মাত্ৰ কেইসপ্তাহমান আগতেহে নতুন উপায়ুক্তজনে কামত যোগ দিছিলহি। আহি পায়েই তেওঁ দেখিলে যে ৰেভিনিও চিৰস্তদাৰ আৰু হেড এচিচ্‌টেন্টে দিয়া টোকাৰ তলত চহীটো দিয়াৰ বাহিৰে তেওঁ নিজৰ বুলি হুকুম এটা দিব নোৱাৰে। উপায়ুক্ত অফিচৰ বেছিভাগ কামেই হেড্ এচিচ্‌টেন্টৰ জৰীয়তে হয়। ৰজনী ফুকনে উপায়ুক্ত অফিচৰ বিভিন্ন বিভাগত দক্ষতাৰে কাম কৰি অহা লোক। পঞ্জীয়ন অফিচ, কোষাগাৰ, ৰেজিষ্ট্ৰাড্ কানানগু অফিচ, ৰাজহ শাখা, কৰ্মচাৰী সংস্থাপন বিভাগ, নজৰত শাখাৰ উপৰিও কিছুদিন পেস্কাৰ কামও কৰিছিল। পেস্কাৰ কাম কৰাৰ কাৰণে আই, পি, চি, আৰু চি, আৰ পিচিৰ কিছুমান ধাৰাও জানিছিল। অফিচত লগা মূল নিয়মাৱলীৰ পৰা আৰম্ভ কৰি ৰাজহৰ নিয়মাৱলীলৈকে সকলোবোৰ তেওঁৰ ভালদৰে জনা আছিল। ইয়াৰ উপৰিও হাইকোৰ্ট আৰু চুপ্ৰীম কোৰ্টৰ ৰায়ৰ আৱশ্যকীয় প্ৰসঙ্গ নিৰ্দ্দেশবোৰৰ তালিকা এখন নিজৰ লগতে ৰাখিছিল। কোনোবাই কিবা নিয়মাৱলীৰ কথা জানিবলৈ বিচাৰিলে ফুকনে স্মৃতিৰ পৰাই কব পাৰিছিল। কাচিৎহে কিতাপখন মেলি সময়ৰ অপব্যয় কৰিবলগীয়া হৈছিল। ইয়াৰ উপৰিও, তেওঁ নিৰপেক্ষভাৱে কামবোৰ কৰাত তেওঁ দিয়া ফাইলত উচ্চ বৰ্গৰ বিষয়াই চহী কৰাৰ বাহিৰে

আন উপাই নেথাকে। কোনোবা কেতিয়াবা বিপদত পৰিলে ৰজনী ফুকনে ন্যায্য উপদেশ দি সহায়ো কৰিছিল। অফিচত সকলোৱে তেওঁক বিদূৰৰ দৰেই জ্ঞানী বুলিয়েই ভাবিছিল।

নতুন উপায়ুক্ত আহি কিন্তু তেওঁৰ মোল বুজা নাছিল। আগৰ আটাইবোৰ উপায়ুক্ত চাহাবেই ৰজনী ফুকনৰ টোকাৰ ওপৰত গুৰুত্ব দিছিল। কেতিয়াবা কোনোবা বিষয়াই ৰজনী ফুকনৰ টোকাৰ লগত একমত হব নোৱাৰিলে পুনৰ নিয়মাৱলীখন পুংখানুপুংখভাৱে বিচাৰ কৰিহে এটা হুকুম দিছিল। কিন্তু নতুন উপায়ুক্তজন তেনে ধৰণৰ নাছিল। বহুতো কাৰণত তেওঁ ভালেদিন সচিবালয়ত যুক্ত সচিব হিচাবে কাম কৰিবলগীয়া হৈছিল। তেওঁতকৈ তলৰ মানুহেও কেতিয়াবাই উপায়ুক্ত হ'ল, পিছে তেওঁ সচিবালয়তেই থাকি যাবলগীয়া হৈছিল। ইমান দিনৰ মূৰত উপায়ুক্ত পদটো পাইছে কিন্তু নিজৰ আদেশ এটাও দিব নোৱাৰে। তেওঁ অতীষ্ঠ হৈ আহিছিল। অতীষ্ঠ হবৰ কাৰণো অৱশ্যে যথেষ্ট আছিল। কেইজনমান ৰাজনৈতিক নেতাই হেঁচা দিহে তেওঁক উপায়ুক্ত কৰি আনিছে। ৰজনী ফুকন থকা কাৰণে সেই ৰাজনৈতিক নেতা কেইজনৰ হেঁচা পৰা স্বত্বেও আশা কৰাৰ দৰে কামবোৰ হৈ উঠা নাই। উপায়ুক্তই ৰজনী ফুকনক কিবা এটা কৰিবলৈ কলেই তেওঁ আইন বিধিৰ কথা উলিয়াই। উপায়ুক্তই বৰ জোৰ দি ধৰিলে ৰজনী ফুকনে লিখিত আদেশ বিচাৰে। উপায়ুক্তই বিধি সন্মত নোহোৱা কথাত নিজৰ গাত পাতি হুকুম দিব নোৱাৰে। নতুন চাকৰিত মকৰল কৰিবৰ কাৰণে লিখিত পৰীক্ষালৈ গুণাগুণৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা তালিকাত থকা নাম তল ওপৰ কৰিব নোৱাৰি উপায়ুক্তৰ খং উঠে। উপায়ুক্ত চাহাবে ৰজনী ফুকনক আঁতৰাবলৈ সুবিধা চাই আছিল। কিন্তু ৰজনী ফুকনক একোতে পেলাব নোৱাৰে। সেই দিনা দৰকাৰী কাম থকাতো ফুকন অফিচলৈ পলমকৈ অহাত ৰজনী ফুকনক এসেকা দিবলৈ উপায়ুক্তৰ সুযোগ এটা ওলাল।

চাৰিমান বজাত সকলো কাম শেষ কৰি ৰজনীফুকন উপায়ুক্তৰ কোঠাত সোমাল। ফুকনক দেখিয়েই উপায়ুক্তই গৰজি উঠিল। "হোৱাই দিড্‌·ইউ কাম চ' লেট্ টুডে– ইৰৰেচ্পনচিবল মেন ?

উপায়ুক্তই আগতেই চহী কৰি থোৱা ফুকনৰ নিলম্বিত কৰণৰ নিৰ্দেশটো ব্যক্তিগত সহায়ক জনে নিজেই জাৰি কৰিলে। ফুকন হতভম্ব হ'ল। অপমানিত আৰু লাঞ্চিত হৈ কিছুপৰ তলমূৰে থাকি বিনা প্ৰতিবাদে বাহিৰলৈ ওলাই আহিল। গীতাৰ শ্লোক এফাঁকি ফুকনৰ মনলৈ আহিল।

দুঃখেষ্বনুদ্বিগ্নমনা ঃ সুখেসু বিগত স্পৃহঃ।
বীত ৰাগ ভয় ক্ৰোধ ঃ স্থিত ধীৰ্মুনিৰুচ্যতে।'

ৰজনী ফুকনে নিজৰ মান সন্মান ৰজাই ৰাখি এবাৰো মাত নেমাতি, উপাযুক্ত চাহাবৰ কোঠাৰ পৰা ওলাই আহিব পাৰি জীৱনৰ এক বিৰাট অগ্নি পৰীক্ষাত উত্তীৰ্ণ হোৱা যেন পালে। ফুকন আহি ঘৰ পালেহি। চাহ-জলপান খাই কিছুপৰ জিৰণি ললে। মনত বেজাৰ লাগিলে ফুকনে গাটো ধুলে শান্তি পায়। ঘৈণীয়েকে গৰম পানী যতনাই দিয়াত গাটো ধুই গোসাই ঘৰত সোমাই কীৰ্ত্তনৰ কেইটামান অধ্যায় পঢ়িলে। গোসাই ঘৰৰ পৰা ওলাই অহাৰ পাছত মনটো কিছু পাতল লাগিল। ঘৈণীয়েকক ওচৰলৈ মাতি দিনটোত হোৱা গোটেইখিনি ঘটনা বিৱৰি কলে।

ঘৈণীয়েকে খন্তেক চিন্তা কৰি কলে এদিন অফিচলৈ পলমকৈ যোৱাৰ কাৰণেই চাচ্‌পেন্দ কৰিব লাগেনে ? মোৰ মনে ধৰিছে আপোনাক একো কৰিব নোৱাৰে। কিছুদিন অৱশ্যে আমাৰ লটি-ঘটি হব। এইবছৰ অবিনাশ বি এচ্' চি পৰীক্ষা দি আহিবই, গতিকে তালৈ আৰু পইচা পঠিওৱাৰ লেঠা নেথাকে। যোৱা বছৰ এনে এটা ঘটনা হোৱা হলেহে বৰ বিপদ হ'লহেতেন। এতিয়া আহক ভাত খাই শুই থাককহি। মানুহে কয় বোলে "সত্যৰ সদায় জয়।"

ৰজনী ফুকন নিলম্বিত হোৱা কথাটো হাবিত জুই লগাদি খন্তেকতে যোৰহাট টাউনত বিয়পি পৰিল। তেখেতক চিনি পোৱা মানুহবোৰে ভাবিলে, ৰজনীফুকনেনো ইমান বেয়া কাম কৰিলেনে যে নিলম্বিত হব লগা হ'ল।

ফৰ্ম ভৰ্ত্তি কৰাৰ শেষৰ দিনা আগবেলালৈকে অবিনাশৰ টকা আহি পোৱা নাছিল। অবিনাশৰ মনি অৰ্ডাৰ প্ৰিন্সিপালৰ নামত আহে; আৰু তেখেতে অবিনাশক লগে লগেই টকাখিনি দিয়ে। অবিনাশ মহা চিন্তাত পৰিল। মেচ্ ডিউজ্ বাৰু পাছতো দিব, কিন্তু ফৰ্ম ভৰ্ত্তি কৰিবলৈকে দুশ টকা লাগে। তাৰ মন ভাগি গ'ল। এবাৰ ভবিলে মোমায়েকৰে কিবা অসুখ বিসুখ হৈছে নেকি ? সি চিন্তা কৰিব বুলি খবৰ দিয়া নাই। পষ্ট অফিচৰ পৰাও এবাৰ খবৰ কৰি আহিলগৈ। নাই তাৰ নামত কোনো মনি অৰ্ডাৰ অহা নাই।

সি বুজি পালে যে তাৰ বি এচ্ চি পৰীক্ষা দিয়া নহ'ব। বাৰমান বজাত সি নিজেই আহি প্ৰিন্সিপালক দেখা কৰিলেহি।

প্ৰিন্সিপালে সুধিলে– 'অবিনাশ, তোমাৰ কিমান টকা আহিব লগা আছে ?'

'তিনিশ টকা চাৰ ;'

আজি তোমাৰ ফৰ্ম ভৰ্ত্তি কৰাৰ শেষদিন নহয়জানো ?

'হয় চাৰ।'

'অবিনাশ, তুমি ফৰ্মখন ভৰ্ত্তি কৰি নিজৰ কোঠাতে থাকিবা, কলৈকো নেযাবা। টকা আহিলেই মই তোমাক খবৰ দিম।'

অবিনাশ নিজৰ কোঠালৈ আহি ফাৰ্মখন ভৰ্ত্তি কৰি বিমৰ্ষমনেৰে নিজৰ

বিচনাখনতে ইকাতি সিকাতি কৰি সময়বোৰ নিয়াৰীলৈ যত্ন কৰিলে।

এঘন্টামান পাছত পিয়ন অভয় আহি প্ৰিন্সিপালে মাতিছে বুলি খবৰ দিলেহি। কটন কলেজৰ ছাত্ৰবোৰে প্ৰিন্সিপালক বাঘৰ দৰে ভয় কৰে; আনকি তেখেতৰ পিয়নটোকো, যদিও তাৰ নাম অভয়।

কোঠাত সোমোৱাৰ লগে লগেই, প্ৰিন্সিপালে অবিনাশক টকা তিনিশ দি কলে 'ফৰ্ম ভৰ্ত্তি কৰা আৰু ভালকৈ পঢ়া। তোমাৰ পৰা আমি ভাল ৰিজাল্ট আশা কৰিছো।'

টকাখিনি পাই অবিনাশৰ বৰ আনন্দ লাগিল। অবিনাশে এবাৰ সন্দেহো কৰিলে, কিজানি প্ৰিন্সিপালে নিজৰ পৰাই টকাখিনি দিছে; কিন্তু সি সুধিবলৈ সাহস নকৰিলে।

পিছত মোমায়েকে অবিনাশলৈ চিঠি এখন দি সুধিছিল যে ফৰ্ম ভৰ্ত্তি কৰাৰ পাছতহে মনি অৰ্ডাৰখন প্ৰিন্সিপালে পাইছিল; গতিকে সি সময়মতে ফৰ্মখন ভৰ্ত্তি কৰিব পাৰিলেনে নাই? অবিনাশে সকলো কথা জনাই মোমায়েকলৈ উত্তৰ দিলে।

পিছত মোমায়েকে কৃতজ্ঞতা জনাই প্ৰিন্সিপাললৈ এখন চিঠি দিলে। অবিনাশৰ মোমায়েকে প্ৰতিটো কথাই সুক্ষ্ম দৃষ্টিৰে চাই বুলি প্ৰিন্সিপালৰ আগৰে পৰাই থকা ধাৰণাটো দৃঢ়তৰ হ'ল।

ইফালে ৰজনী ফুকন নিলম্বিত হোৱাৰ পাছৰে পৰাই উপায়ুক্তৰ অফিচত খেলি মেলি লাগিবলৈ ধৰিলে। অতিৰিক্ত উপায়ুক্ত, সদৰ মহকুমা বিষয়া আৰু অতিৰিক্ত সহায়ক আয়ুক্ত আদি সকলো বিষয়াই ৰজনী ফুকনক ভাল পাইছিল। তেখেত সকলে দিয়া সকলো কাম ততালিকে আৰু নিৰহ নিপানিকৈ কৰি দিছিল। ফুকনে এদিন চুটি ললেই সকলোৰে অসুবিধা হয়; তেনেস্থলত তেওঁ নিলম্বিত হৈ আছে। ৰেভিনিউ চিৰস্তদাৰ গুৰুপ্ৰসাদ হাজৰিকা বেচ কাম কাজ জনা মানুহ, কিন্তু তথাপিও প্ৰায়বোৰ গুৰুত্বপূৰ্ণ কামতে ফুকনৰ পৰামৰ্শ নোলোৱাকৈ নেথাকে। গতিকে ৰজনী ফুকন নিলম্বিত হৈ থকাত তেওঁৰো সৌহাত চিগা যেন হ'ল। বৰ দৰকাৰী কাম হলে অৱশ্যে তেতিয়াও ফুকনৰ ঘৰলৈকে গৈ কৰাই আনিছিল। অফিচ নোটত অৱশ্যে ফুকনে নিলিখে অৰ্থাৎ নিলম্বিত হৈ থকাৰ সময়ত লিখিব নোৱাৰে।

ৰজনী ফুকন নথকাত উপায়ুক্ত চাহাবে মুখেৰে নিৰ্দ্দেশ দি তলতীয়া কৰ্মচাৰীবোৰৰ হতুৱাই বহুতো অনিয়মৰ কামো কৰাব পৰা হ'ল। তেখেতে কৰা অনিয়ম আৰু দুৰ্নীতিৰ কথা বুবু বাবা কৰি চাৰিওফালে বিয়পিবলৈ ধৰিলে। আটাইবোৰ বেয়া বস্তুৰ প্ৰতিয়েই তেখেতৰ অত্যাধিক দুৰ্ব্বলতা আছিল। উচ্চ পদস্থ বিষয়াৰ কিবা দুৰ্ব্বলতা থকা বুলি গম পালেই সুবিধাবাদী

আৰু তোষামোদকাৰীয়ে ভৰি পৰে। কাকো একো নোকোৱাকৈয়ে সেইবোৰ বস্তু উঁভেনদী হৈ পৰে। মোটা টকা পোৱাৰ সুবিধা দেখিলেই ফাইল ৰাখি থয়। হাৰাশাস্তি হৈ ভুক্তভোগী আহি দেখা কৰিলেই সকলো কাম হৈ যায়। মন্ত্ৰীসকলৰ উপৰিও কথাটো গৈ মুখ্য সচিবৰ কাণত পৰিল। তেখেতৰ দৰে মানুহক উপাযুক্ত কৰি ৰাখিলে প্ৰশাসনৰ দুৰ্ণাম হোৱাটো খাটাং বুলি জনাত ছমাহ নৌহওঁতেই তেখেত বদলি হ'ল। তেখেতৰ বদলিৰ নিৰ্দ্দেশটোত যেন নিহিত আছিল 'পুনৰ মুচিক ভব।'

নতুন উপাযুক্ত আহি কামত যোগ দিলেহি। আগতে যোৰহাটত সহকাৰী আযুক্ত হিচাবে কাম কৰা; গতিকেই ৰজনী ফুকনক ভালদৰে জানিছিল। তেখেতে ৰজনী ফুকনৰ অনুপস্থিতি উপলব্ধি কৰিলে। খবৰ লোৱাত জানিব পাৰিলে যে ফুকন নিলম্বিত হৈ আছে। ৰজনী ফুকনৰ ফাইলটো খোজাই আনি পঢ়ি চাই দেখে যে যিবোৰ অভিযোগ অনা হৈছিল সেইবোৰৰ যথাযথ উত্তৰ ৰজনী ফুকনে ইতিমধ্যে দিছিল। ফুকনৰ নিলম্বিত কৰণ উঠাই লোৱাৰ আদেশৰ উপৰিও পুৰা দৰমহা সহ চাকৰিত পুনৰ সংস্থাপিত কৰা হ'ল।

* * * * *

অধ্যায়- ২১

অবিনাশে বিজ্ঞানৰ স্নাতকৰ পৰীক্ষা শেষ কৰি ঘৰলৈ উভতিল। পৰীক্ষা ভাল হোৱা বুলিয়েই তাৰ ধাৰণা। সকলো বিষয়ৰে প্ৰশ্ন কাকুতবোৰ নিয়মীয়া ধৰণেৰে হোৱাত উত্তৰবোৰো তাৰ মনৰ মতেই লিখিব পাৰিছিল। তথাপিও কিন্তু ফিজিক্সৰ প্ৰেক্টিকেল পৰীক্ষা দি সি সিমান সুখী হব পৰা নাছিল। প্ৰেক্টিকেল পৰীক্ষা দিয়াৰ দিনা লেবৰেটৰীত সোমোৱাৰ লগে লগেই ডেমনেষ্ট্ৰেটৰ দ্বিগেন শইকীয়া চাৰে অবিনাশক কৈছিল- "অবিনাশ সকলোবোৰ লেবৰেটৰীৰ যন্ত্ৰপাতি ভালকৈ পৰীক্ষা কৰি থোৱা আছে; প্ৰেক্টিকেল পৰীক্ষা দি অসুবিধা নেপাবা।" তেখেতৰ আশ্বাস পাই অবিনাশে নিশ্চিন্ত আছিল। অবিনাশৰ ভাগ্যত এটা জটিল পৰীক্ষাই পৰিল। সেই পৰীক্ষাটো কৰাৰ নিয়মো সি ভালদৰে জানিছিল। টান পৰীক্ষা এটা ভালকৈ কৰিব পৰাৰ আনন্দ এটাও আছে। পিছে পৰীক্ষাটো কৰি থাকোতে সি দেখিলে যে যন্ত্ৰটোত এটা খুঁট আছে। সি বিচৰা সুক্ষ্মতালৈ উত্তৰটো আনিব নোৱাৰি। আন যি কোনো ছাত্ৰই পৰীক্ষাটো সিমানতে অন্ত পেলাব পাৰিলেও সুখী হ'লহেতেন; কিন্তু অবিনাশ নহ'ল। মৌখিক পৰীক্ষা হোৱাৰ সময়ত পৰীক্ষকক সেই কথাটো কম বুলি ভাবিছিল; কিন্তু তেখেতসকল পৰীক্ষা লৈ লৈ ভাগৰি পৰা দেখি আকৌ নতুন এটা সমস্যাৰ সৃষ্টি কৰি তেখেতসকলৰ মূৰত বোজা বঢ়াব নুখুজিলে।

পৰীক্ষা শেষ কৰি ঘৰলৈ আহি অবিনাশৰ ভাল লাগিছে। মুকলিমূৰীয়াকৈ ফুৰিবলৈ পাই তাৰ মূৰতো পাতল লাগিল।

ঘৰতে বহি থকা গম পাই এদিন ভেন্‌চাৰ স্কুল এখনৰ প্ৰধান শিক্ষক আৰু চেক্ৰেটেৰী আহি অবিনাশৰ ঘৰ ওলালেহি। অবিনাশ তেতিয়া ঘৰত নাছিল। মোমায়েকে কলে যে তেওঁক আৰ্থিক সহায় কৰিবৰ কাৰণে অবিনাশে শিক্ষকতা কৰাটো তেওঁ বাঞ্ছা নকৰে। কিন্তু তাৰ যদি শিক্ষাদানৰ প্ৰতি আগ্ৰহ আছে তেন্তে ঘৰতে বহি থকাতকৈ সৎ কাম এটাত লাগি দিলে তেওঁ বেয়া নাপায়।

বি এচ্ চি পৰীক্ষা দি আহি তাৰ অন্ততঃ অলপ জিৰণিৰো প্ৰয়োজন আছে। ৰিজাল্ট ওলোৱাৰ লগে লগেইতো আকৌ ব্যস্ততা আহি পৰিব। আপোনালোকে অবিনাশকেই সুধি চাওঁক। 'মোৰ ফালৰ পৰা কোনো আপত্তি নাই।'

পিছদিনা ৰাতিপুৱা তেখেতসকল দুয়ো আকৌ ওলালহি। অবিনাশক লগ পাই অঙ্কৰ শিক্ষক এজন নোহোৱাৰ কাৰণেই স্কুলখনৰ বৰ অসুবিধা হৈছে বুলি কলে। অবিনাশে কিছুদিন শিক্ষকতা কৰি দিলে ছাত্ৰবোৰৰ বৰ উপকাৰ কৰা হ'ব। তেখেতসকলে উপযাচি ইয়াকে কলে যে গোটেই দিনটো স্কুলত থাকিব নেলাগে– নবম আৰু দশম শ্ৰেণীত অঙ্ক শিকোৱাৰ সময়খিনিত স্কুল আহি পালেই হ'ব। স্কুলখনে তেতিয়াও ঘাটি মঞ্জুৰী চৰকাৰী অনুদান পোৱা নাছিল। দুবছৰমান ভাল ৰিজাল্ট কৰিব পাৰিলেই স্বীকৃতি পোৱাৰ আশা আছে। অবিনাশৰ সহায় পালে তেওঁলোক বৰ উপকৃত হ'ব। অহাযোৱা কৰিবৰ কাৰণে চাইকেল এখনো তেওঁলোকেই যোগাৰ কৰি দিব। অবিনাশে পিছদিনাৰ পৰা স্কুললৈ যাব বুলি কথা দিলে। মামীয়েকে কথাটো শুনি বেয়া নেপালে। অবিনাশে ভালকৈ পঢ়াব পাৰিব বুলি তেওঁৰ এটা বিশ্বাস আছিল। ছাত্ৰ-ছাত্ৰীবোৰো উপকৃত হ'ব।

পিছদিনা অবিনাশ স্কুল ওলালগৈ। প্ৰধান শিক্ষকে কোৱাৰ দৰেই অবিনাশক কেৱল নবম আৰু দশৰ শ্ৰেণীৰ অঙ্কৰ ক্লাচ লবলৈ দিলে। এটা সাধাৰণ অঙ্কৰ আৰু আনটো ঐচ্ছিক অঙ্কৰ। অবিনাশে দুই এদিন পঢ়াই দেখিলে যে ছাত্ৰবোৰ অঙ্কত একেবাৰে কেঁচা। তলৰ ক্লাচৰ অঙ্কবোৰেই সিহঁতে নাজানে। অবিনাশ মহা সমস্যাত পৰিল। স্কুলত সোমাই ভুলেই কৰিলেনেকি? সমস্যাটো প্ৰধান শিক্ষকক্ জনোৱাটো উচিত হব বুলি বিবেচনা কৰিলে। সি স্কুলখনৰ সমস্যাক নিজৰ বুলি লোৱাত প্ৰধান শিক্ষক বৰ সুখী হ'ল।

'বুজিছা অবিনাশ, আজিকালি বেছিভাগ শিক্ষকেই চাকৰিহে কৰে, শিক্ষকতা নকৰে। তোমাৰ আগ্ৰহ দেখি মই বৰ সুখী হৈছো। তুমি চিন্তা কৰি ছাত্ৰবোৰক অঙ্কত কেনেকৈ ভাল কৰিব পাৰি তাৰ এটা উপায় উলিয়াবলৈ চেষ্টা কৰাচোন।'

অবিনাশে কলে– 'মই চিন্তা কৰি কিবা এটা উপাই উলিয়াবলৈ চেষ্টা কৰিম বাৰু।'

দুদিনমান পাছত, অবিনাশে প্ৰধান শিক্ষকক লগ ধৰি অভিভাৱক সকলৰ এখন সভা পাতিবলৈ উপদেশ দিলে। সেই সভাতে ছাত্ৰ-ছাত্ৰীবোৰৰ দুৰ্ব্বলতা আৰু অসুবিধাবোৰৰ বিষয়ে আলোচনা কৰিব লাগে। প্ৰধান শিক্ষকে উপদেশটো বৰ মনোগ্ৰাহী পালে। তেখেতে স্কুলৰ চেক্ৰেটাৰী আৰু সভাপতিৰ লগত আলোচনা কৰি সাত দিনৰ পিছত অভিভাবক সকলৰ এখন সভা আহবান

কৰিলে। প্ৰায়বোৰ অভিভাৱকেই আহি সভাত যোগ দিলেহি। নিজৰ লৰা-ছোৱালী শিক্ষা দীক্ষাত ভাল হোৱাতো সকলোৱেই বাঞ্ছা কৰে।

সেইদিনা সভাত সভাপতিত্ব কৰিছিল স্কুলৰ কাৰ্য্যবাহী সমিতিৰ সভাপতিয়ে। প্ৰবীন শিক্ষক লক্ষ্যধৰ বুঢ়াগোহাঁয়ে সভাৰ উদ্দেশ্য বহলাই কলে। তেখেতৰ মূল বক্তব্য আছিল এয়ে 'সামাজিক আৰু ঘৰুৱা পৰিবেশৰ ওপৰতে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ গুণা-গুণ বহুখিনি নিৰ্ভৰ কৰে। গতিকে প্ৰতিজন অভিভাৱকে নিজৰ ঘৰখনলৈ এটা শৈক্ষিক পৰিবেশ আনিবলৈ যত্ন কৰিব লাগে'।

লৰা-ছোৱালীয়ে যাতে ঘৰত পঢ়া-শুনাৰ ওপৰত মনোনিবেশ কৰে তালৈ চকু দিব লাগে। বংশগত প্ৰভাৱৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ বুদ্ধিমত্ত্বা, শাৰিৰীক গঠন স্বাস্থ্য আদি বহুখিনি কথা নিৰ্ভৰ কৰে যদিও পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাৰ উন্নতি সাধন কৰিও শিক্ষাৰ মানদণ্ড ভালেখিনি ওপৰলৈ নিব পাৰি বুলি শিক্ষাবিদ সকলে মত প্ৰকাশ কৰিছে। বংশগত প্ৰভাৱৰ ওপৰত মানুহৰ হাত নাই, ই ঈশ্বৰৰ দান, কিন্তু পৰিবেশ আমি সৃষ্টি কৰিব পাৰো। স্কুলৰ ফালৰ পৰা কৰিবলগীয়া সকলোখিনিয়েই শিক্ষক সকলে কৰিব বুলি গাত লৈছে, কিন্তু অভিভাৱক সকলেও ঘৰত কিছু যত্ন ললে শিক্ষাৰ মানদণ্ড বহুখিনি ওপৰলৈ যাব। ভালকৈ পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীক মৰম সাদৰেৰে পুৰস্কৃত কৰিব লাগে আৰু পঢ়া-শুনা নকৰা লৰা-ছোৱালীয়ে শাস্তি পাব বুলি জানিব লাগে। শাস্তি মানেই এচাৰিৰে কোবোৱাৰ কথা নুবুজায়। বুদ্ধিৰে বহুধৰণৰ মানসিক শাস্তি বিহি ভাল পথলৈ আনিবলৈ যত্ন কৰিব লাগে। কণ কণ ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্ৰত পিতৃতকৈ মাতৃৰ ভূমিকা বেছি গুৰুত্বপূৰ্ণ। মাতৃসকলে ল'ৰা-ছোৱালীৰ মন বেছিকৈ বুজিব পাৰে। তেখেতে আৰু ক'লে যে ছাত্ৰ-ছাত্ৰীবোৰে অঙ্কবিষয়টোত একেবাৰে কেঁচা হৈ আছে; গতিকে অভিভাৱক সকলে ঘৰত যত্ন লোৱাটো নিতান্ত আৱশ্যক হৈ পৰিছে। তেখেতে উপদেশ দিলে যে অভিভাৱক সকলৰ ভিতৰতো সকলোৱে অঙ্ক বিষয়ত পাৰ্গত নহবও পাৰে, আৰু তেনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীক লগৰ অঙ্ক জনা বন্ধু-বান্ধৱৰ পৰা শিকি ল'বলৈ উদ্গনি দিব লাগে। নিজৰ বন্ধু-বান্ধৱৰ লগত সিহঁতে মন খুলি আলোচনা কৰিবলৈ দ্বিধাবোধ নকৰে।

প্ৰধান শিক্ষকে বক্তব্য সামৰাত সভাপতি গৰাকীয়ে অভিভাৱক আৰু শিক্ষক সকলক দু-আষাৰমান কবলৈ অনুৰোধ কৰিলে। তেখেত সকলে কোৱাৰ পাছত অবিনাশেও দু-আষাৰমান কবলগীয়া হ'ল। সি কেতিয়াও বক্তৃতা দি পোৱা নাছিল। থিয় হোৱাৰ লগে লগেই তাৰ বুকুখন কঁপি উঠিল। অতি লাহে লাহে দু-দাষাৰমান কব পৰাত তাৰ আত্মবিশ্বাস ঘূৰি আহিল। উচিত বুলি ভবা দু-আষাৰমান কথা ভালকৈয়ে কব পাৰিলে।

"মোৰ শিক্ষকতাৰ অভিজ্ঞতা নাই বুলিয়েই কব পাৰি। সৌ সিদিনাহে স্কুলত সোমাইছো। মোক নিজকে এতিয়াও ছাত্র যেনেই লাগি থাকে। স্কুলৰ প্ৰবীন শিক্ষক আৰু গণ্যমান্য অভিভাৱকবৃন্দ আৰু অভিজ্ঞ শিক্ষক সকলে দিয়া পৰামৰ্শ সময় উপযোগী হৈছে বুলি ভাবো আৰু সমৰ্থন কৰো। মোৰ নিজা অভিজ্ঞতাৰ পৰা ইমানকে কব খোজো যে পানীত সাঁতোৰ শিকোতে আনে যিমানেই সহায় নকৰক কিয় নিজৰ প্ৰচেষ্টাৰেহে শিকিব পাৰি। অৰ্ন্তদৃষ্টিৰ সংব্যৱহাৰ কৰি নিজেহে জ্ঞান আহৰণ কৰিব পাৰে। ল'ৰা-ছোৱালীৰ মাজত এই প্ৰচেষ্টাৰ মনোভাৱ জগাই তুলিব লাগে।"

সভাপতিৰ ভাষণ দিবলৈ শ্ৰীসৰ্ব্বেশ্বৰ পঞ্চানন থিয় হ'ল– 'শ্ৰদ্ধেয় ৰাইজ, অভিভাৱক সকল, শিক্ষকবৃন্দ আৰু মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী সকল। আজিৰ সভাত হোৱা সাৰগৰ্ভ আলোচনাৰ পৰা মোৰ ধাৰণা হৈছে যে আমাৰ সভাৰ উদ্দেশ্য সফল হৈছে। শিক্ষাৰ বিষয়ে বহুতো নিজে নজনা কথা জানিব পাৰিলো। শিক্ষাৰ ক্ষেত্ৰত আমি কিমান কাম কৰিবলগীয়া আছে আজিহে ভালদৰে উপলব্ধি কৰিব পাৰিছো। মই ইমানেই উৎসাহ পাইছো যেন নিজেও ছাত্ৰ অৱস্থালৈ ঘূৰি গৈ বহুতো নজনা কথা শিকি ল'ম। মানুহে কথাতে কয় বোলে "পঢ়ে পঢ়ুৱাই ৰোৱে পাণ এই তিনিয়ে নিচিন্তে আন।" আমি এতিয়া এটা নতুন উদ্যমেৰে পঢ়াশালিত, ঘৰত আৰু সমাজত এটা শৈক্ষিক পৰিবেশ সৃষ্টি কৰিবলৈ যত্ন কৰিব লাগে। আজিৰ সভাতেই সকলো শেষ বুলি ধৰিলে আমি লক্ষ্যত উপনীত হব নোৱাৰিম। যেনেকৈ ভাল সঁচৰ গুটি হলেও সাৰ-জাৱৰ নেপালে ভাল ফল নধৰে ঠিক তেনেকৈয়ে উপযুক্ত পৰিবেশ নাপালে ভাল ছাত্ৰও বেয়া হ'ব পাৰে। অন্য হাতেদি অনুকূল পৰিবেশত কম মেধাৰ ছাত্ৰ-ছাত্ৰীয়েও তাৰ জন্মগত সম্ভাৱনাখিনিৰ পূৰ্ণ বিকাশ সাধন কৰিবলৈ সুবিধা পায়।"

সভাপতিয়ে ভবিষ্যতলৈ সকলোৰে গঠনমূলক সহযোগ কামনা কৰি সভা ভঙ্গ কৰিলে।

সেই উদ্দেশ্যমুখী সভাখন হৈ যোৱাৰ পাছৰে পৰা অভিভাৱক সকলৰো চকু খোল খালে। শিক্ষক সকলৰ উপৰিও যে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি তেওঁলোকৰ দায়িত্ব আছে সেইকথা উপলব্ধি কৰিবলৈ ধৰিলে। শিক্ষক সকলেও আগতকৈ বেছি নিষ্ঠা সহকাৰে পঢ়াবলৈ ধৰিলে। এটা নতুন সজীৱ বাতাবৰণৰ সৃষ্টি হ'ল।

প্ৰধান শিক্ষকে অৱশ্যে অবিনাশক অলকশৰীয়াকৈ নিজৰ কোঠালৈ মাতি নি উদ্দেশ্যমুখী পৰামৰ্শ দিয়া বাবে ধন্যবাদ দিলে।

অবিনাশে প্ৰথমে দৈনিক চৰিটা শ্ৰেণীহে লম বুলি কথা দিছিল। কিন্তু

কোনোবা শিক্ষক উপস্থিত নাথাকিলে তেওঁ অধিক ক্লাছ লবলৈ আগবাঢ়ি আহিছিল। প্ৰায়ে দুজন বা তিনিজন শিক্ষক ছুটিত থাকে। গতিকে অবিনাশে দৈনিক ছয় সাতটা ক্লাছ লবলগীয়া হয়। ইয়াৰ উপৰিও নবম আৰু দশম শ্ৰেণীৰ ঐচ্ছিক অঙ্কৰ ছাত্ৰ-ছাত্ৰীখিনিক সপ্তাহত তিনিদিনকৈ ছুটিৰ পিছত অতিৰিক্ত ক্লাছ লৈ সিহঁতক আগুৱাই দিবলৈ যত্ন কৰিছিল। নবম আৰু দশম মান শ্ৰেণীত অঙ্ক শিকাবৰ কাৰণে অবিনাশে নিজেও ঘৰত কিতাপ চাবলগীয়া হৈছিল। অতখিনি শ্ৰম কৰাৰ সত্বেও অবিনাশে ক্লান্ত হোৱা যেন অনুভৱ কৰা নাছিল। শিক্ষকতাৰ দৰে মহান কৰ্মত নিয়োজিত হৈ থকাৰ কাৰণে এক অ ্তর্নিহিত শক্তিয়ে নিৰন্তৰে অবিনাশৰ মন আনন্দিত কৰি ৰাখিছিল। আন ম নুহেও তাৰ দৰে এটা মুকলিমুৰীয়া, শান্ত আৰু আনন্দৰ জীৱন উপভোগ কৰিবলৈ পাইনে বাৰু ?

চাওঁতে চাওঁতে অবিনাশৰ শিক্ষকতা কৰা পচিশ দিন হলহি। অবিনাশেও পচিশ দিনৰ দৰমহা পাব। দৰমহাৰ বিল তৈয়াৰ কৰিবলৈ স্কুলখনত বেলেগ মানুহ নাছিল। এজন শিক্ষকেই বিল কৰে আৰু দৰমহাও দিয়ে আৰু কেছবুকখনো লিখি প্ৰধান শিক্ষকক চহী কৰিবলৈ দিয়ে। নতুন শিক্ষক আহিলে চাহ মিঠাই খুউৱাৰ এটা নিয়ম চলি আহিছে। অবিনাশ তাৰ ব্যতিক্ৰম হোৱাৰ প্ৰশ্নই নুঠে।

অবিনাশে তথাকথিত অনুমোদন দিয়াৰ পাছত দৰমহা পাবলগীয়া দিনাই দুপৰীয়া বিৰতিৰ সময়ত সকলো শিক্ষক মিলি চাহ মিঠাই খাই সময়খিনি উপভোগ কৰিলে।

দৰমহা বিতৰণ কৰা শিক্ষকজনে অবিনাশক দৰমহা লবলৈ কেবাবাৰো খবৰ দিয়ালে। অবিনাশে নুশুনা ভাও ধৰি বহি থাকিল। তাৰ টকা লবলৈ লাজ লাগিল। বি এচ্ চি পৰীক্ষাৰ ৰিজাল্ট ওলোৱাই নাই; এতিয়াও সি ছাত্ৰ হৈয়েই আছে, তাতে আকৌ কেইদিনমানৰ পাছত স্কুল এৰি গুছিয়েই যাব। তেনেস্থলত দৰমহা কেনেকৈ লয়। স্কুলৰ কামত যোগ দিয়াৰ আগতে তাক এশ টকা দৰমহা দিয়া হব বুলি প্ৰধান শিক্ষকে কৈছিল। কিন্তু সচাঁকৈয়ে যে দৰমহা লোৱাৰ দিন এটা আহি পৰিব সেই কথা সি কল্পনা কৰিব পৰা নাছিল। অবিনাশ দৰমহা নোলোৱাকৈয়ে ঘৰলৈ গুচি আহিল। প্ৰধান শিক্ষক লক্ষ্যধৰ গোহাঁয়ে বুজিলে যে অবিনাশে দৰমহা লবলৈ লাজ কৰিছে। গতিকে টকা কেইটা লেফেফা এটাৰ ভিতৰত ভৰাই সন্ধ্যা সময়ত নিজেই গৈ ৰজনী ফুকনৰ হাতত দি কলে "এইটো অবিনাশক দিব"। অৰিনাশে ৰাতি ফুৰি চাকি ঘৰ সোমালত মোমায়েকে অবিনাশক লেফেফাটো দিলে। লেফেফাটো খুলি চাই দেখে যে তাৰ ভিতৰত এখন ৰেভিনিউ-ষ্টাম্প লগোৱা ৰছিদ আৰু আশীটা

টকা। এইখিনি তাৰ নিশ্চয় উপাৰ্জ্জনৰ ধন বুলি টকা কেইটা সি লিৰিকি বিদাৰি চালে। মোমায়েকে মামীয়েকে মৰম চেনেহ কৰি ডাঙৰ-দীঘল নকৰা হলেনো বাৰু তাৰ কি অৱস্থা হ'লহেঁতেন। কাৰোবাৰ ঘৰৰ বন কৰা, হালোৱা মহ ৰখীয়া হৈ থকাৰ বাহিৰে তাৰ আন সম্ভাৱনা নাছিল। সেই কেইটা তাৰ নিজৰ ধন বুলি গণ্য কৰিবলৈ সি টান পালে। সেইবোৰ চিন্তা কৰি অবিনাশে মামীয়েকৰ হাতত টকা কেইটা দি কলে 'মামী এইয়া লওঁক মোৰ প্ৰথম উপাৰ্জনৰ ধন; আপুনি মনৰ জোখাৰে কিবা এটা কিনিব। অবিনাশে আগ্ৰহেৰে দিয়া টকা কেইটা মামীয়েকে নোলোৱাকৈ থাকিব নোৱাৰিলে। সেইকেইটা টকাৰে পিছদিনা নিজৰ কাৰণে এখন পাটৰ মেখেলা, স্বামীৰ কাৰণে এখন চুৰীয়া আৰু অবিনাশৰ কাৰণে এখন বিছনাচাদৰ আৰু দুটা গাৰুৰ গিলিপ কিনি আনিলে। বাকী থকা তিনি টকা পঞ্চাশ পইছা ভক্তিভাবে গোঁসাই থাপনাতে থলে। অবিনাশৰ পইছাৰে অনা চুৰীয়াখন প্ৰথম দিনা পিন্ধি গৈ অফিচৰ পৰা ঘূৰি আহি ৰজনী ফুকনে কলে– "হেৰা তুমি হেনো বৰ ভাল চুৰীয়া কিনিব জানা, আজি অফিচৰ সকলোৱে শলাগি কৈছে মই বোলে জীৱনত ইমান ভাল চুৰীয়া পিন্ধা তেওঁলোকে কেতিয়াও দেখা নাছিল।"

মইনো ক'ৰ ভাল চুৰীয়াখন কিনিব জানো ? কম দামী চুৰীয়া এখন আপোনালৈ আনিলে অবিনাশে জানো ভাল পাব। আমাৰ কাৰণেও জানো তাৰ প্ৰথম উপাৰ্জনৰ পইছা কেইটাৰ বেলেগ মূল্য এটা নাই!

অবিনাশক স্কুলত ছাত্ৰ-ছাত্ৰীবোৰেও ভাল পাই আহিবলৈ ধৰিলে। সি স্কুলত যোগ দিয়াৰ কেইদিনমানৰ পাছতে জিতেন শইকীয়া নামৰ আৰু এজন নতুন শিক্ষকে কামত যোগ দিলেহি। তেওঁ অনাৰ্চসহ জগন্নাথ বৰুৱা কলেজৰ পৰা বি এ পৰীক্ষা দিছে। আগতে দুয়ো দুয়োকে জানে যদিও ঘনিষ্ঠতা নাছিল। মুখৰ চিনাকিহে। স্কুলখনত একেলগে কাম কৰাৰ জৰিয়তে জিতেন আৰু অবিনাশ বন্ধু হৈ পৰিল। জিতেন লৰাজন বৰ ৰসিক। সি সৰু সুৰা কথাবোৰো লক্ষ্য কৰি থাকে আৰু ৰহণ সানি আমোদ লগাকৈ কব জানিছিল। তাৰ আমোদ লগা কথাবোৰ শুনি অবিনাশে বৰ ৰস পায়। জিতেনহঁতৰ নিগাজী ঘৰ যোৰহাটৰ পৰা ছয়মাইলমান আঁতৰত। ঘৰত মাটিবাৰী যথেষ্ট আছে। দেউতাক আৰু দুজন খুৰাকৰ মাজত মাটি বাৰী ভাগ হোৱা নাছিল। মাজু জন খুৰাকে শ্বিলঙত চাকৰি কৰে। সৰু জন খুৰাক ঘৰতে থাকে। চৰুও এটা হৈয়েই আছে। জিতেনে দেওবাৰ এটাত অবিনাশৰ সৈতে তেওঁলোকৰ গাঁওৰ ঘৰৰ পৰা ফুৰি অহাৰ প্ৰস্তাৱ দিছিল। ৰাতিপুৱা চাইকেলেৰে যাব আৰু ভাত-পানী খাই আবেলি ঘূৰি আহিব। অবিনাশে প্ৰস্তাৱটো ভাল পালে। সি ভিতৰুৱা গাঁওলৈ বৰকৈ যোৱাই নাছিল।

এদিন দেওবাৰে বাতিপুৱা দুয়ো দুখন চাইকেলেৰে জিতেনৰ গাওঁৰ ঘৰৰ ফালে বাওনা হ'ল। অবিনাশে মোমায়েকক কৈ আগতেই তেওঁৰ বেলী চাইকেলখন ঠিক কৰি থৈছিল। অবিনাশ স্কুললৈ যোৱা চাইকেলখন পুৰণি আৰু দুৰ্বলিলে যাব পৰা বিধৰ নাছিল। বহাগ মাহ পাৰ হৈ জেঠ মাহ সোমাইছে। বতৰ ডাৱৰীয়া আৰু ৰিব্ ৰিব্ বতাহ বলি থকাৰ কাৰণে গৰম অনুভৱ কৰা নাছিল। চাইকেল চলাই বেচ্ ভাল লাগিছিল। বাটত যাওঁতে জিতেনে মনত ভাল লগা কথা কিছুমান কৈ গৈছিল। 'বুজিছা অবিনাশ পৰীক্ষা দি উঠি যি কেইটা দিন পোৱা যায় তাতকৈ ভালদিন জীৱনত পুনৰ ভুমুকি নামাৰে। জিতেনৰ ঘৰলৈ তিনিমাইল বাট পকা আলিৰে আৰু তিনিমাইল গাৱলীয়া আলিবাটেৰে আহিব লাগে। কথা পাতি আহি ন-মান বজাত জিতেনৰ ঘৰ পালেহি। ঘৰ পাবৰ হওঁতে জিতেনে কলে 'বলা অবিনাশ মই কৰা গোমধান ডৰা বাহিৰে বাহিৰে চাই আহো। সেই ডৰালৈ মোৰ ৰাতিও মনত পৰি থাকে।' অবিনাশে বুজিলে জিতেনৰ খেতিত ভাল ৰাপ আছে। গোমধান ডৰা লহপহকৈ বাঢ়ি অহা দেখি অবিনাশেও ভাল পালে। ঘৰ পাই অবিনাশ আৰু জিতেন আগফালৰ কোঠাটোত সোমালহি। বতৰ ডাৱৰীয়া আৰু বতাহ চলি থকাত সামান্য ঠাণ্ডাৰ ভাৱ এটা হৈছিল যদিও জাৰ বুলি কব নোৱাৰি। জিতেনৰ সৰু খুৰাকে গাত কম্বল এখন মেৰিয়াই সেইকোঠাটোতে জুপুকা মাৰি বহি আছিল। জিতেনে খুৰাকৰ লগত অবিনাশক চিনাকি কৰি দিলে। 'খুৰাদেউ, এয়া মোৰ বন্ধু অবিনাশ বৰুৱা। আমি একেখন স্কুলতে কাম কৰো। অবিনাশে লক্ষ্য কৰিলে যে জিতেনৰ খুৰাকৰ বয়স ষাঠিৰ তলত হব। কম্বলখন গাত মেৰিয়াই লোৱা দেখি জিতেনে সুধিলে– 'খুৰাদেউ এই জেঠ মাহত গাত কম্বলখন লৈছে কিয় কিবা গা-মূৰ অসুখ নেকি ?'

'নাই নাই মোৰ গা ভালেই আছে, পিছে আজি হলে মই বৰ জাৰ পাইছো; কম্বলৰ তলতো এটা জনতা ষ্টোভ জলাই থৈছো। তেহে অলপ কপনিটো মৰিছে, আৰাম লাগিছে।' জেঠ মাহত কম্বল আৰু ষ্টোভলৈ বহি থাকি খুৰাকে অলপ লাজো পালেনেকি, নিজৰ জীয়েকক মাতি কলে– 'মাকন আলহী আহিছে দেখিছনে নাই, সোধ-পোছ কৰিব লাগে নহয়– যা বেগতে গৰম চাহ আৰু তামোল আন। এই ষ্টোভটোও ভিতৰলৈ লৈ যা।' মাকনে ষ্টোভটো লৈ ভিতৰ সোমাল।

জিতেনৰ খুৰাকে আৰম্ভ কৰিলে– 'তই গোনে গোনে ঘৰত নোসোমাই আলহী ল'ৰাজনক লৈ সৌফালে কলৈ গৈছিলি ? প্ৰথমে ঘৰতহে সোমাব লাগে।'

জিতেনে কলে– 'খুৰাদেউ, সিদিনা নোমলক কৈ গলো, ইউৰীয়া অলপ গুলি স্প্ৰে পাম্পটো লৈ গোমধান ডৰাত মাৰিবলে; পিছে নোমলক ইউৰীয়াৰ

অনুপাতটো ঠিক মতে বুজাই কলো সে নাই পাইছিলো। মোৰ চিন্তাহে লাগি আছিল, সোমলে কিজানিবা সবইকে ইউৰীয়া মিহলোৱা পানী মাৰি দিয়ে। গছিকে বাহিৰে বাহিৰে চাই আহিছে মনটো ভাল লাগিছে। ইউৰীয়া পাই এতিয়া দপদপীকৈ বাঢ়িছে নহয়। সোমলে কামটো বৰ বঢ়িয়াকৈ কৰিলে কিন্তু খুৰাদেউ। আপুনিও এবাৰ চাই আহিবগৈচোন, ভাল লাগিব।

খুৰাকে কলে– 'মই কিয় চাব লাগে? সোমলৰ কাম ভাল বুলি কিবা নেজানোনে? যিকোনো কামতে মই তাকেহে বিচাৰো। পিছে তই এটা ডাঙৰ ভুল কৰিছ নহয়।'–

'কি ভুল খুৰাদেউ?'

'কাম কৰালে ভালকৈ কৰাবি, ভুল নকৰিবি। তই সোমলক লিখিত নিৰ্দেশ দিব লাগিছিল; তেতিয়া সি ভুল কৰাৰ কোনো থলেই নাছিল নহয়। মই তাহানি বাগানত কাম কৰোতে সকলো হুকুম লিখিতভাবে দিছিলো। গতিকেই মোৰ কামত কোনেও দোষ উলিয়াব নোৱাৰিছিল। বঁদ দিলে মজদুৰে কি কৰিব, ৰবৰুণ দিলে কি কৰিব সেইবোৰৰ লিখিত হুকুম বৰ মহৰীক দি থোৱা থাকে।

অবিনাশে খুৰাকৰ কথাখিনি শুনি ভাবিলে যে জিতেনে খুৰাকৰ বিষয়ে বাটত কোৱা কথাবোৰ সঁচা নহয়। প্ৰকৃত মানুহজন জিতেনে কোৱাৰ সম্পূৰ্ণ বিপৰীত। জিতেনে অবিনাশক কৈছিল তাৰ খুৰাক ডিচ্‌টিংচন্ লৈ বি এ পাছ কৰা এজন বুদ্ধিমান লোক। কিন্তু একো কাম কাজ নকৰাকৈ ঘৰতে শুই বহি দিনবোৰ কটায়। পিছে ক'তা? এইজনটো দূৰ-দৃষ্টি থকা কৰ্মীলোক চাহ বাগানত মেনেজাৰ কাম কৰি অহা মানুহ।

খুৰাকে আৰম্ভ কৰিলে 'বুজিছা অবিনাশ, শুন জিতেন, মই চাহ বাগানত কাম কৰোতে আন মেনেজাৰৰ দৰে বাগানৰ মাজে মাজে ঘূৰি ফুৰা নাছিলো নহয়। কাম ঠিক মতে চলাব জানিলে বঁদে বৰষুণে ঘূৰি ফুৰাৰ কোনো দৰকাৰ নাই। তেতিয়া আমাৰ বাগানৰ মেনেজাৰ আছিল মেকনিল চাহাব। মই আছিলো এচিচ্‌টেণ্ট মেনেজাৰ। তেখেতে মোক সদায় কয় বোলে মই নিজে গৈ বাগান আৰু ফেক্টৰীৰ কাম চাব লাগে। মই কিন্তু সদায় কামলৈ যোৱা নাছিলো। মই বঙলাতে বহি চিন্তা কৰো কামবোৰ কেনে হোৱা উচিত আৰু বঙলাৰ পৰাই কাম জাৰি মহৰী বাবু আৰু ফেক্টৰী বাবুক লিখিত হুকুম দি থাকো। মোৰ কামবোৰ নিয়াৰিকৈ চলি থাকে। এবাৰ মেকনিল চাহাবে কলে বোলে মই দৰমহা দিয়াৰ সময়ত হাজিৰ থাকিব লাগে। মই পিছে নোৱাকিলো। এদিন মেনেজাৰে মোৰ কৈফিয়ৎ বিচাৰিলে– 'মই কিয় দৰমহা দিয়াৰ সময়ত উপস্থিত থকা নাই আৰু তেখেতৰ হুকুম মনা নাই। মই উত্তৰ

দিলো— চাহাব, দৰমহা দিয়াত কিবা ভুল ওলাইছে নেকি ?" তেখেতে কলে যে একো ভুল পোৱা নাই। মই কলো যদি একো ভুল ওলোৱাই নাই তেন্তে মই হাজিৰ নথকাৰ পৰা কি অপকাৰ হৈছে ? মোৰ কথা শুনি চাহাব মনে মনে থাকিল। মোৰ কামত কোনে খুট উলিয়াব পাৰে। পিছে মোৰ বাগানত কাম কৰি মন নবহা হ'ল। মই কাম এৰি শুচি আহিলে ককাইদেউ অৰ্থাৎ জিতেনৰ দেউতাকে মোক সুদাই নেৰে বুলি জানি ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিলো যে মোৰ এচিচ্‌টেণ্ট মেনেজাৰৰ পোষ্টটোকে উঠি যায় যেন। ভগবান পিছে আছে বুজিছা! মই প্ৰাৰ্থনা কৰাৰ কিছুদিনৰ পাছতে মোৰ পোষ্টটোকে উঠি গ'ল। মই আহি ঘৰ সোমালোহি। ককাইদেৱে সুধিলত কলো মই কি কৰিম, কোম্পানীয়ে পোষ্টটোকে উঠাই দিলে। মোৰ কথা শুনি ককাইদেউ মনে মনে থাকিল। পোষ্টটো থকা হলে অৱশ্যে কেতিয়াবাই মেনেজাৰ হলোহেঁতেন।

এনেতে চাহ জলপান আহিল। চাহ খোৱাৰ মাজতে খুৰাকে ক'লে— 'তোমালোকে দুই বন্ধু হবলা একেখন স্কুলতে মাষ্টৰ সোমালা।"

অবিনাশে উত্তৰ দিলে— 'হয় খুৰাদেউ।" "পিছে এটা কথা নহয়, আজি কালি বাৰু ছাত্ৰক বেত দিয়াৰ নিয়মটো আছেনে নাই ?" — খুৰাকে সুধিলে।

জিতেন আৰু অবিনাশে দুয়ো একেলগেই মাত লগালে "শাস্তি দিয়াতো এতিয়া প্ৰায় উঠিয়েই গৈছে।"

খুৰাকে ক'লে— "মই কিন্তু লৰাবোৰক খুব শাস্তি দিছিলো। বাগানৰ কাম এৰি অহাৰ পিছত খেতি বাতি চাই ঘৰতে আছিলো। তেতিয়া ঠায়ে ঠায়ে গঢ়ি উঠা ভেনচাৰ স্কুলবোৰত গ্ৰেজুৱেট শিক্ষকৰ বৰ অভাৱ। কেইবাখনো স্কুলৰ চেক্ৰেটেৰী আহি মোক অনুৰোধ কৰিলেহি বোলে মোৰ নামটোও তেওঁলোকৰ স্কুলৰ শিক্ষকসকলৰ নামৰ তালিকাত ভৰাবলৈ অনুমতি দিব লাগে। কেইখনমান স্কুলত আকৌ মোক হেড্‌মাষ্টৰো পাতিব খুজিছিল। মই যেতিয়াই ইচ্ছা তেতিয়াই স্কুললৈ গৈ পাক এটা মাৰিলেই হ'ব। ময়ো ভাবিলো শিক্ষাৰ উন্নতিৰ কাৰণে মোৰ নামটো ব্যৱহাৰ হলে একো বেয়া কথা নহয়। গতিকেই মোৰ নামটো গ্ৰেজুৱেট শিক্ষকৰ তালিকাত ভৰাবলৈ অনুমতি দিলো। গ্ৰেজুৱেট শিক্ষক থাকিলেই চৰকাৰী অনুদান আহে আৰু লগে লগেই শিক্ষাৰ বিস্তাৰ হয়। তেনেবোৰ স্কুলত হেড্‌মাষ্টৰ হৈ থাকোতেই লৰা শাসন কৰিবলগীয়া হৈছিল। গতিকেই এচাৰীৰ সহায় লব লগাত পৰিছিলো। পঢ়া নোৱাৰিলে অৱশ্যে মই কেতিয়াও বেত দিয়া নাছিলো। কিন্তু দুষ্টালী কৰিলে ভাল কোব খাইছিল।'

এনেতে জিতেনে মাত লগালে— 'খুৰাদেউ, আপুনি নিজ হাতেৰেই বেত

দিছিলনে বাৰু ?"

খুৰাকে ক'লে– 'হেৰ' জিতেন, তই কি কথাটো কৈছ ? মইনো বাৰু নবাৰু কোবাই নিজৰ হাতৰ বিষ চপাই নমনে ? বিজন শিক্ষকে ল'বা কোবাই বং পোৱা দেখো তেওঁকেই নধাই দিও– ইয়াক পাঁচবেত দিয়ক তাক দহবেত দিয়ক। বেত দিওতে পিছে মই ওচৰত নেথাকো; বৰ বেয়া লাগে।'

এনেতে মাকন ওলাই আহি দেউতাকক কলেহি –'দেউতা ভাত হবৰ হল, গা ধোৱকহি, চুৰীয়া গা-মোচা আৰু পানী ঘতনাই থৈছো।'

জিতেনে ক'লে– 'অলপ ৰচোন মাকন, আমি খুৰাদেউৰ লগত দৰকাৰী কথা পাতি আছো।' মাকনক ভিতৰলৈ পঠিয়াই জিতেনে আৰম্ভ কৰিলে–'বুজিছা অবিনাশ, খুৰাদেউৰ আৰু এটা বৰ মজাৰ জানিবলগীয়া কথা আছে। খুৰাদেউক সমুখত ৰাখি নকলে তুমি বিশ্বাসেই নকৰিবা।' অবিনাশে জানিবৰ কাৰণে আগ্ৰহ দেখুৱালে।

'খুৰাদেউ, আপুনি সেই জামুজোপাৰ তলত ঘৰ সাজি থাকোতে যে ঘটনা এটা হৈছিল সেইটো অবিনাশক কব খুজিছো, আপুনি বেয়া পাব নেকি ?'
'জিতেন, তইবা আকৌ কোনটো কথা কব খুজিছ ?'

সেই সোণায়ে আপোনাৰবাৰীত কলপুলি বোৱা কথাটো।'

ক, ক, জিতেন, মই একো বেয়া নেপাওঁ; কথা যিমান পাত সিমান ভাল। কথা পতিলেহে জ্ঞান হয়।"

জিতেনে আৰম্ভ কৰিলে– "শুনা অবিনাশ, আমাৰ এই মূল ঘৰটোৰ পৰা কিছু আতঁৰত ঘৰ এটা সাজি খুৰাদেউ কিছুদিন বেলেগে আছিল। ঘৰটো খেৰ-বাহঁৰ। সেইডোখৰ ঠাইক আমি জামু তল বোলো। মই এদিন ঘৰলৈ আহোতে খুৰাদেউৰ ঘৰতো পাক এটা মাৰিলো। খুৰাদেউৱে মোক সকলে পৰাই বৰ মৰম কৰে। গতিকেই মোক দেখা মাত্ৰেই কলে– "জিতেন সুদাই নিকাই হলেও ভাত খাইহে তই যাব পাৰিবি।" মই আপত্তি নকৰিলো। খুৰাদেউৰ লগত সময় কটাই মই বৰ ভাল পাওঁ। আমি নানান ধৰণৰ কথা পাতো। সময়খিনি কেনি যায় একো গমকে নেপাওঁ। ভাত পানী খাই উঠি খেৰৰ চালি এখনৰ তলতে চকি এখনত বহিলোহি। খুৰাদেউৱো মোৰ কাষতে বহিল। এনেতে বাহঁৰ জেওবাৰে মৰা বাৰীৰ সীমাটোলৈ মোৰ চকু পৰিল। মই দেখো যে জপনাখন ঠেলা মাৰি গৰু এজনী সোমাই লহ-পহকৈ বাটি অহা কলগছজোপা মহতিয়াবলৈ ধৰিছে। মই নিজৰেই লৰ মাৰি গৈ গৰুজনী খেদি থৈ আহো বুলি ভাবিলো। মই গৰুজনীৰ ফালে লক্ষ্য কৰা দেখি খুৰাদেউৱে সুধিলে– 'তই সেইফালে কি চাইছ, জিতেন ? গৰুজনীয়ে কলজোপা খোৱাত তই বেয়া পাইছ নেকি ? মোৰ কিন্তু গাতেই লগা নাই। মই নিজে কলেহে

খেৱা লাগিব। মোৰ হাক-বচন নুশুনি সোণায়ে নিজৰ বাৰীৰ পৰা আনি মালভোগ কলৰ গুটি দুটা কই থৈ গ'লহি। সি বোলে গছ গুটি কই ভাল পায়। মই পিছে তাক সেইদিনাই সকিয়াই থৈছিলো– 'সোণাই মোৰ মৰমত তই মোৰ বাৰীত কলগুলি কইছ হয়, কিন্তু চাবি গৰু সোমালে তইহে আহি খেদিবহি লাগিব। মোক হলে গৰু খেদাৰ লেঠাত নেপেলাবি। এতিয়া তই নিজেই চাচোন, সোণায়ে মোৰ উপকাৰ কৰিলেনে অপকাৰ কৰিলে। এই বন্দত মই কেনেকৈ গৰু খেদো। গতিকে গৰুৱে খাই শেষ কৰিলেই মই নিশ্চিন্ত হব পাৰো।"

এনেতে জিতেনৰ মাক ওলাই আহি কলেহি 'সৰু বোপা, ভাত খাই আজৰি হৈ আহি আকৌ কথা পাতিবাহি। অবিনাশ বোপাৰো ভোক লাগিব পায়।'

অবিনাশে কলে– 'নাই নাই কথাপাতি বৰ ভাল লাগিছে, ভাতৰ কথা পাহৰিছিলোৱেই।'

খুৰাকে গাটো তিয়াবলৈ ভিতৰলৈ সোমাই গ'ল।

জিতেনৰ দেউতাক সেইদিনা ঘৰত নাছিল। কিবা কামত শিৱসাগৰলৈ গৈছিল। মজিয়াত ভাত খোৱা মানুহ মাত্র জিতেন, সৰু খুৰাক আৰু অবিনাশ। জিতেনৰ ভায়েক দুটা পঢ়াৰ সুবিধাৰ কাৰণে জিতেনৰ লগতে যোৰহাটত ভাৰা ঘৰ কৰি থাকে। মাজুজন খুৰাক খিলঙত সচিবালয়ত কাম কৰে। সেইদিনা ভাত জিতেনৰ মাকে নিজেই ৰান্ধিছিল। ভাত, দাইল, ঢেকীয়া শাকত ঔটেঙা দিয়া আঞ্জা, মাছৰ আলুকীয়া, কল পচলাৰ খাৰ, কাহুদি খাৰলি ইত্যাদি। আঞ্জা জুতিত উঠাত জিতেনৰ খুৰাকে কলে– 'বৰ বৌৰ হাতৰ আঞ্জা বৰ জুতিত উঠে; পিছে আজি কালি মাকনৰ মাকেহে চৰু লৈছে। অবিনাশ আজি তুমি অহাৰ কাৰণেহে বহুত দিনৰ মূৰত বৰ বৌয়ে চৰু ধৰিছে।'

জিতেনৰ মাকে ক'লে– 'সৰু বোপাইনো কি কথাবোৰ কয়। আলহীয়ে বা কেনে পাইছে ?"

অবিনাশে কলে– 'বৰ ভাল হৈছে খুৰীদেউ'

ভাত-পানী খাই অবিনাশ আৰু জিতেনে কিছু সময় জিৰণি ললে। আবেলি কিছু জুৰ পৰাত সিহঁত উভতিবলৈ সাজু হ'ল। জিতেনৰ মাকে বিদায় পৰত কলে– 'অবিনাশ বোপা, এতিয়া চিনকি হ'ল যেতিয়া মাজে সময়ে আহি থাকিবা।'

উলতি আহোতে জিতেনে বাটত কলে সিহঁতৰ ঘৰৰ কোনেও সৰু খুৰাকৰ মনটো বুজিব নোৱাৰে। তেখেতৰ জীৱন দৰ্শন আনৰ লগত নিমিলে। তেখেতে গীতাত কোৱা কৰ্ম সন্যাসেই পালন কৰিছেনেকি। কৰ্ম বিমুখে যোকো

খুচৰিব পাৰে বুলি মই খুৰাদেউৰ বেছি ওচৰ চপাটো দেউতাই ভাল নেপায়। আজি দেউতা ঘৰত নাই বুলিহে আমি খুৰাদেউৰ লগত ইমানবোৰ কথা পাতিব পাৰিলো।'

কথা পাতি পাতি সিহঁত সন্ধ্যা বেলিকা ঘৰ পালেহি।

জুন মাহৰ শেষৰ ফালে স্কুলৰ গৰমৰ বন্ধ আৰম্ভ হ'ল। গৰমৰ বন্ধত ছাত্ৰবোৰে পঢ়া-শুনা এৰি দি সকলো কথা পাহৰি যায় বুলি বন্ধৰ ভিতৰতো নবম আৰু দশম মানৰ ঐচ্ছিক অঙ্কৰ ক্লাছ লবলৈ অবিনাশে ইচ্ছা কৰাত হেড্‌মাষ্টৰে সকলো সুবিধা কৰি দিলে। জিতেনেও নবম মান শ্ৰেণীৰ এটা ইংৰাজীৰ ক্লাছ লৈছিল। হেড্‌মাষ্টৰ লক্ষ্যধৰ বুঢ়াগোঁহাই প্ৰশাসনীয় কামবোৰ কৰিবৰ কাৰণে বন্ধৰ ভিতৰতো স্কুললৈ আহিব লাগে। গৰমৰ বন্ধ শেষ হৈ আকৌ স্কুল নিয়মীয়াকৈ বহিবলৈ ললে। অবিনাশ আৰু জিতেনে লক্ষ্য কৰিলে যে স্কুলখন লাহে লাহে সজীৱ হৈ উঠিছে আৰু এক নতুন প্ৰাণৰ সঞ্চাৰ হৈছে। ঠিক তেনে এটা সময়তেই অবিনাশৰ আৰু জিতেনৰ স্নাতক পৰীক্ষাৰ খবৰ ওলাল। দ্বীজেনে, গুৱাহাটীৰ পৰা তাঁৰবাৰ্ত্তা যোগে জনালে যে অবিনাশে অনাৰ্চত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাইছে। জিতেনেও ইংৰাজীত দ্বিতীয় শ্ৰেণীৰ দশম স্থান পাইছে বুলি খবৰ আহিল। ফলাফল আশানুৰূপ হোৱাত দুয়ো বৰ আনন্দ পালে।

অবিনাশৰ ৰিজাল্ট ভাল হোৱাত অভিনন্দন জনাবলৈ আত্মীয় স্বজন আৰু বন্ধু-বান্ধৱ দৈনিক আহিবলৈ ধৰিলে। মামীয়েকে সেই সকলোবোৰক আদৰ সাদৰ কৰি চাহ মিঠাই খুৱাইহে পঠিয়াইছিল। ৰাইজৰ আৰ্শীবাদ পালে কিজানি অবিনাশে এম্ এচ্ চি পৰীক্ষাও ভাল কৰিব পাৰে।

ৰিজাল্ট ওলোৱাৰ দুদিনমান পিছত অবিনাশ এম্ এচ্ চি পঢ়িবলৈ গুৱাহাটীলৈকে আহিবলৈ সিদ্ধান্ত কৰিলে। স্কুলৰ কাম এৰিবলগীয়া হ'ল। অবিনাশে স্কুল এৰাত লক্ষ্যধৰ বুঢ়াগোহাঁয়ে বৰ বেজাৰ পালে। বিদায় সভা এখন পাতি ছাত্ৰ-ছাত্ৰীবোৰে অবিনাশক সম্ভাষণ জনালে। অবিনাশে মাত্ৰ কেইমাহমানৰ কাৰণেহে স্কুলত সোমাইছিল, কিন্তু স্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলৰ পৰা বিদায় লৈ সিও বৰ বেজাৰ পালে। স্কুলৰ লগত গঢ়ি উঠা সম্বন্ধটো তাৰ চিঙি গ'ল সঁচা, পিছে ইয়াৰ স্মৃতি হয়তো বহুদিনলৈ মনত থাকি যাব। জিতেনে কিন্তু স্কুলৰ কামটো নেৰিলে। তাৰ ইংৰাজীত এম্ এ পঢ়িবৰ ইচ্ছা আছিল, কিন্তু আসন পাবনে নেপাই সেই বিষয়ে সি খাটাং নাছিল। কেইদিনমান ছুটি লৈয়েই গুৱাহাটীৰ পৰা খা-খবৰ লৈ আহিবলৈ ঠিৰাং কৰিলে।

* * * * *

অধ্যায়- ২২

অবিনাশ আৰু জিতেন একেখন বাছতে গুৱাহাটীলৈ যাবলৈ টিকেট কৰিলে। অবিনাশ গুছি যোৱাৰ দিনা মামীয়েকে বৰ অকলশৰীয়া অনুভৱ কৰিলে। সি থাকোতে তাৰ বন্ধু-বান্ধৱেৰে সৈতে ঘৰখন জীৱন্ত হৈ আছিল। মামীয়েকেহে জানে নিঃসঙ্গ জীৱনৰ বোজা কঢ়িওৱা কিমান দুৰ্ব্বহ। অবিনাশে এম্ এচ্ চি পাছ্ কৰাৰ পাছতেই একেবাৰে ঘৰ সোমাবহি বুলি ভাবি মনলৈ উৎসাহ ঘূৰি আহিল। প্ৰবেশিকা পৰীক্ষা পাছ্ কৰি অবিনাশে কটন কলেজত নাম লগাবলৈ যোৱা দিনটো তেওঁলোকৰ ফটফটিয়াকৈ মনত আছে।

সেইদিনা মোমায়েক মামীয়েকে নিজে মৰিয়নী ষ্টেচনলৈ গৈ তাক ৰেলত তুলি থৈ আহিছিল। ৰেলখন ষ্টেচন এৰাৰ সময়ত তেওঁলোকৰ চকুৰ পৰা সৰ সৰকৈ পানী বৈ আহিছিল। চকুৰ পানী টুকি বিদায় লোৱা অবিনাশৰ করুণ মুখখন তেওঁৰ মানস পটত ভাহি উঠিল। ঘৰলৈ উলটি আহি বৰ নিজান লাগিছিল। চাৰিওফালে কাহ-পৰি জিন যোৱা নিস্তব্ধতা। ৰেলষ্টেচনৰ পৰা ঘূৰি আহি তেওঁলোকে সেইদিনা ভাত পানী একো খাব নোৱাৰিলে। গোটেই নিশাটো অবিনাশলৈ মনত পৰি থাকিল। তাৰ পাছত সি কেইবাবাৰো ঘৰলৈ আহিছে আৰু কলেজলৈ উলটি গৈছে। কিন্তু প্ৰথমবাৰৰ দৰে অসহ্য বিষাদৰ ছাঁ পেলাব পৰা নাছিল।

বাছত উঠি অবিনাশ আৰু জিতেনে চিন্তা কৰিবলৈ ধৰিলে, সিহঁত গুৱাহাটী পাই ক'ত উঠিবগৈ? অবিনাশে জিতেনক কৈছিল, পাৰিলে সিহঁতে কটন কলেজৰ হোষ্টেলতে কাবোবাৰ আলহী হবগৈ। কিন্তু হোষ্টেলত বা খালী ঠাই পাবনে নেপাই তাৰ ঠিক নাই। সকলোবোৰ ক্লাছ্ পূৰ্ণগতিত চলি আছিল। জিতেনৰ মাজু খুৰীয়েকৰ ঘৰ গুৱাহাটীত, কিন্তু তেওঁৰ মাকৰ ঘৰত আলহি থাকিবলৈ তাৰ একেবাৰে ইচ্ছা নাই। তেওঁলোক চহৰৰ মানুহ, তাতে আকৌ

দেউতাক ডাঙৰ চৰকাৰী চাকৰিয়াল আছিল। খুৰীয়েকে গাঁৱৰ ঘৰলৈ যাবলৈ বৰ ভাল নেপায়। নোৱাৰাতহে দুই এদিন থাকেগৈ। চহৰীয়া মানুহ বুলি অহঙ্কাৰো নথকা নহয়।

জিতেনে প্ৰি-ইউনিভাৰচিটি পৰীক্ষা পাছ কৰি এবাৰ ছিলঙত থকা খুৰাকৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। জিতেনক দেখি খুৰীয়েক উচপ খাই উঠিল। সি মুখ-হাত ধুই চাহ-কাপ খাবলৈ নৌপাওতেই খুৰীয়েকে সুধি পেলালে– "জিতেন, কেইদিনমানৰ কাৰণে প্ৰগ্ৰেম কৰি আহিছা ?"

জিতেনে খুৰীয়েকৰ মনটো জুখি চোৱাৰ লোভ সামৰিব নোৱাৰিলে। 'খুৰীদেউ মই ইয়ালৈ ফুৰিবলৈ অহা নাই আৰু'। ইয়াতে থাকি বি এ পঢ়িব পাৰিম বুলি ভাবিহে আহিছো। মই খুৰাদেউলৈ এই বিষয়ে চিঠি দিছিলো, পোৱা নাই নেকি ? খুৰাদেউৱে মোক সদায় ছিলঙতে পঢ়িবলৈ মাতিয়েই থাকে।'

খুৰাদেউ অহালৈ তেওঁ বাট চাব নোৱাৰিলে, কিজানি খুৰাকে কিবা কোমল কাটেই। "আৰু এটা কোঠা থকা হলে তুমি ইয়াতে থাকি পঢ়িব পাৰিলাহেঁতেন। কিন্তু তুমি থাকিলেতো জিন্টু আৰু মিণ্টুৰ পঢা কোঠাই নোহোৱা হ'ব। তুমি ইয়াতে মেচ এটা বিচাৰি লোৱা, নতুবা ঘৰতে ভাত খাই যোৰহাটতে পঢ়াতো বেয়া নহয়। ঘৰৰ পৰা মাত্ৰ ছ-মাইলহে।"

এনেতে খুৰাক অফিচৰ পৰা আহি পালেহি। জিতেনক দূৰৈৰ পৰা দেখিয়েই আনন্দত তেখেতৰ মুখত হাঁহি বিৰিঙি উঠিল। 'জিতেন তই পি ইউ পাছ কৰা খবৰটো পায়েই মই এখন টেলিগ্ৰাম কৰিছিলো, ককাইদেউৱে সেইখন সময়মতেই পালেগৈনে বাৰু ? মই অনাৰ্চ লৈ বি এ পাছ কৰাৰ দিনা ককাইদেউৱে কিমান আনন্দ কৰিছিল মোৰ আজিও মনত আছে নহয়। তইঁতে নেজান জিতেন, ককাইদেউৱে মোক কিমান মৰম কৰিছিল। মোৰ পঢ়া-শুনাৰ খৰছ তেখেতেহে দিছিল। তই বাৰু ইয়াতে থাকি পঢ়িবিনেকি ? চেন্ট্ এড্‌মাণ্ডচ্ কলেজৰ ইংৰাজী বিভাগটো ভাল বুলি এটা নাম আছে।

জিতেনে খুৰাকক লগ পাই বৰ আনন্দ পালে। ইতিমধ্যে খুৰীয়েকক জুখি চোৱা কথাটো কৈ খুৰাকৰ মনত দুখ দিব নুখুজিলে। 'খুৰাদেউ' মই যোৰহাটতে পঢ়াটোহে ভাল হ'ব বুলি ভাবিছো। যোৰহাটতে থাকিলে ঘৰখনো চোৱা চিতা কৰি থাকিব পাৰিম। মই দেখোন গাওঁৰ ঘৰখন এৰি দূৰলৈ গুছি অহাৰ কথা ভাবিবই নোৱাৰো।

এনেতে খুৰীয়েকে মাত লগালে– 'দেখিলে জিতেন সকলৰে পৰাই কিমান দায়িত্বশীল হৈ পৰিছে। আজি-কালিৰ ল'ৰাবোৰ কিন্তু জিতেনৰ নিচিনা নহয়।' খুৰাকে ক'লে– "ককাইদেউৰ লৰাহে, দায়িত্বশীল নহব কেলেই ?'

খুৰাকে সেই কেইদিন তাক বৰ আদৰ সাদৰ কৰি ৰাখিলে। খুৰাকৰ মৰম চেনেহ আৰু শ্বিলঙৰ সেইদিন কেইটাৰ কথা সি সদায় আনন্দৰে সোঁৱৰে। খুৰীয়েকে তাক কোৱা কথাষাৰ সি বিশ্লেষণ নকৰাকৈ থকা নাছিল। তাৰ জীৱনৰ ক্ষুদ্ৰ অভিজ্ঞতাৰ পৰা দেখিবলৈ পাইছিল যে নাৰী জাতিটো স্বভাৱগতভাবেই পুৰুষতকৈ বেছি স্বাৰ্থপৰ। তেওঁলোকে নিজৰ ভবিষ্যৎ নিৰাপত্তাৰ কথা বেছিকৈ চিন্তা কৰে। পুৰুষৰ দৰে স্বাধীনচিতিয়া ভাবে উপাৰ্জন কৰিব পৰা এটা পৰিবেশ সৃষ্টি হলে হয়তো তেওঁলোকৰ মানসিক পৰিবৰ্ত্তন কেতিয়াবা হ'ব পাৰে। সি আকৌ ভাবে তাৰ সৰু খুৰীয়েকতো মাজু খুৰীয়েকৰ একেবাৰে বিপৰীত স্বভাৱৰ। মাক আৰু সৰু খুৰীয়েক নিজৰ বাইভনীৰ দৰে থাকে। দুয়ো দুয়োৰে প্ৰতি অত্যন্ত সহানুভূতিশীল। জিতেনে সৰু খুৰীয়েকক মাকৰ সমানেই শ্ৰদ্ধা কৰে। তেন্তে মাজু খুৰীয়েক বেলেগ কিয়? সকলো চৰকাৰী চাকৰিয়ালৰ ঘৈণীয়েকবোৰ মাজু খুৰীয়েকৰ দৰেই নেকি– সদায় মাত্ৰ গিৰিয়েকৰ প্ৰমোচন, ইনক্ৰীমেণ্ট, গ্ৰেচুইটী, পেঞ্চন আদিৰ চিন্তাতে থাকি জীৱনৰ অন্য মূল্যবোধ বিসৰ্জন দিয়ে। যুক্ত পৰিয়ালত মানুহৰ মনবোৰ "বেছি করুণাময়ী আৰু উপলব্ধিশীল হৈ থাকেনেকি? যুক্ত পৰিয়ালবোৰোতো লাহে লাহে ভাগি-ছিগি নোহোৱা হবলৈ ধৰিছে। তেন্তে মাজু খুৰীয়েকৰ দৰে স্বাৰ্থপৰ মানুহৰ সংখ্যা দিনে দিনে বাঢ়ি আহিব নেকি? খুৰীয়েকতো শিক্ষিত আৰু বুদ্ধিমতী মহিলা বুলিয়েই সিহঁতে জানিছিল। তেন্তে শিক্ষা আৰু মনুষ্যত্বাবোধৰ লগত একো সামঞ্জস্য নাই নেকি? গতানুগতিক শিক্ষাই তেন্তে মানুহক কি উপকাৰ কৰিছে? সি এম্ এ পঢ়িবলৈ অহাৰ একো মূল্য নাই নেকি? তাৰ মনলৈ শিক্ষাৰ প্ৰতি এক বিৰাগ ভাব আহিল। এবাৰ ভাবিলে যে তাৰ মাজু খুৰাকৰ দৰে এটা পুতৌ লগা অৱস্থাৰ লগত নিজকে খাপ খুৱাই লব পৰা মানসিক পৰিবৰ্ত্তন নোহোৱালৈকে সি কেতিয়াও বিয়াৰ কথা চিন্তা নকৰে। সি সেইবাৰ শ্বিলঙত মাজু খুৰাকৰ ঘৰতে থাকি বি এ পঢ়িম বুলি যোৱা হলে খুৰীয়েকৰ কেটেৰা জেঙেৰা মাতত তিষ্ঠিব নোৱাৰি নিজেই ঘৰলৈ উভতি আহিবলগীয়া হ'লহেতেন; তেতিয়া তাৰ খুৰাকে কম বেজাৰ পালেহেঁতেননে বাৰু?

জিতেনে বাহুত আহি থাকোতে চিন্তা কৰি ভাল পায়। সমস্যাৰ পৰিস্কাৰ মীমাংসাও কৰিব পাৰে। মাজে মাজে জিতেন আৰু অবিনাশে দুই এষাৰ কথা পাতে; আকৌ দুয়ো নিজৰ নিজৰ চিন্তাত নিমগ্ন হয়। কৰবাত বেছিপৰ বাছ ৰলে চাহ একাপে কিবা এটাই খাই লয়। জখলা বন্ধাত বাছ ৰখোৱাত অবিনাশে জিতেনক সুধিলে– "জিতেন, গৰম লাগিছে, ডাৱৰ পানী খাবানেকি?"

খন্তেক চিন্তা কৰি জিতেনে ক'লে- "খাম বাক আনা।"

অবিনাশে সুধিলে, "ইমান গৰমত ডাব এটা খোৱাৰ কথা চিন্তা কৰিছে কলাদেখোন ?"

'ডাব খাই ময়ো ভাল পাওঁ; কিন্তু ডাব খালে এটা নাৰিকল অকালতে নষ্ট হৈ যায় কাৰণে বেয়া লাগেহে অবিনাশ।'

'তুমি ঠিক কলাহে জিতেন।'

সিহঁতে ডাব দুটাৰ পানী খাই মাটিত পেলাই দিয়াৰ লগে লগেই ভিক্ষাৰী ল'ৰা কেইটামানে টনা আজোৰা কৰি লৈ গ'লহি।

অবিনাশে ভাবিলে- জিতেন এলাপেচা মানুহ নহয়, সুক্ষ্ম অনুভূতিৰে সৈতে এজন প্ৰাণ থকা মানুহ।"

এইবোৰ ভাবি চিন্তি আহি থাকোতেই বাছ আহি অসম পৰিবহন নিগমৰ পল্টন বজাৰৰ আস্থান পালেহি। বাছৰ পৰা নামিয়েই জিতেনে লগ পালে তাৰ বন্ধু আলফ্ৰেড আহমেদক। স্কুলত জিতেনৰে সৈতে একেলগে পঢ়া। সি পি ইউ পাছ কৰি আহি অসম ইঞ্জিনীয়াৰিং ইনষ্টিটিউটত পঢ়িছেহি। জিতেনক দেখা পায়েই সুধিলে- "জিতেন, তই ইয়াত ক'ত থাকিবি ?"

"কৌলে যাও ঠিকেই কৰিব পৰা নাই।"

'আমাৰ হোষ্টেলত বহুতো কোঠা খালী পৰি আছে; দুই এদিনলৈ হলে আমাৰ হোষ্টেলতে থাকিব পাৰিবি। তই অনাৰ্চ পোৱাত মই বৰ ভাল পাইছো মই তোৰ খবৰ লৈয়েই থাকো জান।'

জিতেনে ক'লে- "এম্ এত চিত এটা পাও নেকি খবৰ এটা কৰিবলৈহে আহিছো। আলফ্ৰেড, আমি পিছে দুজন- এইয়া মোৰ বন্ধু অবিনাশ বৰুৱা।"

আলফ্ৰেডে অবিনাশলৈ হাতখন আগবঢ়াই দি কৰমৰ্দন কৰিলে। 'আপোনাৰ ৰিজাল্ট বাতৰি কাকতত পঢ়িছিলো, ফটো খনো দেখিছিলো; আজি পৰিচয় হোৱাত ভাল লাগিল। আপুনি যিমানহে চোকা মানুহ আপোনাৰ হাতখনে মোক কাটে বুলি ভয়হে লাগিছিল। পিছে বিপৰীত, আপোনাৰ হাতখন তুলাৰ দৰে কোমল।'

তিনিও হাঁহি মাৰি ৰিক্সা লবৰ কাৰণে আগবাঢ়িল। হোষ্টেল চুপাৰিন্‌টেন্‌ডেন্টৰ অনুমতি পোৱাত জিতেন আৰু অবিনাশ থাকিবৰ কাৰণে চকিদাৰে কোঠা এটা দেখুৱাই দিলে। চকিদাৰ জনেই সিহঁতৰ বিছনা দুখন পাৰি আঠুৱা লগাই দিলে। গৰমত ঘামি জামি অহাৰ কাৰণে সিহঁত দুয়ো গা ধুই ললে। আলফ্ৰেডৰ আন বন্ধু কেইজনমানো আহি জিতেন আৰু অবিনাশৰ লগত চিনাকি হ'লহি। সন্ধ্যা সময়খিনি নানা ধৰণৰ কথা বাৰ্ত্তা পাতি ফূৰ্ত্তিতে কটালে। ৰাতি ভাত খাবলৈ যাওঁতে জিতেনহঁত থকা কোঠাটোত তলামাৰি থৈ

যাবলৈ আলষেষ্টেড পাহৰা নাছিল।

সেইদিনা ৰাতিটো তাতে থাকি পিছদিনা পুৱাই চিটৰ খবৰ কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়লৈ গ'ল। অবিনাশে ফিজিক্সত আৰু জিতেনে ইংৰাজী বিষয়ত নাম ভৰ্ত্তিৰ কাৰণে দৰখাস্ত দিলে। দুদিন পাছত খবৰ কৰিবলৈ আহি গম পালে যে সিহঁত দুয়ো চিট পাইছে। জিতেন আৰু অবিনাশ একেটা কোঠাতে থকাৰ সিদ্ধান্ত কৰিলে। নাম ভৰ্ত্তি কৰা পৰ্ব্বটো কেইদিনমানৰ ভিতৰতে শেষ হোৱাত ক্লাছবোৰ পূৰ্ণগতিত চলিবলৈ ধৰিলে। অবিনাশে অনুভৱ কৰিলে যে কটন কলেজতকৈ বিশ্ববিদ্যালয়ৰ পৰিৱেশ বহুতো বেলেগ। পুৰণি চিনাকি নেথাকিলে কোনেও 'তই' বা 'তুমি' বুলি সম্বোধন নকৰে। প্ৰায়বিলাক ছাত্ৰৰ বয়স বিশ, বাইশৰ ওপৰ। দুই একৰ বাহিৰে প্ৰত্যেকেই কথাবোৰ জুখি-মাখি কয়। ইজনে সিজনক সম্মান কৰি চলিব লাগে বুলি জানে। বিশ্ববিদ্যালয়ৰ কেন্টিন, হোষ্টেল বা কমনৰুমত হোৱা আলোচনাবোৰৰ বিষয়বস্তু গধূৰ ; যুক্তিৰ ওপৰত ভিত্তি কৰি কথা নকলে কাৰো নিজস্ব স্থিতি নাথাকে। স্নাতক আৰু স্নাতকোত্তৰ ক্লাছৰ ভিতৰত পাৰ্থক্য জ্বল জ্বল পটপটকৈ ওলাই থাকে। জিতেনে কেতিয়াও হোষ্টেলত থকা নাছিল। গতিকে তাৰ কাৰণে হোষ্টেলত থকাতো এটা নতুন অভিজ্ঞতা। অবিনাশে লক্ষ্য কৰিলে যে জিতেনে হোষ্টেলৰ নতুন পৰিৱেশত নিজকে সুন্দৰকৈ খাপ খুৱাই লব পাৰিছে। বোধহয় যৌথ পৰিয়ালৰ মাজত ডাঙৰ দীঘল হোৱাৰ কাৰণেই তাৰ চাল চলন, কথাবাৰ্ত্তা মাৰ্জ্জিত আৰু পৈণত। হোষ্টেলত কেনেকৈ চলিব লাগে সেই বিষয়ে অবিনাশে জিতেনক পৰামৰ্শ দিয়াৰ কোনো আৱশ্যক বোধ নকৰিলে।

বিশ্ববিদ্যালয়খনৰ উত্তৰ পাৰত ব্ৰহ্মপুত্ৰ নদী আৰু দক্ষিণফালে আৱৰি আছি এলানি সৰু সৰু পাহাৰে। চহৰৰ হাই উৰুমিবোৰৰ পৰা আতঁৰত হোৱাত একান্তমনে পঢ়াশুনা কৰিবলৈ এটা শান্ত পৰিৱেশ আছিল। প্ৰফেচাৰ সকলকো অবিনাশে ভাল পাইছিল। শিক্ষক সকলে নিজৰ গাম্ভীৰ্য্য বজাই ৰাখিও ছাত্ৰ সকলৰ লগত এটা সৌহাদ্যপূৰ্ণ সম্বন্ধ ৰাখিবলৈ সমৰ্থ হৈছিল। স্বনামধন্য উপাচাৰ্য্যৰ প্ৰভাৱত বিশ্ববিদ্যালয়ৰ সকলো কাম কাজ নিয়াৰিকৈ চলি আছিল। ক'তো কাৰো ওজৰ আপত্তি শুনিবলৈ পোৱা নগৈছিল। ছাত্ৰ-ছাত্ৰীবোৰে এটা শৈক্ষিক পৰিৱেশৰ মাজত নিজকে আবদ্ধ ৰাখিবলৈ সুবিধা পাইছিল।

পঢ়া-শুনাত ব্যাঘাত জন্মে কাৰণে অবিনাশে খেলা ধূলা কমাই আনিলে। কেতিয়াবা দুই এক চেট্ টেনিচ বা বেডমিন্টন খেলৰ বাহিৰে আন কোনো কামত সময়ৰ অপব্যয় কৰা নাছিল। শাৰীৰিক পৰিশ্ৰমৰ ভিতৰত নিয়মীয়াকৈ যোগাসন আৰু খোজকঢ়া অভ্যাস এৰা নাছিল।

একেটা কোঠাতে থাকিবলৈ লোৱাত জিতেনৰ লগত অবিনাশৰ বন্ধুত্ব আৰু

বুজাবুজি বাঢ়িবলৈ ধৰিলে। উচ্চ ৰুচিবোধ আৰু ইংৰাজী ভাষা সাহিত্যৰ প্ৰতি থকা জিতেনৰ আগ্ৰহ দেখি অবিনাশে ভাল পায়। জিতেনৰ পাঠ্যপুথিৰ উপৰিও বিশ্বসাহিত্যত খ্যাতি থকা কিতাপবোৰ যেনেতেনে যোগাৰ কৰি হলেও পঢ়িছিল। প্ৰতিমাহতে এখন বা দুখন ভাল কিতাপ কিনাৰ ব্যতিক্ৰম হোৱা নাছিল। জিতেনৰ ঘৰৰ অৱস্থা বেয়া নহয় যদিও খেতিয়ক শ্ৰেণীৰ লোকৰ নগদ টকাৰ উভেনদী বুলি কব নোৱাৰি। তথাপিও জিতেনে কিতাপত খৰছ কৰে। জিতেনৰ যোগেদিয়েই যুগান্তকাৰী গল্প উপন্যাসবোৰ পঢ়াৰ সুবিধা অবিনাশেও পাইছিল। অবিনাশ বিজ্ঞানৰ ছাত্ৰ। সাহিত্য চৰ্চাত খৰছ কৰিবলৈ তেওঁৰ বেছি সময় নাছিল। তাকে বুজি জিতেনে শ্বেক্সপীয়েৰ, মিল্টন, জৰ্জবানাৰ্ডশ্ব, চমাৰচেট্ মম্, হেমীংৱে, ওৱৰ্ডচওৱৰ্থ, শ্বেলী, কীটচ্ আৰু বাইৰণ আদিয়ে লিখা গল্প কবিতা উপন্যাস আৰু নাটকৰ মূল সাৰাংশবোৰ অবিনাশক কৈ ভাল পাইছিল। কেতিয়াবা সি সেইবোৰৰ আবৃত্তিও কৰে। অবিনাশে শুনি ভাল পায়। জিতেনে নিষ্ঠাৰে কৰা আবৃত্তিবোৰ শুনি অবিনাশে উপলব্ধি কৰে জিতেনে যেন তাৰ কল্পনাৰ জৰিয়তে সেই সাহিত্যিক সকলৰ লগত মনৰ সমন্বয় ঘটাব পাৰিছিল। অবিনাশে বুজি পাবলৈ ধৰিলে সাহিত্যিক সকল কিয় মৰিও অমৰ। তেওঁলোকৰ আত্মাই যুগে যুগে জীৱন্ত মানুহৰ অন্তৰত প্ৰবেশ কৰি মৃত্যুঞ্জয়ী হৈ তেওঁলোকৰ ভাৱ চিন্তা অমৰ কৰি থৈ যায়।

জিতেনে ফুল বৰ ভাল পাইছিল। মাটিৰ টাব কেইটামান আনি তাতে দুই এজোপা ফুল ৰুইছিল। হোষ্টেলৰ বাৰান্দাতে থোৱা টাব কেইটাত সময়ে সময়ে পানী দিয়ে, সাৰ-জাৱৰ দি যত্ন লয়। ফুল ফুলিলে জিতেনে বৰ আনন্দ পায়; তন্ময় হৈ ফুলবোৰ চাই থকা দেখিলে অবিনাশে ভাৱে জিতেনে ফুলৰ লগত যেন কথাহে পাতিছে। গোলাপ জোপা ফুলাত এদিন জিতেনে আনন্দত ৰঘুনাথ চৌধুৰীৰ কবিতাৰ দুফাঁকিমান গাইছিল–

কাৰ পৰশত ফুলিলি বাঁহ্নে
অ মোৰ সাদৰী ফুলামপাহি
শ্যামলী পাতৰ ওৰণি গুছাই
কাৰ ফালে চাই মাৰিলি হাঁহি।
....

অবিনাশেও ফুল ভাল পাইছিল, কিন্তু অন্য জীৱ-জন্তুৰ দৰে ফুলৰ লগতো যে মানুহে আত্মীয়তা গঢ়ি তুলিব পাৰে সেই কথা সি উপলব্ধি কৰিব পৰা নাছিল। জিতেনৰ লগতে অবিনাশেও ফুল কেইজোপাৰ যত্ন লবলৈ শিকিলে। জিতেনে এদিন আবেলি ফুলত পানী দি থাকোতে কৈছিল– 'অবিনাশ, চোৱা, মই এই ফুলকেইজোপাৰ যত্ন লৈছো; মোৰ মৰমৰ প্ৰতিদান স্বৰূপে সিহঁত বাঢ়ি আহি

ফুলেৰে জাতিকাৰ হৈ মোৰ হিয়া জুৰ পেলাব। কিন্তু মানুহক তুমি মনয় কৰা, উপকাৰ কৰা তাৰ প্ৰতিদান তুমি পাম বুলি নাভাবিবা। মানুহ সাধাৰণতে অকৃতজ্ঞ। নিজ স্বাৰ্থৰ বাহিৰে তেওঁলোকে আন কথা ভাবিব নোৱাৰে। মানুহৰ এই ৰহস্যময় চৰিত্ৰ লৈয়েই কিমান গল্প উপন্যাসৰ সৃষ্টি হৈছে।'

অবিনাশে হাঁহি মাৰি সোধে 'মানুহবোৰৰ প্ৰকৃতি ভাল হোৱা হলে গল্প উপন্যাসৰ সৃষ্টি নহলহেঁতেন নেকি? সেইটোও বৰ পৰিতাপৰ কথা হলহেঁতেন। মানুহৰ চৰিত্ৰ ৰহস্যময় কৰি ৰখাটোৱেই কিজানি সৃষ্টি কৰ্ত্তাৰ ইচ্ছা আৰু ইয়াৰ ফলতেই পৃথিবীখন বৈচিত্ৰময় হৈ আছে।'

জিতেনে কলে- 'অবিনাশ তোমাৰ প্ৰশ্নটোৰ উত্তৰ দিব পৰা জ্ঞান মোৰ নাই, সৃষ্টিকৰ্ত্তাৰ ইচ্ছাৰ কথানো কোনে কব পাৰে?'

'সেইবোৰ চিন্তা কৰি একো পাৰ পোৱা নাযায়, জিতেন ব'লা এতিয়া আমি ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ফুৰি আহোঁগৈ।'

ৰাতিপুৱা জিতেন সোণকালে উঠে। শুই উঠিয়েই সি শ্ৰীশ্ৰীশঙ্কৰদেৱ বিৰচিত বৰগীত এটি গায়-

তেজৰে কমলা পতি পৰভাত নিন্দ
তেৰীচান্দ মুখ পেখো উঠৰে গোবিন্দ
ৰজনী বিদূৰ দিশ ধৱলী বৰণ
তিমিৰ ফেলিয়া বাজ ৰবিৰ কিৰণ
শত পত্ৰ বিকশিত ভ্ৰমৰ উৰয়
ব্ৰজবধূ দধি মথে তুৱা গুণ গায়।
নন্দ গেল বাথানে গুৱাল গেল পালে।
....

অবিনাশে কাণ পাতি বিচনাতে বৰগীতটো শুনে। জিতেনৰ গীতটো গোৱা শেষ হলেহে অবিনাশে বিচনাৰ পৰা উঠিবৰ হ'ল বুলি গম পায়। 'অবিনাশ উঠা,' বুলি কবলৈ জিতেনৰ প্ৰয়োজন নহয়।

জিতেনৰ আৰু এটা উজ্জ্বল দিশ হ'ল- সি কিবা এটা পৰিস্থিতিৰ সন্মুখীন হলেই সমাধানৰ এটা উপাই উলিয়াব পাৰে। এবাৰ হোষ্টেলত নগা ছাত্ৰ এজন বেমাৰত পৰিল। ডাক্তৰে পৰীক্ষা কৰি চাই 'যক্ষ্মাৰোগ' হোৱা বুলি কলে। বেমাৰটোৰ নাম শুনিয়েই আন ছাত্ৰবোৰ আগ্নাসীৰ কোঠালৈ নোযোৱা হ'ল। জিতেন কিন্তু পিছ পৰি থাকিব নোৱাৰিলে। আগ্নাসীৰ উপযুক্ত চিকিৎসাৰ কাৰণে জিতেনে এটা ব্যৱস্থা ল'লে। বাতৰি কাকতৰ যোগেদি দান বৰঙণি বিচাৰি অসমৰ ৰাইজলৈ গোহাৰি জনালে। নগা ছাত্ৰ এজন গুৱাহাটী বিশ্ববিদ্যালয়ত যক্ষ্মাৰোগ হৈ পৰি থকাৰ কথা গম পোৱাৰ লগে লগেই অসমৰ

ইমুৰ সিমুৰৰ ৰাইজৰ পৰা অভূতপূৰ্ব্ব সহাঁৰি আহিবলৈ ধৰিলে। এইদৰে টকা যোগাৰ হোৱাত আসামীক স্বাস্থ্য নিবাসত ভৰ্ত্তি কৰি চিকিৎসাৰ খৰছ বহন কৰিব পৰা হ'ল। এই ঘটনাৰ আগলৈকে ভৈয়ামৰ ছাত্ৰসকলক পৰ্ব্বতীয়া সকলে কিছু সন্দেহৰ চকুৰে চাইছিল। জিতেনৰ প্ৰচেষ্টা সকলোৱে প্ৰশংসা কৰিবলৈ ধৰিলে। পৰ্ব্বত আৰু ভৈয়ামৰ ছাত্ৰৰ মাজত সদভাৱ গঢ়ি উঠিবলৈ ধৰিলে।

লাহে লাহে শৈক্ষিক বছৰটো শেষ হবৰ হলহি। প্ৰিভিয়াচ পৰীক্ষাৰ আগে আগে সকলো পঢ়াত বৰ ব্যস্ত হৈ পৰিল। প্ৰিভিয়াচতে কিছু ভাল নম্বৰ গোটাই লব নোৱাৰিলে ফাইনেলত ভাল ৰিজাল্ট কৰিব নোৱাৰি। অবিনাশ ও জিতেনে দৈনিক দহ বাৰ ঘণ্টাকৈ পঢ়িবলৈ ধৰিলে।

জিতেনৰ প্ৰিভিয়াচ পৰীক্ষা আগতে শেষ হোৱাত সি ঘৰলৈ যাবলৈ ওলাল। যোৱাৰ আগতে অবিনাশে সুধিলে 'জিতেন তোমাৰ পৰীক্ষা কেনে হ'ল ?'

'মই বৰ ভাল ৰিজাল্ট আশা কৰিব নোৱাৰো। আমি গাঁৱলীয়া স্কুলত ইংৰাজী পঢ়া। ভাল শিক্ষকো নাছিল। সকতেই বিদ্যাশিক্ষাৰ মূল ভেটিটো ভালকৈ গঢ় দিব নোৱাৰিলে পিছলৈ সেই দুৰ্ব্বলতা অতিক্ৰম কৰা বৰ টান। তথাপি তুমিতো দেখিলাই মই কিমান যত্ন সহকাৰে পঢ়িছিলো।'

জিতেন গুছি যোৱাত অবিনাশৰ সেই দিনা বৰ ৰিঙা ৰিঙা লাগিল। কেইদিনমান পাছত অবিনাশো পৰীক্ষা শেষ কৰি ঘৰলৈ গুচি আহিল। ঘৰত পঢ়িবৰ কাৰণে ভালেখিনি কিতাপো লগত ললে। তাৰ প্ৰিভিয়াচ পৰীক্ষা আশানুৰূপেই হৈছিল।

ষষ্ঠ বছৰৰ শ্ৰেণীবোৰ আৰম্ভ হোৱাত অবিনাশ পুনৰ গুৱাহাটীলৈ আহিল। সেই বছৰটো অবিনাশৰ কাৰণে অগ্নি পৰীক্ষা। শৈক্ষিক জীৱনৰ কৃতকাৰ্য্যতাৰ শেষ মাপ কাঠিডালেই হ'ল এম্ এচ্ চি পৰীক্ষাৰ ফলাফল। গতিকে সি এম্ এচ্ চি পৰীক্ষা ভাল কৰিবই লাগিব, নহলে মোমায়েক মামীয়েকৰ স্নেহৰ উপযুক্ত প্ৰতিদান দিয়া নহ'ব। ফাইনেল পৰীক্ষাটো প্ৰিভিয়াচ পৰীক্ষাতকৈ বহু বেছি গুৰুত্বপূৰ্ণ বুলি সি বুজি পাইছিল। গতিকেই পঢ়াৰ পৰা মুৰ দাঙিবলৈ তাৰ সময় নাছিল। বিজ্ঞান বিভাগৰ ছাত্ৰবোৰ বেছি ব্যস্ত থাকিব লাগে যিহেতু পৰীক্ষাগাৰত তেওঁলোকৰ যথেষ্ট সময় কটাবলগীয়া হয়।

মাৰ্চ মাহত অবিনাশৰ ফাইনেল পৰীক্ষা আৰম্ভ হ'ল। বিজ্ঞান বিভাগৰ ছাত্ৰৰ পৰীক্ষা কলা বিভাগতকৈ বেছি দিন চলে, কাৰণ তেওঁলোকৰ প্ৰেক্টিকেল পৰীক্ষাবোৰ থাকে। জিতেনে পৰীক্ষা দি বিদায় ললে। অবিনাশ অকলশৰীয়া হ'ল। অবিনাশৰ হোষ্টেলৰ বেছিভাগেই কলা বিভাগৰ হোৱাত হোষ্টেলটো প্ৰায় খালি হোৱাৰ দৰেই হ'ল। প্ৰেক্টিকেলৰ শেষ পৰীক্ষাৰ বাহিৰে তাৰ সকলো পৰীক্ষা হৈ গ'ল। শেষ পৰীক্ষাটো সুকলমে হৈ গলেই সি নিশ্চিন্ত হৈ ঘৰলৈ

উত্তৰিব পাৰিব বুলি আশা কৰি ৰ'ল। শেষ পৰীক্ষাটোত সবাটোতকৈ ভাল কৰিব পাৰি সি হোষ্টেললৈ উভতিল। এটা উন্মোক্ত মন লৈ পিছদিনা ঘৰলৈ যাবলৈ কাপোৰ কানি, কিতাপ পত্ৰবোৰ বান্ধি আছিল। সন্ধ্যা লাগো লাগো অৱস্থা। এনেতে তাৰ দুৱাৰত টোকৰ পৰিল। সি দুৱাৰখন খুলি দিলে। ফৰিংফুটা জোনাক ৰাতি অকস্মাতে কলিয়া ডাঁৱৰে আকাশখন ছাঁতি ধৰাৰ দৰে সেই কাল সন্ধ্যাটোৱে নিষ্পাপ নিষ্কলংক অবিনাশৰ জীৱনত মচিব নোৱাৰা চেকা এটা লগাই থৈ গ'ল।

* * * * *

অধ্যায়- ২৩

অবিনাশে পৰীক্ষা শেষ কৰি আহি ঘৰ পালেহি। মামীয়েকে মন কৰিলে যে অবিনাশে সকলো সময়তে কিবা এটা ভাৱত নিমগ্ন হৈ থাকে। জুপুকামাৰি চিন্তা কৰি বহি থাকিয়েই সি ভাল পোৱা হ'ল। সিটো আগতে কেতিয়াও এনেকুৱা নাছিল। উপৰাচী একো কথাই নহয়। মামীয়েক চিন্তিত হৈ পৰিল। তাক বাৰে বাৰে সোধে। 'অবিনাশ তই দেখোন মনটো মাৰি থাক, কি হ'ল পৰীক্ষা ভাল নহলনেকি ?'

'নাই নাই মামী, মোৰ পৰীক্ষা ভালেই হৈছে।'

'তেন্তে অনবৰত মনটো মাৰি থাক কেলেই ?'

অবিনাশে একো উত্তৰ নিদিয়ে। মামীয়েক অবিনাশৰ কাৰণে প্ৰথমবাৰ গভীৰ চিন্তাত পৰিল। মোমায়েক ৰজনী ফুকনেও কথাটো লক্ষ্য নকৰাকৈ থকা নাছিল। ফুৰি চাকি আহিলে কিজানি অবিনাশৰ মনটো ভালেই হয়, তাকে ভাবি এদিন গিৰিয়েকক কলে- 'হয়নে, আমি বয়স থাকোতেই এবাৰ তীৰ্থ কৰি আহিলে কেনে হয় ? এতিয়া অবিনাশৰো পঢ়া-শুনাৰ লেঠা নাই।'

ৰজনী ফুকনে পৰামৰ্শটো বৰ ভাল পালে। তেওঁ এমাহমানৰ কাৰণে ছুটিৰ দৰখাস্ত কৰিলে। তেখেত ইতিমধ্যে ৰেভিনিউ চিৰস্তদাৰলৈ পদোন্নতি হোৱা বেছিদিন হোৱা নাছিল। প্ৰমোচন পায়েই ছুটিৰ দৰখাস্ত কৰিবলগীয়া হোৱাত তেওঁ নিজেই বৰ বেয়া পাইছিল। তীৰ্থলৈ যাওঁ বুলিলে কাৰো আপত্তি কৰিবৰ থল নেথাকে। গতিকেই ছুটি লগে লগেই মঞ্জুৰ হ'ল। তিনবাৰ চাই ৰেলৰ টিকট কৰিলে। আত্মীয় কুটুম্বক মাতবোল লগাই আহিল। মৰীয়ণীৰ পৰা ৰেলেৰে আহি হাওৰা ষ্টেচন পালেহি। হাওৰাত নামি, আগতে বন্দৱস্ত কৰি থোৱাৰ কাৰণে অসম ভৱনতে থকাৰ সুবিধা পালে। অসম ভৱনত অসমৰ মানুহ দুনুহ পাই অসমতে থকা যেন পালে। অবিনাশ শিক্ষামূলক ভ্ৰমণত আহোতে কলিকতাখন আগতে চাই থোৱা, গতিকে সিয়েই আগভাগলৈ চাব গলীয়া ঠাইবোৰলৈ নিয়াৰ যো-জা কৰিছিল। বাছ, ট্ৰাম, টেক্সি যেতিয়াই

ঘিটো সুবিধা হয় তাতে উঠি ইঠাইৰ পৰা সিঠাইলৈ গৈছিল। মামীয়েকে হলে খোজ কাঢ়ি ফুৰিহে বেছি ভাল পাইছিল। কিন্তু কলিকতা হেন ঠাইখন খোজ কাঢ়ি ফুৰা সম্ভৱেই নহয়। কলিকতাৰ জনসংখ্যা, যান-বাহন আৰু চিঞৰ-বাখৰ, হাইউৰুমি দেখি মামীয়েকে বিচূৰ্ত্তি খালে। ইমান গণ্ডগোল আৰু ব্যস্ততাৰ মাজত মানুহ কেনেকৈ জীয়াই থাকে। বাছে, ট্ৰামে, আলিবাটে গুৰি পকৰাৰ দৰে লাক লাক মানুহ।

পৃথিৱীত এচাম মানুহে যে এইদৰে কঠোৰ সংগ্ৰাম কৰি জীয়াই থাকিব লাগে সেই কথা অসমত থাকি কল্পনা কৰিব পৰা নাছিল। তেওঁলোক ফুৰিবলৈ আহিছে আৰু আকো কেইদিনমানতে কলিকতা এৰি গুছি যাব লাগিব। মানুহবোৰৰ মুখবোৰলৈ চাইতো ধৰিব নোৱাৰি যে তেওঁলোকৰ মনত ফূৰ্ত্তি নাই, আনন্দ নাই। তেওঁলোকেতো নিজক দুৰ্ভগীয়া বুলি সমূলিকে নেভাবে যেন লাগে।

নতুন আৰু সম্পূৰ্ণ বেলেগ ঠাইখন চাই অৱশ্যে মোমায়েক মামীয়েকে ভাল পাইছিল। ভিক্টৰীয়া মেমৰিয়েল, ইডেন গাৰ্ডেন, কালিঘাট, দক্ষিণেশ্বৰ, বেলুৰ মঠ আদি ইতিমধ্যে চোৱা হ'ল। এদিন কলিকতাৰ প্ৰখ্যাত চিৰিয়াখানাটোও চাই আহিলৈগে। অবিনাশে ভাবিলে প্লেনেটৰীয়ামটোও এদিন মোমায়েক মামীয়েকক দেখুৱাই আনিলে ভাল হ'ব। টিকেট তিনিটা কৰি তেওঁলোক এদিন প্লেনেটৰীয়ামৰ ভিতৰ সোমাল। ছয় বজাৰ লগে লগেই লাইটৰ কৌশল প্ৰয়োগ কৰি দৰ্শক সকলক এখন পৰিষ্কাৰ নিশাৰ আকাশৰ তলত বহি থকাৰ পৰিবেশৰ সৃষ্টি কৰিলে। বহুতো নক্ষত্ৰ লগ লাগি কেনেকৈ নক্ষত্ৰ মণ্ডলী আৰু হাতীপতিৰ সৃষ্টি কৰি বিভিন্ন আকাৰত আকাশী শূণ্যত বিৰাজ কৰিছে আৰু বিজ্ঞানী সকলে অনন্ত বিশ্ব ব্ৰহ্মাণ্ডৰ এটা সীমিত দূৰত্বলৈহে নিৰিক্ষণ কৰিবলৈ সমৰ্থ হৈছে সেই কথা এজনে ব্যাখ্যা কৰি গ'ল। কৃত্ৰিম আকাশৰ মনোমোহা দৃশ্য এটা চাবলগীয়া বস্তু। প্লেনেটৰীয়ামৰ দায়িত্বত থকা সূত্ৰধাৰজনে বিশ্বব্ৰহ্মাণ্ড ও মহাকাশৰ শেষ ক'ত সেই বিষয়ে বিজ্ঞানী সকলে একো তথ্যই উদ্‌ঘাটন কৰিব পৰা নাই বুলি মন্তব্য দি সামৰণি মাৰিলে। লাইটবোৰ জ্বলাৰ লগে লগেই দৰ্শকসকলে স্বৰ্গৰ পৰা মৰ্ত্তলৈ নামি অহা যেন পালে। প্লেনেটৰীয়ামটোৰ পৰা ওলাই আহোতে মামীয়েকে কলে 'মই হলে বিশেষ একো বুজিব নোৱৰিলো। অবিনাশ, পিছে পৰে সময় পালে মোক বুজাই কবিচোন।'

খোজ কাঢ়িয়েই আহি তেওঁলোক অসম ভৱন পালেহি।

পিছদিনা তেওঁলোকে মিউজিয়ামটো চাবলৈ সোমাল। ভালকৈ চাবলৈ যথেষ্ট সময় লাগিব বুলি জানি ভাত পানী খাই আজৰি হৈহে ওলাইছিল। অবিনাশ নিজে বিজ্ঞানৰ ছাত্ৰ তাৰ উপৰিও আগৰ বাৰ শিক্ষা মূলক ভ্ৰমণৰ কাৰণে

কলিকতালৈ আহোতে সিহঁতৰ লগত অহা প্ৰফেচাৰ আৰু মিউজিয়ামৰ গাইড্জনে তাত প্ৰদৰ্শন কৰা আৰ্হি আৰু নমুনাবোৰৰ কথা ভালকৈ বুজাই দিছিল। প্ৰতেকটো দৰ্শনীয় বস্তুতে বুজিব পৰাকৈ এটা বিৱৰণ দি থোৱা আছিল। গতিকেই অবিনাশে প্ৰত্যেকটো আৰ্হিৰ বিষয়ে বুজাবলৈ একো অসুবিধা নেপালে। দুই এপদ বস্তু চোৱাৰ পাছতেই প্ৰকাণ্ড এটা জন্তুৰ জকা সজাই থোৱা দেখি মামীয়েকে সুধিলে 'অবনাশ এইটো কিহৰ জকা অ'। ইমান ডাঙৰ জন্তুনো আছিলনে ?"

অবিনাশে ছবি আৰু সজাই থোৱা আকৃতিবোৰ দেখুৱাই প্ৰাণীৰ ক্ৰমবিকাশৰ বিষয়ে বুজাবলৈ ধৰিলে। 'প্ৰায় চল্লিচ কোটিমান বছৰৰ পৰা পৃথিৱীৰ উপৰিভাগৰ উষ্ণতা কমি আহি জীৱৰ উৎপত্তিৰ বাতাবৰণ সৃষ্টি হ'ল। লগে লগেই মাটিত গজি উঠা ঘাঁহ বনবোৰ খাবৰ কাৰণে সাগৰ বা জলভাগৰ পৰা মেৰুদণ্ডহীন জোক, কেচু কুমজেলেকুৱা, কেৰেলুৱা, ঘুন পোক মকৰা আদি জীৱ মাটিলৈ উঠি আহিল। সময়ৰ লগে লগে সিহঁতৰ সংখ্যা বৃদ্ধি হয়। পাৰিপাৰ্শ্বিকতা আৰু আৱহাৱাৰ পৰিবৰ্ত্তনৰ ফলত সিহঁত ডাঙৰ হবলৈ ধৰিলে আৰু ক্ৰমাত পৃথিবীত বিভিন্ন ধৰণৰ জাতি প্ৰজাতিৰ জীৱৰ বিকাশ হয়। আমি দেখা হাতী ঘোঁৰা গাহৰী, গৰু কুকুৰ আদিৰ সৃষ্টি হয় প্ৰায় সাত কোটিমান বছৰৰ আগতেহে। এই বৃহৎ জকাটো ডাইন'চৰ বোলা এবিধ প্ৰাণীৰ। খাদ্যৰ অভাৱতেই হওঁক বা আৱহাৱাৰ পৰিবৰ্ত্তনৰ ফলতেই হওঁক আজিৰ পৰা ছয়কোটিমান বছৰৰ আগতেই এই ডাইন'চৰ বোলা প্ৰাণী বিধৰ সম্পূৰ্ণ বিলুপ্তি ঘটে। ইয়াৰ সঠিক কাৰণ জানিব পৰা হোৱা নাই।'

মামীয়েকে ভয় খাই সোধে 'মানুহৰো কেতিয়াবা বিলুপ্তি ঘটিব পাৰে নেকি অবিনাশ ?'

অবিনাশে হাঁহি মাৰি কলে "ভবিষ্যতৰ কথা কোনে কব পাৰে মামী ?" কিন্তু বৰ্ত্তমান মানুহ উন্নতিৰ জখলাতহে।

মানুহৰ ক্ৰমবিকাশৰ বিষয়েও মামীয়েকক কিছু কথা কবলৈ অবিনাশৰ মন গ'ল।

'মামী, কেবা কোটি বছৰৰ আগতে নেজ নোহোৱা কিন্তু থিয় হব পৰা এবিধ বান্দৰৰ নিচিনা জন্তুৰ উৎপত্তি হয়। বিজ্ঞানী সকলে ধাৰণা কৰে যে সেই প্ৰাণীটোৰেই তুষাৰ প্ৰভাৱৰ ফলত মানুহৰ আকৃতি লয়। মানুহৰ আদি পুৰুষ বুলি ধাৰণা কৰা সেইবিধ বান্দৰক বিজ্ঞানী সকলে 'অষ্ট্ৰোলপিথেকচ্' বুলি নাম দিছিল। মানুহজাতিৰ বৰ্ত্তমান সভ্যতা আৰম্ভ হোৱা পিছে প্ৰায় দহহেজাৰমান বছৰহে হৈছে। তাৰ আগলৈকে আন জন্তুৰ দৰে মানুহও বনৰীয়াহে আছিল। মামীয়েকে অবিনাশৰ বাখ্যাবোৰ শুনি কলে–

সাগৰত সৃষ্টি হোৱা ক্ষুদ্ৰ এককোষী জীৱ এটাৰ পৰাই যে আমাৰ জন্ম হৈছে সেই কথা জনাই নাছিলো । আজিহে মোৰ চকু খোল খালে ।'

সেইদিনা মিউজিয়াম চাই সন্ধ্যা পৰতহে তেওঁলোক অসমভৱনলৈ উলটি আহিল ।

পিছদিনা জোৰাসাকোত থকা ৰবিন্দ্ৰনাথ ঠাকুৰৰ বাসস্থানটো চাই আহি আবেলিৰ ৰেলত পুৰীলৈ ৰাওনা হ'ল ।

পুৰীত সাগৰৰ পাৰতে থকা এটা মজলীয়া ধৰণৰ হোটেলত উঠিলগৈ । উৰীয়া ভাষাৰ অসমীয়াৰ লগত মিল থকাৰ কাৰণে কথা-বাৰ্ত্তা, আদান প্ৰদানত বিশেষ অসুবিধা নহ'ল । মোমায়েক মামীয়েকে আগতে সাগৰ দেখা নাছিল । পুৰীত সাগৰৰ পাৰত বহি সময় কটাই বৰ ভাল পালে । সাগৰৰ ঢৌবোৰে কেনেকৈ নাচি নাচি খেলি থাকে । ঢৌবোৰৰও যেন একোটা মন আছে, উদ্দেশ্য আছে । সাগৰখন নেদেখালৈকে ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য, ইয়াৰ বিশালতা আৰু মাহাত্ম্য কল্পনা কৰিব পৰা নাছিল । সাগৰৰ পাৰে পাৰে তেওঁলোক ফুৰে ; আৰু ভাগৰ লাগিলে ইয়াৰ পাৰত বহি দিগবলয়ত মাৰ যোৱা সাগৰৰ দৃশ্যাৱলী উপভোগ কৰে । কলিকতাৰ হাই উৰুমিৰ পৰ ওলাই আহি সাগৰৰ পাৰত শান্ত পৰিবেশত থাকি ভাল পোৱাত তাতে কেইদিনমান বেছিকৈ থাকিবলৈ ঠিৰাং কৰিলে । মোমায়েক মামীয়েকে লক্ষ্য কৰিলে যে ঘৰৰ পৰা ওলাই অহাৰ পাছত অবিনাশৰ মনটো যথেষ্ট ভালৰ ফালে আহিছে । দৰকাৰী বুলি ভবা কথাবোৰ সি উপযাচিয়েই কৈ যাবলৈ লৈছিল । কথা বাৰ্ত্তাতও যোগ দিয়া হ'ল । এদিন সাগৰৰ পাৰত বহি থাকোতে মামীয়েকে কলে– 'অবিনাশ তই কলিকতাত মিউজিয়াম চাই থাকোতে কোৱা কথা এষাৰ মোৰ মনলৈ আহিছে । সাগৰখনেই যে আমাৰ সকলো প্ৰাণীৰে গৰ্ভধাৰণ কৰা মাতৃ সেই কথা সাগৰৰ পাৰত বহিহে মই উপলব্ধি কৰিব পাৰিছো । সেই কাৰণেই বোধহয় আমাৰ মাতৃস্বৰূপা সাগৰৰ পাৰত বহি থাকি আমি ইমান আনন্দ পাইছো ।'

মোমায়েকে ক'লে 'অবিনাশ, মামীয়েৰে কোৱা কথাষাৰ মোৰ মনতো লাগিছে । দকৈ ভাবি চালে কথাষাৰ একেবাৰে সঁচা ।'

সাগৰ দেখি মোমায়েকে মামীয়েকৰ গভীৰ উপলব্ধি হোৱাত অবিনাশৰ ভাল লাগিল । মোমায়েক মামীয়েকে, সি কলিকতাত মিউজিয়াম চাই থাকোতে কোৱা কথাবোৰ হৃদয়ঙ্গম কৰাত তাৰ মনতো আনন্দ লাগিল ।

অবিনাশে উত্তৰ দিলে– 'মামা কথাটো জানিও কিন্তু মই ইমান গভীৰভাৱে চিন্তা কৰা নাছিলো । ভাবিছিলো সাগৰ দেখি ভাল লাগে কাৰণেই ভাল পাওঁ । ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যও আছে । কিন্তু সাগৰৰ লগত মোৰ এটা নিজা

সম্পৰ্ক আছে বুলি উপলব্ধি কৰা নাছিলো।

হোটেলৈলে ঘূৰি আহিও তেওঁলোক তিনিওৰে ভ্ৰমনত আহৰণ কৰা অভিজ্ঞতাৰ কথা আলোচনা কৰে। অবিনাশৰ জুপুকা মাৰি বহি থকাৰ অভ্যাস ক্ৰমে কমি আহিবলৈ ধৰিলে। ইয়াকে দেখি মোমায়েক মামীয়েকে সন্তোষ পাবলৈ ধৰিলে।

পুৰীত সাতদিনমান থাকি তেওঁলোক কাশী, এলাহবাদৰ সঙ্গম, হৰিদ্বাৰ, হৃষীকেশ, বৃন্দাবন, মথুৰা আদি তীৰ্থস্থানলৈ গৈ পূজা পাতল দান দক্ষিণা কৰি আহি দিল্লী পালেহি। দিল্লীত অসম ভৱনতে থকাৰ সুবিধা পালে। দিল্লীত থকাৰ কালতে কুটুবমিনাৰ, সংসদ ভৱন, বিৰলা মন্দিৰ, লালকিল্লা, জুম্মামছজিদ, যন্তৰমন্তৰ আদি বুৰঞ্জী বিখ্যাত ঠাইবোৰ চালে। দিল্লীৰ পৰা ৰেলেৰে আহি আগ্ৰা পালেহি। আগ্ৰাত তাজমহল চোৱাৰ দিনা পূৰ্ণিমাৰ জোনাক আছিল। জোনাকত তাজমহলৰ অপূৰ্ব্ব দৃশ্য সঁচাকৈয়ে চাবলগীয়া। তাজমহল চাইহে বুজিব পাৰিলে যে পৃথিবীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহলেও কিয় ঠাই পাইছে।

তেওঁলোক আগ্ৰাৰ পৰা ঘূৰি আহি আকৌ দিল্লীৰ অসম ভৱনত উঠিলেহি। অসম ভৱনৰ দায়িত্বত থকা আৰু অসমৰ কাম কাজবোৰ চোৱা চিতা কৰা কমিচনাৰ জনৰ লগত ৰজনী ফুকনৰ আগৰে চিনাকি। কিন্তু ফুকনে নিজৰ পুৰণা চিনাকি দি তেখেতৰ পৰা চৰকাৰী সা-সুবিধা আদায় কৰিবলৈ ইচ্ছা নকৰিলে। তেখেতে আগবঢ়োৱা চৰকাৰী গাড়ী ব্যৱহাৰ নকৰি বাছ আৰু টেক্সিৰ যোগেদিয়েই ফুৰা-চকা কৰিলে। ফুকনে তেওঁৰ পৰিবাৰ আৰু অবিনাশৰ লগতো কমিচনাৰক চিনাকি কৰি দিলে। তেখেতে অবিনাশৰ শিক্ষা দীক্ষাৰ বুজলৈ আই এছ, পৰীক্ষা দিবলৈ উপদেশ দিলে। 'ভাৰতীয় প্ৰশাসনীয় বিভাগত আমাৰ অসমীয়া বিষয়া বৰ কম। উদীয়মান ছাত্ৰবোৰ বিষয়া হবলৈ ওলাই নাহিলে দেশ এখন ভালকৈ নচলে। এখন গণতান্ত্ৰিক দেশত ভাল বিষয়া সকলেই মেৰুদণ্ড স্বৰূপ।' ৰজনী ফুকনে উত্তৰ দিলে— 'জানো ই বা কি কৰি ভাল পায়'।

ৰজনী ফুকনৰ পৰিয়ালে ঘৰ এৰাৰ প্ৰায় এক মাহেই হ'লহি। বৈণীয়েকৰ লগত পৰামৰ্শ কৰি দিল্লীৰ পৰাই অসম মেইলত টিকট কৰাৰ সিদ্ধান্ত কৰিলে। তীৰ্থ কৰিবলৈ বুলি যাত্ৰা কৰাৰ পাছৰে পৰা অবিনাশৰ মনৰ অৱস্থা বহুতো ভালৰ ফালে অহা দেখি মোমায়েকে মামীয়েকে তীৰ্থ কৰাৰ উদ্দেশ্য কিছুদূৰ হলেও সফল হোৱা যেন পালে। আত্মীয়কুটুম্বলৈ দুই এপদ বস্তু দিল্লীতে কিনি ললে। সংৰক্ষিত কৰি ৰখাৰ কাৰণে ৰেলত আসন পোৱাৰ অসুবিধা নহ'ল। বাটত খাবলৈ কিছু ফলমূল আৰু আন খোৱা বস্তুও ললে। পুৱা ন-বজাত

অসমমুখী ৰেলখন ধীৰে ধীৰে চলিবলৈ আৰম্ভ কৰিলে। কম্পাৰ্টমেণ্টটোত কোনো এজনো চিনাকি মানুহ নাছিল। অচিনাকি যাত্ৰীবোৰে নিজৰ বস্তুবোৰ ঠিক থাক কৰাতেই ব্যস্ত। ইজন যাত্ৰীয়ে সিজন যাত্ৰীৰ ফালে মূৰ তুলি চাবলৈ সময় নাই। কিজানি সুবিধাজনক ঠাইবোৰ আনে লয়। ৰেলখনে উকি মাৰি বেগেৰে গতি কৰিবলৈ ধৰিলে। যাত্ৰীবোৰে নিজৰ নিজৰ আসনত বহি ওচৰৰ যাত্ৰীজনৰ লগত চিনা পৰিচয় হবলৈ লাগিল। দুই এজন যাত্ৰীৰ পৰস্পৰৰ মাজত ভাবৰ আদান প্ৰদান হবলৈ ধৰিলে। কিছুমানে আকৌ তন্ময় হৈ বাহিৰৰ দৃশ্যাৱলী চাই আহি আছিল। কেইটামান ষ্টেচন পাৰ হোৱাৰ পাছতেই কম্পাৰ্টমেণ্টটোত থকা প্ৰায়বোৰ যাত্ৰীয়েই ইজনে সিজনক চিনি পোৱা হ'ল। তেওঁলোকৰ মাজত আত্মীয়তা গঢ়ি উঠি নিজৰ ভাগৰ খোৱা বস্তু আন এজন যাত্ৰীক যাচিবলৈ ধৰিলে। পানী এবটল আনিবৰে কাৰণে বা কিবা এটা খোৱা বস্তু কিনিবলৈ এজন যাত্ৰী ষ্টেচন এটাত নামিলে ওচৰৰ জন সহযাত্ৰীৰ কাৰণে কিবা এটা ননাকৈ নাথাকে। ইজন যাত্ৰীয়ে সিজনৰ প্ৰতি দেখুৱা স্নেহ, অনুকম্পা আৰু সহযোগীতাৰ ভাৱ মামীয়েকে তীৰ্থলৈ বুলি ৰেলত উঠাৰ দিন ধৰি মন কৰি আহিছিল। যাত্ৰীবোৰনো কিয় ক্ষন্তেকতে একোটা পৰিয়ালৰ দৰে হৈ পৰে। তেওঁ কথাটো সুধিম সুধিম বুলি ভাবি আছিল।

"অবিনাশ, ৰেলখনৰ ভিতৰত ইজনৰ প্ৰতি সিজনৰ যি স্নেহ সহানুভূতি দেখা পাও, ৰেলৰ পৰা নমাৰ লগে লগেই সেইবোৰ কিয় নোহোৱা হৈ যায় ?"

'অবিনাশে মামীয়েকৰ প্ৰশ্নটোৰ উত্তৰ বিচাৰি পোৱা নাছিল।

ৰজনীফুকনে কলে 'মই কও শুনা, ৰেলখনৰ ভিতৰত আমাৰ সকলো যাত্ৰীৰেই উদ্দেশ্য একেটাই– অৰ্থাৎ আমি সকলোৱে কুশলে নিজৰ ঘৰ পোৱাটো। উদ্দেশ্য একেটা হলে মানুহৰ মনবোৰ সমভাবাপন্ন হয় আৰু আত্মীয়তা বাঢ়ে; মানুহ একেটা পৰিয়ালৰ দৰে হৈ পৰে।'

মামীয়েকে সুধিলে– ৰেলখনৰ বাহিৰতো জানো আমাৰ সকলোৰে একেটাই উদ্দেশ্য নহয় ? আমি সকলোৱেইটো এইখন পৃথিৱীত সুখে শান্তিৰে বসবাস কৰিবলৈ ইচ্ছা কৰো।'

মোমায়েকে কলে– 'পৃথিৱীৰ বিভিন্ন দেশৰ চৰকাৰবোৰে তেনেদৰে চিন্তা কৰা হলে প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধ নহলহেঁতেন। এইখন পৃথিৱীত আশা আকাংখা লৈ মানুহে শান্তিত জীয়াই থাকিবলৈ বাঞ্চা কৰে কিন্তু পাৰিছে জানো ? গোটেই পৃথিৱীত চাৰিওফালে কটা-মৰা, যুদ্ধ-বিগ্ৰহ, অনাহাৰ দুৰ্ভিক্ষ দেখোন বাঢ়িয়েই গৈছে। পৃথিৱীখন সভ্যতাৰ পথলৈ আগবাঢ়িছে বুলি মই মানি লবলৈ টান পাওঁ।'

অবিনাশে মাত লগালে– 'মানুহ সভ্য হোৱা নাই বুলি আত্মবিশ্লেষণ কৰিব

পৰাটোও কিন্তু সভ্যতাৰ এটা ঢাপহে।

মোমায়েকে ক'লে- 'তই ঠিকেই কৈছ অবিনাশ, নিজক বুজিব পৰাটোও এটা ডাঙৰ কথা।'

দিল্লীৰ পৰা আহি সুকলমে মৰিয়নি ষ্টেচন পালেহি। তাৰ পৰা বাছেৰে আহি ঘৰ পালেহি। তীৰ্থ যাত্ৰাটো সুকলমে পাৰ হোৱাৰ কাৰণে ভগবানক অশেষ ধন্যবাদ জনালে।

ৰজনী ফুকনৰ পৰিয়াল তীৰ্থ কৰি আহি ঘৰ সোমোৱাত তেখেতসকলক দৰ্শন কৰিবলৈ ওচৰ চুবুৰীয়া আৰু মিত্ৰ কুটুম্ব আহিবলৈ ধৰিলে। তীৰ্থযাত্ৰীক দৰ্শন বা স্পৰ্শ কৰিলেও পুণ্য অৰ্জন কৰিব পাৰি বুলি হিন্দু সকলৰ উপৰিও আন কিছুমান, ধৰ্মাৱলম্বী মানুহেও বিশ্বাস কৰে। পুৰী জগন্নাথৰ প্ৰসাদ আৰু আত্মীয় স্বজনলৈ অনা সৰু সুৰা দুই এপদ বস্তুও মামীয়েকে আন্তৰিকতাৰে বিতৰণ কৰি সন্তোষ লভিলে। তীৰ্থ কৰিলে অহা জনমত কি ফল পাই সেই বিষয়ে মামীয়েক নেজানে; কিন্তু তীৰ্থ-যাত্ৰাৰ পৰা ঘূৰি আহি তেওঁ এটা বিমল আনন্দ লাভ কৰিলে। ঘৈণীয়েকে তীৰ্থ যাত্ৰাৰ কাৰণে আগভাগ লোৱাত ফুকনেও সন্তোষ পোৱা কথাটোও প্ৰকাশ নকৰাকৈ থকা নাছিল। অবিনাশৰ মনটোও আগতকৈ বহুতো ফৰকাল হ'ল।

অবিনাশৰ বন্ধু জীৱনে প্ৰিন্স অব্ ৱেলচৰ পৰা ডিপ্লোমা লৈ তাতে ইতিমধ্যে ফ'ৰমেন হিচাবে কামত সোমাল। জীৱন কামত সোমোৱাত সিহঁতৰ ঘৰখনৰ অনাটন কিছু কমিল। কামৰ পৰা আহি সদায় জীৱন অবিনাশৰ ঘৰলৈকে আহে। মামীয়েকে জীৱনক মাতি আনি কাণে কাণে কলেহি- 'জীৱন তুমি বাৰু মন কৰিছানে তীৰ্থ কৰি অহাৰ পিছত অবিনাশৰ মনটো আগতকৈ বহুখিনি ভালৰ ফালে আহিল। এতিয়া তুমি সময় পালেই তাৰ লগত ফুৰা-চকা বং ধেমালী কৰি তাৰ মনটো পাতল কৰি ৰাখিবলৈ যত্ন কৰিবা।'

জীৱনে কলে- 'আগতকৈ অবিনাশৰ মনটো বহুতো ভালৰ ফালে অহা দেখিছো মামী। মই তাৰ লগ নেৰো। সি যিহকে ভাল পায় তাকে কৰিম। আকৌ মন পেলাবলৈ মই তাক এৰি নিদিও।'

জীৱনৰ আৰু অবিনাশ সদায় আবেলি একেলগে ফুৰে। কেতিয়াবা ভাল চিনেমা আহিলে চাই আৰু লগৰ বন্ধুৰ ঘৰলৈ গৈ নানান বিষয়ৰ আলোচনা কৰে। মাজে মাজে জিতেনো আহি যোগ দিয়েহি। জীৱনৰ খোৱাত বৰ ৰাগ, গতিকে কোনখন ৰেষ্টোৰাত কি ভাল বস্তু পায় সেহ বিষয়ে তাৰ জনা আছিল। জীৱনে কিবা এটা ভাল বস্তু খোৱাৰ পৰামৰ্শ দিলে, বাকী কেইজনে আপত্তি কৰিবলৈ সাহস নকৰে।

জীৱনে অবিনাশৰ লগত কথা পাতি গম পালে যে কিবা এটা অনুশোচনাই

তাৰ অন্তৰখন খুলি খুলি খাইছে। জীৱনে অবিনাশৰ পৰা সেই বিষয়ে জানিবলৈ ইচ্ছা নকৰিলে। জানিবলৈ বিচাৰিলে অবিনাশে বেয়াও পাব পাৰে। দৰকাৰ হ'লে সি নিজেই কব নহয়। মাজে মাজে জীৱনে উপদেশ দিয়ে যে মানুহে বৰ্তমানত জীয়াই থাকিবলৈ যত্ন কৰিব লাগে। 'অতীত মৰিল গ'ল; তাৰ কথা অন্ত হ'ল, মনৰ পৰাই তাক কৰা বিসৰ্জন।' 'বুজিছ অবিনাশ তই যদি অজানিতে বা অনিচ্ছা স্বত্ত্বেও কিবা দোষণীয় কাম কৰিছ তেন্তে তাৰ কাৰণে কোনো প্ৰায়শ্চিত্ত কৰিবলগীয়া নেথাকে। আমাৰ অনিচ্ছা সত্ত্বেও আমাৰ গছকত কিমান গুৰি পৰুৱা নিতৌ মৰি থাকে সেইবোৰৰ কাৰণে জানো আমি বেজাৰ কৰো ?' আৰু যদি তই জানি শুনিয়েই কিবা ভুল কৰিছ, তেন্তে সেইবোৰৰ কথা পাহৰি যাবলৈ চেষ্টা কৰ। তই দৃঢ় প্ৰতিজ্ঞ হবলৈ যত্ন কৰ যাতে পুনৰ তোৰ তেনে ভুল নহয়। 'টু আৰ ইজ্ হিউমেন্' বুলি যীচুখৃষ্টইও কৈ গৈছিল নহয়। তই কিবা ভুল কৰিলি বুলিয়েই সদায় মন মাৰি থাকি কষ্ট খাই থকাৰ কিবা অৰ্থ আছে নেকি ? তোক মই ধ্বংসৰ ফালে আগবাঢ়িবলৈ দিব নোৱাৰো।'

জীৱনে নিষ্ঠাৰে কোৱা কথাবোৰ অবিনাশে মন দি শুনে। অবিনাশে জানে জীৱনে তাক কিমান ভাল পায়। সি মনোকষ্ট ভুগী থকাৰ কাৰণে জীৱনে মনত কিমান বেজাৰ পাইছে। সকলো জানিও অবিনাশে জীৱনক তাৰ মনৰ কথা খুলি কব নোৱাৰে। তাক মেৰিয়াই থকা কাল সৰ্প্ডাল আনে দেখাৰ উপায় নাই। অবিনাশক বিন্ধা তীব্ৰ যন্ত্ৰনাটো আনে অনুভৱ কৰিব নোৱাৰে। কিন্তু দিনবোৰ যোৱাৰ লগে লগেই অবিনাশৰ অন্তৰ্দ্দন্দ ভালেখিনি কমি আহিবলৈ ধৰিলে। সি নিজকে নিজে নিৰ্দোষী বুলি যুক্তি দি সান্তনা লভিবলৈ ধৰিলে। তাৰ জীৱনটো অকালতে মৰহি যাবলৈ সি দিব নোৱাৰে। মোমায়েক মামীয়েকৰ কাৰণেই সি জীয়াই থাকিব লাগিব; নিজৰ ভবিষ্যতক নতুন উদ্দেশ্যৰে গঢ় দিবলৈ যত্ন কৰিব লাগিব। অবিনাশ প্ৰায় আগৰ দৰেই হৈ পৰিল। আনৰ চকুত অবিনাশৰ গভীৰতম্ কোণত থকা বিষণ্নতাই ধৰা নিদিলেও তাৰ মামীয়েকে কিন্তু অবিনাশৰ যিখন প্ৰফুল্লিত মুখ চাই ভাল পাই সেইখন তেতিয়াও ঘূৰি অহা নাছিল।

* * * * *

অধ্যায়- ২৪

এম্ এচ্ চি পৰীক্ষাৰ ৰিজাল্ট ওলাবৰ সময় ওচৰ চাপি আহিল। অবিনাশৰ মনটো উগুল-থুগুল লাগিল। তাৰ পৰীক্ষা যথেষ্ট ভাল হৈছিল। কিন্তু ৰিজাল্ট বা কি হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফিজিক্স বিভাগৰ প্ৰফেচাৰ হেম চন্দ্ৰ চৌধুৰীৰ টেলিগ্ৰামখনে সকলো চিন্তাৰ ওৰ পেলালে। 'কংগ্ৰেচুলেচনচ্ অন ইয়ৰ চিকিয়ৰিং ফাৰ্ষ্ট ক্লাচ ফাৰ্ষ্ট পজিচন'।

বহুত দিনৰ মূৰত অবিনাশৰ আগৰ জ্যোৰ্তিময় মুখখন পুনৰ মামীয়েকে দেখিবলৈ পালে। পৰীক্ষাৰ খবৰটো পাই মোমায়েক-মামীয়েক দুয়ো বৰ আনন্দ পালে। অত কষ্টৰ পাছত ভগবানে চকু মেলি চালে। ৰজনী ফুকনৰ জীৱনৰ এটা উদ্দেশ্য পূৰণ হোৱা যেন পালে। তেওঁৰ মনটো পাতল লাগিল। অবিনাশৰ মাক-দেউতাক থকা হ'লে কিমান আনন্দ পালেহেঁতেন। পাঁচ বছৰ বয়সতে অবিনাশক তেওঁৰ ঘৰলৈ অনাৰ দিনটোলৈ মনত পৰিল। ভনীয়েকৰ প্ৰতি থকা তেওঁৰ মৰম আৰু ভাগিনীয়েকৰ প্ৰতি থকা দায়িত্বৰ খাতিৰতে অবিনাশক নিজৰ ঘৰলৈ লৈ আহিছিল। সেইদিনা ৰজনী ফুকনৰ চিন্তা আছিল যে তেওঁৰ ঘৈণীয়েকে অবিনাশক আকোৱালি ল'ব পাৰিবনে নোৱাৰে। কালক্ৰমত ৰজনী ফুকনে মন কৰিলে যে অবিনাশ মামীয়েকৰহে বেছি আপোন হৈ পৰিল। তেওঁলোকৰ অসম্পূৰ্ণ জীৱন অবিনাশে পূৰ্ণ কৰাৰ উপৰিও তাৰ সৰলচিতিয়া স্বভাৱেৰে তেওঁলোকৰ অন্তৰো জয় কৰিব পাৰিছিল।

ৰিজাল্ট ওলোৱাৰ কেইদিনমান পাছত অবিনাশে মোমায়েকৰ পৰামৰ্শ বিচাৰি সুধিলে যে সি চাকৰিহে বিচৰা উচিত হ'ব নেকি ? মোমায়েকে সি পি এইচ ডি কৰাতহে জোৰ দিয়াত সি চাকৰি বিচৰাৰ কথা বাদ দিলে। মামীয়েকেও মত দিলে যে তাৰ প্ৰতিভা আছে গতিকে শিক্ষা সাং কৰা উচিত নহ'ব। মামীয়েকে হিচাব কৰি ঠাই দেখে যে তেতিয়া অবিনাশৰ মাত্ৰ বাইশ বছৰত ভৰি দিছে। বিয়া পাতিবলৈ আৰু বহুত সময় আছে। অবিনাশ আকৌ উচ্চ

শিক্ষাৰ কাৰণে ঘৰৰ পৰা আঁতৰত থকাটো তেওঁলোকে সহ্য কৰিবলৈ টান পোৱাটো স্বাভাৱিক আছিল। বয়স হৈ অহাত টানে আপদে নিজৰ বুলি মাত মাতিবলৈকে সাৰথি এজন লাগে। কিন্তু তেওঁলোকৰ নিজৰ স্বাৰ্থৰ কাৰণে অবিনাশৰ উচ্চ শিক্ষাৰ বাটত প্ৰতিবন্ধক হিচাবে থিয় দিয়াটো উচিত বুলি বিবেচনা নকৰিলে। দিল্লী বিশ্ববিদ্যালয়ত সি পি এইচ্ ডি কৰাটোৱে অৱশেষত ঠিক হ'লগৈ। চৰকাৰৰ পৰাও মাহে চাৰিশ টকাৰ এটা অনুদান মঞ্জুৰ হৈছিল। ঠিক তেনেতে সকলো কথা ওলট-পালট কৰি দিলে তাৰ বন্ধু দ্বীজেন গাঙ্গুলীয়ে আমেৰিকাৰ পৰা দিয়া চিঠিখনে। সি অবিনাশক পাছপৰ্টৰ কাৰণে দৰখাস্ত কৰিবলৈ পৰামৰ্শ দিলে। তাৰ শিক্ষাগত অৰ্হতাৰ সম্পূৰ্ণ নথিপত্ৰ সত্যায়ন কৰি দ্বীজেনলৈ পঠিয়াবলৈ উপদেশ দিলে। আমেৰিকালৈ এবাৰ আহি ল'ব পাৰিলে মেধাসম্পন্ন মানুহৰ কোনো বিপদ নঘটে। উন্নতিৰ জখলাত বগোৱাৰ শেষ সীমা বুলি কথা এটাৰ প্ৰচলন আমেৰিকাত নাই। তাৰ বিশ্বাস যে অবিনাশ আমেৰিকালৈ আহিলে ভাল কৰিব পাৰিব আৰু তাৰ প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা পাব। চাকৰি কৰি ধন উপাৰ্জন কৰিও পঢ়াৰ সুবিধা পাব।

অবিনাশে মোমায়েক-মামীয়েক আৰু তাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ হেমচন্দ্ৰ চৌধুৰীৰ লগত পৰামৰ্শ কৰি আমেৰিকালৈ যোৱাৰ সপক্ষে সিদ্ধান্ত ল'লে। পাছপৰ্টৰ কাৰণে দৰখাস্ত কৰাৰ উপৰিও দ্বীজেনে বিচৰা শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰবোৰৰ নকল দ্বীজেনলৈ পঠিয়াই দিলে।

অবিনাশৰ পাছপৰ্ট পোৱাত বৰ বেছিদিন নেলাগিল। প্ৰায় দুমাহমানৰ ভিতৰতে তাৰ পাৰপত্ৰ হৈ গ'ল। পাৰপত্ৰ হৈ যোৱা বুলি গম পোৱাৰ পাছতেই দ্বীজেনে বোষ্টন নগৰত চাকৰি এটা যোগাৰ কৰি অবিনাশলৈ জৱ্‌ভাউচাৰখন পঠিয়াই দিলে। চাকৰিটো আছিল এখন প্ৰখ্যাত বৈজ্ঞানিক যন্ত্ৰপাতি তৈয়াৰ কৰা অনুষ্ঠানত। অবিনাশ কেতিয়া আৰু কোন ফ্লাইটত আমেৰিকা পাবগৈ সেই বিষয়ে তাক আগতীয়াকৈ জনাবলৈ লিখিলে। জৱ্‌ভাউচাৰখন পোৱাৰ পাছত অবিনাশে কলিকতাত থকা আমেৰিকাৰ কনচুলেট জেনেৰেলৰ অফিচৰ লগত যোগাযোগ আৰম্ভ কৰিলে। ভিচাৰ কাৰণে কলিকতালৈ গৈ সাক্ষাৎকাৰ দিব লগা হ'ল। আমেৰিকান কনচুলেট অফিচৰ মুৰব্বীজনে সহায় কৰি দিয়াত ভিচা পোৱাত একো অসুবিধা নহ'ল। যোৱাৰ দিন-বাৰ ঠিক কৰি এয়াৰ ইণ্ডিয়াত টিকট কৰি ঘৰলৈ ঘূৰি আহিল। যোৱাৰ দিন-বাৰ আৰু ফ্লাইট নম্বৰ জনাই দ্বীজেনলৈ চিঠি আৰু লগতে তাঁৰবাৰ্তা পঠালে। গুৱাহাটীৰ পৰা কলিকতালৈয়ো বিমানেৰে যোৱাটোকে ঠিক কৰিলে। মোমায়েক-মামীয়েকেও গুৱাহাটীলৈকে আগবঢ়াই দিবলৈ যাব। অবিনাশ ঘৰৰ পৰা ৰাওনা হোৱাৰ আগদিনা

মাজৰাতি মামীয়েকে হুকহুকাই কন্দা দেখি ৰজনী ফুকনৰ অন্তৰতো শোকে খুন্দা মাৰি ধৰিলে। বিয়া দি ঘৰৰ পৰা উলিয়াই দিয়া দিনৰ বাহিৰে ফুলে সেইদৰে হুকহুকাই কন্দা ৰজনী ফুকনে আগতে দেখা নাছিল। ফুকনৰ বহু বুজনিৰ পাছতহে মামীয়েকৰ কান্দোন শাম কাটিলে। অবিনাশ তেজ-মঙহৰ সম্বন্ধ থকা ৰজনী ফুকনৰ নিজা ভাগিন, কিন্তু মামীয়েকেটো তেওঁতকৈয়ো তাক বেছি আপোন কৰি ল'ব পাৰিলে। ফুকনে বুজিলে তেজ-মঙহৰ সম্বন্ধই মানুহৰ মৰমৰ একমাত্ৰ উৎস নহয়। ঘৈণীয়েকৰ ফুলকুমলীয়া এখন অন্তৰ আৰু অবিনাশৰ স্বভাৱ সুলভ মৰম আদায় কৰিব পৰা এটা মন থকা কাৰণেই মাতৃবৎ স্নেহৰ বিনিময় হ'ব পাৰিছে। ফুকনে আশংকা কৰিছিল যে আন আন বহুতৰ দৰে অবিনাশ আৰু দেশলৈ ঘূৰি নাহিবও পাৰে। চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ হয়। আকৌ ভাৱে অবিনাশ আনবোৰতকৈ বেলেগ– সি অকলে গৈছে, অকলেই ঘূৰি আহিব। তেওঁলোক গুৱাহাটীলৈ আহি হেপীলজ হোটেলত দুদিন থাকিল। পিছদিনা সোমবাৰে অবিনাশ কলিকতালৈ গৈ মঙ্গলবাৰৰ দিনা ৰাতি এক বজাত আমেৰিকালৈ ৰাওণা হ'ব। গুৱাহাটীৰ পৰা প্লেনখন এৰাৰ সময় দিনৰ আঠটা বজাত। তেওঁলোকে টেক্সি এখনেৰে আহি একমান বজাতে বৰঝাৰ বিমানকোঠ পালেহি। তিনিওৰে মন বিষণ্ণ। বিমানকোঠৰ লাউঞ্জৰ ভিতৰত সোমায়েই জীৱন গোহাঁইক দেখি তেওঁলোকৰ আকস্মিক আনন্দ লভাৰ সৌভাগ্য ঘটিল। অবিনাশে হাঁহি মাৰি সুধিলে–

'জীৱন তইটো গুৱাহাটীলৈ অহা কথা নাছিল ?'

'বুজিছ অবিনাশ, তই গুছি অহাৰ পাছত মোৰ মনটো বৰ বেয়া লাগি আছিল ; কিন্তু গুৱাহাটীলৈ অহাৰ কথা ভবা নাছিলো। যোৱা কালি পিছে মই মনটো সামৰিব নোৱাৰিলো। ট্ৰাক এখনতে উঠি আহি ৰাতিপুৱা গুৱাহাটী পাই চিধাই ইয়ালৈকে গুছি আহিলো। তোক প্লেনত তুলিহে যাম বুলি ভাবিলো। তই গুছি যোৱাৰ পাছত মামা-মামীকো লগ এজনৰ দৰকাৰ হ'ব বুলি বিবেচনা কৰিলো।'

মামীয়েকে ক'লে– "বৰ ভাল কাম কৰিলা জীৱন ; তোমাক দেখি যে আমাৰ কিমান আনন্দ লাগিছে।

কথাষাৰ কোৱাৰ পাছত মামীয়েকে চকুৰ পানী মচা জীৱনে লক্ষ্য কৰিলে।

'বুজিছে মামী কিবা এটা কাম কৰা উচিত বুলি মনলৈ আহিলে সেইটো নকৰালৈকে মই বৈ থাকিব নোৱাৰো।'

কিছুপৰ যোৱাৰ পাছত চেক্‌ইন কৰাৰ অনুৰোধ আহিল। জীৱনে বস্তুবোৰ কঢ়িয়াই ওজন কৰাত সহায় কৰি দিলে। অবিনাশে চেক্‌ইন কৰি টিকটৰ বাকী অংশ, বৰ্ডিং কাৰ্ড আৰু পেকেজ ৰচিদখন জেপত ভালদৰে ভৰাই থ'লে।

কামখিনি হোৱাৰ পাছত অবিনাশ আৰু জীৱন মোমায়েক-মামীয়েকৰ ওচৰত থিয় দিলেহি। কাৰো মুখত একো মাতবোল নাই। মৌনতা ভাঙিবৰ কাৰণে জীৱনে ক'লে– 'তামোল এখন খাবি নেকি অবিনাশ? তইটো আৰু আমেৰিকাত তামোল খাবলৈ নেপাৱ।' জীৱনে তামোল আনি পোৱাৰ ক্ষন্তেক পাছতে যাত্ৰীসকলক সুৰক্ষা কক্ষলৈ যাবলৈ অনুৰোধ আহিল। অবিনাশে মোমায়েক-মামীয়েকৰ মুখৰ ফালে শেষবাৰৰ কাৰণে চাই লৈ দুয়োৰে ভৰি চুই সেৱা কৰি সুৰক্ষা কক্ষৰ ফালে খোজ দিলে। পিছুলৈ ঘূৰি নোচোৱাকৈয়ে সি ক'লে "জীৱন, মই আহিলো, মামা-মামীক চাবি।"

সকলো আৰোহীৰ সুৰক্ষা ব্যৱস্থাৰ নিয়ম পালন কৰা শেষ হ'লত যাত্ৰীসকল বিমানখনৰ ফালে আগবাঢ়িল। লগৰ যাত্ৰীবোৰৰ লগতে খোজ মিলাই অবিনাশো আগবাঢ়িল। সি প্লেনখনত নুঠালৈকে মোমায়েক-মামীয়েক আৰু জীৱনে সতৃষ্ণ নয়নেৰে তাৰ ফালে চাই আছিল।

সকলোবোৰ যাত্ৰী উঠাৰ কিছু সময়ৰ পাছত প্লেনখনে গতি স্থলৈলে আগবাঢ়িল। গতিস্থলৰ ইমূৰৰ পৰা তীব্ৰ গতিৰে আহি প্ৰচণ্ড শব্দ কৰি প্লেনখনে আকাশলৈ উৰা মাৰিলে। আধা ঘূৰণীয়া পাক এটা মাৰি নীল বৰণীয়া পশ্চিম আকাশত অদৃশ্য হৈ গ'ল। প্লেনখন যোৱাৰ পাছত মামীয়েকে অনুভৱ কৰিলে যে জীৱন নথকা হ'লে তেওঁলোকৰ গুৱাহাটীলৈকে উলটি যোৱাৰ মনোবল নহ'লহেঁতেন। জীৱন আহি বৰ ভাল কাম কৰিলে। টেক্সি এখন লৈ তেওঁলোক আহি হেপীলজ্ পালেহি।

প্লেনখন আকাশলৈ উৰা মৰাৰ লগে লগেই অবিনাশৰ চকুৰ পৰা সৰসৰকৈ পানী পৰিবলৈ ধৰিলে। এইয়া কিহৰ চকুপানী? এইয়াতো মোমায়েক মামীয়েকৰ লগত বিচ্ছেদ হোৱা প্ৰতিক্ৰিয়া নহয়; ই এক সম্পূৰ্ণ বেলেগ অনুভূতি। চিৰজননী জন্মভূমি অসমী আইৰ লগত সম্পৰ্ক ছিঙি উৰা মৰাৰ লগে লগেই অবিনাশৰ অন্তৰতম্ বিন্দুত এক অচিনাকি আবেগে খুন্দা মাৰি ধৰিলেহি। তাৰ মৰমৰ দেশখন, আত্মীয়-স্বজন আৰু বন্ধু-বান্ধবক এৰি সি সম্পূৰ্ণ অপৰিচিত দেশ এখনলৈ গুছি যাব। নিজকে সম্পূৰ্ণ অকলশৰীয়া বোধ কৰিলে। ভয়ত তাৰ বুকুখন কঁপি উঠিল।

ওচৰৰ আসনখনত বহা যাত্ৰীজনে দেখে বুলি অবিনাশে ৰুমালখন উলিয়াই চকুপানীবোৰ মচি ল'লে। নাই, সি নিজকে ইমান দুৰ্বল হ'বলৈ দিব নোৱাৰে। শ্ৰীকৃষ্ণই অৰ্জুনক পুৰুষৰ পুৰুষাৰ্থ ত্যাগেই ক্লীৱত্ব বুলি কোৱা গীতাৰ শ্লোক ফাঁকি তাৰ মনলৈ আহিল।

'ক্লৈব্যং মাস্ম গমঃ পাৰ্থ নৈতৎ ত্বয্যুপপদ্যতে

ক্ষুদ্ৰং হৃদয় দৌৰ্বল্যং ত্যক্তোত্তিষ্ঠ পৰন্তপ ॥'

কিছুপৰ পাৰ হৈ যোৱা পাছত অবিনাশৰ সাহস ঘূৰি আহিল। এনেতে বিমানৰ পৰিচাৰিকা এগৰাকী আহি সুধিলেহি– 'টি অৰ কফি ?' পৰিবৰ্তনৰ কাৰণে অবিনাশে কফি খাম বুলি ক'লে। কফি আৰু বিস্কুট খাই উঠাৰ পাছত তাৰ মনটো পাতল লাগিল। সি খিড়িকীখনেৰে বাহিৰলৈ চাই দেখে বিভিন্ন বৰণৰ ডাঁৱৰ ফালি প্লেনখনে দুৰ্জয় গতিত আগবাঢ়িছে। মাজে মাজে কণোৱা তুলাৰ দৰে পাতল ডাঁৱৰৰ ফাঁকে ফাঁকে অহা সূৰ্য্যৰ কিৰণৰ জিলিঙনিয়ে এক অপূৰ্ব দৃশ্যৰ অৱতাৰণা কৰিছিল। অবিনাশে আগতে প্লেনত উঠা নাছিল, গতিকেই সি সময়খিনি উপভোগ কৰিব পাৰিছিল। তললৈ চাই আলিবাট, ৰেলৰ লাইন, গছ-গছনি আৰু খেতি-পথাৰবোৰ নক্সাত দেখা যেন পালে। সি ভাবিবলৈ ধৰে বিজ্ঞানে মানুহক চাৰিওপিনৰ পৰা কত উপকাৰ কৰি আহিছে। যোৱা দুশবছৰমানৰ ভিতৰতে বিজ্ঞানৰ উল্লেখনীয় উন্নতি হৈছে। মানুহ বিজ্ঞানীমুখী হোৱাতো কিমান ৰহস্যময় ঘটনা। অতীজতেতো মানুহ অনুসন্ধিৎসু নাছিল। তেওঁলোকে জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰৰ দ্বাৰা মানুহৰ দুখ নিৰাময় কৰিবলৈ যত্ন কৰিছিল। বৰষুণ নহ'লে ভেকুলীৰ বিয়া পাতিছিল। সত্যৰ অনুসন্ধানকাৰী মানুহে যেতিয়া দেখিলে যে চাহাৰা মৰুভূমিত ভেকুলীৰ বিয়া পাতিও বৰষুণ অনাব নোৱাৰি, যাদু-মন্ত্ৰৰ ওপৰত মানুহৰ বিশ্বাস নোহোৱা হৈ আহিবলৈ ধৰিলে। কালক্ৰমত মানুহে ভৌতিক কাণ্ড কিছুমান ঘটাৰ কাৰণ বিচৰাৰ ফল স্বৰূপেই মানুহৰ বৈজ্ঞানিক মন এটা গঢ়ি উঠিবলৈ আৰম্ভ কৰিলে।

প্লেন আহি কলিকতাত অৱতৰণ কৰিলেহি। বিমান বন্দৰতে তাৰ পিছদিনা যাবলগীয়া এয়াৰ ইণ্ডিয়াৰ ফ্লাইটটোৰ বিষয়ে আকৌ এবাৰ সুধি-পুচি ল'লে। মঙ্গলবাৰৰ দিনা ৰাতি এক বজাত তাৰ নিউইয়ৰ্কলৈ যোৱা বিমানখনৰ সময়। সকলো ঠিক থকা যেন পাই টেক্সি এখন লৈ সি অসম ভৱন পালেহি। পিছদিনা ৰাতি দহমান বজাতে আহি দমদম বিমান বন্দৰ পালেহি। অকলশৰে তাৰ মনটো বেয়াও লাগিছিল। এঘাৰমান বজাৰ পৰা এয়াৰ ইণ্ডিয়াৰ নিউইয়ৰ্ক ফ্লাইটত যাবলগীয়া যাত্ৰী আহিবলৈ আৰম্ভ কৰিলে। যাত্ৰীবোৰৰ গোট খোৱাত তাৰ মনটো কিছু ভাল লাগিল। সহযাত্ৰী এজনৰ পৰা সি গম পালে যে কিবা কাৰণত এয়াৰ ইণ্ডিয়াৰ ফ্লাইটটো বাতিল হৈছে; গতিকে ৰাতি তিনি বজাত যাবলগীয়া পেন্ এম্‌ৰ বিমান এখনতে যাত্ৰীবোৰক পঠিয়াই দিব। অবিনাশৰ মনটো সেমেকি গ'ল। পৃথিবীৰ বিভিন্ন দেশৰ এয়াৰ লাইনচ্‌বোৰৰ মাজত তেনেকুৱা বুজাবুজি থাকেই। আকৌ তিনি বজালৈকে খাপ দিব লগীয়া হ'ল। সহযাত্ৰীবোৰ আছে যেতিয়া তাৰ ফ্লাইটৰ বিভ্ৰাট ঘটাৰ সম্ভাৱনা নাই। সি নিশ্চিন্ত হ'ল। একমান বজাৰ লগে লগেই পেন্ এম্‌ৰ কাউন্টাৰ খুলিলে। সহযাত্ৰীবোৰৰ লগতে অবিনাশো শাৰীপাতি থিয় হ'ল। চেক্ ইন্ হৈ যোৱাৰ

কিছুপৰৰ পাছত যাত্ৰীবোৰক সুৰক্ষা কোঠালৈ যোৱাৰ অনুৰোধ আহিল। বাতি আঢ়েমান বজাত আন আন যাত্ৰীসকলৰে সৈতে অবিনাশো বিমানখনলৈ খোজ দিলে। বিমানখনত উঠা জখলা ডালত ভৰি দিয়াৰ লগে লগেই তাৰ বুকুখন কঁপি উঠিল। বিদেশলৈ যোৱা কথাটো তাৰ ইমান দিনে সপোন যেন লাগি আছিল। মাজৰাতি হ'লেও এয়াতো সপোন নহয়। নিউইয়ৰ্কলৈ যাব লগা পেন্ এম্‌ৰ ৭১২ নম্বৰ ফ্লাইটৰ জখলাত সি ভৰি দিছে। তাৰ নিজৰ গাতে চিকুট মাৰি চাবৰ মন গ'ল— সি অবিনাশ বৰুৱা নে আন কোনোবা। বিমানৰ পৰিচাৰিকা গৰাকীয়ে অবিনাশক আগবঢ়াই নি নিৰ্দিষ্ট আসনখনত বহুৱালেগৈ। কিছুপৰ সি থৰ লাগি বহি থাকিল। বহুতো ভাব একেলগে আহি তাৰ মনটো ক্ষন্তেকৰ কাৰণে নিষ্ক্ৰিয় কৰি পেলালে। বাকী যাত্ৰীবোৰ আহি নিজৰ নিজৰ আসন গ্ৰহণ কৰিলেহি। এনেতে তাৰ এটা ডাঙৰ চিন্তা আহিল। দ্বীজেনলৈ সি এয়াৰ ইণ্ডিয়াৰ ৩২০ নম্বৰ ফ্লাইটত যাব বুলিহে কৈছিল। সি এতিয়া পেন্ এম্‌ৰ ফ্লাইটতহে আহি আছে। তাৰ বুকুখন চিৰিংকৈ মাৰিলে। বিমানখনে ইতিমধ্যে গতিস্থানলৈ ধীৰে ধীৰে গৈ আছিল। সি বিমোৰত পৰিল। এইবোৰ চিন্তা কৰি থাকোতেই বিমানখনে উৰামাৰি বায়ুমণ্ডলৰ জখলা বগাই মাজআকাশত সোমাই পৰিল। সি পিছলৈ উভতি চোৱাৰ সময় আৰু নাই। কলম্বাচে আমেৰিকা আবিষ্কাৰ কৰাৰ সময়ত আমেৰিকা বুলি দেশ এখন আছে বুলিয়েই কোনেও জনা নাছিল। কিন্তু তাৰ হাতত আমেৰিকান চৰকাৰৰ ভিচা আছে, এখন জব্ ভাউচাৰ আছে। এইবোৰ চিন্তা কৰি থাকোতেই বিমানৰ পৰিচাৰিকা এগৰাকীয়ে আহি সুধিলেহি 'এনী ড্ৰিঙ্কচ্ ?' অবিনাশে 'ইয়েচ' বুলি কৈয়েই বুজিলে সি কিমান নাৰ্ভাচ হৈছে। সিটো মদ নেখায়। পৰিচাৰিকা গৰাকীয়ে ধুনীয়া বটলৰ পৰা মদ বাকীবলৈ ধৰোতেই অবিনাশে ক'লে— 'অহ্ ন' ন' গিভ মি চামথিং চফ্‌ট।' চৰবট গিলাচ খাইহে সি কিছু সকাহ পালে। অলপ সময়ৰ পিছত ট্ৰে এখনত চাহ, কফি, কেক, বিস্কুট, কাজুবাদাম ইত্যাদি আহিল। সি কফি আৰু কেক্ দুটুকুৰমান খাই কাজুবাদাম চোবাই চোবাই মুখটো কাটি কৰি আঁউজি কিছুপৰ থাকোতেই টোপনি আহিল। বিমানখন আহি কাইৰো পোৱাতহে তাৰ টোপনি ভাগিল। কাইৰোৰ পৰা উৰা মৰাৰ পাছতেই ব্ৰেক্‌ফাষ্ট আহিল। কিছুপৰ টোপনি যোৱাত তাৰ গা মন ভাল লাগিল। সি তৃপ্তিৰে ব্ৰেকফাষ্টটো খালে। টাইম মেগাজিনখন উলিয়াই লৈ পঢ়িবলৈ আৰম্ভ কৰিলে। কাইৰোৰ পৰা উৰা মৰাৰ দুঘণ্টামান পাছত বিমানখন আহি ৰোমত অৱতৰণ কৰিলেহি। আমনি লগাত টয়লেটলৈ গৈ মুখ-হাত ধুই আহিলগৈ। সময়টো জানিবৰ কাৰণে নিজৰ ঘড়ীটোলৈ চাই দেখে যে তাৰ ঘড়ীত ভেতিয়া বাৰ বাজিছে। পৰিচাৰিকা গৰাকীক সোধাত ৰোমৰ

স্থানীয় সময় তেতিয়া পুৱা ছটা বাজি চৌৱন্ন মিনিট বুলি ক'লে। অবিনাশৰ ভূগোলৰ শিক্ষক হৰমোহন কাকতি চাৰলৈ মনত পৰিল। তেখেতে গোলোক আনি কি সুন্দৰকৈ ভূগোল বুজাই দিছিল। স্কুলত পঢ়োতে তেখেতে বিভিন্ন দেশৰ মাজত স্থানীয় সময়ৰ পাৰ্থক্য বুজাওতেটো সি কল্পনা কৰিব পৰা নাছিল যে সি নিজেও এদিন বিদেশলৈ আহিব লগীয়া হ'ব। বোমৰ স্থানীয় সময়টো জানি সি নিজৰ ঘড়ীৰ কাটাডাল ঘূৰাবলৈ হাত দিও বৈ গ'ল। নিজ দেশৰ পৰা কঢ়িয়াই অনা সময়টো সলনি কৰিবৰ তাৰ সং নগ'ল। অপৰিচিত এখন ঠাইত ঘড়ীৰ সময়টোৱেই নিজ মাতৃভূমিৰ লগত তাৰ একমাত্ৰ যোগসূত্ৰ। বোম এৰি বিমানখন নিউইয়ৰ্কৰ ফালে গতি কৰিলে। বিমানখনে সমতা স্থাপন কৰাৰ খন্তেক পাছতে পৰিচাৰিকা এগৰাকীয়ে দুপৰীয়াৰ আহাৰ পৰিবেশন কৰিলেহি। আহাৰ খাই উঠাৰ কিছু সময়ৰ পাছত তাৰ শৰীৰৰ অলসতা ভাগিল। মনলৈ উৎসাহ আহিল। মূৰৰ ওপৰত থকা চুইচটো টিপি দিয়াৰ লগে লগেই পৰিচাৰিকা এগৰাকী আহি মাত লগালেহি। "ইয়েচ প্লীজ" অবিনাশে নম্ৰভাৱে ক'লে 'কুড ইউ গিভ্ মি এ গ্লাচ অব অৰেঞ্জ জুচ্ ?" পৰিচাৰিকা গৰাকীয়ে কমলাৰ ৰস এগিলাছ আনি দিলেহি। ৰস গিলাছ খাই সি আকৌ টাইম মেগাজিনখন মেলি ল'লে। কিন্তু সি মনদি পঢ়িব নোৱাৰিলে। নানা ধৰণৰ চিন্তা তাৰ মনলৈ আহিবলৈ ধৰিলে। যদি প্লেনৰ পৰা নামিয়েই দ্বীজেনক লগ নেপায় তেন্তে সি অকলে চম্ভালিব পাৰিবনে ? তাৰ ইংৰাজীৰ উচ্চাৰণ আমেৰিকানে বুজে বা নুবুজে। ওচৰতে বহা যাত্ৰীজনৰ লগতে দুই এটা কথা পাতিবলৈ সি যত্ন কৰিলে। কথা পাতি সি বুজিব পাৰিলে যে আমেৰিকানে কোৱা ইংৰাজী সি সহজে বুজিব নোৱাৰে ; কিছু সময় লাগে। গৈ পায়েই ভাষাটোও এটা সমস্যা হ'ব বুলি সি বুজিব পাৰিলে। সি আকৌ নিতাল মাৰি থাকিবলৈ যত্ন কৰিলে। চিলমিলকৈ কিছু সময় টোপনি গ'ল। সাৰ পাই সি ঘড়ীটোলৈ চাই দেখে যে তাৰ ঘড়ীত ৰাতি নটা বাজিছে। আৰু দুঘণ্টাৰ পাছতেই বিমানখনে নিউইয়ৰ্কত অৱতৰণ কৰিব। তেতিয়া নিউইয়ৰ্কত দিনৰ এঘাৰটাহে বাজিব। পশ্চিমলৈ আহিলে কিমান সময় বাহি হয় সি উপলব্ধি কৰিলে। পোন্ধৰ ডিচেম্বৰৰ দিনা পুৱা তিনি বজাত কলিকতাৰ পৰা বিশ ঘণ্টা সময় বিমানত আহিও সেই দিনাই দিনৰ এঘাৰ বজাতে নিউইয়ৰ্ক পাবহি। এনেতে ঘোষণা কৰিলে যে আৰু আধা ঘণ্টামানৰ ভিতৰতে বিমান নিউইয়ৰ্কত অৱতৰণ কৰিব। বিমানখনৰ উচ্চতা কিছু হ্ৰাস পাবলৈ ধৰা সি অনুমান কৰিলে। যাত্ৰীসকলে আসনৰ লগতে থকা পেটীডাল মাৰি ল'বলৈ অনুৰোধ আহিল। ঠিক এঘাৰ বজাত বিমান আহি অৱতৰণ কৰিলেহি নিউইয়ৰ্ক বিমান বন্দৰত।

বিমানখনৰ পৰা নামি মাটিত ভৰি দিয়াৰ লগে লগেই অবিনাশৰ গাত এটা শিহৰণ উঠা অনুভৱ কৰিলে। সি আহি এখন নতুন দেশৰ মাটিত ভৰি দিলেহি। শুল্ক বিভাগে খানাতালাচী কৰি মুকলি কৰি দিয়াৰ পাছত অবিনাশ আহি লাউঞ্জ পালেহি। ইফালে-সিফালে চাই দেখে যে এখনো চিনাকি মুখ নাই। তাৰ বুকুখন কঁপিবলৈ ধৰিলে। এনেতে তাক কোনোবাই অবিনাশ বুলি মতা শুনি সি চক্ খাই উঠিল। এটা অতি আপোন আৰু চিনাকি মাত। ঘূৰি চ'ই দেখে দ্বীজেন। সি অবিনাশক সাৱট মাৰি ধৰি ক'লে– "মই জানো তই মোক আশা কৰা নাছিলি ; কিন্তু মই এইটোও ভালকৈ জানিছিলো যে প্লেনখনৰ পৰা নামিয়েই তই মোক দেখা নাপালে তোৰ কি অৱস্থা হ'ব। মই এয়াৰ ইণ্ডিয়াৰ অফিচত খবৰ লৈ গম পালো যে তেওঁলোকৰ নিউইয়ৰ্ক ফ্লাইটটো কেনচেল হৈছে। আৰু যাত্ৰীবোৰক পেন্ এম্‌ৰ ৭১২ নম্বৰ ফ্লাইটত পঠিয়াই দিছে।"

সিহঁত দুয়ো আহি বিমান বন্দৰৰ এখন ৰেষ্টোৰাত সোমালহি। দ্বীজেনে কফি দিবলৈ ক'লে। কফি খোৱাৰ মাজতে দ্বীজেনে কৈ গ'ল– "আমেৰিকা এখন সম্পূৰ্ণ বেলেগ দেশ। ইয়াত মানুহৰ মৰিবৰ কাৰণেও সময় নাই। মোৰো সময় নাই। তই আজিয়েই বোষ্টনলৈ গুচি যা। তাৰ এখন ডাঙৰ হোটেলৰ পিছফালে কিছুমান কোঠা আছে; তোৰ কাৰণে তাৰে এটা কোঠা ঠিক কৰি থোৱা আছে। ভাৰা মাত্ৰ দিনে তিনি ডলাৰ। সেই কোঠাবোৰ সাধাৰণতে ছাত্ৰবোৰক থাকিবৰ কাৰণেই ৰাখে। তই বোষ্টন গৈ পোৱাৰ পিছদিনাই কামত যোগ দিবিগৈ। মই আজিয়েই হুষ্টনলৈ উভতি যাব লাগিব। তই কামত যোগ দিয়াৰ পাছতহে ৰিচাৰ্চ কৰাৰ কথা চিন্তা কৰিবি। ব'ল এতিয়া কফি একাপ খায়েই বোষ্টনলৈ যাবৰ কাৰণে টিকেট কৰো। তোৰ ঘড়ীটো নিউইয়ৰ্কৰ লোকেল টাইমৰ লগত মিলাই ল'।"

সেইদিনাই অবিনাশ গৈ বোষ্টন নগৰ পালেগৈ। দ্বীজেন হুষ্টনলৈ গুছি গ'ল। অবিনাশে বিমান বন্দৰৰ পৰা টেক্সি এখন লৈ হোটেল পালেহি। হোটেলত নাম ভৰ্তি কৰা হ'লত ল'ৰামতীয়া নিগ্ৰো বেইটাৰ এজনেৰে সৈতে হোটেলৰ পিছফালে থকা কোঠালৈ খোজ দিলে। আহি থাকোতে নিগ্ৰো ল'ৰাজনে সুধিলে–

"হেই গাই ৰেৰকম ?"

অবিনাশে ক'লে– "ইণ্ডিয়া।"

সি আকৌ সুধিলে– "ষ্টুডেন্ট ?"

অবিনাশে ক'লে– "ইয়েছ।"

সি ক'লে– মি টুউ, ৱৰকিং ইন এ ভেকেচন।"

কথা-বতৰাৰ পৰা অবিনাশৰ অনুমান হ'ল– ল'ৰাজনৰ তাৰ প্ৰতি সহানুভূতি আছে। অবিনাশৰ কোঠাটো দেখুৱাই তাৰ হাতত চাবিটো দি নিগ্ৰো ল'ৰাটো উভতিল।

অবিনাশে কোঠাটোত সোমাই বস্তুবোৰ ঠিক-ঠাক কৰি থ'লে। ওচৰতে থকা গা-ধোৱা ঘৰলৈ গৈ গাটো ধুই ল'লে। তেতিয়া আবেলি ছয় মান বাজিছিল। ভাগৰ লগাত বিচনাখনতে কাটি হ'ল। লগে লগেই তাৰ টোপনি আহিল। ৰাতি ন মান বজাত দুৱাৰত টোকৰ পৰাও সি সাৰ পালে। দুৱাৰখন খুলি সি দেখে যে সেই কেট্‌কেটীয়া ক'লা নিগ্ৰো ল'ৰাটো। ৰাতি তাক দেখি অবিনাশৰ ভয় লাগি গ'ল।

"হেই গাই, হ্বাট এবাউট ডিনাৰ ?"

ছাত্ৰ নিবাসীবোৰে খাবৰ কাৰণে এটা সুকীয়া ডাইনিং হ'ল আছিল। এক ডলাৰ দিলেই এসাজ খ ব পাৰি, নিগ্ৰো ল'ৰাজনেও তাতেই খায়। অবিনাশে ভাবিলে যে নতুন পৰিবেশৰ লগত সোনকালে খাপ খুৱাই লোৱাই সমীচীন হ'ব। দুৱাৰখন বন্ধ কৰি সিহঁত দুয়ো ৰাতিৰ আহাৰ খাবলৈ আহিল। ডাইনিং হলত নিজে লৈ খোৱাৰ ব্যৱস্থা, দুয়ো দুখন প্লেটত চেণ্ড উইচ আৰু মুৰ্গীৰ মাংস লৈ খাবলৈ বহিল। খাই থাকোঁতে অবিনাশে সুধিলে–

"হোৱাট ইজ ইয়ৰ নেম ?"

"ফ্ৰেঙ্ক নেলচন ; হ্বাট ইজ ইয়ৰ্চ ?"

"অবিনাশ বৰুৱা।"

অবিনাশে বিদেশলৈ অহা উদ্দেশ্য তাক সংক্ষেপে ক'লে। আহাৰ খোৱাৰ বাবদ হোৱা পইচা দিবলৈ অবিনাশ আগবাঢ়ি গ'ল। ফ্ৰেঙ্ক নেলচনে বাধা দি ক'লে, 'লেট মি পে টুদে ; ইউ উইল পে চম্ আদাৰ দে।' আমেৰিকান নিগ্ৰোবোৰৰ সহৃদয়তা দেখি অবিনাশ অভিভূত হ'ল। বিদায় ল'বৰ সময়ত নেলচনে ক'লে– 'উই আৰ ফ্ৰেণ্ডচ্ ফ্ৰম টুদে। চি ইউ এগেইন। গুড্ নাইট।"

নেলচনৰ লগত চিনাকী হোৱাৰ পাছত তাৰ মনটো বহুত পাতল হৈ গ'ল। ডিনাৰ হলটো এৰি আহিব খোজোতেই অবিনাশৰ এটা টেলিফোন আহিল। সি বিটিভাৰটো ডাঙি লৈ গম পালে যে দ্বীজেনে ফোন কৰিছে। সি ইতিমধ্যে হোৱা তাৰ অভিজ্ঞতাৰ বিষয়ে সি দ্বীজেনক ক'লে। দ্বীজেনে আৰম্ভ কৰিলে– 'শুন অবিনাশ, তোক মই কেইটামান কথা কৈ থওঁ। তই প্ৰথমে কিছু ঘাট-প্ৰতিঘাটৰ সন্মুখীন হ'ব লগা হ'ব পাৰে আৰু মই তোলৈ আগতে জনোৱা সকলোবোৰ কথা একেবাৰে শুদ্ধ নহ'বও পাৰে। তই প্ৰতিভাসম্পন্ন মানুহ। তোৰ নিচিনা মানুহৰ আমেৰিকাত চাহিদা আছে। হাতীয়ে নিজৰ শক্তিৰ কথা

গম নোপোৱাৰ দৰে, তয়ো নিজৰ মেধাৰ বিষয়ে গম পোৱা নাই। মোৰ বিশ্বাস তই সকলো বাধা-বিঘিনি অতিক্ৰম কৰি লক্ষ্যত উপনীত হ'ব পাৰিবি। শতকৰা নিৰানৈৰে ভাগ ভাৰতীয়ই ইয়াত সাফল্য লাভ কৰে। তই আৰু কিবা কৰি নেকি ? মই মাজে মাজে ফোন কৰি থাকিম। তই আহি পোৱাৰ খবৰটো মামাক তাঁৰবাৰ্তা যোগে জনাই দিলো।' অবিনাশৰ আৰু একো ক'বলগীয়া নাছিল কাৰণে ফোনটো থৈ দিলে। অবিনাশে নিজৰ কোঠালৈ আহি বিচনাখনত শুই পৰিল। কিছু সময়লৈ তাৰ টোপনি নাহিল। অতীত আৰু ভৱিষ্যতৰ বহু কথাই তাৰ মনলৈ আহিল। সি যদি বিদেশলৈ আহি সাফল্য অৰ্জন কৰিব নোৱাৰে তেন্তে তাৰ কি হ'ব ? সি নিজ দেশত গৈ কেনেকৈ মুখ দেখুৱাবগৈ। মামীয়েকৰ সোণৰ গহণা বন্ধকত থৈ জেঠমল বাবুৰ পৰা টকা ধাৰে লৈ তাক বিদেশত পঢ়িবলৈ অহাৰ বাট খৰছ উলিয়াব লগীয়া হৈছে। ঘাট-প্ৰতিঘাটবোৰৰ প্ৰতি প্ৰত্যাহ্বান জনাই সি এটা সংকল্প ল'লে। তাৰ মনটো পাতল লাগিল। কিছুসময় পাছত সি নিদ্ৰা মগ্ন হ'ল।

• • • • •

অধ্যায়- ২৫

পিছুদিনা মডার্ণ মেচিন টুলচ্ কৰপৰেচন নামৰ অনুষ্ঠানটোৰ অফিচলৈ আহি অবিনাশে কামত যোগ দিলে। ৰিচার্চ এণ্ড ডেভেলপমেণ্ট শাখাত ৰিচার্চ্ এচিচ্টেণ্ট হিচাবে সি কাম কৰিব লাগিব। পদাৰ্থ, ৰসায়ন আৰু চিকিৎসাৰ ক্ষেত্ৰত লগা ভালেমান যন্ত্ৰ-পাতি অনুষ্ঠানটোৱে তৈয়াৰ কৰে। কিছুদিন কাম কৰাৰ পাছত তাৰ কামত মন বহিবলৈ ধৰিলে। পুৱা আঠ বজাৰ পৰা পাঁচ বজালৈ কাম কৰিব লাগে। কেতিয়াবা নিৰ্দ্ধাৰিত সময়তকৈও বেছি সময় কাম কৰিব লগীয়া হয়। কেইমাহমান যোৱাৰ পাছত সি বুজিব পাৰিলে যে কাম কৰি পি, এইচ, ডি কৰা সম্ভৱ নহয়। পি, এইচ, ডি কৰাৰ কথা, সি কিছুদিনলৈ বাদ দিলে। কাম কৰি কিছু টকা জমা কৰাৰ কথাহে সি চিন্তা কৰিবলৈ ধৰিলে।

ইতিমধ্যে অবিনাশৰ দুই এজনৰ লগত বন্ধুত্ব গঢ়ি উঠিল। মেক্সিকোৰ ৰবিন হেইনচ্‌ৰ লগত সি বেছ অন্তৰঙ্গ হৈ পৰিল। দুয়ো ৰিচার্চ্ এচিচটেন্ট্ আৰু ওচৰা ওচৰিকৈ দুটা ঘৰত বাস কৰে। দুয়োৰে মাজত ভবিষ্যতৰ জল্পনা কল্পনাবোৰৰ আদান প্ৰদান হয়। সিহঁতে নিজে ৰন্ধা-বঢ়া কৰি খায়। বন্ধুজনৰ ৰন্ধা-বঢ়াত ৰাপ থকাৰ কাৰণে অবিনাশক মাজে মাজে খাবলৈ নিমন্ত্ৰণ কৰে। জনাই নজনাই ৰান্ধি অবিনাশেও কেতিয়াবা হেইনচক নিমন্ত্ৰণ কৰে। এদিন ৰাতি আহাৰ খাই থাকোঁতে হেইনচে সুধিলে যে যদি অবিনাশৰ ঘৰৰ অৱস্থা ইমানেই বেয়া তেন্তে বিদেশলৈ কেনেকৈ আহিলে। খৰচ কোনে দিলে। অবিনাশে ক'লে যে তাৰ মামীয়েকৰ সোণৰ অলঙ্কাৰ বন্ধকত থৈহে সি বিদেশলৈ অহাৰ বাট খৰছ যোগান ধৰিব পাৰিছিল। বন্ধুজনে কথাটো শুনি দুখ পালে, হোৱাই ডিদ্ ইউ নট্ টেল্ মি বিফ'ৰ। অবিনাশে তাৰ অন্তৰৰ কথাষাৰ বুজিব পাৰিলে আৰু উত্তৰ দিব লাগে কাৰণেই ক'লে 'আই ডিদ্ নট ন' ইউ বিফ'ৰ আই কেম টু আমেৰিকা।' ৰবিন হেইনচে চেক্ বুকখন উলিয়াই পাঁচশ ডলাৰৰ চেক্ এখন দি ক'লে যে অবিনাশে যেতিয়াই সুবিধা হয় তেতিয়াই

ওভোটাই দিলেও হব। পিছদিনা অৱিনাশে পাঁচশ ডলাৰৰ বেঙ্কড্ৰাফট এখনৰ লগতে চিঠি এখন লিখি মোমায়েকলৈ পঠিয়াই দিলে। সি চিঠিত লিখিছিল যে টকাখিনিৰে জেঠমল বাবুৰ ধাৰটো মাৰি মামীয়েকৰ সোণৰ অলঙ্কাৰখিনি মোকোলাই আনিব লাগে।

ৰজনীফুকনে বেঙ্ক ড্ৰাফটখন ভঙাই জেঠমল বাবুৰ গোলা পালেগৈ ৰজনী ফুকনে জানিবলৈ দিলে যে অৱিনাশে আমেৰিকাৰ পৰা টকা পঠাইছে গতিকে অলঙ্কাৰখিনি ওভোতাই দিব লাগে। টকাখিনিলৈ জেঠমল বাবুৱে সুধিলে "ফুকন বাবু, আমেৰিকাত কি টাকা গছত লাগে? অৱিনাশে দুই মাহৰ ভিতৰতে দুই হাজাৰ টাকা পঠাই দিলে। আমালোকটো দিনৰাত কাম কৰি ভী এটনা টাকা কামাই কৰিব নাপাৰো।" ৰজনী ফুকনে একো উত্তৰ দিয়াৰ আৱশ্যক নাই বুলি ভাবিলে। ঘৈণীয়েকৰ অলঙ্কাৰখিনি ইমান সোণকালে ঘূৰাই আনিব পাৰি মনটো ভাল লাগিল। পিছদিনা ৰজনী ফুকনে অফিচত সকলোকে চাহ মিঠাই খুৱালে; কিন্তু উদ্দেশ্যটোৰ বিষয়ে সদৰি নকৰিলে।

ৰবিন হেইন্সচ্ চাকৰিত সোমোৱাৰ দুবছৰ হৈ গ'ল। পি, এইচ, ডি কৰিবৰ কাৰণে কিবা সুবিধা পাইনেকি তালৈকে বাট চাই আছিল। তেওঁ জানিবলৈ পাইছিল যে তেওঁলোকৰ প্ৰতিষ্ঠানটোৱে ৰিচাৰ্চ এচিচটেন্টবোৰক, বিশেষ চুক্তি কৰি, পি, এইচ, ডি কৰিবলৈ সুবিধা দিয়াৰ, এখন আঁচনি যুগুতাই আছিল। সেই আঁচনি অনুসৰি তিনিবছৰ ৰিচাৰ্চ, এচিচ্‌টেন্ট, কাম কৰাবোৰক কিছুমান বিশেষ বিষয়ত পি, এইচ, ডি কৰিবলৈ সুবিধা দিয়াৰ কথা। পি, এইচ, ডি, ডিগ্ৰী পোৱাৰ পাছত পাঁচবছৰ কাল বছৰি ত্ৰিশ হেজাৰ ডলাৰ দৰমহাত কাম কৰি দিব লাগিব। কিন্তু কোনোৱাই যদি পি, এইচ, ডি ডিগ্ৰী নেপাই তেন্তে তেওঁ পি এইচ্ ডি কৰাৰ কাৰণে হোৱা ব্যয় সুতে মূলে ওভোতাই দিব লাগিব নাইবা সেই অনুষ্ঠানতেই চাকৰি কাৰও তাৰ উপাজনেৰে কিস্তি কৰি টকা ওভোটাব পাৰিব। অৱিনাশে সেই আঁচনিখনৰ কথা শুনি বৰ ভাল পালে। আৰু তিনিবছৰ ৰোৱাত তাৰ অৱশ্যে আপত্তিও নাছিল। সেই আশা বুকুত বান্ধি সি দুগুণ উৎসাহেৰে কাম কৰিবলৈ ধৰিলে। সি মনতে ভাবিছিল ৰোলিংষ্টোন গেদাৰ্চ্ ন মচ্।' অবিনাশে ৰঞ্জন ৰশ্মীৰ উৎপাদন কৰা যান্ত্ৰিক বিভাগ এটাত কাম কৰিছিল। বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰা ৰঞ্জন ৰশ্মি উৎপাদন কৰা যন্ত্ৰবোৰ দেশ বিদেশলৈ ৰপ্তানি হয়। এই বিভাগটোত কাম কৰা কৰ্মীবোৰে তেজস্ক্ৰীয়তাৰ পৰা ৰক্ষা পাবৰ কাৰণে বিশেষ কিছুমান সাৱধানতা অৱলম্বন কৰিব লাগে। ৰঞ্জন ৰশ্মি তৈয়াৰ কৰা কাৰিকৰী শাখাত কাম কৰিবলগীয়া হোৱাত অবিনাশে বহুটো নতুন কথা জানিবলগীয়া হ'ল। লাইব্ৰেৰীৰ পৰা দৰকাৰী কিতাপ আৰু আলোচনী আনি পঢ়িবলগীয়া হোৱাত

তাৰ আজৰি সময় একেবাৰে নোহোৱাই হ'ল। ইয়াৰ মাজতে অবিনাশে নৈশ কলেজ এখনত ভৰ্ত্তি হৈ কম্পিউটাৰৰ ব্যৱহাৰ কৰিব পৰা শিক্ষা আহৰণ কৰিলে।

অবিনাশে কামৰ ৰিপৰ্ট দিব লাগিছিল তাৰ ওপৰৱালা ৰিচাৰ্চ অফিচাৰ এলবাৰ্ট স্মীথৰ ওচৰত। স্মীথে অবিনাশৰ বুদ্ধি, জ্ঞান আৰু কামৰ প্ৰতি থকা নিষ্ঠা দেখি মাজে সময়ে প্ৰশংসা নকৰাকৈ থকা নাছিল।

অবিনাশেও চিন্তা কৰি চাই দেখিলে যে ভাৰত চৰকাৰ, ৰকফেলাৰ বা ফৰ্ডফাউন্দেচনৰ পৰা পি, এইচ, ডি কৰিবলৈ অনুদান পোৱা বৰ সহজ কথা নহয়। নিজে চাকৰি কৰি টকা জমা কৰি পি, এইচ, ডি কৰিবলৈকো বহুত বছৰ লাগিব। সি কি কৰা উচিত সেই বিষয়ে দ্বীজেনৰ লগত ও আলোচনা কৰিছিল। দ্বীজেনে নিজৰ একো মতামত নিদি ক'লে "অৱিনাশ তই এতিয়া পানীত অকলে সাতুৰিবলৈ শিকিব লাগিব।" সি অৱশ্যে ক'লে যে অবিনাশে কিবা ভাগ্যৰ বলতহে মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনৰ দৰে অনুষ্ঠান এটাত কাম কৰিবলৈ সুবিধা পাইছে। অবিনাশে হিচাব কৰি চাই দেখে যে সি প্ৰায় এঘাৰ বছৰ পাছতহে চুক্তিৰ পৰা মুক্তি পাব। তিনি বছৰ চাকৰি কৰাৰ পাছত আৰু তিনি বছৰ পি, এইচ, ডি কৰোতে যাব। তাৰ পাছত আকৌ অনুষ্ঠানটোত পাঁচ বছৰ চাকৰি কৰিলেহে চুক্তিৰ পৰা মুক্তি পাব। সেই সকলো কথা জনাই মোমায়েকলৈ এখন চিঠি লিখি তাৰ ভৱিষ্যত পৰিকল্পনাৰ কথা জনালে। মামীয়েকে লেখ কৰি চাই দেখে যে অবিনাশ ঘৰলৈ ঘূৰি আহে মানে তাৰ বয়স তেত্ৰিশ বছৰ হবগৈ। মনতে ভাবিলে বিয়াৰ কাৰণে অলপ দেৰি হৈ যাবগৈ। ত্ৰিশ বছৰ পাৰ নৌহওঁতেই মামীয়েকে অৱিনাশৰ বিয়া পতাৰ কথা ভাবি আছিল। সকলো কামটো ভবামতে নহয়। অধ্যয়ণ কৰিবলৈ সময়ৰও আৱশ্যক। ভুকুতে কলটো নপকে। অবিনাশৰ চিঠিৰ উত্তৰত মোমায়েকে জনালে যে সেইবোৰ বিষয়ত তেওঁৰ একো অভিজ্ঞতা নাই। সি যি ভাল দেখে তাকে কৰিবলৈ উপদেশ দিলে। মোমায়েকৰ চিঠি পাই সি কাম কৰি থকা কৰপৰেচনটো এৰি আন ঠাইত চাকৰি বিচৰাৰ কথা নভবা হ'ল। সিটো আমেৰিকালৈ আনৰ দৰে টকা ঘটিবলৈকে অহা নাই; সি আহিছে অধ্যয়ণ কৰি বিদ্যা আহৰণ কৰি দেশলৈ ঘূৰি যোৱাৰ উদ্দেশ্যেৰে।

এবছৰ পাৰ হোৱাৰ কিছুদিন পাছত কৰপৰেচন্‌টোৰ ডেপুটী জেনেৰেল্ মেনেজাৰে এদিন অবিনাশক তেওঁৰ কোঠালৈ মাতি পঠিয়ালে। যোৱা এবছৰ ধৰি অবিনাশে স্মীথৰ বাহিৰে আন কোনো উচ্চখাপৰ বিষয়াক লগ পোৱা নাছিল। ওপৰৱালাই মাতিলে ভয় লগাৰো যথেষ্ট কাৰণ থাকে। আমেৰিকাত সি ফায়াৰ শব্দটো ৰবকৈ শুনিছে। ফায়াৰ মানেই চাকৰিৰ পৰা বিদায়।

অবিনাশ গৈ ডেপুটী জেনেৰেল মেনেজাৰৰ কোঠালীটোত সোমোৱাৰ লগে লগেই দুয়ো কৰমৰ্দন কৰিলে। অবিনাশে কৰা কেইটামান কামৰ ওপৰত তেখেতে কিছুমান প্ৰশ্ন কৰিলে। অবিনাশে নিজে উত্তৰ দিব পৰাখিনি পৰিষ্কাৰ কৈ বুজাই ক'লে। কিছুসময় কথা বাৰ্ত্তাৰ পিছত ডেপুটী জেনেৰেল্ মেনেজাৰে অবিনাশক সেইদিনাৰ দুপৰীয়াৰ আহাৰ তেওঁৰ লগতে খাবৰ কাৰণে নিমন্ত্ৰণ জনালে। সময় দিলে এক বজাত। সি ওলাই আহি তাৰ বন্ধু ৰবিন হেইনচক সকলো কথা জনালেহি। হেইনচে কলে যে ডেপুটী জেনেৰেল্ মেনেজাৰে কিবা কথাত ভাল নেপালে তেনেকৈ নিমন্ত্ৰণ নিদিয়ে।

দুপৰীয়া এক বজাত অবিনাশ ডেপুটী জেনেৰেল্ মেনেজাৰ জৰ্জহেন্দাৰচনৰ কোঠাত সোমাল। তেওঁ কাম কৰা কোঠাৰ লগতে লগা এটা জিৰণি লোৱা কোঠা আৰু তাতে খোৱা-বোৱা কৰিবৰ কাৰণে এখন ডাইনিং টেবুল। হেন্দাৰচনে ক'লে যে তেওঁলোক দুয়ো মিলি আগতেই এসাজ খাব লাগিছিল। পলম হোৱাৰ কাৰণে তেওঁ বৰ দুঃখিত। দুয়ো দুপৰীয়াৰ আহাৰ খাবলৈ আৰম্ভ কৰিলে। অবিনাশে ভালপোৱা বিবিধ ব্যঞ্জন সেইদিনা দুপৰীয়া আহাৰত পৰিবেশন কৰা হ'ল। জৰ্জৰ ঘৈণীয়েকেও এখন আঞ্জা ৰান্ধি দি পঠিয়াইছিল। বাকীবোৰ বস্তু সচৰাচৰ যোগান ধৰা হোটেলখনৰ পৰাই অনাইছিল। আহাৰৰ মাজতে জৰ্জে ক'লে যে ৰিচাৰ্চ এচিচ্টেন্টবোৰৰ দৰমহা বছৰি ছয় হেজাৰ ডলাৰলৈ বঢ়াবৰ কাৰণে তেওঁ বৰ্ডৰ ওচৰত এটা পৰামৰ্শ ডাঙি ধৰিছে। সোণকালে বৰ্ডে অনুমোদন দিয়াৰ আশা আছে। ইয়াৰ উপৰিও কিছুমান ইচ্ছুক ৰিচাৰ্চ এচিচ্টেন্টক পি, এইচ, ডি কৰিবলৈ সুবিধা দিয়াৰও এটা প্ৰস্তাৱ আছে। অবিনাশে সময়ত সেই আঁচনি মতে পি, এইচ, ডি কৰাৰ সুবিধা পাব। আহাৰ শেষ হোৱাৰ পাছত অবিনাশক তেখেতৰ ঘৰলৈকো মাজে সময়ে যাবৰ কাৰণে নিমন্ত্ৰণ কৰি থলে। তাৰ প্ৰতি ডেপুটী জেনেৰেল্ মেনেজাৰে দেখুৱা মৰমৰ কাৰণে ধন্যবাদ জনাই অবিনাশে বিদায় ললে। আমেৰিকালৈ অহাৰ উদ্দেশ্য পূৰণ হোৱাৰ এটা আশাৰ ৰেঙনি সি দেখিবলৈ পালে।

অবিনাশে আমেৰিকালৈ আহি এটা কথা লক্ষ্য কৰিলে যে তাত মানুহতকৈ মেচিনৰ প্ৰাধান্য বেছি। মানুহ মেছিনৰ বশ। মানুহৰ ইচ্ছামতে মেছিন নচলে, মেছিনৰ ইচ্ছামতে মানুহে কাম কৰিব লাগে। মানুহৰ ধ্যান-ধাৰণা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি ভাৰতীয় মানুহতকৈ বহুত বেলেগ। গোটেই দেশখনে যেন বাঘৰ নেগুৰত ধৰি দৌৰিছে; বাঘো নৰয়, মানুহো ৰ'ব নোৱাৰে। অবিনাশে তেনেকুৱা এটা পৰিবেশত নিজকে খাপ খুৱাই ল'বলৈ প্ৰথমে বৰ টান পাইছিল। কিন্তু তাৰ কামটো মনোগ্ৰাহী হোৱাত আৰু ভবিষ্যতে পি, এইচ, ডি কৰিবলৈ সুবিধা পোৱাৰ আশাতে নতুন পৰিবেশত

খাপ খুৱাই ল'বলৈ যত্ন কৰিছিল। ধনী আৰু পুঁজিবাদী দেশ এখনত থাকিব পৰা দোষ-গুণবোৰ অবিনাশৰ মানসপটত জলজল-পট্‌পট্‌কৈ ভাঁহি উঠিছিল। আমেৰিকানবোৰৰ বিষয়ে তাৰ আৰু- এটা কথা চকুত নপৰাকৈ নেথাকিল। মানুহবিলাকৰ এটা স্বাধীন মন আছে। ব্যৱসায়-বাণিজ্য, কল-কাৰখানা, শিক্ষা অনুষ্ঠান তথা পৌৰ সভাবোৰত গণতান্ত্রিক পদ্ধতিৰ ওপৰত চৰকাৰে কিবা কথাত হাত দিলেই ভীষণ প্রতিক্রিয়াৰ সৃষ্টি হৈছিল। সেই অনুষ্ঠানবোৰৰ গণতান্ত্রিক স্বাধীনতাক চৰকাৰেও সন্মান প্রদর্শন কৰি চলিছিল। সি ভাৰতবর্ষৰ লগত কিছুমান কথা মিলাই চাবলৈ মন কৰে। ভাৰতবর্ষ এখন স্বাধীন গণতান্ত্রিক দেশ, কিন্তু সেইখন দেশত পাঁচ বছৰৰ মূৰত ভোট দিয়াৰ বাহিৰে আন আন ক্ষেত্রত তেওঁলোকৰ স্বাধীনচিতীয়া মন এটাৰ প্রকাশ কৰি গণতান্ত্রিক স্বত্ব সাব্যস্ত কৰিবলৈ কোনো সুবিধা পায় বা উদ্দেশ্যমুখী ধৰণে গণতন্ত্রই আগবঢ়োৱা সুবিধাবোৰ ল'বলৈ মানুহ আগবাঢ়ি অহা নাই। সি ভালদৰে বুজি পালে যে এখন দেশ স্বাধীন ভাবে চলিবলৈ হ'লে মানুহবোৰৰ একোটা স্বাধীনচিতীয়া মনৰ নিতান্ত প্রয়োজন। ভাৰতবর্ষৰ মানুহৰ এটা সুস্পষ্ট আৰু গঠনমূলক মন দেখিবলৈ পোৱা নেযায়। কাৰণ বিচাৰি চাই সি দেখে যে অর্থনৈতিক দুর্বলতা আৰু কেবাশ বছৰ পৰাধীন হৈ থকাৰ কাৰণেই জনসাধাৰণে স্বাধীনচিতীয়া মন এটা গঢ়ি তুলিব পৰা নাই। প্রাচুর্য্যৰে উপচি পৰা আমেৰিকাৰ কিছুমান সামাজিক ব্যৱস্থা তাৰ কিন্তু ভাল লগা নাছিল। ল'ৰা ডেকা হ'লেই ঘৰৰ পৰা ওলাই যায় আৰু পিতৃ-মাতৃৰ প্রতি কোনো কর্তব্য থাকে বুলি নেভাবে।

কম বয়সীয়া আৰু অবিবাহিতা স্ত্রী-পুৰুষৰ অবাধ যৌন মিলনো তাৰ চকুত বিসদৃশ যেন লাগিছিল। আমেৰিকাত এটা বৃহৎ সংখ্যক মানুহৰ বিবাহ-বিচ্ছেদ ঘটে। তাৰ অনুসন্ধিৎসু মনে বিবাহ-বিচ্ছেদৰ পৰা সৃষ্টি হোৱা সামাজিক ব্যাধিৰ সুদূৰপ্রসাৰী প্রভাৱবোৰ বিশ্লেষণ নকৰাকৈ থকা নাছিল। সেইবোৰ কথা মনলৈ আহিলেই তাৰ বুকুখন কঁপি উঠে ভয়ত গাৰ নোম ডাল ডাল হয়, অবিনাশৰ দৰে শিক্ষা-দীক্ষা থকা স্বাস্থ্যবান যুৱকৰ কাৰণে বহুতো অপূর্ব সুন্দৰীৰ লগত সম্পর্ক গঢ়ি তোলাৰ সুবিধা আহি পৰিছিল ; কিন্তু সি কোনো ছোৱালীৰ লগতেই কোনো ধৰণৰ সম্পর্ক গঢ়ি উঠিবলৈ সুবিধা দিয়া নাছিল। নাৰীক প্লেগৰোগীৰ দৰে ভয় কৰি সিহঁতৰ পৰা আঁতৰত আছিল।

* * * * *

অধ্যায়- ২৬

অবিনাশৰ বন্ধু জীৱন গোঁহাইৰ ফ'ৰমেন কৰি আমনি লাগিল। তাৰোপৰি সি পোৱা দৰমহাৰে ঘৰখনৰ সম্পূৰ্ণ দায়িত্ব ল'ব পাৰিব বুলি আশা কৰা নাছিল। ভায়েক দুটাকো পঢ়াব লাগিব। সি আমেৰিকালৈ যোৱাৰ কিবা সুবিধা থাকিব পাৰে নেকি জানিবৰ কাৰণে অবিনাশলৈ এখন চিঠি দিলে। উত্তৰ পাই জীৱন আচৰিত হ'ল। অবিনাশে উপদেশ দিয়ামতে সি পাছপ'ৰ্টৰ কাৰণে দৰখাস্ত কৰিলে। অবিনাশে কাম কৰি থকা অনুষ্ঠানটোতে জীৱনৰ কাৰিকৰী বিদ্যাৰ উপযোগী চাকৰি এটা যোগাৰ কৰি জৱ ভাউচাৰখনৰ উপৰিও জীৱন আমেৰিকালৈ আহিবৰ কাৰণে পাঁচশ ডলাৰৰ বেঙ্ক ড্ৰাফট এখনো পঠিয়াই দিলে। এদিন জীৱন আহি বোষ্টন নগৰ ওলালেহি। সি কামত যোগ দিলে। দৰমহা বছৰি দুহেজাৰ ডলাৰ।

জীৱন অহাত অবিনাশৰ লগ এটা হ'ল। তাৰ ভাল লাগিল। জীৱনৰ থকা ঘৰটো অবিনাশৰ ঘৰৰ পৰা মাত্ৰ আধা মাইল মানহে হ'ব। সময় পালেই দুয়ো লগ হয়; একেলগে খোৱা-বোৱা কৰে। জীৱন অবিনাশৰ ঘৰলৈ আহিলেই ৰন্ধা-বঢ়াৰ দায়িত্ব সি নিজে লয়। সি অবিনাশক মাজে মাজে কয় "অবিনাশ তই ৰন্ধা বস্তু গৰুৱেও নেখায়, তেনেস্থলত ৰবিন হেইনচ্‌ক খুৱাই অসমীয়াৰ নাক-কাণ কেলেই কটাৱ।" জীৱনৰ ৰন্ধা-বঢ়া, খোৱা-বোৱাত সকলোৰে পৰাই ৰাপ। সি আমেৰিকালৈ আহি দেখিলে যে ঢেকীয়া শাক, ঔ টেঙা, নেমুটেঙা, ধনীয়া শাক ৰৌমাছ আদি সকলোবোৰ সি ভাল পোৱা বস্তু বজাৰত ওলায়। জীৱনে এদিন প্ৰস্তাৱ দিলে, "এই অবিনাশ; অহা শনিবাৰে ৰবিন হেইনচ্‌ক ভাত এখাজ খাবলৈ মাতো দে।" অবিনাশে সন্মতি দিয়াত পিছৰতো শনিবাৰে ৰবিন হেইনচ্‌ক নিমন্ত্ৰণ জনালে। জীৱনে নিজে বজাৰলৈ গৈ ৰৌমাছ, বিলাহী, ধনীয়া শাক নানান পাচলি আৰু মুৰ্গী কিনি আনিলেগৈ। জীৱনে চিকেন কাৰীও বৰ ভাল ৰান্ধে বুলি তাৰ এটা অহঙ্কাৰো আছিল। সি যোৰহাটত থাকোঁতে তাৰে এখন নাম কৰা হোটেলৰ ৰান্ধনী এজনৰ পৰা চিকেন বিৰিয়ানী কেনেকৈ ৰান্ধে শিকি লৈছিল। তিনিও মিলি-জুলি ভালকৈ

ভাত এখাজ খালে। কোৱা বাহুল্য যে মহাবীৰ কৰ্ণৰ কাড় ইফাল-সিফাল হ'লেও জীৱনৰ ৰক্ষা-বঢ়া কিন্তু কেতিয়াও জুটিত নুঠাকৈ নেথাকে। ভাতৰ পাছত নানা তৰহৰ গল্প ওলাল। জীৱনে বহুতো ৰসাল খুহুতীয়া কথা ক'লে। সি প্ৰবেশিকা ফেল কৰাৰ বছৰ মনত বেজাৰ লাগি তাৰে বন্ধু অনন্ত সন্দিকৈৰ ওচৰ পোৱাৰ কথা। সি ভাবিছিল, অনন্তই ইতিমধ্যে দুবাৰো প্ৰবেশিকা ফেল কৰিছে, গতিকে তাৰ পৰা ভাল কিবা সহানুভূতি পাব। জীৱনে গৈয়েই ক'লে গৈ 'অনন্ত মই আত্মহত্যা কৰিম, জীৱনটো মোৰ অসহ্য লাগিছে।' অনন্তই ক'লে জীৱন আত্মহত্যা কৰাৰ অভিজ্ঞতা মোৰ নাই, সেই বিষয়ে মোক নুসুধিবি; দুবাৰ ফেল কৰি কেনে লাগে মোক সোধ।' জীৱনৰ কথা শুনি হাঁহিৰ ৰোল উঠিল।

এবাৰ কথাৰ মাজতে জীৱনে গৌৰৱেৰে কৈ পেলালে যে অসমীয়া জাতিতকৈ এলেহুৱা মানুহ আৰু পৃথিবী নাই। ৰবিন হেইনচে আপত্তি কৰি ক'লে যে মেক্সিকোৰ মানুহহে বেছি এলেহুৱা। কিছুপৰ বাক্-বিতণ্ডা চলিল। কোনেও হাৰ নেমানে। অৱশেষত কথাটো প্ৰমাণ কৰিবৰ কাৰণে দুয়ো পক্ষ্যৰ পৰা উদাহৰণ বিচৰা হ'ল। জীৱনে ক'লে যে আহোম ৰজাৰ দিনত প্ৰকৃত এলেহুৱা খোদবোৰক ৰজাৰ খৰছত থকা-খোৱাৰ ব্যৱস্থা কৰি দিয়া হৈছিল। তাকে দেখি বহুতো মানুহে খোদ বুলি ফাঁকি দি বিনা খৰছত থাকিবলৈ ল'লে। খোদৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিলে। স্বৰ্গদেউ গদাধৰ সিংহৰ দিনত কথাটো ধৰা পৰিল। পকৃত খোদ কোন জানিবৰ কাৰণে খোদ থকা ঘৰবোৰত জুই লগাই দিলে। ফাঁকি খোদবোৰ জুই লগা দেখি লৰ মাৰিলে, কিন্তু প্ৰকৃতবোৰ থাকি গ'ল। জুয়ে পোৰাত এজন খোদে মাত লগালে পিঃ পুঃ (অৰ্থাৎ পিঠি পুৰিছে) আন এজনে উপদেশ দিলে ফিঃ শোঃ (অৰ্থাৎ ফিৰি শোৱা)। গল্পটো শেষ হোৱাৰ লগে লগেই হাঁহিৰ ৰোল উঠিল।

কিছুপৰ বৈ ৰবিন হেইনচে নিজৰ গল্পটো আৰম্ভ কৰিলে। এবাৰ এজন আমেৰিকান ভ্ৰমণকাৰী মেক্সিকোলৈ আহিছিল। আলিবাটতে বহি থকা মানুহ এজনক পায় ভ্ৰমণকাৰীজনে চাবলৈ ইচ্ছা কৰা ঠাইখনলৈ যোৱা আলিবাটটো দেখুৱাই দিবলৈ অনুৰোধ কৰিলে। মানুহজনে হাতৰ বুঢ়া আঙুলিৰ মাত্ৰ আগৰ পাবটো সামান্য ভাবে লৰাই বাটটোৰ এটা ইঙ্গিত দিলে। ভ্ৰমণকাৰীজন সন্তুষ্ট হৈ পাঁচ ডলাৰৰ নোট এখন আগবঢ়াই দিলে। বহি থকা মানুহজনে হাতপাতি নোটখন নলৈ তেওঁৰ জেপত ভৰাই দিবলৈ আকৌ ইঙ্গিত দিলে। ৰবিন হেইনচৰ গল্পটো শুনি আকৌ তিনিও গিৰ্জনি মাৰি হাঁহিলে। অবিনাশে ৰায় দিলে যে অসমীয়া আৰু মেক্সিকোৰ মানুহ কোনেও কাকো পেলাব নোৱাৰে। ৰাতিও ভালেখিনি হৈ অহাত তেওঁলোকে সেইদিনা কথা সামৰি নিজ নিজ

ঠাইলৈ যাবৰ কাৰণে বিদায় ল'লে।

কেইদিনমান পাছতে অবিনাশে জীৱনক এবি পি, এইচ, ডি কৰিবলৈ গুছি যাব। প্ৰথমতে তাৰ ভয় হৈছিল কিজানি জীৱনে আমেৰিকাত নিজকে খাপ খুৱাই ল'ব নোৱাৰিব। কিন্তু অলপ দিনৰ ভিতৰতে জীৱনে বোষ্টন নগৰৰ কথা অবিনাশতকৈও বেছি জনা হ'ল। সি নিজে বিভিন্ন বজাৰত ক'ত কি বস্তু ভাল পোৱা যায় সকলো আঙুলিৰ মূৰত ৰাখিব পৰা হ'ল। আলিবাটৰ মানুহৰ লগত কথা পাতিবলৈ অকণো সঙ্কোচবোধ নকৰে। কাম নেথাকিলে গ্ৰেহাউণ্ড বাছত উঠি ইখন-সিখন ঠাই ফুৰে। ভুলে-শুদ্ধই তাৰ মুখত ইংৰাজী আখৈ ফুটাদি ফুটে। কোনো ধৰণৰ নিচাম্নিকাবোধ মনলৈ আহিবলৈ নিদিয়ে। মানুহৰ লগত জীৱনৰ মিলিব পৰা ক্ষমতা দেখি অবিনাশ আচৰিত হ'ল আৰু সেই কাৰণেই, কিছুদিন পাছতেই জীৱনক এৰি যাব লাগিব বুলি জানিও সি চিন্তান্বিত নহ'ল।

* * * * *

অধ্যায়- ২৭

অবিনাশে আমেৰিকালৈ যোৱাৰ ছমাহ মান পাছতেই ৰজনী ফুকনে ৰাজহ চিৰস্তদাৰৰ পদটো পায়। সেই পদটোতে প্ৰায় ডেৰ বছৰমান কাম কৰাৰ পাছত তেওঁ অৱসৰ গ্ৰহণ কৰে। অৱসৰ লোৱাৰ কিছুদিন আগতে সংমণ্ডল আয়ুক্তই ফুকনক মতাই নি চাকৰিৰ ম্যাদ বঢ়াবৰ কাৰণে চৰকাৰৰ ওচৰত আবেদন দিবলৈ পৰামৰ্শ দিলে। ৰজনী ফুকনে পিছে চাকৰিৰ ম্যাদ বৃদ্ধিৰ কাৰণে আবেদন দিবলৈ ইচ্ছা প্ৰকাশ নকৰিলে। তেওঁ আয়ুক্ত মহোদয়ক জনালে যে তেওঁ চাকৰিৰ কাল বৃদ্ধি হ'লে তেওঁৰ সহকৰ্মী আৰু বন্ধু গণেশ কাকতিৰ ৰাজহ চিৰস্তদাৰ পদটো পোৱাৰ আগতেই, অৱসৰ কাল আহি পৰিব। তেওঁৰ শেষ ইচ্ছা পূৰণ নহ'লে মনত বৰ বেজাৰ পাব। নতুনৰ কাৰণে বাট মুকলি কৰি দিয়াই সমীচীন হ'ব বুলি নম্ৰভাবে মত ডাঙি ধৰিলে। আয়ুক্তই আকট্য যুক্তি শুনি সন্তুষ্ট হ'ল আৰু ফুকনৰ ওপৰত হেঁচা দিয়াৰ পৰা বিৰত থাকিল। যাবৰ সময়ত আয়ুক্তই ক'লে "ফুকন আপোনাৰ দৰে চাকৰীয়ালক লৈ আমি গৌৰৱ কৰিব পাৰো।"

যদিও ৰজনী ফুকন ধীৰ-স্থিৰ প্ৰকৃতিৰ লোক আছিল, তথাপিও বিদায় সভাৰ দিনা তেওঁৰ চকুজুৰি চলচলীয়া নোহোৱাকৈ ৰাখিব নোৱাৰিলে। বিদায় ভাষণত ফুকনে মাত্ৰ ইমানকে ক'লে যে বিগত চল্লিশ বছৰীয়া চাকৰি জীৱনত তেওঁৰ সহকৰ্মী বন্ধু আৰু বিষয়াসকলৰ পৰা যি অকৃত্ৰিম মৰম-চেনেহ, সহায়-সহানুভূতি পাই আহিছিল তাৰ কাৰণে তেওঁ চিৰকৃতজ্ঞ আৰু সেই স্মৃতি জীৱনৰ বাকী কেইটা দিনতো আনন্দেৰে সুঁৱৰিব। তেওঁ আৰু বেছি কথা ক'ব নোৱাৰিলে। আন আন বক্তাসকলেও ৰজনী ফুকনৰ গুণানুকীৰ্তন কৰি বক্তৃতা দিয়াৰ পাছত ৰজনী ফুকনৰ, অৱসৰৰ উদ্দেশ্য লৈ পতা, বিদায় সভাখনৰ সামৰণি পৰিল। ফুকনৰ বিদায় সভাখনে সকলোৰে অন্তৰ স্পৰ্শ কৰিলে। দুই এজন অন্তৰঙ্গ বন্ধুৰ চকুপানীও বৈ আহিল।

অৱসৰৰ কিছুদিনৰ আগৰে পৰা ফুকনৰ চিন্তা হৈছিল যে অৱসৰৰ পাছত

তেওঁ কিদ্দৰ সময়বোৰ পাৰ কৰিব। তেওঁৰ স্বাস্থ্য ভালে থকাৰ কাৰণে আৰু কিছুদিন কিবা-কিবি কামত ব্যস্ত হৈ থাকিবলৈ মন আছিল। মনে মিলা কেইজনমান লোকৰ লগত পৰামৰ্শ কৰি এখন পাইকাৰী সমবায় সমিতি খোলাৰ মনস্থ কৰিলে। সমবায় সমিতিখন পঞ্জীয়ন হওঁতে বৰ বেছিদিন নেলাগিল। নাম থ'লে 'ৰাইজৰ সমবায়'। ফুকনে নিজে এহেজাৰ টকাৰ অংশ ল'লে। অতি কম সময়ৰ ভিতৰতে দহ হেজাৰ টকাৰ অংশ বিক্ৰী হ'ল। বজাৰৰ মাজতে পৌৰ নিগমৰ পৰা সমবায়ৰ অফিচৰ কাৰণে ঘৰ এটাও পালে। চাউল, আটা, চেনি, আদি লাগতীয়াল বস্তুৰে গুদাম ভৰি পৰিল। খুচুৰা সমবায় সমিতিবোৰেও খোৱা বস্তু-বাহানি নিয়মিত ভাবে পাবলৈ ধৰিলে। খোলা বজাৰত আকাল হ'লেও সমবায় ভাণ্ডাৰবোৰত বস্তুৰ নাটনি হোৱা নাছিল। তাকে দেখি ৰাইজৰ আস্থা বাঢ়িবলৈ ধৰিলে আৰু ওচৰে-পাজৰে সমবায় ভাণ্ডাৰবোৰে গা কৰি উঠিল। প্ৰথম বছৰতে ৰাইজৰ সমবায়ে বিশ হেজাৰ টকা লাভ কৰিবলৈ সমৰ্থ হ'ল। ৰজনী ফুকনেও উদ্দেশ্যমুখী কাম এটাত নিজকে ব্যস্ত ৰাখিব পাৰি সন্তুষ্টি লভিছিল। চাকৰি কৰাতকৈ যেন তেওঁ বেছি আৱশ্যকীয় কামত সময় ব্যয় কৰিছে। সমবায়ৰ কৰ্ম-কৰ্তাসকলে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ ধৰিলে। কৰ্মচাৰীবোৰ নতুন যদিও তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ'ল। প্ৰথম দুবছৰমান সমবায়খন ভালেই চলিলে। পিছে লাহে লাহে কিছুমান জটিল সমস্যা আহি পৰিল। বছেৰেকীয়া হিচাবৰ সময়ত গুদামৰ বস্তুৰ হিচাব লওঁতে দেখিলে যে গুদামত বস্তু হিচাবতকৈ কম। ফুকনে ধৰিব পাৰিলে গুদামৰ পৰা বস্তু চুৰি হৈছে; নাই বস্তু লওঁতে কমকৈ লৈছে, নাইবা কাৰোবাক বেছিকৈ দিছে। এই ষড়যন্ত্ৰ বন্ধ কৰিব নোৱাৰিলে সমবায় বন্ধ হৈ যাব। ফুকনে ততাতৈয়াকৈ সমবায় সমিতিৰ এখন সভা আহ্বান কৰিলে। সমবায় সমিতিৰ সভ্যসকলে আক্ষেপ কৰিলে যে সেই সিদিনালৈকে নিবনুৱা হৈ থকাবোৰেই এনে এটা নিন্দনীয় কামত লিপ্ত হ'ব লাগেনে বাৰু। সিহঁতে নিজৰ ভৰিত নিজেই কুঠাৰ মাৰিছে। সমবায়খন উঠি গ'লে সিহঁতৰো চাকৰি শেষ হ'ব। আকৌ নিবনুৱা হ'ব। কিন্তু সেই সুৰুঙা বন্ধ কৰাও সহজ কথা নহয়। ফুকনে এটা উপায় চিন্তা কৰি থৈছিল। তেওঁ পৰামৰ্শ দিলে যে যিসকল সভ্য চাকৰি-বাকৰিত নাই তেওঁলোকে উপযাচী মাহেকত এদিনকৈ গুদামত উপস্থিত থাকি বস্তু দিয়া-মেলা চাব লাগে। ভৰাল মহৰীৰ উপৰিও সভ্যজনে চালনাত চৰ্চা কৰিব। ফুকনৰ পৰামৰ্শ শুনি সকলোৱে ভাল পালে। সেই ব্যৱস্থা গ্ৰহণ কৰাৰ পাছত ৰাইজৰ সমবায় আকৌ দপ্‌দপীয়া হৈ আছিল। ৰাইজে নথ জোকাৰিলে নদী বৈ যায়।

ৰাইজৰ সমবায়খনে গা কৰি উঠাৰ ফলত খুচুৰা বিক্ৰীৰ কাৰণে গঢ়ি উঠা

সমবায় ভাণ্ডাৰবোৰৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। গাওঁ-ভূঁই পৰ্য্যন্ত ইয়াৰ প্ৰসাৰ হোৱাত গাওঁৰ দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকে চাউল, আটা, কেৰাচিন আদি বস্তু উচিত মূল্যত পাবলৈ ধৰিলে। ৰাইজে গম পালে যে ৰজনী ফুকনৰ দৰে মানুহ চেক্ৰেটাৰী হৈ থকাৰ কাৰণেহে সমবায়খন ভালদৰে চলি আছে; সকলো অংশীদাৰে লাভৰ ভাগ পোৱাৰ উপৰিও ভাল বস্তু সময়মতে পাইছে। ইয়াৰ আগতে কত সমবায় কাঠফুলা গজাদি গজিয়েই দেউলীয়া হৈছিল। ৰাইজে ভাবিলে ৰজনী ফুকনেই বিধায়ক হোৱাৰ উপযুক্ত লোক। নিৰ্বাচন হ'বলৈ মাত্ৰ এবছৰ মানহে আছিল। গতিকে জনা-বুজা মানুহ আহি ৰজনী ফুকনক অহাতো নিৰ্বাচনত প্ৰাৰ্থী হ'ব লাগে বুলি জোৰদি ধৰিলেহি। ফুকনে সকলোকে সেই একেটা উত্তৰেই দিয়ে "বাৰু ভাবি চাওঁ"। দিনবোৰ পাৰ হৈ নিৰ্বাচন ওচৰেই পালেহি, কিন্তু ফুকনে প্ৰাৰ্থী হ'ম বুলি কথা নিদিয়ে। ৰাইজৰ হেঁচা দিনে দিনে বাঢ়িবলৈ ধৰিলে। ডেকাচাম মানুহৰ উপৰিও ছাত্ৰসকলও আহি ৰজনী ফুকনক দিনে ৰাতিয়ে আমনি কৰিবলৈ ধৰিলেহি। অতবোৰ মানুহক চাহ-তামোলৰ যোগান ধৰাটোও সহজ কথা নাছিল। এদিন ডেকা-বুঢ়া মিলি কেবাশও মানুহ আহি ফুকনৰ ঘৰ পালেহি। সেইদিনা তেওঁলোকে ভাবিছিল আজি আৰু ৰক্ষা নাই, ফুকনৰ মতটো লৈহে তেওঁলোক ঘৰলৈ উভতিব।

ইমানবোৰ মানুহ আহি একেলগে হেঁচা মাৰি ধৰাত খং নুঠা ফুকনৰো ভিতৰি ভিতৰি খং উঠিল। তেওঁ ৰাইজক উদ্দেশ্য কৰি ক'লে "ৰাইজসকল আপোনালোকে মোৰ প্ৰতি ইমান মৰম-স্নেহ আৰু আস্থা দেখুৱাত মই বৰ সুখী হৈছো আৰু তাৰ কাৰণে ৰাইজক ধন্যবাদ জনাইছো। কিন্তু মোৰ মতামত জনোৱাৰ আগতে আপোনালোকক কেইটামান কথা ক'ব খোজো। মই এটা কথা ভাবি নেপাও যে মই বিধায়ক হ'লে আপোনালোকৰ কি লাভ হ'ব? ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছৰ নিৰ্বাচনবোৰত বহুটো ভাল ভাল মানুহ নিৰ্বাচনত জয়ী হৈও ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰাত বিফল হৈছে। আপোনালোকে জানো ইয়াৰ কাৰণটো ভাবি চাইছে। মোৰ বিবেচনামতে গাইগুটীয়া ভাবে এজন বা দুজন ভাল মানুহে ৰাইজৰ বা সমাজৰ পৰিবৰ্তন আনিব নোৱাৰে। পৰিবৰ্তন আনিবৰ কাৰণে লাগিব একোটা সবল-সুস্থ অনুষ্ঠান। আজি আমাৰ গোটেই প্ৰশাসন যন্ত্ৰটোকে নিকা কৰিবৰ হ'ল। যদি শাসন তন্ত্ৰৰ প্ৰক্ৰিয়াটো ভাল হয় তেন্তে বেয়া মানুহো ভাল হৈ যাব, বেয়া হৈ থকাৰ কোনো উপায় নেথাকিব। কিন্তু আমাৰ গোটেই প্ৰক্ৰিয়াটোতেই কেৰোণে ধৰাত সমাজ বিপথে গৈছে; দিনে দিনে সৎ লোকৰ সংখ্যা কমি আহি আঙুলিৰ মূৰত লেখিব পৰা হৈছেগৈ। বৰ্তমানৰ শাসন প্ৰক্ৰিয়াটো দেখিলেই

গম পাব যে শতকৰা পোন্ধৰ বা বিশ ভাগ মানুহেহে শাসনৰ বাঘজৰীডাল ধৰি আছে। তেওঁলোকৰ স্বাৰ্থত সামান্য আঘাট লাগিলেও সহ্য কৰিব নোৱাৰে। গাওঁত থকা আশীভাগ মানুহৰ খবৰ ল'বলৈ ৰাজনীতি কৰা মানুহ মাত্ৰ এবাৰহে আহে ; তাকো পাঁচ বছৰৰ মূৰত। স্বাধীনতা লাভ কৰাৰ পাছত মাত্ৰ এচাম মানুহৰহে ভাল হৈছে, আৰু সেইচাম লোক থাকে চহৰত। আৰ্থিক অনাটনত ভুগী থকা গাঁৱলীয়া দুখীয়া নিচলা মানুহে নিজৰ সামান্য মাটি-বাৰী এৰি চাকৰি বিচাৰি চহৰমুখী হৈছে। গাওঁৰ অৰ্থনীতি ভাঙি-চিঙি চুৰমাৰ হৈ গৈছে। গান্ধীজীয়ে কল্পনা কৰা আদৰ্শ গাওঁ এতিয়া ক'ত, বছৰি বানপানী আৰু পোক-পৰুৱাই শস্য নিধন কৰা চাই থকাতকৈ গাওঁৰ মাটি-বাৰী এৰি চহৰত পিয়ন চাকৰি এটা কৰাই ভাল বুলি চহৰলৈ ঢাপলি মেলিছে। চৰকাৰী চাকৰি এটা হ'লে দৰমহা, মৰগীয়া বানচ, স্বাস্থ্য ৰক্ষাৰ কাৰণে বিনামূলীয়া চিকিৎসা সেৱা, পেঞ্চন, গ্ৰেচুইটী সকলো পায় ; কিন্তু গাওঁৰ খেতিয়ক মানুহেতো সেইবোৰ সুবিধা নেপায়। তেওঁলোকৰ কাৰণেতো কোনো মাত মাতোতাও নাই। নিৰবে কষ্ট সহ্য কৰাই যেন তেওঁলোকৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য। উত্তেজিত হৈ ফুকনে আকৌ আৰম্ভ কৰে–

আপোনালোকে ভাবিছে যে মই ৰাইজৰ সমবায়খন ভালদৰে চলাব পাৰিছো, কিন্তু নাই মই পৰা নাই। যোৱাকালি মই সমবায়ৰ চেক্ৰেটাৰী পদটোৰ পৰা ইস্তফা দিছো। সঁচাকৈয়ে ক'বলৈ গ'লে আমাৰ সমবায়খন বৰ ভালদৰে চলি আছিল। কিছু লাভও হৈছিল। চৰকাৰৰ নিয়ম মতে শতকৰা বাৰ ভাগ অংশীদাৰৰ কাৰণে ৰাখি, বাকীখিনি ৰাহি ধন খটুৱাই আমাৰ ব্যৱসায়ৰ মূলধন বঢ়াই নিয়া হৈছিল। মাত্ৰ দহজন কৰ্মচাৰীৰ পৰা আজি পাঁচ বছৰত আমাৰ কৰ্মচাৰীৰ সংখ্যা দুশৰ ওপৰ হ'লগৈ। কিন্তু কিছুমান কৰ্মচাৰী সময়মতে কামলৈ নহা, সমবায়ৰ বস্তু ইফাল-সিফাল কৰা, টকা-পইচা আত্মসাৎ কৰা কামত লিপ্ত হোৱাত তাৰ মাজৰে ঘোৰ অভিযোগ থকা কেইজনমানৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা লোৱা হৈছে। কেইজনমানক চাকৰিৰ পৰা নিলম্বিতও কৰা হ'ল। এইবোৰ ব্যৱস্থা লোৱাত, ন্যস্তস্বাৰ্থ জড়িতসকল জাগ্ৰত হৈ উঠি কৌশল কৰি ইউনিয়নৰ মিটিং পাতি উদ্দেশ্য প্ৰণোদিত আৰু প্ৰতিশোধ পৰায়ণ হৈ অবিবেচকৰ দৰে কিছুমান অবান্তৰ দাবী উত্থাপন কৰিছে। অপমানৰ ভয়ত সৎলোক কেইজনেও মাত মাতিবলৈ সাহস কৰা নাই। তেওঁলোকৰ দাবীবোৰ মানি দৰমহা আৰু আন আন ভাট্টা দিবলৈ হ'লে সমবায় দেউলীয়া হ'ব। দুখীয়া অংশীদাৰবোৰৰ পৰা লোৱা ধন মৰা পৰিব। মই সেই কৰ্মচাৰীবোৰক বুজাই ক'লো "নিজৰ ভৰিত নিজে কুঠাৰ নেমাৰিবা"। কিন্তু নাই লাভ নহ'ল। তেওঁলোকৰ দাবীবোৰ মানি নল'লে ষ্ট্ৰাইক কৰি সমবায় বন্ধ কৰি দিব বুলি

ভাবুকিছে দিলে। তেওঁলোকৰ দাবী মানিবই লাগিব। মই ইয়াকো ক'লো "তোমালোকে হিচাব পত্ৰৰ বহী নিজে চোৱা আৰু কিবা বাহি ধন থাকিলে ভগাই লোৱা। আমাৰ কোনো আপত্তি নাই। সমবায়খন তোমালোকৰহে"। মোৰ কথা শুনি তেওঁলোকৰ কেইজনমানে মোক কৰ্কথনাহে কৰিলে। মই বোলে অপদাৰ্থ, সমবায়ৰ টকা খাই গুৱাগুব কৰিলো। মই আৰু খং সামৰি ৰাখিব নোৱাৰিলো। যোৱাকালি ৰাইজৰ সমবায়ৰ চেক্রেটাৰী পদৰ পৰা ইস্তফা দিলো। মই প্ৰতিজ্ঞা কৰিছো যে মই আৰু কোনো ধৰণৰ ৰাইজৰ কাম কৰিবলৈ আগবাঢ়ি নেযাওঁ। এইখন সমাজৰ ওপৰত মোৰ ঘৃণা উপজিল। মোক আপোনাসবে ক্ষমা কৰিব"।

দুদিনমান পাছত, কিছুমান ছাত্ৰ আৰু ৰাইজ গোট হৈ, এখন ৰাজহুৱা সভা আহ্বান কৰিলে। সমবায়ৰ লগত জড়িত লোক গাওঁ-ভুঁইৰ পৰাও আহি সমবেত হ'লহি। কেইবা হেজাৰো মানুহ গোট খালে। ৰাইজে প্ৰস্তাব ল'লে যে সমবায়খন বন্ধ কৰাৰ যি ব্যৱস্থা ন্যস্তস্বাৰ্থ জড়িত কেইজনমান কৰ্মচাৰীয়ে লৈছে সেইবোৰ বিনাচৰ্তে উঠাই ল'ব লাগে। সমবায়খন অচল কৰিব খোজা লোক কেইজন ৰাইজৰ শত্ৰু। অন্যথা ৰাইজে নিজেই তাৰ ব্যৱস্থা ল'ব। ইয়াৰ উপৰিও যিসকল কৰ্মচাৰীয়ে ৰজনী ফুকনক অপমান কৰিছিল তেওঁলোকে ক্ষমা খুজিবহি লাগিব। কৰ্মচাৰীবোৰৰ ন্যায্য দাবীবোৰ সমবায়ে চালি-জাৰি চাই, বাহি ধন থাকিলে, কৰ্মচাৰীবোৰৰ দৰমহা বৃদ্ধিৰ কথাতো বিবেচনা কৰিবলৈ সমবায়ক অনুৰোধ কৰিলে।

ৰাইজৰ প্ৰস্তাৱ আখৰে আখৰে কাৰ্যকৰী হ'ল। ৰাইজৰ সমবায় আকৌ পূৰ্ণোদ্যমে চলিবলৈ ধৰিলে। ৰজনী ফুকনে দিয়া ইস্তফা পত্ৰখন গ্ৰহণ নহ'ল। সমবায়খন ভাঙিবলৈ যত্ন কৰা ষড়যন্ত্ৰকাৰী কেইজন চাকৰিৰ পৰা বিদায় ল'বলগীয়া হ'ল।

* * * * *

অধ্যায়- ২৮

কি বিষয়ত পি, এইচ, ডি কৰিব তাৰ খাটাং সিদ্ধান্ত অবিনাশে ল'ব পৰা নাছিল। সি লেজাৰ ৰশ্মিৰ ওপৰত গৱেষণা কৰিব বুলি চিন্তা কৰি দুই-এজনৰ লগত পৰামৰ্শ কৰিছিল। লেজাৰ ৰশ্মিৰ ওপৰত গৱেষণা কৰাটোত কোনেও বিশেষ গুৰুত্ব নিদিলে। প্ৰথমে লেজাৰ ৰশ্মি আবিষ্কাৰ হওঁতে বহুতে উপলুঙাৰ সুৰত কৈছিল যে লেজাৰ মানুহৰ উপকাৰত নহা এক বিৰাট বৈজ্ঞানিক উদ্ভাৱন। লেজাৰ ৰশ্মি পোহৰ ৰশ্মিৰ দৰেই, কিন্তু ই একবৰ্ত্তী, সুসংহত আৰু সেয়ে অতি তীব্ৰ। বহুতো পৰিমাণৰ শক্তিৰ গোট একোটা লেজাৰ ৰশ্মি হিচাবে পোহৰৰ গতিবেগত এঠাইৰ পৰা আন ঠাইলৈ পঠিয়াব পাৰি। অবিনাশে কাম কৰি থকা কৰপ'ৰেচনটোৱেই লেজাৰ ৰশ্মি উৎপন্ন কৰা যন্ত্ৰ তৈয়াৰ কৰিছিল আৰু সেইবোৰ চিকিৎসা, শিল্প আদিৰ ক্ষেত্ৰত ব্যৱহাৰ হৈছিল। ৰঙা, নীলা, সেউজীয়া আদি বিভিন্ন দৃশ্য ৰঙৰ উপৰিও অৱলোহিত মাইক্ৰোৱেভ, আৰু ৰঞ্জন ৰশ্মিকো লেজাৰ হিচাবে ব্যৱহাৰ কৰিব পাৰি। প্ৰথমতে যদিও লেজাৰ ৰশ্মি মানৱ জাতিৰ বিশেষ উপকাৰত নাহিব বুলি ধাৰণা কৰা হৈছিল; কালক্ৰমত কিন্তু দেখা গ'ল কিছুমান বিশেষ ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ কৰি মানৱ জাতি উপকৃত হ'ব পাৰে। মডাৰ্ণ মেচিন টুলচ্ নামৰ কৰপ'ৰেচনটোত কাম কৰি অবিনাশৰ অভিজ্ঞতা হ'ল যে লেজাৰ ৰশ্মিৰ সুদূৰপ্ৰসাৰী ব্যৱহাৰ হ'ব পাৰে আৰু এই শক্তিয়ে এদিন মানৱজাতিক বিস্মিত কৰি তোলাৰ সম্ভাৱনা নোহোৱা নহয়। আমেৰিকাই লেজাৰ ৰশ্মি ব্যৱহাৰ কৰি নক্ষত্ৰ যুদ্ধৰ কথা চিন্তা কৰি থকা কথাটো কাকতে পত্ৰই ওলাইছিল। অতি শক্তিশালী লেজাৰ ৰশ্মিৰ ব্যৱহাৰ কৰি ৰকেট বা উপগ্ৰহ বিকল কৰি দিব পৰা সম্ভাৱনা বিজ্ঞানীসকলে দেখা পাইছিল। মহাকাশত স্থাপিত লেজাৰ ৰশ্মিৰে ডাঠ তীথাৰ বা আন কঠিন ধাতুৰে তৈয়াৰী আৱৰণো নিমিষতে পুৰি কাটি ধ্বংস কৰি পেলাব পৰা অৱস্থা আহি পৰিছিল। সংযোগ ব্যৱস্থা চকুৰ ৰেটিনা পুনৰ সংস্থাপন আৰু শৰীৰৰ ভিতৰৰ অংগ বাহিৰৰ পৰা প্ৰত্যক্ষ কৰি চিকিৎসা

ক্ষেত্ৰত উপযোগী এণ্ডোস্কোপ যন্ত্ৰৰ আৱিৰ্ভাৱ হ'ল। লেজাৰ ৰশ্মিৰে ধাতুৰ বস্তু কটা, গলোৱা আৰু সংযোজন বিক্ৰিয়া ঘটোৱা ইত্যাদি নানা ধৰণৰ কাৰ্য্যত ব্যৱহাৰ হোৱা দেখি, অৱশেষত অবিনাশে লেজাৰ ৰশ্মিৰ ওপৰতে গৱেষণা কৰি পি, এইচ্, ডি কৰিবলৈ পৃথিৱী বিখ্যাত চিকাগো বিশ্ববিদ্যালয়ত যোগ দিলেহি।

চিকাগো বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হয় ১৮৯০ চনত , কেইটামান বিশেষ কাৰণত বিশ্ববিদ্যালয়খন অতি সোনকালে গঢ় লৈ উঠিছিল। গীৰ্জাৰ ধৰ্মযাজকসকলেই পোনতে অনুষ্ঠানটো পতাত আগভাগ লৈছিল। জন্ ডি ৰক্ ফেলাৰে যাৱতীয় পুঁজিৰ যোগান ধৰিলে আৰু গ্ৰীক শিক্ষাবিদ উইলিয়াম ৰেইণী হাৰপাৰে বাকীসকলো কামৰ দায়িত্ব গ্ৰহণ কৰিলে। তেখেতে কিছুমান শিক্ষাৰ সুদূৰপ্ৰসাৰী নতুন ব্যৱস্থা গ্ৰহণ কৰিছিল। সেই ব্যৱস্থা ক্ৰমে ছাত্ৰ-ছাত্ৰী একেলগে বহি শিক্ষা গ্ৰহণ কৰিব পৰা হ'ল। অধ্যাপকসকলে সলনা-সলনি কৰি এটা কামৰ পৰা আন এটা কামলৈ যোৱাৰ সুবিধা পাবলৈ ধৰিলে। ইয়াৰ উপৰিও বিশ্ববিদ্যালয়খনে পোনপটীয়া ভাৱে শিক্ষা বিস্তাৰৰ কামত লগাৰ ব্যৱস্থা কৰা হ'ল। বিশ্ববিদ্যালয়খনৰ নিজৰ ছপাশাল হ'ল আৰু তাৰ পৰাই বিশ্ববিদ্যালয়ৰ নিজা কামৰ উপৰিও কিতাপ পত্ৰ ছপা হ'বলৈ ধৰাত ছাত্ৰসকলৰ কিতাপ পত্ৰৰ অভাৱ দূৰ হ'ল। ডাকযোগে শিক্ষা বিস্তাৰৰ এটা ব্যৱস্থাও গঢ় লৈ উঠিল। বিশ্ববিদ্যালয়খনৰ প্ৰচেষ্টাত নতুন কলেজ বিভিন্ন ঠাইত গঢ়ি উঠিবলৈ ধৰিলে।

১৯২৯ চনত ৰবাৰ্ট মেনাৰ্ড হাটচিনচ্ বিশ্ববিদ্যালয়খনৰ পঞ্চম সভাপতি হয়। তেতিয়াৰে পৰা কিছুমান নতুন পৰিকল্পনা কাৰ্য্যকৰী হ'বলৈ ধৰিলে। তেওঁ এটা নিয়ম প্ৰৱৰ্তন কৰিলে যে এটা বিশেষ বিষয়ত ব্যুৎপত্তি লাভ কৰাৰ আগতে প্ৰত্যেক ছাত্ৰই মানুহৰ মন উন্নত কৰাৰ ভিত্তিত যুগুত কৰা সাধাৰণ মূল শিক্ষা লাভ কৰিব লাগিব। বিজ্ঞানৰ ছাত্ৰই বিজ্ঞানৰ বাহিৰেও মানুহৰ মনোজগত, কলা-সংস্কৃতিৰ বিষয়ে জ্ঞান আহৰণ কৰিব লাগিব। এনেকুৱা কিছুমান কাৰণেই ৰবাৰ্ট মেনাৰ্ড হাটচিনচ্‌ক বিজ্ঞান বিমুখী বুলি কিছুমানে সমালোচনাও কৰিছিল।

ইতিমধ্যে দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল। আমেৰিকাও সেই যুদ্ধত নামি পৰিবলগীয়া হ'ল। তেওঁলোকে আণৱিক বোমা প্ৰস্তুত কৰাৰ কাৰণে অতি গোপন ভাৱে এখন আঁচনি তৈয়াৰ কৰিলে। সেইখনৰ নামেই পৃথিৱী বিখ্যাত মেনহাটন আঁচনি বুলি পিছত জনাজাত হৈছিল। আণৱিক বোমা তৈয়াৰ কৰিবলৈ এটা পৰিচালনা প্ৰকল্পৰ প্ৰয়োজন হ'ল। আন কোনো প্ৰতিষ্ঠান বা বিশ্ববিদ্যালয়ে এনে এটা গধুৰ দায়িত্ব বহন কৰিবলৈ অপাৰগ হোৱাত মিঃ হাৰ্টচিনচ্‌ৰ লগতে চিকাগো বিশ্ববিদ্যালয়খনহে কেৱল এই ক্ষেত্ৰত আগবাঢ়ি

আছিল।

কিন্তু কি আশ্চৰ্যজনক কথা যে, যিদিনা হিৰোচিমা আৰু নাগাচাকিত আণৱিক বোমা পেলোৱা বুলি, মানৱপ্ৰেমী মিঃ ৰবাৰ্ট মেনাৰ্ড হাৰ্টচিনচে জানিব পাৰিলে, সেইদিনা তেওঁ খঙত গৰজি উঠিল। তেওঁ দৃঢ়ভাবে বিশ্বাস কৰিছিল যে আণৱিক বোমা পেলোৱাৰ আগতে ইয়াৰ ধ্বংসাত্মক শক্তি আৰু বিভিষিকা জাপানীসকলক দেখুৱা উচিত আছিল।

সেই চিকাগো বিশ্ববিদ্যালয়ৰ পৰাই অবিনাশে পি, এইচ, ডি, লাভ কৰি পুনৰ বোষ্টনলৈ ঘূৰি আহি চুক্তি অনুসৰি কামত যোগ দিলেহি। পি, এইচ, ডি, পোৱাৰ পাছত তাৰ দৰমহা বছৰি ত্ৰিশ হেজাৰ ডলাৰলৈ বৃদ্ধি পালে ; আৰু সহকাৰী ৰিচাৰ্চ ডাইৰেক্টৰলৈ পদোন্নতি হ'ল। জীৱনে ইতিমধ্যে নিজেই চেষ্টা কৰি ভাল চাকৰি এটা যোগাৰ কৰি ৱাশ্বিংটন ডি, চি পালেগৈ। দৰমহা যথেষ্ট বাঢ়ি যোৱাত অবিনাশে টকা-পইচাৰ কাৰণে চিন্তা কৰিবলগীয়া নোহোৱা হ'ল। ঘৰৰ লগত কথা-বতৰা পতাৰ সুবিধাৰ কাৰণে অবিনাশৰ হেঁচাত পৰি মোমায়েকে টেলিফোন এটা ল'ব লগা হ'ল। টেলিফোন হোৱাত পোনপটীয়াকৈ মোমায়েক-মামীয়েকৰ লগত কথা পাতিব পৰা হ'ল।

সহকাৰী ৰিচাৰ্চ ডাইৰেক্টৰ হোৱাৰ পাছত অবিনাশৰ কামৰ দায়িত্ব যথেষ্ট বাঢ়িবলৈ ধৰিলে। নতুন নতুন যন্ত্ৰ নিৰ্মাণ কৰিবৰ কাৰণে প্ৰতিষ্ঠানটোৱে ব্যাপক আঁচনি যুগুত কৰাত আগবাঢ়ি গ'ল। অবিনাশে কাম কৰা গবেষণা আৰু উন্নয়ন বিভাগৰ ওপৰতে আঁচনিবোৰৰ সাফল্য ভালেখিনি নিৰ্ভৰ কৰে। সি দিনে বাৰ-চৈধ্য ঘণ্টা কাম কৰিব লগীয়া হ'ল। বিভিন্ন দেশত হোৱা বৈজ্ঞানিক উদ্ভাৱনবোৰৰ কথা অবিনাশে জনাৰ নিত্যান্ত আৱশ্যক হৈ পৰিল। উন্নত দেশবোৰৰ ব্যৱসায় প্ৰধানকৈ নিৰ্ভৰ কৰিছিল সৰ্বোৎকৃষ্ট আৰু অত্যাধুনিক যন্ত্ৰপাতি তৈয়াৰ কৰি ৰপ্তানি কৰিব পৰাটোৱেই। যন্ত্ৰপাতি ৰপ্তানিয়েই তেওঁলোকৰ অৰ্থনীতিৰ মূল ভেটি। প্ৰধানকৈ, অবিনাশৰ বুদ্ধি একাগ্ৰতা আৰু কষ্ট কৰিব পৰা ক্ষমতাৰ ফলস্বৰূপেই কৰপ'ৰেচনটোৰ লেজাৰ ৰশ্মিৰ গবেষণা বিভাগটোৱে কেবাটাও নতুন যন্ত্ৰৰ প্ৰকল্প তৈয়াৰ কৰিবলৈ সক্ষম হ'ল। সেইবোৰ নিৰ্মাণ কৰি বজাৰত উলিয়াই দিয়াৰ পাছত প্ৰতিষ্ঠানটোৰ যশস্যা বাঢ়ি আহিল। ইয়াৰ ফলত সেই প্ৰতিষ্ঠানৰ অংশ কিনিবলৈ মানুহৰ হেতা-ওপৰা লাগিল। আৰ্থিক হিচাবত কৰপ'ৰেচনটোৰ অৱস্থা যথেষ্ট ভাল হ'বলৈ ধৰিলে।

ডিচেম্বৰ মাহ। ৱাশ্বিংটনৰ পৰা জীৱনে টেলিফোন কৰিলে–

"অবিনাশ এইবাৰ মই খৃষ্টমাচ বোষ্টনতে পাতিম। তই সাজু থাকিবি। মোৰ লগত এজন বন্ধুও যাব। তোক আচৰিত কৰি দিম নহয়।"

"তইনো মোক কি আচৰিত কৰিবি অ' ।"

"মই এখন নতুন গাড়ী কিনিলো, অবিনাশ ।"

"তোৰ গাড়ী দেখি মই আচৰিত নহওঁ, জীৱন ।"

"হবি, হবি, অবিনাশ, তই আচৰিত হৈহে এৰিবি ।"

"তেন্তে জীৱন, তই তেইশ তাৰিখে অহালৈ মই বাট চাই থাকিম, মোক কিন্তু হতাশ নকৰিবি ।"

তেইশ ডিচেম্বৰৰ সন্ধ্যা সময়ত জীৱন আহি অবিনাশৰ ঘৰ ওলালেহি । জীৱনে তাৰ লগত যোৱা ছোৱালীজনীকো অবিনাশৰ লগত চিনাকি কৰি ক'লে "অবিনাশ এইয়া মোৰ বন্ধু মেৰী । অকল বন্ধুৱেই নহয়; চি ইজ মাই ওৱাইফ, এণ্ড দিজ্ টু আৰ মাই চিলড্ৰেন ।"

জীৱনৰ কাণ্ড দেখি অবিনাশ সঁচাকৈয়ে আচৰিত হ'ল ।

"জীৱন, এইবোৰ কথা তই ইমান দিনে মোৰ পৰা কিয় লুকুৱাই ৰাখিছিলি ।"

"তোক এইবোৰ কথা জনাবলৈ মোৰ লাজো লাগিছিল আৰু ভয়ো হৈছিল । সেইবোৰ কথা তই আমাৰ ঘৰত জনাই দিলে আইতাৰ অৱস্থা কি হ'ব মই জানিছিলো । ঘৰত মই মৰিলো বুলি ধৰি ল'ব । তই মোক আমেৰিকালৈ আনি মোক নষ্ট কৰাৰ কাৰণে তোকো গালি-শপনি নপৰাকৈ নেথাকে । এতিয়া তই কি ভাল দেখ কৰ ।

পৰিস্থিতিটো সহজ হ'বৰ কাৰণে অবিনাশে মেৰীৰ লগত কথা-বতৰা আৰম্ভ কৰিলে । জীৱনে ইতিমধ্যে চাহৰ কাৰণে গৰম পানীৰ কেটলী ষ্টোভৰ ওপৰত তুলি দিলে । কথাৰ মাজতে ট্ৰে এখনত চাহ, বিস্কুট আৰু কেক্ আনি জীৱনে ক'লে "খা অবিনাশ তোৰ কাৰণে বৰ ভাল কেক্ মই লৈ আনিছিলো । আমি জানো সকতে ভাল কেক্ এটুকুৰা মুখত দি পাইছিলো ।"

জীৱনৰ ল'ৰা-ছোৱালীহাল বেচ মৰম লগা । এটা পানী কেঁচুৱা আৰু আনটোৰ দুবছৰ হৈছিল । ল'ৰাটো ডাঙৰ আৰু ছোৱালীজনী সৰু । জীৱন আৰু মেৰীয়ে একেটা কোম্পানীতে কাম কৰিছিল । মনৰ মিল হোৱাত হঠাতে বিয়া কৰাই পেলালে ।

অবিনাশে সেইদিনা ৰাতিয়েই ফোন কৰি জীৱনৰ বিষয়ে মামীয়েকক সকলো কথা ক'লে । মামীয়েকৰ উপদেশ অনুসৰিয়েই পিছদিনা, জীৱনে নিজে, আইতাকৰ লগত কথা পতাৰ ঠিক কৰিলে । জীৱন আৰু তাৰ পৰিয়ালটো থকাত অবিনাশৰ খৃষ্টমাচ উৎসৱটো বেচ ভালেৰেই পাৰ হৈ গ'ল । তাৰ নিঃসঙ্গ জীৱনটোত দুদিনমানৰ কাৰণে হ'লেও ৰং-ধেমালি কৰিবৰ কাৰণে সুবিধা ওলাল । জীৱনৰ ঘৈণীয়েক মেৰী চিমৃচনে গিৰিয়েকৰ বন্ধু হিচাবে,

অবিনাশক যথাযথ সন্মান দেখুৱাইছিল। বিদেশত বিয়া কৰোৱাৰ কাৰণে জীৱনে যিবোৰ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছিল, সেইবোৰ অসমীয়া ভাষাতে অবিনাশক বুজাই ক'লে। তাৰ আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল যে সি আৰু ঘৰলৈ উলটি যাব নোৱাৰিব। অসমত তাৰ ল'ৰা-ছোৱালী আৰু ঘৈণীয়েকক লৈ বিৰাট অসুবিধাত পৰিব লাগিব। তাৰোপৰি সি আমেৰিকাত যি পৰিমাণে টকা উপাৰ্জন কৰিব পাৰিছে, সেই পৰিমাণে অসমত বা ভাৰতবৰ্ষৰ আন ঠাইত উপাৰ্জন কৰিব পৰা কোনো সম্ভাৱনা নাই। অসমলৈ গৈ সিহঁতৰ গোবৰ-মাতিৰে লেপা ঘৰত মেৰী এদিনো থাকিব নোৱাৰিব। মেৰীক সি ভাল পায়, গতিকে তাইক সি কোনো মতেই কষ্টৰ মুখলৈ ঠেলি দিব নোৱাৰে। কষ্ট পালে মেৰীৰ লগত তাৰ মনোমালিন্যও হ'ব পাৰে।

সকলো কথা শুনি অবিনাশে জীৱনক ক'লে যে, সি আৰু পিছলৈ ঘূৰি চাব নেলাগে। যি হ'ব লগা আছিল হৈ গ'ল। কিছুদিন সি পৰিয়াল লৈ অসমলৈ যাবও নেলাগে। সুবিধা হ'লে, সি নিজে, ঘৰৰ পৰা পাক এটা মাৰি মাক-দেউতাকক দেখা কৰি আহিলে, তেখেতসকলে মনত শান্তি পাব। জীৱনক সময়মতে কিছু টকা-পইচা ঘৰলৈ পঠিয়াই থাকিবলৈও উপদেশ দিলে যাতে বুঢ়া মাক-দেউতাকে খোৱা-বোৱাত কষ্ট নেপায়।

"শুন জীৱন, তোৰ হাতত যদি এতিয়া পইচা নাই; ইয়াৰ পৰা যাবৰ সময়ত মোৰ পৰাই এহেজাৰ ডলাৰ লৈ যাবি।"

জীৱনে অবিনাশৰ কথাবোৰ শুনি ভাল পালে। মাক-দেউতাকক তাৰ বিয়াৰ কথাটো জনাব পাৰি মনটো পাতল পালে। ৱাশ্বিংটনলৈ ঘূৰি আহিয়েই অবিনাশৰ পৰা লোৱা এহেজাৰ ডলাৰ ঘৰলৈ পঠিয়াই দি মনত কিছু শান্তি লভিলে।

* * * * *

অধ্যায়- ২৯

অবিনাশৰ নেতৃত্বত হোৱা গৱেষণাৰ ফলত মডার্ণ টুলচ্ কৰপৰেচনে ভালেমান লেজাৰ ৰশ্মিৰ নতুন নতুন যন্ত্র তৈয়াৰ কৰিবলৈ সক্ষম হোৱাত বিক্ৰীৰ পৰিমাণ বাঢ়িবলৈ ধৰিলে। প্রতিষ্ঠানটোৰ কর্ম-কর্তাসকল সন্তুষ্ট হৈ ডং অবিনাশ বৰুৱাক ৰিচার্চ আৰু ডেভেলপমেন্ট বিভাগৰ ডাইৰেক্টৰ পদত নিযুক্তি দিলে। লগে লগেই অবিনাশৰ দায়িত্ব আগতকৈও বাঢ়িল আৰু বছৰি দৰমহা ষাঠি হেজাৰ ডলাৰলৈ বৃদ্ধি পালে। মডার্ণ মেচিন টুলচ্ কৰপৰেচনটোৰ কামত সোমোৱাৰ পৰাই অবিনাশে মূলধনী অংশ কিছুপৰিমাণে কিনি আছিল আৰু দৰমহা ষাঠি হেজাৰ হোৱাৰ পাছত নিজৰ প্রতিষ্ঠানটোৰ উপৰিও আন আন বচা বচা কোম্পানীবোৰত মূলধন খটুৱাবলৈ ধৰিলে। ফলত আর্থিক হিচাবত অবিনাশ বৰুৱা যে অকল সচ্ছলেই হ'ল এনে নহয়; তেওঁ আমেৰিকানৰ মানদণ্ড মতেও এজন অৱস্থাপন্ন মানুহৰ শ্রেণীত অন্তর্ভুক্ত হ'ল।

অবিনাশে ভাবিলে যে মোমায়েক-মামীয়েকক এবাৰ বিদেশখন ফুৰাই অনা তাৰ কর্তব্য। মোমায়েকক পাছপ'র্ট কৰাবলৈ লিখিলে আৰু সি নিজে ছুটী লৈ তেখেতসকলক আনিবৰ কাৰণে চেপ্তেম্বৰ মাহৰ মাজভাগতে আহি ঘৰ পালেহি। অবিনাশ অহাৰ খবৰ পাই সিহঁতৰ আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱে তাক চাবলৈ আহিবলৈ ধৰিলে। বিদেশৰ জলবায়ু আৰু সুসম আহাৰৰ কাৰণেই বোধহয় তাৰ স্বাস্থ্য আৰু মুখৰ জেউতি আগতকৈ বাঢ়িল। মোমায়েক-মামীয়েকে তাক দেখি বৰ আনন্দ পালে। ঘৰ পোৱাৰ কেইদিনমান পাছতেই সি আগতে কাম কৰা স্কুলখনৰ হেড্মাষ্টৰ লক্ষ্যধৰ বুঢ়াগোঁহাই আহি তাক স্কুলখন চাবলৈ লৈ গ'লহি। ছাত্র-ছাত্রীবোৰে আয়োজন কৰা সভা এখনতো অবিনাশে দু-আষাৰমান উৎসাহমূলক কথা ক'লে। স্কুলখন আগতকৈ ভাল হোৱা যেন দেখি সি সন্তোষ পালে। স্কুলখনৰ ঘৰ-দুৱাৰ আদি ভাল কৰিবৰ কাৰণে সি এহেজাৰ ডলাৰৰ বৰঙণি এটাও আগবঢ়ালে।

ৰজনী ফুকন আমেৰিকাৰ পৰা ফুৰি আহিবলৈ সাজু হ'ল। জীৱনৰ মাকে

পুতেকৰ কাৰণে চিৰা আখৈৰ জলপানৰ এটা টোপোলা দি অবিনাশক সুধিলেহি 'হয়নে অবিনাশ চিৰা আখৈ নিলে জীৱনে কিবা লাজ পাব নেকি ?' অবিনাশে উত্তৰ দিলে জীৱনে আমেৰিকাতো বজাৰৰ পৰা কিনি হ'লেও চিৰাই দৈয়ে জলপান এটা খাইহে ভাল পায়।

কলিকতালৈকে তেওঁলোক অন্তৰদেশীয় বিমানেৰে আহি পিচদিনা ইণ্ডিয়ান এয়াৰ লাইন্সৰ বিমানেৰে নিউইয়ৰ্ক মুখে ৰাওণা হ'ল। মোমায়েক-মামীয়েকৰ বিমানত উঠাৰ এটা নতুন অভিজ্ঞতা হ'ল। নিউইয়ৰ্ক পাই তাৰে ভাল হোটেল এখনত উঠিলগৈ। পিছদিনা নিউইয়ৰ্কত থকা ষ্টেচ্যু অৱ লিবাৰ্টি চাবলৈ আহিল। ৰজনী ফুকন ষ্টেচ্যুটোৰ ওচৰত মৌন হৈ থিয় দি ৰ'ল। তেওঁ ভাবিলে মানুহৰ জীৱনত মৌলিক স্বাধীনতা কিমান আপুৰুগীয়া বস্তু। ইংলেণ্ডৰ জন্ ৰজাই মেগ্নাকাৰ্টনত চহী কৰা দিন ধৰি ৰাজতন্ত্ৰৰ পৰা প্ৰজাতন্ত্ৰলৈ লাহে লাহে কিদৰে ক্ষমতা হস্তান্তৰ হৈ আহিছে। বুৰঞ্জীয়ে মানুহক বহু কথাই ৰিঙিয়াই কয়– এবাৰ মানুহৰ মৌলিক স্বাধীনতা হেৰালে পুনৰ সহজে ঘূৰাই পোৱা টান। ষ্টেচ্যু অৱ লিবাৰ্টিয়ে যেন প্ৰতিজন আমেৰিকাবাসীকে নিশ্চয় সেই কথাকে দিনে-নিশাই সোঁৱৰাই আছে। ৰজনী ফুকনে মনতে কি ভাবিছিল আৰু সেই মূৰ্তিটোৰ অৰ্থ বা মহিমা কি সেই বিষয়ে ঘৈণীয়েকক বুজাই ক'লে। অবিনাশেও মোমায়েকৰ দৃষ্টিভঙ্গী আৰু উপলব্ধি দেখি বিস্ময় নোহোৱাকৈ থকা নাছিল। ইয়াৰ আগলৈকে ষ্টেচ্যু অৱ লিবাৰ্টি ভ্ৰমণকাৰীয়ে চোৱা ঠাই বুলিহে গণ্য কৰিছিল ; প্ৰকৃত অৰ্থ আৰু তাৎপৰ্য বুজা নাছিল। ষ্টেচ্যু অৱ লিবাৰ্টি চোৱাৰ পাছত ৰাষ্ট্ৰসংঘৰ কাৰ্য্যালয় আৰু আন আন ঘাঁই ঠাইবোৰ চালে।

পিছদিনা তেওঁলোকে গাড়ী এখন ভাৰালৈ লৈ ৱাছিংটন ডি, চিৰ অভিমুখে ৰাওণা হ'ল। ৰাজ আলিবোৰ সমান, মিহি আৰু পৰিষ্কাৰ। সেইবোৰ আলিত গাড়ী তীব্ৰ গতিত চলিলেও একো গম পোৱা নেযায়। আলিবাটৰ দুয়ো কাষে থকা শাৰী শাৰী গছৰ মনোমোহা দৃশ্য চাই আহি থাকোঁতে কেতিয়া ৱাছিংটন ডি, চি পালেহি ততকে ধৰিব নোৱাৰিলে। ৱাছিংটনত জীৱনে হোটেল ঠিক কৰি থৈছিল। জীৱন আৰু মেৰী কামৰ পৰা আহিয়েই হোটেল ওলালহি। মামীয়েকে জীৱনৰ ঘৈণীয়েকক আকোৱালি ল'লে। জীৱনে তেখেতসকলৰ ভৰি চুই তাৰ ভক্তিপূৰ্ণ সেৱা জনালে। পিছদিনা জীৱন আৰু মেৰীয়ে কামৰ পৰা ছুটী লৈ ৱাছিংটন ডি, চিত থকা- হোৱাইত হাউচকে ধৰি চাব লগীয়া ঠাইবোৰ দেখুৱালে। ৱাছিংটনত তিনিদিন মান থকাৰ পাছত জীৱনে পৰিয়াল সহ নিজে গাড়ী চলাই অবিনাশৰ মোমায়েক-মামীয়েকক লৈ বোষ্টনলৈ ৰাওণা হ'ল। গাড়ীত আহি থাকোঁতে জীৱনৰ কেচুৱা ছোৱালীজনী মামীয়েকৰ কোলাতেই প্ৰায়খিনি সময় আছিল। জীৱনৰ ল'ৰাটোৰ নাম ফিলিপ পাৰ্থ আৰু

ছোৱালীজনীৰ নাম লীনা। ভাষাৰ প্ৰতিবন্ধকৰ কাৰণে মেৰী আৰু মামীয়েকৰ মাজত কথা-বাৰ্তা হোৱা নাছিল। মেৰীয়ে কিন্তু তাৰ মাজতে 'মামী' 'মামী' বুলি সম্বোধন কৰি আকাৰে ইঙ্গিতে কিবা-কিবি বুজাবলৈ চেষ্টা কৰিছিল।

অবিনাশ বৰুৱাৰ ঘৰটো বৰ বেছি ডাঙৰ নাছিল। আলহীৰ কাৰণে এটা আচুতীয়া কোঠা থকাৰ কাৰণে মোমায়েক-মামীয়েকে থকা-মেলাত একো অসুবিধা নেপালে। সি কাম কৰা ঠাইৰ পৰা ঘৰটো মাত্ৰ 'দুমাইলমান দূৰত। মামীয়েকৰ হাত লগাত ঘৰটো শুৱনি হৈ পৰিল। বোষ্টনত সাত দিন মান থাকি চহৰখন ভালকৈ চাই-চিতি ল'লে। অবিনাশে কাম কৰা গবেষণা কেন্দ্ৰটোলৈ মোমায়েক-মামীয়েকক আনি তাৰ সহকৰ্মীসকলৰ লগত চা-চিনাকী কৰি দিলেহি। তেওঁলোকে অনুমান কৰিব পাৰিলে যে, অবিনাশ প্ৰতিষ্ঠানটোৰ এটা অপৰিহাৰ্য্য অঙ্গ হৈ পৰিছে। সি সকলোৰে প্ৰিয় পাত্ৰ হোৱা দেখি তেখেতসকলে মনত বৰ সন্তোষ পালে। অবিনাশৰ বন্ধু ৰবিন হেইনচে, তাৰ নিজৰ বিভাগটোত তৈয়াৰী কৰা যন্ত্ৰপাতিবোৰ তেওঁলোকক দেখুৱালে। ৰজনী ফুকনে বুজিলে যে বিদেশৰ পৰা ৰপ্তানি নহ'লে ভাৰতবৰ্ষৰ ডাক্তৰে ভাল এক্সৰে ছবি এখনো লোৱাৰ সুবিধা নেপায়। অবিনাশ সোনকালে দেশলৈ ঘূৰি আহি সি আহৰণ কৰা জ্ঞান আৰু অভিজ্ঞতা নিজৰ দেশত প্ৰয়োগ কৰিব পাৰিবহি বুলি ৰজনী ফুকনৰ মনলৈ আশা আহিল।

মোমায়েকৰ লগত পৰামৰ্শ কৰি অবিনাশে আমেৰিকাৰ বিভিন্ন ঠাই ফুৰাৰ ভ্ৰমণসূচী এখন ঠিক কৰি ল'লে। আমেৰিকাৰ উত্তৰ-পূব অংশ চাই তেওঁলোক কানাডাত প্ৰবেশ কৰিব। তাৰ পৰা, কানাডাৰ উত্তৰ-পশ্চিমেদি, পুনৰ আমেৰিকাত প্ৰবেশ কৰি, পশ্চিম আৰু মধ্য আমেৰিকাৰ প্ৰধান ঠাইবোৰ ফুৰিব। পিছত দক্ষিণৰ টেক্সাচ প্ৰদেশৰ হুচ্‌টন নগৰত থকা দ্বীজেনৰ ঘৰলৈ যাব।

ভ্ৰমণসূচী অনুসৰি, তেওঁলোক বিমানেৰে আহি নিউইয়ৰ্ক পালেহি। তাৰ পৰা গাড়ীৰে আহিল নায়েগ্ৰা জলপ্ৰপাত চাবলৈ। কাষতে থকা টাৱাৰৰ ওপৰত উঠি জলপ্ৰপাতটো ভালকৈ চোৱাৰ সুবিধা আছে। নাৱেঁৰে গৈ জলপ্ৰপাতটো তলৰ পৰাও চাব পাৰি। নায়েগ্ৰা নদী বুলি নাম লৈ ইৰি হ্ৰদৰ পৰা অকোৱা-পকোৱাকৈ শিলাময় পাহাৰৰ মাজে মাজে ঠেকা খাই বৈ আহি জলপ্ৰপাতৰ সৃষ্টি কৰি পৰিছেহি অন্টেৰিয় হ্ৰদত। সেইটোৱেই পৃথিবী বিখ্যাত নায়েগ্ৰা জলপ্ৰপাত। প্ৰকৃতিৰ কি এক অপূৰ্ব সৃষ্টি। তাহানি স্কুলত পঢ়োতে শিক্ষকে পইন্টাৰেৰে মেপত দেখুৱা প্ৰখ্যাত নদী, পৰ্বত হ্ৰদৰ কথা ফুকনৰ মনলৈ আহিল। সামান্য কেৰাণী ৰজনী ফুকনেতো কেতিয়াও জীৱনত কল্পনা কৰিব পৰা নাছিল যে তেওঁ স্বচক্ষে নায়েগ্ৰা জলপ্ৰপাত কেতিয়াবা দেখা পাব। একান্ত

মনে ইটো-সিটো কথা বুজাই থকা, অবিনাশৰ মুখখনলৈ, মোমায়েকে আকৌ এবাৰ মূৰ তুলি চাই মনতে পৰম শান্তি লভিলে। আকাশত ৰামধেনু দেখি মামীয়েকে ক'লে 'সৌৱা চাওক ৰামধেনু।' অবিনাশ পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ, তাতে আকৌ লেজাৰ ৰশ্মিৰ ওপৰত পি, এইচ, ডি লৈছে। সূৰ্য্যৰ ৰশ্মিৰ বিষয়ে তাৰ কিমান কথা ক'বলৈ মন যায়। পিছে সি থূলমূলকৈহে ক'লে 'ৰামধেনুৰ সৃষ্টি হ'বৰ কাৰণে সূৰ্য্যৰ ৰশ্মি আৰু পানীৰ কণিকাৰ আৱশ্যক। পাহাৰৰ শিলত ঠেকা খাই পানীৰ কণিকাবোৰ আকাশৰ বহু ওপৰলৈ চিটিকি পৰিছে; আৰু তাৰ ওপৰত সূৰ্য্যৰ কিৰণ পৰি সাত বৰণীয়া ৰামধেনু বিকশিত হৈছে। মামীয়েকে সুধিলে 'ৰামধেনু বুলি কিয় কয় তেনেহ'লে অবিনাশ।' মামীয়েকৰ প্ৰশ্নৰ উত্তৰত সি ক'লে, 'ৰামৰ ধেনুখন সম্ভৱ বৰ ধুনীয়া আছিল আৰু সেই কাৰণেই ৰামৰ ধেনুৰ লগত তুলনা কৰিছিল।' তেওঁলোকে সম্পূৰ্ণ পুৱা বেলাতো নায়েগ্ৰা জলপ্ৰপাতৰ কাষতে কটালে। বিভিন্ন দেশৰ হেজাৰ-বিজাৰ পৰ্য্যটকে নায়েগ্ৰা জলপ্ৰপাতৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ আহে। জলপ্ৰপাতটোৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ লগতে বিভিন্ন দেশৰ অগণন সংমিশ্ৰিত জনতাই চকুৰপলক নেপেলোৱাকৈ বিভোৰ হৈ চাই থকা দৃশ্যও কম মনোৰঞ্জক নহয়। পিছদিনা আকৌ এবাৰ সেই দৃশ্য চোৱাৰ সিদ্ধান্ত কৰি ওচৰতে থকা বাৰ্ফেলো চহৰলৈ আহি ৰাতিটো কটালেহি।

পুনৰ নায়েগ্ৰা জলপ্ৰপাত চাই ইৰি আৰু অন্তেৰিয় হ্ৰদৰ মাজৰ ভূখণ্ডেৰে আহি কানাডাৰ উত্তৰ-পূবে থকা প্ৰধান নগৰ টৰণ্টো পালেহি। তাৰপৰা কানাডাৰ ৰাজধানী অটোৱা আৰু উত্তৰ-পূবে থকা দুই এখন প্ৰখ্যাত ঠাই চাই কুইবেকত প্ৰবেশ কৰিলেহি। কুইবেক চহৰখনৰ ঘৰ-দুৱাৰবোৰ পুৰণি ধৰণৰ। টিনৰ পৰিবৰ্তে তেওঁলোকে ঘৰবোৰত তামৰ চালি ব্যৱহাৰ কৰে। চালিবোৰ বৰ ঠিয়, যাতে ঘৰৰ ওপৰত বৰফ বৈ থকাৰ সুবিধা নেপায়। পানীৰ কণিকা লাগি চালবোৰে সেউজীয়া বৰণ ধৰে আৰু চাফা কৰাৰ লগে লগে তামৰ বং জিলিকি উঠে। ইংৰাজ আৰু ফৰাচীসকলৰ মাজৰ শেষ যুঁজখন হোৱা ঠাইডোখৰ বুৰঞ্জী প্ৰসিদ্ধ হৈ পৰাত, চৰকাৰে সুন্দৰকৈ সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছে। চহৰখন ভালদৰে চাবৰ কাৰণে, সহায় লোৱা গাইডজনে, সকলোবোৰ আৱশ্যকীয় কথা বুজাই গৈছিল। কুইবেকত, ইংৰাজীতকৈ ফৰাচী ভাষা কোৱা মানুহৰ সংখ্যা সৰহ। ইংৰাজী আৰু ফৰাচী ভাষা কোৱালৈ তাত মাজে মাজে বাদানুবাদ হৈ থাকে। ৰজনী ফুকনে ভাবিলে যে নিজৰ ভাষা আৰু সংস্কৃতিলৈ মানুহ কিমান স্পৰ্শকাতৰ। মাতৃভাষাটো ৰক্ষা কৰিবৰ কাৰণে মানুহে হেলাৰঙে নিজৰ জীৱনটোও উৎসৰ্গা কৰিব পাৰে। এসময়ত পূব আৰু পশ্চিম পাকিস্থানৰ বাঙ্গালৰ এনাজৰীডাল আছিল ইছলাম ধৰ্ম। কিন্তু ভাষাৰ

প্ৰবল আৱেগে অনুশেষত দেশ দুখনৰ মাজত বিভাজন আনি দিলে আৰু বাঙলা দেশৰ সৃষ্টি হ'ল।

কুইবেকৰ পৰা মধ্য কানাডাৰ দুই এখন প্ৰধান ঠাই চাই কানাডাৰ উত্তৰ পশ্চিমে থকা এডমন্টন নামৰ সৰু চহৰখন পালেহি। সেই চহৰখনকে কেন্দ্ৰ কৰি কানাডাৰ উত্তৰ-পশ্চিমে থকা ৰকি পৰ্বতমালাৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ সুবিধা পালে। সেই অঞ্চলত ভেৰা পালন এটা বিশেষ ব্যৱসায়। হেজাৰ হেজাৰ ভেৰা মুকলি পাহাৰত চৰি থকা দৃশ্য সঁচাকৈয়ে বৰ মনোৰম। এবাৰ আলিৰ কাষতে ভেৰাৰ জাক এটা দেখি মামীয়েকে গাড়ী ৰখাবলৈ ক'লে। গাড়ীৰ পৰা নামি ভেৰাবোৰলৈ ৰ' লাগি চাই থাকিল। ওচৰতে পাই কুমলীয়া ভেৰা পোৱালী এটা কোলালৈ তাঙি ল'লে। 'চাচোন অবিনাশ, পোৱালীটো কিমান কোমল আৰু মৰম লগা। তইও এটা তাঙি ল'হোন। ভেৰা পোৱালী এটা সিও কোলালৈ তাঙি ল'লে। পোৱালীটোৱে তাৰ গাত চেলেকি দিয়াত অবিনাশে অনুভৱ কৰিলে যে মানুহৰ উপৰিও আন জন্তু জানোৱাৰবোৰেও, মৰম বুজি লয়। তেওঁলোক আকৌ গাড়ীত উঠি ৰকি পৰ্বতৰ কাষে কাষে থকা আলিবাটেৰে প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰি উত্তৰৰ পিনে গতি কৰিলে। অবিনাশে মন কৰিলে যে মামীয়েকে অসমত নেদেখা জীৱ-জন্তুবোৰ চাই বৰ উপভোগ কৰিছিল। সিদিনা টৰেন্টোত ডলফিন মাছবোৰে মানুহৰ নিৰ্দেশ মানি কৰা খেলবোৰ চাই আনন্দ পোৱাৰ কথা তাৰ মনলৈ আহিল। মাছেও মানুহৰ কথা বুজা দেখি মামীয়েক বৰ আচৰিত হৈছিল। বিস্তীৰ্ণ পাহাৰবোৰৰ ইমূৰৰ পৰা সিমূৰলৈ চৰি থকা ভেৰাবোৰ দেখি আজিও অপাৰ আনন্দ পাইছে। আমেৰিকাৰ পশ্চিম উপকূলত থকা পৰ্টলেণ্ড, চালেম, মণ্টানা, কেলিফোৰ্ণিয়া আদি ঠাইবোৰ চাই মধ্য আমেৰিকাইদি আহি টেক্সাচৰ 'হুচটন্ নগৰত থকা দ্বীজেনৰ ঘৰ পালেহি। দ্বীজেনে সৰু-সুৰা ব্যৱসায় এটা কৰি চলি আছিল। বহুতদিনৰ মূৰত তাক লগ পাই তেওঁলোকে বৰ ভাল পালে। দ্বীজেনে ইতিমধ্যে বিয়া কৰালে। ঘৈণীয়েকৰ নাম কাঞ্চন, ঘৰ গুৱাহাটীত। ল'ৰাটোৰ নাম দিছে বেবী, দুবছৰ উকলি গৈছে। কথা প্ৰসঙ্গত এদিন দ্বীজেনৰ ঘৈণীয়েক কাঞ্চনে ক'লে 'মামী, অবিনাশদাৰ বিয়াখন নাপাতেনে, কেতিয়াবা আমেৰিকান ছোৱালী বিয়া কৰাই পেলালে বৰ মস্কিল হৈ যাব কিন্তু।

কথাষাৰ শুনি দ্বীজেনৰ খং উঠি গ'ল। অবিনাশে আমেৰিকান ছোৱালী বিয়া কৰালে সূৰ্য্য পশ্চিম ফালে উদয় হ'ব; আৰু সেইদিনা মইও তোমাক ডাইভোৰ্চ কৰিম।

মামীয়েকে মন কৰিলে যে দ্বীজেনে খেমালিতে ডাইভোৰ্চ শব্দটো ব্যৱহাৰ

কৰাটোও কাকনে ভাল নেপালে। তাইৰ চকু চুল-চুলীয়া হ'ল। পৰিবেশটো পাতল কৰিবৰ কাৰণে মামীয়েকে ক'লে, 'অবিনাশ, তই কেনেবাকৈ আমেৰিকান ছোৱালী বিয়া কৰালে কিন্তু জীৱনৰ সংসাৰখনো ধ্বংস হৈ যাব। মই ইয়াৰ পৰা গৈয়েই তোৰ কাৰণে এজনী ভাল ছোৱালী চামগৈ।'

জীৱনৰ ঘৰত আনন্দেৰে চাৰি-পাঁচদিন কটাই তেওঁলোক পুনৰ বোষ্টন পালেহি। চাওঁতে চাওঁতে তেওঁলোকৰ আমেৰিকাত প্ৰায় দুমাহ মানেই হ'লহি। দেশলৈ ঘূৰি যোৱাৰ দিন ঠিক হ'ল। জীৱন আৰু অবিনাশে দুয়ো নিউইয়ৰ্কলৈ আহি মোমায়েক মামীয়েকক প্লেনত তুলি দিলেহি। জীৱনে মাক-দেউতাক, ভায়েক-ভনীয়েক কেউটালৈ কিবা-কিবি বস্তু কেইটামানো মোমায়েক-মামীয়েকৰ হাতত দি পঠালে। জীৱনে মামীয়েকক ক'লে 'মামী এই চিঠিখন মোৰ ভাইটোক দিব। মোলৈ ঢোল এটা পঠাই দিবলৈ লিখিছোঁ। বুজিছে মামী, বিহুৰ সময়ত ইয়াত থাকি বৰ বেয়া লাগে। মন অসমলৈ উৰু উৰু কৰে। কিজানি ঢোলৰ মাতটো শুনিলে মনটো ভাল লাগেই। নিৰ্দিষ্ট সময়ত বিমানখনে আকাশলৈ উৰা মাৰিলে। অবিনাশ বিদেশলৈ অহাৰ দিনা বৰঝাৰ বিমান বন্দৰত হোৱা বিদায় বেদনাৰ পুনৰাবৃত্তি হ'ল।

* * * * *

অধ্যায়- ৩০

চুক্তি শেষ হোৱাৰ কিছুদিন আগৰে পৰাই অবিনাশে চিন্তা কৰি আছিল যে দেশলৈ ঘূৰি যোৱাৰ আগতেই কিবা এটা প্ৰযুক্তি কৌশল নিজে উদ্ভাৱন কৰিব পৰাতো সম্ভৱ নেকি ? সি এনে এটা উদ্ভাৱনৰ কথা চিন্তা কৰিছিল, যিটোৱে ভাৰতবৰ্ষৰ অৰ্থনৈতিক দিশত অৰিহণা যোগাব পাৰিব । সি উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষ এখন জনসংখ্যা বহুল দুখীয়া দেশ । তাত কেইটামান বৃহৎ উদ্যোগ গঢ়ি উঠিলেই নিবনুৱা সমস্যাৰ ওৰ নপৰে, ভাৰতবৰ্ষত এচাম অতি কঠোৰ পৰিশ্ৰম কৰিব পৰা শ্ৰমজীৱি মানুহ আছে । যন্ত্ৰৰ সহায় নোপোৱাত শুদা হাত দুখন বা গৰু হালৰ ওপৰতে নিৰ্ভৰ কৰি নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিব পৰা নাই । সেইচাম মানুহৰ উপযোগীকৈ সি যদি কিবা এটা যন্ত্ৰ তৈয়াৰ কৰিব পাৰে, তেন্তে ভাৰতীয় অৰ্থনীতিত এক ডাঙৰ অৰিহণা যোগাব পাৰিব । তেতিয়া বিদেশলৈ উচ্চ শিক্ষা ল'বলৈ অহাৰ উদ্দেশ্যও তাৰ সফল হ'ব । যি কোনো এটা যন্ত্ৰ চলাবৰ কাৰণে শক্তিৰ প্ৰয়োজন। কম খৰছতে আৰু সহজলভ্য এবিধ শক্তিৰ উদ্ভাৱন কৰাৰ সম্ভাৱনা আছে নেকি সেই বিষয়ে সি গভীৰ ভাবে চিন্তা কৰিবলৈ ধৰিলে । লেজাৰ ৰশ্মিৰ বিষয়ে তাৰ ভাল জ্ঞান আছিল । সি ভালদৰে জানিছিল যে লেজাৰ শক্তি প্ৰয়োগ কৰি লক্ষ্যত উপনিত হ'ব নোৱাৰিব । ইয়াৰ দ্বাৰাই সৰ্বসাধাৰণ ৰাইজৰ বিশেষ উপকাৰ নহ'ব । বিস্ফোৰণ প্ৰক্ৰিয়াৰ দ্বাৰা পৰমাণু শক্তিৰ উৎপাদন অতি ব্যয়বহুল আৰু এই শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত তেজক্ৰীয়াও একেবাৰে বাদ দিব পৰাৰ সম্ভাৱনা নাই । সূৰ্য্যত শক্তিৰ উৎপাদন হয় হাইড্ৰোজেন আৰু হিলিয়াম গেছৰ সংযোজনত (৪ হাইড্ৰোজেন $_{1}^{1}$ → হিলিয়াম $_{2}^{4}$ + পজিট্ৰন ইত্যাদি) ।

হাইড্ৰোজেন বোমা তৈয়াৰ কৰাৰ মূলনীতি হ'ল বিক্ৰীয়া । কিন্তু সেই বিক্ৰীয়া ঘটাবলৈ যি পৰিমাণৰ উষ্ণতা লাগে, সেই পৰিমাণৰ উষ্ণতা সহজতে পাব নোৱাৰি । সংযোজনৰ দ্বাৰা বিক্ৰীয়া ঘটাই আনবিক শক্তি সহজতে পাব নোৱাৰি । ইমানবোৰ আহুকাল থকাৰ কাৰণে, আনবিক শক্তিৰ ওপৰত নিজে

গবেষণা কৰাৰ কথা বাদ দিলে। অবিনাশে ভাবিলে বায়ুৰ পৰা বিদ্যুৎ উৎপাদনৰ ক্ষমতা বঢ়োৱাৰ কিবা নতুন প্রযুক্তি কৌশল উলিয়াব পাৰিবনেকি? কিন্তু যিহেতু ভাৰতবৰ্ষত সকলো ঠাইতে বতাহ সমানে বৈ নেথাকে ইয়াৰ ব্যৱহাৰও সীমিত হ'ব। গতিকে সি সেই চিন্তাও বাদ দিলে।

ড° অবিনাশ বৰুৱাই মন কৰিলে যে সূৰ্য্যৰ ৰশ্মিৰ পৰা বিদ্যুৎ শক্তি উৎপাদন কৰাৰ পদ্ধতি ওলাইছে। কিন্তু ইয়াৰ ক্ষমতা অতি কম আৰু পদ্ধতিও ব্যয়বহুল হৈ থকাৰ কাৰণে সম্প্রসাৰণ হোৱা নাই। ভাৰতবৰ্ষ তীব্ৰ সূৰ্য্যৰ ৰশ্মি পৰা এখন গ্ৰীষ্মকালীন দেশ। গতিকে সূৰ্য্যৰ ৰশ্মি ব্যৱহাৰ কৰি কাৰ্য্যক্ষম, কম খৰছী বিদ্যুৎ উৎপাদন কৰিব পৰা যান্ত্ৰিক কৌশল উদ্ভাৱন কৰিব পাৰিলে ভাৰতবৰ্ষৰ নিচিনা দুখীয়া দেশ এখনৰ মানুহ বিশেষভাৱে উপকৃত হ'ব। আলোক সংশ্লেষণৰ দ্বাৰা সৌৰশক্তি ৰাসায়নিক শক্তিলৈ ৰূপান্তৰিত হয়। গছৰ পাতে, হৰিত কণাৰ সহায়ত, সূৰ্য্যৰ পোহৰক শ্বেতসাৰ আদি অনু ৰসায়নিক শক্তি ৰূপে আবদ্ধ কৰে। সেই শক্তিয়েই মূখ্যতঃ কয়লা, পেট্ৰল, মাংসপেশী শক্তি আৰু আন আন ৰাসায়নিক শক্তি বুলি জনা যায়। আলোক সংশ্লেষণৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে জানিব পাৰিলে শক্তি উৎপাদনৰ নতুন দিশ এটা ওলোৱাৰ সম্ভাৱনা আছে। এই সকলোবোৰ দিশ চিন্তা কৰি, অবিনাশে চুক্তি শেষ হোৱাৰ লগে লগেই, কোনোবা এখন বিশ্ববিদ্যালয়ত শিক্ষক হিচাবে সোমাই লৈ, নিজৰবৰীয়াকৈ সৌৰ শক্তিৰ ওপৰত গবেষণা কৰাৰ কথা মনতে ভাবি আছিল। শৈক্ষিক পৰিবেশ আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত থাকি বৰ্তমানৰ কামটোতকৈ বেছি ভাল পাব বুলি তাৰ মনত এটা ধাৰণা হৈছিল। ইয়াৰ উপৰিও সি পৃথিৱীৰ আন আন বিশ্ববিদ্যালয়বোৰৰ লগত যোগাযোগ ৰাখি সৌৰশক্তিৰ ওপৰত বিভিন্ন বিশ্ববিদ্যালয়বোৰত হোৱা বৈজ্ঞানিক গবেষণাৰ অগ্ৰগতিৰ বিষয়ে জানিব পাৰিব। কিছুদিনৰ আগৰে পৰা চেষ্টা কৰি অবিনাশ বৰুৱাই কেলিফোৰ্ণিয়াৰ বিখ্যাত কেলটেক্ বিশ্ববিদ্যালয়ত সহকাৰী অধ্যাপকৰ পদ এটা যোগাৰ কৰিবলৈ সক্ষম হৈছিল। লেজাৰ ৰশ্মিৰ ওপৰত পি, এইচ, ডি থকা এজন বিজ্ঞানীৰ কাৰণে, আমেৰিকাৰ দৰে দেশত, চাকৰি এটা যোগাৰ কৰাটো একো টান কাম নাছিল।

মোমায়েক মামীয়েকে, মাজে মাজে, সি সোনকালে দেশলৈ ঘূৰি আহি বিয়া-বাৰু পতাৰ কথা লিখি আছিল যদিও, সি নিজে সেই বিষয়ে অকনো গুৰুত্বই দিয়া নাছিল। সদায় এটা উদাস আৰু নিৰুৎসাহ মনোভাৱ। চুক্তি শেষ হোৱাৰ পিছতো অবিনাশ আৰু কেইবছৰমান আমেৰিকাতে থাকিবলৈ ইচ্ছা কৰা শুনি, মোমায়েক-মামীয়েকে মনতে বেজাৰ নোপোৱাকৈ থকা নাছিল।

চুক্তি শেষ হ'বলৈ আৰু বেছি দিন নাছিল। চুক্তিৰ ধাৰা অনুসৰি

ড° অবিনাশ বৰুৱাই তিনিমাহৰ আগতেই মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচন্‌ৰ কাম এৰিব বুলি জাননী দিলে। মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনৰ ব্যৱস্থাপনা পৰিষদ আৰু মেনেজিং ডাইৰেক্টৰে ভাবিব পৰা নাছিল যে ড° অবিনাশ বৰুৱাই সঁচাকৈয়ে কাম এৰি গুছি যাব। জাননীখন পাই কিন্তু তেওঁলোক চিন্তিত হৈ পৰিল। অবিনাশ বৰুৱাৰ অবিহনে লেজাৰ ৰশ্মি বিভাগৰ নতুন যোজনাখন যে কাৰ্য্যকৰী কৰা টান হ'ব ; সেই কথা ব্যৱস্থাপনা পৰিষদৰ সদস্যসকলে ভালদৰে জানিছিল। মাত্ৰ কেইমাহমানৰ আগতে ড° অবিনাশ বৰুৱাই বৈজ্ঞানিক বিভাগৰ ডাইৰেক্টৰ হিচাবে কামত যোগ দিছে ; তাৰোপৰি পদোন্নতি হোৱাৰ লগে লগে তেওঁৰ দৰমহাও একলাখ ডলাৰলৈ বৃদ্ধি পালে। তথাপিও যদি ড° অবিনাশ বৰুৱাই কাম এৰি গুছি যায় তেন্তে লেজাৰ ৰশ্মিৰ নতুন নতুন যন্ত্ৰ তৈয়াৰ কৰা বিভাগটো বৰ বেয়া ধৰণে দুৰ্বল হৈ পৰিব। খ্যাতিসম্পন্ন বিজ্ঞানী ড° অবিনাশ বৰুৱাই প্ৰতিষ্ঠানটোৰ কাম এৰা বুলি শুনাৰ লগে লগেই, অংশীদাৰসকলৰ, প্ৰতিষ্ঠানটোৰ ওপৰত আস্থা কমি যোৱাৰ আশঙ্কা নথকা নহয়। যদি এনে এটা অৱস্থা আহি পৰে, তেন্তে মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনৰ অংশবোৰৰ মূল্য হ্ৰাস পাব আৰু অৰ্থনৈতিক দুৰ্যোগ আহি পৰিব। মূলধনী ঋণ আগবঢ়োৱা ব্যৱসায়ী বেঙ্কবোৰেও বিত্তিয় সাহাৰ্য্য দিয়া কমাই দিব পাৰে। তাতোকৈও ডাঙৰ কথা হ'ব যদিহে বিজ্ঞানী ড° অবিনাশ বৰুৱাই বেছি টকাৰ বিনিময়ত আন কোনো প্ৰতিদ্বন্দী প্ৰতিষ্ঠানত যোগ দিয়ে। সেইবোৰ চিন্তাত মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনৰ চেয়াৰমেন, মেনেজিং ডাইৰেক্টৰৰ উপৰিও ব্যৱস্থাপনা পৰিষদৰ ডাইৰেক্টৰ সকলো চিন্তিত হৈ পৰিল। যিকোনো উপায়েৰে ড° অবিনাশ বৰুৱাক আৰু কেইবছৰ মানৰ কাৰণে চুক্তিবদ্ধ কৰাবই লাগিব। দৰমহা বৃদ্ধি আদি নতুন নতুন প্ৰস্তাৱ আগবঢ়োৱা হ'ল ; কিন্তু নাই, ড° অবিনাশ বৰুৱা একোতেই মান্তি নহয়। তেওঁৰ কথা হ'ল যে চুক্তিৰ বান্ধোনৰ মাজত আৰু তেওঁ থাকিব নোখোজে ; তেওঁ এটা মুক্ত জীৱন বিচাৰে। যেতিয়াই মন যায় তেতিয়াই নিজ দেশলৈ ঘূৰি যাব পৰা অৱস্থাত থাকিব খোজে। ড° অবিনাশ বৰুৱাই যাতে এটা শুদ্ধ সিদ্ধান্তলৈ আহিব পাৰে তাৰ কাৰণে তেওঁক এটা শান্তিপূৰ্ণ পৰিবেশত চিন্তা কৰিবলৈ সুবিধা দিব লাগিব। ইয়াকে ভাবি মেনেজিং ডাইৰেক্টৰ আডাম গোল্ডস্মিথে ড° অবিনাশ বৰুৱাক নিউইয়ৰ্কৰ এখন প্ৰখ্যাত বিলাসী হোটেলত পোন্ধৰ দিন মানৰ কাৰণে জিৰণি ল'বলৈ উপদেশ দিলে। তাৰ পিছত তেওঁ অবিনাশ বৰুৱাৰ লগত চুক্তিৰ বিষয়ে আলোচনা কৰিবলৈ আহিব। চুক্তি শেষ নোহোৱা পৰ্য্যন্ত ড° অবিনাশ বৰুৱাই মেনিজিং ডাইৰেক্টৰৰ উপদেশ বা নিৰ্দেশ অমান্য কৰিব নোৱাৰে। গতিকেই উক্ত নিৰ্দেশ ক্ৰমে তেওঁ দুই এদিনতে

নিউইয়ৰ্কলৈ আহিবলৈ যো-জা কৰিলে।

অবিনাশ বৰুৱাই মনতে ভাবিলে যে স্বভাৱতেই সি যিকোনো মানুহৰ অনুৰোধ প্ৰত্যাখ্যান কৰিবলৈ টান পায়। আনৰ মনত আঘাট পোৱা কথা সি মুখৰ পৰা উচ্চাৰণ কৰিব নোৱাৰে। তেনেস্থলত মুখামুখি হৈ মেনেজিং ডাইৰেক্টৰক পুনৰ চুক্তিত চহী নকৰো বুলি জানো সি ক'ব পাৰিব। মেনেজিং ডাইৰেক্টৰে তাক ভাল পায়; মাজে-সময়ে তাৰ খা-খবৰ লৈ থাকে। তাৰ সাফল্যত আনন্দ প্ৰকাশ নকৰাও নহয়। তেনে এজন তাৰ শুভাকাংক্ষীৰ ইচ্ছাৰ বিপক্ষে জানো সি যাব পাৰিব। মাজে মাজে সি ভাবে মোমায়েক-মামীয়েকৰ ঘৰত ডাঙৰ হোৱাৰ কাৰণেই তাৰ এনে এটা মানসিক দুৰ্বলতা আহি পৰিলে নেকি। সিটো মোমায়েক-মামীয়েকে আঘাট পায় বুলি, তেখেত সকলৰ ইচ্ছাৰ বিপক্ষে, কেতিয়াও কোনো এটা কথা কৈ পোৱা নাই। আনৰ ঘৰত ডাঙৰ-দীঘল হোৱা যিকোনো মানুহৰে তেনেবোৰ দুৰ্বলতা আহি পৰে নেকি? পিচে মুহূৰ্ততে, বেয়া কথাবোৰ মনলৈ অহাত, সি লাজ পায়। মোমায়েক মামীয়েককনো সি কোন সতে পৰ বুলি ভাবিব পাৰে। নিজৰ মাক-দেউতাক থকা হ'লেও জানোঁ মোমায়েক-মামীয়েকতকৈও বেছি মৰম সি আদায় কৰিব পাৰিলেহেঁতেন। সি যে পিতৃ-মাতৃহীন, সেই কথাটো তাৰ কেতিয়াও মনলৈ নাহে। নিউইয়ৰ্কলৈ অহা আগদিনা ৰাতি সি দ্বীজেনৰ পৰামৰ্শ বিচাৰি ফোন কৰিলে। অবিনাশৰ ফোনটো পায় দ্বীজেনে ক্ষন্তেক ভাবি ক'লে 'অবিনাশ, তই যদি মুখা-মুখিকৈ না বুলি ক'বলৈ বেয়া পাৱ, পিছত ভাবি-চিন্তি জনাম বুলি কবি।'

উত্তৰত অবিনাশে ক'লে 'মেনেজিং ডাইৰেক্টৰে মোক পোন্ধৰ দিনৰ কাৰণে তেওঁলোকৰ খৰছতে বিলাসী হোটেল এখনত থাকি চিন্তা কৰিবলৈ সময় আৰু সুবিধা দিছে; তেনেস্থলত মই আকৌ কি বুলি সময় বিচাৰিম?

দ্বীজেনে ক'লে 'চা অবিনাশ, তই কাৰো নিকিনা গোলাম নহয়। তই এজন আগশাৰীৰ বিজ্ঞানী বুলি আমেৰিকাত স্বীকৃতি পাইছ। তইতো কোনো চুক্তি ভঙ্গ কৰা নাই; গতিকে পুনৰ চুক্তিত সোমোৱা-নোসোমোৱাৰ কথা চিন্তা কৰিবলৈ সময় ল'বৰ তোৰ অধিকাৰ আছে। তই দৰকাৰ হ'লে নিউইয়ৰ্কৰ পৰা মোলৈ ফোন কৰিবি। কাঞ্চন আৰু বেবী ভালে আছে; বাকী তোৰ ভালটো।' কথাখিনি শেষ কৰি দ্বীজেনে ফোনটো থৈ দিলে।

পিছদিনা অবিনাশে নিউইয়ৰ্কলৈ যোৱাৰ উদ্দেশ্যেৰে বোষ্টন বিমান বন্দৰ পালেহি। নানান ধৰণৰ চিন্তা তাৰ মনলৈ আহিবলৈ ধৰিলে। নিউইয়ৰ্কৰ বিলাসী হোটেলত থাকিব লগীয়া হোৱাত সি সমূলি ভাল পোৱা নাছিল। মানুহ ইমান বিলাসী কিয় হ'ব লাগে। সকলো পৰাই উচ্চ চিন্তা আৰু সাধাৰণভাৱে

থাকিবলৈ তাক মোমায়েক-মামীয়েকে শিকাইছে। পশ্চিমীয়া দেশৰ মানুহৰ আমোদ-প্ৰমোদ আৰু লাহ-বিলাহ দেখি সি মোহ যোৱা নাছিল। সেই দুৰ্বলতাবোৰৰ পৰা সি নিজকে আঁতৰত ৰাখিছিল। আনৰ পৰা সি শুনিবলৈ পাইছিল যে সেই হোটেলবোৰৰ কাৰুকাৰ্য্য ফাৰ্ণিচাৰ আচবাব, কাৰ্পেট, পৰ্দা আৰু খোৱা-বোৱাৰ ব্যৱস্থাই ইন্দ্ৰৰ অমৰাৱতীকো চেৰ পেলাব। সম্ৰাট চাহজাহান বা ফ্ৰাঞ্চৰ চতুৰ্দশ লুইচৰ দৰে সম্ৰাটসকলৰ বিলাসী মন এটাৰ কথা সি কল্পনা কৰিব পাৰে, কিন্তু সম্ৰাট নেলাগে, আজিৰ পৃথিবীত ৰজাৰ সংখ্যাও দুই বা একহে। তেন্তে সেই বিলাসী হোটেলবোৰৰ প্ৰয়োজন ক'ত। মানুহৰ বিলাসৰ জানো সীমা এটা আছে। ইয়াৰ উপৰিও সেই বিলাসী হোটেলবোৰত হোৱা ব্যভিচাৰৰ কথাও সি নজনা নহয়। গল্প-উপন্যাসত সি সেইবোৰ কথা পঢ়িছে। কিবা বেয়া দিনৰ পূৰ্ব আভাস এটা তাৰ মনলৈ আহিবলৈ ধৰিলে।

আবেলি তিনিমান বজাত বিমানখন আহি নিউইয়ৰ্কত অৱতৰণ কৰিলেহি। এগৰাকী শাৰী পিন্ধা ধুনীয়া গাভৰু ছোৱালীয়ে ড° অবিনাশ বৰুৱা নাম লিখা ফলক এখন ধৰি, ঠিয় দি থকা দেখি, সি ছোৱালীজনীৰ পিনে আগবাঢ়ি গ'ল। ওচৰ চপাত ছোৱালীজনীয়ে সুধিলে 'আপুনিয়েই ড° অবিনাশ বৰুৱা নেকি? অবিনাশে মূৰ দুপিয়াই 'ও' বুলি ক'লে।' তাই হাতযোৰ কৰি নমস্কাৰ জনাই মৃদু হাঁহি এটা মাৰি নিজৰ চিনাকী দি ক'লে 'মই অ'লী ৰজৰেল। আপোনাৰ কৰপৰেচনৰ নিউইয়ৰ্কস্থিত সহকাৰী সংবাদ আৰু জনসম্পৰ্কৰক্ষী বিষয়া। ছোৱালীজনীৰ দৈহিক গঠন, মুখ মণ্ডলৰ সৌন্দৰ্য্য, ভাৰতীয় নাৰীয়ে পিন্ধা শাৰী আৰু নম্ৰ আচৰণে ক্ষন্তেক আগলৈকে সি কৰি অহা চিন্তাবোৰ লাঘৱ কৰিলে। সি মুক্ত মনেৰে হাঁহি এটা মাৰি ছোৱালীজনীক ধন্যবাদ জনালে। মিচ্ ৰজৰেল বেগাবেগীকৈ আহি সাজু কৰি থোৱা গাড়ীখনৰ পিছৰ দুৱাৰখন খুলি দিলেহি। দুয়ো গাড়ীৰ পিছৰ চিটত বহিল। তেওঁৰ লগত অনা ব্ৰীফকেছ্ আৰু বেগ্‌টো পৰ্টাৰ এজনে আনি গাড়ীৰ বস্তুথোৱা ঠাইত ভৰাই দিলেহি গাড়ী নিউইয়ৰ্ক অভিমুখে ৰাওণা হ'ল।

কিছুসময় দুয়ো মৌনভাৱে যোৱাৰ পিছত তাই সুধিলে 'বাটত কিবা অসুবিধা পালে নেকি?'

অবিনাশে উত্তৰ দিলে 'নাই একো অসুবিধা হোৱা নাছিলো।'

ড° অবিনাশ বৰুৱাৰ পৰা নম্ৰ আৰু আন্তৰিকতা পূৰ্ণ উত্তৰটো পায়, তাইৰ মনলৈ আত্মবিশ্বাস আহিল। কিছুদূৰ যোৱাৰ পিছত তাই আকৌ সুধিলে 'কোনোবা নিজৰ মানুহে আগবঢ়াই নিবলৈ আহিলে আপুনি বাৰু ভাল পাইনে? মিচ ৰজৰেলে সৰল ভাবে সোধা প্ৰশ্নটোৰ উত্তৰত অবিনাশ বৰুৱাই মিছা কথা ক'বলৈ ভাল নেপালে 'কোনোবা আপোনজনে মোক আগবঢ়াই নিবলৈ আহিলে

সঁচাকৈয়ে মই বৰ ভাল পাওঁ। আজি ভাৰতীয় নাৰীৰ দৰে শাৰী পিন্ধি আমেৰিকান ছোৱালী এজনীয়ে বিমান বন্দৰত মোৰ কাৰণে অপেক্ষা কৰি থকাত সঁচাকৈয়ে মোৰ বৰ ভাল লাগিছিল।

মাজে মাজে দুই এটা কথা পাতি আহি থাকোতেই গাড়ীখন আহি যেনিথ্ ইণ্টাৰনেচনেল হোটেল সোমালেহি। ড° অবিনাশ বৰুৱাৰ কাৰণে আগতেই সংৰক্ষণ কৰি থোৱা কক্ষটোলৈ ওৱেটাৰজনে আগবঢ়াই লৈ গ'ল। মিচ্ অ'লী ৰজৱেলও লগে লগে আগবাঢ়িল। ৰজৱেলে ক'লে কোঠাকেইটা আপোনাৰ কাৰণে থোৱা হৈছে। এবাৰ চকু ফুৰাই চাবনে?' শোৱা কোঠা, ড্ৰইংৰুম, বাথৰুম, ড্ৰেছিংৰুম আৰু বেলকণীটো চাই ড° অবিনাশ বৰুৱা আৰু মিচ্ ৰজৱেল আহি ড্ৰইংৰুমত বহিলেহি।

মিচ্ ৰজৱেলে সুধিলে, 'আপুনি এতিয়া চাহ বা কফি কিবা খাবনে' অবিনাশে চাহ একাপ খোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। ক্ষন্তেক পিছতে ওৱেটাৰজনে ট্ৰে এখনত টিপট আৰু কাপ আনি টেবুলৰ ওপৰত থ'লেহি। তাই চাহ বাকিবলৈ আগবাঢ়ি যোৱা দেখি অবিনাশে ক'লে 'মই নিজেও চাহ কাপ বাকি ল'ব পাৰো।' মিচ্ ৰজৱেলে বাধা দি ক'লে, 'আপুনি আমাৰ আলহী, গতিকে আপুনি কিয় কষ্ট কৰিব। ভাৰতীয়সকলে, বিশেষকৈ অসমৰ মানুহে ভাল চাহ খাই বুলি শুনিছো। মই বকা চাহকাপ খায় কেনে পায় চাওঁকচোন বাৰু।

কাপত চেনি দিবৰ সময়ত তাই সুধিলে– 'চেনি কিমান দিম?' অবিনাশে ক'লে এচামুচ দিলেই হ'ব। চাহকাপ খাই ভালপোৱাত তাইক প্ৰশংসা কৰি ক'লে 'আপনি কৰা চাহকাপ সঁচাকৈয়ে বৰ ভাল হৈছে। ভাল চাহ একাপ হ'লে মোক আৰু একো নেলাগে।

কথাষাৰ শুনি তাই ভাল পালে। তাই ক'লে 'মোক আপুনি অ'লী বুলি নাম ধৰি মাতিলেহে মই বেছি সুখী হ'ম। মান-সন্মান আৰু বয়সতো আপোনাতকৈ মই সৰু।

কিছুপৰৰ পিছত অ'লী ৰজৱেলে সুধিলে 'এই হোটেলখনৰ চৌহদৰ ভিতৰত কি কি সা-সুবিধা আছে আপুনি জানিবলৈ ইচ্ছা নকৰেনে? অৱশ্যে ভ্ৰমণৰ পিছত আপোনাৰ ভাগৰো লাগি থাকিব পাৰে।'

অবিনাশ বৰুৱাই ভাগৰ লগা নাই বুলি কোৱাত হোটেলৰ তিনি তলাৰ পৰা লিফ্‌টেৰে নামি আহি একেবাৰে তলৰ তলা পালেহি। মুখ্য দুৱাৰখনৰ সন্মুখতে ধুনীয়া ফুলনিখন। নানা বৰণৰ ধুনীয়া ধুনীয়া জকমকাই থকা ফুলবোৰৰ নাম তাই ফৰফৰকৈ কৈ যাবলৈ ধৰিলে। অবিনাশে ভাবিলে সিটো বৰ বেছি ফুল চিনি নেপায়। তাহানি হোষ্টেলত থাকোতে জিতেন শইকীয়াৰ ফুলৰ প্ৰতি থকা

আগ্ৰহ দেখি, সিও ফুল ভাল পাবলৈ শিকিছিল ; কিছুমান নতুন নতুন ফুলৰ নামো জানিছিল। শৰৎকালত ফুলা প্ৰায়বোৰ ফুলেই তাত ফুলি থকা বুলি অ'লী বজৰেলে অবিনাশক জানিবলৈ দিলে। অ'লী বজৰেলৰ লগত কথা পাতি পাতি ফুলনিৰ মাজে মাজে ঘূৰি অবিনাশে ভাল পাইছিল। সেই সময়ত, তাৰ নিজৰ মনত, বিশেষ গধুৰ চিন্তাৰ বোজা নাছিল। আগতেই সিদ্ধান্ত লৈ থৈছিল যে সি পুনৰ চুক্তিত স্বাক্ষৰ নকৰে। পোন্ধৰ দিনৰ পিছত মেনেজিং ডাইৰেক্টৰৰ লগত আলোচনাৰ সময়তো, সি ভাবি-চিন্তি লৈ যোৱা সিদ্ধান্তটোৰ সলনি নকৰে। গতিকেই মন পাতল আৰু মুকলি। কথাৰ মাজতে অ'লী বজৰেলে অবিনাশ বৰুৱাক সুধিলে 'ড° বৰুৱা, আপুনি বাৰু কি ফুল বেছি ভাল পায় ?' অবিনাশ বৰুৱা বিপাণ্ডত পৰিল। কিছুপৰ চিন্তা কৰাৰ পিছত সিহঁতৰ ঘৰৰ তগৰ ফুল জোপালৈ মনত পৰিল। 'আমাৰ ভাষাত ফুলবিধৰ নাম তগৰ। ইংৰাজী নামটো মই নেজানো। ফুলটো দেখাত গোলাপ ফুলৰ দৰেই, কিন্তু বগা, সুন্দৰ সুগন্ধি ফুল।'

ফুলনিখন পাৰহৈ আহি টেনিচ কোৰ্টৰ ফালে আগুৱাই আহিল। এখন কোৰ্টত কেইজনমানে টেনিচ খেলি আছিল। তাই সুধিলে 'আপুনি টেনিচ খেলে নেকি ? অবিনাশ বৰুৱাই ক'লে 'ও, টেনিচ খেলি মই বৰ ভাল পাওঁ।'

'তেন্তে মোৰ লগত একচেট্ খেলিবলৈ বেয়া পাব নেকি ?'

কোৰ্টখনৰ তত্বাৱধানত থকা মানুহজনে দুজোৰ টেনিচ শু আনি দিলেহি। দুয়ো টেনিচ শু পিন্ধি খেল আৰম্ভ কৰিলে। বোষ্টনত থাকোঁতে অবিনাশে মাজে-সময়ে টেনিচ খেলিছিল গতিকে ভালদৰেই খেলিব পৰা হৈ আছিল। চেটটোত মিচ বজৰেল হাৰিল। তাই ক'লে আপুনি চেম্পিয়নৰ দৰে খেলে। এজন বিজ্ঞানী নহৈ আপুনি এজন টেনিচ খেলুৱৈহে হ'ব লাগিছিল ; নিশ্চয় উইম্বিলডন চেম্পিয়ন হ'লহেঁতেন। কাইলৈৰ পৰা আপুনি আন ভাল খেলুৱৈৰ লগত খেলিব। মিচ্ বজৰেলৰ প্ৰশংসা শুনি অবিনাশ বৰুৱাৰ হাঁহি উঠিল।

দুয়ো আহি চুইমিংপুলৰ কাষ পালেহি। তেতিয়া সন্ধ্যা লাগিছে। মিচ্ বজৰেলে সুধিলে 'আপুনি চুইমিং কৰি যদি ভাল পাই তেন্তে ইয়াতে সদায় সাঁতুৰিব পাৰিব।'

অবিনাশ বৰুৱাই ক'লে 'সাঁতুৰি মই ভাল পাওঁ, কিন্তু ভালকৈ সাঁতুৰিব হ'লে নেজানো। তাই ক'লে, 'কালিলৈ টেনিচ খেলাৰ পিছত আপোনাক চুইমিংপুললৈ লৈ আহিম। আপুনি জানেই আমাৰ দেশৰ মানুহে সাঁতুৰি ভাল পায়। সাঁতোৰ নজনা হ'লে জানো কলম্বাচে আমেৰিকালৈ নাওঁ মেলি দিবলৈ সাহস কৰিলেহেঁতেন। মইও ভাল সাঁতুৰিব জানো। বিভিন্ন ধৰণৰ সাঁতোৰ আৰু ডাইভিঙৰ প্ৰশিক্ষণ ময়েই দিব পাৰিম।'

ৰাতি হলত দুয়ো আহি অবিনাশ বৰুৱাৰ ড্ৰইংৰুমত বহিলেহি। ড° অবিনাশ বৰুৱাই ক'লে 'মিচ্ ৰজৰেল, আপুনি আজি মোৰ কাৰণে যথেষ্ট কষ্ট স্বীকাৰ কৰিলে, এতিয়া আপুনি ঘৰলৈ গৈ জিৰণি লওঁকগৈ।

অ'লী ৰজৰেলে ক'লে 'মই থকাত আপোনাৰ যদি একো অসুবিধা হোৱা নাই, তেন্তে আপুনি নিশাৰ আহাৰ খায় বিচনালৈ নোযোৱা পৰ্য্যন্ত আপোনাক চোৱা-চিতা কৰা দায়িত্ব মোৰ গাত আছে। এনেদৰে আপোনাক এৰি থৈ যোৱা বুলি আমাৰ এম্, ডিয়ে গম পালে মোৰ চাকৰি লগে লগেই শেষ হ'ব।'

অ'লী ৰজৰেলৰ উত্তৰটো শুনি ড° অবিনাশ বৰুৱা মনে মনে থাকিল।

আপুনি গা-পা ধুই কাপোৰ-কানি সলাই কিছুসময় জিৰনি লওঁক। মই এঘণ্টামানৰ পিছত আহিম। কথাষাৰ কৈ তাই ওলাই গ'ল। ড° অবিনাশ বৰুৱাই গা-পা ধুই কাপোৰ সলাই ড্ৰইংৰুমত বহিলেহি। কিছুপৰৰ পিছত অ'লী ৰজৰেলও আহি পালেহি। এইবাৰ শাৰীৰ পৰিবৰ্তে বগা চাৰ্ট আৰু ক'লা বৰণৰ এটা স্কাৰ্ট পিন্ধি আহিছিল। তাইও চকী এখনতে বহিল। ছোৱালীজনী প্ৰথম দেখা পোঁৱাৰ পৰা, অবিনাশ বৰুৱাৰ, তাইৰ প্ৰতি এক বিশেষ স্নেহ উপজিছিল। চাকৰি জীৱনত আৰু বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে ভালে কেইজনী আমেৰিকান ছোৱালী তেওঁ লগ পাইছিল। কিন্তু কাৰো সান্নিধ্য তেওঁ উপভোগ কৰা নাছিল। সকলোৰে লগত সেই গতানুগতিক কথা-বাৰ্তা। অ'লী ৰজৰেলৰ সহজ-সৰল ধৰণৰ কথা-বাৰ্তা, উচ্চ অভিৰুচি আৰু কৰ্তব্যৰ প্ৰতি থকা একাগ্ৰতা দেখি অবিনাশ যথেষ্ট প্ৰভাৱান্বিত হৈছিল। ছোৱালীজনী দেখাতো কম ধুনীয়া নহয়। এইবোৰ কিৰা-কিৰি ভাবি থাকোঁতেই তাই আৰম্ভ কৰিলে 'আপুনি ভাল পোৱা আঞ্জা-পাতিৰেই ৰাতিৰ আহাৰ দিবলৈ কৈছো। আমি জনাৰ উপৰিও আপুনি আজি বিশেষ কিবা খাবলৈ ইচ্ছা কৰে নেকি ?'

ড° অবিনাশ বৰুৱাই ক'লে 'মাংস মই বৰ ভাল নেপাওঁ। তাৰ বাহিৰে, স্বাস্থ্যৰ হানি নকৰা, যিকোনো বস্তুৰেই মই খাওঁ।

কথা পাতি থকাৰ মাজতে ওৱেটাৰজনে ড্ৰিঙ্কচ্ দি গ'লহি। মিচ্ ৰজৰেলে সুধিলে 'কি দিম আপোনাক ?' অবিনাশ বৰুৱাই ক'লে 'ড্ৰিঙ্কচ্ কৰাৰ অভ্যাস মোৰ তেনেকৈ নাই। কেতিয়াবা পাৰ্টি আদি হ'লে অৱশ্যে একেবাৰে নোখোৱাও নহয়।' তাই অনুমতি বিচাৰি সুধিলে 'আজি অলপ খোৱাত আপোনাৰ আপত্তি আছে নেকি ?'

'অলপমান চেম্পেইনেকে দিয়া বাৰু' ড° অবিনাশ বৰুৱাই ভাবিলে এখন বিলাসী হোটেলত থাকি অলপমান ড্ৰিঙ্কচ্ নকৰিলেও শোভা নেপায়।

ষ্টীয়েৰ্চ বুলি দুয়ো দুটা গিলাছ ডাঙি ল'লে।

চেম্পেইন চুপি চুপি তাই ক'লে 'মই ভাবিছিলো মোৰ কামটো বৰ টান হ'ব।'

বৰুৱাই সুধিলে 'কি কাম ?'

নিউইয়ৰ্কত থকা কেইটা দিনত, আপোনাক কোনে চোৱা-চিতা কৰিব, সেই বিষয়ে আমাৰ কৰপৰেচনৰ কৰ্মকৰ্তাসকলে যথেষ্ট গুণা-গঠা কৰিব লগীয়া হৈছিল। শেষত মোৰ নামেই বাচনিত উঠিল। আমাৰ ব্যৱস্থাপনা পৰিষদৰ সদস্যসকল আৰু এম্ ডিয়ে, আপুনি ইয়াত, আনন্দ মনেৰে আৰু কোনো অসুবিধা নোপোৱাকৈ থকাতো বাঞ্ছা কৰে। আপোনাৰ দৰে এজন ডাঙৰ বিজ্ঞানীক সোধ-পোছ কৰাৰ দায়িত্বটো মই ল'বলৈ সাহ কৰা নাছিলো, ভয়ো লাগিছিল।'

'মই ডাঙৰ বিজ্ঞানী বুলি কোনে ক'লে।' ড° অবিনাশ বৰুৱাই সুধিলে। তাই কৈ যাবলৈ ধৰিলে 'আমাৰ ব্যৱস্থাপনা পৰিষদে ভাবে যে আপুনি নহ'লে আমাৰ গবেষণা বিভাগটো দুৰ্বল হৈ পৰিব, ফলত ভালেমান নতুন আঁচনি বিপৰ্য্যয়ৰ সন্মুখীন হ'ব। আপুনি এজন ডাঙৰ বিজ্ঞানী নহ'লে, কিয় তেনেদৰে ভাবিব। বিজ্ঞানীবোৰ মেজাজী ; কেতিয়া কি চিন্তা কৰে, কি বিচাৰে, একো ধৰিব নোৱাৰি। গতিকেই মোৰ ভয় লাগিছিল ; কিজানি ক'ৰবাত মোৰ ভুল হৈ যায়, মোৰ কামত কিবা খুঁত থাকি যায়। কোনোবাই মোৰ দোষ ধৰিলে, মই সেই কথা সহজভাবে ল'ব নোৱাৰো।'

মিচ্ ৰজৰেল, মোৰ বিষয়ে তুমি আৰু কি ভাবিছিলা ?' ড° অবিনাশ বৰুৱাই সুধিলে।

'মোক অ'লী বুলি সম্বোধন কৰিলেহে মই বেছি ভাল পাওঁ।' তাই কিছুপৰ থমকি ৰৈ উশাহ এটা টানি ক'লে 'আৰু কি ভাবিছিলো জানে– অৱশ্যে মোৰ কথাটো ক'বলৈ বৰ লাজও লাগিছে ;······ ।' কথাষাৰ শেষ নকৰি আধাতে তাই ৰৈ গ'ল। ড° অবিনাশ বৰুৱাই সুধিলে 'কিয় লাজ লাগিছে, অ'লী ?' তাই লাজটো ঢাকিবৰ চেষ্টা কৰি ক'লে 'আপোনাৰ অহঙ্কাৰো থাকিব পাৰে বুলি মই ভয় কৰিছিলো। পিছে মই আচৰিত হ'লো যে ইমান ডাঙৰ এজন বিজ্ঞানী হৈও আপুনি অহঙ্কাৰ মানে কি চিনি নেপায়। আপুনি ইমান সৰল প্ৰকৃতিৰ লোক।' অ'লী ৰজৰেলৰ প্ৰশংসাৰ কথাষাৰ শুনি ড° অবিনাশ বৰুৱাই হাঁহি সম্বৰণ কৰিব নোৱাৰিলে। প্ৰশংসা শুনি নিজে পেটে পেটে ভালো পাইছিল।

'প্ৰায়বোৰ ডাঙৰ মানুহৰে অহঙ্কাৰ থাকে বুলি মই জানো, গতিকেই আপোনাৰো আছে বুলি ভাবিছিলোঁ।' তাই ক'লে।

'মোৰ অহঙ্কাৰ নাই নেকি ?' অবিনাশে সুধিলে।

'ওহো, আপোনাৰ সমূলি অহঙ্কাৰ নাই ; কিন্তু মোৰ হ'লে অহঙ্কাৰ নথকা নহয়।' তাই দৃঢ়ভাৱে দিয়া উত্তৰটো শুনি অবিনাশ বৰুৱাই প্ৰশ্ন কৰিলে তোমাৰ অহঙ্কাৰৰ কাৰণটো মই জানিব পাৰোনে ?'

'আজি প্ৰথম দিনাই সকলো কথা কৈ মোৰ প্ৰতি আপোনাৰ আগ্ৰহ আৰু কৌতুহল কমাই দিব নোখোজো। বেয়া নেপায় যদি আন এদিন কম।' সেই বিষয়টো সামৰি, তাই আন এটালৈ যাবলৈ ইচ্ছা কৰি সুধিলে 'আপুনি বাৰু কি মিউজিক ভাল যায় ?'

'মই পশ্চিমীয়া আৰু ভাৰতীয় দুয়োবিধ সঙ্গীতেই ভাল পাওঁ।' তাই ষ্টেৰিঅটো অন কৰি দিলে। গানৰ মাজতে ইটো-সিটো কথা-বাৰ্তা হ'ল।

ৰাতি চাৰে আঠমান বাজিল; ডিনাৰৰ সময় হ'ল। অবিনাশ বৰুৱাৰ কাৰণে তাই ডিনাৰ সজাই দিলে। অ'লী ৰজৰেলে নিজৰ কাৰণে একো নোলোৱা দেখি অবিনাশ বৰুৱাই সুধিলে "মই অকলে আহাৰ খাই ভাল নেপাওঁ, তুমিও মোৰ লগতে যোগ দিবানে ? তাই ক'লে আজিৰ কাৰণে মোক ক্ষমা কৰক, আয়ে মোৰ কাৰণে ঘৰত বাট চাই থাকিব। কালিৰ পৰা বাৰু আপোনাৰ লগত যোগ দিম।' অবিনাশে আৰু জোৰ দি ধৰিবলৈ ভাল নেপালে।

ৰাতিৰ আহাৰ খোৱাৰ পিছত অ'লী ৰজৰেলে 'গুড্ নাইট' বুলি কৈ বিদায় ল'লে।

পৰিবেশটো সৰস কৰি ৰখা ছোৱালীজনী গুছি যোৱাত অবিনাশৰ মনটো বেয়া লাগিল। অ'লী ৰজৰেলে সঁচাকৈয়ে বৰ আন্তৰিকতাৰে কথা-বাৰ্তা পাতিছিল। অবিনাশে সচৰাচৰ ছোৱালীৰ লগত কথা-বাৰ্তা হ'বলৈ লাজ কৰে। সিহঁতৰ সান্নিধ্যক ভয়ো কৰে। কিন্তু প্ৰথম দৰ্শনৰ পৰাই অ'লীৰ ব্যৱহাৰে তেওঁক মুগ্ধ কৰি পেলাইছিল। তাইৰ প্ৰতি এটা সদভাৱ অন্তৰত জাগি উঠিছিল। অ'লী ৰজৰেল এজনী কি অদ্ভুত আকৰ্ষণীয় ছোৱালী।

দহ বাজিল। শুবৰ সময় হোৱাত বিচনাখনত বাগৰ দিলে। বহু পৰলৈকে টোপনি অহা নাছিল। আমেৰিকাত অবিনাশ বৰুৱাৰ প্ৰায় এঘাৰ বছৰ পাৰ হ'ল। কোনো আমেৰিকান ছোৱালীৰ লগতেই আন্তৰিকতাৰে কথা পতা তাৰ মনত নপৰে। অ'লী ৰজৰেলৰ দৰে ধুনীয়া ছোৱালী এজনীও সি কেতিয়াও আগতে দেখা পোৱা মনত নপৰে। সুন্দৰ নাক, মুখ, চকু, চুলি, গাৰ গঠন আৰু হাত ভৰিৰে সৈতে কি অপূৰ্ব এজনী ধুনীয়া ছোৱালী। তাইৰ মাত-কথাবোৰও ইমান মিঠা আৰু মৰম লগা। অ'লী ৰজৰেলৰ কথাবোৰ ভাবি থাকোঁতে তাৰ অন্য ধৰণৰ কিছুমান বেয়া চিন্তাও মনলৈ নহাকৈ থকা নাছিল। সিটো ছোৱালী বুলিলে কালসৰ্পৰ দৰে ভয় কৰে; তেন্তে কিবা কু-অভিপ্ৰায় লৈয়েই প্ৰতিষ্ঠানটোৱে তাইক নিয়োগ কৰিছে নেকি ? ওহো, মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনটো আমেৰিকাৰ এটা শীৰ্ষস্থানীয় ঔদ্যোগিক প্ৰতিষ্ঠান। সি যোৱা এঘাৰ বছৰ ধৰি সেই অনুষ্ঠানটোৰ লগত জড়িত আছে, কিন্তু কেতিয়াও

একো এটা বেয়া কথা শুনা নাই। মিচ্ অ'লী ৰজৰেলকো কোনো ৰজকৰা ছোৱালী যেন লগা নাই। প্ৰতিষ্ঠানটোৰ এগৰাকী উচ্চ পৰ্য্যায়ৰ জনসম্পৰ্কী বিষয়া। তেওঁ তাইৰ লগত মুকলি মূৰীয়াকৈ কথা-বাৰ্তা হোৱাত তাৰ কিয় অনুশোচনা হ'ব লাগে। তাই সোধা প্ৰশ্নবোৰৰ সি পোনপটীয়া উত্তৰ দিছে। সিটো অন্তৰত কপট্ ৰাখি কথা সাজি ক'ব নেজানেই। সকৰে পৰা তেনেকৈ কথা ক'বলৈ শিকাও নাই। আমেৰিকালৈ আহিবৰে পৰা সি দেখিছে যে সৰহভাগ মানুহেই পোনপটীয়া আৰু এখন খোলা অন্তৰৰে ভাৱৰ আদান-প্ৰদান কৰে। অ'লী ৰজৰেলৰ দৰে এজনী ঋজুতাসম্পন্ন ছোৱালীৰ পৰা শঙ্কা কৰাৰ কোনো কাৰণ নাই বুলি আশ্বস্ত হৈ শান্তিৰেই টোপনি গ'ল।

হোটেল যেনিথ্ ইণ্টাৰনেচনেলত অবিনাশৰ ইতিমধ্যে কেবা দিনো পাৰ হৈ গ'ল। পুৱা, গধূলি অ'লীৰ তত্বাৱধানত সাঁতোৰ শিকা, জখলাই দি বগাই গৈ ওপৰৰ পৰা চুইমিং পুলৰ পানীত ডাইভ কৰা, আবেলি দুই এক চেট্ টেনিচ খেলা আৰু তাৰ মাজতে সময় পালে বিলিয়াৰ্ড আদি প্ৰাণ জয় হোৱা ক্ৰীড়াবোৰৰ মাজত তাৰ দিনবোৰ কেনি পাৰ হৈ গৈছিল সি গমকে নেপালে। মাজে মাজে মাথো ভাবিছিল পৃথিবীত ইমানবোৰ আমোদ-প্ৰমোদ আৰু উপভোগৰ সামগ্ৰী থাকোঁতে সি তাৰ যৌৱন কালটো গৱেষণাগাৰৰ মাজতে আৱদ্ধ ৰাখি ভুলেই কৰিলে নেকি ? পিছ মুহূৰ্ততে ভাবে, নাই আনৰ জীৱনৰ লগত সি নিজকে ৰিজাব নোৱাৰে ; তাৰ জীৱনৰ উদ্দেশ্য বেলেগ। আবিষ্কাৰৰ সন্ধানত থকা সি এজন তপস্যাৰত বিজ্ঞানী। সেই সাধনাত বাধাৰ সৃষ্টি কৰা কোনো কামলৈ সি মন মেলিব নোৱাৰে। আৰু কেইদিনমান পিছতেই মেনেজিং ডাইৰেক্টৰৰ লগত চুক্তিৰ ম্যাদ বৃদ্ধিৰ বিষয়ে আলোচনা হ'ব। সেই দিনটো আহি নপৰা পৰ্য্যন্ত ড° অবিনাশ বৰুৱাই হোটেল যেনিথ্ ইণ্টাৰনেচনেল এৰি যোৱাৰ কোনো প্ৰশ্নই নুঠে। এইখিনি ড° অবিনাশ বৰুৱাৰ অৱসৰ বিনোদনৰ সময়। বিৰক্তিপূৰ্ণ বাজে চিন্তা কৰি এই সময়খিনি তেওঁ নষ্ট কৰিব নোখোজে।

এদিন সাঁতোৰৰ সাজটো পিন্ধি অবিনাশে পানীত নামিবলৈ সাজু হৈছে, ঠিক তেনেতে অ'লী ৰজৰেলে ক'লে "আপোনাৰ দৰে ধুনীয়া মানুহ কিন্তু মই বৰ কম দেখিছো। যিকোনো ছোৱালীয়েই আপোনাৰ প্ৰেমত পৰিবলৈ হাবাথুৰি খাব।" অবিনাশ বৰুৱাই হা-হা কৰি হাঁহি পানীত জাপ দিলে। সাঁতুৰি-নাদুৰি দুয়ো আহি হোটেলৰ ড্ৰইংৰুমত বহি থাকোঁতে, অবিনাশ বৰুৱাই সুধিলে "মই অথনি কিয় হাঁহিছিলো জানা ? মোৰ অতিপাত খং উঠিলেই সেইদৰে হাঁহো। মই কলেজত পঢ়ি থকাৰ দিনত, অথনি তুমি কৰাৰ দৰে, মোক লৈ, কোনোবাই ঠাট্টা কৰিলে, খং উঠাৰ ঠাইত মোৰ হাঁহিহে উঠিছিল। তোমাৰ ওপৰত মোৰ

প্ৰতিশোধ ল'বৰ মন গৈছিল ।'

'প্ৰতিশোধ নল'লে কিয় ? সমান সমান হ'লহেঁতেন,' তাই ক'লে ।

অ'লী, তোমাৰ দৰেও ধুনীয়া ছোৱালী মই আগতে দেখা নাই, বুলি ক'ব খুজিও শেষ মুহূৰ্তত সি বাক্যটো অতি কষ্টৰে সম্বৰণ কৰিবলৈ সক্ষম হ'ল । নাই, ইমান পাতল কথা ক'ব নোৱাৰি, মনতে ভাবিলে ।

ইয়াৰ ভিতৰতে এদিন অ'লী ৰজৱেলৰ জন্মদিন আহি পৰিল । তাইৰ জন্মদিন উপলক্ষে ড° অবিনাশ বৰুৱাক নিমন্ত্ৰণ কৰিলে তাক তেখেত যাবনে, অ'লী ৰজৱেলে ভাবিলে । নিমন্ত্ৰণ কৰো-নকৰো বুলি চিন্তা কৰি, অৱশেষত নিমন্ত্ৰণ কৰাটোকে ঠিৰাং কৰি ড° অবিনাশ বৰুৱাক ক'লে 'মোৰ জন্মদিন উপলক্ষে মই কালিলৈ কামৰ পৰা ছুটি লৈছো । জন্মদিনটো আহিলে মোৰ বৰ ভাল লাগে । আপোনাৰ লাগেনে বাৰু ?'

অবিনাশ বৰুৱাই ক'লে 'জন্মদিনটো জনা হ'লে, মোৰো নিশ্চয় বৰ ভাল লাগিলহেঁতেন ।'

তাই অবাক হৈ সুধিলে 'আপুনি নিজৰ জন্মদিনটোৰ কথাও নেজানে ?'

'ওহো,- সঠিক দিনটো নেজানো, মাত্ৰ জানো মোৰ জন্ম চেপ্তেম্বৰ মাহত । মোৰ মা-দেউতা মই একেবাৰে সৰু থাকোঁতেই ঢুকাইছে । মোৰ মামা আৰু মামীয়ে মোক তুলি-তালি ডাঙৰ কৰে । তেওঁলোকেই মোৰ মা-দেউতাৰ দৰে ।'

'আপোনাক তেনেহ'লে 'অৰফেন' বুলি ক'ব পাৰি ।'

'মোক 'অৰফেন' বুলি ক'লে মামা-মামীক অপমান কৰা হ'ব অ'লী ।

মোমায়েক-মামীয়েকে কিদৰে তাক মৰম-সাদৰেৰে তুলি-তালি ডাঙৰ-দীঘল কৰি বিদেশলৈ পঠাইছে, সেই বিষয়ে থুল-মূলকৈ কিছু কথা সি ক'লে ।

মিচ্ ৰজৱেলে চাবলৈ ইচ্ছা কৰাত, মোমায়েক-মামীয়েকৰ ফ'টো এখন বাকচৰ পৰা উলিয়াই অ'নি দেখুৱালেহি । তেখেত সকল আমেৰিকালৈ আহি ফুৰি চাকি যোৱাৰ কথাও ক'লে ।

মিচ্ অ'লী ৰজৱেলে ক'লে 'তেখেতসকলক দেখা পোৱা হ'লে মই বৰ আনন্দ পালোহেঁতেন । বাৰু মোৰ জন্মদিন উপলক্ষে, আমাৰ ঘৰলৈ, আপোনাক নিমন্ত্ৰণ কৰিলে আপুনি গ্ৰহণ কৰিবনে ?'

অবিনাশ বৰুৱাই ক'লে 'নগ'লে জানো তুমি ভাল পাবা ?'

ঠিক আছে তেন্তে, কালিলৈ আবেলি চাৰে পাঁচ মান বজাত ড্ৰাইভাৰে আপোনাক আমাৰ ঘৰলৈ লৈ যাবহি । আমাৰ ঘৰলৈ আহিবই যেতিয়া আমাৰ পৰিয়ালটোৰ বিষয়ে কিছু কথা আপোনাক জনাই থওঁ । আমাৰ দেউতাৰ উপৰি পুৰুষজন অতীজতে গ্ৰীচ দেশৰ পৰা অহা । ১৭৭৬ চনৰ স্বাধীনতাৰ যুঁজত

তেখেতে প্ৰাণ আহুতি দিব লগা হ'ল। আমাৰ মাইতৰ পৰিয়াল ইটালিৰ। দেউতা এখন কলেজৰ ইংৰাজী শিক্ষক। চাখা-চিখা ধৰণৰ মানুহ। আপোনাৰ লগত বহুত কথাত মিল মই দেখা পাওঁ। মোৰ ভনীজনীয়ে ডিগ্ৰী পঢ়ি আছে। নাম এভী। পঢ়া-শুনাত তাই মোৰ দৰে গাধা নহয়, বেছ ভাল বুলিয়েই নাম আছে। মোৰ পঢ়া-শুনাত সিমান মন নথকাৰ কাৰণে মা-দেউতাৰ মনতো বেজাৰ। মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনৰ সংবাদ আৰু জনসম্পৰ্কৰক্ষী বিষয়াৰ কাম এটা পায় সোমাই পৰিলো। বিভিন্ন দেশৰ বিভিন্ন ধৰণৰ মানুহক লগ পাই ভাল পাওঁ। তেখেতসকলে যাতে আমাৰ প্ৰতিষ্ঠানটোৰ বিষয়ে এটা ভাল ভাব কঢ়িয়াই লৈ যায় তাৰ কাৰণে সদায় যতপৰোনাস্তি চেষ্টা কৰো। মোৰ পঢ়া-শুনাত সিমান ব্যুৎপত্তি নেথাকিলেও, সৰুৱেই হওঁক বা ডাঙৰেই হওঁক, যিকোনো এটা কাৰ্য হাতত ল'লে তাৰ সম্পূৰ্ণ দায়িত্ব লৈ গুৰুত্ব সহকাৰে পালন কৰো বাবে মোৰ পিতৃ-মাতৃয়ে মোক আদৰ কৰে। তেখেতসকলৰ দৰে মেনেজিং ডাইৰেক্টৰেও মোৰ ওপৰত সম্পূৰ্ণ আস্থা থকাৰ কাৰণেই আমাৰ সম্বাদ আৰু জনসম্পৰ্কী বিভাগৰ যিকোনো দায়িত্বপূৰ্ণ কামেই মোক অৰ্পণ কৰিবলৈ পালে তেখেতসকল নিশ্চিন্ত হয়। ভালকৈ চালি-জাৰি চাই কোনো এটা কাম সম্ভৱ যেন পালে, সেই কামটো কৃতকাৰ্য্যতাৰে সম্পন্ন নকৰালৈকে মই ক্ষান্ত নাথাকো।'

কথাখিনি শেষ কৰি তাই ক্ষন্তেক ৰ'ল। কালিলৈ চাৰে পাঁচ বজাত, ড্ৰাইভাৰে আপোনাক আমাৰ ঘৰলৈ নিবৰ কাৰেণে, গাড়ী সাজু কৰি থব। আমাক নিৰাশ নকৰে নিশ্চয়। মা-দেউতা আৰু ভনীজনীয়ে আপোনাক লগ পাবৰ কাৰণে বৰ উৎসুক হৈ আছে।

পিছদিনা ছয়মান বজাত অবিনাশ বৰুৱা ৩২ নম্বৰ ৰেচ্‌কোৰ্চ ষ্ট্ৰীটেৰে আহি প্ৰফেচাৰ ৰবাৰ্ট ৰজৰেলৰ ঘৰ পালেহি। এটা কটেজ আকাৰৰ ঘৰ, আগত এখন সৰু ফুলনি। গাড়ীখন গৈ পোৱাৰ লগে লগেই মাক, দেউতাক, অ'লী ৰজৰেল আৰু ভনীয়েক এভীয়ে গেটৰ মুখৰ পৰা তেওঁক আগবঢ়াই নিবলৈ আহিল। ডঃ অবিনাশ বৰুৱাই প্ৰফেচাৰ ৰবাৰ্টৰ পিনে হাতখন আগবঢ়াই দি ক'লে– 'গ্লেড্ টু মিট্ ইউ। হাও ডু ইউ ডু।'

প্ৰফেচাৰ ৰবাৰ্টৰ বয়স পঞ্চাশ বছৰমান হ'ব। মাক তেওঁতকৈ ছয় সাত বছৰমানৰ সৰু যেন অনুমান হ'ল। দেখাত দুয়ো বেচ ধুনীয়া। ভনীয়েক এভী কিন্তু অ'লীৰ সমান ধুনীয়া নহয়। অ'লীয়ে ডঃ অবিনাশ বৰুৱাক মাক আৰু ভনীয়েকৰ লগতো চিনাকি কৰি দিলে।

ডঃ অবিনাশ বৰুৱা গৈ পোৱাৰ কিছু পৰৰ পিছতেই জন্মদিন উৎসৱৰ আৰম্ভণি হ'ল। এখন টেবুলৰ ওপৰত ধুনীয়াকৈ ফুলকাটি আইচিং কৰা এটা

প্ৰকাণ্ড কেক্‌ টেবুলৰ ওপৰত থকা ফুলডানিবোৰত ফুলে জকমকাই আছিল। কেক্‌টোৰ ওপৰত তেইশডাল জ্বলি থকা মম মিচ্‌ অ'লী বজৰেলে ফুমাৰি নুমাই জন্মদিন উৎসৱৰ শুভাৰম্ভ কৰিলে। লগে লগেই জন্মদিনত খাপখোৱাকৈ সমবেত গীত আৰম্ভ হ'ল। আনৰ লগতে অবিনাশ বৰুৱাও সমবেত গীতটোত যোগ দিলে।কফি, কেক্‌ আৰু বিভিন্ন ধৰণৰ সু-স্বাদু খাদ্য বিতৰণ কৰিলে। অ'লীয়ে আন আন অভ্যাগত অতিথি সকলৰ লগতো ডঃ অবিনাশ বৰুৱাক পৰিচয় কৰাই দিলে। অবিনাশে জন্মদিন উপলক্ষে নিয়া উপহাৰটো অ'লী বজৰেলৰ হাতত তুলি দি ক'লে 'পেকেটটোৰ ভিতৰত এখন চিঠিও আছে।'

অ'লীৰ দেউতাক ৰবাৰ্ট বজৰেলে আন্তৰ্জাতিক ৰাজনীতিৰ পৰা আৰম্ভ কৰি সাহিত্য, কলা আৰু বিজ্ঞানে মানৱজাতিৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়েও আলোচনা কৰিলে। মিচেচ্‌ ৰবাৰ্ট আহি মাত লগালেহি 'ডঃ বৰুৱা আমাৰ ছোৱালী অ'লীয়ে আপোনাৰ ইমান গুণানুকীৰ্ত্তন কৰি থাকে যে আমি আপোনাক লগ পোৱাৰ কাৰণে বৰ ব্যগ্ৰ হৈ আছিলো। আজি দেখা হৈ বৰ ভাল পালো। ভাৰতীয় সকল কিমান ভাল আৰু উচ্চমনৰ সেই কথা তাই আপোনাক লগ পোৱাৰ পিছৰে পৰা কৈয়েই আছে। তাই আপোনাক গান্ধীৰ দেশৰ বিজ্ঞানী বুলিহে আমাৰ আগত চিনাকি দিয়ে।'

ডঃ অবিনাশ বৰুৱাক অসমীয়া গীত এটা গাবলৈ সকলোৱে অনুৰোধ কৰাত উপায়হীন হৈ গীতাৰ এখন লৈ জ্যোতি প্ৰসাদ আগৰৱালাৰ গীতৰ সুৰ এটা তুলি বজাবলগীয়া হ'ল। গীতৰ সুৰটো বজোৱা শেষ হলত সকলোৱে হাত চাপৰি দিয়াত ডঃ অবিনাশ বৰুৱাৰ লাজত কাণ-মূৰ ৰঙা পৰি গ'ল।

জন্মদিন উৎসৱ শেষ হোৱাত ৰাতি প্ৰায় নমান বজাত অবিনাশ বৰুৱা আহি হোটেল পালেহি।

জন্মদিন বুলি ডঃ অবিনাশ বৰুৱাই উপহাৰ দিয়া পাতৰ বিহা মেখেলাজোৰ পিন্ধি, অ'লী বজৰেল, পিছদিনা পুৱা ন মান বজাত আহি হোটেল পায়েই, আন দিনাৰ দৰেই, ডঃ অবিনাশ বৰুৱাক অভিবাদন জনালেহি। ডঃ অবিনাশ বৰুৱাই তেতিয়া গা-পা ধুই ড্ৰইং ৰূমত বহি বাতৰি কাকত এখন চাই আছিল। তেওঁ মূৰ তুলি চাই মেখেলা চাদৰ পিন্ধা বজৰেলক দেখি অবাক হ'ল।

তাই সুধিলে 'মোক কেনে দেখিছে বাৰু?' ডঃ বৰুৱাই উত্তৰ দিলে 'অপূৰ্ব সুন্দৰ দেখা গৈছে।'

'আপোনালোকৰ অসমত কইনা হ'লে এনেকুৱা পোছাকেই পিন্ধেনেকি?'

ডঃ বৰুৱাই ক'লে 'এনেকুৱাই, কিন্তু, ইয়াতকৈ আৰু বেছি ফুলাম আৰু জকমকীয়া। ইয়াৰ উপৰিও কইনাৰ মূৰত এখন ওৰণিও থাকে।'

অ'লী ৰজ্জয়েলে ক'লে 'ওৰণিখন কেনেকৈ লয় মোক দেখুৱাই দিবনে ?'

অবিনাশ বৰুৱাই লাজ কৰি থমকি ৰোৱাত তাই ক'লে 'অ, মই বুজিছো, আপুনি লাজ কৰিছে।' তাই নিজেই ওৰণিখন লবলৈ কেবাবাৰো চেষ্টা কৰিও নোৱাৰাত অবিনাশ বৰুৱাই সঙ্কোচ কাটি কৰি খৈ তাই ওৰণিখন ঠিক কৰি দিলে। আইনাখনৰ সন্মুখলৈ গৈ তাই নিজকে এবাৰ চাই ক'লে 'ডঃ বৰুৱা, এতিয়া মোৰ ফ'টো এখন লওঁকচোন বাৰু'। ডঃ অবিনাশ বৰুৱাই কেমেৰাটো লৈ কেবাখনো ফ'টো ল'লে।

'মই ৰিহা মেখেলাজোৰ পিন্ধোতে, এবাৰ আপুনি দিয়া ৰিহা মেখেলা পিন্ধা ছোৱালী জনীৰ ফ'টোখনলৈ চাও, আকৌ সিবাৰ আপুনি চিঠিত লিখা নিৰ্দ্দেশনাটো পঢ়ো। মোৰ কামলৈ অহা দেৰি হোৱা দেখি ভনীজনী আহি সহায় কৰি দিয়াতহে কোনোমতে আহি ওলাইছোহি। বাৰু কওঁকচোন, আপুনি এই অসমীয়া কাপোৰ সাজ ক'ত পালে।'

ডঃ অবিনাশ বৰুৱাই ক'লে 'এই সাজ কাপোৰ মোৰ মামীয়ে নিজ হাতে বোৱা। মই ঘৰলৈ গ'লে, বা কোনোবা চিনাকি মানুহ অসমলৈ গ'লে, আমাৰ নিজৰ ঠাইৰ চিন থকা দুই এটা বস্তু আনিবলৈ দিওঁ। তেনেকুৱা দুই এপদ বস্তু মোৰ লগতে থাকে। কেতিয়াবা নিজৰ বন্ধু-বান্ধৱক উপহাৰ দি ভাল পাওঁ। মামীয়ে বোৱা অসমীয়া কাপোৰৰ বিদেশতো সমাদৰ আছে বুলি জানিলে, তেখেতেও মনত ৰং পায়।'

অ'লী ৰজ্জয়েলে ক'লে 'এইযোৰতকৈও বেছি জকমকীয়া এযোৰ কাপোৰ ব'বলৈ আপোনাৰ মামীলৈ অনুৰোধ জনাবনে ? মোৰ ভনীজনীকো কাপোৰ এযোৰ লাগে। তাইও বোলে বৰ ভাল দেখিছে। যি খৰছ পৰে দিম।'

এনেতে ব্ৰেক্‌ফাষ্ট অহাত তাই চাহ বাকীবলৈ আগবাঢ়ি গ'ল। প্লেটত ব্ৰেকফাষ্ট সজাই থাকোতেই তাইৰ, ডঃ অবিনাশ বৰুৱাক কিবা কথা সুধিবৰ মন গ'ল।

'আপোনালোকৰ অসমত মাইকী মানুহে হাতে বোৱা কাপোৰহে পিন্ধে নেকি ?'

ডঃ বৰুৱাই উত্তৰত ক'লে 'আমাৰ গাওঁৰ প্ৰায়বোৰ মানুহৰ ঘৰতে তাঁত শাল আছে। মাইকী মানুহবোৰে নিজৰ কাপোৰ নিজেই বৈ লয়।'

'মোৰ এবাৰ ভাৰতবৰ্ষখন চাবৰ বৰ কৌতুহল হৈছে। এখন বৰ আচৰিত দেশ বুলি শুনিছো। বাৰু আপুনিতো ভাৰতবৰ্ষ আৰু আমেৰিকা দুয়োখন দেশৰ কথাই ভালকৈ জানিছে; আপোনাৰ চকুত পৰা পাৰ্থক্যবোৰ মোক ফঁহিয়াই ক'বনে ? মোৰ জানিবলৈ বৰ ইচ্ছা হৈছে।'

কিছুপৰ চিন্তা কৰি অবিনাশে কবলৈ আৰম্ভ কৰিলে— গাৰ বৰণ ক'লাই

হওঁক বা বগাই হওঁক; পূৱৰেই হওঁক বা পশ্চিমৰেই হওঁক, মানুহ মূলতে একেই। পৰিস্থিতি, পৰিবেশ আৰু সাংস্কৃতিক পৰম্পৰাৰ ওপৰতেই মানুহৰ আচাৰ ব্যৱহাৰ বহুখিনি নিৰ্ভৰ কৰে। আমাৰ দেশৰ কলা সংস্কৃতি আৰু পৰম্পৰা আমেৰিকাৰ লগত নিমিলে; গতিকেই কিছুমান বাহ্যিক পাৰ্থক্য দেখা পোৱা যায়। যি কোনো জাতিয়েই হওঁক লাগে, মানুহৰ হৃদয়বোৰ বিশ্লেষণ কৰিলে কিন্তু সেই একেই অন্তৰ্নিহিত মানৱতাৰ সুৰ বাজি থকা দেখবিলৈ পোৱা যায়। এইটো সঁচা কথা যে ভাৰতবৰ্ষৰ মানুহে এতিয়াও কিছুমান যুক্তি নোহোৱা আওপুৰণি কথা ধৰি আছে। কেৱল যুক্তিৰ ওপৰতে নিৰ্ভৰ কৰি আমূল সামাজিক পৰিবৰ্তন আনিবলৈ দিধাবোধ কৰে। মোৰ ভাৱ হয় যে কেৱল যুক্তিৰ ওপৰতে নিৰ্ভৰ কৰি চলিবলৈ হ'লে মানুহ মেচিনৰ দৰে নিৰ্জীৱ হৈ পৰিব। যুক্তি আৰু আবেগ আকৌ দুয়োটা বিপৰীত মুখী শক্তি, এই দুই শক্তিয়ে মানুহক প্ৰতি মুহূৰ্ত্তে টনা আজোৰা কৰি থাকে; কিন্তু এই দুয়োটাৰে মাজত ভাৰসাম্য বজাই ৰাখি আগবাঢ়ি যাব পৰাটোৱেই প্ৰকৃত সংস্কৃতি বা সভ্যতা বুলি মই ভাবো। আমেৰিকা অথবা আন আন পশ্চিমীয়া দেশ ইমানেই যুক্তিবাদী হৈ আহিছে যে নিজৰ পুত্ৰইও পিতৃ-মাতৃৰ চিনাকি দিবৰ আৱশ্যকবোধ নকৰা হৈছে। ল'ৰা-ছোৱালী ডাঙৰ হোৱাৰ লগে লগেই পিতৃমাতৃক আলহীৰ দৰে আচৰণ কৰিবলৈ শিকিছে। পশ্চিমীয়া কিতাপ পত্ৰ, ভিডিঅ' টেলিভিশ্বন, চিনেমা আৰু যাতায়তৰ উন্নত ব্যৱস্থাই ভাৰতবৰ্ষৰ মানুহৰ ওপৰতো পশ্চিমীয়া সভ্যতাৰ ছাঁ পেলাবলৈ লৈছে। চকু বন্ধ কৰি ভাৰতীয় মানুহেও পশ্চিমীয়া ধৰণ কৰণ গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে। মানৱ সভ্যতাৰ পম খেদি আমি দেখা পাওঁ যে, অতীজতে মানুহ একোটা গোট হৈ একেখন ঠাইতে বসবাস কৰিছিল। তেওঁলোকৰ আয়ত্বত থকা সকলো বস্তুৰ ওপৰত উমৈহতীয়া স্বত্ব আছিল। কিন্তু কালক্ৰমত সেই ব্যৱস্থাৰ ৰূপান্তৰ হৈ যুক্ত পৰিয়ালৰ গঠন হয়। যুক্ত পৰিয়ালো ভাগি কেৱল পিতা-মাতা, পুত্ৰ-পুত্ৰীলৈ একোটা ক্ষুদ্ৰ পৰিয়ালৰ গঠন হয়। পিছে সভ্যতাৰ এনে এটা যুগ আহি পৰিছে যে নিজৰ পুত্ৰইও পিতৃ-মাতৃৰ লগত একেলগে থকাৰ যুক্তি বিচাৰি নোপোৱা হৈছে। মানুহে চিনি পাবলৈ লৈছে মাত্ৰ 'মই আৰু বৰ্তমান।' যদি মানৱ সভ্যতাই কেৱল এনেবোৰ যুক্তিৰ ওপৰতেই নিৰ্ভৰ কৰি আগবাঢ়িব খোজে তেন্তে মোৰ ভয় হয় যে এদিন স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ অৰ্থও মাথোন অভিধানতহে বিচাৰিব লাগিব।'

ডঃ অবিনাশ বৰুৱাই অতি নিষ্ঠাৰে কোৱা কথাখিনি মিচ্ অ'লী বজৰেলে মনোযোগেৰে শুনি আছিল।

কটি এখনত মাখন আৰু মাৰ্মালেড লগাই গৰম চাহ একাপেৰে সৈতে

ড° বৰুৱাই আগবঢ়াই দি ক'লে 'আপুনি দেখিছো দুয়োখন দেশৰ কথাবোৰ পুংখানুপুংখে লক্ষ্য কৰি আহিছে ।'

অবিনাশ বৰুৱাই ক'লে 'নিজে নিজেই পাৰ্থক্যবোৰ চকুত পৰি যায় ।'

অ'লী ৰজৰেলে সুধিলে 'আপুনি বাৰু আমেৰিকাত থাকি কেনে পাইছে ।' ড° বৰুৱাই ক'লে 'যিখন দেশত মই শিক্ষা লাভ কৰিবলৈ আহিছো, সেইখন দেশ জানো মই বেয়া পাব পাৰো ; তাৰোপৰি আমেৰিকা হ'ল, ইমাৰচন, বেঞ্জামিন ফ্ৰেঙ্কলীন আৰু টমাচ্ আলভা এডিচনৰ দৰে মহান পুৰুষসকলে জন্মগ্ৰহণ কৰা এখন আশ্চৰ্যজনক দেশ ।'

তাই উপদেশৰ সুৰত ক'লে 'যদি ভালেই পাইছে, তেন্তে আমাৰ কৰপৰেচনটো এৰি গুচি যাব খুজিছে কিয় ?

ড° অবিনাশ বৰুৱাই উত্তৰ দিলে 'আমেৰিকালৈ অহাৰ উদ্দেশ্য মোৰ এতিয়াও পূৰণ হোৱা নাই ; কোনোবা এখন বিশ্ববিদ্যালয়ত গৈ শিক্ষকতা কৰাৰ লগতে মোৰ নিজৰবৰীয়াকৈ কোনো এটা বিষয়ত গৱেষণা কৰিবৰ মন আছে । নিজে উদ্ভাৱন কৰা কিবা এটা কৌশল আহৰণ কৰি নিজ দেশলৈ উভতিব পাৰিলে মই আমেৰিকাত ইমান কেইটা বছৰ থকাৰ সাৰ্থক হ'ব বুলি ভাবো । অকল ধন ঘটিবলৈকে মই বিদেশলৈ অহা নাই, মিচ্ অ'লী ৰজৰেল । মডাৰ্ণ মেচিন টুলচৰ লগত আকৌ চুক্তি এখনত সোমাই পৰিলে মোৰ সেই উদ্দেশ্য পূৰণ নহ'ব । তাৰোপৰি চুক্তিত বান্ধ খাই থাকিলে মোৰ যেতিয়াই ইচ্ছা তেতিয়াই দেশলৈ ঘূৰি যোৱাৰ স্বাধীনতাকনো হেৰুৱাব লাগিব । মুকলিমূৰীয়াকৈ থাকি মই গৱেষণাত মনোনিবেশ কৰিব খোজো ; আৰু কিবা এটা সাফল্য লাভ কৰিলেই দেশলৈ উভতি যাম । মোৰ জীৱনৰ সময়বোৰ টুটী আহিছে । তুমি বোধহয় নেজানা যে মোৰ আমেৰিকাত ইতিমধ্যে এঘাৰ বছৰ হ'ল । সোণৰ সজাত থাকিও জানো চৰাইবোৰে ভাল পায় ।'

মিচ্ ৰজৰেলে ক'লে 'আপুনি ঠিকেই কৈছে ড° বৰুৱা, কিন্তু আমাৰ ব্যৱস্থাপনা পৰিষদে হ'লে এই বিষয়ে বৰ চিন্তিত হৈ পৰিছে । আপোনাৰ দৰে এজন প্ৰতিভাসম্পন্ন বিজ্ঞানী হেৰুৱাব লগা হ'লে প্ৰতিষ্ঠানটোৰ ভাৱমূৰ্তি হ্ৰাস পায় বহু ধৰণৰ বিপৰ্য্যয় আহি পৰাৰ আশংকা আছে । আপোনাক লৈ প্ৰতিষ্ঠানৰ সকলোৱে গৌৰৱবোধ কৰে । পুনৰ আপোনাৰ লগত আলোচনা কৰিবৰ কাৰণে আমাৰ মেনেজিং ডাইৰেক্টৰ কেইদিনমানৰ ভিতৰতে ইয়ালৈ আহিব বুলি শুনিছো ।

কিছুসময় ৰৈ অবিনাশে ক'লে যে সি দেশলৈ সোনকালে ঘূৰি যোৱাৰ আন এটা কাৰণো আছে । মোমায়েক-মামীয়েকে অতিশীঘ্ৰে তাৰ বিয়া পাতিব খোজে আৰু সেই কাৰণে ছোৱালীও চোৱা-চিতা কৰিছে । মিচ্ ৰজৰেলে আচৰিত হৈ

সুধিলে 'ড° বৰুৱা, বিয়া আপুনিহে কৰিব তেন্তে তেখেতসকলে চাইছে কিয় ?' উত্তৰত অবিনাশ বৰুৱাই ক'লে যে পশ্চিমীয়া যুক্তিবাদী দৃষ্টিৰে চালে সেই ব্যৱস্থাটো সম্পূৰ্ণ ভুল বুলিয়েই ক'ব লাগিব। তথাপিও, কিন্তু দেখা যায় যে তুলনামূলক হিচাবে পশ্চিমীয়া দেশত বিবাহ-বিচ্ছেদৰ সংখ্যা বেছি।'

মিচ্ ৰজৱেলে সুধিলে 'আপুনি তেন্তে ভাবে নেকি যে স্ত্ৰী-পুৰুষৰ অবাধ মিলনেই এই সামাজিক ব্যাধিটোৰ ঘাঁহি কাৰণ।'

ড° বৰুৱাই ক'লে 'সাধাৰণ চকুত তেনে যেনেই লাগে, কিন্তু যৌন আবেগক বাধা দি ৰখাটোও এটা সাধাৰণ কথা নহয়। অসম্ভৱ যেনেই লাগে।'

তাই ক'লে 'কিন্তু আপুনি সেই অসম্ভৱো সম্ভৱ কৰিব পাৰিছে।'

ড° অবিনাশ বৰুৱাই কিছু ত্যক্ততাৰ সুৰত ক'লে, 'কোনে ক'লে মই পাৰিছো বুলি। তেনে মানুহ পৃথিবীত জন্ম হৈছে বুলি মোৰ মনে নধৰে। আনকি আমাৰ ধৰ্মপুথিত তপস্যাৰত অৱস্থাত থকা ঋষি-মুনিসকলৰো নাৰীৰ দ্বাৰাই ধ্যান ভঙ্গ কৰাৰ বহুতো দৃষ্টান্ত আছে। মিচ্ অ'লী ৰজৱেল, আডাম আৰু ঈভৰ নিষিদ্ধ আপেলৰ গল্পটো জানো তুমি নেজানা। মইয়ো সেই আডাম আৰু ঈভৰ বংশধৰ। তুমি মোৰ প্ৰতি ভুল ধাৰণা লৈ আছা।'

মিচ্ অ'লী ৰজৱেলে কিছু উষ্মা মিহলি কণ্ঠেৰে ক'লে, 'মই নিজ চকুৰে দেখিছো আপুনি মানুহৰ সেই স্বভাৱগত প্ৰবৃত্তিবোৰ সংযম কৰিব পাৰিছে। সেই কথা আপোনাক লগ পোৱাৰ দিন ধৰি মই সুক্ষ্মভাবে লক্ষ্য কৰি আহিছো। আজি দহ বাৰ দিন আপোনাৰ লগত টেনিচ্ খেলিছো, গাত গা লগাই আপোনাক বিলিয়াৰ্ডৰ ষ্ট্ৰ'ক কৰিবলৈ শিকাইছো, চুইমিংপুলত সাতুৰিছো, ফুলনিত ফুৰিছো, একেলগে হোটেলৰ নিৰ্জন কোঠাত খোৱা-বোৱা কৰিছো, আপোনাৰ একেবাৰে ছাঁটোৰ দৰে গাত লাগি আছো, কিন্তু ক'তা মইতো আপোনাক কেতিয়াও চঞ্চল হোৱা দেখা পোৱা নাই। মোক কওক আপুনি কেনেকৈ সেই অসম্ভৱকো সম্ভৱ কৰিব পাৰিছে ? আপুনি কিয় নাৰীৰ পৰা আঁতৰত থাকিবলৈ বিচাৰে ? আপুনি মানুহ নে দেৱতা ?'

ড° অবিনাশ বৰুৱাৰ মুখমণ্ডলৰ পৰা অ'লী ৰজৱেলে অনুমান কৰিব পাৰিলে যে তেওঁ আৰু সেই বিষয়ে আলোচনা কৰিব নোখোজে। তেওঁৰ মনটো বিষন্ন হৈ পৰা তাই দেখিবলৈ পালে।

ক্ষন্তেক পাছতে ড° অবিনাশ বৰুৱাই ক'লে 'মিচ্ ৰজৱেল, আজি মোৰ সাগৰৰ পাৰতহে ফুৰিবলৈ মন গৈছে। মন ভাৰাক্ৰান্ত হৈ পৰিলে দিগন্তত বিলীন হৈ যোৱা বিস্তীৰ্ণ সাগৰ দেখিলে মোৰ মনটো পাতল লাগে; মানৱ জীৱনৰ প্ৰকৃত উদ্দেশ্যৰ বিষয়ে কিঞ্চিৎ হ'লেও উপলব্ধি হয়। ড° অবিনাশ বৰুৱা আৰু অ'লী ৰজৱেলে সেইদিনা গোটেই দিনটো সাগৰৰ পাৰতে কটাই

বেলি অন্ত যোৱাৰ লগে লগেই আকৌ হোটেললৈ উভতিল। অবিনাশে এম, এচ, চি পৰীক্ষা দি উঠি মোমায়েক-মামীয়েকৰ লগত তীৰ্থ কৰিবলৈ যোৱাৰ দিনবোৰৰ সোঁৱৰণে অতীতৰ বুকুত লীন যাব খোজা বহুতো পুৰণি স্মৃতিয়ে সাগৰৰ ঢৌৰ দৰে জোৱাৰ তুলি ড° অবিনাশ বৰুৱাৰ মনত খলকনি তুলিবলৈ ধৰিলে। হোটেল পোৱাৰ পাছতো ড° অবিনাশ বৰুৱা সেইদিনা কিবা ভাবত নিমগ্ন থকালৈ লক্ষ্য কৰি অ'লী ৰ'জৰেলে আন দিনৰ দৰে মুকলি মনেৰে কথা বতৰাৰ অৱতাৰণা কৰাৰ পৰা নিজকে সযতনে, বিৰত ৰাখিলে।

চাওঁতে চাওঁতে ড° অবিনাশ বৰুৱাৰ হোটেল যেনিথ্ ইন্টাৰনেচনেলত বাৰ দিন উকলি তেৰ দিনত ভৰি দিলেহি। আন দিনৰ দৰে সেইদিনা আবেলি হোৱাৰ লগে লগেই দুয়ো আহি চুইমিংপুল পালেহি। মাত্ৰ কেইদিন মানৰ ভিতৰতে নতুন নতুন সাতোঁৰ শিকাৰ উপৰিও, পানীলৈ ডাইভ কৰিব পৰাত কাপোৰ সলাই চুইমিংপুলৰ পানীত নমাৰ লগে লগেই ড° অবিনাশ বৰুৱাৰ মন আনন্দত নাচি উঠিল। মিচ্ অ'লী ৰজৰেলৰ প্ৰচেষ্টা আৰু উৎসাহৰ অবিহনে অবিনাশ বৰুৱাই মাত্ৰ কেইদিনমানৰ ভিতৰতে ন, ন কৌশলেৰে সাঁতোৰ শিকাতো সম্ভৱ নহ'লহেঁতেন। আগদিনা সাগৰৰ পাৰৰ পিনে ফুৰিবলৈ যোৱাত চুইমিংপুললৈ অহা নহ'ল ; গতিকে ৰাতিপুৱাৰে পৰা সন্ধ্যা হ'বৰ পৰলৈ ব্যগ্ৰ হৈ বাট চাই আছিল। নতুন উৎসাহেৰে অবিনাশে সাঁতুৰিবলৈ ধৰিলে। আগদিনাৰ ক্ষতিও যেন সেই দিনাই পূৰণ কৰিব। তেওঁ মনৰ আনন্দত বিভিন্ন ধৰণে সাঁতুৰিছে, ডাইভিং পেডৰ ওপৰৰ পৰা সুন্দৰকৈ পানীত জাপ দিছে। অবিনাশৰ সাফল্যত অ'লী ৰজৰেলে মনৰ আনন্দত হাঁহিছে, হাত চাপৰি মাৰি উৎসাহ দিছে। দুয়ো চৰম আনন্দ উপভোগ কৰিছে। অবিনাশে আকৌ ওপৰৰ পৰা পানীত জাপ দিছে।

'অ'লী চোৱা, এইবাৰ মই একেবাৰে ওপৰ থাপৰ পৰা জাপ মাৰিছো। তুমি মোৰ ফ'টো এখন ল'বা।'

অ'লী ৰজৰেলে তলৰ পৰা চিঞৰি ক'লে 'একেবাৰে ওপৰৰ পৰা আপুনি ডাইভ কৰিব পৰা হোৱা নাই, আৰু কিছুদিন পিছুতহে।'

কিন্তু অবিনাশ বৰুৱাই সম্ভাব্য বিপদক আওকাণ কৰি জাপ মাৰিবলৈ উদ্যত হোৱাত তাই আকৌ প্ৰাণটাকি চিঞৰিলে 'আপুনি তলৰ থাপলৈ নামি আহক, তাৰ পৰা জাপ মাৰিব, মোৰে শপত।'

অবিনাশে তাইৰ উপদেশ উপেক্ষা কৰি সেই ঠাইৰ পৰাই পানীলৈ ডাইভ দিলে। ইমান ওখৰ পৰা জাপ মাৰিব পৰা কৌশল আয়ত্বাধীন নোহোৱাৰ কাৰণে পানীত থেকেচা খাই পৰি ডুব গ'ল। অ'লী ৰজৰেলে দুৰ্ঘটনাটোৰ গুৰুত্ব বুজি নিজেই লগে লগেই পানীত জাপ দি পানীৰ তলত পৰি থকা

অবিনাশৰ নিশ্চল দেহাটোক ওপৰলৈ আনিবলৈ যত্ন কৰিবলৈ ধৰিলে। এহাতেৰে গধূৰ অবিনাশৰ দেহাটো সাৱটি ধৰি তাই কোনোমতেই পানীৰ তলৰ পৰা উঠিব পৰা নাই কেবাবাৰো চেষ্টা কৰি, তাইৰ শৰীৰৰ সৰ্বশক্তি প্ৰয়োগ কৰি এপাকত কিবা এটা কৌশলেৰে অবিনাশ বৰুৱাক ডাঙি আনি পাৰ পোৱালেহি। তেওঁ বেছি পানী খোৱা নাছিল, জলমগ্ন মুমূৰ্ষৰ শ্বাস প্ৰক্ৰিয়া কেনেকৈ কৃত্ৰিম উপায়ে ঘূৰাই আনিব পাৰি সেই কথা অ'লীয়ে জানিছিল। কিন্তু ওপৰৰ পৰা থেকেচা খাই পৰাৰ কাৰণে বুকুত আঘাত পাই হৃদপিণ্ডৰ স্পন্দন বন্ধ হৈ গৈছিল। তাইৰ নিজৰ মুখখন অবিনাশৰ মুখৰ ওপৰত দি প্ৰাণপনে কৃত্ৰিম নিশ্বাস দিবলৈ ধৰিলে আৰু লগে লগেই এবাৰ বুকুত হেঁচা দি আকৌ এৰি দি হৃদপিণ্ডৰ স্পন্দন ঘূৰাই অনাৰ প্ৰচেষ্টা চলালে। তাই চিন্তাত আতঙ্কিত হৈছিল যদিও ধৈৰ্য্য হেৰুৱা নাছিল। ড° অবিনাশ বৰুৱাৰ কিবা এটা হ'লে আওপকীয়াকৈ হ'লেও মেনেজিং ডাইৰেক্টৰে তাইকেই জগৰীয়া কৰিব। তাই আৰু অবিনাশ বৰুৱাক অকলে কিয় ইমান ওখ খাপটোলৈ উঠিবলৈ দিছিল। তাইৰ অসাৱধানতাৰ কাৰণেই দুৰ্ঘটনাটো হোৱা বুলি নিজকেই জগৰীয়া যেন পালে। ড° অবিনাশ বৰুৱাৰ মৃত্যু ঘটিলে তাইৰ জীৱনৰ সকলো আশা-আকাঙ্খা, জল্পনা-কল্পনা, চূড়মাৰ হৈ যাব। মুখেৰে নিজৰ নিশ্বাস দি থকাৰ অৱস্থাটো যীচু খৃষ্টক প্ৰাৰ্থনা কৰি অবিনাশ বৰুৱাৰ জীৱন ভিক্ষা কৰিবলৈ এৰা নাছিল। হে ভগৱান, মোক এইবাৰলৈ পৰিত্ৰাণ কৰা। মোৰ প্ৰাৰ্থনা ব্যৰ্থ নকৰিবা প্ৰভু। দুই-তিনি মিনিট মানৰ পাছত অবিনাশৰ বুকুত মৃদু স্পন্দন অনুভৱ কৰি তাইৰ কাণখন হৃদপিণ্ডৰ ওপৰত দি হেঁচা মাৰি ধৰিলে। অবিশ্বাস্য যেন লাগিলেও ভগৱানে তাইৰ প্ৰাৰ্থনা অথলে যাবলৈ নিদিলে, অবিনাশ বৰুৱাৰ হৃদপিণ্ডৰ মৃদু স্পন্দন তাই নিশ্চিত ভাবে অনুভৱ কৰিব পাৰিলে। ধীৰে ধীৰে ড° অবিনাশ বৰুৱাৰ উশাহ-নিশাহ স্বাভাৱিক হ'বলৈ ধৰিলে। ইতিমধ্যে চুইমিংপুলৰ কাষত থকা আন দুই-এজন মানুহো আহি গোট খালেহি। কেবাজনো মানুহে ধৰি ড° অবিনাশ বৰুৱাক গাড়ী এখনৰ পিছৰ আসনত শুৱাই দিলে। অ'লী ৰজৱেলে ড্ৰাইভাৰক ততালিকে নিউইয়ৰ্কৰ বিখ্যাত হস্পিতাল কাৰডিয়াক কেয়াৰ চেন্টাৰলৈ লৈ যাবলৈ নিৰ্দেশ দিলে। হস্পিতাল আহি পোৱাৰ লগে লগেই চিকিৎসা আৰম্ভ হ'ল। প্ৰতিষ্ঠানটোৰ মেনেজিং ডাইৰেক্টৰে সেইদিনা ৰাতিয়েই অন্য সকলো কাম-কাজ বাতিল কৰি চাৰটাৰ্ড ফ্লাইটত আহি নিউইয়ৰ্ক পালেহি। অবিনাশৰ ডায়েৰীৰ পৰা ফোন নম্বৰলৈ অ'লী ৰজৱেলে জীৱনলৈ খবৰ দিলে। জীৱনে দ্বীজেনক খবৰ দিলে। দুয়ো পিছদিনা পুৱা আহি নিউইয়ৰ্ক পালেহি। লগে লগেই ভাল চিকিৎসা পোৱাত, পিছদিনা, অবিনাশৰ গা যথেষ্ট ভালৰ ফালে আহিল। ডাক্তৰে চিন্তাৰ কোনো

কাৰণ নাই বুলি ক'লে। দুদিন পিছত জীৱন আৰু দ্বীজেন উভতি গ'ল। সাত দিন পিছত অবিনাশ বৰুৱাক হোটেললৈ স্থানান্তৰ কৰা হ'ল। অ'লী ৰজৰেলে কেনেকৈ নিজৰ জীৱন বিপন্ন কৰিও উপস্থিত বুদ্ধি আৰু সাহসেৰে অবিনাশ বৰুৱাৰ জীৱন ৰক্ষা কৰিলে সেই সকলো কথা তেওঁ পিছত জানিব পাৰিলে। হোটেললৈ অহাৰ পিছতো অ'লী ৰজৰেলে অনবৰতে অবিনাশ বৰুৱাৰ শুশ্ৰূষাত লাগি আছিল। তাই দিনে-ৰাতিয়ে যত্ন লোৱাৰ কাৰণেই ড° অবিনাশ বৰুৱাই সম্পূৰ্ণভাৱে মানসিক আৰু দৈহিক জিৰণি ল'বলৈ সমৰ্থ হৈছিল। ডাক্তৰে দুয়োবেলা আহি চাই যায় আৰু অ'লী ৰজৰেলে ডাক্তৰৰ প্ৰতিটো নিৰ্দেশনা আখৰে আখৰে পালন কৰে। ড° অবিনাশ বৰুৱা কেতিয়াও কঠিন ৰোগত পৰা মনত নাই। অকৃত্ৰিম স্নেহ-শুশ্ৰূষা পালে মানুহে কেনেকৈ সোনকালে আৰোগ্য লাভ কৰে সেইকথা সি ভালদৰে উপলব্ধি কৰিব পাৰিলে। অ'লীৰ শুশ্ৰূষাই অবিনাশক ফ্লোৰেঞ্চ নাইটিঙ্গেললৈ মনত পেলাইছিল। কেইদিন মান পিছত অবিনাশ বৰুৱা সম্পূৰ্ণভাবে সুস্থ হৈ পৰাত অ'লীৰে সৈতে আহি হোটেলৰ ফুলনিখনত বহিব পৰা হ'ল। অবিনাশে মনত উৎসাহ পোৱা কথাৰ বাহিৰে আন একো বিষয়েই ৰজৰেলে আলোচনা কৰা নাছিল। এদিন অবিনাশে তাইক সুধিলে 'মিচ্ ৰজৰেল, মোৰ জীৱন ৰক্ষা কৰাৰ কাৰণে তোমাৰ ওচৰত মই চিৰ কৃতজ্ঞ। মই তোমাৰ ঋণ কেনেকৈ পৰিশোধ কৰিম ক'ব নোৱাৰো।'

মিচ্ অ'লী ৰজৰেলে ক'লে 'আপুনি সম্পূৰ্ণ আৰোগ্য হোৱাৰ বাহিৰে বৰ্তমান মোৰ আন একো আকাংক্ষা নাই। আপুনি আগতে ভাল হৈ লওকচোন।'

অ'লী ৰজৰেলৰ উত্তৰটো শুনি কিন্তু অবিনাশে মনত শান্তি নেপালে। 'যি কোনো প্ৰকাৰে মই তোমাৰ ঋণ পৰিশোধ কৰিবই লাগিব, অ'লী ; নহ'লে মই জীৱনত কেতিয়াও শান্তি নেপাম। মোৰ জীৱন ৰক্ষা কৰাৰ উপৰিও দুৰ্ঘটনাটোৰ পিছত তুমি দিনে-ৰাতিয়ে যি ধৰণে মোৰ শুশ্ৰূষা কৰিলা সেই কথা মোৰ মনত চিৰস্মৰণীয় হৈ থাকিব। কোৱা, অ'লী ; তুমি মোৰ পৰা কি প্ৰতিদান বিচৰা।'

মিচ্ অ'লী ৰজৰেলে অনুমান কৰিব পাৰিলে যে ড° অবিনাশ বৰুৱাই বেচ নিষ্ঠাৰেই কথাখিনি কৈছে আৰু তেওঁ নিশ্চয় সেই আশ্বাস পালন কৰিবলৈ বৰ ইচ্ছুক। কিছুপৰ ভাবি-চিন্তি তাই ক'লে যে পিছদিনা আবেলি ফুৰিবলৈ অহাৰ সময়তেই তাইৰ মনৰ কথাখিনি ক'ব।

সেইদিনা ৰাতি বিচনাত পৰি ড° অবিনাশে ভাবিবলৈ ধৰিলে ; অ'লী ৰজৰেলে বাৰু তাৰপৰা কি আশা কৰিব পাৰে। তাই কেনেবাকৈ বিয়াৰ প্ৰস্তাব দিব পাৰে নেকি? যদি তেনে অনুৰোধ আহে, তেন্তে সি কি কৰিব? প্ৰত্যাখান কৰিব নে গ্ৰহণ কৰিব? তাইৰ যিকোনো অনুৰোধেই ৰক্ষা কৰিম

বুলি বৈ সি ভুলেই কৰিলে নেকি ? নিজে ক'ব নোৱাৰাকৈয়ে সি তাইক ভাল পাবলৈ ধৰিছে নেকি ? তাই হোটেলত নথকা সময়খিনিটো তাৰ বৰ বিঙা-বিঙা লাগে ; নেযাই-নুপুৱাই যেন লাগে । ৰাতিপুৱা তাই আহি 'গুড্‌মর্ণিং' বুলি কোৱাৰ লগে লগেই তাৰ মনটো সজীৱ হৈ পৰে । অবিনাশ বৰুৱাই জানে যে স্ত্রী-পুৰুষৰ প্রেমৰ বন জুইকুৰা নিজে গম নোপোৱাকৈয়ে আপোনা-আপুনি জ্বলে ; ইয়াক নিজে জ্বলাবও বুলি জ্বলাবও নোৱাৰি, নুমাবও নোৱাৰি । সি যদি অ'লী ৰজৰেলক বিয়া কৰাব লগীয়া হয় তেন্তে মোমায়েক-মামীয়েক আৰু দ্বীজেনক বিশ্বাসঘাটকতা কৰা হ'ব নেকি ? প্রথমে বেয়া পাইছিল যদিও পিছত মাক-দেউতাকে দেখোন জীৱনক আকোৱালি ল'লে । মামীয়েও দেখোন জীৱনৰ মৈনীয়েক মেৰীক আকোৱালি ল'বলৈ সঙ্কোচবোধ কৰা নাছিল । এইবোৰ ভাবি থাকোঁতেই তাৰ টোপনি আহিল ।

পিছদিনা আবেলি পৰলৈ ড° অবিনাশ বৰুৱাই উৎকণ্ঠাৰে বাট চাই থাকিল । দিনটোৰ সময়বোৰ যেন নেযাই-নুপুৱায় । অ'লী ৰজৰেলে বা কি প্রস্তাৱ দিয়েহি । সেইদিনা ৰাতিপুৱা তাই হোটেল আহি পোৱাৰে পৰা আন দিনতকৈ বেছি গহীন হৈ আছিল । ড° অবিনাশ বৰুৱাৰ লগত বৰ বেছি কথা-বার্তা পতাও নাছিল । সন্ধ্যা লাগো লাগো হোৱাত দুয়ো আহি ফুলনিৰ চকী দুখনতে বহিলেহি । দুই এটা কথা-বতৰা পিছত অবিনাশ বৰুৱাই সুধিলে 'অ'লী তোমাৰ কাৰণে মই বাৰু কি কৰিব পাৰো নক'লা ?' কিছুপৰ বৈ অ'লী ৰজৰেলে ক'লে 'আপোনাৰ পৰা মই এটা ডাঙৰ সহায় বিচাৰো । আপুনি নিশ্চয় মোক হতাশ নকৰে যেন । মই বাঞ্ছা কৰো যে আপুনি অন্ততঃ আৰু তিনি বছৰৰ কাৰণে আমাৰ প্রতিষ্ঠানটোৰ লগত চুক্তিবদ্ধ হওঁক । আপুনি গুচি গ'লে আমাৰ প্রতিষ্ঠানটোৰ অভাৰণীয় ক্ষতি হ'ব ।'

কথাষাৰ শুনি ড° অবিনাশ বৰুৱাৰ মনত এটা মিশ্রিত প্রতিক্রিয়াৰ সৃষ্টি হ'ল । হঠাতে তাৰ মনৰ দোমোজাতো আঁতৰি যোৱাত মূৰটো পাতল যেন লাগিলেও অন্তৰৰ কোনোবা এটা কোনত আঘাট নোপোৱাকৈও নেথাকিল । ড° অবিনাশ বৰুৱাই একে আষাৰেই উত্তৰ দিলে 'ঠিক আছে, মই তোমাৰ কথা ৰাখিম ; কিন্তু তিনি বছৰতকৈ বেছি নহয় ।'

এক তুমুল প্রতিযোগিতাৰ অন্তত বিজয়ী হোৱাৰ সমান আনন্দত উত্তেজিত হৈ তাই ড° অবিনাশ বৰুৱাক সহস্র ধন্যবাদ জনালে ।

পিছদিনা মেনেজিং ডাইৰেক্টৰ আহি পোৱাত ড° বৰুৱাই আৰু তিনি বছৰৰ কাৰণে এখন নতুন চুক্তিত সোমাল । সেই চুক্তি অনুসৰি তেওঁৰ দৰমহা বছৰি ডেৰ লাখ ডলাৰলৈ বৃদ্ধি পালে । প্রতিষ্ঠানটোৰ আগশাৰীৰ অংশ কিনিবলৈ তেওঁৰ স্বত্ব থাকিল । ইয়াৰ উপৰিও তেওঁৰ নিজৰ বৰ্ষীয়াকৈ সৌৰ

শক্তিৰ ওপৰত গৱেষণা কৰিবৰ কাৰণে প্ৰতিষ্ঠানটোৰ পৰাই সা-সুবিধা আগবঢ়াব।

ড° অবিনাশ বৰুৱা বোষ্টনলৈ ঘূৰি যোৱাৰ দিনা, অ'লী ৰজৱেল বিমান বন্দৰত আগবঢ়াই থবলৈ আহিছিল। লাউঞ্জত বহি থাকোঁতে তাই কৈ গৈছিল যে যিকোনো এটা কাম হাতত ল'লে সেই কাম কৃতকাৰ্যতাৰে সম্পন্ন কৰিব পাৰে বুলি তাইৰ এটা দৃঢ় বিশ্বাস আৰু অহঙ্কাৰো আছিল। আপোনাৰ লগত ঘনিষ্ঠতা বাঢ়ি অহাৰ লগে লগেই মোৰ অনুমান হ'ল যে আপুনি এজন সম্পূৰ্ণ বেলেগ ধৰণৰ মানুহ। আপোনাৰ কথা-বাৰ্তা, আচাৰ-ব্যৱহাৰ আৰু জীৱনৰ উচ্চ মূল্যবোধে মোক মুগ্ধ কৰিবলৈ ধৰিলে। দিনে দিনে আপোনাৰ প্ৰতি মোৰ গভীৰ শ্ৰদ্ধা আৰু আকৰ্ষণ বাঢ়ি আহিল। আপুনি মোৰ বহুদিনৰ চিনাকি আৰু নিচেই আপোন যেন অনুভৱ হ'বলৈ ধৰিলে। নিষ্ফল মৃতপ্ৰায় অৱস্থাৰ পৰা মই যিদৰে আপোনাৰ জীৱন ঘূৰাই আনিবলৈ সক্ষম হ'লো, সেই কথা মনত পৰিলে মই আনন্দত পুলকিত হৈ পৰো। সেই দিন ধৰি আপোনাৰ সান্নিধ্যত মই এক বিমল আনন্দ লভিবলৈ ধৰিলো। কণ-কণ ল'ৰা-ছোৱালীয়ে নিজৰ বুকুৰ মাজত মৰমৰ পুতলাটো বান্ধি লৈ ফুৰাৰ দৰে, আপুনিও মোৰ মন মন্দিৰত এক আপুৰুগীয়া নিজস্ব সম্পত্তিৰূপে ঠাই ল'লে। মোৰ অনুভৱ হ'ল যে আপোনাৰ জীৱনৰ ওপৰত মোৰ এটা অধিকাৰ আহি পৰিল।

ইতিমধ্যে বিমানখন যাবৰ সময় হোৱাত যাত্ৰীসকল সুৰক্ষা কক্ষলৈ যাবলৈ অনুৰোধ আহিল। অবিনাশ বৰুৱাও সুৰক্ষা কক্ষলৈ যাবলৈ সাজু হ'ল। বিদায়ৰ শেষ মুহূৰ্তত অবিনাশ বৰুৱাক সাৱত মাৰি ধৰি চুমা এটা খাই তাই ক'লে 'সকলো কথা আপোনাৰ আগত ক'বলৈ মোৰ সাহস নহ'ল ; মোৰ অন্তৰত অব্যক্ত হৈয়েই থাকি গ'ল। মাজে মাজে মোলৈ মনত পেলালে নিশ্চয় বৰ সুখী হ'ম।'

অ'লী ৰজৱেলৰ শেষ কথাখিনিয়ে অবিনাশ বৰুৱাৰ মনত পুনৰ আউল লগাই দিলে। কিবাকিবি চিন্তা কৰি হাতখন জোকাৰি জোকাৰি অবিনাশ সুৰক্ষা কক্ষৰ ভিতৰ সোমাল।

* * * * *

অধ্যায়- ৩১

পুনৰ তিনি বছৰৰ কাৰণে চুক্তিখনত সোমোৱাৰ পিছতেই, মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনে যুগুত কৰা নতুন আঁচনিখনৰ আৰ্হিত গঢ়ি তুলিব খোজা, কেলিফোৰ্ণিয়াত প্ৰতিষ্ঠা কৰা গবেষণাগাৰটোৰ ৰিচাৰ্চ ডাইৰেক্টৰ পদত অবিনাশে আহি যোগ দিলেহি। নতুন ঠাই, প্ৰকৃতিৰ মনোমোহা দৃশ্য আৰু নাতিশীতোষ্ণ মণ্ডলত অৱস্থিত কেলিফোৰ্ণিয়াত থাকি অবিনাশে বোষ্টনতকৈ ভাল পালে। চুক্তিৰ চৰ্তবোৰ উন্নত হোৱাত ড° অবিনাশ বৰুৱাই আগতকৈ বেছি দৰমহা পোৱাৰ উপৰিও অধিক ক্ষমতা পোৱাৰ ফলত স্বাধীন ভাবে চিন্তা কৰি আঁচনিখন ৰূপায়ণ কৰাত সুবিধা পালে অবিনাশ বৰুৱাৰ পৰামৰ্শক্ৰমে গবেষণাগাৰটো সবল কৰিবৰ কাৰণে কিছুমান বছা বছা বিজ্ঞানীক নিযুক্তি দিয়া হ'ল। ইয়াৰ উপৰিও চুক্তি অনুসৰি অবিনাশক সৌৰশক্তিৰ ওপৰত নিজৰবৰীয়াকৈ গবেষণা কৰিবৰ কাৰণে প্ৰতিষ্ঠানটোৰ তৰফৰ পৰাই সকলো সা-সুবিধা দিয়া হ'ল। তেওঁৰ নেতৃত্বত কেলিফোৰ্ণিয়াত প্ৰতিষ্ঠা কৰা গবেষণাগাৰটোৰ পৰা নতুন কৌশল উদ্ভাৱনৰ জৰিয়তে লেজাৰ ৰশ্মিৰ বিভিন্ন যন্ত্ৰপাতি নিৰ্মাণ হৈ দেশ-বিদেশৰ বজাৰত চাহিদা পূৰণ কৰিব পৰা হ'ল। প্ৰতিষ্ঠানটোৰ সাফল্যত অবিনাশৰ আনন্দ লাগিলেও, নিজে কৰিব খোজা, সৌৰশক্তিৰ গবেষণা অলপো আগবঢ়া নাছিল। পৃথিবীৰ বিভিন্ন দেশত সৌৰশক্তিৰ ওপৰত হোৱা বৈজ্ঞানিক চেমিনাৰবোৰত সি অতি মনোযোগেৰে ভাগ লয়; সেই বিষয়ত ওলোৱা নতুন নতুন কিতাপ, জাৰ্ণেলবোৰ অধ্যয়ণ কৰে কিন্তু বিভিন্ন দিশত বিভিন্ন পথেৰে আগবাঢ়ি নিজে বিফলতাহে মূৰপাতি ল'বলগীয়া হৈছিল। ড° অবিনাশ বৰুৱাই ভাবিবলৈ ধৰিলে যে বৈজ্ঞানিক আবিষ্কাৰ কৰো বুলি কৰা কথা নহয়। ই এটা আকস্মিক সাফল্যহে। চেষ্টা কৰিলেই যে সাফল্য আহিবই তাৰ কোনো নিৰ্দিষ্ট নিয়ম-নীতি নাই। পৃথিবীত জন্মগ্ৰহণ কৰা কিমান মেধাবী বিজ্ঞানীয়ে সাফল্য লাভ কৰিব নোৱাৰি অতীতৰ কৰাল গ্ৰাসত লীণ যাবলগীয়া হৈছিল তাৰ কিবা খতিয়ান জানো কোনোবাই

ৰাখিছে। বিজ্ঞানীসকল যে তেজ-মঙহেৰে গঢ়া আৰু গবেষণাগাৰৰ যন্ত্ৰপাতি নহয়, সেই কথা কেইজনে উপলব্ধি কৰে। তেওঁলোকৰ জীৱনৰ আকাংক্ষা পূৰণ নহ'লে ব্যৰ্থতাৰ গ্লানীয়ে যে তিল তিলৈকে পীড়ি থাকে সেই কথা জানো কোনোবাই ক্ষণিকৰ কাৰণেও স্মৰণ কৰি এটুপি চকুলো টোকে। মাজে মাজে তাৰ মনলৈ আহে মানুহে কঠোৰ পৰিশ্ৰম কৰিও স্বইচ্ছাৰে জীৱনৰ গতি বাৰু কিয় নিয়ন্ত্ৰণ কৰিব নোৱাৰে। ভাগ্য বুলি পৃথিৱীত কিবা এটা কথা আছে নেকি ; আৰু যদি আছে মানুহৰ জীৱনত তাৰ প্ৰভাৱ কিমান ?

* * ❦ * *

কিন্তু আনহাতে অবিনাশ বৰুৱাৰ বন্ধু জীৱনৰ সমস্যাবোৰ আছিল সম্পূৰ্ণ বেলেগ। তাৰ দেউতাক আছিল মধ্য ইংৰাজী স্কুলৰ শিক্ষক। ইতিমধ্যে অৱসৰ লৈছে। জীৱনে পইচা পঠিয়াব নোৱাৰিলে ঘৰখন কোনোমতে নচলে। ঘৰৰ অৱস্থা টনকিয়াল কৰিম বুলিয়েই জীৱন বিদেশলৈ আহিছিল। কিন্তু বিবাহপাশত আৱদ্ধ হৈ যোৱাৰ ফলত সি বিশেষ টকা-পইচা ৰাহি কৰিব নোৱাৰিলে। খোৱা-বোৱা খৰছ আৰু গাড়ীখন কিনাৰ বাবদ দিবলগীয়া কিস্তিৰ ধন, সাধাৰণ, সামাজিক নিৰাপত্তা আৰু স্বাস্থ্য বীমা আঁচনিৰ কাৰণে টকা জমা দিয়াৰ পাছত সি ঘৰলৈ টকা পঠিয়াবলৈ কোনোমতে জোৰা মাৰিব নোৱাৰে। জীৱনৰ ভায়েক দুটা, তাৰে এটাক মেডিকেল আৰু আনটোক ইঞ্জিনিয়াৰিং পঢ়াম বুলি ভাবি আছিল। ভনীয়েকজনী সৰু কাৰণে তাইৰ কথা চিন্তা কৰিব লগীয়া হোৱা নাছিল এথোন। সি আমেৰিকাৰ দৰে এখন ধনী দেশলৈ আহিও যদি ভায়েক দুটাক পঢ়াৰ খৰছ দিব নোৱাৰে, তেন্তে তাৰ জীৱনটোৱেই বৃথা বুলি ভাবিবলৈ সি বাধ্য হ'ব। অধিক টকা উপাৰ্জন কৰিবৰ কাৰণে ভাগ্যক ধিয়াই সি কেইবাৰমান চেয়াৰ মাৰ্কেটটো কিছু টকা খটুৱাই ভাগ্যৰ পৰীক্ষা কৰিলে, কিন্তু লাভ হওঁক চাৰি লোকচানহে হ'ল। অবিনাশৰ পৰাতো সদায় টকা আনিব নোৱাৰি, আগৰ এহেজাৰ ডলাৰ ওভোটাই দিবলৈকে আছে। তাৰ নিজৰটো এটা আত্ম সন্মান বুলি কথা আছে।

এই বৈচিত্ৰময় পৃথিৱীত কিছুমান অভাৱনীয় ঘটনাও ঘটি নথকা নহয়। ভাগ্য বুলিও কিবা এটা কথা বোধহয় আছে। এদিন দুপৰীয়া মেৰীয়ে জীৱনক টেলিফোন কৰি শীঘ্ৰে ঘৰলৈ মাতি পঠিয়ালে। সেইদিনা গাটো ভালে নথকাৰ কাৰণে মেৰী কামলৈ যোৱা নাছিল। গিৰিয়েক আহি পোৱাত কেক্ এটুকুৰাৰে সৈতে কফি খাবলৈ দি মেৰীয়ে ক'লে যে জীৱনে লোৱা লটাৰীৰ টিকটটোতে এক নিযুত ডলাৰ প্ৰথম পুৰস্কাৰ তেওঁৰ নামত উঠিছে। টকা-পইচাৰ অভাৱৰ

কথাটো সেইদিনা ৰাতিপুৱা দুয়োৰো মাজত কিবা কথা কটা-কটি হৈছিল। জীৱনে সেইদিনা খং কৰি একো নোখোৱাকৈয়ে কামলৈ গুচি গৈছিল। সেই লৈয়েই তাক ইতিকিং কৰা বুলি ভাবি জীৱনৰ খং আৰু বেছিকৈহে উঠিল। জীৱনে খঙেৰে ক'লে 'আৰ ইউ কিডিং উইথ মি মেৰী।' মেৰীয়ে পলম নকৰি লটাৰীৰ টিকটটো আৰু বাতৰি কাকতত দিয়া নম্বৰটো জীৱনৰ হাতত তুলি দি ক'লে 'তুমি নিজ চকুৰে নোচোৱা কিয় ? জীৱনে টিকটটো হাতত তুলি লোৱাৰ লগে লগেই তাৰ হাতৰ কঁপনি উঠিবলৈ ধৰিলে। সি নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰা হ'ল। তিনিবাৰ পঢ়িও যেতিয়া দেখিলে তাৰ নম্বৰটো মিলিছে সি আনন্দত জপিয়াবলৈ ধৰিলে।

টকাখিনি বেঙ্কত জমা হোৱাৰ পিছত জীৱনে এটা নিজৰ পৰিবৰ্তন উপলব্ধি কৰিলে। টকা থকা আৰু নথকাৰ মাজত কিমান আকাশ-পাতাল পাৰ্থক্য। এতিয়া সি কালৈকো পৰোৱাই কৰিব নেলাগে। টকা নথকাকৈ জীয়াই থকা কিমান দুৰ্বহ, কিমান আমনিদায়ক। অবিনাশৰ প্ৰতি তাৰ কৃতজ্ঞতা প্ৰকাশ কৰাৰ সময় উপস্থিত হ'ল বুলি ভাবি একলাখ ডলাৰৰ চেক্ এখন লিখিবলৈ চেক্ বুকখন উলিয়াই ল'লে। কিন্তু লিখিবৰ সময়ত তাৰ হাতখন কোচ খাই গ'ল। একলাখ টকা ওলাই যোৱাতো সহিব নোৱাৰি জীৱনে মাত্ৰ পঞ্চাশ হেজাৰ ডলাৰৰ চেক্ এখন লিখি চিঠি এখনেৰে সৈতে খাম এটাৰ ভিতৰত ভৰাই অবিনাশৰ ঠিকনাটো লিখিবৰ সময়ত হাতখন বৈ গ'ল। সি নিজকে নিজে পঞ্চাশ হেজাৰ ডলাৰৰ ফাঁকি দিবলৈ চেষ্টা কৰা যেন পালে। ভাবিবলৈ ধৰিলে টকা হ'লেই মানুহে ফাঁকি দিবলৈ শিকে নেকি ? সিটো কেতিয়াও ফাঁকি দি পোৱা নাছিল ; আজি তাৰ কি হ'ল। মোৰনো নিজকে নিজে কেনেকৈ ঠগিবৰ মন গ'ল। তাৰ খং উঠি খামটোৰে সৈতে চেক্খন ফালি পেলালে। পুনৰ চেক্ বুকখন উলিয়াই ডেৰলাখ ডলাৰৰ চেক্ এখন লিখি খামটো বন্ধ কৰি থাকোঁতে ভাবিলে জীৱন, তোৰ শুভাকাংখী আৰু অন্তৰঙ্গ বন্ধু অবিনাশক ঠগিব খুজিছিলি নহয়, পিছে পঞ্চাশ হেজাৰ ডলাৰ জৰিমনা ভৰি এতিয়া কেনে পালি। তোৰ দৰে মানুহক কাণত ধৰি উঠা-বহা কৰাব লাগে। কেইদিনমান পিছত চেক্খন পায় অবিনাশ আচৰিত হ'ল। সি জীৱনলৈ বুলি ফোনটো তুলি ল'লে। "জীৱন তই মোলৈ ইমানবোৰ টকা কিয় পঠিয়ালি ?" জীৱনে উত্তৰত ক'লে 'বুজিছ অবিনাশ, মই লটাৰীত পোৱা গোটেইখিনি টকা প্ৰকৃততে তোৰহে। তই নহা হ'লে জানো মই কাহানিবা আমেৰিকা দেখিবলৈ সুবিধা পালোহেঁতেন ? তোৰ অনুমতি নোহোৱাকৈ বাকীখিনি টকা ৰাখি মই ভুল কৰা যেনহে লাগিছে।' প্ৰথমতে একলাখ ডলাৰ দিম বুলি ভাবিও কেনেকৈ তাৰ হাতখন কোচ খাই গৈছিল সেই কথাও অবিনাশক নজনোৱাকৈ নেথাকিল।

অবিনাশে খণ্ডৰ সুৰত ক'লে 'তই বলিয়া হৈছ্ জীৱন, তোৰ মাথা খাৰাপ হৈছে। তই নিজৰ বিবেক-বিবেচনাৰে লটাৰীৰ টিকট লৈ টকা পাইছ, সেয়া তোৰ নিজৰ টকা। পৃথিবীত ভাগ্য বুলিও কিবা এটা আছে, গতিকে তই ভাগ্যক অপমান নকৰিবি। তই পঠিওৱা টকাখিনি ল'বলৈ মই ভাল পোৱা নাই। টকাখিনি ওভোতাই দি মোৰ প্ৰতি থকা তোৰ মৰমক কেতিয়াও মই অবজ্ঞা কৰিব নোৱাৰো। টকাখিনি সুকীয়াকৈ মই বেঙ্কত ৰাখিলো ; তোৰ দৰকাৰ হ'লেই মোৰ পৰা ল'ব পাৰিবি।

* * * * *

অধ্যায়-৩২

অবিনাশ বৰুৱাই ভাবিছিল যে তেওঁ মডাৰ্ণ মেচিন টুলচ্ কৰপৰেচনৰ ৰিচাৰ্চ ডাইৰেক্টৰৰ দৰে দায়িত্বপূৰ্ণ পদত থাকিও নিজৰবৰীয়াকৈ যতনাই লোৱা যন্ত্ৰপাতিবোৰ সৌৰ শক্তিৰ গবেষণাৰ কামত ব্যৱহাৰ কৰিবলৈ সময় উলিয়াব পাৰিব। কিন্তু সময়ৰ অভাৱৰ কাৰণে তেওঁ নিজৰ গৱেষণা বাদ দি কেৱল প্ৰতিষ্ঠানটোৰ কামতেই ব্যস্ত থাকিবলগীয়া হ'ল। মাজে মাজে ভাৱে সি তিনি বছৰৰ কাৰণে পুনৰ চুক্তি চহী কৰি ভুলেই কৰিলে নেকি ? হোটেল যেনিথ্ ইন্টাৰনেচনেলত থাকিবলগীয়া নোহোৱা হ'লে চুইমিংপুলত তাৰ দুৰ্ঘটনাটোও নহ'লেহেঁতেন আৰু তেতিয়া সি পুনৰ চুক্তিত চহী কৰাৰ প্ৰশ্নই নাছিল। কিন্তু আকৌ ভাবে যে মোমায়েক-মামীয়েকে সি সোনকালে দেশলৈ ঘূৰি গৈ বিয়াখন পতাৰ ইচ্ছা কৰে যদিও, কিবা এটা অৱচেতন মনে তাক দেশলৈ ঘূৰি যোৱাত বাধাৰ সৃষ্টি কৰি আছিল।

চাওঁতে চাওঁতে তাৰ তিনি বছৰীয়া চুক্তি শেষ হ'বৰ সময় হ'লহি। দেশলৈ ঘূৰি যোৱাৰ সময় আহি পৰিল। কিন্তু দেশলৈ আহি বিয়া-বাৰু পতাৰ কথা মনলৈ আহিলেই তাৰ মনটো সেমেকি উঠে। আনহাতে তাৰ সৌৰশক্তিৰ ওপৰত কৰা, গৱেষণাৰ কাম বিশেষ একো আগবঢ়া নাই। নাই, দেশলৈ সুদাহাতে ঘূৰি যাব নোৱাৰি ; কিবা এটা উদ্ভাৱন কৰি লৈহে যাব লাগিব। কেলিফোৰ্ণিয়াৰ বিখ্যাত কেল্‌টেক্ বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানৰ প্ৰফেচাৰ পদ এটা যচাত, অবিনাশে সেই সম্মানৰ মোহ এৰিব নোৱাৰিলে, তাৰোপৰি সি ভাবিলে যে বিশ্ববিদ্যালয়ৰ কামত যোগ দিলে সি সৌৰশক্তিৰ গৱেষণাতো একান্তচিত্তে মনোনিবেশ কৰিব পাৰিব।

বিশ্ববিদ্যালয়খনত যোগ দি ছাত্র-ছাত্রীৰ মাজত সোমাই পৰি তাৰ মনটো ভাল লাগিল। সি নিজৰববীয়াকৈ সৌৰ শক্তিৰ ওপৰত গৱেষণা কৰিবৰ কাৰণে বিশ্ববিদ্যালয়ৰ অনুমতি সাপেক্ষে এটা গৱেষণাগাৰো প্ৰতিষ্ঠা কৰি ল'লে। বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰিবৰ কাৰণে ছাত্র-ছাত্রীবোৰৰ পৰাও সহায় ল'বলৈ সুবিধা হ'ল। পদাৰ্থ বিজ্ঞানৰ প্ৰফেচাৰ হিচাবে পৃথিবীৰ আন আন দেশত সৌৰশক্তিৰ ওপৰত হোৱা গৱেষণা আৰু তাৰ অগ্ৰগতিৰ বিষয়ে জনাৰ সুবিধা পালে। সৌৰশক্তিৰ ওপৰত হোৱা নতুন নতুন দিশবোৰ দেখিবলৈ পোৱাত তেওঁ বিশেষ ভাবে লাভবান হ'ল। কেল্‌টেক বিশ্ববিদ্যালয়ত অবিনাশৰ দুবছৰ পাৰ হ'বৰ হ'লহি আৰু সিও আঠত্ৰিশ বছৰত ভৰি দিলেহি। বিগত বছৰবোৰে তাক ৰিঙিয়াই ক'লে— বুঢ়া মোমায়েৰ-মামীয়েৰৰ প্ৰতি তোৰ এটা দায়িত্ব আছে অবিনাশ, তই দেশলৈ ঘূৰি যোৱাৰ সময় উকলি গৈছে। সেইবোৰৰ চিন্তাই তাক অধৈৰ্য্য কৰি তুলিলে। দিন নাই ৰাতি নাই, আহৰি সময় পালেই অবিনাশে সৌৰশক্তিৰ গৱেষণাৰ কামত ব্যস্ত থাকে। সি ঠিৰাং কৰিলে যে আৰু এটা বছৰ চেষ্টা কৰি চাব, আৰু ইয়াৰ ভিতৰতে যদি সাফল্য লাভ কৰিব নোৱাৰে তেন্তে দেশলৈ ঘূৰি গৈ মোমায়েক-মামীয়েকৰ প্ৰতি থকা কৰ্তব্য পালন কৰিবগৈ।

ড° অবিনাশ বৰুৱাৰ কষ্ট আৰু সাধনাৰ ফলস্বৰূপে সেইবছৰৰ শেষৰ ফালে সৌৰশক্তিৰ পৰা তড়িত শক্তিলৈ ৰূপান্তৰ কৰা এটা নতুন কৌশল সি উদ্ভাৱন কৰিবলৈ সক্ষম হ'ল। ছাত্র-ছাত্রীবোৰৰ পৰা কিছুমান পৰীক্ষা-নিৰীক্ষা গণনা কৰাত ড° অবিনাশে সহায় লোৱাতো সত্য, কিন্তু সেই বুলিয়েই সিহঁতক তেওঁৰ উদ্ভাৱনৰ অংশীদাৰ কৰিব নোৱাৰি। এই সাফল্য তেওঁৰ সম্পূৰ্ণ ব্যক্তিগত, আনক এই গৌৰবৰ ভাগ দিব নোৱাৰি। তেওঁৰ গবেষণাৰ ফল আৰু কৌশলৰ বিষয়ে আনে একো গম নাপালে। কেবাবাৰো পৰীক্ষা-নিৰীক্ষা কৰি যেতিয়া ড° অবিনাশ বৰুৱা নিশ্চিত হ'ল যে তেওঁ বিচৰা কৌশলৰ উদ্ভাৱন হৈছে, তেতিয়া সকলোবোৰ তথ্যপাতি সঙ্গোপনে ফ্লপী ডিস্কত নিবদ্ধ কৰি আনি নিজ দেশত ভৰি দিলেহি।

তেওঁ উদ্ভাৱন কৰা কৌশলটো ব্যৱহাৰ কৰি অতি কম খৰছতে অধিক বিদ্যুৎ শক্তি পাব পৰা এবিধ যন্ত্ৰ তৈয়াৰ কৰিব পৰা যাব। ইয়াৰ ফলত দুখীয়া খেতিয়কসকলৰ অৰ্থনৈতিক পৰিবৰ্তনৰ উপৰিও ক্ষুদ্ৰ উদ্যোগতো সৌৰশক্তিৰ পৰা উৎপত্তি হোৱা বিদ্যুৎ ব্যৱহাৰ কৰি মানুহে উৎপাদন বঢ়াব পাৰিব। অসমলৈ ঘূৰি আহি অবিনাশে নিজে উদ্ভাৱন কৰা কৌশলৰ আৰ্হিৰে কেইটামান যন্ত্ৰ তৈয়াৰ কৰি পেটেণ্ট কৰাৰ আচনি এখন হাতত লোৱাৰ কথা কল্পনা কৰিছিল। কিন্তু ঘৰ পায়েই মামীয়েকৰ গা ভাল নথকাৰ কাৰণে

তেখেতক লৈ ডিব্রুগড়লৈ যাব লগা হ'ল। মামীয়েকৰ গা কিছু ভাল পোৱাত মোমায়েক-মামীয়েকক মেডিকেল কলেজৰ কটেজ এটাতে কিছুদিন জিৰণি লোৱাৰ ব্যৱস্থা কৰি দহ নবেম্বৰৰ সেই আপদীয়া দিনটোত বাছত আহি গুৱাহাটী পোৱাৰ লগে লগেই মানসীৰ লগত অবাঞ্ছনীয় ঘটনাটো ঘটে। সেই ঘটনাটোৱে বহুতো বিপৰ্য্যৰ উপৰিও তেওঁৰ বহুমূলীয়া সময়ৰো অপব্যয় কৰিলে।

ডঃ অবিনাশ বৰুৱাই তেওঁৰ তথ্যপাতি থকা চুটকেচটো ঘূৰাই পাই সেইবোৰ ষ্টেট্‌বেঙ্ক অৱ ইণ্ডিয়াৰ লকাৰত থৈ পানবজাৰৰ ওচৰতে এটা ঘৰ ভাৰালৈ লৈ তেওঁ উদ্ভাৱন কৰা কৌশলটোৰ পেটেণ্ট তৈয়াৰী কৰিবৰ কাৰণে যন্ত্ৰ কেইটামান সাজিবলৈ প্ৰস্তুতি আৰম্ভ কৰিলে।কেইজনমান কাৰিকৰ আনি নিজৰ তত্ত্বাৱধানত সৌৰ শক্তিৰ পৰা সহজতে বিদ্যুত শক্তি উৎপন্ন কৰিব পৰা তিনিটা যন্ত্ৰ প্ৰস্তুত কৰি উলিয়ালে। যন্ত্ৰটোৰ কাৰ্য্যক্ষমতা দেখি ডঃ অবিনাশ বৰুৱা নিজেই বিস্মিত হ'ল। ইমান বছৰে তেওঁ কৰা পৰিশ্ৰমৰ পুৰস্কাৰ হাতে হাতে প্ৰোৱাত মনৰ আনন্দত আপ্লুত হ'ল। এমাহমানৰ ভিতৰতে যন্ত্ৰটোৰ পেণ্টেণ্ট ৰেজিষ্ট্ৰেচনৰ কাম সম্পন্ন কৰিবলৈ সক্ষমো হ'ল। বাতৰি কাকত, ৰেডিঅ' আৰু টিভিত ডঃ অবিনাশ বৰুৱাই উদ্ভাৱন কৰা কৌশলটোৰ অভূতপূৰ্ব সাফল্যৰ কথা প্ৰচাৰ হবলৈ ধৰিলে। গোটেই পৃথিৱীত এটা আলোড়নৰ সৃষ্টি হ'ল। অবিনাশ বৰুৱাই কিছুদিনৰ কাৰণে গুৱাহাটী এৰিব নোৱাৰিব বুলি জানি মোমায়েক আৰু মামীয়েকক গুৱাহাটীলৈকে আনি হোটেল ব্ৰহ্মপুত্ৰ আশোকতে থকাৰ ব্যৱস্থা কৰিলে। তেওঁ আবিষ্কাৰ কৰা যন্ত্ৰটোৰ পেণ্টেণ্ট স্বত্ব কিনি লবৰ কাৰণে কেবাজনো ভাৰতীয় উদ্যোগপতিও আগবাঢ়ি আহিছিল।

প্ৰাক্তন ছাত্ৰ ডঃ অবিনাশ বৰুৱাৰ অভূতপূৰ্ব বৈজ্ঞানিক সাফল্যত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীবোৰ আনন্দত উদ্বাউল হ'ল। তেখেতক সম্বৰ্দ্ধনা জনাবৰ কাৰণে আটক ধুনীয়া ৰভা সাজি ৰং বিৰঙৰ বিজুলী চাকিৰে কটন কলেজৰ চৌদিশ জকমকীয়া কৰি তুলিলে।

ডঃ অবিনাশ বৰুৱাৰ সাফল্যই এই ঐতিহ্যপূৰ্ণ কলেজখনলৈ কিমান ডাঙৰ গৌৰৱ কঢ়িয়াই আনিলে! ল'ৰা-ছোৱালীবোৰৰ মুখে মুখে মাথোন ডঃ অবিনাশ বৰুৱাৰ চমক প্ৰদ সাফল্যৰ কাহিনী। তেওঁৰ সন্মানৰ উপলক্ষ্যে আয়োজন কৰা সভালৈ ৰজনী ফুকন আৰু ফুলৰাণী ফুকনকো নিমন্ত্ৰণ কৰা হৈছিল। ছাত্ৰ-ছাত্ৰী অধ্যাপক আৰু নিৰ্দ্দিষ্ট বক্তাসকলে ডঃ অবিনাশ বৰুৱাৰ আলোড়নকাৰী সাফল্যৰ কাৰণে ভূয়সী প্ৰশংসা কৰাৰ উপৰিও তেখেতৰ নাম কটন কলেজৰ বুৰঞ্জীত অবিস্মৰণীয় হৈ থাকিব বুলিও তেওঁলোকৰ ভাষণত উল্লেখ কৰিলে। সেইদিনাৰ সভাত উপস্থিত থাকিবলৈ সুবিধা পোৱাতহে মোমায়েক মামীয়েকে

অবিনাশে উদ্ভাৱন কৰা বৈজ্ঞানিক আবিষ্কাৰৰ সুদূৰ প্ৰসাৰী সম্ভাৱনাবোৰৰ কথা জানিবলৈ পাৰি নিজকে সৌভাগ্যবান বুলি নভবাকৈ থকা নাছিল। তেখেতসকলৰ মনলৈ কিঞ্চিত গৌৰৱৰ ভাবো আহিছিল।

ডঃ অবিনাশ বৰুৱা এজন পৃথিৱী বিখ্যাত বিজ্ঞানী বুলি স্বীকৃতি পোৱাত অঞ্জন শৰ্মাও সচাঁকৈয়ে বৰ আনন্দিত হৈছিল। মানসীৰ অসুখৰ সময়ত তেখেতে কৰা সহায়ৰ কথা মাজে মাজে কৃতজ্ঞতাৰে সোঁৱৰে। মানুহজন কেৱল এজন বিজ্ঞানীয়েই নহয় এখন কোমল হৃদয়ৰে সৈতে মানৱ প্ৰেমীও। ওপৰা উপৰিকে দুটা ঘটনা হোৱাৰ পিছত অঞ্জন শৰ্মাই মানসীক হোষ্টেলত থবলৈ ইচ্ছা নকৰিলে। তেওঁ গুৱাহাটীতে সাজি থকা ঘৰটো সম্পূৰ্ণ হোৱাৰ লগে লগে ভাড়া দিম বুলি আলচী আছিল। পিছে মানসীৰ ঘটনাবোৰে তেওঁলোকৰ মনত যি দুশ্চিন্তা লগালে তাৰ পিছত আৰু ল'ৰা-ছোৱালী আঁতৰত ৰাখি পঢ়োৱাৰ কথা বিসৰ্জ্জন দিলে। বাগানৰ কাম এৰি আগতীয়াকৈ অৱসৰ লৈ তেওঁলোক গুৱাহাটীৰ নিজৰ ঘৰলৈ গুচি আহিল। গুৱাহাটীলৈ আহি অঞ্জন শৰ্মাই সৌভাগ্যক্ৰমে টি ব্ৰকাৰ্চৰ কোম্পানী এটাতে ভাল চাকৰি এটা পাই গ'ল। নিজৰ ঘৰটো লোৱাৰ পিছত অঞ্জন শৰ্মাই ভাবিছিল যে মানসীৰ চিকিৎসাৰ কাৰণে ডঃ অবিনাশ বৰুৱাই আগবঢ়োৱা সাহায্যৰ প্ৰতিদান স্বৰূপেই তেখেতক ভাত এসাজ খাবলৈ নিমন্ত্ৰণ কৰাটো তেওঁলোকৰ কাৰণে ভদ্ৰোচিত আচৰণ হ'ব। ইচ্ছা থকা স্বত্ত্বেও নানান আলৈ আহুকালৰ কাৰণে তেতিয়া সুবিধা কৰিব নোৱাৰিলে। তেওঁলোকে ইতিমধ্যে নিজৰ ঘৰ ললে, গতিকে অবিনাশ বৰুৱা এজন বিখ্যাত বিজ্ঞানী বুলি স্বীকৃতি পোৱাৰ পিছত তেখেতক সম্বৰ্দ্ধনা জনোৱাৰ উদ্দেশ্যে ভাত এসাজ খাবলৈ নিমন্ত্ৰণ নকৰিলে শিষ্টাচাৰ বিৰোধী আৰু অকৃতজ্ঞৰ কাম হ'ব। অঞ্জন শৰ্মাই ভাবিছিল যে সেই ইচ্ছাও তেওঁৰ পৰিবাৰে আনন্দেৰে সম্মতি জনাব কাৰণ মীনাক্ষীয়ে নিজে ৰান্ধি-বাঢ়ি মানুহক খুৱাই বুৱাই বৰ ভাল পায়। কিন্তু কতা মীনাক্ষীয়ে নানা ধৰণৰ আহুকালৰ কথাহে উলিয়াবলৈ ধৰিলে। ঘৰটোৰ সকলোবোৰ কাম হোৱাই নাই, কামবন কৰা মানুহ দুনুহও নাই, তেনে অৱস্থাত মানুহক ভাত খাবলৈ মাতিলে জঞ্জালহে বাঢ়িব। আনপিনে আকৌ দিলীপ, মানসী আৰু বাসবীয়ে দেউতাকৰ কথাত জোৰদি সমৰ্থন কৰিবলৈ ধৰিলে। বাসবীয়ে মাকক ক'লে "মা, মা, ইমান ডাঙৰ বিজ্ঞানী এজনে আমাৰ ঘৰত ভাত খাবলৈ আহিলে আমাৰ কিমান সৌভাগ্যৰ কথা হ্ৰব। তুমি আৰু আপত্তি নুলিয়াবানা, মা।" বাসবীৰ অনুনয় বিনয়ৰ পিছত মাক মীনাক্ষীৰ আৰু বিশেষ আপত্তি কৰিবলৈ থল নাথাকিল।

তথাপিও মীনাক্ষীয়ে এবাৰ কলে "ডঃ অবিনাশ বৰুৱা ইতিমধ্যে এজন পৃথিৱী বিখ্যাত বিজ্ঞানী বুলি স্বীকৃতি পাইছে, গতিকে তেনে এজন মানুহ আমাৰ

দৰে সাধাৰণ মানুহৰ ঘৰত ভাত খাবলৈ আহি কিয় সময়ৰ অপব্যয় কৰিব। সেইবোৰ আশা বাদ দিয়াই ভাল।" মাক মীনাক্ষীৰ কথাষাৰে কিন্তু দিলীপ, মানসী আৰু বাসবীৰ উৎসাহত চেচাপানী ঢালিব নোৱাৰিলে। মানসীয়ে কলে তেখেতে আমাক ভাল পায়, আমাৰ ঘৰৰ নিমন্ত্ৰণ নিশ্চয় ৰক্ষা কৰিব। আমাক নিৰাশ নকৰে, মা।' তথাপিও মাকৰ পৰা সিহঁতে বিশেষ একো সহাৰি নেপালে। মাকে ডঃ অবিনাশ বৰুৱাক ভাল নোপোৱাৰ কোনো কাৰণেই সিহঁতে বিচাৰি উলিয়াব নোৱাৰিলে। মাকৰ পৰা কোনো ধৰণৰ উৎসাহ নোপোৱা স্বত্বেও, পিছদিনা ডঃ অবিনাশ বৰুৱাক ভাত খাবলৈ মতাৰ সিদ্ধান্ত হ'ল। অঞ্জন শৰ্মাৰ লগতে মানসী, বাসবী আৰু দিলীপ আহি হোটেল ব্ৰহ্মপুত্ৰ পাই ডঃ অবিনাশ বৰুৱাক লগ ধৰিলেহি। পিছদিনা ডঃ অবিনাশ বৰুৱাৰ ৰাজ ভৱনত নিমন্ত্ৰণ থকাৰ কাৰণে, তাৰ পিছৰ দিনা ৰাতি অঞ্জন শৰ্মাৰ ঘৰত ভাত খোৱাৰ নিমন্ত্ৰণ গ্ৰহণ নকৰিবলৈ তেওঁ কোনো থল বিচাৰি নেপালে।

মীনাক্ষীৰ এটা ক্ষীণ আশা আছিল যে সময়ৰ অভাৱতেই হওক বা আন কিবা অজুহাতত ডঃ অবিনাশ বৰুৱাই তেওঁলোকৰ ঘৰত নিমন্ত্ৰণ গ্ৰহণ কৰিবলৈ সক্ষম নহ'ব। কিন্তু মীনাক্ষীৰ সেই আশা চূড়মাৰ হৈ গ'ল যেতিয়া দিলীপ আৰু মানসী আৰু বাসবীয়ে গাড়ীৰ পৰা নামিয়ে আনন্দত উৰুলীকৃত হৈ বাহিৰৰ পৰাই চিঞৰি চিঞৰি কলে 'মা মা, তেখেতে পৰহিলৈ আমাৰ ঘৰত ভাত খোৱাৰ নিমন্ত্ৰণ গ্ৰহণ কৰিছে; কি কি ৰান্ধিবা কোৱা।' কথাবোৰ মীনাক্ষীৰ কাণত ভালকৈ সোমোৱা নাছিল। তেওঁ কিছুপৰ থৰ লাগি ৰল, মাকে একো নেমাতি অন্যমনস্ক হোৱা দেখি বাসবীয়ে অধৈৰ্য্য হৈ কলে "মা কি ভাবিছা, কি কি ৰান্ধিবা, নোকোৱা কিয় সোনকালে।" মীনাক্ষীৰ সম্বিৎ ঘূৰি অহাত সুধিলে "কেতিয়া আহিব বুলি কলা, কালিলৈ ?" বাসবীয়ে ক'লে "নহয় মা, পৰহিলৈ।"

সেই ৰাতি ডঃ অবিনাশ বৰুৱা অঞ্জন শৰ্মাৰ ঘৰত ভাত খাবলৈ আহিব। ঘৰখন ভালকৈ সজাই পৰাই তোলাত সকলো ব্যস্ত হৈ পৰিল। সকলোৱে পৰামৰ্শ কৰি কি কি খুৱাব তাৰ এখন মেনু তৈয়াৰ কৰিলে। ডঃ অবিনাশ বৰুৱা বহুতদিন বিদেশত থকা মানুহ, গতিকে তেখেতৰ ড্ৰিংকচ কৰাৰ অভ্যাসো থাকিব পাৰে বুলি ভাবি অঞ্জন শৰ্মাই বিদেশী ড্ৰিংকচৰ বটল কেইটামানো জোগাৰ কৰিলে। ৰাতি আঠমান বজাত দিলীপৰে সৈতে আহি ডঃ অবিনাশ বৰুৱা অঞ্জন শৰ্মাৰ ঘৰ পালেহি। এক অজান আতঙ্কত মীনাক্ষীৰ বুকুখন কঁপি উঠাত হাতত থকা আইনাৰ গিলাচটো মাটিত পৰি ভাঙি থাকিল। ভঙা গিলাচৰ আইনাবোৰ একাষৰীয়াকৈ সাৰি থাকোতে মীনাক্ষীয়ে ভাবিছিল মানুহজনক ভাতসাজ খুৱাই যেনে তেনে পঠিয়াব পাৰিলেই ৰক্ষা। ৰাতিপুৱাৰে

পৰা মীনাক্ষীৰ গাটোও ভাল লাগি থকা নাছিল। মূৰটো ঘূৰাই থকাযেন পাই কবিৰাজী তেল অকমান মূৰতলৈহে বিচনাৰ পৰা উঠিব পাৰিছিল।

সুন্দৰকৈ সজাই থোৱা ঘৰটোত সোমাই ডঃ অবিনাশ বৰুৱাৰ ভাল লাগি গ'ল। মানুহঘৰৰ এটা উচ্চ খাপৰ ৰুচিবোধ থকা বুলি অনুমান কৰিলে। অঞ্জন শৰ্মাই তেওঁলোকৰ নতুন ঘৰটোৰ ইমূৰৰ পৰা সিমূৰলৈকে সকলোবোৰ কোঠা ডঃ অবিনাশ বৰুৱাক তন্ন তন্নকৈ দেখুৱালে। মীনাক্ষীও লগে লগে আছিল। ডঃ অবিনাশ বৰুৱাই বৰ মনোযোগেৰে ঘৰটো চাই অঞ্জন শৰ্মাক প্ৰশংসা কৰিলে। কিছুপৰ কথাবাৰ্ত্তাৰ পিছত অঞ্জন শৰ্মা আৰু ডঃ অবিনাশ বৰুৱাই সামান্য ড্ৰিঙ্কচ্ ও কৰিলে। ভাত খাবৰ হোৱাত অঞ্জন শৰ্মাই ডঃ অবিনাশ বৰুৱাক ডাইনিং ৰুমৰ পিনে আগবঢ়াই লৈ আহিল। মানসী, বাসবী আৰু দিলীপে টেবুলখনৰ এফালে আৰু আনফালে ওচৰা-ওচৰিকৈ বহিল অঞ্জন শৰ্মা আৰু ডঃ অবিনাশ বৰুৱা। ইটো সিটো বস্তু আগবঢ়াই দিবলগীয়া হব বুলি মাক মীনাক্ষী একেলগে টেবুলত নবহিল। প্ৰতিখন আঞ্জাই ভাল হোৱাত ডঃ অবিনাশ বৰুৱাই বেচ্ তৃপ্তিৰেই ভাত সাজ খোৱাত সকলোৱে বৰ আনন্দ পালে। ভাত পানী খাই উঠি তেওঁলোক আহি আকৌ ড্ৰইং ৰুমত বহিলহি। মানসী, বাসবী আৰু দীলিপো আহি ডঃ অবিনাশ বৰুৱাৰ লগত তেখেত আমেৰিকাত থকা কালৰ বিভিন্ন অভিজ্ঞতাৰ বিষয়ে জনিবৰ কাৰণে আলোচনাত লিপ্ত হ'ল। ডঃ অবিনাশ বৰুৱাই মুকলি মন আৰু আপোনভাৱ কৰি কথা বাৰ্ত্তা পতাত সিহঁতে বৰ ভাল পালে। অঞ্জন শৰ্মাইও মাজে মাজে সিহঁতৰ লগতে কথাত ভাগ লৈছিল। ৰাতি চাৰে দহমান বাজিলত ডঃ অবিনাশ বৰুৱাই তেওঁক ভাত খাবলৈ নিমন্ত্ৰণ কৰাৰ কাৰণে ধন্যবাদ জনাই বিদায় লবৰ কাৰণে সাজু হ'ল। অঞ্জন শৰ্মাৰ সুখী পৰিয়ালটো দেখি ডঃ অবিনাশ বৰুৱাই সঁচাকৈয়ে বৰ ভাল পালে। আকৌ এবাৰ অঞ্জন শৰ্মা আৰু মিচেচ শৰ্মাক ধন্যবাদ জনাই, দিলীপে ষ্টাৰ্ট দিব খোজা গাড়ীখনলৈ অবিনাশ বৰুৱা আগ বাঢ়িল। গাড়ীখনে শব্দ কৰি গেট পাৰহৈ আলবাটত উঠিলৈগে। অঞ্জন শৰ্মাই গেটখন বন্ধ কৰি মীনাক্ষী, মানসী আৰু বাসবীৰ সৈতে ঘৰৰ পিনে খোজ দিলে। তেওঁ মীনাক্ষীক কলে ডঃ অবিনাশ বৰুৱাই ভাত সাজ খাই বৰ ভাল পালে যেন লাগিল। মানুহজনে ইমান আপোনভাৱ কৰি কথা বাৰ্ত্তাও পাতিলে। আঞ্জাপাতি বোৰও বৰ ভাল হৈছিল।' বাসবীয়ে মাজতে মাত দিলে 'অ মা আজি আমাৰ ইমান ভাল লাগিল।' মীনাক্ষীয়ে কিন্তু একো উত্তৰ নিদি মনে মনে থাকিল। অঞ্জন শৰ্মাই আকৌ ক'লে কি হ'ল মীনাক্ষী নেমাতা কিয়, কি হৈছে।

'নাই মোৰ গাটো ভাল লগা নাই বুলি কৈ ঘৰ সোমায়েই চোফাখনত ঢলি

পৰিল। অঞ্জন শৰ্মা, মানসী আৰু বাসবীয়ে ধৰা ধৰি কৰি নি তেওঁক তেওঁৰ বিচনাখনত শুৱাই দিলেগৈ। টাবেল এখন ফ্ৰিজৰ ঠাণ্ডাপানীত তিয়াইলৈ মুখখন মচি দিলে। অঞ্জন শৰ্মা চিন্তিত হৈ পৰিল। ক্ষন্তেকতে তেওঁৰ মনৰ আনন্দ নাইকীয়া হৈ গ'ল। ডাক্তৰ মতাৰ কথা কোৱাত মীনাক্ষীয়ে আপত্তি কৰি কলে "নেলাগে, ডাক্তৰ মাতিব নেলাগে। নিতালমাৰি শুলে ৰাতিপুৱালৈ নিজেই ভাল লাগিব।" মানসী আৰু বাসবীয়ে ভাবিলে মাকে ৰাতিপুৱাৰে পৰা অকলে অকলে অতবোৰ কাম কৰাৰ কাৰণেই গাটো বেয়া লাগিব পায়। মীনাক্ষীয়ে একো খোৱাবোৱা কৰিবলৈকো মন নকৰিলে। মানসীয়ে জোৰ কৰাত হৰলিক্স অকমান মুখত দিলে। মানসী আৰু বাসবীয়ে মাকৰ হাত-ভৰি পিটিকি শুৱাবলৈ যত্ন কৰিলে। মাকৰ গাটো বেয়া লগা দেখি বাসবীৰ চকুৰ পানী ববলৈ ধৰিলে। মানসীয়ে তাইক সান্তনা দি কলে "এই বাসবী, তই এইবোৰ কি কৰিছ, মাৰ গা ৰাতিপুৱালৈ ভাল হৈ যাব। যা তই শুই থাকগৈ।" ইতিমধ্যে দিলীপে ডঃ আবিনাশ বৰুৱাক হোটেলত থৈ ঘূৰি আহি পালেহি। মাক বিচনাত পৰি থকা দেখি সি উচপ খাই উঠিল। "মাৰ আৰু' কি হ'ল।" মানসীয়ে কলে "মায়ে গাটো বৰ বেয়া লাগিছে বুলি কৈ বাহিৰৰ চকিখনতে ঢলি পৰিছিল। এতিয়া নিতাল মাৰি শুব খুজিছে।" কিছুপৰ পিছত মীনাক্ষীয়ে মানসী, বাসবী আৰু দিলীপক শুই থাকিবলৈ কলে "তহতে চিন্তা নকৰিবি; ৰাতিপুৱালৈ মই গা ভাল পাম।"

পিছদিনা বিচনাৰ পৰা উঠিও মাকে আন দিনাৰ দৰে কাম-কাজত হাত নিদিলে। কিবা এটা গভীৰ চিন্তাত নিমগ্ন। সেইদৰে কেবাদিনো পাৰ হৈ গ'ল। খোৱা বোৱা একোতে মন নবহা হ'ল। লাহে লাহে মনৰ বিষণ্ণতা কমাতকৈ বাঢ়িবলৈহে ধৰিলে। অঞ্জন শৰ্মাই ডাক্তৰৰ লগত পৰামৰ্শ কৰি ভাল চিকিৎসা কৰাৰ কথা চিন্তা কৰিলে। ডাক্তৰ আহি চাই চিতি দৰৱ পাতি দি গ'লহি। মীনাক্ষীয়ে কিন্তু দৰব খোৱাৰ প্ৰতি অলপো আগ্ৰহ দেখুৱা নাছিল। 'নাই, মোৰ একো হোৱা নাই, নিজে নিজেই ভাল হৈ যাব।' পণ্ডিত মাতি গ্ৰহদোষ আছেনেকি চোৱাই মেলি তাৰো প্ৰতিকাৰৰ ব্যৱস্থা ললে। কিন্তু একো লাভ নহ'ল। মীনাক্ষীৰ অৱস্থা দিনে দিনে বেয়াৰ ফালেহে গতি কৰিবলৈ ধৰিলে। এদিন মীনাক্ষীয়ে কিবা খণ্ডত মানসী আৰু বাসবীয়ে খেলা বেড্‌মিণ্টন চেট্‌টোত কেৰাচিন তেল ঢালি জুই লগাই দিলে। জুইকুৰা দপদপকৈ জ্বলি উঠিল। দিলীপ দৌৰ মাৰি আহি পানী এবাল্টি মাৰি জুইকুৰা নুমাই দিলেহি। চেটটো আধা পোৰা হৈ ৰ'ল। মীনাক্ষীৰ অন্তৰৰ জুইকুৰা কিন্তু নুমাই নগ'ল, দপদপকৈ জ্বলিয়েই থাকিল।

মেডিকেল কলেজৰ চাইকিয়াট্ৰিক বিভাগৰ মূৰ ডাক্তৰ জনকো অনাই

মীনাক্ষীক দেখুৱা হ'ল । কোনো ধৰণৰ চিকিৎসাই একো ফল নধৰিলে । লাহে লাহে তেওঁ আৰু বেছি জলকা লাগিবলৈ ধৰিলে । আত্মহত্যা কৰাৰ বাহিৰে ভুগি থকা যন্ত্ৰণাৰ পৰা মুক্তি পোৱাৰ আন উপায় নাই বুলি আৰু মীনাক্ষীৰ বুজিবলৈ বাকী নেথাকিল । ঘৈণীয়েকৰ অৱস্থা দেখি অঞ্জন শৰ্মাৰ মন ভাগি পৰিল । বিয়াৰ দিন ধৰি অঞ্জন শৰ্মাই মীনাক্ষীৰ লগত এখন সুখ আৰু আনন্দেৰে ভৰা সংসাৰ কৰি আহিছে । তেওঁলোকৰ বিবাহিত জীৱনৰ সুখ আনৰ ঈৰ্ষাৰ কাৰণ হৈ পৰিছিল । এটা পৰিয়ালকেই যেন ঈশ্বৰে সকলো ধৰণৰ সুখ মুক্তহস্তে ঢালি দিছিল । মাক মীনাক্ষীৰ মানসিক বিকাৰে গোটেই ঘৰখন অশান্তিময় কৰি থানবান কৰি পেলালে । ঘৰখনত কাৰো মুখত হাঁহি নোহোৱা হ'ল । দিন যিমানেই গৈছে মীনাক্ষী সিমানেই যেন মৃত্যুৰ ওচৰ চাপি গৈছে । বিভিন্ন মঠমন্দিৰত দিয়া পূজা পাতল, আৰু বেজ-বেজালি, ডাক্তৰী চিকিৎসা একোৰেই পৰা কোনো ফল পোৱা নগ'ল । মীনাক্ষীয়ে চাৰিউপিনৰ পৰা অন্ধকাৰ নামি অহা দেখিবলৈ পালে । মাজে মাজে অন্তৰখনে হাঁহাকাৰ কৰি উঠে– হে ভগবান মোক আৰু মনোকষ্ট নিদিবা মোক পৰিত্ৰাণৰ উপায় দিয়া । অঞ্জন শৰ্মাৰ ঘৈণীয়েক মীনাক্ষীয়ে ভালদৰে উপলব্ধি কৰিছিল যে আত্মহত্যা কৰাটোও সিমান সহজ কথা নহয় । গিৰিয়েক আৰু ল'ৰাছোৱালী কেইটাৰে সুন্দৰকৈ গঢ়ি উঠা সোণৰ সংসাৰখন অকালতে এৰি তেওঁ ইহ সংসাৰৰ পৰা বিদায় লব নোখোজে । কিমান যত্ন কৰি মীনাক্ষীয়ে নিজৰ নতুন ঘৰখন সজাই পৰাই তুলিছিল । নিজহাতে ৰোৱা ইন্দ্ৰমালতী ফুলবোৰ কি ধৰণে ৰমক জমক কৰি ফুলিবলৈ ধৰিছে । মীনাক্ষীয়ে আৰু কিমান ৰঙীন সপোন দেখিছিল । এদিন মানসী ও বাসবীৰ বিয়া হ'ব ; সেই বিয়ালৈ মীনাক্ষীৰ কিমান হেপাহ ।

দিলীপলৈকো এজনী ছোৱালী বিয়া কৰাই আনি নিজৰ মনৰ জোখাৰে শিকাই বুজাই বোৱাৰী কৰি লব । তেওঁৰ অবিহনে ঘৰখন কোনে চাব । জলকামাৰি বহি থাকি হঠাতে মৰহি যাব খোজা জীৱনটোৰ কথা পাগুলি থাকে । চিন্তা আৰু সমিধানৰ যেন ওৰ নাই । কটন কলেজৰ প্ৰিন্সিপালে কলে বুলিয়েই ৰুমা মজুমদাৰে ভৰিত দুখ পাই পৰি যোৱাৰ পিছত, কাৰ অভিশাপত অবিনাশ বৰুৱাৰ লগত সেইদিনা মিক্সড্ ডাবলৰ্চৰ পাৰ্টনাৰ হৈ বেড্‌মিণ্টনৰ ফাইনেল খেলাখনৰ বিজয়ী হোৱাৰ গৌৰৱ অৰ্জন কৰিবলৈ আগবাঢ়ি গৈছিল । তাইক সেইদিনা কিহে পাইছিল । কিহে তাইক সেইদিনা অবিনাশ বৰুৱাৰ ওচৰ চাপি যোৱাত হাত বাউলি দি মাতিছিল । কিয় তাই সেইদিনা অবিনাশ বৰুৱাৰ আৰ্কষণৰ পৰা নিজকে বাধা দি ৰাখিব নোৱাৰিলে । অবিনাশ বৰুৱা আমেৰিকাৰ নাগৰিক হৈ তাতে চিৰস্থায়ীভাৱে থাকি যোৱা বুলি শুনি মীনাক্ষী

নিশ্চিন্ত হৈ আছিল, কিন্তু কি অভাৱনীয়ভাৱে সেইজন মানুহ ধূমকেতুৰ দৰে তেওঁলোকৰ মাজত আৱিৰ্ভাৱ হ'লহি। জীয়েক মানসীৰ ওপৰতো মীনাক্ষীৰ খং উঠিছিল। তাইক সেইদিনা বাহুত আহিবলৈ কিহে পাইছিল। দেউতাকে তাইক প্লেনত যাবলৈহে কৈছিল। বাৰে বাৰে চিন্তা কৰি চাই মীনাক্ষীয়ে আত্মহত্যাৰ বাহিৰে আন সিদ্ধান্তলৈ আহিবৰ উপায় বিচাৰে। প্ৰতিটো সঙ্কটৰে একোটা বিকল্প থাকে। মীনাক্ষীৰো আন এটা পথ আছিল, কিন্তু সেইটো আত্মহত্যাতকৈ বেছি ভয়াবহহে। মাজৰাতি কেতিয়াবা চকামকা টোপনিৰ পৰা সাৰ পাই তেওঁক যন্ত্ৰণা দি থকা সমস্যাটো মাথোন এটা মনৰ ভ্ৰান্তি বা দুস্বপ্ন বুলি মনতে ক্ষন্তেক শান্তি পায়। কিন্তু পিচমুহূৰ্ত্ততে সেইটো এটা এৰাই যাব নোৱাৰা জীৱন্ত বাস্তৱ বুলি উপলব্ধি কৰি মন কোচ খাই আতঙ্কতে বুকুখন কপি কপি নোমবোৰ শিয়ঁৰি উঠি ডাল ডাল হয়, মুখ শুকাই যায়। উপায়হীন হৈ আত্মহত্যাৰ পথ বিচাৰিবলৈ ধৰে। কি যন্ত্ৰণাত মানুহে গাত জুই লগাই, চীপজৰীলে, ৰেলৰ আগত পৰি আত্মহত্যা কৰে সেই কথা মীনাক্ষীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিবলৈ ধৰিলে। কেবাদিনো বিভিন্ন ধৰণে আত্মহত্যা কৰাৰ সঙ্কল্প কৰি শেষ মুহূৰ্ত্তত সাহস গোটাব নোৱাৰি পিছ হুঁহকি আহিবলগীয়াত পৰিছিল। পুনৰ নতুন সুযোগৰ কাৰণে অপেক্ষা কৰে। নাই আৰু বিলম্ব কৰিব নোৱাৰি। এইবাৰ মীনাক্ষী দৃঢ় সঙ্কল্প। ৰূঢ় বাস্তৱৰ লগত সংঘৰ্ষ কৰি কৰি অৱশেষত মীনাক্ষীয়ে পৰাজয় স্বীকাৰ কৰিলে। মাজৰাতি ঘৰখন নিজান নিস্তব্ধ। বাহিৰত আউসীৰ ঘোপমৰা আন্ধাৰ আৰু কিনকিনিয়া বৰষুণ। মীনাক্ষীয়ে হাতত সাৰে ভৰিত সাৰে বিচনাৰ পৰা উঠি আহি চকি এখনৰ ওপৰতে থিয় হ'ল। চাদৰ এখনেৰে ফেন খনত বান্ধি ডিঙিত খোৰোচা গাঁঠি এটা দি টেবুলখনৰ ওপৰৰ পৰা জাপ মাৰিবৰ উপক্ৰম কৰোতেই কোনোবাই 'মা' বুলি মতা যেন পালে। সেইয়া বাসবীৰ মাত। তাই কেনেবাকৈ সাৰ পালেনেকি? মীনাক্ষীয়ে কাণ থিয় কৰি কিছুপৰ ৰ'ল। নাই কোনেও সাৰ পোৱা নাই। গহীন ৰাতিৰ নিস্তব্ধতাহে অনুভৱ কৰিলে। শেষবাৰৰ কাৰণে বাসবীক এবাৰ চাই লবৰ মন গ'ল। মীনাক্ষী ধীৰে ধীৰে আহি বাসবী শোৱা কোঠাটো পালেহি। আঠুৱাখন ডঙাত বাসবীয়ে সাৰ পাই টোপনি জালতে কলে "মা তুমি মোৰ লগত শুবলৈ আহিছানেকি? আহা মা, আজি তুমি মোৰ লগত শোৱা। কতদিন তুমি মোৰ লগত শোৱা নাই।" বাসবীয়ে মাকক সাৱট মাৰি ধৰাৰ লগে লগেই পুঞ্জীভূত শোকে মীনাক্ষীক খুন্দা মাৰি ধৰাত সৰ সৰ কৰে চকুপানী বৰলৈ ধৰিলে। বাসবীক সাবটি ধৰি বহুত সময় কন্দাৰ পাছত মীনাক্ষীৰ মনটো পাতল লাগিল। বাসবীৰ গাত হাত বুলাই মৰম কৰি দিবলৈ ধৰিলে। বাসবীৰ সংস্পৰ্শলৈ অহাৰ লগে লগেই সংসাৰৰ মায়াজালে মীনাক্ষীক

আকৌ আবৰি ধৰিলেহি। এখন ভৰি ঘূণীয়া বাসবীক এৰি মীনাক্ষীয়ে কোনোমতেই আত্মহত্যা কৰিব নোৱাৰে, ই অসম্ভৱ। বাসবীক বুকুৰ মাজত সাবটি ধৰি এটা বিকল্প সিদ্ধান্তলৈ আহিব পৰাত আত্মহত্যাৰ আতঙ্ক মীনাক্ষীৰ মনৰ পৰা আতৰ হ'ল। বহুতদিনৰ মূৰত শেষৰাতিৰ পিনে মীনাক্ষীৰ ভাল টোপনিও গ'ল।

পিছদিনা পুৱা শুই উঠি মীনাক্ষীয়ে পূৰ্বৰ দৰে কাম-কাজত হাত দিলে। মীনাক্ষী সুস্থ হৈ পৰা দেখি অঞ্জন শৰ্মাৰ মনলৈ শান্তি ঘূৰি আহিল। ঘৰখন স্বভাৱিক হৈ পৰিবলৈ ধৰিলে। মীনাক্ষীয়ে ধনাত্মক গতিৰ চিন্তা কৰিবলৈ আৰম্ভ কৰিলে। মনলৈ নতুন সাহস ঘূৰি আহিল। অঞ্জন শৰ্মাই মন কৰিলে যে মীনাক্ষী সুস্থ হৈ পৰিল যদিও আগতকৈ গহীন হ'ল। কথাবাৰ্তা কম কয় আৰু কিবা এটা গধুৰ চিন্তা কৰি থাকে। মীনাক্ষীয়ে চিন্তা কৰি সমাধান পাইছিল যে বিবেকৰ দংশনত দেই পুৰি মৰাতকৈ গিৰিয়েকৰ আগত সকলো কথা খুলি কোৱাই শ্ৰেয়।

কেইদিনমান ভাবিচিন্তি মীনাক্ষীয়ে কথাখিনি জুকিয়াই লবলৈ ধৰিলে। সকলোবোৰ পুৰণি কথাই মীনাক্ষীৰ জলজল পটপটকৈ মনলৈ আহিলে। কটন কলেজৰ বছৰেকীয়া ক্ৰীড়া প্ৰতিযোগিতাৰ বেডমিণ্টনৰ মিক্সড্ ডবলচ্ খেলখনৰ ফাইনেল খেলখন চলি থাকোতে অবিনাশ বৰুৱাৰ পাৰ্টনাৰ ৰুমা মজুমদাৰে দুৰ্ঘটনাক্ৰমে ভৰিত দুখ পাই মাটিত বাগৰি পৰিছিল। খেলখন যাতে সম্পূৰ্ণ হয় তাৰ কাৰণে প্ৰিন্সিপালে আন এজনী খেলিব জনা ছোৱালী আগবাঢ়ি আহিবলৈ কেবাবাৰো কোৱাত মীনাক্ষী অবিনাশ বৰুৱাৰ পাৰ্টনাৰ হবলৈ আগবাঢ়ি আহি সেইদিনাৰ ফাইনেল খেলখনৰ চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিব পাৰিছিল। খেলৰ যোগেদি হোৱা চিনাকিৰ পিছত অবিনাশ বৰুৱাই মীনাক্ষী আৰু ৰুমা দুয়োজনী ছোৱালীকে বিশেষ মৰমৰ চকুৰে চাবলৈ ধৰিলে। সিহঁতক দেখিলে অবিনাশ বৰুৱাই যে ভাল পাই সেই কথা ৰুমা আৰু মীনাক্ষীয়ে সহজতেই ধৰিব পাৰিলে। কেণ্টিনত চাহ খাওঁতে লগ পালে অবিনাশ বৰুৱাই নিজৰ টেবুলখনলৈ মাতি নি একেলগে চাহ খাই; পইছাও সদায় নিজেই দিয়ে। সিহঁত দুজনীয়েও অবিনাশক লগ পালে ভাল পায়। অবিনাশ বৰুৱাৰ লগত সিহঁতদুজনীৰ গঢ়ি উঠা সম্বন্ধ দেখি লগৰ ছোৱালীবোৰৰ সিহঁতলৈ ঈৰ্ষা নোহোৱাকৈ থকা নাছিল। কলেজৰ ছোৱালীবোৰৰ মনৰ পৰশমণি আদৰ্শবান আৰু খেলুৱৈ সুলভ মনোবৃত্তিৰ কীৰ্তিমান ছাত্ৰ অবিনাশ বৰুৱাৰ কাষ চাপি কথা এষাৰ পাতি চাহ একাপ খাবলৈ সকলোছোৱালীয়েই আগ্ৰহ কৰে। কিন্তু সিহঁতৰ সেই সুযোগ নিমিলিল। অবিনাশ বৰুৱা লাজকুৰীয়া, গতিকেই চিনাকি বুলি কলেজৰ ছোৱালীৰ ভিতৰত

কেৱল ৰুমা আৰু মীনাক্ষীৰ লগতহে আন্তৰিকতা গঢ়ি উঠিছিল।

অবিনাশে গুৱাহাটী বিশ্ববিদ্যালয়ত এম, এচ, চি পঢ়ি থকাৰ সময়তো বাটে-পথে বা ৰেষ্টোৰাত ৰুমা আৰু মীনাক্ষীক মাজে-সময়ে লগ পায়। তেওঁ সাধাৰণতে যিখন দোকানত বহি চাহ খাই ভাল পাই সেই কথা ৰুমা আৰু মীনাক্ষী দুয়ো জানিছিল। ৰেষ্টোৰাত লগ পালে অবিনাশে সুধিছিল– "কি খাবা মীনাক্ষী, কাটলেট, চপ্ নে অমলেট্।" কেতিয়াবা ৰুমা আৰু মীনাক্ষী দুয়োজনীকে একেলগে ৰেষ্টোৰাত লগ পালেও তিনিও মিলি কিবা-কিবি খায়। আড্ডামাৰি নানা ধৰণৰ কথা পাতে। মাজে মাজে হাঁহিৰ ৰোল উঠে। এদিন চাহ খাই ৰেষ্টোৰাৰ পৰা ওলাই আহোতে ৰুমাই মীনাক্ষীক কৈছিল– "এই মীনাক্ষী, সদায় অবিনাশদাই পইচা দিলে মোৰ দেখোন বৰ লাজ লাগে। এদিন আমি পইচা দিম দেই।" মীনাক্ষীয়ে ক'লে– "মই কেইবাবাৰো পইচা দিবলৈ চেষ্টা কৰি লাজহে পাইছিলো। মানুহজনে এবাৰ 'ওহো' বুলি ক'লে কাৰো পইচা দিয়াৰ সাধ্য নাই। আন কথাত যেনেকৈ মনটো উদাৰ, পইচা খৰছতো তেনেকুৱাই অ'।" আন এদিনৰ কথা মীনাক্ষী আৰু অবিনাশ বৰুৱাই ৰেষ্টোৰাত বহি কফি আৰু কাটলেট খাই আছিল। অবিনাশে খাই থকা কাটলেটটোৰ পৰা এটুকুৰা ভাঙি নি মীনাক্ষীয়ে নিজৰ মুখত ভৰাই দিলে। মীনাক্ষীৰ কাণ্ড দেখি অবিনাশে উচ্চস্বৰে ক'লে 'ইচ ইচ মীনাক্ষী' মীনাক্ষীয়ে হা-হা কৰি হাঁহিবলৈ ধৰি ক'লে– 'বৰ মিঠা অবিনাশদা।'

কোনোবা এদিন ৰুমা আৰু মীনাক্ষী ৰেষ্টোৰাৰ পৰা চাহ খাই ওলাই আহোতে মীনাক্ষীয়ে ৰুমাক কৈছিল– 'বুজিছা ৰুমা মই অবিনাশদাক কিমান ভাল পাও সেই কথা বোধহয় তেওঁ নেজানে।' মীনাক্ষীৰ কথাষাৰ শুনি এক মিশ্ৰিত প্ৰতিক্ৰিয়াত ৰুমাৰ মুখখন ৰঙা-চঙা পৰি গৈছিল। ৰুমা নিৰ্বাক হৈ মনৰ ভাৱ মনতে সামৰি ৰাখিলে।

ৰুমা লাজকুৰীয়া কাৰণে পিছ পৰি ৰ'ল। এদিন মৰসাহ কৰি মীনাক্ষীয়ে অবিনাশ বৰুৱালৈ এখন চিঠি দিলে। চিঠিখন পোৱাৰ কিছুদিনৰ পিছত অবিনাশে মীনাক্ষীক লগ পাওতে ক'লে– "মীনাক্ষী তোমাৰ চিঠিখন পাই ভাল পালো ; কিন্তু মই হ'লে উত্তৰ নিদিও বেয়া নেপাবা।"

মীনাক্ষী আচৰিত হ'ল যিদিনা তাইৰ মতামত নোলোৱাকৈয়ে দেউতাকে বিয়াখন ঠিক কৰি পেলোৱা বুলি জানিব পাৰিলে, তাইৰ মূৰত আকাশী স্বৰগ ভাগি পৰিল। খঙে-কোপে জৰ্জৰিত হৈ মনৰ স্থিৰতা হেৰুৱাবলৈ ধৰিলে। ওহো তাই সেই বিয়াত কেতিয়াও সন্মতি নিদিয়ে। পৃথিবীখন জ্বলি-পুৰি চাৰখাৰ হৈ গ'লেও যাওক। এই বিয়া কেতিয়াও হ'ব নোৱাৰে। অবিনাশৰ এম, এচ, চি পৰীক্ষা আৰম্ভ হোৱাৰ পোন্ধৰ দিনমান আগতে তাইৰ বিয়া ঠিক

হোৱাৰ খবৰটো জানিব পাৰিছিল। পৰীক্ষাত ব্যাঘাত জন্মে বুলি অবিনাশৰ পৰীক্ষা শেষ হোৱা দিনটোৰ কাৰণে অধীৰ হৈ তাই বাট চাবলগীয়া হ'ল। শেষ পৰীক্ষাৰ দুদিন আগতে নিৰ্ভৰযোগ্য সূত্ৰে মীনাক্ষীয়ে অবিনাশলৈ খবৰ পঠালে যে শেষপৰীক্ষাৰদিনা আবেলি তাই অবিনাশ বকৱাক হোষ্টেলত লগ পাব। অবিনাশে শেষ পৰীক্ষাটো দি আহি ঘৰলৈ যাবৰ কাৰণে যো-জা কৰি দুই-এটা বস্তু বান্ধি বাকচত ভৰাই আছিল। আটাইবোৰ বিষয়তে তাৰ পৰীক্ষা আশানুৰূপ হোৱাত মনটো প্ৰফুল্লিত হৈ আছিল। হোষ্টেলৰ প্ৰায়বোৰ ল'ৰাই ইতিমধ্যে ঘৰলৈ গ'ল। হোষ্টেলটো নিজান হৈ পৰাত সি বৰ অকলশৰীয়া বোধ কৰিলে। লগৰ ল'ৰাবোৰ নেথাকিলে হোষ্টেলটোত থাকিবলৈ ইমান বেয়া লাগে, অবিনাশে মনতে ভাবে। পিছদিনা অৱশ্যে সি নিজেও হোষ্টেল এৰি সেই নিজান পৰিবেশৰ পৰা মুক্তি পাব। মীনাক্ষী আহিব বুলি কথাষাৰ তাৰ মনলৈ আহিল। অবিনাশে ভাবিলে মীনাক্ষীয়ে নিশ্চয় তাৰ পৰীক্ষা কেনে হ'ল সেই বিষয়ে খবৰ ল'বলৈ আহিব খুজিছে। ঠিক তেনেতে দুৱাৰখন মেলি মীনাক্ষী সোমাই পুনৰ দুৱাৰখন ভালকৈ বন্ধ কৰি দিলে। তাই আহি অবিনাশৰ পঢ়া টেবুলৰ লগতে থকা চকিখনতে বহিলেহি।

পৰীক্ষা কেনে হ'ল সেই বিষয়ে জানিব খোজাত অবিনাশে ক'লে "পৰীক্ষা ভাল হৈছে বুলিয়েই ভাবো, মীনাক্ষী, কিন্তু ৰিজাল্টৰ কথাটো একো ক'ব নোৱাৰি।" মীনাক্ষীয়ে অবিনাশৰ পৰীক্ষা ভাল হোৱা বুলি জানি আনন্দ প্ৰকাশ কৰিলে "মই জানো অবিনাশদা আপুনি ফাৰ্ষ্টক্লাছ পাবই।" এইদৰে দুই-এটা কথা-বাৰ্তা পতাৰ পিছত তাই অবিনাশক জানিবলৈ দিলে যে দেউতাকে তাইৰ বিয়া ঠিক কৰিছে। অবিনাশে বিয়াৰ সংবাদটো শুনি ক'লে– "ভাল খবৰ আনিছা মীনাক্ষী; তোমাৰ বিয়ালৈ মই নিশ্চয় যাম।" মীনাক্ষীৰ খং উঠি উষ্মামিহলি কণ্ঠেৰে ক'লে "নেমাতিলেও যাবনে? মইতো আজি আপোনাক বিয়ালৈ নিমন্ত্ৰণ কৰিবলৈ অহা নাই। এই বিয়াত মোৰ মত নাই; তাকেহে আপোনাক জনাবলৈ আহিছো। মোৰ মতামত নোলোৱাকৈ ঠিক কৰা বিয়াত মই কেতিয়াও সম্মতি নিদিওঁ।"

অবিনাশে মীনাক্ষীক বুজাবলৈ যত্ন কৰিলে– "মীনাক্ষী তুমি তেনে কাম নকৰিবা। তোমাৰ দেউতাৰাই মনত বৰ আঘাট পাব। তেখেত লাঞ্ছিত হ'ব, তেখেতৰ মান-সন্মান সকলো ধূলিষ্যাত হৈ যাব। নিজৰ দেউতাকে জানো জীয়েকৰ অহিত চিন্তা কৰিব পাৰে।"

মীনাক্ষীয়ে সজোৰে উত্তৰ দিলে– "অবিনাশদা আপুনি কথাটো অতি সহজভাৱে লৈছে। এখন বিয়া সাধাৰণ বস্তু নহয়। যিজন মানুহৰ লগত গোটেই জীৱনটো কটাব লাগিব সেইজন মানুহ মই নিজে বাছি লোৱাৰ

মৌলিক অধিকাৰ মোৰ পৰা কোনেও কাঢ়ি নিব নোৱাৰে। মোৰ লগত বিয়া হ'ব খোজা মানুহজনক মই ভাল পোৱা-নোপোৱাৰো এটা কথা আছে নহয়। মই শিক্ষিতা ছোৱালী, অপৰিচিত মানুহ এজনৰ লগত কোনোবাই বিয়াত বহ বুলিলেই মই সেই বিয়াত বহিমনে ? মোৰোতো এটা নিজৰ মন আছে।"

অবিনাশে সুধিলে "মীনাক্ষী তুমি তেন্তে এতিয়া কি কৰিবলৈ বিচাৰা ? মই তোমাক এই বিষয়ে কি ধৰণে সহায় কৰিব পাৰো।"

মীনাক্ষী ওচৰ চাপি আহি কিছুপৰ উচুপি-উচুপি অবিনাশৰ গাত হাউলি পৰি ক'লে– "অবিনাশদা মই আপোনাক ভাল পাও ; আপোনাৰ বাহিৰে আন কাৰোবাক বিয়া কৰোৱাৰ কথা মই ভাবিবই নোৱাৰো।"

অবিনাশে চিঞৰি উঠিল "অসম্ভৱ মীনাক্ষী, তুমি সেই কথা কেতিয়াও নেভাবিবা। মই তোমাক বিয়া কৰাম সেই ভাৱ মোৰ মনলৈ কেতিয়াও অহা নাছিল। তোমাৰ লগত মোৰ বিয়া কেতিয়াও হ'ব নোৱাৰে।"

"অবিনাশদা মই আন একো কথা বুজি নেপাও ; মই মাত্ৰ ইয়াকে জানো যে মই আপোনাক ভাল পাও। মোৰ ধাৰণা আপুনিও মোক ভাল পায়।"

"তোমাৰ প্ৰতি মোৰ মৰম নাই বুলি ক'ব খোজা নাই, মীনাক্ষী, কিন্তু তোমাক মইযে বিয়া কৰাম বা কেতিয়াবাকৈ মইও এজনী ছোৱালী বিয়া কৰাব লাগিব সেইবোৰ কথা বৰ্তমান মোৰ সমূলি মনলৈ অহা নাই। বিয়া বস্তুটো মোৰ কল্পনাৰ বাহিৰৰ। তুমি যে তেনে এটা ভাৱ পোষণ কৰি আছিলা সেই কথাও মই বুজা নাছিলো। বেডমিণ্টন খেলাৰ যোগেদি ৰুমা আৰু তোমাৰ লগত মোৰ চিনাকি হয়। তোমালোক দুয়োকো মই ভাল পাও, মৰম কৰো ; সেই বুলি তোমালোক কোনোবা এজনীৰ লগত মোৰ বিয়া হোৱাৰ কথা মই চিন্তা কৰা নাছিলো। মোক ভুল নুবুজিবা, মীনাক্ষী। ইয়াৰ উপৰিও মোৰ মামা-মামীৰ মতামত নোলোৱাকৈ মই কাকো বিয়া কৰাম বুলি সন্মতি দিব নোৱাৰো। তেনে কাৰ্যই তেখেতসকলক অপমান কৰা হ'ব। সেই কাম মই কেতিয়াও কৰিব নোৱাৰো। তোমাৰ কাৰণে বিয়াখন যেনেকৈ এটা জীৱনৰ ডাঙৰ কথা, মোৰ কাৰণেও ঠিক তেনেকুৱাই। স্ত্ৰী-পুৰুষৰ বন্ধুত্বই যে প্ৰেম আৰু বিবাহেই যে সেই প্ৰেমৰ পৰিসমাপ্তি, সেই কথা মই বুজিব পৰা নাছিলো।

অবিনাশৰ কথাবোৰ তাই কাণপাতি শুনি গ'ল। তাই আকৌ আৰম্ভ কৰিলে। "প্ৰেম, ভালপোৱাই, কোনো যুক্তি নামানে অবিনাশদা, গতিকে আপোনাৰ কোনো ধৰণৰ যুক্তিয়েই আপোনাক ভালপোৱাৰ পৰা মোক বাধা দি ৰাখিব নোৱাৰে।"

কিন্তু অবিনাশ অলৰ-অচৰ হৈয়েই ৰ'ল। তেওঁ মাত্ৰ মীনাক্ষীক বাৰে বাৰে

উপদেশ দিয়ে- "মীনাক্ষী দেউতাৰৰ মতামতক উপেক্ষা নকৰিবা। তেখেতক অপমান কৰাৰ অধিকাৰ তোমাৰ নাই। তেখেত তোমাৰ পৰম শুভাকাংক্ষী।"

কিছুপৰ বৈ মীনাক্ষীয়ে মনত প্ৰবল সাহস গোটাই অবিনাশক ক'লে- "ঠিক আছে তেন্তে অবিনাশদা, আপোনাৰ ইচ্ছা অনুসৰিয়েই দেউতাই ঠিক কৰা বিয়াতেই মই সন্মতি দিম, কিন্তু আপোনাক যে মই ভাল পাইছিলো তাৰ এটা স্বাক্ষৰ লৈহে আপোনাৰ ওচৰৰ পৰা যাম।"

মীনাক্ষীৰ কথাটো বুজিব নোৱাৰি অবিনাশে ক'লে- "তোমাৰ কথা মই একো বুজা নাই মীনাক্ষী। কি স্বাক্ষৰৰ কথা কৈছা।"

ক্ষন্তেক বৈ কেবাবাৰো সেপ ঢুকি মীনাক্ষীয়ে ক'লে- "যদি বুজা নাই অবিনাশদা মই বুজাই কও শুনক, কিন্তু মোক বিমুখ নকৰিব- আপোনাৰ যোগেদি মোক এটা সন্তান লাগে। এই পৃথিবীত আৰু কোনেও নেজানিব যে সেই সন্তান আপোনাৰ। আৰু সমাজ সমাজ হৈয়েই থাকিব, কিঞ্চিতো ব্যতিক্ৰম নহয়।"

অবিনাশৰ গাত যেন বজ্ৰপাতহে পৰিল। "নাই, নাই মীনাক্ষী এইবোৰ মহা পাপ, এনে মহা পাপত মই কেতিয়াও লিপ্ত হ'ব নোৱাৰো। মোক কলঙ্কিত কৰিবলৈ চেষ্টা নকৰিবা। ছিঃ মীনাক্ষী ইমান ঘৃণনীয় কথা তোমাৰ মুখৰ পৰা কেনেকৈ ওলাইছে।"

বিচলিত নহৈ মীনাক্ষীয়ে আৰম্ভ কৰিলে- "অবিনাশদা, অলপ হ'লেও মোৰ প্ৰতি আপোনাৰ মৰম আৰু দুৰ্বলতা যে আছে সেই কথা আপুনি নুই কৰিব নোৱাৰে। আপোনাৰ মোৰ প্ৰতি থকা অকমাণ স্নেহেই মোৰ অন্তৰত কিমান প্ৰচণ্ড প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে, কিমান দঁকে সাঁচ বহুৱাইছে সেই কথা আপুনি অকণো বুজিবলৈ চেষ্টা কৰা নাই। মোৰ প্ৰতি থকা মৰমৰ চিন স্বৰূপে আপোনাৰ মাত্ৰ এটা ৰাতি মোক সম্পূৰ্ণকৈ এৰি দিয়ক। সেই এটি মধুৰ ৰাতিৰ স্মৃতিৰেই মই জীৱনৰ বাকী দিনবোৰ পাৰ কৰিব পাৰিম। মই কথা দিছো অবিনাশদা মই কেতিয়াও আৰু এই জীৱনত আপোনাক আমনি নিদিও। মাত্ৰ আজি ৰাতিটো মোক এৰি দিয়ক। মই ভিক্ষা খুজিছো, অবিনাশদা- মোক ভিক্ষা, ভি........ক্ষা দিয়ক।"

মীনাক্ষী আৰু স্থিৰ হৈ থাকিব নোৱাৰিলে। তাই মাটিত বহি পৰি বিচনাখনত বহি থকা অবিনাশৰ আঠু দুটাৰ মাজত মূৰটো সুমুৱাই কান্দিবলৈ ধৰিলে।

ইমানতো অবিনাশ বিচলিত নহৈ ক'লে- "মই ভিক্ষা দিবলৈ অপৰাগ মীনাক্ষী। সেই দিশত মই এখোজো আগবাঢ়িব নোৱাৰো। নিজক ধ্বংস কৰিবলৈ চেষ্টা নকৰিবা।"

অবিনাশৰ উপদেশ নেওচি মীনাক্ষীয়ে কাতৰ হৈ ক'লে– "যদি সেয়েই আপোনাৰ শেষ সিদ্ধান্ত তেন্তে মই হোষ্টেলৰ ওপৰ তলাৰ পৰা জাপ মাৰি এই মুহূৰ্ততে আত্মহত্যা কৰিম।"

অবিনাশে নানাধৰণে মীনাক্ষীক বুজাবলৈ ধৰিলে। কিন্তু তাই একোকে নেমানে। 'পাপ-পুণ্য বুলি পৃথিৱীত একো বস্তু নাই, অবিনাশদা ; মই সেইবোৰ বিশ্বাস নকৰো। মোক আপোনাৰ অকণ মৰম দিয়ক।' সেই ভয়াবহ পৰিস্থিতিৰ পৰা ৰক্ষা পোৱাৰ উপায় বিচাৰিবলৈ ধৰিলে অবিনাশে। সন্ধ্যা তাৰ হোষ্টেলৰ কোঠাৰ ভিতৰত এজনী ছোৱালী সোমাই থকা অৱস্থাত আন কাৰো সহায় সি বিচাৰিব নোৱাৰে। আউলী-বাউলী হৈ থকা এজনী গাভৰু ছোৱালী অবিনাশৰ কোঠাত থকা বুলি প্ৰচাৰ হ'বলৈ হ'লে তাৰ নিজৰ উপৰিও মীনাক্ষীৰ জীৱন সম্পূৰ্ণ ধ্বংস হৈ যাব। বিশ্ববিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ দুৰ্নাম গোটেই অসমত বিয়পি পৰিব। মোমায়েক মামীয়েকৰ ওচৰত আৰু সি কেতিয়াও মুখ দেখুৱাব নোৱাৰিব। ইফালে মীনাক্ষীয়ে একো বুজনিয়েই নেমানে। তাই যদি হোষ্টেলৰ ওপৰৰ পৰা জাপ মাৰি আত্মহত্যা কৰে, তেন্তে সেই পাপৰ ভাগী সিও জানো হ'ব নেলাগিব। তেনে এটা কলঙ্কিত ঘটনাৰ পিছত তাৰ জীৱনটো জানো দুৰ্বহ হৈ নপৰিব। সিও জানো মীনাক্ষীৰ দৰে হোষ্টেলৰ ওপৰৰ পৰা জপিয়াই আত্মহত্যা কৰিব নেলাগিব। নাই, মই আত্মহত্যা কেতিয়াও কৰিব নোৱাৰো। এইবোৰ চিন্তা কৰি অবিনাশে একো পাৰ নোপোৱা হ'ল। মীনাক্ষীক নিচুকাবৰ কাৰণে তাৰ সোঁহাতখন তাইৰ মূৰৰ চুলিখিনিৰ পিনে আগবাঢ়ি আহিল। মীনাক্ষীৰ চুলিৰ পৰা ভাহি অহা সুবাস অবিনাশে অনুভৱ কৰিবলৈ ধৰিলে। ভালেখিনি সময় এইদৰে পাৰ হৈ গ'ল। কিন্তু সময়ৰ কোৱাল ঢৌৱে মীনাক্ষী আৰু তাৰ মনৰ মাজত থকা প্ৰাচীৰখন ধীৰে ধীৰে খহাবলৈ ধৰিলে। মীনাক্ষী ইতিমধ্যে আহি তাৰ বুকুৰ মাজত সোমাই পৰিলেহি। মীনাক্ষীৰ সুকোমল বুকুৰ উমে অবিনাশৰ গাত এটা অজান শিহঁৰণ তুলি ভৰিৰ আঙুলিৰ পৰা মূৰৰ চুলিলৈকে গাটো কঁপাই তুলিলে। সি এটা অভূতপূৰ্ব মধুৰ আস্বাদ অনুভৱ কৰিবলৈ ধৰিলে। কিবা এটা কম বুলি সি থমকি ৰ'ল। নাই, আজি আৰু মীনাক্ষীয়ে একো বুজনিয়েই নেমানে। তাকো যেন কোনোবাই কাণে কাণে ক'লে– "অবিনাশ, আজিৰ পৰিস্থিতিৰ পৰা পৰিত্ৰাণৰ একমাত্ৰ উপায় হ'ল মীনাক্ষীৰ ইচ্ছা পূৰণ কৰা। তয়ো জানো তেজ-মঙহেৰে গঢ়া এজন সবল-সুস্থ যুৱক নহয়।" আত্মহত্যাৰ পৰা মুক্তি পাবৰ সহজ উপায়টো আহি অবিনাশক চেনেহেৰে আকোঁৱালি ধৰিলেহি। মীনাক্ষীৰ বুকুৰ উত্তাপত গিৰিশৃঙ্গৰ হিম গলাৰ দৰে অবিনাশৰ শিৰা-উপশিৰাইদি কামনাৰ ঢৌ প্ৰবাহিত হ'বলৈ ধৰিলে। এক নিয়ন্ত্ৰণহীন যানবাহনৰ দৰে অবিনাশে তাৰ

নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলালে। মন উতলা কৰা ফাগুণ মাহ, পৰীক্ষাৰ শেষ দিনৰ এটা মুকলি মন, মীনাক্ষীৰ আকুল আহ্বান, ছাত্ৰাবাসৰ নিৰ্জন পৰিবেশ আৰু ৰূপ-লাৱণ্যেৰে উপচি পৰা নাৰী দেহৰ সান্নিধ্যই অবিনাশৰ মনো চঞ্চল কৰি পেলালে। ইমানদিনে সুপ্ত অৱস্থাত থকা তাৰ পুৰুষ সত্তা হঠাতে জাগ্ৰত হৈ উঠিল। জীৱনত প্ৰথমবাৰৰ কাৰণে সি অনুভৱ কৰিলে মিলনৰ উদ্দাম বাসনা। ক্ষন্তেকৰ কাৰণে সি পাহৰি গ'ল সমাজৰ বান্ধোন আৰু তাৰ আজন্ম লগৰী নৈতিকতাবোধৰ কথা। দেউকা মেলি উৰি গ'ল তাৰ আত্মসংযম। মীনাক্ষীক সজোৰে বুকুৰ মাজলৈ আকোৱালি লৈ সি ক'লে– "মই হাৰ মানিলো মীনাক্ষী, আজি মই হাৰ মানিলো।"

পিছদিনা ৰাতিপুৱা অবিনাশ বিচনাত লালকাল দি শুই থকা অৱস্থাতেই মীনাক্ষীয়ে শেষবাৰৰ কাৰণে অবিনাশৰ মৰম লগা মুখখন চাই হোষ্টেলৰ পৰা বিদায় ল'লে।

ইয়াৰ সাতাইশ দিনৰ পিছত অঞ্জন শৰ্মাৰ লগত মীনাক্ষীৰ বিয়া বৰ ধুম-ধামেৰেই হৈ গ'ল। বিয়াৰ পিছত শাহু-শহুৰৰ পিতৃ-মাতৃবৎ স্নেহ, দেওৰেকে দেখুৱা শ্ৰদ্ধামিশ্ৰিত মৰম আৰু গিৰিয়েক অঞ্জন শৰ্মাৰ লগত গঢ়ি উঠা নিবিড় সম্বন্ধই অবিনাশৰ লগত হোৱা অবৈধ প্ৰণয়ৰ কথা অতীতৰ অটল গৰ্ভত লীন যোৱাত সহায় কৰিবলৈ ধৰিলে।

অঞ্জন শৰ্মা আৰু মীনাক্ষীৰ বিয়া হোৱাৰ দুশ-পঞ্চল্লিচ দিনৰ পিছত তেওঁলোকৰ প্ৰথম সন্তানৰ জন্ম হয়। নাম থ'লে মানসী। নিৰ্দ্ধাৰিত দিনতকৈ কিছুদিন আগতে প্ৰসৱ হোৱা কথাটো কাৰো অস্বাভাৱিক যেন নেলাগিল। সাত মাহতো প্ৰসৱ হোৱাৰ নজীৰ নথকা নহয়। মানসীৰ জন্মৰ কথাটো অবিনাশ বৰুৱাক জনোৱাৰ কিবা আৱশ্যক আছে বুলি মীনাক্ষীয়ে ভবাই নাছিল। সেই কথাটো কেতিয়াবা কেনেবাকৈ মনলৈ আহিলেও তাক এছাৰ মাৰি মনৰ পৰা আঁতৰাই আন কথা ভাবি পাহৰিবলৈ চেষ্টা কৰিছিল। কিন্তু এদিন তাই অবিনাশ বৰুৱাক সপোনত দেখা পালে। অবিনাশে আক্ষেপ কৰি কৈছিল– "মীনাক্ষী তুমি ইমান স্বাৰ্থপৰ, মোলৈ তোমাৰ সন্তানটিৰ ফটো এখনো নপঠালা।

মীনাক্ষীয়ে সপোনটো দেখি সাৰ পাই মানসীক বুকুৰ মাজত সাৱটি ধৰি অভিশপ্ত মানসীৰ ভবিষ্যত লৈ সঙ্কিত হৈ পৰিল। তেওঁৰ বুকুখন কপি উঠিল। নাই, অবিনাশদাই প্ৰতাৰণা কৰি অঞ্জন শৰ্মা আৰু তাইৰ মাজত গঢ়ি উঠা সোণৰ সংসাৰখন কেতিয়াও ধ্বংসৰ মুখলৈ ঠেলি নিদিয়ে। অবিনাশদা কিমান উদাৰ আৰু মৰমীয়াল।

অবিনাশ বৰুৱালৈ অতদিনে মানসীৰ ফটো এখন নপঠোৱাৰ কাৰণে

মীনাক্ষীয়ে নিজকে দোষী দোষী যেন অনুভৱ কৰিলে। তাইৰ ফটো এখন চাবৰ অবিনাশদাৰ অধিকাৰ আছে। ইয়াৰ কিছুদিনৰ পিছত যোৰহাটৰ মাকৰ ঘৰলৈ আহোতে অবিনাশ বৰুৱাৰ আমেৰিকাৰ ঠিকনাটো সংগ্ৰহ কৰি চিঠি এখনৰ লগতে মানসীৰ পাঁচ মাহ হওতে তোলা ফটো এখন ৰেজিষ্টাৰ ডাকত পঠিয়াই দিলে। চিঠিখন আছিল এনে ধৰণৰ।

মৰমৰ

অবিনাশদা,

যোৰহাট,
১৫ অক্টোবৰ

ভগৱানৰ কৃপাত বিবাহিত জীৱনে আনিব পৰা সকলো সুখ-শান্তিয়েই পাব পাৰি নিজকে সৌভাগ্যৱতী বুলি অনুভৱ কৰিছো। আপোনাৰ আশীৰ্বাদ বিচাৰি মানসীৰ ফটো এখন পঠালো। মই কৰা দোষ-ত্ৰুটীৰ কাৰণে মোক মাৰ্জনা কৰিব বুলি আশা কৰিলোঁ।

ইতি
মীনাক্ষী।

চিঠিখন পোষ্ট কৰাৰ পিছত মীনাক্ষীৰ মনটো পাতল লাগিল। নিজকে নিশ্চিন্ত হোৱা যেন পালে। অবিনাশ বৰুৱাৰ আশীৰ্বাদে নিশ্চয় তাইৰ মঙ্গল কৰিব।

এই সকলোবোৰ কথাই মীনাক্ষীয়ে অঞ্জন শৰ্মাৰ পৰা অতদিনে সঙ্গোপনে ৰাখিবলৈ সমৰ্থ হৈছিল। অবিনাশ বৰুৱাৰ লগত মানসীৰ বাহুত হোৱা ঘটনাটোৰ দিনৰে পৰাই মীনাক্ষী উৎকণ্ঠিত হৈ আহিবলৈ ধৰিলে। অবিনাশ বৰুৱাৰ নামটো শুনিলেই মীনাক্ষী উচপ খাই উঠে। তেওঁ বিশ্বাসঘাটকতা কৰিবৰ কাৰণেই বাহু টৈওত মানসীৰ লগত ঘটনাটোৰ সৃষ্টি কৰিলেনেকি? ওহো নহয় অবিনাশ বৰুৱাই আকস্মিক ভাবেহে মানসীক বাহুত লগ পাইছিল। মানসীক বুকুত সুমুৱাই চুমা এটা খাই মৰম কৰাৰ পৰা অবিনাশদাই নিজকে সেইদিনা বিৰত ৰাখিব নোৱাৰাটো অতি স্বাভাৱিক। সেই উদাৰ, মৰমীয়াল অবিনাশদাই কেতিয়াও তাইৰ প্ৰতি অহিত চিন্তা কৰিব পাৰিব বুলি মীনাক্ষীৰ বিশ্বাস নহয়। বিবেকৰ দংশনত তিলতিলকৈ মৃত্যুমুখত পৰাতকৈ মানসীৰ প্ৰকৃত চিনাকি দি কঠিন আৰু ৰূঢ় বাস্তৱৰ সন্মুখীন হোৱাৰ বাহিৰে মনৰ শান্তি

ঘূৰাই অনাৰ অন্য কোনো উপায় আৰু মীনাক্ষীয়ে বিচাৰি নেপালে। কিন্তু এই সত্য প্ৰকাশ কৰাৰ লগে লগেই জানো তাইৰ সংসাৰখন থানবান হৈ নপৰিব। মানসীৰ দেউতাক এজন পৃথিৱী বিখ্যাত বিজ্ঞানী। সেইকথা জানো ৰহস্যৰ অটল গৰ্ভত লীন যাবলৈ দিয়া সমীচীন হ'ব। এইবোৰ চিন্তাকে কৰি মীনাক্ষীৰ মনৰ বিকাৰ হৈ আত্মহত্যা কৰিবলৈ কেবাবাৰ চেষ্টা কৰিও বিফল হৈ অৱশেষত মানসীৰ প্ৰকৃত চিনাকি প্ৰকাশ কৰি নিজৰ পাপৰ প্ৰায়াশ্চিত্ত কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱাৰ দিন ধৰি মীনাক্ষী ভালেখিনি সুস্থিৰ হ'বলৈ ধৰিলে। তাই আৰু সত্যৰ অপমৃত্যু ঘটিবলৈ এৰি দিব নোৱাৰে। অতি সোনকালেই অঞ্জন শৰ্মাক সকলো কথা ব্যক্ত কৰাৰ বাহিৰে তাইৰ আৰু কোনো গত্যন্তৰ নাই বুলি বুজিবলৈ বাকী নেথাকিল।

সেইদিনা দেওবাৰ। মীনাক্ষীয়ে গা-পা ধুই পাটৰ মেখেলা-চাঁদৰ এজোৰ পিন্ধি কপালত ডাঙৰকৈ সেন্দুৰৰ ফোট এটা ল'লে। ৰাতিপুৱা ব্ৰেকফাষ্ট খাই উঠিয়েই মানসী, বাসবী আৰু দিলীপক ক'লে– "মই দেউতাৰৰ লগত অলপ সময় কিবা কথা পাতিম, তহঁত ওচৰত নেথাকিবিচোন।"

বহুত দিনৰ মূৰত মীনাক্ষীয়ে সুন্দৰকৈ সাজ-পাৰ কৰি তেওঁৰ লগত মুকলিমূৰীয়াকৈ কথা পাতিবলৈ ইচ্ছা কৰাত অঞ্জন শৰ্মাৰ বৰ আনন্দ লাগিল। তেওঁলোক সকলোবোৰ কিছুদিনৰ কাৰণে কাশ্মীৰৰ পৰা ফুৰি অহাৰ কথা কম বুলি মন কৰি দুয়ো আহি ড্ৰইং ৰুমত বহিলেহি। "মীনাক্ষী তুমি গা ভাল পাইছা যেতিয়া আমি কাশ্মীৰৰ পৰা ফুৰি আহিলে কেনে হয়।" গিৰিয়েকৰ প্ৰস্তাৱৰ একো উত্তৰ নিদি মীনাক্ষী নিমাতে থাকিল। "কি হ'ল মীনাক্ষী, নিমাতে থাকিলা দেখোন। মানসী, বাসবী আৰু দিলীপো যাব।" এইবাৰ কিন্তু মীনাক্ষী নিমাত হৈ নেথাকিল। অন্তৰত অসীম সাহস গোটাই তেওঁ আৰম্ভ কৰিলে– "মই----- মই আন এটা বৰ ডাঙৰ কথা কম বুলিহে আপোনাৰ ওচৰত বহিছোহি। কিছুদিন ধৰি মোৰ মনৰ বিকাৰ হোৱাৰ কাৰণটোহে আজি আপোনাক জনোৱাৰ আৱশ্যক বুলি ভাবিছো। এটা বৰ ডাঙৰ কথা আপোনাৰ পৰা মই লুকুৱাই ৰাখিছিলো। কিন্তু বিবেকৰ দংশনত সেই কথা আৰু মই আপোনাৰ পৰা লুকুৱাই ৰাখিব নোৱাৰা হৈ আহিছো। আপোনাক সেই গোপন সত্য ব্যক্ত নকৰিলে মই চিৰদিন বিশ্বাসঘাটকী হৈ থাকি যাব লাগিব। মোৰ বিবেকে সেই পাপৰ গধুৰ বোজা আৰু কঢ়িয়াব নোৱাৰা হৈ আহিছে। সেই কথা গোপনে ৰাখি মই আৰু আপোনাৰ ওচৰত থিয় দি থাকিব নোৱাৰো। মই জানো, সেই কঢ় বাস্তৱৰ কাহিনী আপুনি কোনো ৰকমে সহ্য কৰিব নোৱাৰে আৰু মোক ক্ষমাদানো কৰিব নোৱাৰে। আৰু নোৱাৰাটো স্বাভাৱিক। আজি মই একো পৰিণতিলৈকে ভয় নকৰো ; এই সত্য

প্ৰকাশ কৰাৰ পিছত মই হাঁহিমুখে মৃত্যুক আকোৱালি ল'ব পাৰিম। এই সত্য আপোনাৰ কাৰণে অসহ্য আৰু বিষতুল্য হ'ব, কিন্তু মোৰ মনৰ গুপ্ত কথাবোৰ আপোনাক খুলি ক'ব নোৱাৰিলে মোৰ আত্মহত্যাৰ বাহিৰে আন কোনো উপায়েই নেথাকে। আজি, এই মুহূৰ্ততে মই মোৰ সকলো গোপন কথা ব্যক্ত কৰিম– আপুনি........ আপুনি কাণপাতি শুনক, মানসী, মানসী আপোনাৰ ছোৱালী নহয়। বিয়াৰ আগতে অবিনাশ বৰুৱাক মই ভাল পাইছিলো আৰু এটা ৰাতিৰ কাৰণে তেওঁৰ লগত প্ৰণয়পাশত বন্দী হৈছিলো। আৰু তাৰেই চিন হ'ল মানসী।"

মীনাক্ষী উত্তেজিত হোৱা নাছিল, হৈছিল অঞ্জন শৰ্মাহে। অঞ্জন শৰ্মাই ডাঙৰ ডাঙৰ মাতেৰে বলিয়াৰ দৰে ক'বলৈ ধৰিলে– "মিছা কথা, মই কেতিয়াও বিশ্বাস নকৰো, তুমি সম্পূৰ্ণ বলিয়া হৈ গ'লা, মীনাক্ষী, তুমি সম্পূৰ্ণ বলিয়া হৈ গ'লা। তোমাক পগলা ফাটেকত থ'বলগীয়া হৈছে।"

মীনাক্ষীয়ে কিন্তু দৃঢ়তাৰে ক'লে– "সঁচা কথা, একেবাৰে সঁচাকথা, মই বলিয়া হোৱা নাই, মোক বিশ্বাস কৰক।" অঞ্জন শৰ্মা কিছুপৰ তলকা মাৰি থাকি ক'লে– "তেন্তে এই সকলোবোৰ মিছা, প্ৰবঞ্চনাহে। মোৰ নিজা বুলি ভাবি থকা সংসাৰখন তেন্তে মোৰ নিজৰ নহয়। তুমি মোক ইমানদিনে ফাঁকি দি আছিলা কিয়? গাখীৰ খুৱাই ফেটীসাপ পুহিছিলো। অঞ্জন শৰ্মা খণ্ডত উত্তেজিত হৈ কঁপি কঁপি শোৱা কোঠাৰ পিনে আগবাঢ়িল। অবিনাশ বৰুৱাৰ মুখৰ আৰ্জা অঞ্জন শৰ্মাই স্পষ্ট ভাবে মানসীৰ গা আৰু মুখমণ্ডলত দেখিবলৈ পালে। মাক আৰু দেউতাকৰ কন্দল হোৱা শুনি মানসী আৰু বাসবী আহি ড্ৰইংৰুম পালেহি। ইতিমধ্যে বন্দুকত গুলি ভৰাই মীনাক্ষীৰ ফালে টোৱাই অঞ্জন শৰ্মাই বীভৎস মূৰ্তি ধৰি আগবাঢ়ি আহিল।

মীনাক্ষীয়ে হাত দুখন ওপৰলৈ ডাঙি নিৰ্ভীক ভাৱে থিয় দি ৰ'ল। "গুলী মাৰক, আৰু ক্ষন্তেকো পলম নকৰিব, মোৰ পাপৰ প্ৰায়শ্চিত্ত হ'বলৈ দিয়ক। মই আজি আপোনাৰ পৰা শাস্তি ল'বলৈ প্ৰস্তুত।" দেউতাকৰ কাণ্ড দেখি মানসী দৌৰ মাৰি আহি মাকৰ আগত থিয় দি চিঞৰি ক'বলৈ ধৰিলে– "দেউতা, মাক নেমাৰিবা, মাক নেমাৰিবা।" অঞ্জন শৰ্মা গৰজি উঠিল– "তোকো শেষ কৰি দিও একেলগে।" বিজুলী সঞ্চাৰে বাসবীও দৌৰ মাৰি আহি মানসীৰ আগত থিয় দিলেহি। তাই দেউতাকক কাকুতি কৰিবলৈ ধৰিলে– "দেউতা, মা আৰু বাক নেমাৰিবা, দেউতা বন্দুক পেলাই দিয়া।

"গুচ বাসবী আজি মই ইহঁত দুয়োকো শেষ কৰি দিও।"

চিঞৰ-বাখৰ শুনি দিলীপ দৌৰ মাৰি আহি দেখে যে দেউতাকৰ হাতত বন্দুক। সি পিছ ফালৰ পৰা একে জাপেই দেউতাকৰ হাতৰ পৰা বন্দুকটো

কাঢ়ি ল'লে। টনা-আজোৰাত তৰ্জন-গৰ্জন কৰি অঞ্জন শৰ্মা মাটিত বাগৰি মূৰ্চা গ'ল। দেউতাকক কেতিয়া কি দৰৱ দিব লাগে দিলীপে জানে। সি ততালিকে নাইট্ৰ'গ্লিচাৰিণৰ পিল এটা আনি জিভাৰ তলত ভৰাই দিলে। কাপোৰ-কানিবোৰ ঢিলা কৰি আটাইকেউটাই ধৰি বিচনালৈ আনি শুৱাই দিলে। মুখখন তিতা টাৱেলেৰে মচি দিলে। মানসী আৰু বাসবীয়ে হাত-ভৰিবোৰ মালিচ কৰিবলৈ ধৰিলে। দিলীপে বন্দুকটো নি আগৰ ঠাইত থোৱাৰ পিছত ডাক্তৰলৈ ফোন কৰিলে। মানসী আৰু বাসবীক সাৱধান কৰি দিলে "তহঁতে ঘৰত কন্দল হোৱা বুলি কাকো নকবি আনকি ডাক্তৰকো। ডাক্তৰ আহি পোৱাৰ পিছতেই ভায়েক ৰঞ্জন শৰ্মাও আহি পালেহি। ডাক্তৰৰ পৰাশৰ্মমতে অঞ্জন শৰ্মাক এখন নাৰ্চিং হোমত ভৰ্ত্তি কৰোৱা হ'ল। ডাক্তৰে ই চি জি আৰু আন বিভিন্ন পৰীক্ষা কৰি মাইল্ড হাৰ্ট এটেক এটা হৈছে বুলি কলে। চিন্তাৰ কোনো কাৰণ নাই যদিও কিছুদিন হস্পিতাল থাকিব লাগিব। মাক মীনাক্ষীকে ধৰি গোটেই ঘৰখনেই অঞ্জন শৰ্মাৰ চিকিৎসাত ব্যস্ত হৈ পৰিল। হাৰ্টৰ বিশেষজ্ঞৰ দ্বাৰাও পৰীক্ষা কৰাই চিকিৎসাৰ ব্যৱস্থা কৰিলে। দিলীপৰ বাহিৰে আন কোনো ঘৰৰ মানুহ অঞ্জন শৰ্মাৰ ওচৰলৈ যোৱা নাছিল। দেউতাকে দিলীপৰ ওপৰত ঘৰৰ সকলো কথাতে নিৰ্ভৰ কৰে। সি ওচৰত থাকিলে তেখেতে যিকোনো কথাতে সাহস পায়। ঘৰখনৰ এমকাত্ৰ ল'ৰা বুলি দিলীপে এটা সুকীয়া আদৰও পাইছিল। দশমমান শ্ৰেণীৰ ছাত্ৰ হলেও সি সকলো কথাতে বৰ হুচিয়াৰ। সাতদিন পাৰ হোৱাৰ পিছত ডাক্তৰে কলে চিন্তাৰ কোনো কাৰণ নাই; কেইদিনমানৰ ভিতৰতে ঘৰলৈ যাব পাৰিব। ডাক্তৰৰ পৰামৰ্শক্ৰমেই কোনো বাহিৰা মানুহক তেখেতৰ কোঠাত সোমাবলৈ দিয়া হোৱা নাছিল। অঞ্জন শৰ্মাই গা যথেষ্ট ভাল পোৱাৰ পিছত এদিন ঘৈণীয়েক মীনাক্ষীক লগ পাবলৈ ইচ্ছা প্ৰকাশ কৰি দিলীপক সুধিলে "দিলীপ মাৰ ক'ত আছে অ।" দিলীপে কলে "মাতো দিনে ৰাতিয়ে আটাইকেইদিন নাৰ্চিংহোমতে আছে।" দেউতাকে ক'লে "মাৰক মোৰ ওচৰলৈ আহিবলৈ ক।" মাকে দিলীপক কলে যে প্ৰথম বাসবীয়েই দেউতাকৰ ওচৰলৈ যাওক। দিলীপে বাসবীক দেউতাক শুই থকা বিচনাখনৰ পিনে আগবঢ়াই লৈ গ'ল। বাসবীৰ বয়স মাত্ৰ বাৰ বছৰ। সৰু ছোৱালী বুলি তাই অঞ্জন শৰ্মাৰ অতি মৰমৰ। দেউতাকে তাইক নিজৰ বিচনাখনৰ ওপৰতে বহিবলৈ দিলে। 'দেউতা তুমি ভাল হৈ কেতিয়া ঘৰলৈ ঘূৰি যাবা।' তুমি নেথাকিলে আমাৰ বৰ বেয়া লাগে। মায়ে কৈছে আজি মা তোমাৰ ওচৰলৈ নাহে। 'তোমাৰ গা আৰু কিছু ভাল হৈ হলেহে মা তোমাৰ ওচৰলৈ আহিব।' দেউতাকে তাইক চুমা এটা খাই কলে 'ডাক্তৰে যিদিনাই মোক ইয়াৰ পৰা এৰি দিয়ে সেইদিনাই মই ঘৰলৈ যাম,– মাজনী। ইয়াত

থাকি মোবো বেয়া লাগিছে ।' বাসবীয়ে দেউতাকৰ হাতৰ আঙুলিবোৰ পিটিকি আছিল । ডাক্তৰে কিবা পৰীক্ষা কৰিবলৈ অহা দেখি তাই কোঠাটোৰ পৰা ওলাই আহিল ।

আৰু কেইদিনমান যোৱাৰ পিছত অঞ্জন শৰ্মাৰ গা আৰু যথেষ্ট ভালৰ ফালে আহিল । দিলীপক মাতি আনি অঞ্জন শৰ্মাই কলে “মাৰক মই লগ পাব খোজো, দিলীপ, মোৰ ওচৰলৈ আহিবলৈ ক ।” মীনাক্ষী নিজে নগৈ মানসী আৰু বাসবীক দেউতাকৰ ওচৰলৈ পঠিয়াই দিলে । কিছুপৰ পিছত সিহঁত ওলাই আহি মাকক কলেহি “মা তোমাক দেউতাই মাতিছে ।”

মীনাক্ষী ধীৰে ধীৰে অঞ্জন শৰ্মাৰ ওচৰ চাপি গ'ল । গিৰিয়েকে মীনাক্ষীক দুৱাৰখন বন্ধ কৰি দিবলৈ ইঙ্গিত দিলে । দুৱাৰখন বন্ধ কৰি আহি মীনাক্ষী গিৰিয়েকৰ বিচনাখনৰ ওচৰতে থিয় দিলেহি । ওচৰতে বহিবলৈ কোৱাত মীনাক্ষী বিচনাখনতে বহিল । অঞ্জন শৰ্মাই অনুসূচনাৰ সুৰত কবলৈ ধৰিলে “মই একেবাৰে অন্ধ হৈ গৈছিলো মীনাক্ষী । অকল তোমাৰ ওপৰতেই সকলো দোষ জাপি দিয়টো মোৰ উচিত হোৱা নাছিল । তুমি আমাৰ বিয়াত মত দিয়া নাছিলা বুলি মই ভিতৰুৱাকৈ জানিব পাৰিছিলো । তুমি এম, এচ, চি লৈকে পঢ়াৰ ইচ্ছা থকাৰ কথাও মই গম পাইছিলো । মই বিয়াৰ আগতে গুৱাহাটীলৈ গৈ আলেঙে আলেঙে তোমাক চাই অহাৰ পিছত বিয়াখন শীঘ্ৰে হৈ যোৱাত মই বৰ জোৰ দিলো । এইজনী ছোৱালী মই যেনে তেনে বিয়া কৰামেই বুলি সিদ্ধান্ত লৈছিলো । তোমাৰ মতামতলৈ দেউতাৰাই অপেক্ষা কৰি আছিল । আমাক একো খাটাং দিনবাৰো দিয়া নাছিল । কথা প্ৰসঙ্গত তেখেতে পঞ্জিকাত এটা ভাল দিন থকাৰ কথাহে আমাৰ আগত উল্লেখ কৰিছিল । কিন্তু লগতে তোমাৰ মতামতৰ কাৰণেও ʼঅপেক্ষা কৰিবলৈ আমাক পৰামৰ্শ দিছিল । মই তেতিয়া এখন সৰু মাৰোৱাৰী চাহ বাগানৰ এচিচ্‌টেন্ট মেনেজাৰ । বাগানত কাম কৰা মানুহলৈ ভাল ছোৱালী পোৱা সহজ নাছিল । বাগানৰ ঠেক সমাজখন সকলো মানুহেই ভাল নেপায় । তোমাৰ দেউতাৰাৰ সহজ সৰল স্বভাবৰ সুবিধা লৈ তেখেতৰ ওপৰত হেঁচা পৰিবৰ কাৰণেই মই বিয়াৰ চিঠি চপাই দিছিলো । ইচ্ছাকৃত ভাৱেই তোমাৰ মতামতলৈ অপেক্ষা নকৰিলো । ভুল তোমাতকৈ মোৰ বেছি । মই প্ৰতাৰণা কৰি তোমাক বিয়া কৰালো । মোৰ ভুলৰ কাৰণে মোক মাফ কৰা মীনাক্ষী, মোক মাফ কৰা । অহঙ্কাৰ আৰু আত্মগৌৰৱত বলিয়া হৈ নিজৰ স্বাৰ্থপৰতাৰ কথা পাহৰি মই বন্দুক হাতত তুলি লৈ ভীষণ ভুল কৰিবলৈ ওলাইছিলো মীনাক্ষী । মোক দিলীপে ৰক্ষা কৰিলে ।”

মোৰ কাৰণেই তোমাৰ এম, এচ, চি পঢ়া নহ'ল । তোমাৰ উচ্চ শিক্ষাৰ প্ৰতি থকা ধাউতি অকালতে মৰহি গ'ল । আৰু তাৰোপৰি তুমি নিবিড়ভাৱে

ভাল পোৱা পৃথিৱী বিখ্যাত বিজ্ঞানী ডঃ অবিনাশ বৰুৱাৰ ঠাইত তুমি বিয়া কৰাবলগীয়া হ'ল এজন সাধাৰণ চাহ বাগানৰ মেনেজাৰক। তথাপিও মই তোমাৰ পৰা জীৱনত সকলোখিনি সুখ শান্তিয়েই পাইছিলো।"

ক্ষন্তেক জিৰণি লৈ অঞ্জন শৰ্মাই আকৌ আৰম্ভ কৰিলে "মই মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰিলো যে প্ৰতিপক্ষৰ ফালৰ পৰাও বিশ্লেষণ কৰিহে মানুহে ন্যায় অন্যায়ৰ বিচাৰ কৰিব লাগে। এক তৰফীয়া সিদ্ধান্তই মানুহক বিপথে আগুৱাই নিয়ে। মানসীক মই ৰংমনে অবিনাশ বৰুৱাৰ হাতত গতাই দিম। এই সত্য প্ৰকাশ হোৱালৈ মই অকনো কুণ্ঠাবোধ নকৰো। অঞ্জন শৰ্মাই পৃথিৱীত কাৰিকো ভয় নকৰে মীনাক্ষী, কাৰিকো ভয় নকৰে।"

মীনাক্ষীয়ে বিচনাখনতে মূৰটো পেলাই হুক হুক কৰে কান্দিবলৈ ধৰিলে। কিছুপৰ পিছত দুৱাৰত টোকৰপৰা শুনি মীনাক্ষীয়ে চকুৰ পানী মচি মচি আহি দুৱাৰখন খুলি দেখেহি যে নাৰ্চ আহিছে। নাৰ্চে দৰৱ এটা খুৱাই অঞ্জন শৰ্মাৰ ব্লাড প্ৰেচাৰটো ললে। মীনাক্ষীয়ে নাৰ্চক সোধাত প্ৰেচাৰ নৰমেল থকা বুলি কোৱাত মীনাক্ষী নিশ্চিন্ত হ'ল।

আৰু কিছুদিন নাৰ্চিংহোমত থকাৰ পিছত অঞ্জন শৰ্মাক ঘৰলৈ আহিবলৈ ডাক্তৰে অনুমতি দিলে। ঘৰত কেইদিনমান থকাৰ পিছত অঞ্জন শৰ্মাই অবিনাশ বৰুৱাক লগ পাবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰিলে। হোটেল ব্ৰহ্মপুত্ৰ অশোকত খবৰলৈ জানিব পাৰিলে যে ৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ আমন্ত্ৰণক্ৰমে ডঃ অবিনাশ বৰুৱা দিল্লীলৈ গৈছে। দহদিনমান পিছতহে ঘূৰি আহিব।

ডঃ অবিনাশ বৰুৱাই দিল্লীৰ পৰা ঘূৰি আহি গম পালেহি যে অঞ্জন শৰ্মা অসুস্থহে কিছুদিন নাৰ্চিংহোমত থকাৰ পিছত নিজৰ ঘৰলৈ উভতি আহিছে। অবিনাশ বৰুৱাই ফোন কৰি অঞ্জন শৰ্মাৰ স্বাস্থ্যৰ খা-খবৰ লৈ জানিব পাৰিলে যে তেখেতৰ গা প্ৰায় সম্পূৰ্ণ ভাল হৈছে। অবিনাশ বৰুৱাক লগ পাবলৈ ইচ্ছা কৰাৰ কথাও অঞ্জন শৰ্মাই ফোন যোগেই জনালে। পিছদিনা আবেলি সময়ত ডঃ অবিনাশ বৰুৱা আহি অঞ্জন শৰ্মাৰ ঘৰ পালেহি। তেখেতৰ স্বাস্থ্যৰ খা-খবৰ লোৱাৰ পিছত আন দুই এটা কথাৰও অবতাৰণা হ'ল। বাসবী আহি ড্ৰইং ৰুমতে চাহ আৰু কিবা কিবি খোৱা বস্তু দি গ'লহি। মীনাক্ষী ওলাই অহা নাছিল। চাহ খোৱাৰ পিছত অঞ্জন শৰ্মাই মানসিক ড্ৰইং ৰুমলৈ মাতি পঠালে। মানসী আহি দেউতাক অঞ্জন শৰ্মাৰ ওচৰত থিয় দিলেহি। অঞ্জন শৰ্মাই সুখ্যাতিৰে পচিশ বছৰ কাল চাহ বাগানত মেনেজাৰ কাম কৰি অহা লোক। কেতিয়া কি সিদ্ধান্ত লব লাগে জানে। এবাৰ কিবা সিদ্ধান্ত ললে সেই বিষয়ে হোঁহকা পিছুৱা কৰাৰ অভ্যাস তেওঁৰ নাই। সঠিক সিদ্ধান্ত লব নোৱাৰিলে হাজাৰ হাজাৰ বনুৱাক নিয়ন্ত্ৰণ কৰি ৰখাটো সহজ কথা নহয়।

সিহঁতৰ আস্থা এবাৰ হেৰাই গ'লে পুনৰ ঘূৰাই অনা টান। কিন্তু তেওঁৰ দৰে মানুহেও ক্ষন্তেক ৰব লগা হ'ল। অঞ্জন শৰ্মা ভাৱ প্ৰৱণ হৈ পৰিল। তেওঁৰ দুচকুৱে পানী বৈ আহিল। ইমান দিনে নিজৰ বুলি তুলি-তালি বুকুৰ উম দি ডাঙৰ দীঘল কৰা মানসীক আজি তেওঁ কি সতে আনৰ হাতত গতাই দিয়ে। কণ্ঠেৰে ওলাই আহিব নোখোজা শব্দ কেইটা তেওঁৰ মুখৰ পৰা ওলাই আহিল। "মানসী, দেউতাৰক সেৱা কৰ"। মানসীয়ে দেউতাক অঞ্জন শৰ্মাক সেৱা কৰিবৰ কাৰণে আগবাঢ়ি অহা দেখি তেওঁ কলে "মোক নহয় মানসী ডঃ অবিনাশ বৰুৱাক সেৱা কৰ, সেয়াহে তোৰ প্ৰকৃত চিনাকি।"

মানসী স্তম্ভিত হৈ কিছুপৰ থৰ লাগি থিয় দি থাকি ভিতৰত সোমাই গ'ল।

অঞ্জন শৰ্মাই চকুৰ পানী মচি মচি ক'লে 'ডঃ বৰুৱা, তাইৰ ওপৰত কিন্তু মোৰ মৰমৰ দাবী সদায়েই থাকিব ; যদিও তাইৰ ওপৰত হক আপোনাৰ। আজিৰ পৰা তাই আপোনাৰ ছোৱালী ; আপুনি তাইক চমজি লওক।' শোকত বিহ্বল হৈ কান্দি কান্দি অঞ্জন শৰ্মা চকিখনত হাউলি পৰিল।

এনেতে মীনাক্ষী ড্ৰইং ৰুমলৈ সোমাই আহি ক'লেহি "অবিনাশদা আপোনাৰ কন্যা আপুনি-গ্ৰহণ কৰক। মোৰ স্বামীয়ে মোক ক্ষমা দান কৰি মুক্তি দিছে। আপুনি সংকোচ নকৰিব।"

ইমান এটা ডাঙৰ আকস্মিক সংঘাটৰ কাৰণে সেইদিনা ডঃ অবিনাশ বৰুৱা সমূলি প্ৰস্তুত নাছিল। তেওঁ একো কথা ক'বলৈ শব্দ বিচাৰি নেপালে। লাজ অপমানত তেওঁৰ কাণ মূৰ ৰঙা পৰিবলৈ ধৰিলে। সেই সময়ত ভগবানৰ বাহিৰে অবিনাশ বৰুৱাক ৰক্ষা কৰিবলৈ আৰু আন কেও নাছিল।

কিছু সময় বৈ অবিনাশ বৰুৱাই মাত দিলে "আপোনালোকৰ ইচ্ছা অনুসৰি মই মানসীক গ্ৰহণ কৰিছো। তাই অৱশ্যে ইয়াতেই থাকিব আৰু তাইৰ বিয়া বাৰু আপোনালোকৰ ইচ্ছা অনুসৰিয়েই হ'ব। সমাজৰ ওপৰত মোৰ মুখা খোল খাই যাওক। এই গোপন সত্যটো প্ৰকাশ হৈ মোৰ কলঙ্কিত জীৱনৰ ইতিহাস সমাজত প্ৰচাৰ হৈ যাওক– মই কোন, মানসী কোন ? আৰু লুকঢাক কৰাৰ কোনো সকাম নাই। কোনো পাপ কামেই লুকাই নেথাকে। মোৰ পাপৰ উচিত প্ৰায়শ্চিত্ত হওক।" ইমানদিনে মেৰিয়াই ধৰি থকা কাল সাপডালে যেন আজিহে মোক মুক্তি দিছে।"

আহিবৰ সময়ত ডঃ অবিনাশ বৰুৱাই অঞ্জন শৰ্মাক কৈ আহিল "শৰ্মা আপোনাৰ অন্তৰখন এখন সাগৰৰ দৰেই বিশাল। আপোনাৰ পৰিস্থিতিত মই নিজেই কি কৰিলোহেঁতেন সেই কথা নদি ক'ব নোৱাৰো।"

* * * * *

অধ্যায়- ৩৩

ডঃ অবিনাশ বৰুৱাই আমেৰিকাৰ পৰা জাহাজেদি পঠিওৱা বস্তুবোৰ ইতিমধ্যে আহি পালেহি। গাড়ীখন ব্যৱহাৰৰ কাৰণে নিজৰ লগত ৰাখি বাকী বস্তুবোৰ গুদাম এটা ভাৰা কৰি থৈ দিলে। অবিনাশৰ চিন্তা হ'ল যে সি কেনেকৈ মানসীৰ ঘটনাটো মোমায়েক-মামীয়েকক কয়। আনৰ মুখৰ পৰা শুনাতকৈ তাৰ নিজৰ মুখৰ পৰা জনাটোহে উচিত হ'ব বুলি সি সিদ্ধান্ত কৰিলে। সময় আৰু সুবিধাৰ কাৰণে অবিনাশে অপেক্ষা কৰি ৰ'ল।

কিছুদিন ধৰি মামীয়েকে অবিনাশৰ বিয়াখন পতাৰ কথা চিন্তা কৰি তাৰ আগত কথাটো উলিওৱাবৰ কাৰণে চেগ চাই আছিল। এদিন ৰাতিপুৱা মোমায়েক-মামীয়েকে অবিনাশৰ লগত একেলগে চাহ খাই থকাৰ সময়তেই মামীয়েকে কথাটো উলিয়ালে। "এতিয়া তোৰ বিয়াখন পাতিব লাগে। মই আলেঙে আলেঙে ছোৱালী এজনীও চাই থৈছো। যদি ছোৱালীজনী তই পছন্দ কৰ আৰু বিয়াত মত দিয়, তেন্তে আমি সেই বিষয়ে আগবাঢ়িব পাৰো।" অবিনাশে ছোৱালীজনীৰ বিষয়ে বিতংকৈ জানিবলৈ বিচৰাত মামীয়েক উঠি গৈ অবিনাশ আৰু ৰুমা মজুমদাৰে হাতত বেডমিণ্টনৰ ৰেকেট লৈ তোলা পুৰণি যুটীয়া ফটোখন এলবামটো সহ আনি অবিনাশৰ হাতত দিলেহি। পুৰণি ফটোখনলৈ একে থৰে চাই চাই অবিনাশে উৎসাহেৰে সুধিলে "ৰুমাৰ বিয়া হোৱা নাই নেকি মামী ?" মামীয়েকে ক'লে- "আজি কেইবছৰমানৰ আগতে ৰুমাৰ দেউতাক আহি তোলৈ ৰুমাক দিয়াৰ প্ৰস্তাৱ এটা দিছিলেহি ; কিন্তু তই বিদেশৰ পৰা কেতিয়া ঘূৰি আহ সেই বিষয়ে সঠিককৈ নজনাৰ কাৰণেই আমি সেই প্ৰস্তাৱটো তেতিয়া বিবেচনা কৰিব নোৱাৰিলো। ৰুমাই কটন কলেজতে অধ্যাপনা কৰি আছে বুলি মই জানিব পাৰিছো। বিয়া এতিয়াও হোৱা নাই।"

অবিনাশৰ মত লোৱাৰ পিছত ৰজনী ফুকন আৰু ফুকননী ৰুমাৰ দেউতাক অমৰেন্দ্ৰ মজুমদাৰৰ ঘৰ ওলালেহি। মজুমদাৰ কামৰ পৰা অৱসৰ লৈ

গুৱাহাটীত আহি নিগাজীকৈ ঘৰ কৰিছেহি। মজুমদাৰে ৰজনী ফুকনক দেখিয়েই চিনি পালে। ৰজনী ফুকনে তেওঁলোক যোৱাৰ উদ্দেশ্য সংক্ষেপে ক'লে। ৰুমাৰ মাকে চাহ-জলপান দি আলহীক সোধপোছ কৰিলেহি। অমৰেন্দ্ৰ মজুমদাৰে ক'লে 'ৰুমাক অবিনাশীলে দিবলৈ পালে আমি বৰ সুখী হ'ম, কিন্তু আজি কিছুদিন ধৰি বিয়াৰ কথা উলিয়ালেই ৰুমাই মুখেৰে একো নমতা হৈ আহিছে। তাইক সোধি-পুছি মই আপোনাক পিছত জনাম।' পিছদিনা অমৰেন্দ্ৰ মজুমদাৰে ৰজনী ফুকনক ফোন কৰি জনালে যে ৰুমাই বিয়াত মতামত দিয়াৰ আগতে অবিনাশক লগ পাব খোজে।

ৰুমাৰ লগত মুখামুখি হোৱাৰ কথাটো ভাবি অবিনাশ চিন্তিত হৈ পৰিল। সি ৰুমাক তাৰ অতীতৰ কলঙ্কিত জীৱনৰ কথা নজনালে ঘোৰ অন্যায় কৰা হ'ব। বিয়াৰ পিছত ৰুমাই সেইবোৰ গম পালে ভয়ানক পৰিস্থিতিৰ কথা হ'ব। অবিনাশে জীৱনত দ্বিতীয়বাৰ ভুল কৰি তাৰ জীৱনটো ধ্বংস কৰিব নোখোজে। সি প্ৰতিটো খোজ ভাবি-চিন্তিহে দিব লাগিব। অশান্তিময় বিবাহিত জীৱনতকৈ অবিবাহিত হৈয়ে থকাই শ্ৰেয় বুলি বিবেচনা কৰি সিদ্ধান্ত কৰিলে। সি দৃঢ়সঙ্কল্প ল'লে যে তাৰ অতীতৰ সকলো কথাই ৰুমাক খোলা-খুলিকৈ ক'বই লাগিব। সকলো কথা জানি-শুনিও ৰুমাই বিয়াত মত দিলেহে তাৰ বিয়া হ'ব। ৰুমাই তাৰ কলঙ্কিত জীৱনৰ কাহিনী শুনি যদি তাক প্ৰত্যাখান কৰে তেন্তে সি জানো সেই অপমান সহ্য কৰিব পাৰিব! অবিনাশ কেতিয়াও নাৰীৰ প্ৰেম-ভালপোৱাৰ ভিক্ষাৰী নাছিল। মীনাক্ষীৰ লগত হোৱা অভিজ্ঞতাৰ পৰা সি নাৰীক কাল সাপৰ দৰে ভয় কৰি আহিছিল। আমেৰিকাত থাকোতে কিমান অপৰূপা ধুনীয়া ধুনীয়া ছোৱালীয়ে আগবঢ়োৱা প্ৰণয় অভিলাষ সি কঠোৰভাৱে প্ৰত্যাখান কৰিছিল। অলী ৰজৱেলৰ বাহিৰে আন কোনো ছোৱালীৰ সি কাষ চাপি যোৱা নাছিল। সচা কথা, অলীৰ প্ৰতি তাৰ মৰম উপজিছিল। বিশেষকৈ তাক চুইমিং পুলৰ, দুৰ্ঘটনাৰ পৰা জীৱন ৰক্ষা কৰাৰ দিনৰে পৰা সেই ভাব ঘনীভূত হৈ আহিছিল। অলী ৰজৱেলে যদি সেইদিনা মডাৰ্ণ মেচিন টুলচ্ কৰপ'ৰেচনৰ লগত তিনি বছৰৰ চুক্তিৰ পৰিবৰ্তে বিবাহৰ প্ৰস্তাৱ দিলেহেঁতেন তেন্তে সেই প্ৰস্তাৱ প্ৰত্যাখান কৰিবলৈ তাৰ মনোবলৰ নিশ্চয় অভাৱ হ'লহেঁতেন বুলি সি আজিও ভাৱে। অলী ৰজৱেল ভাল ছোৱালী আছিল। অবিনাশৰ পৰম্পৰা, সংস্কৃতি আৰু তাৰ জীৱনৰ মূল্যবোধক সন্মান কৰি চলিব জানিছিল। সি আমেৰিকাত থাকোতে কিমান কষ্ট কৰি দ্বিতীয়বাৰৰ কাৰণে কলঙ্কিত হোৱাৰ পৰা নিজকে সংযমেৰে আত্মৰক্ষা কৰিবলৈ সক্ষম হৈছিল। কিন্তু মীনাক্ষীৰ লগত হোৱা এটা কলঙ্কিত ৰাতিয়েই ৰুমা আৰু তাৰ মিলনৰ মাজত এক বিৰাট প্ৰাচীৰৰূপে থিয় দিছেহি। সি ভাবিলে যে ৰুমাই

যদি সকলো কথা শুনাৰ পিছত তাক প্ৰত্যাখান কৰে তেন্তে সি চিৰদিনৰ কাৰণে আমেৰিকালৈ গুছি যাব আৰু ৰুমাৰ লগত হ'ব খোজাখনেই তাৰ বিবাহৰ শেষ প্ৰস্তাৱ বুলি ধৰি ল'ব।

ৰুমাইঁতৰ ঘৰত ভৰি দিয়াৰ লগে লগেই অবিনাশৰ বুকুখন আতঙ্কত কঁপি উঠিল। ৰুমাৰ দেউতাক তেতিয়া বাহিৰতে বহি আছিল। অবিনাশ গৈ পোৱাত দুয়ো ভিতৰ সোমাই ড্ৰইং ৰুমতে বহিলেহি। দুই-এটা কথা পতাৰ পিছত ৰুমাৰ মাক আহি জলপান দিলেহি। মাক দেউতাকৰ লগত কিছুপৰ কথা পতাৰ পিছত মাকে অবিনাশক ভিতৰৰ কোঠা এটাৰ পিনে আগবঢ়াই লৈ গ'ল। অবিনাশে আহি ৰুমা থকা কোঠাটোত ভৰি দিলেহি। অবিনাশে ৰুমালৈ মূৰ তুলি চালে, তাইও সামান্যভাবে মূৰটো তুলি অবিনাশলৈ চালে। অবিনাশে লক্ষ্য কৰিলে যে ৰুমা আগৰদৰেই ধুনীয়া হৈয়েই আছে। ৰুমাই ক'লে বহক অবিনাশদা।' কিমান দিনৰ মূৰত অবিনাশে এটা অতি চিনাকি আৰু মৰমলগা মাত শুনিবলৈ পালে। অবিনাশ চকি এখনতে বহি পৰিল। ওচৰতে থকা আনখন চকিত ৰুমা বহিলেহি। ক্ষন্তেক মৌনতাৰ পিছত ৰুমাই ক'লে "অবিনাশদা, আপুনি বাৰু কিয় ইমানদিনে বিয়া কৰোৱা নাই।" কিছুপৰ চিন্তা কৰি অবিনাশে ক'লে "ৰুমা মইও তোমাৰ পৰা সেই একেটা কথাই জানিব খোজো।"

ৰুমাই উত্তৰ দিলে। "অবিনাশদা, আপুনি আমেৰিকাত থাকিলেও, মই আপেনাৰ খবৰ-খাতি ৰাখি আছিলো। আপুনি ঘূৰি আহি নিজ দেশৰ ছোৱালীয়েই বিয়া কৰাব, তেনে এটা ধাৰণা, কিয় জানো, মোৰ মনত লাগি আছিল। আপোনাৰ মামীয়েও আমাৰ দেউতাক তেনে এটা ধাৰণা দিছিল। মই আশা কৰি আছিলো, নিশ্চয় এদিন আপুনি মোৰ খবৰ ল'বহি।"

মীনাক্ষীৰ লগত হোৱা অতীতৰ কাহিনীটোও ৰুমাক ক'বলৈ অবিনাশে কুণ্ঠাবোধ নকৰিলে। মীনাক্ষীয়ে বিবেকৰ দংশনত সেইকথা অঞ্জন শৰ্মাৰ আগত প্ৰকাশ কৰা; আৰু তাৰ পিছত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিষয়েও জানিবলৈ দিলে। মই জীৱনত দ্বিতীয়বাৰ ভুল কৰিব নোখোজো, ৰুমা। সকলো কথা জানি-শুনি, বিবেচনা কৰিহে তুমি বিয়াত মতামত দিয়াটো মই বাঞ্ছা কৰো। তোমাৰ ভৱিষ্যত বিবাহিত জীৱনলৈ কোনো ধৰণৰ অশান্তি চপাই অনাৰ হেতু মই হ'বলৈ নিবিচাৰো। মোৰ ওপৰত যদি তোমাৰ বিশ্বাস আছে, আৰু তুমি বিবাহিত জীৱনত মোৰ লগত সুখী হ'বা বুলি তুমি নিশ্চিত, তেতিয়াহে আমি এই বিষয়ে আগবঢ়া উচিত হ'ব।

সকলো কথা শুনি চিন্তা কৰি ৰুমাই ক'লে "অবিনাশদা, মীনাক্ষীয়ে সাময়িক যৌৱনৰ আবেগত, নিজৰ বিচাৰ-বুদ্ধি নেওচি এটা ডাঙৰ ভুল কৰিছিল সঁচা;

কিন্তু বিবেকৰ দংশনত অতীতৰ সকলো কথা অঞ্জন শৰ্মাক ব্যক্ত কৰিবলৈ বাধ্য হ'ল। কম মানসিক জ্বালা-যন্ত্ৰণাত জানো মীনাক্ষীয়ে নিজৰ জীৱনৰ আন্ধাৰ দিশটো প্ৰকাশ কৰি তাৰ সকলো পৰিণাম মূৰ পাতি ল'বলৈ প্ৰস্তুত হৈছিল। যিকোনো সত্য ঘটনা উদঙাই দিয়াত নিয়তিৰো যেন এখন হাত থাকে। কি আচৰিত ধৰণে আপুনি মানসীক বাছুত লগ পালে।" কথাখিনি কৈ তাই কিছুপৰ ৰ'ল। নানান চিন্তা অবিনাশৰ মনলৈও আহিবলৈ ধৰিলে।

তাই আকৌ আৰম্ভ কৰিলে "বহু বছৰ হ'ল যদিও মোৰ সিদিনা যেনহে লাগে। কটন কলেজৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাৰ মিক্সড্ ডবলচ খেলখনৰ আধাতে মই ভৰিত দুখ পোৱাত একাষৰীয়াকৈ যেতিয়া বহি আছিলো মোৰ কথা, আপোনাৰ বাহিৰে, আন সকলোৱেই পাহৰি গৈছিল। খেলৰ শেষত আপুনি দেখুৱা স্নেহ আৰু সহানুভূতি, অত বছৰৰ পিছতো, মোৰ মানসপটৰ পৰা ম্লান হ'ব খোজা নাই। মাজে মাজে এলবামখন খুলি আমি দুয়ো চেমিফাইনেল খেলত জিকাৰ পিছত লোৱা যুটীয়া ফটোখনলৈ চাই ভাবো অবিনাশদাৰ বাৰু সেই মধুৰ স্মৃতি মনত আছেনে। গবেষণাগাৰৰ যন্ত্ৰপাতিৰ মাজত ডুবপে, সাধনাত ব্যস্ত থকা বিজ্ঞানীয়ে জানো, সেইবোৰ কথা মনত পেলাবলৈ সময় পায়। মোৰ স্বাভাবিক প্ৰবৃত্তিয়ে মীনাক্ষীৰ দৰে আপোনাৰ ওচৰ চাপি যোৱাত বাধা দিলে। সঁচা কথা ক'বলৈ গ'লে মীনাক্ষীয়ে কৰা কাৰ্য্যৰ কাৰণে তেওঁৰ ওপৰত মোৰ আজি কোনো ক্ষোভ বা দ্বেষ নাই। তিক্ততা পূৰ্ণ পুৰণি কথাবোৰ পাহৰি যাব পাৰিম বুলিয়েই মোৰ বিশ্বাস, তথাপিও মোক পুনৰ ভাবি চাবৰ কাৰণে কেইদিনমান সময় দিয়ক, অবিনাশদা।"

ৰুমাই ভাবি-চিন্তি কেইদিনমান পিছত মত দিয়াত, হোটেল ব্ৰহ্মপুত্ৰ অশোকৰ পৰাই ৰজনী ফুকনে বিয়াখন পতাৰ সিদ্ধান্ত কৰিলে। বিয়াখনৰ যোগাৰ পাতি কৰাত মামীয়েকে ৰামুৰ ওপৰতেই ভালেখিনি কথাত নিৰ্ভৰ কৰিব পাৰিছিল। ৰামুৱেই যেন সেইকেইদিন সৰ্বেসৰ্বা।

অনুষ্ঠুপীয়াকৈ অবিনাশৰ বিয়াখন সুকলমে হৈ গ'ল। বিশেষভাবে নিমন্ত্ৰিত ব্যক্তিৰ ভিতৰত আছিল হেডমাষ্টৰ লক্ষ্যধৰ গোঁহাই, ৰজনী ফুকনৰ বন্ধু আৰু একালৰ সহকৰ্মী গনেশ কাকতি, অবিনাশৰ বন্ধু জিতেন শইকীয়া, দ্বীজেন গাঙ্গুলীৰ মাক আৰু দেউতাক, জীৱন গোঁহাই, মেৰী আৰু সিহঁতৰ ল'ৰা-ছোৱালী দুটা। ইয়াৰ উপৰিও উপস্থিত আছিল কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কেইজনমান অধ্যাপক আৰু ৰজনী ফুকনৰ গুৱাহাটীত থকা কেইজনমান আত্মীয় কুটুম্ব।

ৰজনী ফুকনৰ পুৰণি বন্ধু গণেশ কাকতি উপস্থিত থকাত বিয়াখনত হাঁহিৰ

খোৰাকিৰ অভাৱ হোৱা নাছিল। তেওঁৰ যোৰহাটৰ আওপুৰণিকলীয়া নিজাঘৰ আৰু হোটেল ব্ৰহ্মপুত্ৰ অশোকত থকা সা-সুবিধাবোৰৰ মাজত সমূলি ৰাহি-যোৱা অহা নাছিল। মাজে মাজে তেওঁ ৰগৰ কৰি কয়– "আও, এইখন হোটেলত বিনা পইচাত থাকিবলৈ দিলেও মই নেথাকো। তামোল খাই পিক পেলাবলৈ জেগা অকণ বিচাৰি নেপাও, ক'তো চূণ অকণ সানিব নোৱাৰি।" বিয়াৰ জলপানৰ বিষয়েও গণেশ কাকতিয়ে মন্তব্য নিদিয়াকৈ থকা নাছিল। "বুজিছে ৰজনী ককাইদেউ, মোৰ বিয়া বুলিলে সেই কলহৰ মুখৰ এঠা দৈ, গুৰ আৰু চিৰা, কোমল চাউললৈহে মনত পৰে। পিছে এই চৰকাৰী হোটেলত সেইবোৰ ক'ত পাম।" ৰজনী ফুকনেও আক্ষেপ কৰি ক'লে– "এৰা, কাকতি আপুনি ঠিকেই কৈছে, চিৰা-দৈ অকণ জোগাৰ কৰিব পৰা হ'লে অৱশ্যে ভাল আছিল।" ৰজনী ফুকনে কাবুলীৰ পৰা টকা ধাৰ ল'ব লগা অৱস্থাটোৰ কথাও অবিনাশে তেতিয়াহে কথা প্ৰসঙ্গত গণেশ কাকতিৰ পৰা গম পাইছিল।

বিয়াৰ কেইদিনমান পিছতহে বন্ধু জীৱনৰ যোগেদি অবিনাশে মোমায়েক-মামীয়েকক মানসীৰ লগত তাৰ সম্পৰ্কটোৰ বিষয়ে জানিবলৈ দিলে। জীৱনে ইয়াকো ক'লে যে অবিনাশে বিয়াৰ আগতেই মানসীৰ কথাটো ৰুমাক জনাইছে ; আৰু সকলো কথা সময় লৈ বিবেচনা কৰিহে ৰুমাই বিয়াত সম্মতি দিছে। প্ৰকৃত ঘটনাটো জনাৰ পিছত মানসীৰ অন্তৰত কি দুৰ্ঘোৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব পাৰে, সেই লৈ ৰজনী ফুকন আৰু ফুকননী যথেষ্ট চিন্তিত হৈ পৰা কাৰণও আছিল। অঞ্জন শৰ্মাই মানসীৰ সম্পূৰ্ণ দায়িত্ব লোৱা বুলি জানি অৱশ্যে তেওঁলোকৰ চিন্তা কিছু পাতল হ'ল। দুৰ্ভগীয়া মানসীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি মামীয়েকে মাজে মাজে চকুলো টুকিছিল। এম, এচ, চি পৰীক্ষা দি অহাৰ পিছত অবিনাশৰ মানসিক বিকৃতি হ'ব খোজাৰ কাৰণটো তেতিয়াহে বুজিব পাৰিলে। শৰৎ কালৰ পূৰ্ণিমাৰ জোনাকৰ দৰে নিৰ্মল অবিনাশৰ জীৱনটো হঠাতে এচপৰা কলিয়া ডাৱৰে কলঙ্কিত কৰাৰ গ্লানি অভিভাৱক হিচাবে তেওঁলোকেও মূৰ পাতি ল'বলগীয়া হ'ল।

অবিনাশে উদ্ভাৱন কৰা সৌৰ শক্তিৰ যন্ত্ৰটোৰ পেটেন্ট কৰা পিছত কেবাজনো ভাৰতীয় উদ্যোগপতিয়ে সেই পেটেন্টটোৰ সত্ত্বাধিকাৰ কিনি লোৱাৰ প্ৰস্তাৱ দিছিল। বহুদিশৰ পৰা বিবেচনা কৰি অবিনাশে ভাৰত চৰকাৰৰ এটা উদ্যোগ প্ৰতিষ্ঠানক পাঁচ কোটি টকাৰ বিনিময়ত বিক্ৰী কৰাৰ সিদ্ধান্ত ল'লে। অবিনাশে ভাবিলে সেই টকাৰে মোমায়েক আৰু মামীয়েকৰ নামত এটা ন্যাস কৰিলেহে তাৰ জীৱনৰ উদ্দেশ্য আৰু তেওঁলোকৰ প্ৰতি থকা কৰ্তব্য কিছু পূৰণ হ'ব। মনত শান্তিও পাব। এডভোকেট দিনেশ গাঙ্গুলীক ন্যাসৰ নিয়মাৱলী তৈয়াৰ কৰি আইন সঙ্গত কামখিনি কৰিবলৈ দায়িত্ব দিলে। ন্যাস পৰিচালনা

সমিতিখনত মেম্বাৰ থাকিব যথাক্ৰমে– ৰজনী ফুকন, ফুলৰাণী ফুকন, অঞ্জন শৰ্মা আৰু জীৱন গোঁহাই। ন্যাসৰ পুঁজি খটুৱাই যি সুত পোৱা যাব সেই সুতৰ টকাৰে দুখীয়া অথচ মেধাবী ছাত্ৰ-ছাত্ৰীক পঢ়িবৰ কাৰণে বৃত্তি আৰু ঋণ দিয়া হ'ব। মামীয়েক ফুলৰাণী ফুকনৰ ইচ্ছা অনুসৰি ন্যাসৰ নিয়মাৱলীখনত এনে এটা চৰ্ত সন্নিবিষ্ট কৰা হ'ল যে ন্যাসৰ পৰা উপকৃত হোৱা ছাত্ৰ-ছাত্ৰীয়ে উপাৰ্জনক্ষম অৱস্থাৰ প্ৰাপ্তি হ'লে তেওঁলোকে লোৱা ঋণ পৰিশোধ কৰিব লাগিব। দেশৰ বঞ্চিত দুখীয়া-নিচলা ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰতি, ন্যাসৰ পৰা উপকৃত হোৱা লোকসকলৰ মাজত, সহানুভূতি আৰু দায়িত্ববোধ জগাই তোলাই সেই নিয়মটোৰ ঘাই উদ্দেশ্য আছিল।

* * * * *

অধ্যায়– ৩৪

ন্যাস গঠনৰ যাৱতীয় কাম শেষ হোৱাৰ পিছত অবিনাশ আৰু ৰুমা কেইদিনমানৰ কাৰণে শ্বিলঙলৈ বুলি ফুৰিবলৈ আহি পাইন-উড্ হোটেলত উঠিলেহি। বসন্তকাল, গছ্-লতাবোৰত নানা বৰণীয়া ফুলে জকমকাই আছিল। ধুনীয়া ফৰকাৰ বতৰৰ মাজতে হঠাতে মনজুৰুৱা এজাক বৰষুণ, আকৌ খন্তেকতে আহি পৰে কোমল ৰ'দৰ পোহৰ। বতৰৰ হাঁহি-খেমালিয়ে কাৰো মনলৈ নিৰ্জীৱতা আহিবলৈ নিদিয়ে। সেয়াই প্ৰকৃতিৰ ৰম্যভূমি শ্বিলং।

ৱাৰ্ড লেকৰ পাৰত বহি ৰুমাই ক'লে– "অবিনাশদা, শ্বিলঙখন হ'লে মোৰ বৰ ভাল লাগিছে, আপোনাৰ বাৰু ?"

"সেইয়া ৰুমা, তুমি আকৌ 'অবিনাশদা' 'আপুনি' বুলিবলৈ এৰা নাই।" অবিনাশে ক'লে।

"মোৰ বাৰে বাৰে ভুল হৈ যায়। মুখত নাহে দেখোন।"

ৰুমা অবিনাশৰ আৰু অলপ কাষ চাপি আহে। চেঁচা বতাহজাকে তাইক ইমান ওচৰ চপাব খোজে যে অবিনাশ আৰু তাইৰ মাজত অকণো ব্যৱধানেই নেথাকে। সিহঁত দুয়োৰে যেন একেই আত্মা একেই অস্তিত্ব।

প্ৰাকৃতিক শোভাৰে ৰংচঙীয়া শ্বিলঙৰ প্ৰায়বোৰ ঠাইৰে সৌন্দৰ্য সিহঁতে উপভোগ কৰিলে। এদিন চেৰাপুঞ্জীৰ পৰাও ফুৰি আহিলৈগে। গ'ল্ফলিঙ্কৰ সেউজীয়া ঘাঁহনিৰ মাজত বহি ফ্লাস্কৰ পৰা কফি উলিয়াই দুয়ো খায়। কিছু সময় জিৰণি লৈ আকৌ ফুৰে। গ'ল্ফলিঙ্কৰ বিস্তীৰ্ণ, মনোৰম সেউজীয়া ঘাঁহনি দৰাৰ অন্তত শাৰী শাৰী পাইন গছবোৰ। নীল আকাশৰ মাজে মাজে বতাহত হালিজালি উৰা মাৰি যেন ইচপৰা ডাৱৰে যেন সিচপৰাক পিৰীতি যাচিছে। ৰুমাই ডাৱৰবোৰৰ লগত সিহঁতৰ মনৰ সাদৃশ্য দেখিবলৈ পাই মনতে ভাৱে মানুহৰ মন আৰু প্ৰকৃতিৰ মাজত যেন কিবা এটা অন্তৰ্নিহিত আশ্চৰ্যজনক সমন্বয় আছে। নথকাৰো কোনো কাৰণ নাই, সৃষ্টিকৰ্তা একেজনহে। কথা পাতি পাতি আগবাঢ়ি গৈ সিহঁত গ'ল্ফলিঙ্কৰ একেবাৰে সিটো মূৰ পালেগৈ।

কমাই সোধে "অবিনাশদা, তুমিটো প্ৰায় গোটেই পৃথিবীখনেই ফুৰিলা, দেখিলা, কোৱাচোন বাৰু, গ'ষ্কলিঙ্কৰ দৰে ধুনীয়া প্ৰাকৃতিক দৃশ্য আন ক'ৰবাত দেখিছিলানে ?"

ক্ষন্তেক মৌন হৈ অবিনাশে ক'লে– "দেখিছিলো, কিন্তু তাত প্ৰাণ পোৱা নাছিলো ।"

কমাই আকৌ সোধে– "আচ্ছা অবিনাশদা, আজি যদি, মোৰ দৰে মীনাক্ষীও তোমাৰ কাৰণে অপেক্ষা কৰি থাকিলেহেঁতেন, তুমি কি কৰিলাহেঁতেন ?"

অবিনাশে জেপৰ পৰা আধলী এটা উলিয়াই ওপৰলৈ টচ কৰি মাটিত পৰিবলৈ দি পইচাটো দেখুৱাই ক'লে "এইয়া কমা চোৱা, তুমি জিকিছা ; হেড পৰিছে ।"

কমাই উচপ খাই সোধে– "টেল পৰা হ'লে অবিনাশদা ?"

পইচাটো আঙুলিৰে লুটিয়াই দি অবিনাশে ক'লে– "এইয়া চোৱা কমা টেল পৰিছে, এইবাৰো তুমি জিকিছা ।"

অবিনাশে সুধিলে– "বাৰু কমা তুমি যে কৈছিলা সকলো পাপৰে প্ৰায়শ্চিত্ত থাকে, মীনাক্ষীয়ে বাৰু কি প্ৰায়শ্চিত্ত কৰিলে ?"

কমাই ক'লে– "মীনাক্ষীয়ে বিবেকৰ দংশনত অতিষ্ঠ হৈ কেবাবাৰো আত্মহত্যা কৰিবলৈ চেষ্টা কৰিও বিফল হৈ, কেনেকৈ অঞ্জন শৰ্মাৰ আগত আত্মপ্ৰকাশ কৰি, তিলতিলকৈ দহি থকা, যন্ত্ৰণাৰ পৰা মুক্তি পোৱাৰ পথ বিচাৰি লৈছিল, সেই সকলোবোৰ কথাই খোলাখুলিকৈ সিদিনা তাই নিজেই মোক কৈছিল । যদি পৃথিবীত পাপ-পূণ্য বুলি কিবা কথা এটা আছে, তেন্তে, মই ভাবো, আত্মহত্যা কৰা হ'লে তাইৰ পাপৰ বোজা কমাতকৈ সম্ভৱ বাঢ়িলহেঁতেনহে । মীনাক্ষীয়ে জানো আত্মপ্ৰকাশ কৰি, সকলো পৰিণাম মূৰ পাতি লৈ, তাইৰ ভুলৰ প্ৰায়শ্চিত্ত কৰা নাই । অঞ্জন শৰ্মাই সেইদিনা গুলি কৰি মৰা হ'লেও তাইৰ আত্মাই নিশ্চয় শান্তি পালেহেঁতেন । প্ৰবঞ্চনা সদায় বৰ্তী থাকিব নোৱাৰে, অবিনাশদা । সত্যৰ সন্ধান আৰু তাৰ প্ৰতিষ্ঠাৰ কাৰণে কৰা প্ৰচেষ্টাকে মানুহে মুক্তিক নিৰ্বান বুলি ভাবে । অবশেষত মীনাক্ষীয়ে মুক্তিকেই বিচাৰিছিল ।"

অবিনাশে সুধিলে– "তেন্তে মোৰ পাপৰ কি প্ৰায়শ্চিত্ত হ'ল ?"

"তোমাক জানো কোনোবাই দোষী বুলি ক'ব পাৰিব । মীনাক্ষীয়ে মোক কৈছিল– 'অবিনাশদা একেবাৰে নিৰ্দোষী, কমা ।' এম, এচ, চি পৰীক্ষা দি অহাৰ পিছত তোমাৰ যি মানসিক পীড়াই দেখা দিছিল আৰু সেইলৈ মামা-মামী দুয়ো বৰ চিন্তিত হৈ পৰিছিল । ডাক্তৰৰ পৰামৰ্শ অনুসৰিয়েই তীৰ্থ কৰাৰ উদ্দেশ্যেৰে তোমাক বিভিন্ন তীৰ্থস্থান ফুৰাবলৈ লৈ গৈছিল । মামীয়ে মোক সেই

সকলোবোৰ কথাই ইতিমধ্যে কৈছে।"

খোজকাঢ়ি আহি থাকোতে ৰুমাই আকৌ ক'লে– "মানসীক কিন্তু আমি সকলোৱে আকোৱালি ল'ব নোৱাৰিলে, সমাজেই তাৰ কাৰণে জগৰীয়া হ'ব।"

কিছুপৰৰ পিছত তাই আকৌ সুধিলে– "অবিনাশদা মই মামীৰ দৰে, এখন ভাল অন্তঃকৰণৰ গৰাকী হ'ব পাৰিমনে বাৰু ?"

অবিনাশে ক'লে– "চেষ্টা কৰাতটো কোনো আপত্তি নাই।"

গ'ল্ফলিঙ্কৰ পৰা হোটেললৈ ঘূৰি আহোতে প্ৰায় সন্ধ্যা লাগো লাগো। কিছুসময় জিৰণি লৈ, চাহ একাপ খাই, অবিনাশে চিঠি এখন লিখিবলৈ বহিল। ৰুমা ওচৰ চাপি আহি সুধিলেহি– "তন্ময় হৈ কালৈ চিঠি লিখিছা,"

অবিনাশে ক'লে– "দ্বীজেন গাঙ্গুলীলৈ।"

"কোন দ্বীজেন গাঙ্গুলী ?"

"মোৰ বন্ধু।"

* * * * *

সমাপ্ত

* * * * *